খ্ৰীষ্টীয় ষষ্ঠ শতিকামানৰ পৰা খ্ৰীষ্টীয় সপ্তদশ-অষ্টদশ শতিকামানলৈকে মধ্যযুগত ভাৰতবৰ্ষত হোৱা এটা বৃহৎ ধৰ্মীয় আৰু সামাজিক আন্দোলন হৈছে ভক্তি আন্দোলন। এই আন্দোলনটো আছিল হিন্দু ধৰ্মৰ আধ্যাত্মিকতাবাদী আৰু সংস্কাৰ ধৰ্মী আন্দোলন। আন্দোলনটোৰ পটভূমিত আছিল বৈষম্য আৰু দমনমূলক হৈ পৰা কিছুমান ধৰ্মীয় আচাৰ-ৰীতি। সেই ধৰ্মীয় আচাৰ-ৰীতিবিলাকে জাতি-বৰ্ণ-লিংগ ভিত্তিক সামাজিক প্ৰান্তীয়কৰণৰ সৃষ্টি কৰিছিল। ভক্তি আন্দোলনৰ গুৰি ধৰোতা ভক্ত কবিসকলে ধৰ্মীয় সংস্কাৰ সাধন আৰু সাহিত্য সৃষ্টিৰ জৰিয়তে ধৰ্মৰ নামত চলা বৈষম্য আৰু অৱদমনৰ বিৰুদ্ধে শক্তিশালীভাৱে বিৰোধিতা কৰি সকলো মানুহকে ধৰ্মীয় আচাৰত সম স্থান দি সামাজিক সমতা প্ৰতিষ্ঠাৰ চেষ্টা কৰিছিল। ভক্তি আন্দোলনৰটোৰ উদ্দেশ্য যিহেতু ধৰ্মীয় গণতান্ত্ৰিকতা আছিল সেয়েহে স্বাভাৱিকভাৱে আন্দোলনকেন্দ্ৰিক সাহিত্যৰাজিতো সেই ভাৱধাৰা প্ৰকাশিত হৈছে। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ ভক্তি আন্দোলনৰ ভক্ত কবিসকলৰ ৰচনাৰাজিত স্পষ্টভাৱে অৱদমন আৰু বৈষম্য বিৰোধী চেতনা প্ৰতিফলন লক্ষ্য কৰা যায়। এই গৱেষণা পত্ৰখনত ভক্তিআন্দোলন আৰু আন্দোলনকেন্দ্ৰিক সাহিত্যৰাজিৰ মাজেৰে ধৰ্মৰ নামৰ সৃষ্টি হোৱা আধিপত্য আৰু বৈষম্য বিৰুদ্ধে প্ৰতিৰোধী চেতনা কেনেদৰে প্ৰকাশ হৈছে সেয়া 'প্ৰতিৰোধ অধ্যয়ন' শীৰ্ষক তাত্ত্বিক আধাৰত বিষয়-বিশ্লেষণ পদ্ধতিৰে অধ্যয়ন কৰা হৈছে।

**বীজ শব্দ ঃ**

ভক্তি-আন্দোলন, ভক্তি-সাহিত্য, আধিপত্য, প্ৰান্তীয়কৰণ, প্ৰতিৰোধ।

**০.১ বিষয়ৰ পৰিচয় ঃ**

আধিপত্য হৈছে ধাৰণা বা মতাদৰ্শৰ নিৰ্মাণ তথা সাধাৰণীকৰণৰ জৰিয়তে সৃষ্টি কৰা এক কৰ্তৃত্ব। ক্ষমতাশালী শ্ৰেণীৰ সামাজিক আধিপত্য স্থাপনত 'ধৰ্ম'ই বিশেষ ভূমিকা গ্ৰহণ কৰে। 'ধৰ্ম' নামেৰে স্বীকৃত কিছুমান বিশেষ বাগ্‌ধাৰাই কিছুমান আধিপত্যযুক্ত নীতি-নিময় সৃষ্টি কৰি বিশেষ বৰ্ণ, সম্প্ৰদায় আৰু লিংগক সমাজৰ মূল সুঁতিৰ পৰা আঁতৰাই ৰাখে। এই প্ৰক্ৰিয়াক প্ৰান্তীয়কৰণ বোলা হয়। মধ্যযুগৰ ভাৰতৰ ভক্তি আন্দোলনৰ পটভূমি বিচাৰ কৰি চালে দেখা যায় যে আধিপত্যকামী হৈ উঠা হিন্দুধৰ্মৰ কিছু ধৰ্মীয় বাগ্‌ধাৰাই সৃষ্টি কৰা জাতিগত অৱদমন, প্ৰান্তীয়কৰণ তথা সামাজিক বিশৃংখলতাৰ লগতে বৌদ্ধ আৰু জৈন ধৰ্মত সৃষ্টি হোৱা দুৰাচাৰ দূৰীকৰণৰ প্ৰচেষ্টাৰে ভাৰতবৰ্ষত ভক্তি আন্দোলন আৰু ভক্তি সাহিত্যৰ সৃষ্টি হৈছিল। প্ৰথমে দক্ষিণ ভাৰতত আৰম্ভ হোৱা আন্দোলনটো ক্ৰমান্বয়ে সমগ্ৰ দেশতে বিস্তাৰিত হৈ পৰি ভাৰতীয় জাতীয় জীৱন আৰু ভাৰতীয় সাহিত্যত এক নতুন ধাৰাৰ সৃষ্টি কৰিছিল।

ভক্তি আন্দোলনটোৰ লগত সম্পৰ্কিত ত্ৰয়োদশ শতিকাৰ পৰা ষষ্ঠদশ শতিকালৈকে ৰচিত হোৱা ভক্তি সাহিত্যৰাজিৰ মূল লক্ষ্য আছিল কোনো বিশেষ বৰ্ণ বা ধৰ্মৰ একক আধিপত্যৰ বিৰোধিতাৰে সমাজত সমতা প্ৰতিষ্ঠা কৰা। এখন সমাজত যেতিয়াই আধিপত্যৰ সৃষ্টি হয় তাৰ লগতে আধিপত্যৰ বিৰুদ্ধে প্ৰতিৰোধৰো সৃষ্টি হয়। গতিকে, ভক্তি আন্দোলনটোক ধৰ্ম আধাৰত সৃষ্টি হোৱা তথা কঠোৰ হৈ উঠা জাতিভেদ প্ৰথা তথা সামাজিক প্ৰান্তীয়কৰণ বিৰুদ্ধে এক শক্তিশালী আধ্যাত্মিক প্ৰতিৰোধ বুলিব পৰা যায়। এই প্ৰতিৰোধে হিন্দু ধৰ্মক নতুন ৰূপত প্ৰতিষ্ঠা কৰি সকলো মানুহকে জাতি-বৰ্ণ, লিংগ নিৰ্বিশেষে সম-মৰ্যাদা প্ৰদান কৰি এখন ধৰ্মীয় আৰু সামাজিক সমতা ভিত্তিক সমাজ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

ভক্তি সাহিত্যত আধিপত্য আৰু প্ৰান্তীয়কৰণ বিৰোধী চেতনা শীৰ্ষক গৱেষণা পত্ৰখনৰ উদ্দেশ্য হৈছে -

১. ভক্তি আন্দোলনৰ পটভূমিত সৃষ্টি হোৱা সাহিত্যৰাজিৰ অধ্যয়নৰ জৰিয়তে আধিপত্যৰ বিৰুদ্ধে প্ৰতিৰোধৰ প্ৰতিফলন সম্পৰ্কে অধ্যয়ন কৰা।

২. নাৰীৰ প্ৰান্তীকৰণৰ বিৰুদ্ধে ভক্তি সাহিত্যৰাজিত কেনেধৰণেৰে প্ৰতিৰোধৰ প্ৰতিফলন হৈছে বিচাৰ কৰি চোৱা।

**০.২ অধ্যয়নৰ তাত্ত্বিক আধাৰ আৰু পদ্ধতি ঃ**

এই অধ্যয়নৰ তাত্ত্বিক আধাৰ হৈছে প্ৰতিৰোধ অধ্যয়ন (Resistance Studies)। আধিপত্য আৰু প্ৰান্তীয়কৰণৰ লগত জড়িত হৈ থকা এটা ধাৰণা হ'ল প্ৰতিৰোধ (Resistance)। *মিচেল ফুকোৱে লিখিছিল ক্ষমতাৰ সম্পৰ্কবোৰ য'ত থাকে, তাতেই প্ৰতিৰোধো থাকে।*[১] প্ৰতিৰোধ হৈছে এনে এক প্ৰক্ৰিয়া, যি এক নিৰ্দিষ্ট শক্তি, বল, নীতি অথবা শাসনৰ একাধিপত্যক বিৰোধিতা কৰে। সেই দিশৰ পৰা প্ৰতিৰোধ অনা আধিপত্যকামী সামাজিক আচৰণ, মনোভাৱ আৰু প্ৰভাৱশালীকোনো শক্তিক দুৰ্বল কৰাৰ বাবে নিৰ্দেশিত ক্ৰিয়া বুলিব পাৰি।

প্ৰতিৰোধ বহু ৰূপযুক্ত হয়। উদাহৰণস্বৰূপে— ব্যক্তিগত প্ৰতিৰোধ, ৰাজহুৱা নাগৰিক প্ৰতিৰোধ, সমালোচনামূলক প্ৰতিৰোধ, ছদ্মবেশী প্ৰতিৰোধ ইত্যাদি। প্ৰতিৰোধৰ এই ৰূপবোৰক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি। সেই দুটা ভাগ হ'ল — প্ৰত্যক্ষ (স্পষ্ট) আৰু প্ৰচ্ছন্ন (অন্তৰ্নিহিত,আবৃত্ত) প্ৰতিৰোধ। প্ৰত্যক্ষ প্ৰতিৰোধত প্ৰতিৰোধকাৰীয়ে স্পষ্টভাৱে ক্ষমতা আৰু অন্যায়ক প্ৰশ্ন কৰে। এই প্ৰতিৰোধতে ব্যক্তিগত প্ৰতিৰোধ, ৰাজহুৱা বা সামূহিক প্ৰতিৰোধ, সমালোচনামূলক প্ৰতিৰোধ আদিবোৰ অন্তৰ্নিহিত হৈ থাকে। ব্যক্তিগত প্ৰতিৰোধৰ ক্ষেত্ৰত কোনো ব্যক্তিয়ে ব্যক্তিগতভাৱে ক্ষমতাক প্ৰশ্ন, প্ৰত্যাহ্বান জনায়। সমালোচনাত্মক প্ৰতিৰোধে আধিপত্যযুক্ত বাগ্‌ধাৰাবোৰক সমালোচনাৰ জৰিয়তে প্ৰত্যাহ্বান জনায়। বিক্ষোভ, ধৰ্মঘট, বৰ্জন আদিৰ জৰিয়তে ক্ষমতাক ৰাজহুৱাভাৱে প্ৰত্যাহ্বান জনোৱা কাৰ্যবোৰক সামূহিক প্ৰতিৰোধ বোলা হয়। বহুসময়ত প্ৰতিৰোধ প্ৰশ্ন, বিক্ষোভ, বিপ্লৱ আৰু অন্যান্য সংগঠিত, সামূহিক ৰূপবোৰৰ দৰে দৃশ্যমান, সুস্পষ্ট আৰু ৰাজনৈতিক নহ'বও পাৰে। কিন্তু আনুগত্য বিৰোধী এনে অস্পষ্ট,অৰাজনৈতিক ক্ৰমশঃ কাৰ্যশীল হ'বলৈ গৈ থকা কাৰ্য আৰু আচৰণসমূহো প্ৰতিৰোধ। এনে প্ৰতিৰোধকে প্ৰচ্ছন্ন প্ৰতিৰোধ বোলা হয়। প্ৰচ্ছন্ন প্ৰতিৰোধক জেমচ স্কট (James Scott)-এ তেওঁৰ *The Weapons of the Weak:Everyday form of Peasant Resistance* (1985) শীৰ্ষক গ্ৰন্থত 'দৈনন্দিন প্ৰতিৰোধ' বুলি উল্লেখ কৰিছে।[২] প্ৰতিৰোধ সম্পৰ্কীয় উল্লিখিত বিভিন্ন মতবাদ, প্ৰকাৰ বিভাজনবোৰৰ আধাৰত ক'ব পাৰি যে প্ৰতিৰোধ এটা গতিশীল আৰু বহুমাত্ৰিক প্ৰক্ৰিয়া। সমাজ-সভ্যতাৰ ইতিহাসৰ সকলো স্তৰতে প্ৰত্যক্ষ অথবা প্ৰচ্ছন্নভাৱে ইয়াৰ উপস্থিতি লক্ষ্য কৰা যায়। প্ৰতিৰোধৰ পৰিণতি ইতিবাচক আৰু নেতিবাচক দুইধৰণৰে হ'ব পাৰে। প্ৰতিৰোধৰ সম্পৰ্কীয় অধ্যয়নেই হ'ল প্ৰতিৰোধ অধ্যয়ন।

গৱেষণা পত্ৰখনৰ অধ্যয়নৰ পদ্ধতি হ'ল বিষয়-বিশ্লেষণ পদ্ধতি।

**০.৩ ভক্তি আন্দোলন, ভক্তিসাহিত্য আৰু প্ৰতিৰোধ চেতনা ঃ**

ভক্তি আন্দোলনৰ কবিসকলক সগুণ আৰু নিৰ্গুণ নামেৰে দুটা ধাৰাত বিভক্ত কৰা হয়। নিৰ্গুণ ধাৰাৰ সন্ত কবিসকলৰ ৰচনাত জাতিগত আধিপত্য, মূৰ্তি পূজা আৰু ধাৰ্মিক আড়ম্বৰতা বিৰোধী চেতনাৰ প্ৰকাশ পৰিলক্ষিত হয়। নিৰ্গুণ ধাৰাৰ কবিসকলৰ ভিতৰত সন্ত কবি কবীৰ দাস,গুৰুনানক, দাদু দয়াল, নামদেৱ, তুকাৰাম আদি উল্লেখযোগ্য। এই কবিসকলে ভক্তিধৰ্ম প্ৰচাৰৰ মাধ্যমেৰে 'ধৰ্ম' নামেৰে জাতি বা বৰ্ণৰ আধাৰত সৃষ্ট সামাজিক বৈষম্য তথা প্ৰান্তীয়কৰণৰ বিৰোধিতা কৰিছিল। সন্ত কবিসকলৰ আধিপত্য বিৰোধী প্ৰতিৰোধী চেতনা তেওঁলোকৰ কাব্যৰ

বিষয় প্ৰসংগ তথা ভাষিক অভিব্যক্তি দুয়োটা দিশেৰে প্ৰতিফলিত হৈছে।

ভাষিক অভিব্যক্তিৰ ক্ষেত্ৰত দেখা যায় যে ভক্তি আন্দোলনৰ সন্ত কবিসকলে সাধাৰণতে উচ্চবৰ্ণৰ ভাষা আৰু জটিল ভাষা হিচাপে স্বীকৃত সংস্কৃত ভাষাৰ ধৰ্ম শাস্ত্ৰসমূহৰ মূল তত্ত্ব তথা আদৰ্শনীয় ধাৰণাবোৰক লৈ জনসাধাৰণৰ ভাষাৰে কাব্য ৰচনা কৰি ধৰ্মীয় তত্ত্বক সাধাৰণ জনসাধাৰণৰ বোধগম্য কৰি তুলি তেওঁলোকৰ ধৰ্মৰ কেন্দ্ৰলৈ অনাৰ প্ৰচেষ্টা কৰিছিল। উদাহৰণস্বৰূপে অসমত ভক্তি আন্দোলন গুৰি ধৰোতা শংকৰদেৱে সকলো মানুহে বুজিব পৰা ধৰণেৰে জনসাধাৰণৰ কথিত ভাষা আৰু মৈথিলী ভাষাৰ সংমিশ্ৰনত 'ব্ৰজাৱলী' নামৰ বিশেষ সাহিত্যিক ভাষাৰ এটাৰ সৃষ্টি কৰি সাহিত্য ৰচনা কৰিছিল। সাধাৰণ জনসাধাৰণৰ সংস্কৃত ভাষাৰ দুৰ্বোধ্যতাক সুবিধা হিচাপে গ্ৰহণ কৰি এটা শ্ৰেণীয়ে নিজৰ স্বাৰ্থৰ অনুকূলে শাস্ত্ৰ হিচাপে প্ৰণয়ন কৰা আধিপত্যযুক্ত কিছু ধাৰণাৰ বিপৰীতে জনসাধাৰণৰ বোধগম্য ভাষাত শাাস্ত্ৰৰ নীতি-কথা, তত্ত্ব আদি অনুবাদ কৰি আধ্যাত্মিক সাধনৰ পথ সকলোৰে বাবে মুকলি কৰি দিয়া এই পদক্ষেপক এক প্ৰতিৰোধ হিচাপে অভিহিত কৰিব পাৰি। শংকৰদেৱৰ অনুগামী ভক্তি আন্দোলনৰ কবি মাধৱদেৱ, অনন্ত কন্দলী আদিৰ মাজতো এনে ভাষিক চেতনাৰ প্ৰতিফলন লক্ষ্য কৰা যায়। অনন্ত কন্দলীয়ে সাধাৰণ মানুহৰ বাবে দুবোধ্য সংস্কৃত ভাষাত লিখাৰ পৰিৱৰ্তে সাধাৰণ মানুহ বুজিব পৰা ভাষাত *মধ্য দশমৰ* অনুবাদ কৰি লিখিছিল —

শ্লোক সংস্কৃত লিখিবাক ভাল জানি
তথাপি কৰিলোঁ পদ বন্ধ
স্ত্ৰী শূদ্ৰ আদি যত জানোক পৰম তত্ত্ব
শ্ৰৱণত মিলয় আনন্দ।।

ৰাম সৰস্বতীয়েও কোচ ৰজা নৰনাৰায়ণৰ আদেশত স্ত্ৰী-শূদ্ৰই বুজিব পৰাকৈ মহাভাৰতৰ পদ ৰচনা কৰাৰ কথা জনা যায়। অসমৰ দৰে ভাৰতবৰ্ষৰ অন্যান্য ঠাইতো খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ পৰা যোড়শ শতিকাৰ ভিতৰত প্ৰান্তীয় আঞ্চলিক ভাষাসমূহত ভক্তি আন্দোলনকেন্দ্ৰিক সাহিত্যৰ সৃষ্টি হৈছিল। উত্তৰ ভাৰতত হিন্দী ভাষাত কবীৰদাস আৰু সুৰদাসে পুৰাণৰ অনুবাদ, গীত, পদ আদি পশ্চিম ভাৰতৰ গুজৰাটত ভক্ত কবি নৰসিংহ মেহেতাই গুজৰাটী ভাষাত, দক্ষিণ ভাৰতত মালয়ালম, তেলেগু, কানাড়া আদি ভাষাত সন্ত কবিসকলে কাব্য ৰচনা কৰিছিল।

ভক্ত কবিসকলৰ কাব্যৰ বিষয়বস্তুও আছিল ধৰ্মীয় আধিপত্য তথা সামাজিক বৈষম্যৰ বিৰোধী। সন্ত কবি কবীৰদাসে অৰ্থহীন গোড়ামী, জাতিগত বৈষম্যৰ বিৰোধিতা কৰি লিখিছিল—

*একেই ছাল, হাড়, মল, মূত্ৰ। একেই তেজ,গুহ্যদ্বাৰ।*
*বিন্দু একেই, যাৰে সৃষ্ট সকলোটি। বামুণ কোন কোনবা শূদিৰ?*[৩]

কবীৰৰ দৰেই পঞ্জাৱত গুৰু নানক, গুজৰাটত দাদুদয়াল, মহাৰাষ্ট্ৰত নামদেৱ, তুকাৰাম আদি ভক্তি আন্দোলনৰ সন্ত কবিসকলৰ কাব্যত উচ্চবৰ্ণ প্ৰসূত ধৰ্ম গুৰুসকলে প্ৰৱৰ্তন কৰি থৈ যোৱা ধৰ্মীয় আধিপত্যৰ ধাৰণা ভাঙি সমাজৰ সকলো শ্ৰেণীৰ লোককে ধৰ্মৰ কেন্দ্ৰত স্থান দিয়াৰ কথা উল্লেখ আছে। উদাহৰণস্বৰূপে, সন্ত নামদেৱে মাৰাঠী ভাষাত জাতিভেদৰ বিৰুদ্ধে লিখিছিল এনেদৰে—

*জাতিত নোহোৱা যিয়ে, গাখীৰৰ একেটি বৰণ*
*বামুণ ওলাল তুমি ক'ৰ, আমিনো কেনেকে শূদিৰ?*[৪]

শিখ সন্ত গুৰু নানকৰ দ্বাৰা প্ৰচাৰিত ধৰ্মীয় মতাদৰ্শৰ মূল মন্ত্ৰ আছিল একতা। জাতি -বৰ্ণ, ধৰ্ম, লিংগ নিৰ্বিশেষে সকলোকে একতা আৰু সমতাৰ আদৰ্শৰে সমস্থান দিয়া গুৰু নানকৰ ৰচনাসমূহ সংকলিত হোৱা *গুৰু গ্ৰন্থ চাহিব*ত থকা প্ৰথমটো শব্দ হ'ল 'ইক' (Ik) অৰ্থাৎ 'এক'। জাতি আৰু শ্ৰেণীভিত্তিক আধিপত্যৰ বিৰোধিতাৰে সমতাৰ প্ৰসংগ এই গ্ৰন্থত এনেদৰে আছে—

*ঈশ্বৰ সচেতন সত্তাই সকলোকে একেদৃষ্টিৰে চায়,*
*যিদৰে বতাহ ৰজা আৰু দুখীয়া ভিক্ষাৰীৰ দুইজনৰ ফালে একেদৰে বয়।*[৫]

অসমত ভক্তি আন্দোলনৰ সময়ছোৱাত ৰচিত সাহিত্যৰাজিৰ বিষয়-বস্তু বিচাৰ কৰি চালে দেখা যায় যে আধিপত্য বিৰোধী গণতান্ত্ৰিক চেতনা শংকৰদেৱ আৰু অন্যান্য বৈষ্ণৱ কবিসকলৰ সাহিত্যৰাজিৰ অন্যতম বৈশিষ্ট্য। এক নিৰ্দিষ্ট ধৰ্ম অথবা ধৰ্মীয় মতাদৰ্শক উচ্চ হিচাপে প্ৰতিষ্ঠা কৰি অন্য ধৰ্মক তুচ্চ জ্ঞান কৰা আধিপত্যযুক্ত ধাৰণাৰ বিপৰীতে সৰ্ব ধৰ্মৰ প্ৰতি এক উদাৰ মনোভাৱ গ্ৰহণ কৰি শংকৰদেৱে লিখিছিল—

পৰৰ ধৰ্মক নিহিংসিবা কদাচিত।
কৰিবা ভূতকো দয়া সকৰুণ

শংকৰদেৱে একেবাৰে তৃণমূল স্তৰৰ পৰা সমাজ-সংস্কাৰ কৰিব বিচাৰিছিল। ধৰ্মৰ ওপৰত এটা বৰ্ণৰ একক কৰ্তৃত্ব সামাজিক ভেদাভেদৰ এটা অন্যতম কাৰক বুলি তেওঁ অনুভৱ কৰিছিল। সেইবাবে ধৰ্মীয় ক্ষমতা আৰু কৰ্তৃত্বৰ

বিকেন্দ্রীকৰণক সমাজ-সংস্কাৰৰ প্ৰধান উপায় হিচাপে গ্ৰহণ কৰিছিল। শংকৰদেৱৰ ৰচিত *কীৰ্তন* পুথিখনক এনে সাম্য আৰু গণতান্ত্ৰিক আদৰ্শৰ বাহক বুলিব পৰা যায়। সমাজে অস্পৃশ্য হিচাপে গণ্য কৰা শ্মশানত শৱদাহ কৰা চণ্ডালকো শংকৰদেৱে সমাজৰ মূলসুঁতিৰ মানুহ হিচাপে স্বীকৃতি দি একান্তভাৱে হৰিনাম ল'লে চণ্ডালকো ব্ৰাহ্মণৰ শাৰীত থব পাৰি বুলি এনেদৰে লিখিছিল—

যিটো চণ্ডাল কায় বাক্য মনে
সদায়ে সুমৰে হৰি
আছে বাহ্ণ ব্ৰত যিটো ব্ৰাহ্মণৰ
সিটো শ্ৰেষ্ঠ তাতো কৰি।

শংকৰদেৱৰ অন্যান্য সাহিত্যকৃতিসমূহতো এনেদৰে সমতাৰ চেতনা প্ৰকাশ হোৱা দেখা যায়। তেওঁৰ সমসাময়িক আন বৈষ্ণৱ কবিসকসলকো ভক্তিৰ আন্দোলনৰ সমতা আৰু গণতান্ত্ৰিক চেতনাই প্ৰভাৱিত কৰাৰ ফলত তেওঁলোকৰ সাহিত্যৰ মাজতো একেধৰণৰ আধিপত্য বিৰোধী চেতনা পৰিস্ফুত হোৱা পৰিলক্ষিত হয়। শংকৰদেৱৰ শিষ্য মাধৱদেৱৰ দ্বাৰা ৰচিত *নামঘোষা* পুথিখন অসমীয়া বৈষ্ণৱ সাহিত্যৰ ইতিহাসৰ আন এখন উল্লেখযোগ্য পুথি। ধৰ্ম আচৰণত যে কোনো ভেদাভেদৰ স্থান নাই, বৰ্ণ নিৰ্বিশেষে সকলোৱে হৰিনাম *কীৰ্তন*ৰ জৰিয়তে ভগৱানৰ লগত যোগসূত্ৰ স্থাপন কৰিব পাৰে সেই আদৰ্শ 'নামঘোষা'ত প্ৰকাশিত হৈছে।

ধৰ্মীয় আধিপত্যই বৰ্ণভিত্তিক প্ৰান্তীয় নিৰ্মাণ কৰাৰ লগতে লিংগ ভিত্তিক প্ৰান্তীয়কৰণো সৃষ্টি কৰে। গণতান্ত্ৰিক তথা সমতাৰ আদৰ্শ সন্নিৱিষ্ট ভক্তি সাহিত্যৰাজিৰ মাজেৰে লিংগ প্ৰান্তীয়কৰণৰ বিৰোধিতা আৰু নাৰীক সামাজিক মৰ্যাদা প্ৰদানৰ প্ৰসংগও প্ৰতিফলিত হৈছে। এই ক্ষেত্ৰত ভক্তি আন্দোলনটোৰ লগত জড়িত কেইগৰাকীমান মহিলা সন্তৰ নাম বিশেষভাৱে উল্লেখযোগ্য। সেই সন্ত নাৰীসকলে গীত, কবিতাৰ জৰিয়তে ঈশ্বৰৰ প্ৰতি প্ৰেম আৰু স্বাধীনতাৰ আকাংক্ষাৰ কথা প্ৰকাশ কৰি ব্ৰাহ্মণিক পিতৃতন্ত্ৰক প্ৰত্যাহ্বান জনাইছিল। ভক্তি আন্দোলনৰ এনে এগৰাকী নাৰী সন্ত কবি আছিল মীৰাবাঈ। নিজৰ পাৰ্থিৱ বিবাহক অস্বীকাৰ কৰি কৃষ্ণৰ প্ৰতি পৰম ভক্তি আৰু প্ৰেমেৰে ৰচনা কৰা মীৰাবাঈৰ গীত আৰু কবিতাসমূহৰ মাজেৰে স্বাধীনতাৰ আকাংক্ষা প্ৰকাশ হৈছে এনেদৰে—

*মই অকল গিৰিধৰক (কৃষ্ণ) চিনো।*
*তেওঁ মোৰ পিতৃ, স্বামী, আত্মীয় সকলো।*[৬]

নাৰীক সামাজিক নিয়ম-শৃংখলাৰ বান্ধোনেৰে ঘৰৰ চাৰিসীমাৰ মাজতে আবদ্ধ কৰি থোৱা সময়তে এগৰাকী বিবাহিত নাৰীয়ে সমাজ স্বীকৃত স্বামীক পৰিত্যাগ কৰি ভগৱানক নিজৰ সৰ্বস্ব জ্ঞান কৰি আত্মসমৰ্পণ কৰাতো এক প্ৰকাৰৰ পিতৃতান্ত্ৰিক আধিপত্য বিৰোধী প্ৰতিৰোধ বুলিব পৰা যায়।

ভক্তি আন্দোলনৰ আন এগৰাকী উল্লেখযোগ্য সন্ত নাৰী কবি হ'ল লাল দেদ (লালেশ্বৰী)। তেওঁ কঠিন শৈৱ দৰ্শনক সংস্কৃত জ্ঞানী পণ্ডিতসকলৰ পৰিসীমাৰ পৰা সাধাৰণ কাশ্মিৰী জনসাধাৰণৰ মাজলৈ লৈ আনিছিল। লাল দেদৰ ৰচনাসমূহ 'ৱখ' (Vakhs) হিচাপে পৰিচিত। কাশ্মিৰী ভাষা-সাহিত্যত লাল দেদৰ 'ৱখ' সমূহৰ বিশেষ গুৰুত্ব আছে। নাৰীৰ ক্ষেত্ৰত থকা সামাজিক-পাৰিবাৰিক বাধা অতিক্ৰম কৰা প্ৰতিৰোধী মনোভংগীৰ উদাহৰণ তেওঁৰ ৰচনাত এনেদৰে পোৱা যায়—

মই লালে কপাহ ফুলৰ দৰে ফুলিবলৈ ওলাই আহিলোঁ। চাফাই কৰ্মীসকলে অবাঞ্চিত ময়লাবোৰ আঁতৰাবলৈ মোক হাজাৰটা টোকৰ মাৰিলে।

*সূতা কাটি থকা মহিলাসকলে মোক সূতা কটা চকাসদৃশ যন্ত্ৰৰ তীক্ষ্ণ বেজীটোৰ ওপৰৰ পাতল সূতা এডাল কৰি তুলিলে। সেই সূতাডালেৰে শিপিনীয়ে তাঁতশালত কাপোৰ বলে।*[৭]

উল্লিখিত নাৰী সন্ত দুগৰাকীৰ লগতে আক্কা মহাদেৱী, জনা বাঈ আদি ভক্তি আন্দোলনৰ আন নাৰী সন্তসকলৰ ৰচনাসমূহো ভক্তি সাহিত্যৰ ইতিহাসত উল্লেখযোগ্য।

মহিলা সন্তসকলৰ উপৰিও ভক্তি আন্দোলনৰ পুৰুষ সন্তসকলেও ধৰ্ম আচৰণত নাৰীৰ অধিকাৰ আৰু সম মৰ্যাদাৰ কথা তেওঁলোকৰ ৰচনাৰ মাজেৰে প্ৰকাশ কৰিছিল। উদাহৰণস্বৰূপে গুৰুনানকে নাৰীৰ বিৰুদ্ধে প্ৰচলিত কুসংস্কাৰ আৰু শোষণৰ বিৰুদ্ধে মাত মাতি নাৰীক সম-অধিকাৰ আৰু মৰ্যাদা দিয়াত গুৰুত্ব আৰোপ কৰিছিল।

অসমত ক্ষেত্ৰতো ভক্তি আন্দোলন আৰু বৈষ্ণৱ সাহিত্যত নাৰীৰ অৱস্থান এক মনকৰিবলগীয়া দিশ। ভক্তি আন্দোলনত নিহিত ধৰ্মীয় গণতান্ত্ৰিকতাই নাৰীক পুৰুষৰ সমানে ধৰ্মত অংশগ্ৰহণ কৰাৰ পৰিৱেশ সৃষ্টি কৰিছিল। সেয়েহে বৈষ্ণৱ সাহিত্যতো নাৰীৰ মৰ্যাদাপূৰ্ণ চিত্ৰণ দেখা যায়। শংকৰদেৱক এই ক্ষেত্ৰত আদৰ্শ হিচাপে গণ্য কৰিব পাৰি। নাৰীৰ শৈক্ষিক আৰু ধৰ্মীয় অধিকাৰৰ কথা শংকৰদেৱে এনেদৰে লিখিছে—

স্ত্ৰী শূদ্ৰ অন্ত্যজাতি তাকো শিক্ষা দিবামতি

শংকৰদেৱৰ প্ৰথমখন অংকীয়া নাট *পত্নীপ্ৰসাদত* পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ অসহায় অৱস্থা আৰু নাৰী-মুক্তিৰ চেতনা প্ৰকাশিত হৈছে। নাটখনৰ কাহিনীমতে বিপ্ৰপত্নীসকলক কৃষ্ণক সাক্ষাৎ কৰিবলৈ যোৱাত তেওঁলোকৰ স্বামীসকলে বাধা দিছে। সেই বাধা নেওচি সেই নাৰীসকলে কৃষ্ণক সাক্ষাৎ কৰিবলৈ যোৱা কথাটোৱে নাৰীমুক্তি ধাৰণাটোৰ ইংগিত বহন কৰিছে। এগৰাকী বিপ্ৰ নাৰীক স্বামীয়ে ঘৰত আবদ্ধ কৰি থোৱা বাবে তেওঁ কৃষ্ণৰ চৰণ চিন্তি আত্মহত্যা কৰিছে। নাৰীৰ স্বাধীনতাত পুৰুষে হস্তক্ষেপ কৰাৰ বাবে আত্মহত্যা কৰা নাৰী চৰিত্ৰৰ চিত্ৰণে পুৰুষ আধিপত্যৰ বিৰুদ্ধে নাৰীৰ প্ৰতিবাদৰ কথাকে প্ৰতিফলিত কৰে। সেই সময়ৰ সামন্তীয় সমাজ ব্যৱস্থাৰ মাজত থাকিও শংকৰদেৱে নাৰী সম্পৰ্কীয় সামন্তীয় ধ্যান-ধাৰণা ভাঙিবলৈ চেষ্টা কৰিছিল। সেইদৰে শংকৰদেৱৰ অনুগামী বৈষ্ণৱ কবি অনন্ত কন্দলী আৰু ৰাম সৰস্বতীয়ে স্ত্ৰী-শূদ্ৰই বুজাকৈ ক্ৰমে ভাগৱত আৰু মহাভাৰতৰ পদ অনুবাদ কৰাৰ কথাই নাৰীৰ ধৰ্মীয় অধিকাৰৰ প্ৰসংগক প্ৰতিফলিত কৰিছে।

**০.৪ উপসংহাৰ ঃ**

মধ্যযুগীয় ভক্তি সাহিত্য ধৰ্মীয় তথা আধ্যাত্মিক প্ৰতিৰোধী চেতনাৰ আধাৰত গঢ় লৈ উঠিছিল। 'ধৰ্ম'ৰ ধাৰণাটোত দুটা আংগিক জড়িত হৈছে থাকে। এটা হৈছে ধৰ্ম সম্পৰ্কীয় তাত্ত্বিক ধাৰণা আনটো হৈছে মানব নিৰ্মিত 'ধৰ্ম' নামেৰে সাধাৰণীকৃত হোৱা কিছুমান নীতি-নিয়ম। এই নীতি-নিয়মবোৰ কেতিয়াবা প্ৰশ্নাতীত হিচাপে পৰিগণিত হৈ বৰ্ণ, লিংগ আদি পৰিচয়ৰ ভিত্তিত সামাজিক বৈষম্য তথা প্ৰান্তীয়কৰণৰ কাৰক হৈ পৰে। ভক্তি আন্দোলনটো আৰম্ভ হোৱাৰ লগে লগেই সমগ্ৰ ভাৰতবৰ্ষতে বিভিন্ন ৰাজ্যৰ ভক্তি আন্দোনলৰ গুৰু তথা কবিসকলে ধৰ্মৰ গণতান্ত্ৰিক সংস্কাৰ আৰু আঞ্চলিক ভাষাত সাম্য ভাৱযুক্ত সাহিত্য ৰচনাৰ মাজেৰে এক সামাজিক সংস্কাৰ আন্দোলন গঢ়ি তুলিছিল। ভক্তি আন্দোলনকেন্দ্ৰিক এই প্ৰতিৰোধক ক্ষমতাক তীব্ৰভাৱে প্ৰত্যাহ্বান জনোৱা ধৰ্মঘট, বিক্ষোভ আদিৰ দৰে প্ৰত্যক্ষ প্ৰতিৰোধ বুলিব নোৱাৰি। কিন্তু এই ধৰ্মীয়-সামাজিক আন্দোলনটো আৰু সাহিত্যৰাজিত অন্তৰ্নিহিত হৈ থকা ধৰ্মীয় সমতা আৰু বৈষম্য তথা প্ৰান্তীয়কৰণৰ বিৰোধী চেতনা এক সুস্পষ্ট লক্ষ্যযুক্ত কাৰ্যকৰী প্ৰতিৰোধ বুলি পাৰি। জেমচ জেমচ স্কটে কোৱাৰ দৰে এই আন্দোলনটোক শক্তিশালী ৰূপত অনুশীলন হোৱা 'দৈনন্দিন প্ৰতিৰোধ' প্ৰতিৰোধ বুলিও ক'ব পাৰি। এনে প্ৰতিৰোধৰ বাবেই তথাকথিত নিম্নবৰ্ণ হিচাপে অৱহেলিত হৈ থকা লোকসকলে সামাজিক তথা ধৰ্মীয় মৰ্যাদা লাভৰ জৰিয়তে নিজৰ সামাজিক প্ৰান্তীক অৱস্থানৰ উত্তৰণ কৰিবলৈ সক্ষম হৈছিল। ❑

**প্ৰসংগ সুত্ৰ ঃ**

১। "As soon as their power relation, their is of resitance", Michel Foucault, *History of Sexuality*,p.224
২। James Scott,*The Weapons of the Weak: Everyday form of Peasant Resistance*,p...198
৩। নীৰাজনা মহন্ত বেজবৰা (অনু.), *দলিত সাহিত্য*, মূল ঃ শ্ৰীমাতাপ্ৰসাদ, পৃ. ৮
৪। উল্লিখিত, পৃ.৯
৫। *Dharma International*, https://www.sikhdharma.org/tolerence-equality,24.04.2024
৬। Wasia, 'Lal DeB and Meerabai : A feminist Perspective', *National Conference Cum Workshop on Recent Trends in Technical Language & Communication : Emerging Requirements,*21st-22nd April 2017,p.1-13,,Retrieved from:www.conferenceworld.in
৭। Dr.Shafqat Altaf, 'Feminist Undertones in the Poetic Utterences of Lal Ded', *International Research Journal of Management Sociology & Humanity*,Vol.13.Issue5,2022,p.115-119,Retrieved from :https://www.academia.edu/85983051

**প্ৰসংগ গ্ৰন্থ আৰু পত্ৰিকা ঃ**

**ইংৰাজী**

Foucault, Michel.*History of Sexuality.*Pantheon Books,1978

Scoot,James.*The Weapons of the Weak: Everyday form of Peasant Resistance.*Yale University Press,London 2013

**অসমীয়া**

শ্ৰীমাতাপ্ৰসাদ, *দলিত সাহিত্য*, নীৰাজনা মহন্ত বেজবৰা (অনু.), প্ৰথম প্ৰকাশ অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়,১৯৯৬

**উল্লিখিত পত্ৰিকা ঃ**

Dr.Shafqat Altaf, 'Feminist Undertones in the Poetic Utterences of Lal Ded', *International Research Journal of Management Sociology & Humanity*,Vol.13.Issue5,2022,p.115-119,Retrieved from :https://www.academia.edu/85983051

Wasia, 'Lal DeB and Meerabai : A feminist Perspective', *National Conference Cum Workshop on Recent Trends in Technical Language & Communication : Emerging Requirements,*21st-22nd April 2017,p.1-13,,Retrieved from:www.conferenceworld.in

*Sikh Dharma International*, https://www.sikhdharma.org/tolerence-equality,24.04.2024

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945
Peer Reviewed Journal
[UGC-CARE Listed]

# অসমৰ পিতল শিল্প ঃ এটি আলোচনা



ড° প্ৰতুল ডেকা

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
দৰং মহাবিদ্যালয় (স্বায়ত্তশাসিত)
তেজপুৰ, শোণিতপুৰ (অসম)-৭৮৪০০১
৯৯৫৭৩২০১৪৩
pdeka1998@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

লোক শিল্প বুলি ক'লে সাধাৰণতে লোকজীৱনত ব্যৱহাৰৰ উপযোগীকৈ যিবোৰ বস্তু পৰম্পৰাগতভাৱে প্ৰস্তুত কৰি লোৱা হয় সেইবোৰক বুজা যায়। লোক শিল্পকলা মূলতঃ গ্ৰাম্য সমাজৰ ভেটিত প্ৰতিষ্ঠিত। গ্ৰাম্য সমাজৰ অনাখৰী লোকসকলৰ হাতত ই সুন্দৰ ৰূপত প্ৰতিফলিত হয়। লোক শিল্পই ব্যক্তি জীৱনৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ উপৰি সামূহিক জীৱনৰ প্ৰয়োজনীয়তাও দূৰ কৰে। অসমত প্ৰচলিত লোক শিল্পসমূহক বিভিন্নজন সংস্কৃতিবিদে বিভিন্ন ধৰণেৰে শ্ৰেণীবিভাজন কৰিছে যদিও প্ৰধানভাৱে মৃৎ শিল্প, বয়ন শিল্প, বাঁহ-বেতৰ শিল্প, কাঠ শিল্প, ধাতু শিল্প এইকেইটা প্ৰধান ভাগত ভগাব পাৰি। এই প্ৰধান ভাগকেইটাৰ অন্তৰ্গত ধাতু শিল্পসমূহৰ এক উল্লেখযোগ্য শিল্প হৈছে পিতল শিল্প। পিতল হৈছে এবিধ সংকৰ ধাতু। তাম আৰু দস্তা নিৰ্দিষ্ট অনুপাতত মিহলাই পিতল তৈয়াৰ কৰা হয়। অসমৰ কামৰূপ জিলাৰ অন্তৰ্গত হাজো অঞ্চল পিতল শিল্পৰ বাবে বিখ্যাত। হাজোৰ উপৰি বৰপেটা জিলাৰ সৰ্থেবাৰী আৰু ইয়াৰ ওচৰৰ বণিয়াকুছি, ৰাউলী, আমৃখোৰা অঞ্চলত আৰু নলবাৰী জিলাৰ মুগকুছি অঞ্চলতো পিতলৰ সামগ্ৰী যথেষ্ট পৰিমাণে প্ৰয়োগ হোৱা দেখা যায়। লোকসাহিত্যতো পিতলৰ সামগ্ৰীসমূহৰ উল্লেখ থকা কথাই এই শিল্পটোৰ প্ৰাচীনত্বৰ উমান দিয়ে। পিতল শিল্পৰ লগত জড়িত বিভিন্ন কথা এই অধ্যয়নৰ জৰিয়তে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**বীজ শব্দ ঃ**

লোক শিল্প, পিতল শিল্প, সমাজ জীৱন।

**০.০০ অৱতৰণিকা**

**০.০১ বিষয়ৰ পৰিচয় ঃ**

লোক শিল্পৰ এটা প্ৰধান বিভাগ হ'ল ধাতু শিল্প। বিভিন্ন ধাতু আৰু ইয়াৰ পৰা নিৰ্মাণ কৰি উলিওৱা সামগ্ৰীবোৰেই হৈছে ধাতু শিল্পৰ অন্তৰ্গত। কাঁহ, পিতল, লো, সোণ, ৰূপ ইত্যাদি ধাতুবোৰৰ পৰা দৈনন্দিন জীৱনত ব্যৱহৃত বিভিন্ন সামগ্ৰী তৈয়াৰ কৰি ল'ব পাৰি। ধাতু শিল্পক দৈনন্দিন জীৱনত মূল্যবান সম্পদৰূপে গণ্য কৰা হয়। *শাস্ত্ৰমতে সোণৰ থালত আহাৰ গ্ৰহণ কৰিলে দৃষ্টিশক্তি বৃদ্ধি পায়, ৰূপৰ থালত পিত্ত নাশ হয়, কাঁহে মেধা শক্তি বৃদ্ধি কৰে আৰু পিতলৰ থালত খালে বায়ু বৃদ্ধি হয়।*[১]

লোক শিল্পৰ অন্তৰ্গত ধাতু শিল্পৰ এটা অন্যতম ভাগ হৈছে পিতল শিল্প। পিতলেৰে নিৰ্মিত শিল্পই হৈছে পিতল শিল্প। পিতল শব্দটো সংস্কৃত 'পিত্তল' শব্দৰ পৰা বিকশিত হৈছে। পিতলৰ অভিধানগত অৰ্থ এনেধৰণৰ—

১। *চন্দ্ৰকান্ত অভিধানৰ মতে, হালধীয়া বৰণৰ এবিধ ধাতু।* [২]

২। *হেমকোষৰ মতে, হালধীয়া বৰণৰ এবিধ ধাতু (তাম আৰু দস্তাৰ মিশ্ৰণেৰে*

*তৈয়াৰী এইবিধ সংকৰ ধাতু বাচন, ঘৰ সজোৱা বস্তু, মূৰ্তি আদি বনোৱাত ব্যৱহাৰ হয়।)*[৩]

৩। *The Chambers Dictionaryৰ মতে, An alloy of copper and Zinc.*[৪]

৪। *Merriam Websterৰ মতে, an alloy consisting essentially of copper and zinc in variable propertions.*[৫]

কাঁহৰ দৰে পিতল এবিধ সংকৰ (Alloy) ধাতু। তাম (copper) আৰু দস্তা (zinc) নিৰ্দিষ্ট অনুপাতত লগ লগাই পিতল ধাতু তৈয়াৰ কৰা হয়। গড়শালত ৭০ শতাংশ তাম আৰু ৩০ শতাংশ দস্তা মিহলাই পিতল তৈয়াৰ কৰা হয়। *সুৰগা দিলে পিতলৰ মিশ্ৰণটো গলোৱাত সহজ হয়। তদুপৰি সুৰগাই বস্তুটো মলিন কৰাতো সহায় কৰে।*[৬] পিতল দেখাত হালধীয়া, সোণৰ নিচিনা আৰু তামৰ দৰে কঠিন। বৰ্তমান সময়ত পিতলৰ টুকুৰাতকৈ আধুনিক যন্ত্ৰপাতিৰে নিৰ্মিত পিতলৰ চাকহে ব্যৱহাৰ কৰা হয়।

**০.০২ অধ্যয়নৰ উদ্দেশ্য ঃ**

পিতল শিল্প অসমীয়া ভৌতিক সংস্কৃতিৰ অন্তৰ্গত লোক শিল্পৰ এক প্ৰধান অংগ। পিতলেৰে নিৰ্মিত সামগ্ৰীসমূহে অসমীয়া সমাজ জীৱনক সমৃদ্ধিশালী কৰি তুলিছে। বিয়া, উৎসৱ-পাৰ্বণ আৰু ধৰ্মীয় ক্ষেত্ৰত পিতলেৰে নিৰ্মিত সামগ্ৰীসমূহৰ ব্যৱহাৰ আছে। পিতলৰ সামগ্ৰী নিৰ্মাণ কৰিয়েই এচাম লোকে জীৱিকা নিৰ্বাহ কৰি আছে। পিতল শিল্পৰ বিষয়ে প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত অধ্যয়ন কৰাই ইয়াৰ প্ৰধান উদ্দেশ্য।

**০.০৩ অধ্যয়নৰ পদ্ধতি ঃ**

বিষয়বস্তু অধ্যয়নৰ ক্ষেত্ৰত মূলতঃ বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। তথ্য আহৰণৰ উৎস হিচাপে ক্ষেত্ৰ অধ্যয়ন আৰু বিভিন্ন প্ৰাসংগিক পুথিৰ সহায় লোৱা হৈছে।

**০.০৪ অধ্যয়নৰ পৰিসৰ ঃ**

পিতল শিল্পৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে মূলতঃ পিতল শিল্প আৰু অসমত ইয়াৰ প্ৰচলন সম্পৰ্কীয় আলোচনাই মুখ্য স্থান পাইছে। লগতে পিতলৰ সামগ্ৰী নিৰ্মাণ প্ৰণালী, নিৰ্মিত সামগ্ৰী, লোক সাহিত্যত পিতলৰ সামগ্ৰীৰ উল্লেখ, সমাজ জীৱনত পিতলৰ সামগ্ৰীৰ ব্যৱহাৰ বিষয়ক আলোচনা এই অধ্যয়নৰ পৰিসৰৰ অন্তৰ্গত।

**১.০০ সমাজ জীৱনত পিতলৰ সামগ্ৰীৰ ব্যৱহাৰ ঃ**

অসমৰ সামাজিক জীৱনত পিতল শিল্পই এক বিশেষ ভূমিকা পালন কৰিছে। কাঁহৰ সমান্তৰালভাৱে পিতলৰ সামগ্ৰীসমূহ অসমীয়া সমাজ জীৱনত ব্যৱহৃত হৈ আহিছে। সভা-সমিতি বা ৰাজহুৱা অনুষ্ঠানত গণ্য-মান্য ব্যক্তিক শৰাইৰে মান ধৰাটো অসমীয়া সমাজৰ এক পৰম্পৰাগত নিয়ম। দেশ-বিদেশৰ পৰা অহা সন্মানীয় ব্যক্তিসকলকো শৰাই আৰু জাপিৰে সম্বৰ্ধনা জনোৱা হয়। পিতলৰ গছা আৰু চাকি ধৰ্মীয় মঠ-মন্দিৰ, মণিকূট, নামঘৰ আদিৰ অপৰিহাৰ্য সামগ্ৰী। বিয়া দিয়া কইনাজনীৰ লগত পিতলৰ কলহ আৰু চৰিয়া দিয়াটো এটা পৰম্পৰাগত নিয়মত পৰিণত হৈছে। পূজা-পাৰ্বণত পিতলৰ সামগ্ৰী ব্যৱহৃত হৈ আহিছে। বৰ্তমান সময়ত পিতলেৰে নিৰ্মিত কলপাত আৰু দোৰোলা পূজা-পাৰ্বণত যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। ঠাইবিশেষে বিয়াৰ দিনা পানী তুলিবলৈ যাওঁতে দুণৰিত চাকি জ্বলাই লৈ যোৱা নিয়ম প্ৰচলিত আছে। বিয়া আৰু অন্যান্য ধৰ্মীয় অনুষ্ঠানত পিতলেৰে নিৰ্মিত লোটা আৰু কলহত পানী ভৰাই অনা হয়।

**২.০০ পিতল শিল্পৰ ইতিহাস ঃ**

পিতল শিল্প প্ৰথমে ক'ত উৎপন্ন হৈছিল সেই সম্পৰ্কে প্ৰকৃত তথ্য পোৱা নাযায়। 'George Newnes London'ৰ পৰা প্ৰকাশিত *'Popular Encyclopaedia'*ত উল্লেখ কৰা অনুসৰি খৃঃপূঃ পঞ্চম শতিকাতে পিতল আৱিষ্কাৰ হৈছিল। *গ্ৰীক আৰু ৰোম সাম্ৰাজ্যত ই আনুপাতিকভাৱে বেছি মূল্যবান আছিল। কিন্তু ভাৰতবৰ্ষত সুদূৰ অতীতৰে পৰা ঘৰুৱা পাত্ৰৰ বাবে পিতল ব্যৱহাৰ হৈ আহিছে।*[৭] পিতল শব্দটো সংস্কৃত 'পিত্তল' শব্দৰ পৰা বিকশিত হোৱা কথাটোৱে সংস্কৃত ভাষা উদ্ভৱ হোৱাৰ আগতে যে পিতল শিল্পৰ প্ৰচলন আছিল তাকে সূচায়। *নৃতত্ত্ববিদ এডৱাৰ্ড বাৰ্ণেট টাইলাৰৰ মতে নৱপ্ৰস্তৰ যুগতে পৰৱৰ্তী কালৰ লোক শিল্পকলাৰ সূত্ৰপাত হয় বুলি লোৱা সিদ্ধান্তৰ পৰা পিতল শিল্পও সেই সময়ৰ ওচৰা-উচৰিকৈ উৎপত্তি হোৱা বুলি অনুমান কৰিব পাৰি।*[৮] *প্ৰাগৈতিহাসিক যুগত পিতলক 'Calamine' বুলি কোৱা হৈছে আৰু প্ৰাচীন কালত গ্ৰীচ, ৰোম আৰু চীনদেশৰ লোকসকলে মুদ্ৰা তৈয়াৰ কৰা কামত ইয়াক ব্যৱহাৰ কৰিছিল।*[৯] বুৰঞ্জী সমূহত উল্লেখ কৰা অনুসৰি পিতলৰ বাচন লো আৰু কাঁহৰ বাচনৰ পিছতহে প্ৰৱৰ্তিত হয়। সেয়ে কাঁহ প্ৰস্তুত হোৱাৰ পৰৱৰ্তী সময়ত পিতল

প্ৰস্তুত হৈছে বুলি অনুমান কৰিব পাৰি।

*অসমলৈ তাম, পিতল, কাঁহ আদি ধাতুবোৰৰ কিছু খাচী-জয়ন্তীয়া পাহাৰ অঞ্চলৰ পৰা আৰু নেপাল, তিব্বতৰ ফালৰ পৰা আহিছিল।*[১০] খ্ৰী. নৱম-দশম শতিকামানত পিতলেৰে নিৰ্মিত বৌদ্ধ মূৰ্ত্তি কেইটামান আৱিষ্কৃত হৈছিল। অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন চৰ্যাপদত ঘণ্টা, নেপূৰ, কোহাল আদি কাঁহ পিতলেৰে গঢ়া বাদ্যযন্ত্ৰৰ উল্লেখ আছে। প্ৰাক শংকৰী যুগৰ অসমীয়া সাহিত্যত ধাতুৰ পৰা নিৰ্মিত মহৰী, ঘণ্টা, কালি ইত্যাদি বাদ্যযন্ত্ৰৰ উল্লেখ আছে। এই বাদ্যযন্ত্ৰবোৰ পিতলেৰে নিৰ্মিত বুলি অনুমান কৰিব পাৰি। আহোম ৰাজত্বকালত উত্তৰ ভাৰতৰ পৰা পিতলৰ পাত অসমলৈ অনা হৈছিল। কিন্তু পিতলৰ কাম কৰা বৃত্তিগত জাতি আছিল বুলি ধাৰণা কৰিব নোৱাৰি। পিছৰ পৰ্যায়ত মৰিয়াসকল পিতল শিল্পৰ লগত জড়িত হৈ পৰে। বংগদেশৰ মুছলমান ৰজা নছৰত চাহৰ নিৰ্দেশত ১৫৩২ চনত তুৰ্বক খানে কৰা অসম আক্ৰমণত যিসকল মুছলমান সৈন্যক বন্দী কৰা হৈছিল তেওঁলোকেই হৈছে মৰিয়া। আহোম স্বৰ্গদেউ চুহুংমুং বা দিহিঙীয়া ৰজাৰ ৰাজত্বকালত বন্দী হোৱা এই লোকসকলৰ পিতল শিল্পৰ জ্ঞান আছিল। উত্তৰ পশ্চিম ভাৰতত তেওঁলোকক 'ঠাঠাৰ' বোলা হৈছিল। ৰজাই এই বন্দী লোকসকলক ঘাঁহ খুওৱা, আলিবন্ধা আৰু পুখুৰী খন্দা, খেতি কৰা আদি কামত নিয়োজিত কৰিছিল যদিও কোনো ক্ষেত্ৰতে তেওঁলোকে পাৰদৰ্শিতা দেখুৱাব নোৱাৰিছিল। তেতিয়া চুহুংমুং বা দিহিঙীয়া ৰজাই তেওঁলোকক সাত মোন পিতল আনি বাচন তৈয়াৰ কৰিবলৈ নিৰ্দেশ দিছিল। "মৰিয়াসকলে অসমত পিতল শিল্পক যি আয়তন দিলে, তাৰ আগতে পিতলৰ ব্যৱহাৰ সীমিত আছিল আৰু যিখিনি সামগ্ৰী পিতলেৰে নিৰ্মাণ কৰা হৈছিল, সেইখিনি পিতল গলাই সাঁচত ঢালি কৰা সঁজুলিহে আছিল। তেওঁলোকে কমাৰশালৰ দৰে শাল পাতি নিয়াৰি ব্যৱহাৰ কৰি পিতলৰ কাম কৰিছিল। *তদুপৰি একো একোটা ডাঙৰ পাত্ৰ বা সামগ্ৰী নিৰ্মাণ কৰোতে অংশবিলাক গলা পিতলেৰে জোৰা লগাই লোৱাৰ পদ্ধতি প্ৰয়োগ কৰিছিল।*[১১]

প্ৰাচীন অসমত দুই ধৰণেৰে পিতলৰ সামগ্ৰী প্ৰস্তুত কৰা পদ্ধতি আছিল। প্ৰথম পদ্ধতি অনুসৰি তাম (Copper) আৰু দস্তা (Zinc) নিৰ্দিষ্ট অনুপাতত মিহলাই গলাই লৈ পিতল প্ৰস্তুত কৰি তাক মাটিৰ সাঁচত ঢালি দিছিল। মঠ-মন্দিৰত ব্যৱহৃত বিভিন্ন প্ৰকাৰৰ মূৰ্ত্তি আৰু ঘৰত ব্যৱহৃত কিছু সামগ্ৰী এনে পদ্ধতিৰে সাজি উলিওৱা হৈছিল। আন এক পদ্ধতি অনুসৰি পিতল জুইত তাপ দি হাতুৰীৰে কোবাই কোবাই কিছুমান সামগ্ৰী তৈয়াৰ কৰিছিল। টৌ, চৰিয়া, গাগৰি, শৰাই, কলহ ইত্যাদি সামগ্ৰীবোৰ এনে পদ্ধতিৰে সজোৱা হৈছিল। বৰ্তমান সময়ত অসমৰ পিতল শিল্পক্ষেত্ৰত দ্বিতীয় পদ্ধতিবিধৰ প্ৰয়োগ কৰি পিতলৰ বাচন তৈয়াৰ কৰি আহিছে। মৰিয়াসকল অসমত থাকিবলৈ লোৱাৰ আগতে প্ৰথম পদ্ধতিটোৰেহে সামগ্ৰী গঢ়া হৈছিল।

অবিভক্ত কামৰূপ জিলাৰ অন্তৰ্গত হাজো, সৰ্থেবাৰী আৰু মুগকুছিতহে বৰ্তমান পিতল শিল্পৰ গঢ়শাল পোৱা যায়। আহোম স্বৰ্গদেউ চুহুংমুঙৰ দিনতে প্ৰায় ১২ ঘৰ মান মৰীয়া লোক আহি হাজোত থিতাপি লৈছিল। তেওঁলোকে গঢ়শাল পাতি পিতলৰ বাচন তৈয়াৰ কৰিছিল। ১৫৮৩ খৃঃত কোঁচ ৰজা নৰনাৰায়ণৰ ভায়েক চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱে হাজোৰ মাধৱ মন্দিৰ পুনৰ নিৰ্মাণৰ বাবে পাইক ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। তেতিয়া ৰজাই মৰীয়াসকলক পিতলৰ বাচন যোগান ধৰাৰ দায়িত্ব অৰ্পণ কৰিছিল। মৰীয়াসকলৰ সমান্তৰালভাবে হিন্দু সম্প্ৰদায়ৰ লোকসকলেও বৰ্তমান সময়ত হাজোত পিতলৰ বাচন তৈয়াৰ কৰিবলৈ লৈছে।

প্ৰাচীন কালত পিতল শিল্পৰ লগত জড়িত শিল্পীসকলে কোনো অভাব অনুভব কৰা নাছিল। ফলস্বৰূপে তেওঁলোকে শিল্পটোত নিজকে সম্পূৰ্ণৰূপে নিয়োগ কৰি উৎকৃষ্ট মানৰ সামগ্ৰী প্ৰস্তুত কৰিবলৈ সক্ষম হৈছিল। কিন্তু মহাজন শ্ৰেণীৰ শোষণৰ ফলস্বৰূপে শিল্পটোৰ যথেষ্ট অৱনতি হৈছিল। উপযুক্ত মজুৰীৰ অভাৱ, কেঁচামালৰ উৰ্দ্ধমুখী দাম, প্ৰকৃত মূল্য দিব পৰা বজাৰৰ অভাৱ, চৰকাৰৰ অৱহেলা ইত্যাদি বিভিন্ন কাৰণে শিল্পটোক মৃত্যুৰ গৰাহলৈ ঠেলি দিছিল। মহাজন শ্ৰেণীৰ শোষণৰ পৰা মুক্তি পাবলৈ ১৯৫২ চনৰ ৩ ছেপ্তেম্বৰত '*Hajo Brass Utensils Workers co-operative Industrial Society*' নামৰ সমবায় প্ৰতিষ্ঠান এটিৰ জন্ম দিছিল। কিন্তু পিছৰ পৰ্যায়ত এই সমবায়খন তিষ্ঠি নাথাকিল। ১৯৫৬ চনত হাজোৰ

ভৰালীটোলাৰ শিল্পীসকলে মিলিত হৈ '*Hajo Industrial Multipurpose Co-operative Society Ltd*' নামেৰে আন এখন সমবায় প্ৰতিষ্ঠানৰ জন্ম দিছিল যদিও এইখনো ভংগ হৈ যায়। ১৯৯৮ চনৰ ১৮ ডিচেম্বৰ তাৰিখে হাজোৰ আটাইবোৰ শিল্পী পোন প্ৰথমবাৰৰ বাবে মিলিত হৈ '*হাজো পিতল শিল্পী সংঘ*' নামে এটি অনুষ্ঠানৰ জন্ম দিছিল। পিছলৈ সুদক্ষ নেতৃত্বৰ অভাবত এই অনুষ্ঠানটিও ধ্বংসৰ মুখলৈ গতি কৰে। ফলস্বৰূপে শিল্পীসকলে মহাজন সকলৰ তত্ত্বাৱধানত শিল্পটো আগবঢ়াই নিয়ে, যাৰ বাবে বৰ্তমানেও তেওঁলোক অত্যন্ত শোষিত হৈ আহিছে। হাজোৰ পিতল শিল্পীসকলৰ অন্যতম চানেকি হৈছে—*অসম ৰাজ্যিক সংগ্ৰহালয়ত থকা ৫ মিঃ ৭০ ছেঃমিঃ বহল, ৪১ ছেঃমিঃ ওখ চৰিয়াটো, হয়গ্ৰীব মাধৱ মন্দিৰ আৰু কেদাৰ মন্দিৰৰ বৃহৎ ডবা ২ টা, বৰপেটা সত্ৰৰ শৰাই দুখন, কমলাবাৰী সত্ৰৰ চৰিয়া ইত্যাদি।*[১২]

হাজোৰ মুছলিম পট্টী অঞ্চলত ২০০৬ চনত '*হাজো মুছলিম পট্টী পিতল কাৰিকৰ সন্থা*' নামেৰে এটি অনুষ্ঠানৰ জন্ম হৈছিল আৰু বৰ্তমানেও এই অনুষ্ঠানটোৱে কাৰ্যনিৰ্বাহ কৰি আছে। শিল্পীসকলৰ গঢ়নি বানচ নিৰ্ধাৰণ, অভাৱ-অভিযোগ নিষ্পত্তি, নীতি নিৰ্ধাৰণ, গঢ়শালত কাম কৰা সময় নিৰ্ধাৰণ ইত্যাদি কাৰ্যসমূহ সম্পাদন কৰাই এই অনুষ্ঠানৰ মূল লক্ষ্য। সন্থাৰ নীতি অনুযায়ী প্ৰতি শুক্ৰবাৰ আৰু কোনো স্থানীয় ব্যক্তিৰ মৃত্যু হ'লে গঢ়শাল বন্ধ ৰখা হয়।

হাজোৰ পিতল শিল্পীসকলে দুই ধৰণেৰে কেঁচামাল সংগ্ৰহ কৰি পিতলৰ বাচন তৈয়াৰ কৰে। এচাম শিল্পীয়ে নিজাববীয়াকৈ পিতলৰ চাক কিনি আনি তাৰে বাচন গঢ়াই ব্যৱসায়ীৰ (পিতল শিল্পীসকলৰ ভাষাত আৰবদাৰী) হাতত বিক্ৰী কৰে। আন এচাম শিল্পীয়ে মহাজনৰ পৰা পিতলৰ চাকবোৰ গঢ়নিৰ বাবদ আনে। বাচনবোৰ নিৰ্মাণ হোৱাৰ পিছত সেইবোৰ মহাজনক গতাই দিয়ে আৰু তাৰ বাবদ মহাজনৰ পৰা গঢ়নি বানচ লাভ কৰে। *বৰ্তমান সময়ত হাজোত মৰীয়া সম্প্ৰদায়ৰ প্ৰায় ৩৬০ ঘৰ আৰু হিন্দু সম্প্ৰদায়ৰ ৩ ঘৰ মানুহ এই শিল্পটোৰ লগত জড়িত হৈ আছে। মুঠ ৭০০ মান শিল্পী বৰ্তমান এই শিল্পটোক প্ৰধান বৃত্তি হিচাপে লৈ জীৱিকা নিৰ্বাহ কৰি আছে।*[১৩]

সৰ্থেবাৰী অঞ্চলৰ পিতল শিল্প বুলি ক'লে মূলতঃ শৰাই শিল্পকহে জনা যায়। সৰ্থেবাৰীৰ দাঁতিকাষৰীয়া গাঁও বণিয়াকুছি, হালধিবাৰী, লাছিমা, আমৃখোৰা, বেঙাপাৰা, চিনাদী, কামাৰপাৰাত এই শিল্পটোৰ প্ৰচলন আছে। আনুমানিক ১৮৫০ চন মানৰ পৰা এই শিল্পটো সৰ্থেবাৰী অঞ্চলত প্ৰচলিত আছিল। সৰুক্ষেত্ৰী মৌজাৰ হালধিবাৰীত জগন্নাথ দেৱৰ কনিষ্ঠ পুত্ৰ কপিলদেৱে সত্ৰ স্থাপন কৰিছিল। তেওঁ পিতলৰ কাম-কাজত অভিজ্ঞ এজন ব্যক্তিক সত্ৰৰ মূল দায়িত্ব অৰ্পণ কৰিছিল। এই ব্যক্তিগৰাকীয়ে সত্ৰৰ বাবে আৱশ্যকীয় শৰাই, গছা, চাকি আৰু আন আন পিতলৰ সামগ্ৰী তৈয়াৰ কৰি সত্ৰৰ কাম-কাজত ব্যৱহাৰ কৰিছিল। সেই সময়ৰ পৰা হালধিবাৰীত পৰ্যায়ক্ৰমে পিতলৰ নানান সামগ্ৰী তৈয়াৰ কৰা এচাম শিল্পীৰ জন্ম হয়। কুৰি শতিকাৰ মাজভাগত সৰুক্ষেত্ৰীৰ জননায়ক বাপুৰাম দাসে শিল্পটোৰ প্ৰসাৰত বিশেষ আগভাগ লয়। সৰ্থেবাৰীৰ পিতল শিল্পীসকলৰ অন্যতম চানেকি হৈছে—*সৰ্থেবাৰী গাঁৱৰ তামুলীথেৰ চুপাৰ কীৰ্ত্তন ঘৰৰ পিতলৰ দুৱাৰ, বণিয়াকুছিৰ জগন্নাথদেৱৰ সত্ৰৰ মণিকুটৰ পিতলৰ চাল ইত্যাদি।*[১৪]

বৰ্তমান সময়ত পিতল শিল্পীসকলৰ জীৱনলৈ এক অশনি সংকেত নামি আহিছে। কেঁচামালৰ উৰ্দ্ধমুখী দাম, মহাজন শ্ৰেণীৰ শোষণ, উপযুক্ত মজুৰিৰ অভাৱ, প্ৰকৃত মূল্যৰ বজাৰৰ অভাৱ, চৰকাৰৰ অৱহেলা ইত্যাদি বিভিন্ন কাৰণত শিল্পটো ধ্বংসৰ মুখলৈ গতি, কৰিছে। পিতল শিল্পৰ শিল্পীসকলৰ বৰ্তমানৰ দুৰৱস্থাৰ আন এটি কাৰণ হৈছে আওপুৰণি পদ্ধতিৰ প্ৰয়োগ। বৰ্তমান সময়ত মুৰাদাবাদত আধুনিক যন্ত্ৰপাতি প্ৰয়োগ কৰি কম খৰছতে সুন্দৰ চানেকিৰ বাচন নিৰ্মিত হৈছে। এই বাচনবোৰে বৰ্তমানৰ বজাৰখন দখল কৰা বাবে আওপুৰণি পদ্ধতিৰে কৰা খৰছী বস্তুবোৰৰ চাহিদা কমি আহিছে।

**৪.০০ পিতলৰ সামগ্ৰী নিৰ্মাণ প্ৰণালী ঃ**

কাঁহৰ লগত পিতলৰ সামগ্ৰী নিৰ্মাণ প্ৰণালীৰ যথেষ্ট মিল আছে। পিতলৰ সামগ্ৰী নিৰ্মাণ কৰা ঠাইখিনিক গঢ়শাল বোলা হয়। পিতলৰ সামগ্ৰী নিৰ্মাণ কৰা কেইটামান স্তৰ আছে। সেয়া হৈছে —

১। **প্ৰথম স্তৰ ঃ** পিতল শিল্পীসকলে মহাজনৰ পৰা চাক পিতলবোৰ কিনি আনে অথবা গঢ়নিৰ বাবদ আনে।

২। **দ্বিতীয় স্তৰ ঃ** চাক পিতলবোৰ তৈয়াৰ কৰিব খোজা বাচনটোৰ নিৰ্দিষ্ট জোখত কাটি লোৱা হয়। এই পিতলবোৰ বৰ্গাকৃতিৰ আৰু ঘূৰণীয়া এই দুই ধৰণৰ থাকে। কম্পাছৰ সহায়ত বাচনটোৰ নিৰ্দিষ্ট অংশবোৰৰ জোখ লৈ সেই অনুপাতে কাটিৰে (চাক পিতল কটা এবিধ আহিলা) কাটি উলিওৱা হয়।

৩। **তৃতীয় স্তৰ ঃ** কাটি লোৱা পিতলৰ টুকুৰাবোৰ হাতুৰীৰে মৰিয়াই মৰিয়াই চিধা কৰি লোৱা হয়। কোনো অংশত যদি গাঁত কৰিবলগা হয় তেন্তে কাঠৰ টুকুৰা এটাত গাঁত খুলি লৈ তাত পিতলৰ চাকবোৰ থোৱা হয় আৰু কোবাই কোবাই গাঁত কৰা হয়।

৪। **চতুৰ্থ স্তৰ ঃ** নিৰ্মাণ কৰিব লগা সামগ্ৰী এটাৰ বিভিন্ন অংশ কাটি লোৱাৰ পিছত পায়েনৰ সহায়ত অংশবোৰ জোৰা লগোৱা হয়।

৫। **পঞ্চম স্তৰ ঃ** জোৰা লগোৱা অংশবোৰ কিছু সময় পিছত ভাটিত তাপ লাগিবলৈ দিয়া হয় আৰু নিয়াৰিত থৈ জোৰা লগোৱা অংশখিনি হাতুৰীৰে কোবোৱা হয়।

৬। **ষষ্ঠ স্তৰ ঃ** সামগ্ৰীবিধৰ বিভিন্ন অংশ কোবাই কোবাই মিহি কৰা হয় আৰু কিছুমান চানেকি বছা হয়।

৭। **সপ্তম স্তৰ ঃ** নিৰ্মাণ হোৱা সামগ্ৰীবিধ এছিড পানীৰে ধুই পৰিষ্কাৰ কৰা হয়।

৮। **অষ্টম স্তৰ ঃ** নিৰ্মিত সামগ্ৰীটোৰ উজ্জ্বলতা বৃদ্ধিৰ বাবে কুন্দত সামগ্ৰীবিধ বহুৱাই বাগীৰ সহায়ত চাফা কৰা হয় আৰু ৰেতিৰ সহায়ত কোণবোৰ মিহি কৰা হয়।

৯। **অন্তিম স্তৰ ঃ** সামগ্ৰীবিধৰ বিভিন্ন অংশত প্ৰয়োজন অনুপাতে ফুল কটা হয় আৰু বিভিন্ন ডিজাইন দিয়া হয়। তেতিয়া সামগ্ৰীবিধ ব্যৱহাৰৰ উপযোগী হৈ পৰে।

**৫.০০ পিতলৰ সামগ্ৰী নিৰ্মাণত ব্যৱহৃত সঁজুলি ঃ**

পিতল শিল্প নিৰ্মাণত ব্যৱহৃত সঁজুলিসমূহ হৈছে-

**(ক) নিয়াৰি ঃ** ঘূৰণীয়া আকৃতিৰ এটুকুৰা লো। ইয়াৰ ওপৰত থৈ বাচন সমূহৰ আকৃতি কৰিবৰ কাৰণে হাতুৰীৰে কোবোৱা হয়।

**(খ) হাতুৰী ঃ** চাক পিতলসমূহ কোবাই সামগ্ৰীৰ গঢ় দিবলৈ ব্যৱহাৰ কৰা এবিধ আহিলা। বিভিন্ন প্ৰকাৰৰ হাতুৰী এই শিল্পৰ নিৰ্মাণ কাৰ্যত ব্যৱহৃত হয়। সেয়া হৈছে গল কোবোৱা হাতুৰী, মাথলী হাতুৰী, দ হাতুৰী, বৰ হাতুৰী, টচমাৰা হাতুৰী, কেওচ দিয়া হাতুৰী, একঠেঙীয়া হাতুৰী, কাণহেচো হাতুৰী, আহ লোৱা হাতুৰী, চৰুৱা হাতুৰী, চৰ কেওচ দিয়া হাতুৰী ইত্যাদি।

**(গ) ঢেকা ঃ** পিতলৰ সামগ্ৰীসমূহ চেপেটা হ'লে ইয়াত সুমুৱাই হাতুৰীৰে কোবাই মেৰামতি কৰা হয়।

**(ঘ) চাট্‌লি বা চাতুলি ঃ** লো আৰু তীখাৰে নিৰ্মিত সঁজুলি। সামগ্ৰীসমূহ তৈয়াৰ হোৱাৰ পিছত জোৰাবোৰ কোবাই মিহি কৰাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। চাটলি বিভিন্ন প্ৰকাৰৰ— খৰকা চাট্‌লি, বৰ চাট্‌লি, ফেটি চাট্‌লি, মাথা চাট্‌লি ইত্যাদি।

**(ঙ) ৰেতি ঃ** লো আৰু তীখাৰে নিৰ্মিত এবিধ সঁজুলি। সামগ্ৰী সমূহ নিৰ্মাণ হোৱাৰ পিছত ৰেতিৰে ঘঁহি ঘঁহি মিহি কৰা হয়। ইয়াক ঠাইবিশেষে ৰেত আৰু ফাইল নামেৰেও জনা যায়।

**(চ) কুন্দ ঃ** কাঠ আৰু ৰছীৰে নিৰ্মিত এবিধ আহিলা। সামগ্ৰীবিধ মিহি কৰিবলৈ আৰু ফুল কাটিবলৈ কুন্দ ব্যৱহাৰ কৰা হয়।

**(ছ) মুহী ঃ** বহল মুখৰ মাটিৰ সৰু পাত্ৰ।

**(জ) ভাটি ঃ** জুই জ্বলাবলৈ ব্যৱহাৰ কৰা এবিধ সঁজুলি। বৰ্তমান কিছুমান শিল্পীয়ে আধুনিক যন্ত্ৰপাতিৰে জুই জ্বলাবলৈ ধৰিছে।

**(ঝ) কাঠ ঃ** কাঠ এটুকুৰাত খোলনি কৰা হয়। সামগ্ৰীবিধ দ কৰিবলৈ হ'লে তাত কোবাই দ কৰা হয়।

**(ঞ) পায়েন ঃ** পিতল আৰু দস্তাৰ লগত সুৱাগা লগ লগাই তৈয়াৰ কৰা এবিধ আঠা। তিনিভাগ পিতলৰ গুড়ীৰ লগত এভাগ দস্তা মিহলাই পায়েন প্ৰস্তুত কৰা হয়। ইয়াৰ সহায়ত সামগ্ৰীবিধৰ দুটা অংশ জোৰা লগোৱা হয়।

**(ট) আফৰ ঃ** গঢ়শালত গঢ়া সামগ্ৰীবিধত জোৰা লগাবলৈ আফৰত দি কোবোৱা হয়।

**(ঠ) আকে ঃ** তীখাৰে নিৰ্মিত এবিধ সঁজুলি। ঘূৰণীয়া বস্তু মিহি কৰাৰ ক্ষেত্ৰত এইবিধ সঁজুলি ব্যৱহৃত হয়।

**(ড) গাজ (কাটি) ঃ** লো অথবা তীখাৰে নিৰ্মিত এবিধ সঁজুলি। চাক পিতলবোৰ কাটিবলৈ গাজ ব্যৱহাৰ কৰা হয়।

**(ঢ) লোৱাল ঃ** লো অথবা তীখাৰে নিৰ্মিত এবিধ সঁজুলি। ইয়াৰ সহায়ত পিতলৰ সামগ্ৰীসমূহ পৰিষ্কাৰ কৰা হয়।

**(ণ) সৰাহ ঃ** লো অথবা তীখাৰে নিৰ্মিত চেপেনাসদৃশ এবিধ আহিলা। জুইত গলোৱা সামগ্ৰীবোৰ চেপি আনিবলৈ সৰাহ ব্যৱহাৰ কৰা হয়। সৰাহ বিভিন্ন প্ৰকাৰৰ— পোন সৰাহ, আঁকোৰা সৰাহ, পাত সৰাহ, গাল সৰাহ, বেজীমুখীয়া সৰাহ, কমাৰী সৰাহ ইত্যাদি।

**(ত) বাগী ঃ** বটালীৰ নিচিনা সৰু আকৃতিৰ ফুল কাটিবলৈ ব্যৱহাৰ কৰা এবিধ আহিলা।

**(থ) খন্তা ঃ** নিৰ্মিত সামগ্ৰীবোৰ পৰিষ্কাৰ কৰিবলৈ

এইবিধ আহিলা ব্যৱহাৰ কৰা হয়।

**(দ) কম্পাছ ঃ** লোৰে নিৰ্মিত এবিধ আহিলা। চাক এখন ঘূৰণীয়াকৈ কাটিবলৈ পোন প্ৰথমে কম্পাছেৰে আঁকি লোৱা হয়।

**(ধ) বুলি ঃ** ফুল কটা আৰু নিৰ্মাণ কৰা সামগ্ৰীবিধৰ ওপৰত নাম লিখিবলৈ এইবিধ আহিলা ব্যৱহৃত হয়।

**(ন) বেলমূৰি ঃ** ওপৰভাগ তীখা আৰু বাকী অংশ লোৰে নিৰ্মিত এবিধ আহিলা। সামগ্ৰীবিধত আঠা লগোৱাৰ পিছত বেলমূৰিত থৈ কোবোৱা হয়।

**(প) আকোৰা ঃ** হাতুৰীৰ লেখীয়া এবিধ আহিলা। ইয়াৰ সহায়ত কলহৰ ওপৰ অংশ নিৰ্মাণ কৰা হয়।

**৬.০০ পিতলৰপৰা নিৰ্মাণ হোৱা সামগ্ৰী ঃ**

পিতল শিল্পীসকলে ধৰ্মীয় কাৰ্যত আৰু দৈনন্দিন জীৱনত ব্যৱহৃত বিভিন্ন ধৰণৰ সামগ্ৰী নিৰ্মাণ কৰে। তেওঁলোকে নিৰ্মাণ কৰা এনে সামগ্ৰীসমূহ হৈছে-

**(ক) ধৰ্মীয় কাৰ্যত ব্যৱহৃত সামগ্ৰী ঃ**

**কলচী ঃ** মন্দিৰ, নামঘৰ আদিত সৌন্দৰ্য বৰ্ধনৰ বাবে কলহ বা কলডিল আকৃতিৰ নিৰ্মিত সামগ্ৰী।

**ডবা ঃ** মন্দিৰ, নামঘৰ আদিত সন্ধিয়া সময়ত বজোৱা এবিধ বাদ্য

**গছা ঃ** মন্দিৰ, নামঘৰ আদিত চাকি দিবৰ বাবে ব্যৱহৃত সামগ্ৰী।

**চাকি ঃ** মাটিৰ চাকিৰ আকৃতিত পিতলেৰে নিৰ্মিত সামগ্ৰী।

**শৰাই ঃ** জ্যেষ্ঠজনক মান ধৰিবলৈ আৰু দেৱতাক নৈবেদ্য দিবলৈ ব্যৱহাৰ কৰা এবিধ সামগ্ৰী।শৰাই এখনত কলচি, হাইৰা, দাইলা, ঢাকোন, চুলা, গল, পতি, কাপ, চোলা, পায়েৰা ইত্যাদি বিভিন্ন অংশ থাকে। শৰাই বিভিন্ন প্ৰকাৰৰ— জালিকটা শৰাই, চকা শৰাই জালিকটা পাতৰি শৰাই, ৰঙা শৰাই, সঁফুৰা শৰাই, দ'ল শৰাই, বনকৰা শৰাই ইত্যাদি।

**কলপাত ঃ** কলপাতৰ আগটোৰ নিচিনা পিতলেৰে নিৰ্মিত সামগ্ৰী।

**দোৰোলা (দোনা) ঃ** কলগছৰ পৰা নিৰ্মিত দোলাৰ লেখীয়া পিতলেৰে তৈয়াৰী এবিধ সামগ্ৰী।

**ধূনা বাটি ঃ** মন্দিৰত ধূনা জ্বলাবলৈ ব্যৱহাৰ কৰা এবিধ সঁজুলি।

**নাগাৰা ঃ** নাগাৰা নামৰ পাঠকসকলে এইবিধ বাদ্য ব্যৱহৃত কৰাৰ লগতে মন্দিৰ, নামঘৰত নাম প্ৰসংগৰ সময়ত এই বাদ্যবিধ বজোৱা হয়।

**(খ) ৰন্ধা আৰু খোৱা-বোৱাত ব্যৱহৃত সঁজুলি ঃ**

**টৌ ঃ** বস্তু ভৰাই থব পৰা এবিধ ডাঙৰ পাত্ৰ।

**হেতা ঃ** ভাত ৰন্ধা এবিধ সামগ্ৰী

**চৰিয়া ঃ** হাত ধুবলৈ ব্যৱহাৰ কৰা এবিধ পাত্ৰ।

**কলহ ঃ** পেট ডাঙৰ, ডিঙি ঠেক পানী আনিবলৈ ব্যৱহাৰ কৰা এবিধ পাত্ৰ।

**গাগৰী ঃ** চুটি ডিঙি আৰু দীঘলীয়া গাৰে এবিধ পিতলৰ কলহ।

**লোটা ঃ** পানী খাবলৈ ব্যৱহাৰ কৰা এবিধ পাত্ৰ।

**থাল ঃ** ঘূৰণীয়া আকৃতিৰ বহল এবিধ পাত্ৰ।

**খৰাহী ঃ** ঘূৰণীয়া আকৃতিৰ মাজত ফুটা থকা এবিধ পাত্ৰ। চাউল আৰু অন্যান্য সামগ্ৰী ধুবলৈ ইয়াক ব্যৱহাৰ কৰা হয়।

**টেকেলী ঃ** পানী গৰম কৰিবৰ বাবে ব্যৱহৃত এবিধ সঁজুলি।

**গিলাচ ঃ** পানী খাবলৈ ব্যৱহাৰ কৰা এবিধ পাত্ৰ।

**চামুচ ঃ** বস্তু খাবলৈ ব্যৱহাৰ কৰা এবিধ পাত্ৰ।

**ট্ৰে ঃ** আলহী-অতিথিক চাহ-জলপান দিবলৈ ব্যৱহাৰ কৰা পাত্ৰ।

**কাঢ়নী ঃ** বিয়া আৰু অন্যান্য উৎসৱ পাৰ্বনত ৰন্ধা ভাত কাঢ়িবলৈ এইবিধ আহিলা ব্যৱহৃত হয়।

**(গ) বিয়াত ব্যৱহৃত সামগ্ৰী ঃ**

**দুণৰি ঃ** বিয়াত পানী তুলিবলৈ যাওঁতে ব্যৱহৃত এবিধ পাত্ৰ।

**বটা ঃ** কটা তামোল থোৱা এবিধ পাত্ৰ। বিয়াত দৰা বা কইনাই বটা লৈ অভ্যাগতক তামোল পাণ যাঁচে।

**(ঘ) অন্যান্য কাৰ্যত ব্যৱহৃত সামগ্ৰী ঃ**

**জাপি ঃ** সৌন্দৰ্য বৰ্ধনৰ বাবে বাঁহৰ জাপিৰ লেখীয়া পিতলেৰে তৈয়াৰী এবিধ সামগ্ৰী।

**টেমি ঃ** চূণ ৰখা সৰু পাত্ৰ

**ভোগজৰা ঃ** পেটত নলী থকা এবিধ দীঘলীয়া লোটা।

**থালি ঃ** বস্তু ভৰাই থ'বলৈ ব্যৱহাৰ কৰা এবিধ আহিলা।

ওপৰত উল্লিখিত এই সামগ্ৰীসমূহৰ উপৰিও প্ৰাচীন কালত কঁৰিয়া, দোন, বেলা ডালিচৰিয়া, ডেগ, হাত খুন্দনা, হেংদান-তৰোৱালৰ খাঁপ, চেপা খুন্দনা, কালি, তামুলী পীৰা, কটাৰীৰ ডাব ইত্যাদি বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰা হৈছিল। বৰ্তমান সময়ত ইয়াৰ চাহিদা নাই বাবে এইবোৰ সামগ্ৰী নিৰ্মাণ কৰা নহয়।

**উপসংহাৰ ঃ**

পিতল শিল্পই অসমীয়া সমাজ জীৱনৰ দৈনন্দিন প্ৰয়োজনীয়তা পূৰণ কৰাৰ লগতে নান্দনিক সৌন্দৰ্যও ফুটাই তুলিবলৈ সক্ষম হৈছে। কিন্তু বৰ্তমান সময়ত এই শিল্পটোৰ প্ৰতি যথেষ্ট ভাবুকি আহিছে। কেঁচামালৰ অভাৱে এই শিল্পৰ লগত জড়িত লোক সকলক জুৰুলা কৰি পেলাইছে। জুইৰ তাপ আৰু ক'লাধোঁৱাৰ মাজত থাকি দিনটো কাম কৰিবলগীয়া হোৱা বাবে বহু লোকে নানা বেমাৰত পৰে, ফলত আধাতে তেওঁলোকে শিল্পটো বাদ দিবলগীয়া হয়। তদুপৰি বজাৰত উপলব্ধ ষ্টীল আৰু প্লাষ্টিকৰ সামগ্ৰীবোৰ কম দামতে উপলব্ধ হোৱা বাবেও শিল্পটোৰ প্ৰতি যথেষ্ট ভাবুকিৰ সৃষ্টি হৈছে। সেইদৰে মুৰাদাবাদৰ পৰা অহা আধুনিক যন্ত্ৰপাতিৰে নিৰ্মিত পিতলৰ সামগ্ৰীবোৰ কম খৰচী হোৱা বাবে মানুহে সহজে সেই সামগ্ৰীবোৰ আকোঁৱালি লৈছে। চৰকাৰেও এই শিল্পটোৰ প্ৰতি অনীহা প্ৰকাশ কৰা দেখা যায়। সেয়ে তেওঁলোকে শিল্পটোৰ প্ৰতি আগ্ৰহী হৈ শিল্পটোক কিছু উন্নতমানৰ কৰি গঢ়ি তুলিব পাৰিলেহে শিল্পটো বৰ্তি থাকিব আৰু ই নিশ্চয় অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত অৰিহণা যোগাব পাৰিব বুলি আশা কৰিব পাৰি। ❑

**প্ৰসঙ্গ সূত্ৰ ঃ**

১. দাস, যুগল ঃ অসমৰ লোককলা, পৃ. ৬১
২. গোস্বামী, মালিনী (মুখ্য সম্পা.) আৰু অন্যান্য (সম্পা.) ঃ চন্দ্ৰকান্ত অভিধান, পৃ. 565
৩. বৰুৱা, হেমচন্দ্ৰ (সম্পা.) ঃ হেমকোষ, পৃ. ৮৩২
৪. Brookes, Ian; Micheel Munro (ed.) : The Chambers Dictionary, p. 186
৫. উৎস ঃ ইন্টাৰনেট
৬. তথ্যদাতা ঃ হৰিপ্ৰসাদ বৰ্মন, পুৰুষ, ৫০ বছৰ, আমৃখোৱা, বৰপেটা
৭. তালুকদাৰ, ধ্ৰুৱকুমাৰ ঃ অসমৰ লোক-শিল্পকলা, পৃ. ৫৩
৮. চৌধুৰী, ধ্ৰুৱজ্যোতি আৰু অৰুণ দাস (সম্পা.) ঃ মণিকূট, দ্বিজেন ভৰালীৰ প্ৰবন্ধ 'হাজোৰ পিতল শিল্প ঃ ইয়াৰ ইতিহাস', পৃ. ১৪২
৯. Deka, Ananta : Bell and Brass Metal Industries in Assam, p. 95
১০. শইকীয়া, নগেন ঃ অসমীয়া মানুহৰ ইতিহাস, পৃ. ২২৮
১১. উল্লিখিত গ্ৰন্থ, পৃ. ২২৯
১২. চৌধুৰী, ধ্ৰুৱজ্যোতি আৰু অৰুণ দাস (সম্পা.) ঃ পূৰ্ব উল্লিখিত গ্ৰন্থ, দ্বিজেন ভৰালীৰ পূৰ্ব উল্লিখিত প্ৰবন্ধ, পৃ. ১৪৩
১৩. তথ্যদাতা ঃ ৰাজীৱ আলী, হাজো, কামৰূপ (গ্ৰাম্য)
১৪. ডেকা, বিচিত্ৰ (সম্পা.) ঃ স্মৃতিগ্ৰন্থ, কিশোৰ শিকদাৰৰ প্ৰবন্ধ 'সৰুক্ষেত্ৰীৰ কুটীৰ শিল্প', পৃ. ১০৬

**গ্ৰন্থপঞ্জী ঃ**


১. কলিতা, সমীন। *হাজো অঞ্চলৰ ইতিহাস*। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ২০০৭। মুদ্ৰিত।
২. গোস্বামী, মালিনী মুখ্য সম্পা.। *চন্দ্ৰকান্ত অভিধান*। গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, গুৱাহাটী। ২০১২। মুদ্ৰিত।
৩. চৌধুৰী, ধ্ৰুৱজ্যোতি; দাস, অৰুণ। সম্পা.। *মণিকূট*, ৬৫ তম অসম সাহিত্য সভা, হাজো অধিবেশনৰ স্মৃতিগ্ৰন্থ। হাজো, ১৯৯৯। মুদ্ৰিত।
৪. ডেকা, বিচিত্ৰ। সম্পা.। *স্মৃতিগ্ৰন্থ, পঞ্চগ্ৰাম ৰাস মহোৎসৱ মহা জয়ন্তী*। বণিয়াকুছি, ২০১২। মুদ্ৰিত।
৫. তালুকদাৰ, ধ্ৰুৱকুমাৰ। *অসমৰ লোক শিল্পকলা ঃ গুৱাহাটী* ঃ বাণী মন্দিৰ, ২০১১। মুদ্ৰিত।
৬. দাস, প্ৰকাশ। *হাজোৰ সুবাস*। হাজো, (কামৰূপ) ঃ প্ৰফুল্ল প্ৰকাশ, ২০১৭। মুদ্ৰিত।
৭. দাস, যুগল। *অসমৰ লোককলা*। গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ১৯৬৮। মুদ্ৰিত।
৮. বৰুৱা, হেমচন্দ্ৰ; বৰুৱা দেৱানন্দ। সম্পা.। *হেমকোষ*। গুৱাহাটী ঃ হেমকোষ প্ৰকাশন। ২০১৩। মুদ্ৰিত।
৯. মিলি, ৰত্নেশ্বৰ, গোহাঁই, পুণ্যলতা। সম্পা.। *অসমৰ লোককলা*। ধেমাজি ঃ কিৰণ প্ৰকাশন, ২০১৫। মুদ্ৰিত।
১০. শইকীয়া, নগেন। *অসমীয়া মানুহৰ ইতিহাস*। গুৱাহাটী ঃ কথা পাব্লিকেছন, ২০১৩। মুদ্ৰিত।
১১. Brookes, Ian; Michael Munro. ed. : *The Chambers Dictionary*, 13th Edition, London : Chambers Harrap Publishers Ltd. 2014. Print.

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945

Peer Reviewed Journal
[UGC-CARE Listed]

# অসমীয়া লোকগীতত অসমৰ ইতিহাস সন্ধান



ড° মন্মী বৰুৱা

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
ডি.হ.সু. কানৈ মহাদ্যালয় (স্বায়ত্তশাসিত)
ডিব্ৰুগড়, অসম-৭৮৬০০১
৯৮৫৯১২২২১০
mbaruah96@gmail.com

**সাৰাংশ ঃ**

অসমৰ লোক সংগীতসমূহ অসমৰ লোক সাহিত্যৰ ঐশ্বৰ্যময় সম্ভাৰ। লোক সাহিত্যৰ মাজতে লোক জীৱনৰ ইতিহাস আৰু লোক মনৰ বৰ্ণিল অভিজ্ঞতা, কল্পনা, শিল্পানুভূতি আৰু বুদ্ধিমত্তা সংমিশ্ৰিত হৈ আছে। ড° লীলা গগৈয়ে অসমীয়া সাহিত্যৰ ভঁৰালত লোক সাহিত্য 'মাণিকী মধুৰী জহা হৈ খুন্দ খাই আছে' বুলি কৈ গৈছে। লোক সাহিত্যৰ বুকুতেই সমৃদ্ধ হৈ আছে অসমৰ সমাজ জীৱনৰ বুৰঞ্জী। সাধাৰণতে আমাৰ বুৰঞ্জীসমূহত ৰাজ্য,ৰজা-মহাৰজা আৰু ৰাজনীতিৰ বিষয়েহে তথ্য পোৱা যায়, সামাজিক জীৱনৰ বিষয়ে বিশেষ তথ্য উপলব্ধ নহয়। সেয়েহে মধ্যযুগৰ অসমৰ সমাজ-সংস্কৃতিৰ বিষয়ে জানিবলৈ হ'লে লোকসাহিত্যৰ অধ্যয়ন কৰাটো অতি প্ৰয়োজনীয়। অসমীয়া অধিক সংখ্যক লোকগীত বুৰঞ্জীৰ কোনো ব্যক্তি বা ঘটনাক কেন্দ্ৰ কৰি ৰচিত হৈছিল। বিশেষকৈ বুৰঞ্জীমূলক মালিতাসমূহপৰা বুৰঞ্জীৰ বহু মূল্যৱান সমল আহৰণ কৰিব পাৰি। সেইদৰে অসমৰ বিহু গীত আৰু বনগীত সমূহ অসমৰ বহু কেইখন চৰ্চিত ৰণ, অসমৰ কেইবাখনো আধুনিক চহৰ গঠন, ব্ৰিটিছৰ অসমত নতুন শাসন পদ্ধতি, অসমত চাহ কোম্পানী গঠন, নগৰীয়া সভ্যতাৰ আগমণ, ভাপৰ জাহাজৰ চলাচল, অসমৰ বিভিন্ন প্ৰান্তত ৰেলসেৱাৰ প্ৰৱৰ্তন ইত্যাদি বিষয়ক বুৰঞ্জীৰ বহু সমলেৰে সমৃদ্ধ হৈ আছে।

সেয়েহে প্ৰস্তাৱিত আলোচনা পত্ৰত অসমৰ লোকগীত সমূহৰ মাজত অসমৰ ইতিহাসৰ সমল সন্ধান কৰিবলৈ যত্ন কৰা হ'ব আৰু অসমৰ ইতিহাসৰ লগতে মধ্য যুগৰ অসমৰ সমাজ, সংস্কৃতি তথা অৰ্থনৈতিক দিশৰ বিষয়ে আলোচনা কৰা হ'ব। আমাৰ আলোচনা পত্ৰখন প্ৰস্তুত কৰোঁতে বিশ্লেষণাত্মক আৰু প্ৰয়োজন সাপেক্ষে বৰ্ণনাত্মক পদ্ধতি অৱলম্বন কৰা হ'ব। ইয়াৰ উপৰি অধ্যয়নৰ বাবে পুথিভঁৰালকে সাৰ কৰি লোৱা হ'ব।

**সূচক শব্দ ঃ**

*লোকগীত, ইতিহাস, বিহুগীত, অসম।*

## ১.০ অৱতৰণিকা ঃ

### ১.১ বিষয়ৰ পৰিচয় ঃ

অসমৰ লোক সংগীতসমূহ অসমৰ লোক সাহিত্যৰ ঐশ্বৰ্যময় সম্ভাৰ। লোক সাহিত্যৰ মাজতে লোক জীৱনৰ ইতিহাস আৰু লোক মনৰ বৰ্ণিল অভিজ্ঞতা, কল্পনা, শিল্পানুভূতি আৰু বুদ্ধিমত্তা সংমিশ্ৰিত হৈ আছে। ড° লীলা গগৈদেৱে অসমীয়া সাহিত্যৰ ভঁৰালত লোক সাহিত্য মাণিকী মধুৰী জহা হৈ খুন্দ খাই আছে বুলি কৈছে। লোক সাহিত্যৰ বুকুতেই সমৃদ্ধ হৈ আছে অসমৰ সমাজ জীৱনৰ বুৰঞ্জী। সাধাৰণতে আমাৰ বুৰঞ্জীসমূহত ৰাজ্য,ৰজা-মহাৰজা আৰু ৰাজনীতিৰ বিষয়েহে তথ্য পোৱা যায়, সামাজিক জীৱনৰ বিষয়ে বিশেষ তথ্য উপলব্ধ নহয়। সেয়েহে মধ্যযুগৰ অসমৰ সমাজ-সংস্কৃতিৰ

বিষয়ে জানিবলৈ হ'লে লোকসাহিত্যৰ অধ্যয়ন কৰাটো অতি প্ৰয়োজনীয়। অসমীয়া অধিক সংখ্যক লোকগীত বুৰঞ্জীৰ কোনো ব্যক্তি বা ঘটনাক কেন্দ্ৰ কৰি ৰচিত হৈছিল। বিশেষকৈ বুৰঞ্জীমূলক মালিতাসমূহপৰা বুৰঞ্জীৰ বহু মূল্যৱান সমল আহৰণ কৰিব পাৰি। সেইদৰে অসমৰ বিহু গীত আৰু বনগীত সমূহ অসমৰ বহু কেইখন চৰ্চিত ৰণ, অসমৰ কেইবাখনো আধুনিক চহৰৰ গঠন, ব্ৰিটিছৰ অসমত নতুন শাসন পদ্ধতি, অসমত চাহ কোম্পানী গঠন, নগৰীয়া সভ্যতাৰ আগমণ, ভাপৰ জাহাজৰ চলাচল, অসমৰ বিভিন্ন প্ৰান্তত ৰেলসেৱাৰ প্ৰৱৰ্তন ইত্যাদি বিষয়ক বুৰঞ্জীৰ বহু সমলেৰে সমৃদ্ধ হৈ আছে। অসমীয়া লোক সংগীতত অভিনৱ বিষয়বস্তুৰ প্ৰতিফলন ঘটাৰ লগতে অসমৰ ঐতিহ্যৰাজিৰো সংৰক্ষণ ঘটিছে।

সেয়েহে প্ৰস্তাৱিত আলোচনা পত্ৰত "অসমীয়া লোকগীতত ইতিহাসৰ সন্ধান" শীৰ্ষক বিষয়টি আলোচনা কৰা হ'ব।

**১.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

* "অসমীয়া লোকগীতত ইতিহাসৰ সন্ধান" শীৰ্ষক বিষয়টি অধ্যয়নৰ মূল উদ্দেশ্য হৈছে- অসমীয়া লোকগীতত ইতিসৰ সমলসমূহ কিদৰে সংৰক্ষিত হৈ আছে ইয়াৰ সন্ধান কৰা।

* লোকগীতসমূহো যে ঐতিহ্য সংৰক্ষণৰ এক মাধ্যম হ'ব পাৰে, সেই কথা স্পষ্ট ৰূপত দাঙি ধৰা।

**১.৩ অধ্যয়নৰ পদ্ধতি আৰু পৰিসৰ ঃ**

প্ৰস্তাৱিত অধ্যয়ন পদ্ধতি মূলত বিশ্লেষণাত্মক হ'ব। অসমীয়া লোকগীতত ইতিহাসৰ সন্ধান বিষয়টো অধ্যয়ন কৰিবলৈ যাওঁতে এইক্ষেত্ৰত অধ্যয়ন পদ্ধতি বিশ্লেষণধৰ্মী হ'ব। অসমীয়া লোকগীতৰ বিস্তৃত পৰিসৰৰ বাবে সকলো লোকগীতকেই আলোচনাৰ মাজলৈ অনা সম্ভৱ নহয়। অধ্যয়নৰ সুবিধাৰ বাবে প্ৰস্তাৱিত আলোচনা পত্ৰত কেৱল অসমীয়া লোকগীতৰ ওপৰত এক বিহংগম অৱলোকন কৰা হৈছে।

**১.৪ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ**

অসমীয়া সাহিত্যত বৰ্তমানলৈকে "অসমীয়া লোকগীতত ইতিহাসৰ সন্ধান " শীৰ্ষক বিষয়টি পোনপটীয়া ৰূপত অতি কম সংখ্যক আলোচনা বা গৱেষণা হোৱা দেখা যায়।

*অসমীয়া জন সাহিত্য* ঃ ড° প্ৰফুল্ল দত্ত গোস্বামী
*অসমীয়া গীতি সাহিত্য* ঃ মহেশ্বৰ নেওগ
*অসমীয়া লোকসাহিত্য* ঃ ড° প্ৰসাদ কুমাৰ বৰুৱা

**২.০ অসমীয়াৰ লোকগীতত অসমৰ ইতিহাস সন্ধান ঃ**

সাধাৰণ অৰ্থত লোক-সংস্কৃতি বুলি কলে সাধাৰণ জনসাধাৰণৰ সংস্কৃতি। লোকগীত সমূহো লোক সমাজৰ সৃষ্টি। লোকসাহিত্যৰ মূল শিপা ডাল লোকগীততেই প্ৰোথিত। লোক সমাজৰ চৌদিশৰ চিনাকী পৃথিৱীখনৰ বিভিন্ন ঘটনা-পৰিঘটনাৰ সৈতে নিজৰ আৱেগ-অনুভূতি, অভিজ্ঞতাক ৰসোত্তীৰ্ণ কৰাৰ প্ৰৱণতাৰ ফলতেই এই লোক গীত -মাতসমূহ সৃষ্টি হৈ আহিছে। অসমীয়া লোক গীতসমূহত অসমৰ সমাজ জীৱনৰ লগতে ইতিহাসৰ পাতৰ বিভিন্ন ঘটনা-পৰিঘটনাৰ সন্ধেদ পোৱা যায়। অসমৰ বুৰঞ্জীসমূহ অসমৰ ৰজা-মহাৰজাসকলৰ কাৰ্য-কলাপৰ বিৱৰণেৰে সমৃদ্ধ। অসমৰ সমাজ জীৱন, সাংস্কৃতিক-অৰ্থনৈতিক জীৱনৰ কথা প্ৰত্যক্ষ ৰূপত লিপিৱদ্ধ নাই। কিন্তু অসমীয়া লোকগীতসমূহ বুৰঞ্জীমূলক ঘটনা, ব্যক্তি বা পৌৰাণিক আখ্যানসমূহক লৈয়েই ৰচনা কৰা হৈছিল।

**২.১ অসমীয়াৰ লোকগীতত ইতিসৰ বীৰ-বীৰাঙ্গনা**

**(ক) বুৰঞ্জীমূলক মালিতা**

ইতিহাসৰ ঘটনা বা কিম্বদন্তীক কেন্দ্ৰ কৰি সৃষ্টি কৰা কাল্পনিক লোক গীত সমূহক বুৰঞ্জীমূলক মালিতা বা বেলাড বুলি অভিহিত কৰা হয়। মালিতাসমূহত অসমৰ ইতিহাসৰ বহু কেইজন ৰজা-মহাৰজা, বীৰ-বীৰাঙ্গনাৰ বীৰোচিত কাহিনী অংকন কৰা হৈছে। অতি প্ৰাচীন মালিতা ৰূপে জনসমাজত সমাদৃত এটি মালিতা হ'ল নাহৰৰ মালিতা। হৰকান্ত সদৰামিনৰ বাঁহগড়ীয়া বুঢ়াগোঁহাইৰ বুৰঞ্জীত নাহৰৰ কাহিনী লিপিৱদ্ধ হৈ আছে। যোড়শ শতিকাত খোৰা ৰজা ৰাজপাটত বহে আৰু এওঁৰ দুগৰাকী কুঁৱৰী আছিল। কুঁৱৰীৰ মৃত্যুৰ পিছত এগৰাকী লিগিৰীক বিয়া কৰায়। এই ৰাণীৰ কোনো সতি-সন্ততি নোহোৱাত নাহৰক তুলি লয়। নাহৰে কোঁৱৰ সন্মান লাভ কৰি শাসন ভাৰ লৈ অত্যাচাৰী হৈ উঠে। পিছত অত্যাচাৰী নাহৰক বৰগোহাঁয়ে দিহিঙৰ পাৰত হত্যা কৰে।

মহং বেহাব নেলাগে চেনামুৱা
নেখাওঁ ডুখুৰীয়া লোণ,
কৰবাত কেনেবাকৈ পৰ্বত খহি মৰিব
তোৰ লগত মৰিব কোন?
হেৰ বুঢ়ী পাখৰী মৰাণৰ জীয়াৰী
নাহৰক কটালে কোনে?

জালি কোমোৰা যেন নাহৰ চেনামুৰা
কি জগৰত মৰালে প্ৰাণে?

অসমৰ বুৰঞ্জীৰ পাতত লিপিৱদ্ধ হৈ থকা এটা উল্লেখযোগ্য ঘটনা তথা অসমীয়া জনমানসত সতী ৰূপে সমাদৃত জয়মতী কুঁৱৰীৰ আত্ম বলিদানৰ ঘটনাক লৈ সৃষ্টি হোৱা মালিতা হ'ল জয়মতী কুঁৱৰীৰ মালিতা।

হাবিত কান্দিলে হয়কলি চৰায়ে
চিটিকাৰ মুখলৈ চাই,
জেৰেঙা পথাৰত কান্দে জয়মতী
চাউদাঙৰ মুখলৈ চাই।
তোমালৈ চেনেহ মোৰ আছিল শাহু আই
লাই-লেচাইত আছিল আশা,
সকলো সুখতে বিধতাই বঞ্চিলে
মোৰ নাই কৰ্মত লেখা।

বুৰঞ্জীপ্ৰসিদ্ধ মণিৰাম দেৱানৰ ইংৰাজ প্ৰীতিক লৈ কৰা উপলুঙা, পিছলৈ বিদেশী চৰকাৰে মণিৰাম দেৱানক ফাঁচী দিয়াৰ বৰ্ণনাৰে ৰচনা কৰা হৈছে মণিৰাম দেৱানৰ মালিতা।

সোণৰ ধোঁৱাধোৱাত খালি ঐ মণিৰাম
ৰূপৰ ধোঁৱাখোৱাত খালি,
কিনো ৰজাঘৰত দোৰোহ আচৰিলি
ডিঙিত চিপ্‌জৰী ললি।

স্বাধীনতা সংগ্ৰামী বুলি পৰিচিত মণিৰাম দেৱানৰ প্ৰতি সাধাৰণ প্ৰজাৰ বৰ ভাল ভাৱ নাছিল। কাৰণ প্ৰথমৰস্থাত মণিৰামে বিট্ৰিছক অসমত গজগজীয়াকৈ বহিবলৈ বাট মুকলি কৰি দিছিল। সেয়েহে সাধাৰণ প্ৰজাই মণিৰামৰ পৰিৱৰ্তে পিয়লি ফুকনকহে প্ৰকৃত স্বাধীনতা সংগ্ৰামী বুলি ভাবিছিল।

মণিৰামক মাৰিলি ভালকে কৰিলি
পিয়ালিক মাৰিলি কিয়,
সেইনো কথা শুনি ৰংপুৰৰ আমোলাৰ
আকাশে উৰি গ'ল জীৱ

অসম বুৰঞ্জীত উল্লিখিত বদন বৰফুকন আৰু পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ মাজত হোৱা বিবাদৰ ফলত বদনে মান আনি অসম দেশ আক্ৰমণ কৰাৰ ইতিহাস প্ৰসিদ্ধ ঘটনাটি লৈ ৰচিত হৈছে বৰফুকনৰ মালিতা। মালিতাটিত মানৰ উপৰ্যুপৰি আক্ৰমণ কৰি অসমৰ প্ৰজা সাধাৰণৰ ওপৰত কৰা অমানুষিক অত্যাচাৰৰ সুদীৰ্ঘ বৰ্ণনা থকা বাবে এই মালিতাটি যথেষ্ট দীঘলীয়া।

আনিবি বৰফুকনক ডিঙ্গৰাত ভৰাই
ভাল মুখেৰে মাতিম
ধৰি দিব পাৰিলে ফুকন তোকে পাতিম।

সেইদৰে ৰাজেশ্বৰ সিংহৰ দিনৰ চিকণ গোসাঁইৰ বৰ্ণনাৰে মালিতা, মোৱামৰীয়া বিদ্ৰোহৰ সময়ত গৌৰীনাথ সিংহৰ ৰাজত্ব কালত বধ কৰা বাখৰ বৰাৰ কাহিনীৰে বাখৰ বৰাৰ মালিতা আদি বুৰঞ্জী ঘটনা সম্বলিত বিভিন্ন মালিতা পোৱা যায়।

**২.২. অসমীয়া লোকগীতত ইতিহাসপ্ৰসিদ্ধ বিদ্ৰোহ, ৰণ তথা ইতিহাসপ্ৰসিদ্ধ ঠাই, দ'ল, পুখৰী আদিৰ বৰ্ণনা ঃ**

অসম বুৰঞ্জীত বিভিন্ন যুঁজৰ বৰ্ণনাৰে সমৃদ্ধ হৈ আছে। মালিতা, বিহুগীত, বনগীত সমূহত এনে যুঁজৰ উল্লেখ পোৱা যায়। সেইদৰে ৰঙিয়াত ইংৰাজৰ আমোলত তহচিলদাৰ ৰূপে নিযুক্তি লাভ কৰা ৰাধানাথে সেই অঞ্চলৰ কৃষকৰ ওপৰত অত্যাচাৰ চলাই আৰু ফলত কৃষকৰ মাজত বিদ্ৰোহ আৰম্ভ হয়। ইয়াৰ পৰিণতিত ৰঙিয়াৰ ডাকবঙলাত গুলিয়াগুলিও হয়।

গাছ লাতা ছজনা
দোণৰ মাটিত খাজনা
লৱে দহ টাকা দহ আনা।
ৰাধানাথ তহছিলদাৰ
গাছ লাতা ছজনা
অতিকে অধৰ্ম্মী,
ৰাইজক বান্ধি বান্ধি মাৰে।

ইতিহাসপ্ৰসিদ্ধ মায়ামৰীয়া বা মোৱামৰীয়া ৰণৰ ৰণুৱাই ৰণলৈ সাজু হওঁতে বিভিন্ন ধৰণৰ গীত ৰচনা হৈছিল-

এই ধেনু এই কাঁড় ডেকাদেউ ধেনু ধৰ
মুলুং মাৰিবলৈ যাওঁ।
ভালকৈ গুৰি ধৰ মটকৰ ডেকাদেউ
ভৰা গিয়াতিৰে নাও।।

'তুংখুঙীয়া বুৰঞ্জী' ত এনেধৰণৰ ৰণলৈ সাজু হওঁতে গোৱা গীত, মৰাণ সৈন্যই হাতত টোকোন লৈ মাটিত খুন্দি খুন্দি নাম গোৱাৰ বৰ্ণনা আছে।

অষ্টভুজে সপ্তভুজে চতুৰ্ভুজে
তাৰে দাই তাকে কাটে,
তাৰে হিলৈ তাকে মাৰে।

কছাৰী-আহোমৰ যুঁজৰ বহু বিৱৰণ অসম বুৰঞ্জীত পোৱা যায়। **১৫৩৮** শকত বুদ্ধি স্বৰ্গনাৰায়ণৰ ৰাজত্ব কালত ৰহাৰ ওচৰত কছাৰী-আহোমৰ এখন তয়া-ময়া ৰণৰ বৰ্ণনা

আছে। স্বৰ্গদেৱে ৰহাৰ কাষৰ কছাৰী ৰাজ্য দখল কৰি সোন্দৰ মৰাণ বুঢ়াগোহাঁইক তাতে থাপি থয়। বনগীতত ইয়াৰ উল্লেখ পোৱা যায়-

সোন্দৰ বৰগোঁহাই ৰণলৈ ওলালে
আটাই ঘুণে খোৱা ধেনু।

শিৱসাগৰ অঞ্চলত প্ৰচলিত গীতবিলাকত বিশেষকৈ ডিবৰু আৰু শদিয়াৰ ৰণৰ সঘন উল্লেখ পোৱা যায়।

ডিবৰুৰ ৰণখন শদিয়াত লাগিলে
মিৰিয়নী কান্দিলে ডালত।

নাজিৰা মৌজাৰ অন্তৰ্গত মেলাহী পথাৰত বিদ্ৰোহী সকল একত্ৰিত হৈ কিদৰে প্ৰস্তুতি চলাইছিল তাৰ আভাসো আছে বনগীতত।

মেলাহী পথাৰত বৰডবা বাজিলে
গঞাই কাণে পাতি শুনে,
কেঁচাইখাতি গোসানীৰ আগত আঠুলৈ
ৰাইজক শপত দিলে।

বনগীত,বিহুগীতসমূহত আহোম ৰাজতন্ত্ৰৰ কঠীয়াতলী ৰংপুৰ নগৰৰ ৰংঘৰ, ৰূপহী পথাৰ, গৌৰীসাগৰ, পুখুৰী, দ'ল দেৱালয়ৰ সঘন উল্লেখ পোৱা যায়।

পুখুৰী খনালে ভালকে কৰিলে
পাৰতে বন্ধালে দ'ল
দ'লকো বন্ধালে জেউতি চৰালে
জাকত জিলিকা হ'ল।

**২.৩. অসমীয়া লোকগীতত ইংৰাজ শাসন, ৰেল, চাহ বাগিছা, বিট্ৰিছৰ চাহ কোম্পানী আদি ভিন্ন প্ৰসংগ ঃ**

আহোম ৰাজত্বৰ অৱসানৰ লগে লগে ব্ৰিটীছৰ ৰাজত্ব আৰম্ভ হয়। শাসন পদ্ধতি সলনি হ'ল, যান-বাহন আহিল, যন্ত্ৰ আহিল। মানৰ আক্ৰমণে জুৰলা কৰা অসমীয়া ৰণুৱা মানুহৰ চৰিত্ৰত লগ দিয়ে এটি নতুন বৈশিষ্ট্য- সোৰোপালি। মিলছ্ চাহাবৰ প্ৰতিবেদনৰ অনেক ঠাইত অসমীয়াৰ এলাহ সোৰোপালিৰ কথা উনুকিয়াই গৈছে নতুনকৈ অহা কেএগ্ৰা গোলা , জাকিট চোলা, বজাৰৰ সুতা আদিৰ আধিপত্যৰ কথা বিহু গীত, বনগীত বিলাকত উল্লেখ আছে। বিশেষকৈ বনগীত বিলাকত বিদেশী বস্তুৰ বজাৰ এখন তৈয়াৰ কৰাত উজনি অসমৰ ডিব্ৰুগড় চহৰখন আগৰণুৱা আছিল যে সেই কথাৰো উল্লেখ আছে।

লোৰকে বিন্ধিলে লোৰৰে মামৰে
ছাতি-নালক বিন্ধিলে ঘুণে।
আমি যে যাওঁগে ডিবৰু জিলালৈ
আনি দিম বজাৰৰ সুতা

ব্ৰিটীছে অসমত কানিৰ প্ৰচলন কৰি অসমীয়া মানুহক দেশ গঠনৰ চিন্তাৰ পৰা আঁতৰাই ৰখাৰ তথা সোৰোপা কৰাৰ ব্যৱস্থা কৰিছিল। বিহু গীতসমূহত ব্ৰিটীছৰ এই বুদ্ধিৰ কথাও পোৱা যায়।

শিৱসাগৰত শুকাব আফুকানি ওলাব
আফিঙত পাতিব জোকা
কোম্পানী বাগিচা সদাগৰী কৰিব
ডেকা ল'ৰা কৰিব বুঢ়া।

ব্ৰিটিছ কোম্পানীয়ে অসমত চাবুৱাত প্ৰথমখন চাহবাগিছা আৰু ১৮৩৯ চনত অসম টি কোম্পানী গঠন কৰাৰ পৰাই অসমখন ক্ৰমাৎ চাহ বাগিছাই ছানি ধৰিলে। মিলছৰ প্ৰতিবেদনত উল্লেখ আছে যে এই কোম্পানী সমূহৰ অধীনত অসমৰ শিৱসাগৰ, দৰং আদিৰ বহু সংখ্যক লোক তথা বাহিৰৰপৰা আমদানি কৰা বঙালী কেৰাণী-মহৰীয়ে কাম কৰিছিল।

চাহাব আহি আহি বাগিছা খুলিলে
মুৰত চৰু হেন টুপী,
কুলিৰ ছোৱালীক মেমনী কৰিলে
মুখত চেলেউডাল হুপি।
অসমৰ দেশতে বঙালী সোমালে
দেখিছোঁ বঙালীৰ ভেম,
বঙালী বাবুলৈ নেযাবা লাহৰী
নুবুজা বঙালীৰ প্ৰেম।

**২.৪. অসমীয়া লোকগীতত ডিব্ৰুগড়ৰ ইতিহাস সন্ধান ঃ**

প্ৰাচ্যতত্ত্ববিদ মহেশ্বৰ নেওগে কৈছিল যে বিহুনাম আৰু বনঘোষাবোৰতো অসমৰ সমাজ জীৱনৰ বহু অপ্ৰকাশ্য আৰু গোপন অধ্যায়েই লুকাই আছে। বিশেষকৈ বিহুনাম আৰু বনঘোষাবোৰত অসমৰ প্ৰথমখন আধুনিক চহৰ ডিব্ৰুগড়ে বিশেষ গুৰুত্ব লাভ কৰিছিল। দেওধাই অসম বুৰঞ্জীত উল্লেখ থকা অনুসৰি ১৫২৩ চনত আহোম আৰু চুতীয়াৰ মাজত হোৱা সংঘৰ্ষৰ সময়ত আহোম সেনাই চুতীয়া সেনাক বাধা দিবৰ বাবে ডিব্ৰু নদীৰ মুখত এটা গড় মৰাইছিল আৰু সেই গড়টো ডিব্ৰুমুখৰ গড় বুলি জনাজাত আছিল। বিহুনামত এই ডিবৰুৰ বিষয়ে উল্লেখ আছে।

ডিবৰুৰ ৰণখন শদিয়াত লাগিলে
মিৰিয়নী কান্দিলে ডালত।

আহোম সকলৰ সুদীৰ্ঘ ছশ বছৰীয়া শাসনকালত

বৰ্তমানৰ ডিব্ৰুগড় চহৰখন ডিবৰু, ডিব্ৰুমুখ আদি নামেৰে পৰিচিত আছিল। আহোম ৰাজতন্ত্ৰৰ পতনৰ পাছতে ব্ৰিটিছৰ ঔপনিৱেশিক যুগত প্ৰথমখন আধুনিক চহৰ ডিব্ৰুগড়ত আধুনিকতাই পোহাৰ মেলাৰ লগে লগে চহৰখনত সাজ-পোছাক, বিলাসী সামগ্ৰীৰ আগমন অৰ্থাৎ নতুনকৈ হাট-বজাৰ বহাৰ কথাও বিহু নাম সমূহত লিপিৱদ্ধ আছে-

আমি যে যাওঁগৈ ডিবৰু জিলালৈ
আনি দিম বজাৰৰ সূতা,
তুমি বৈয়ে ল'বা ৰিহাকৈ মেখেলা,
মোকে বৈয়ে দিবা চোলা।
ডিবৰু জিলাতে আছে জাকিট চোলা
সেইটোৰে শুৱাব তোক।
ডিবৰু শুৱনি দীঘলী বজাৰ এ
শিৱসাগৰ শুৱনী দ'ল।

ডিব্ৰুগড় নতুন পণ্যৰ হাট-বজাৰেৰে ভৰা ঠাই বুলি লোক সাহিত্যই দিয়া তথ্য অশুদ্ধ হ'বই নোৱাৰে। মিলছৰ প্ৰতিবেদনত ১৮৬৩ চনত ডিব্ৰুগড়তপ্ৰথমখন বৃহৎ গেলামালৰ দোকান প্ৰতিষ্ঠা কৰাৰ কথা আছে।

১৮৮২ চনত ডিব্ৰুগড়ত ৰে'লৰে ৰ্ৰকশ্বপ স্থাপন কৰা হয় আৰু দীঘল ৰে'লপথ নিমাৰ্ণ কৰে। ডিব্ৰুগড়ৰ ৰিহাবাৰী ষ্টেছনৰপৰা লাহোৱাললৈ পৰীক্ষামূলকভাৱে ৰে'ল চলাই চায়া উজনি অসমৰ মানুহৰ বাবে ডিব্ৰুগড়ত প্ৰথমটো 'ষ্টেছন' স্থাপন কৰে। আধুনিকতাৰ বতাহজাকে ডিব্ৰুগড় চহৰখনক বাৰুকৈ জোকাৰি যোৱাত বহু ডেকা ল'ৰাই ডিব্ৰুগড় হেন চহৰখনক এৰি যোৱাৰ কথাও ভাবিলে-

ৰিহাবাৰী ইষ্টেশ্যন তিনি কুঠলীয়া
ওপৰে লগোৱা টিন।
লুইত পাৰ হ'লো দিখৌ পাৰ হলো
জিৰালো কলিয়াবৰত
তোমাকে বিচাৰি এৰো ঘৰ-বাৰী
নেথাকোঁ ডিবৰুগড়ত।

বিট্ৰিছসকলে ছলে বলে কৌশলে আহোম ৰাজ্য হস্তগত কৰাৰ পূৰ্বৰপৰাই উজনি অসমৰ প্ৰাকৃতিক সম্পদ লুণ্ঠনেৰে, আন্তজাৰ্তিক বাণিজ্যৰ প্ৰসাৰ কৰিবলৈ সন্ধান কৰি থকা ঠাইখনেই আছিল - ডিব্ৰুগড়। ১৮৪৮ চনত ডিব্ৰুগড়লৈ ভাপ জাহাজ চলাচল কৰাই এই পদক্ষেপক আগুৱাই নিবলৈ উঠি-পৰি লাগিছিল। বিহুগীত-বনঘোষাত জাহাজ অহাৰ ভিন্ন তথ্য পোৱা যায়।

নৈয়ো গুমেগুমায় কোম্পানীৰ জাহাজ ঐ
ঢেঁকীনো গুমেগুমায় থোৰা।

অৱশ্যে বিহুনাম-বনগীতবোৰত জীৱন্ত হৈ থকা ডিব্ৰুগড় চহৰখনৰ বহু ঐতিহ্য যেনে - দীঘলী বজাৰ, পেৰী পাৰ্ক, সেন্দুৰী আলি, ডিব্ৰুগড় দুৰ্গ আদি ১৯৫০ চনত হোৱা ভূমিকম্পৰ ফলত ব্ৰঐপুত্ৰৰ বুকুত হেৰাই গ'ল। ঔপনিৱেশিক যুগৰ ঐতিহ্যৰ স্মাৰক বুলিবলৈ কাছাৰী ঘৰ, কাৰাগাৰ আদি দুটামানহে ৰৈ গ'ল।

**৩.০ উপসংহাৰ ঃ**

অসমীয়া লোকগীত সমূহত অসম বুৰঞ্জীৰ এছোৱা কালৰ ধাৰাবাহিক ইতিহাস ৰক্ষিত হৈছে। এই গীতসমূহত বুৰঞ্জীৰ বাস্তৱতা ৰক্ষিত হৈছে বুলি ডাঠি ক'ব নোৱাৰিলেও এইবোৰৰ পৰা বুৰঞ্জীৰ বহু মুল্যৱান সমল আহৰণ কৰিব পাৰি। নব্য শিক্ষিত এচাম মানুহে এই লোকগীত সমূহক অনাদৰ-অৱহেলা কৰিলেও এচাম শিপা সন্ধানী শিক্ষিতলোকে লোকগীতসমূহৰ প্ৰকৃত ঐশ্বৰ্য আৰু গুৰুত্ব উপলব্ধি কৰিবলৈ সক্ষম হৈছে আৰু উচ্চস্তৰীয় চৰ্চা-গৱেষণা হোৱা পৰিলক্ষিত হৈছে। আলোচ্য বিষয়টিত এক বিহংগম অৱলোকনহে কৰা হৈছে। ভৱিষ্যতে বিস্তৃত অধ্যয়ন-বিশ্লেষণৰ সম্ভাৱনা আছে। ❑


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

গগৈ, লীলা ঃ বিহুগীত আৰু বনঘোষা, ১৯৬৯
গোস্বামী, প্ৰফুল্ল দত্ত ঃ অসমীয়া জন সাহিত্য, বাণী প্ৰকাশ, পঞ্চম সংস্কৰণ, ১৯৯৪
গোস্বামী, প্ৰফুল্ল দত্ত ঃ বাৰ মাহৰ তেৰ গীত, সাহিত্য অকাদেমি, নতুন দিল্লী, ১৯৯৪
দাস, দিলীপ কুমাৰ ঃ লোক সংস্কৃতিৰ সঁফুৰা, লয়াৰ্ছ, ডিচেম্বৰ, ২০০৫
দাস, নাৰায়ণ (সম্পা) ঃ অসমৰ সংস্কৃতি কোষ, প্ৰথম প্ৰকাশ, ২০০৯
নেওগ, মহেশ্বৰ ঃ অসমীয়া গীতি সাহিত্য, চন্দ্ৰ প্ৰকাশ, ১৯৮৭, তৃতীয় প্ৰকাশ
বৰদলৈ, নিৰ্মলপ্ৰভা ঃ অসমৰ লোকসংস্কৃতি, বীণা লাইব্ৰেৰী, তৃতীয় প্ৰকাশ, ১৯৮৭
বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ অসমীয়া লোকসাহিত্য, অসম সাহিত্য সভা, ডিব্ৰুগড়, ২০০১
শৰ্মা, নবীনচন্দ্ৰ ঃ পুৰণি অসমীয়া সাহিত্যৰ আলোকৰেখা, বীণা লাইব্ৰেৰী, ১৯৮৭
শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোকসংস্কৃতিৰ আভাস, বাণী প্ৰকাশ, পঞ্চম প্ৰকাশ, ২০১১

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945

Peer Reviewed Journal
[UGC-CARE Listed]

# ৰাজাবালা দাসৰ তিনিকুৰি দহবছৰৰ স্মৃতি আত্মজীৱনীত সমসাময়িক সমাজ জীৱন, নাৰীৰ স্থিতিৰ প্ৰতিফলন



ড° তাম্ৰপালি ৰাজকোঁৱৰ

**সংক্ষিপ্তসাৰ ঃ**

দেশ বা সমাজৰ প্ৰগতিত পুৰুষৰ লগতে নাৰীৰ ভূমিকাও বিশেষভাৱে গুৰুত্বপূৰ্ণ। গতিকে শৈক্ষিক দিশৰ লগতে অন্যান্য সকলো দিশতে নাৰীৰ শক্তিশালী অংশগ্ৰহণ হোৱাটো নিতান্ত প্ৰয়োজন। কিন্তু প্ৰাৰম্ভিক পৰ্যায়ত সমাজত নাৰীৰ স্থিতি কিমান দুৰ্বল আছিল সেয়া সৰ্বজনবিদিত। অসমীয়া সমাজতো নাৰীয়ে নিজৰ মৌলিক প্ৰয়োজনসমূহ লাভ কৰাৰ বাবে বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হোৱাৰ লগতে সংগ্ৰামো কৰিবলগীয়াত পৰিছিল। ঊনবিংশ শতিকাৰ নৱজাগৰণে সমগ্ৰ ভাৰতৰ সমাজ জীৱনলৈ আমূল পৰিৱৰ্তন আনিলে। নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কত সৰ্বত্ৰ আলোচনা, চৰ্চা আৰু পদক্ষেপ গ্ৰহণ কৰা দেখা পোৱা গ'ল। অসমতো বৃটিছৰ লগতে অহা মিছনেৰিসকলৰ প্ৰচেষ্টাত মহিলাসকলৰ শিক্ষা গ্ৰহণৰ বাবে বিদ্যালয় স্থাপন হ'বলৈ লৈছিল। কিছুমান প্ৰগতিশীল পুৰুষৰ লগতে কেইগৰাকীমান বিশেষ মহিলা ক্ৰমে ৰাজাবালা দাস, ইন্দিৰা মিৰি আদিয়ে নাৰীৰ সামাজিক আৰু শৈক্ষিক দিশৰ উন্নয়নত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

এই আলোচনা পত্ৰত ৰাজাবালা দাসে তেওঁৰ আত্মজীৱনী তিনিকুৰি দহবছৰৰ স্মৃতিত সমসাময়িক সমাজ জীৱনত নাৰীৰ স্থিতি কেনেকুৱা আছিল আৰু তেওঁ কিদৰে এই সকলো প্ৰত্যাহ্বান নেওচি কলিকতাত অধ্যয়ন কৰিবলৈ যোৱাৰ লগতে প্ৰথম অসমৰ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠাতা হৈছিল - সেয়া বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হ'ব। অধ্যয়নৰ পদ্ধতি হিচাপে বিষয় বিশ্লেষণ পদ্ধতি আৰু বৰ্ণনাত্মক পদ্ধতিৰ সহায় গ্ৰহণ কৰা হৈছে।

**বীজ শব্দ ঃ**

আত্মজীৱনী, তিনিকুৰি দহবছৰৰ স্মৃতি, সমাজ জীৱন, নাৰীৰ স্থিতি, নাৰী সৱলীকৰণ।

**০.০ প্ৰস্তাৱনা ঃ**

মানুহৰ জীৱনটো বিচিত্ৰ অভিজ্ঞতাৰ সমষ্টি। এই অভিজ্ঞতাক যেতিয়া কলাত্মক ৰসত সিক্ত কৰি নিজা ভাষাৰে সাহিত্য ৰূপ দিয়া হয় তেতিয়া ইয়াক 'আত্মজীৱনীমূলক ৰচনা' হিচাপে আখ্যা দিয়া হয়। পুৰুষ আৰু নাৰী উভয়ে নিজৰ নিজৰ সামৰ্থ্য, চিন্তা, অভিজ্ঞতাৰ ভিত্তিত জীৱনটো পৰ্যবেক্ষণ কৰে। গতিকে প্ৰত্যেকৰে ওচৰত লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত জীৱনটো সম্পৰ্কে দুটা কথা সকলোৰে লগত ভগাই ল'বলৈ তথ্য গোট খায়। অৱশ্যে এই তথ্য সকলোৱে ভগাই ল'বলৈ ইচ্ছা বা আগ্ৰহ প্ৰকাশ নকৰিবও পাৰে। কিন্তু যিসকলে এই আগ্ৰহ কৰে তেওঁলোকৰদ্বাৰা লিপিবদ্ধ অভিজ্ঞতাৰ সমষ্টিয়ে একোটা নিৰ্দিষ্ট সময়ৰ সমাজৰ ছবি সকলোৰে আগত দাঙি ধৰিবলৈ সক্ষম হয়।

সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়, দলগাঁও
দৰং, অসম-৭৮৪১১৬
৮৭২৪০৪১৮৫২
tamrapaliraj21@gmail.com

ঊনবিংশ শতিকাত অসমীয়া সাহিত্যত আত্মজীৱনী ৰচনাৰ আৰম্ভণি ঘটিছিল। *ৰচনাকালৰ ফালৰপৰা অসমীয়া সাহিত্যত প্ৰথম আত্মজীৱনী সোণামুৱাৰ সদৰামীন হৰকান্ত শৰ্মা মজুমদাৰ বৰুৱাৰ আত্মজীৱনী হ'লেও প্ৰকাশকালৰ দিশৰপৰা প্ৰথম অসমীয়া আত্মজীৱনী হ'ল লক্ষ্মীনাথ বেজবৰুৱাৰ মোৰ জীৱন সোঁৱৰণ।*[১]

ইয়াৰ ৰচনাকাল আছিল ১৯৪৪ চন। অসমীয়া ভাষাত প্ৰকাশ পোৱা দ্বিতীয়খন আত্মজীৱনী হ'ল পদ্মনাথ গোহাঞি বৰুৱাৰ মোৰ সোঁৱৰণী (১৯৭১)। ইয়াৰ পিছৰপৰা অসমীয়া সাহিত্যত আত্মজীৱনী ৰচনাৰ এক পৰম্পৰা আৰম্ভ হ'ল। অসমীয়া সাহিত্যত মহিলা ৰচিত প্ৰথম আত্মজীৱনী হ'ল ৰাজাবালা দাসৰ তিনিকুৰি দহবছৰৰ স্মৃতি। এইখন আত্মজীৱনী কেইবাটাও কাৰণত প্ৰাসংগিক। কাৰণ পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ অংশ হৈও সেই সমাজৰ সকলো পৰম্পৰাগত ৰক্ষণশীল নীতি-নিয়মক নিজৰ আত্মজীৱনীত লিপিবদ্ধ কৰি তেখেতে সমাজখনত সেইসময়ত থকা নাৰীৰ স্থিতিৰ এক অৱলোকন দাঙি ধৰিবলৈ প্ৰয়াস কৰিছিল।

গতিকে অসমত প্ৰথমখন মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰোঁতা ৰাজাবালা দাসৰ আত্মজীৱনীত সেইসময়ৰ অসমীয়া সমাজ জীৱনত নাৰীৰ সামাজিক আৰু শৈক্ষিক স্থিতি কিদৰে বৰ্ণিত হৈছে সেয়া আলোচনা পত্ৰত বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**০.১ অধ্যয়নৰ উদ্দেশ্য ঃ**

ঊনবিংশ শতিকাৰ পূৰ্বৰ অসমীয়া সমাজত মহিলাৰ সামাজিক আৰু শৈক্ষিক স্থিতি সম্পৰ্কে বিভিন্ন অধ্যয়ন হোৱা পৰিলক্ষিত হয় যদিও সেই সমাজৰে অংশীদাৰ হৈ বাস্তৱত বিভিন্ন অভিজ্ঞতাৰ সন্মুখীন হোৱা কোনো মহিলাৰদ্বাৰা ৰচিত আত্মজীৱনীত সেই সময়ৰ নাৰীৰ সামাজিক, শৈক্ষিক দিশৰ স্থিতিৰ বৰ্ণনা পূৰ্বতে পৰিলক্ষিত হোৱা নাছিল। গতিকে ৰাজাবালা দাসে তিনিকুৰি দহবছৰৰ স্মৃতি শীৰ্ষক আত্মজীৱনীত সেই সময়ৰ সমাজৰ অংশ হিচাপে নাৰীৰ স্থিতি কিদৰে পৰ্যবেক্ষণ কৰিছিল, তাক লৈ তেওঁৰ দৃষ্টিভংগী কেনেকুৱা আছিল সেয়া বিশ্লেষণ কৰাই এই অধ্যয়নৰ মূল উদ্দেশ্য।

**০.২ অধ্যয়নৰ গুৰুত্ব ঃ**

অসমত প্ৰাৰম্ভিক পৰ্যায়ত মহিলাৰ শিক্ষা তথা নাৰী সমবলীকৰণৰ ক্ষেত্ৰত বিশেষ উদ্যোগ গ্ৰহণ কৰাসকলৰ ভিতৰত অন্যতম হ'ল ৰাজাবালা দাস। গতিকে জীৱনৰ বিভিন্ন অভিজ্ঞতাৰে সমৃদ্ধ ৰাজাবালা দাসে আত্মজীৱনীত সেই সময়ৰ চিত্ৰণ যিদৰে কৰিছে সেয়াই জাতিটোৰ, সমাজখনৰ এক বিশেষ সময়কো প্ৰতিনিধিত্ব কৰে। গতিকে উল্লিখিত দিশৰপৰা এই অধ্যয়নৰ গুৰুত্ব আছে বুলি ক'ব পাৰি।

**০.৩ অধ্যয়নৰ পৰিসৰ ঃ**

ৰাজাবালা দাসৰ তিনিকুৰি দহবছৰৰ স্মৃতি শীৰ্ষক আত্মজীৱনীত সমকালীন অসমীয়া সমাজ জীৱনৰ প্ৰতিফলন- শীৰ্ষক অধ্যয়নৰ বাবে ৰাজাবালা দাসৰ আত্মজীৱনী তিনিকুৰি দহবছৰৰ স্মৃতিকে অধ্যয়নৰ পৰিসৰৰ ভিতৰত সামৰা হৈছে।

**০.৪ অধ্যয়নৰ পদ্ধতি ঃ**

**ক) বিষয় বিশ্লেষণ পদ্ধতি ঃ**

সাহিত্য পাঠ এটাৰ বিষয়বস্তু, গঠন আৰু কাৰ্যকাৰিতা সম্পৰ্কে সাহিত্য অধ্যয়নৰ এই পদ্ধতিত আলোচনা কৰা হয়। পাঠ এটিৰ সকলোধৰণৰ অৰ্থ অৰ্থাৎ আক্ষৰিক অৰ্থৰপৰা আৰম্ভ কৰি আভ্যন্তৰীণ অৰ্থ, প্ৰতীক, মূল্যবোধ সকলো অধ্যয়ন কৰা হয়। এই বিষয় বিশ্লেষণ পদ্ধতিৰ আধাৰত কৰ্ণফুলিৰ পাৰত' গ্ৰন্থখনৰ পদ্ধতিগত এক অধ্যয়ন কৰা হৈছে।

**খ) বৰ্ণনাত্মক পদ্ধতি ঃ**

এই পদ্ধতিৰ সহায়ত সাহিত্য পাঠটো ক'ত, কিদৰে, কেনেধৰণৰ পৰ্যবেক্ষণ, লিপিবদ্ধ, বিশ্লেষণ কৰিছে সেই সম্পৰ্কে অধ্যয়ন কৰা হ'ব।

**১.০ মূল আলোচনা প্ৰৱেশ ঃ**

আত্মজীৱনীখনৰ উদ্দেশ্য অংশতে ৰাজবালা দাসে উল্লেখ কৰিছে- *'লিখিকাৰ তিনি দহ বছৰজোৱা জীৱনকালত অসমীয়া নাৰী সমাজৰ প্ৰগতি আৰু পৰিৱৰ্তন সম্পৰ্কে এটা বাস্তৱ ছবি দাঙি ধৰা।'*[২]

লেখিকাৰ গ্ৰন্থখন প্ৰকাশ হৈ ওলাইছিল ১৯৭১ চনত। গতিকে তাৰে প্ৰায় তিনিকুৰি বছৰৰ আগতে অসমীয়া সমাজত নাৰীৰ সামাজিক আৰু শৈক্ষিক স্থিতি কেনেকুৱা আছিল তাৰ এক বাস্তৱ ছবি লেখিকাই আত্মজীৱনীখনৰ মাজেদি প্ৰকাশ কৰিব বিচাৰিছে। তলত একাদিক্ৰমে সেয়া আলোকপাত কৰা হ'ল -

**(গ) নাৰীৰ শৈক্ষিক স্থিতি ঃ**

স্বাধীনতা পূৰ্বকালীন ভাৰতীয় সমাজৰ সকলো ঠাইতে সকলো স্তৰৰ সকলো নাৰীয়ে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ৰক্ষণশীল চিন্তা-আদৰ্শৰ লগতে অন্যান্য বহু সমস্যাৰ, সংগ্ৰামৰ সন্মুখীন হ'বলগীয়া হৈছিল। ছোৱালীক পঢ়া-শুনাৰ

জৰিয়তে শিক্ষিত কৰাৰ সলনি ঘৰুৱা কাম-বনত পাৰ্গত কৰি তুলিলেহে ছোৱালীৰ শিক্ষা সম্পূৰ্ণ হোৱা বুলি সমাজে সেই সময়ত বিশ্বাস কৰিছিল। পঢ়া-শুনা কৰিবলৈ বিচৰা ছোৱালীয়ে সমাজৰপৰা উৎসাহ পোৱাৰ সলনি সমালোচনাৰহে সন্মুখীন হৈছিল। দুই-এক পৰিয়ালে ছোৱালীক একেবাৰে নিৰক্ষৰ কৰি ৰখাতকৈ দুটামান শ্ৰেণীলৈকে পঢ়োৱাৰ পক্ষপাতী আছিল যদিও সমাজৰ ভয়ত তেওঁলোকে সেয়াও কৰিবলৈ সাহস কৰিব পৰা নাছিল। ডিব্ৰুগড়ত ১৯১৮ চনত প্ৰথমবাৰৰ বাবে ছোৱালীৰ কাৰণে চৰকাৰী ছোৱালী হাইস্কুল বিদ্যালয় খোলাৰ কথা লেখিকাই প্ৰসংগক্ৰমে উল্লেখ কৰিছে। কিন্তু খোজকাঢ়ি, আলিবাটেৰে তেনে বিদ্যালয়লৈ যোৱাটো সমাজৰ সম্ভ্ৰান্ত বহু পৰিয়ালৰ লগতে লেখিকাৰ নিজৰ পৰিয়ালে যে ভাল পোৱা নাছিল সেয়া তেওঁ গ্ৰন্থখনত স্বীকাৰ কৰিছে। তেওঁলোকে ঘৰুৱা কামত ছোৱালীক পাৰ্গত কৰাতহে বিশেষ গুৰুত্ব দিছিল- *"ভাল শিপিনী আৰু ভাল গৃহিণীৰ কামত অৰ্হতা লাভ কৰিলেই পাত্ৰী হিচাপে ছোৱালীৰ গুণ বাঢ়ে বুলি পিতৃ-মাতৃয়েও বিশ্বাস কৰিছিল।"*[৩]

উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত সেইসময়ৰ মহিলাই যিবিলাক প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়াত পৰিছিল তাকো লেখিকাই ইয়াত বিতংভাৱে উল্লেখ কৰিছে। সেইসময়ত ছোৱালীয়ে স্কুললৈ পঢ়িবলৈ যোৱাটোৱে যে সমাজৰ চকুত নিন্দনীয় আছিল সেয়া পূৰ্বতেই উল্লেখ কৰা হৈছে। গতিকে উচ্চ শিক্ষাৰ কাৰণে কলিকতালৈ কোনো ছোৱালী যোৱাতো সমাজখনৰ বাবে সেইসময়ত এক ভাবিব নোৱৰা কথা আছিল। নিজৰ আশে-পাশে পঢ়িবলৈ অসমৰ বাহিৰলৈ যোৱা ছাত্ৰীসকলৰ প্ৰতি সমাজখনৰ ধাৰণা দেখি লেখিকাই নিজকে সমাজৰ চকুত সেই অৱজ্ঞাৰ দৃষ্টি চাব বিচৰা নাছিল। গতিকে ককায়েকৰ লগত কলকাতালৈ পঢ়িবলৈ যোৱা লেখিকাই সমাজৰ উপলুঙা দৃষ্টি সহিব নোৱাৰি গৰম বন্ধৰ পিছত পঢ়া আধৰুৱা কৰি ঘৰলৈ উভটি অহাৰ কথা গ্ৰন্থখনত স্বীকাৰ কৰিছে এনেদৰে, "বাইদেউহঁতকো (পেহীদেউৰ জীয়েক) স্কুলত পঢ়া দেখি আমাৰ সমাজৰ মানুহে তেওঁবিলাকক উপলুঙাৰ চকুৰে চাইছিল। মোকো অসমত তেনেকৈ ভাবিলে মোৰ খুব বেয়া লাগিব। মোৰ কথা মই ৰাখিলো। বন্ধৰ পিছত মই আৰু কলিকতাত পঢ়িবলৈ ন'গলো।" (৯ পৃ.)

অন্য ছোৱালীৰ দৰে লেখিকাৰো এটা সময়ত ঘৰত বিয়াৰ কথা বতৰা চলিবলৈ আৰম্ভ কৰিছিল। কিন্তু তেওঁৰ বিয়াক লৈ পৰিয়াৰে মাজতে বিভিন্ন মতানৈক্য হোৱা দেখা পাই ৰাজাবালা দাসে পুনৰ পঢ়া-শুনা কৰাৰ কথা ভাবিলে। কিন্তু কলিকতালৈ পুনৰ যাবলৈ তেওঁ পৰিয়ালৰপৰা সন্মতি পোৱা নাছিল। ঘৰতে তেওঁ ভিনিয়েক বিষ্ণুপ্ৰসাদ দুৱৰা আৰু জ্যেষ্ঠ ভ্ৰাতৃ ডাক্তৰ লক্ষ্মী প্ৰসাদ চলিহাদেৱৰ সহযোগত অধ্যয়ন কৰিবলগা হৈছিল। ভাৰতৰ বাহিততো বাদেই, অসমৰ সীমামূৰীয়া ৰাজ্যতো উচ্চ শিক্ষা লাভ কৰিবলৈ যাবলৈ অসমৰ ছাত্ৰসকলেই য'ত বিভিন্ন গালি, বাধাৰ সন্মুখীন হ'বলগীয়াত পৰিছিল তাত মহিলাৰ বাবে এই বাধা অতিক্ৰম কৰা আৰু অধিক যে জটিল আছিল সেয়া লেখিকাৰ বৰ্ণনাৰ পৰাই উমান পাব পাৰি। উদাহৰণস্বৰূপে ৰাজাবালা দাস আৰু তেওঁৰ ভনীয়েকে প্ৰথম অৱস্থাত কলিকতাৰ বেথুনত স্থান লাভ কৰা নাছিল। যাৰ বাবে তেওঁলোকে বিহাৰৰ গিৰিধি ছোৱালী স্কুলত নামভৰ্তি কৰিব লগা হ'ল। তেওঁলোক পঢ়িবলৈ বুলি বিহাৰলৈ যাবলৈ ওলোৱাৰ খবৰ পোৱাৰ লগে লগে গোটেই সমাজখনে এই কথাটো লৈ কিদৰে ইচ্ আস কৰিছিল সেয়া লেখিকাৰ স্মৃতিপটত গভীৰভাৱে খোদিত হৈ আছিল। 'মাক-বাপেকহাল নিশ্চয় বলিয়া হৈছে' জাতীয় মন্তব্য কৰাৰ কথাও লেখিকাই শুনা বুলি প্ৰসংগক্ৰমে উল্লেখ কৰিছে। বিহাৰৰ গিৰিধি হাইস্কুলত এটা বছৰ শিক্ষাগ্ৰহণ কৰাৰ পিছত ৰাজাবালা দাসে ১৯১৫ চনত কলিকতাৰ বেথুনৰপৰা প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষা পাছ কৰে। এনেদৰে অসমৰ বাহিৰত আহি শিক্ষা গ্ৰহণ কৰি সফলতা লাভ কৰা বাবে অসম চৰকাৰৰ ফালৰ পৰা তেওঁক বিশ টকাৰ বৃত্তিও প্ৰদান কৰা হৈছিল। ৰাজাবালা দাসৰ ভগ্নীয়েও ইয়াৰ পৰাই মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল।

ৰাজাবালা দাসে পৰীক্ষাত দেখুওৱা সফলতাই অসমত থকা অভিভাৱক সকলৰ মনতো তেওঁলোকৰ ছোৱালী সন্তানক বাহিৰলৈ পঢ়িবলৈ পঠোৱা চিন্তাই লাহে লাহে ক্ৰিয়া কৰিব ধৰা বুলি লেখিকাই উল্লেখ কৰিছে। অৱশ্যে ৰাজাবালা দাসৰ আগতে দুই-এগৰাকী ছাত্ৰী কলিকতালৈ পঢ়িবলৈ নোযোৱা নহয়। ইয়াৰ ভিতৰত লেখিকাই উল্লেখ কৰা অনুসৰি গুণাভিৰাম বৰুৱাৰ দুই জিয়ৰী গৌৰীপ্ৰভা আৰু শশীপ্ৰভাই গিৰিধৰ স্কুলত পঢ়িবলৈ গৈছিল। গৌৰীপ্ৰভাই বি.এ পাছ কৰি ডিব্ৰুগড়ৰ ছোৱালী হাইস্কুলত সহকাৰী শিক্ষয়িত্ৰী হিচাপে শিক্ষক জীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত এই বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী হিচাপে পদত নিযুক্ত হৈছিল। মন কৰিবলগীয়া যে অসমৰ প্ৰথম মহিলা স্নাতক সুখলতা

দুৱৰা আৰু সুধালতা দুৱৰা ৰাজাবালা দাসতকৈ এক শ্ৰেণীৰ ওপৰত পঢ়ি আছিল। এনেদৰে বাহিৰত অধ্যয়ন কৰিবলৈ গৈ মেধাৰ পৰিচয় দিয়া ছাত্ৰীসকলৰ বাতৰিয়ে গোলাঘাট, যোৰহাটৰ বহু যুৱতীক বেথুন স্কুলত শিক্ষা গ্ৰহণৰ বাবে যাবলৈ উৎসাহিত কৰিছিল।

**সামাজিক স্থিতি ঃ**

**ক) বাল্য বিবাহৰ প্ৰচলন ঃ**

সেইসময়ত সমাজত ছোৱালীৰ কন্যাকাল প্ৰাপ্ত হোৱা মানেই বিয়া দিয়াৰ উপযুক্ত হোৱা বুলি গণ্য কৰা হৈছিল। প্ৰস্তুতিও সেই অনুসৰি চলোৱা হৈছিল। অৱশ্যে বামুণৰ ছোৱালীৰ কন্যাকাল হোৱাৰ পূৰ্বতে 'ধৰম বিয়া' হোৱাৰ নিয়ম। এনে নহ'লে ছোৱালীৰ পৰিয়াল সমাজৰপৰা এঘৰীয়া কৰাৰ নিয়ম প্ৰচলিত আছিল। গতিকে কন্যাকাল হোৱাৰ বহু পূৰ্বে ব্ৰাহ্মণ সম্প্ৰদায়ৰ ছোৱালীবোৰক বিয়া দিয়াৰ যো-জা কৰা হৈছিল সেয়া লাগিলে আদহীয়া অথবা বৃদ্ধই নহওঁক কিয়, এনে কাৰণতে বহুতে অকাল বৈধব্যৰ যন্ত্ৰণা ভোগ কৰিবলগাত পৰিছিল। কন্যাকাল প্ৰাপ্ত হোৱাৰ পিছত প্ৰতিগৰাকী ছোৱালীৰ জীৱন কঠোৰ নিয়ম-শাসনৰ মাজক আৱদ্ধ হৈ পৰে। ছোৱালীবিলাকেও বিনা প্ৰতিবাদে সকলোবিলাক নিয়ম বিনা চৰ্তে মানি ল'বলৈ বাধ্য হৈছিল। তেওঁলোকৰ ওচৰত প্ৰতিবাদ কৰিবলৈ, প্ৰশ্ন কৰিবলৈ কোনোধৰণৰ অৱকাশে ৰখা নহৈছিল।

বিয়াৰ বাবে ছোৱালীৰ বাবে শিক্ষিত হোৱাৰ সলনি সেইসময়ৰ সমাজত তাঁত সূতা বব জনাটো বাধ্যতামূলক আছিল। তাঁত বব নাজানিলে ছোৱালীৰ বিয়া হোৱাই কঠিন আছিল। বিয়াৰ পূৰ্বতে ঘৰতে মাকৰপৰা ছোৱালী এজনীয়ে তাঁত বোৱাৰপৰা ঘৰুৱা অন্য সকলো কাম শিকি ল'বলগীয়াত পৰিছিল। ১৯২৬ চনত 'অসম মহিলা সমিতি' প্ৰতিষ্ঠা কৰা হৈছিল। এই সমিতিয়ে অসমত 'সাৰদা বিল' কাৰ্যকৰী কৰা তথা 'বাল্য বিবাহ' প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাই কিদৰে অসমৰ সমাজ জীৱনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল সেয়া ৰাজাবালা দাসে আত্মজীৱনীত বিস্তৃতভাৱে উল্লেখ আছে।

**খ) ৰাজহুৱা স্থানত ওলোৱা-সোমোৱাৰ ক্ষেত্ৰত থকা বাধ্যবাধকতা ঃ**

লেখিকাই আত্মজীৱনীত উল্লেখ কৰা অনুসৰি সৰুৰেপৰা ছোৱালী এজনীয়ে কঠোৰ শাসনৰ মাজত ডাঙৰ-দীঘল হ'বলগীয়া হৈছিল। ছয়-সাত বছৰ বয়সলৈকে ছোৱালীয়ে স্ব-ইচ্ছাত মুকলিমূৰীয়াকৈ উমলি-জামলি ঘূৰি ফুৰিব পৰাৰ স্বাধীনতা আছিল। ঘৰৰ পিছফালৰ চোতাল বা সন্মুখৰ পদূলিলৈকে যোৱাতো কোনো বাধা-নিষেধ নাছিল। কিন্তু ছোৱালী এজনীয়ে যেতিয়া কন্যাকাল প্ৰাপ্ত হয় তেতিয়া তাইৰ স্বাধীনতা সম্পূৰ্ণৰূপে লোপ পায়। ৰাজহুৱা ক্ষেত্ৰত মুকলিকৈ অহা-যোৱাৰ ক্ষেত্ৰত মহিলাসকলৰ বাবে সেইসময়ত কঠোৰ নিয়ম সমাজে বলৱৎ কৰিছিল।

তিৰোতাসকলে আত্মীয়-স্বজনৰ বিয়া-বাৰু বা ফুৰিবলৈ গ'লে তেওঁলোকে চৈ দিয়া গৰু গাড়ী বা চাৰিওফালৰপৰা বন্ধ ঘোঁৰা গাড়ীতহে যাব পাৰিছিল। খোজকাঢ়ি ওচৰ-চুবুৰীয়াৰ ঘৰলৈ যাবলগীয়া হ'লেও বৰজাপিৰ তলতহে তেওঁলোক গৈছিল -

"মানুহ এজনে বৰ জাপিটো কাষে কাষে ধৰি যায়, তাৰ ওচৰে ওচৰে তিৰোতাসকলে খোজকাঢ়ি যায়। একেলগে দুই বা তিনিগৰাকীমান তিৰোতাহে যাব পাৰিছিল।"

ভাৰতৰ সকলো স্থানতে নাৰীৰ ওপৰত সেইসময়ত একেধৰণৰ বাধা নিষেধ থকাৰ কথা লেখিকাই গ্ৰন্থত দিয়া বেথোন স্কুলৰ শাসন প্ৰণালীৰপৰাই ল'ব পাৰি। লেখিকাই উল্লেখ কৰিছে এনেদৰে, "স্কুলত বাহিৰৰ বাৰাণ্ডাত ছোৱালীক ওলাই যাবলৈ দিয়া নহৈছিল। স্কুলত ছাত্ৰীসকলক অনা নিয়া কৰিবলৈ চাৰিখন ডাঙৰ ডাঙৰ বাছ আছিল যিবিলাক ঘোঁৰাৰে টনা হৈছিল। বন্ধ দিনত হোষ্টেলৰ ছোৱালীবিলাকক এই বাটেদিয়ে বিভিন্ন ঠাইলৈ ফুৰাবলৈ নিয়াৰ ব্যৱস্থা কৰা হৈছিল।"

ৰাজাবালা দাসে পৰৱৰ্তী সময়ত শিক্ষা গ্ৰহণ কৰা ডাৱচেচ কলেজৰ নিয়ম-নীতি কিছু শিথিল আছিল। তিনি-চাৰিজনী ছোৱালী মিলি তেওঁলোকে বজাৰ কৰিবলৈ যাবলৈ পাৰিছিল। অৱশ্যে সন্ধিয়াৰ আগে আগে তেওঁলোক ঘূৰি আহিব লাগিছিল।

বাহিৰলৈ ওলাই যোৱাৰ ক্ষেত্ৰত বাধা থকাৰ দৰে কোনোধৰণৰ ৰাজহুৱা অনুষ্ঠানত পুৰুষৰ সমানে মহিলাৰ অংশগ্ৰহণতো সেইসময়ত সমগ্ৰ ভাৰততে যথেষ্ট কঠোৰ নিয়ম আছিল। কলিকতাত অধ্যয়নত অসমীয়া ছাত্ৰসকলে এটি ক্লাব গঠন কৰি ধ্যান-ধাৰণা, ভাব বিনিময়ৰ এক মাধ্যম সৃষ্টি কৰিবৰ প্ৰয়াস কৰিছিল। তেওঁলোকে এই অনুষ্ঠানলৈ কলিকতাত সেইসময়ত অধ্যয়নত ছাত্ৰীসকলকো নিমন্ত্ৰণ কৰিছিল। কিন্তু তেওঁলোকে পাৰিবাৰিক বাধাৰ বাবে সেই মিটিঙত অংশগ্ৰহণ কৰিব পৰা নাছিল। ক'বলৈ গ'লে

বৌদ্ধিক ক্ষেত্ৰত মহিলাসকলক ভাবৰ আদান-প্ৰদান কৰাৰ পৰা একপ্ৰকাৰ বিৰত ৰখা হৈছিল।

**গ) বিধৱাসকলৰ জীৱন যন্ত্ৰণা ঃ**

লেখিকাই সেই সময়ত বিধৱাসকলৰ জীৱনৰ যি বিষাদ-যন্ত্ৰণা সেয়াও নিজৰ চাৰিওকাষৰ অভিজ্ঞতাৰ আধাৰত প্ৰসংগক্ৰমে গ্ৰন্থখনত উল্লেখ কৰিছে। স্বামীৰ বিয়োগৰ পিছত বিধৱা এগৰাকীয়ে উকা বস্ত্ৰ পৰিধান, নিৰামিষ আহাৰ গ্ৰহণ, দিনটোত মাত্ৰ এবাৰ আহাৰ গ্ৰহণ, ব্ৰত পালন আদি বিভিন্ন কঠোৰ নিয়ম পালন কৰিবলগা হৈছিল। লেখিকাই আত্মজীৱনীত সেয়া উল্লেখ কৰিছে এনেদৰে, "বামুণৰ বিধৱাৰ কি যে যন্ত্ৰণা। বিধৱা হোৱাৰ দিনৰেপৰা ছোৱালীয়ে নিজৰ সুখ-সম্ভোগ, ভৱিষ্যত জীৱনৰ আশা-আকাংক্ষা সকলো বিসৰ্জন দিব লগাত পৰে। বামুণৰ বিধবাই উকা বস্ত্ৰ পৰিধান, নিৰামিষ আহাৰ, এক সন্ধ্যা ভোজন ব্ৰত মানিবলৈ বাধ্য হৈ পৰে।" (২০ পৃ.)

স্বামীৰ মৃত্যুৰ পিছত বিধৱাসকলৰ নাৰী হিচাপে, নিজৰ জীৱন বুলি কোনোধৰণৰ আশা-আকাংক্ষা থকাৰ কথা সেইসময়ৰ সমাজখনে কল্পনাও কৰিব পৰা নাছিল। কোনো নাৰী যদি বিধৱা হোৱাৰ পিছত দুৰ্ভাগ্যবশতঃ স্বামীৰ ঘৰত থাকিব লগা হয় তেন্তে স্বামীৰ পৰিয়ালবৰ্গই বিধৱাগৰাকীৰ ওপৰত কেনে অবৰ্ণনীয় অত্যাচাৰ চলায় সেয়া লেখিকাই নিজৰ ওচৰ-চুবুৰীয়াৰ কন্যাৰ ক্ষেত্ৰতে ওচৰৰপৰা প্ৰত্যক্ষ কৰা বুলি গ্ৰন্থত উল্লেখ কৰিছে।

**ঘ) স্বাধীনতা, অসহযোগ আন্দোলনত অংশগ্ৰহণ ঃ**

অন্য কোনো সভা-সমিতিত পুৰুষৰ সমানে অংশগ্ৰহণৰ ক্ষেত্ৰত পাৰিবাৰিক বা সামাজিকভাৱে বাধা আৰোপ কৰিলেও স্বাধীনতা আন্দোলনৰ সময়ছোৱাত মহিলাৰ অংশগ্ৰহণৰ ক্ষেত্ৰত লেখিকাই কোনোধৰণৰ বাধা নিষেধাজ্ঞা আৰোপ কৰা প্ৰত্যক্ষ কৰা নাছিল। ১৯২১ চনত অসহযোগ আন্দোলনৰ সময়ত ভাৰতৰ অন্যান্য প্ৰান্তৰ মহিলাৰ দৰে কলিকতাত অধ্যয়নত অসমীয়া মহিলাই কিদৰে অংশগ্ৰহণ কৰি নিজৰ বৰঙণি যোগাইছিল তাৰ আভাস লেখিকাৰ গ্ৰন্থখনৰ মাজেদি পোৱা যায়। কাৰণ এই আন্দোলনৰ কাম-কাজৰ খতিয়ান ল'বলৈ মহাত্মা গান্ধী কলিকতালৈ আহি বিখ্যাত বেৰিষ্টাৰ চিত্তৰঞ্জন দাসৰ ঘৰত আলহী হিচাপে আছিল। গান্ধী অহা গম পাই কলিকতাৰ অসমীয়া ছাত্ৰীসকল তেওঁক সাক্ষাৎ কৰিবলৈ গৈছিল। তেওঁ ছাত্ৰীসকলক স্কুল-কলেজৰ কাম-কাজক সাময়িকভাৱে অসহযোগ কৰি দেশৰ স্বাধীনতা যুঁজত আত্মসমৰ্পণ কৰিবলৈ উপদেশ দিছিল। চিত্তৰঞ্জনৰ ঘৰত হোৱা মহিলাৰ সভাত গান্ধীয়ে চিত্তৰঞ্জন দাসৰ সৰু জীয়েকক ওচৰলৈ মাতি উপস্থিত সকলো মহিলাৰ আগত নিজৰ আ-অলংকাৰ স্বৰাজ যজ্ঞৰ কাৰণে আহুতি দিবৰ বাবে আহ্বান জনাইছিল। সেইদিনা সভাত উপস্থিত থকা বহু মহিলা-যুৱতীৰপৰা কিছু গহণা গোট খোৱা বুলি লেখিকাই উল্লেখ কৰিছে" (৩৫ পৃ.)

মহাত্মা গান্ধী ডিব্ৰুগড়লৈ আহোঁতে ৰাজাবালা দাস ডিব্ৰুগড়ত নিজ গৃহতে আছিল। মহাত্মা গান্ধী অসমলৈ আহিব বুলি জানি তেওঁলোকে কলিকতাৰপৰা আহি এই সভাত অংশগ্ৰহণ কৰিছিল। গান্ধীৰ লগত সেইসময়ত মহম্মদ আলি আৰু চৌকত আলিও আহিছিল। ৰাজাবালা দাসে প্ৰত্যক্ষ কৰা অনুসৰি ডিব্ৰুগড়ৰ এই ৰাজহুৱা সভাত মহিলাৰ সেই অংশগ্ৰহণ সমগ্ৰ অসমৰ ভিতৰতে প্ৰথম আছিল- "সিদিনা মহাত্মাৰ ৰাজহুৱা সভা ডিব্ৰগড়ৰ আহ্বান কৰা হৈছিল মোৰ মনত আছে, ঘৰৰ গৃহস্থসকলে গৃহিণীসকলক মহাত্মাৰ মিটিঙত যোগদান দিবলৈ বাধা দিয়া নাছিল। সেয়াই বোধকৰোঁ প্ৰথম আমাৰ দেশত তিৰোতাসকলে ৰাজহুৱা সভাত যোগদান কৰিবলৈ সুযোগ লাভ কৰিছিল।" (৪১পৃ.)

মহাত্মা গান্ধীয়ে সকলোৰে আগত কলিকতাৰপৰা বি.এ পাছ কৰি অসহযোগ আন্দোলনত অংশগ্ৰহণ কৰিবলৈ অহা দেখি সকলোকে এই আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। মহাত্মা যোৱাৰ পিছত ডিব্ৰুগড়ত কংগ্ৰেছ কমিটি গঠন হৈছিল। মহিলা শাখাৰ সম্পাদিকা হিচাপে ৰাজাবালা দাসক নিযুক্তি দিয়া হৈছিল। তেখেতে চহৰ-গাঁৱে ঘূৰি সকলো মহিলাক অসহযোগ আন্দোলন সম্পৰ্কে সজাগ আৰু অংশগ্ৰহণৰ বাবে ওলাই অনাৰ দায়িত্বভাৰ চম্ভালিব লগাত পৰিছিল। ৰাজাবালা দাসে ঘোঁৰা গাড়ীত উঠি মেলে মিটিঙে অংশগ্ৰহণ কৰিছিল। এনেদৰে মিটিঙ কৰি ঘূৰি ফুৰাৰ ক্ষেত্ৰত তেওঁৰ পিতৃ-মাতৃ বৰ বেছি সুখী নহ'লেও জ্যেষ্ঠ ভ্ৰাতৃৰ সহযোগত তেখেতে এই কাৰ্যত মনোনিৱেশ কৰিব পাৰিছিল। গাড়ী চালকৰ উপৰি অৱশ্যে অন্য মহিলা দুই-এগৰাকীও মাজে সময়ে এনে সভাত তেওঁৰ লগত গৈছিল। আন্দোলনৰ কাম-কাজৰ বুজ ল'বলৈ মদন মোহন মালব্যজী ডিব্ৰুগড়লৈ আহোঁতে মহিলাৰ হৈ এক ভাষণ প্ৰদান কৰিবৰ বাবে ৰাজাবালা দাসক দায়িত্ব দিয়া হৈছিল। মালব্যজীয়ে ৰাজাবালাৰ বক্তৃতাত মুগ্ধ হৈ তেওঁক উচ্চ শিক্ষাৰ বাবে বেণাৰস হিন্দু বিশ্ববিদ্যালয়ত অধ্যয়নৰ বাবে আৰু এক

কামৰো ব্যৱস্থা কৰি দিছিল। কিন্তু ৰাজাবালাৰ পিতৃ-মাতৃ এই বিষয়ত ঘোৰ বিৰোধী আছিল। তেওঁলোকে তাৰ সলনি ৰাজাবালাৰ বিয়াৰ দিশটোকহে অধিক গুৰুত্ব দিছিল। অসহযোগ আন্দোলন আৰু মহাত্মা গান্ধীৰ নেতৃত্বৰ প্ৰভাৱত অসমত মহিলাসকলে পুৰুষৰ সমানে কেৱল ৰাজহুৱা সভাতে অংশগ্ৰহণ কৰিবলৈ ওলাই অহা নাছিল তেওঁলোকে নিজা উদ্যোগত ঘৰৰ বাহিৰত কাম কৰিবলৈও আগবাঢ়ি আহিবলৈ সক্ষম হৈছিল। গান্ধীৰ আদৰ্শক শিৰোগত কৰি ডিব্ৰুগড়ৰ আমোলাপট্টিত তিৰোতাসকলৰ মাজত এটা সূতা কটা কাপোৰ বোৱা কেন্দ্ৰ খোলা হৈছিল। যিটো ঘৰত সেই কেন্দ্ৰটো খোলা হৈছিল সেয়া বিনা পাৰিশ্ৰমিকত ডিব্ৰুগড়ৰ গোলাপ দুৱৰাই দান কৰিছিল। দুপৰীয়া খাই-বৈ উঠি তিৰোতাসকলে তাত লাহে লাহে সূতা কাটিবলৈ আহিবলৈ ল'লে। ইয়াৰ ফলশ্ৰুতিত ডিব্ৰুগড়ত কেইবাটাও সূতা কটা কেন্দ্ৰ খোলা হৈছিল। এনে অংশগ্ৰহণে তেওঁলোকক দলীয় ৰূপত কোনো কামত অংশগ্ৰহণ কৰাৰ, নেতৃত্ব প্ৰদান আদি বিভিন্ন বিষয়ত নতুন অভিজ্ঞতাৰে সমৃদ্ধ কৰিছিল বুলি ক'ব পাৰি। পৰৱৰ্তী সময়ত ৰাজাবালা দাস ভাৰতৰ স্বাধীনতা আন্দোলনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। ঘৰৰ বিৰোধিতাৰ পিছতো তেখেতে ১৯২৩ চনত গয়াত অনুষ্ঠিত হোৱা কংগ্ৰেছৰ সভাত অসমৰ মহিলা প্ৰতিনিধি হিচাপে যোগদান কৰিছিল।

**ঙ) দৃঢ়তাৰে নিজা মত প্ৰকাশ ঃ**

শিক্ষাৰ অধিকাৰ লাভ তথা মুকলিকৈ চলন-ফুৰণৰ ক্ষেত্ৰতে যি সময়ত প্ৰতিগৰাকী নাৰীয়ে সংগ্ৰাম কৰিবলগীয়া হৈছিল সেইসময়ত নিজৰ ইচ্ছা-অনিচ্ছাৰ কথা আন দহজনৰ আগত দৃঢ়তাৰে প্ৰকাশ কৰাটো এক অসাধাৰণ কথাই আছিল। ৰাজাবালা দাসে খ্ৰীষ্টান ধৰ্মত শৰণ ল'বলৈ প্ৰত্যাখ্যান কৰি এইক্ষেত্ৰত নিজৰ সবল ব্যক্তিত্ব পৰিচয় দিবলৈ সক্ষম হৈছিল। মিছনেৰীসকলে যিহেতু খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰাকে মূল উদ্দেশ্য হিচাপে লৈ ভাৰতত প্ৰৱেশ কৰিছিল গতিকে য'তে সুবিধা পায় তাতে তেওঁলোকে মানুহক খ্ৰীষ্টান ধৰ্মত দীক্ষিত কৰিবলৈ প্ৰয়াস কৰিছিল। অধ্যয়নৰ সময়ত বেথুন স্কুলৰ চিষ্টাৰ আইৰিণীয়ে ৰাজাবালা দাসক খ্ৰীষ্টান ধৰ্মত শৰণ ল'বলৈ আহবান জনাইছিল। কিন্তু ৰাজাবালা দাসে কোনোধৰণৰ ভয়-ভীত নোহোৱাকৈ যি ধৰণে চিষ্টাৰ আইৰিণীৰ প্ৰস্তাৱক সাদৰৰে নাকচ কৰিছিল সেয়াই শিক্ষাৰ জৰিয়তে ৰাজাবালাৰ মনত সৃষ্টি হোৱা আত্মবিশ্বাসৰ কথাকে সূচায়।

ৰাজাবালা দাসৰ নিৰ্ভীক মনটোৰ পৰিচয় আন এটা ঘটনাৰপৰা পাব পাৰি। অসহযোগ আন্দোলনৰ সময়ত বিভিন্নজনৰ লগতে ৰাজাবালাৰ ভ্ৰাতৃ ৰজনীকান্ত বৰুৱাও অন্যতম আছিল। আন্দোলনকাৰী হিচাপে ৰজনীকান্ত বৰুৱাই কাৰাবাসো খাটিব লগা হৈছিল। এই সন্দৰ্ভতে এদিন ৰাতিপুৱাতে ৰাজাবালাৰ পিতৃ নথকা অৱস্থাত পুলিচ আহি তালাচী কৰিবলৈ বিচৰাত ৰাজাবালা দাসে সাহসেৰে পুলিচৰ সন্মুখত থিয় হৈ ডাৰোগাক ঘৰৰ ভিতৰলৈ সোমোৱাৰপৰা ওভটাই পঠাইছিল।

কিন্তু কিছুমান ক্ষেত্ৰত থকা নিজৰ দুৰ্বলতা ৰাজাবালা দাসে আত্মজীৱনীত নিজে উল্লেখ কৰিছে। কংগ্ৰেছ কমিটিৰ মহিলা শাখাৰ সম্পাদিকা হিচাপে দায়িত্ব লৈ কাম কৰি থাকোঁতে বিভিন্ন সভাত অস্পৃশ্যতা বৰ্জন সম্পৰ্কীয় বিষয়তো তেওঁলোকে বক্তৃতা দিবলগীয়া হৈছিল। কিন্তু এনে সভাসমূহত বক্তৃতা দিয়াৰ সময়ত ৰাজাবালা দাসে সদায়ে এক অস্বস্তিত ভুগিছিল। কাৰণ অস্পৃশ্যতা বিষয়ত চিন্তাৰ গভীৰতা যে তেওঁৰ সংকীৰ্ণ আছিল সেয়া তেওঁ নিজে স্বীকাৰ কৰিছে- "..সেই সময়ত মোৰ মনৰ অৱস্থা কেনেকুৱা হৈছিল মইহে বুজিছিলো। মই নিজেই সেই সময়ত সেই বিষয়ে উদাৰ হ'ব পৰা নাছিলো।" (৩৮ পৃ.)

**চ) অসম মহিলা সমিতি গঠন ঃ**

কেইগৰাকীমান সক্ৰিয় অসমীয়া মহিলাৰ উদ্যোগত ১৯২৬ চনত অসম মহিলা সমিতি প্ৰতিষ্ঠা কৰা হৈছিল। এইক্ষেত্ৰত দুৰ্গাপ্ৰভা বৰা, চন্দপ্ৰভা বৰুৱা, স্বৰ্ণলতা শইকীয়া, শশীপ্ৰভা হাজৰিকা আদিয়ে এইক্ষেত্ৰত লোৱা নেতৃত্বক ৰাজাবালা দাসে আত্মজীৱনীত বিশেষভাৱে উল্লেখ কৰিছে। এই সমিতিৰ কাৰ্যভাৰ চম্ভালিবলৈ অন্য বিষয়ববীয়াৰ লগতে ৰাজাবালা দাসকো সম্পাদিকাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। এই সমিতিৰদ্বাৰা বহুতো উন্নয়নমুখী কাম সমাপণ কৰা হৈছিল। মহিলাসকলৰ বাবে সূতা কটা, তাঁত বোৱা আদিৰ ব্যৱস্থা এই সমিতিৰদ্বাৰা কৰোৱা হৈছিল।

কটন কলেজত প্ৰাৰম্ভিক অৱস্থাত ছোৱালীৰ বাবে হোষ্টেলৰ ব্যৱস্থা নাছিল। উজনি অসমৰ বহু কেইগৰাকী ছাত্ৰীয়ে পঢ়িবলৈ আহি কলেজ কৰ্তৃপক্ষক থকাৰ অসুবিধাৰ কথা জনোৱাত তেওঁলোকে এইক্ষেত্ৰত কোনো সহায় কৰিব নোৱাৰো বুলি কৈছিল। তেতিয়া ছাত্ৰীকেইগৰাকীয়ে মহিলা সমিতিৰ কাষ চপাত সমিতিৰি সদস্যসকলে আগভাগ লৈ সমিতিৰ সভানেত্ৰীৰ বাসভৱনত সেই ছোৱালীকেইগৰাকীক ৰাখিবৰ কাৰণে হোষ্টেলৰ ব্যৱস্থা কৰি দিছিল।

অসমৰ মহিলা সমিতিয়ে সাৰদা আইনৰ সপক্ষে থিয় হৈ অসমতো চৈধ্য বছৰৰ পূৰ্বে ছোৱালীৰ বিয়া নোহোৱাৰ নিয়মক কাৰ্যকৰী কৰিবলৈ সজোৰে এক আন্দোলন গঢ়ি তুলিছিল আৰু সফলো হৈছিল। ৰাজাবালা দাস সমিতিত থাকোঁতেই তেওঁলোকে গুৱাহাটীত এখন বিয়া 'সাৰদা আইন'ৰ ভয় দেখুৱাই কিদৰে বন্ধ কৰিবলৈ সক্ষম হৈছিল সেয়া আত্মজীৱনীত লেখিকাই গুৰুত্বসহকাৰে উল্লেখ কৰিছে। লেখিকাই বৰ্ণনা কৰা অনুসৰি মহিলা সমিতিয়ে আৰম্ভ কৰা আন্দোলনৰ প্ৰভাৱতে গুৱাহাটীত বাল্য বিবাহ বহু পৰিমাণে সেইসময়ত শিথিল হৈ পৰিছিল।

পৰৱৰ্তী সময়ত অসম মহিলা সমিতি নিখিল ভাৰত মহিলা সভাৰ লগত যোগদান কৰা নকৰাক লৈ অসম মহিলা সমিতিৰ সদস্যসকলৰ মাজতে মতান্তৰ ঘটাত ৰাজাবালা দাসে সেই সমিতিৰপৰা আঁতৰি আহি সুকীয়া মহিলা সমিতিৰ শাখা খুলি নিখিল ভাৰত মহিলা সভাৰ লগত চামিল হৈছিল। এই সমিতিখনৰ নাম ৰখা হৈছিল নিঃ মঃ সমিতি শাখা। ৰাজাবালা দাসে ষ্টেণ্ডিং কমিটিৰ সদস্যা হৈ দুবাৰকৈ নিখিল ভাৰত মহিলা স ভাৰ বছৰেকীয়া সভাত যোগদান কৰিছিল। এই নিঃ মঃ সমিতিৰ শাখাই উদ্যোগ লোৱা কামসমূহৰ ভিতৰত পাণবজাৰ ছোৱালী হাইস্কুলৰ চৌহদত নিৰ্মাণ কৰা 'ছোৱালী হোষ্টেল' বিশেষভাৱে উল্লেখযোগ্য। অৱশ্যে পৰৱৰ্তী সময়ত প্ৰথমে স্থাপিত অসম মহিলা সমিতিয়ে নিঃ ভাঃ মহিলা সভাৰ অন্তৰ্ভুক্ত হ'ব বিচৰাত অসমৰ দুইখন প্ৰাদেশিক মহিলা সমিতিক একেলগ কৰি নিঃ ভাঃ মহিলা সভাৰ লগত চামিল কৰা হৈছিল।

**ছ) স্ত্ৰী-শিক্ষা সম্প্ৰসাৰণৰ বাবে ব্যৱস্থা গ্ৰহণ ঃ**

মহিলা সমিতিৰ দায়িত্বভাৰ এৰাৰ পাছত ৰাজাবালা দাসে অসমত স্ত্ৰী শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত কাম কৰাৰ বাবে আগবাঢ়ি আহে। ইয়াৰ প্ৰথম পদক্ষেপ হিচাপে তেখেতে পাণবজাৰ ছোৱালী স্কুলৰ কাৰ্যকৰী কমিটিৰ সম্পাদিকা হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি স্কুলখনৰ উন্নয়নত আত্মনিয়োগ কৰে। তেওঁৰ নেতৃত্বতে স্কুলখনৰ ঘৰ-দুৱাৰৰ উন্নতি সাধনৰ বাবে ৰাইজৰপৰা টকা সংগ্ৰহ কৰি কেইবাটাও নতুন ঘৰ নিৰ্মাণ কৰা হয়। বিদ্যালয়ত ছাত্ৰীৰ সংখ্যা বৃদ্ধি কৰিবৰ বাবে আৰু দূৰৈৰ ছাত্ৰীয়ে যাতে কোনো অসুবিধা নোহোৱাকৈ সহজে বিদ্যালয়লৈ অহা-যোৱা কৰিব পাৰে তাৰ বাবে এখন ডাঙৰ স্কুল বাছৰো ব্যৱস্থা কৰা হৈছিল। যাৰ ফলত অহা-যোৱাৰ অসুবিধাৰ বাবে যিবোৰ ছোৱালীয়ে এটা সময়ত বিদ্যালয়লৈ আহিবলৈ বিচৰা নাছিল, সেই ছোৱালীবিলাকক অভিভাৱকে নিজেই স্কুললৈ পঠিয়াবলৈ বিচৰা হ'ল। পৰৱৰ্তী সময়ত ৰাজাবালা দাস স্কুলখনৰ প্ৰধান শিক্ষয়িত্ৰীৰ পদতো অধিষ্ঠিত হৈছিল। এইখিনিতে উল্লেখযোগ্য যে স্কুলৰ কাৰণে পুঁজি সংগ্ৰহ কৰা, চৰকাৰী স্কুলৰ কাৰণে গ্ৰাণ্ট বঢ়োৱা আদি বিভিন্ন কামত ৰাজাবালা দাসৰ স্বামী ডাক্তৰ দাসৰো বিশেষ অৰিহণা থকা বুলি লেখিকাই গ্ৰন্থত উল্লেখ কৰিছে। ক্ৰমান্বয়ে ৰাজাবালা দাসৰ নেতৃত্বত পাণবজাৰ ছোৱালী হাইস্কুল দোপতদোপে আগবাঢ়ি যাব ধৰিছিল। ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ সমান্তৰাল ভাৱে গ্ৰেজুৱেট শিক্ষয়িত্ৰীৰ সংখ্যাও বৃদ্ধি পাইছিল। ইয়াতে ইন্দিৰা মিৰিয়েও সেইসময়ত শিক্ষকতা কৰা কথাটো লেখিকাই প্ৰসংগক্ৰমে উল্লেখ কৰিছে।

মেট্ৰিকুলেশ্যন পাছ কৰাৰ পিছত বহু ছাত্ৰীয়ে ইচ্ছা থকাৰ পিছতো উচ্চ শিক্ষাৰ কথা ভাবিব পৰা নাছিল। কাৰণ কটন কলেজত আসনৰ সংখ্যা সীমিত হোৱাৰ লগতে বহু অভিভাৱকে ল'ৰাৰ লগত সমানে ছোৱালীক পঢ়াবলৈ সেইসময়ত অনিচ্ছুক আছিল। তদুপৰি সেইসময়ত মাত্ৰ অৱস্থাসম্পন্ন পৰিয়ালেহে ছাত্ৰীক কলিকতা, বেনাৰস আদি ঠাইত শিক্ষাগ্ৰহণৰ বাবে পঠিয়াব পাৰিছিল। এনেবোৰ কাৰণতে ছোৱালী মহাবিদ্যালয় এখন স্থাপনৰ পৰিকল্পনা ৰাজাবালা দাসৰ মনত খোপনি পুতিছিল আৰু অনেক শ্ৰম, ত্যাগ আৰু প্ৰচেষ্টাৰ অন্তত ১৯৩৯ চনৰ ১৬ জুলাইত ছোৱালী মহাবিদ্যালয়ৰ প্ৰথম ক্লাছ আৰম্ভ কৰা হৈছিল। পাণবজাৰ স্কুলত আৰম্ভ হোৱা এই মহাবিদ্যালয়ৰ নাম পোনতে 'গুৱাহাটী ছোৱালী কলেজ' আছিল। পাণ বজাৰ স্কুলৰপৰা মেট্ৰিক পাছ কৰা ননী বৰুৱা আৰু শ্ৰী বাসন্তী লাহিড়ী এই মহাবিদ্যালয়ৰ প্ৰথম দুগৰাকী ছাত্ৰী আছিল বুলি লেখিকাই গ্ৰন্থত উল্লেখ কৰিছে। এই মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত ৰাজাবালা দাসক সহায় কৰা ব্যক্তিসকলৰ ভিতৰত শ্ৰী কনকচন্দ্ৰ দাস, শ্ৰী ৰমেশ চাংকাকতি, শ্ৰী ৰজনী শৰ্মা, শ্ৰী বিশ্বেশ্বৰ শৰ্মা, নলিনী দাসগুপ্তৰ নাম কৃতজ্ঞতাসহ লেখিকাই গ্ৰন্থত স্বীকাৰ কৰিছে। কলেজখন কলিকতা বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত সেই সময়ৰ বিশ্ববিদ্যালয়ৰ ইন্সপেক্টৰ সতীশ ঘোষে দহ হাজাৰ টকা কলেজৰ পুঁজি হিচাপে দেখুৱাৰ কথা কৈছিল। নহ'লে মহাবিদ্যালয়খন বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত নহ'ব। মহাবিদ্যালয়খন কলিকতা বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত ৰাধাকান্ত সন্দিকৈ আৰু তেওঁৰ পত্নীৰ অৱদানৰ কথা লেখিকাই আত্মজীৱনীখনত বিস্তৃত ৰূপত বৰ্ণনা কৰিছে। প্ৰথমে দহ হাজাৰ দি কলেজখন বিশ্ববিদ্যালয়ৰ

অন্তৰ্ভুক্ত কৰাৰ পিছত সন্দিকৈয়ে উদ্ভিদ বিজ্ঞান খুলিবলৈ সাহাৰ্য প্ৰদান কৰাৰ লগতে ছাত্ৰীসকলৰ বাবে কেইবাটাও স্ক'লাৰশ্বিপৰো ব্যৱস্থা কৰিছিল। সন্দিকৈ পৰিয়ালৰ এই নিঃস্বাৰ্থ সেৱাৰ বাবে পৰৱৰ্তী সময়ত কলেজখনৰ নাম 'সন্দিকৈ কলেজ' কৰা হ'ল বুলি লেখিকাই গ্ৰন্থত উল্লেখ কৰিছে। এই কলেজখন প্ৰতিষ্ঠাৰ জৰিয়তে ৰাজাবালা দাসে মহিলাৰ শিক্ষাৰ ক্ষেত্ৰত এক অগ্ৰণী পদক্ষেপ গ্ৰহণ কৰিলেও কলেজখন প্ৰতিষ্ঠাৰ বাবে তেখেতে বহু সমালোচনাৰো সন্মুখীন হ'বলগীয়াত পৰিছিল। লেখিকাই আত্মজীৱনীত উল্লেখ কৰা অনুসৰি বহুতৰ বাবে ছোৱালী কলেজ এখন প্ৰতিষ্ঠা কৰাটো এটা অবাঞ্চনীয় কাম আছিল। 'Handique women's college is white elephant' বুলি কাককত ডাঙৰ ডাঙৰ শিৰোনামেৰে বাতৰি ওলোৱাৰ কথাও লেখিকাই প্ৰসংগক্ৰমে উল্লেখ কৰিছে। বহুতে আকৌ কোনো স্নাতক ডিগ্ৰীধাৰী অধ্যক্ষই চলোৱা মহাবিদ্যালয়ত কিয় অধ্যয়ন কৰিব বুলিও মন্তব্য কৰা লেখিকাই শুনিবলৈ পাইছিল। অৱশ্যে পৰৱৰ্তী পৰ্যায়ত অধ্যক্ষ পদত কৰ্মৰত হৈ থাকোঁতেই তেখেতে স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰি সমালোচক সকলক উচিত প্ৰত্যুত্তৰ দিছিল। কলা শাখাৰে আৰম্ভ হোৱা মহাবিদ্যালয়খনত লেখিকাৰ কাৰ্যকালতে বিজ্ঞান শাখাও মুকলি কৰা হৈছিল।

**২.০ উপসংহাৰ ঃ**

'ৰাজাবালা দাসৰ তিনিকুৰি দহবছৰৰ স্মৃতি শীৰ্ষক আত্মজীৱনীত সমকালীন অসমীয়া সমাজ জীৱনৰ প্ৰতিফলন' - শীৰ্ষক অধ্যয়নৰ জৰিয়তে তলত দিয়া সিদ্ধান্তসমূহত উপনীত হ'ব পাৰি—

অসমীয়া সাহিত্যত প্ৰথম আত্মজীৱনী ৰচয়িতা হিচাপে ৰাজাবালা দাসে তেওঁৰ গ্ৰন্থত প্ৰধানকৈ তেওঁৰ সমসাময়িক সমাজ জীৱনৰ বিভিন্ন স্থিতি বিশেষকৈ শৈক্ষিক আৰু সামাজিক জীৱনটো বিস্তৃত ৰূপত দাঙি ধৰিছে।

ব্যক্তিগত জীৱনৰ দুখ-যন্ত্ৰণাক স্থান দিয়াতকৈ ৰাজাবালা দাসে আত্মজীৱনীত নিজৰ সামাজিক জীৱনটো দাঙি ধৰাতহে বিশেষ গুৰুত্ব দিছিল। ঊনবিংশ শতিকাত সমাজত নাৰীৰ দুৰ্বল স্থিতি লৈ চাই সেই সমাজৰ অংশ হিচাপে লেখিকাৰ বিৱৰণত যিদৰে শক্তিশালী, প্ৰতিবাদীমুখী বৰ্ণনাই স্থান পাব লাগিছিল সেয়া কিন্তু ইয়াত দেখিবলৈ পোৱা নাযায়। নাৰীক লৈ সেইসময়ৰ সমাজত হোৱা বিভিন্ন অন্যায়-অবিচাৰ, কু-সংস্কাৰ, ছোৱালী মহাবিদ্যালয় স্থাপনৰ সময়ত তেওঁ সন্মুখীন হোৱা বিভিন্ন সমালোচনা আদিৰ কথা মাত্ৰ তেখেতে উল্লেখহে কৰিছে। কোনোধৰণৰ প্ৰতিবাদ বা ইয়াক লৈ তেওঁ কিবা প্ৰশ্ন কৰাৰ কথা আত্মজীৱনীখনৰ ক'তো দেখা নাযায়। বৰঞ্চ এগৰাকী সাধাৰণ বৰ্ণনাকাৰী হিচাপেহে প্ৰত্যক্ষ কৰা সকলো ঘটনা তেওঁ আত্মজীৱনীখনত সংযোজিত কৰিছে।

মহিলা মহাবিদ্যালয় স্থাপন কৰাৰ জৰিয়তে ছোৱালী শিক্ষাৰ ক্ষেত্ৰত এক নৱজাগৰণ অনাৰ প্ৰয়াস কৰিলেও বিদ্যালয়, মহাবিদ্যালয়ত পোনতে শিক্ষা গ্ৰহণৰ বিষয় হিচাপে পোনতে গাৰ্হস্থ্য বিজ্ঞান বিষয়কহে প্ৰাধান্য দিয়া কথাটোৱে সেইসময়ত পুৰুষৰ সমানে মহিলাই সকলো বিষয় অধ্যয়ন কৰিবলৈ যে অপাৰগ সেই সংকীৰ্ণ মানসিকতাৰ পৰিচয়কে দাঙি ধৰে। ৰাজাবালা দাসো এই চিন্তাৰ পৃথক নাছিল, যাৰ বাবে তেখেতে বিদ্যালয়ত নাৰীসুলভ শিক্ষাহে প্ৰদানক অগ্ৰাধিকাৰ দিছিল।

উল্লিখিত দিশত কিছু দুৰ্বলতা পৰিলক্ষিত হ'লেও পুৰুষে ৰচনা কৰা আত্মজীৱনীৰ আধিপত্যৰ সময়ছোৱাত প্ৰথম মহিলা আত্মজীৱনী হিচাপে ৰাজাবালা দাসৰ তিনিকুৰি দহবছৰৰ স্মৃতি শীৰ্ষক আত্মজীৱনী অসমীয়া সমাজ জীৱনৰ এছোৱা সময়ৰ গুৰুত্বপূৰ্ণ দলিল বুলি অভিহিত কৰিব পাৰি। ❑


**গ্ৰন্থপঞ্জী ঃ**

**মুখ্য উৎস ঃ**

দাস, ৰাজাবালা, তিনিকুৰি দহ বছৰৰ স্মৃতি, প্ৰথম প্ৰকাশ, ১৯৭১

**গৌণ উৎস ঃ**

বৰা, জুনু, ঊনবিংশ শতিকাৰপৰা বিংশ শতিকালৈ, পূৰ্বায়ন প্ৰকাশন, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, মাৰ্চ, ২০২৪

**আলোচনী ঃ**

পূজাৰী, অনুৰাধা শৰ্মা, সাতসৰী (সম্পা.), বিংশ বছৰ, একাদশ সংখ্যা, জুন, ২০২৫

**ইণ্টাৰনেটৰ তথ্যসূত্ৰ ঃ**

1. http://hdl.handle.net/10603/267724
2. https://shodhganga.inflibnet.ac.in/handle/10603/479704

RNI NO. ASSBIL/2009/31008 Peer Reviewed Journal
ISSN : 2321-4945 [UGC-CARE Listed]

# হোমেন বৰগোহাঞিৰ 'অস্তৰাগ' ঃ এক পৰ্যালোচনা



ড° নন্দিতা গোস্বামী

সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
ৰহা মহাবিদ্যালয়
নগাঁও-৭৮২১০৩
৯৯৫৭৯৯৫৪৫৫
nanditanita@gmail.com

**সংক্ষিপ্ত সাৰ ঃ**

অসমীয়া উপন্যাস সাহিত্যলৈ অৰদান আগবঢ়োৱা উপন্যাসিকসকলৰ ভিতৰত হোমেন বৰগোহাঞি অন্যতম। ১৯৬৩ চনৰ পৰা ২০০৩ চনলৈকে তেখেতৰ বাৰখন উপন্যাস প্ৰকাশ হয়। উপন্যাসসমূহ হ'ল— সুবালা (১৯৬৩), তান্ত্ৰিক (১৯৬৭), কুশীলব (১৯৭০), হালধীয়া চৰায়ে বাওধান খায় (১৯৭৩), পিতাপুত্ৰ (১৯৭৫), তিমিৰ তীৰ্থ (১৯৭৫), অস্তৰাগ (১৯৮৬), বিষন্নতা (২০০০) এদিনৰ ডায়েৰি (২০০৩) আদি। এই উপন্যাসসমূহৰ ভিতৰত 'অস্তৰাগ' উপন্যাসখনে অসমীয়া উপন্যাস সাহিত্যৰ ভিতৰত এক বিশেষ স্থান দখল কৰিছে। ১৯৮৬ চনত প্ৰকাশ পোৱা অস্তৰাগ উপন্যাসখন বৰগোহাঞিৰ এখন ভাৱ-প্ৰধান উপন্যাস। উপন্যাসখনৰ প্ৰধান বিষয়বস্তু মানুহৰ বৃদ্ধকাল। বৃদ্ধকালৰ শাৰীৰিক, মানসিক যন্ত্ৰণাই প্ৰধান বিষয় হিচাপে স্থান পাইছে। তাৰ মাজেৰে বৃদ্ধকালৰ নিঃসঙ্গতা, প্ৰজন্মৰ সংঘাত, গ্ৰাম্যজীৱন, নগৰীয়া জীৱনৰ বৰ্ণনা, প্ৰাকৃতিক সৌন্দৰ্যতা, পৰিবৰ্তিত সমাজজীৱন, মানুহৰ মনৰ অন্তঃদ্বন্দ্ব, প্ৰকৃতিবাদী ভাবধাৰা ইত্যাদি বিভিন্ন বিষয় উপন্যাসখনত অৱতাৰণা কৰিছে। আমাৰ এই আলোচনাত উপন্যাসখনত উক্ত বিষয়সমূহ কেনেদৰে প্ৰতিফলিত হৈছে সেই বিষয়ে সামগ্ৰিক আলোচনা আগবঢ়োৱা হ'ব।

**বীজ শব্দ ঃ**

বৃদ্ধকাল, মানসিক যন্ত্ৰণা, প্ৰজন্ম, গ্ৰাম্যজীৱন, প্ৰকৃতিবাদ।

**অধ্যয়নৰ পদ্ধতি আৰু উৎস ঃ**

হোমেন বৰগোহাঞিৰ 'অস্তৰাগ' ঃ এক পৰ্যালোচনা শীৰ্ষক বিষয়টো অধ্যয়ন কৰোঁতে মূলতঃ বিষয়বস্তুৰ বিশ্লেষণ পদ্ধতিৰ সহায় লোৱা হৈছে আৰু মুখ্য উৎস হিচাপে হোমেন বৰগোহাঞিৰ "অস্তৰাগ" উপন্যাসখন লোৱা হৈছে। গৌণ উৎস হিচাপে অন্যান্য প্ৰাসংগিক গ্ৰন্থৰ সহায় লোৱা হৈছে।

**অধ্যয়নৰ পৰিসৰ ঃ**

হোমেন বৰগোহাঞিৰ "অস্তৰাগ" ঃ এক পৰ্যালোচনা শীৰ্ষক বিষয়টো অধ্যয়ন কৰোঁতে 'অস্তৰাগ' উপন্যাসখনত প্ৰতিফলিত সমাজ বাস্তৱতা তথা মানুহৰ বাৰ্ধক্যৰ বাস্তৱ দিশসমূহ অধ্যয়নৰ পৰিসৰত সামৰি লোৱা হৈছে।

**অৱতৰণিকা ঃ**

'অস্তৰাগ' বাস্তৱক ভিত্তি কৰি ৰচিত এখন উপন্যাস। উপন্যাসৰ কাহিনী পৰম্পৰাগত কাহিনী প্ৰধান উপন্যাসৰ দৰে নহয়। 'বৃদ্ধ মনস্তত্ত্ব'ই হ'ল উপন্যাসৰ মূল বিষয়বস্তু। মানৰ জীৱনৰ বৃদ্ধকালৰ সমস্যা, দুখ যন্ত্ৰণাক বিষয়বস্তু হিচাপেলৈ

উপন্যাসখন ৰচিত। আৰু তাৰ মাজেৰে বৃদ্ধকালৰ নিঃসঙ্গতা, প্ৰজন্মৰ সংঘাত, গ্ৰাম্যজীৱন, নগৰীয়া জীৱনৰ বৰ্ণনা, প্ৰাকৃতিক সৌন্দৰ্যতা, পৰিবৰ্তিত সমাজজীৱন, মানুহৰ মনৰ অন্তঃদ্বন্দ্ব, প্ৰকৃতিবাদী ভাবধাৰা ইত্যাদি বিভিন্ন বিষয় উপন্যাসখনত অৱতাৰণা কৰিছে। এজন সূক্ষচেতনা সম্পন্ন অধ্যাপকৰ বৃদ্ধ পিতৃকলৈ হোৱা অনুভুতিৰ নিৰ্মোহ বিশ্লেষণ উপন্যাসত দেখিবলৈ পোৱা যায়। ঔপন্যাসিকে উপন্যাসখনত বিষয়বস্তুক মনোবিশ্লেষণাত্মক দৃষ্টিৰে বাখ্যা কৰিছে।

**উপন্যাসৰ বিষয়বস্তুৰ পৰ্যালোচনা ঃ**

উপন্যাসখনৰ কাহিনী আৰম্ভ হৈছে দিলীপ নামৰ কলেজৰ নিষ্ঠাৱান অধ্যাপক এজনলৈ অহা এখন টেলিগ্ৰামৰ বিষয় অৱতাৰণাৰ জৰিয়তে। দিলীপ এখন কলেজৰ অধ্যাপক, তেওঁ কলেজলৈ যাবলৈ সাজু হোৱা সময়তে কলিংবেলটো বাজি উঠে। বে'লৰ শব্দ শুনি দিলীপ বিৰক্ত হয়। কোনোবা আহি তেওঁৰ সময় নষ্ট কৰিব ফলত সময়ত গৈ তেওঁ ক্লাছটো নাপাব। কিন্তু ঘৈণীয়েকৰ পৰা গম পাই তেওঁলৈ এখন টেলিগ্ৰামহে আহে। তাত লিখা আছিল তেওঁৰ দেউতাকৰ অসুস্থতাৰ বাবে তেওঁক ঘৰলৈ মাতি পঠাইছে। টেলিগ্ৰামখন পাই দিলীপৰ মনত এক মিশ্ৰিত অনুভূতিৰ সৃষ্টি হয়। একে সময়তে তেওঁ স্বস্তি আৰু হতাশ অনুভৱ কৰিলে। স্বস্তি অনুভৱ কৰিলে তেওঁৰ দেউতাক জীয়াই আছে বুলি আৰু হতাশ হ'ল দেউতাকৰ বাৰ্ধক্যৰ যন্ত্ৰণাৰ বাবে। এবছৰৰ আগতে দিলীপে দেউতাকৰ মৃত্যু হোৱাটো কামনা কৰিছিল। "সেইবাবে ঘৰৰ পৰা ঘূৰি অহাৰ দিন ধৰি দিলীপে প্ৰায় প্ৰতিদিনে মনে মনে প্ৰাৰ্থনা কৰিছে মৃত্যুৱে যেন ইমানতে বাৰ্ধক্যৰ এই চৰম যন্ত্ৰণা আৰু অৱমাননাৰ পৰা দেউতাকক ৰক্ষা কৰে। অতি সোনকালেই এখন টেলিগ্ৰামে যেন তেওঁলৈ দেউতাকৰ মৃত্যুৰ বাতৰি কঢ়িয়াই আনে।" (বৰগোহাঞি, হোমেন, *অস্তৰাগ*, এপ্ৰিল, ১৯৮৯, পৃ.৪) সেয়ে দেউতাকৰ মৃত্যুৰ আগৰ যন্ত্ৰণাময় জীৱনৰ বাতৰি অহা বাবে তেওঁ হতাশ হয়। খবৰটো পাইও দিলীপ অধৈৰ্য্য নহ'ল। তেওঁ দুটামান ক্লাছ কৰি আহিবলৈ আৰু গাড়ীৰ টিকটৰ খবৰ ল'বলৈ ওলায়।

দেউতাকৰ মৃত্যু হৈছে বুলি ভাবি দিলীপৰ মনটো পাতল লাগে। আকৌ এই ভাব অহাৰ পিছতে তেওঁৰ মনলৈ অপৰাধবোধো আহে। আনহাতে বাছৰ টিকট নাপাইও তেওঁ স্বস্তি অনুভৱ কৰে। দেউতাকৰ মৃত্যু কামনা কৰি তেওঁ নিজকে দোষী বুলি অনুভৱ কৰে। দিলীপৰ মনৰ এনে অনুভূতিৰ দৰে একে অনুভূতিৰ উদয় হোৱা কাৰ্তিক বসু নামৰ উকীলজনৰ ওচৰলৈ গৈ তেওঁৰ দোষী যেন লগা ভাবটোৰ পৰা মুক্ত হ'ব বিচাৰিছে। দিলীপে কাৰ্তিক বসুক গ্যেটেৰ লগত একে বুলি ৰিজালে। গ্যেটেও কাৰ্তিক বসুৰ দৰে মৃত্যু শৰ্যাত পৰি থকা মাকৰ ওচৰলৈ যাবলৈ ইচ্ছা কৰা নাছিল। কাৰ্তিক বসুৱে দিলীপৰ পৰা গ্যেটেৰ কথা শুনি শান্তি পাই ক'লে — "মই হয়তো দেউতাক খুব ভাল পাইছিলোঁ কাৰণেই ৰোগ আৰু জৰাই চিনিব নোৱাৰাকৈ সলনি কৰা তেওঁৰ শৰীৰটো চাবলৈ সাহস কৰা নাছিলোঁ।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১১) কাৰ্তিক বসুৰ স্বীকাৰোক্তিয়ে দিলীপক সান্ত্বনা দিব নোৱাৰিলে, ঘৰলৈ উভতি গৈ নিজৰ ভাবধাৰাক নিজেই আত্মসমালোচনা কৰিব ধৰিলে। দিলীপে বাছৰ টিকট নাপাই স্বস্তি অনুভৱ কৰিছিল "অন্ততঃ দিলীপে ঘণ্টাৰ কাৰণে মই এটা অপ্ৰিয় আৰু যন্ত্ৰণাদায়ক দৃশ্য দেখিব লগা হোৱাৰ পৰা নিস্কৃতি পালোঁ। বাৰ্ধক্যৰ হাতত জীৱনৰ এই কৰুণ আৰু অপমানজনক পৰাজয়ৰ দৃশ্য চাবলৈ মোৰ ইচ্ছা নাই, সাহস নাই, মানসিক প্ৰস্তুতি নাই।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১২)

দিলীপৰ শক্তিশালী দেউতাকৰ ওপৰত ভীষণ খং উঠে— "বুঢ়া হৈ দেউতাকে যেন এটা ডাঙৰ অপৰাধ কৰিছে, এটা ক্ষমাৰ অযোগ্য অপৰাধ।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১৩) দিলীপে ঘৰ গৈ পোৱাৰ আগতেই দেউতাকৰ মৃত্যু হোৱাটো আশা কৰিছে — "সমগ্ৰ জগত সুখ-নিদ্ৰাত নিমগ্ন থকাৰ সময়ত কেৱল মোৰ দেউতাইহে নিদ্ৰাহীন ৰাতিৰ ভয়ঙ্কৰ অন্ধকাৰত প্ৰাণদণ্ডত দণ্ডিত আচামীৰ দৰে সম্পূৰ্ণ অকলশৰে মৃত্যুৰ কাৰণে প্ৰতীক্ষা কৰি থাকিব, তেতিয়া মই আকুলভাবে প্ৰাৰ্থনা কৰোঁ যে আজিৰ ৰাতিটোৱেই যেন দেউতাৰ জীৱনৰ শেষ ৰাতি হয়। - দেউতাকৰ সেই পৰাজয়ৰ দৃশ্য চাবলৈ তেওঁৰ বিন্দুমাত্ৰ ইচ্ছা নাই। নিজৰ পৰা এই সত্যটো গোপন কৰি আৰু লাভ নাই যে দিলীপ গৈ ঘৰ পোৱাৰ আগতেই দেউতাকৰ মৃত্যু হ'লে তেওঁ যেন ৰক্ষাই পৰিব।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১৪)

উপন্যাসখনত দিলীপৰ মনৰ এই দোধোৰ-মোধোৰ অৱস্থাৰ মাজতে চন্দ্ৰ নামৰ এটা চৰিত্ৰৰ অৱতাৰণা কৰিছে।

চন্দ্ৰ আছিল এজন উচ্চ পদস্থ চৰকাৰী বিষয়া। চন্দ্ৰইও দিলীপৰ আগত কয় — বৃদ্ধ দেউতাকৰ লগত ৰাতি উজাগৰে থাকিব লগা হোৱা বাবে বিৰক্তি অনুভৱ কৰাৰ কথা। চন্দ্ৰৰ দেউতাকৰ বৃদ্ধকালৰ শোচনীয় অৱস্থা দেখি দিলীপৰ পুতেকেও ক'বলৈ সংকোচ কৰা নাই—"মানুহ ইমান বুঢ়া বয়সলৈকে জীয়াই থকা উচিত নহয়। নিজেও খুব কষ্ট পায়, আনকো দিয়ে।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২০)

দিলীপে সিদ্ধান্ত লয় দেউতাকক গাঁৱৰ ঘৰৰ পৰা তেওঁৰ ঘৰলৈ লৈ আহিব আৰু দেউতাকক এনেদৰে শুশ্ৰূষা কৰিব তেওঁ যেন পৃথিৱীৰ পৰা অভিমান লৈ আতৰি যাব নালাগে — "পৃথিৱীৰ পৰা চিৰবিদায় লোৱাৰ সময়ত দেউতাকে কেতিয়াও মনত এই অভিমান লৈ যাব নালাগিব যে যিখন পৃথিৱীক তেওঁ পৰম আবেগ আৰু ব্যাকুলতাৰে ভাল পাইছিল, সেই পৃথিৱীয়ে তেওঁক আবৰ্জনাৰ নিচিনাকৈ দলিয়াই পেলাব পাৰিলেই ৰক্ষা পৰে।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২১ পৃ.)

দিলীপে দেউতাকৰ ওচৰলৈ গৈ গ'ম পালে কালীৰাম পণ্ডিতৰ শুশ্ৰূষাত তেওঁ কিছু সুস্থ হৈছে। কালিৰাম পণ্ডিতৰ বিষয়ে তেওঁক তেওঁৰ ভতিজাকে মনত পেলাবলৈ যত্ন কৰিছে।

এই কাহিনীৰ মাজতে উপন্যাসিকে বৰবাইদেউ নামৰ এটা চৰিত্ৰৰ অৱতাৰণা কৰিছে। দিলীপৰ মনলৈ পুৰণি স্মৃতিবোৰ ভাহি উঠিল— স্কুলত একেখন বেঞ্চত বহা ল'ৰাটোৰ কথা, কালিৰাম পণ্ডিতৰ মুখৰ ভাবটোৰ কথা, দিলীপহঁতৰ ঘৰলৈ অহা দেউতাকৰ সূৰ্য ককাইদেউৰ কথা, শৈশৱত নিজৰ বাৰীখনৰ লগত জড়িত স্মৃতিৰ কথা।

দিলীপে দেউতাকক ঘৰলৈ লগত লৈ যাব বিচৰাত প্ৰথমে দেউতাক মান্তি হোৱা নাছিল। পিছত তেওঁক দিলীপে লগত লৈ আহে। নগৰৰ পৰিৱেশত পুত্ৰ-বোৱাৰীৰ সান্নিধ্যই তেওঁক সুখ দিব নোৱাৰিলে। নগৰীয়া মানুহৰ চিন্তাধাৰাৰ লগত পৰিচিত হৈ তেওঁ সুখ নাপালে। পুত্ৰ, বোৱাৰী, নাতিৰ সান্নিধ্যতো তেওঁ নিঃসঙ্গতা অনুভৱ কৰিলে। তেওঁক ঘৰত থৈ আহিবলৈ দিলীপক কাকূতি কৰিব ধৰিলে। অৱশেষত তেওঁ স্মৃতি শক্তি লোপ হোৱা বেমাৰত আক্ৰান্ত হ'ল। দিলীপৰ ঘৰতে তেওঁৰ মৃত্যু হ'ল। মৃত্যুৰ সময়তো তেওঁ — "দুল - - মই ঘৰলৈ —" বুলি কৈ মৃত্যুক আকোঁৱালি লয়।

**উপন্যাসখনৰ চৰিত্ৰৰাজি ঃ**

উপন্যাসখনৰ প্ৰধান চৰিত্ৰ দিলীপ আৰু দেউতাক। এই চৰিত্ৰ দুটাৰ লগতে বিষয়বস্তু আগবঢ়াই নিয়াত সহায় কৰা আন চৰিত্ৰসমূহ হ'ল — দিলীপৰ পত্নী সাবিত্ৰী, পুত্ৰ কুনাল, জীয়েক অদিতি, উকীল কাৰ্তিক বসু, চন্দ্ৰ, ডাক্তৰ শৰ্মা, কালিৰাম পণ্ডিত, সূৰ্য ককাইদেউ, মথুৰা পণ্ডিত, বৰ বাইদেউ, টুনিৰাম, দিলীপৰ সম্বন্ধীয় ভতিজা, তৰবৰী আদি।

দিলীপ উপন্যাসখনৰ প্ৰধান চৰিত্ৰ। তেওঁ কলেজ এখনৰ অধ্যাপক, নিয়মানুবৰ্ত্তিতা বজাই ৰাখি ভালপোৱা ব্যক্তিত্বৰ অধিকাৰী দিলীপ। "পদে পদে ঘড়ীৰ কাঁটাৰ নিৰ্দেশ মানি চলা তেওঁৰ অভ্যাস।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১ ) দেশী-বিদেশী সাহিত্যৰ জ্ঞানেৰে ভৰপূৰ দিলীপ। কলেজলৈ যাবৰ সময়ত কলিং বেলটো বজাৰ বাবে সেয়ে তেওঁ অতিষ্ঠ হৈছে। কোনোবা আহি তেওঁৰ কলেজৰ ক্লাছটো সময়মতে পোৱাত ব্যাঘাত সৃষ্টি কৰিব। তেওঁৰ পৰিপাটি গুণৰ বাবে মাজে মাজে পত্নীৰ লগতো মনোমালিন্য হয়। দিলীপৰ চৰিত্ৰটোত উপস্থাপিত কৰিছে মানসিক দোদুল্যমানতা, এই বৈশিষ্ট্যই চৰিত্ৰটোৰ ব্যক্তিত্ব সুন্দৰকৈ প্ৰকাশ পাইছে। টেলিগ্ৰামখন পাই দিলীপৰ মনলৈ অহা স্বস্তি আৰু হতাশাৰ ভাবে দিলীপৰ মানসিক অন্তঃদ্বন্দ্ব প্ৰকাশ কৰাত উপন্যাসিক সফল হৈছে। দিলীপে দেউতাকৰ অসুখ বুলি খবৰ দিয়া টেলিগ্ৰামখন পোৱাৰ পিছত সেইদিনা বাছত টিকট নাপাই মনে মনে বিৰাট স্বস্তি অনুভৱ কৰিছিল— "অন্ততঃ চৌৱিশ ঘণ্টাৰ কাৰণে মই এটা অপ্ৰিয় আৰু যন্ত্ৰণাদায়ক দৃশ্য দেখিব লগা হোৱাৰ পৰা নিস্কৃতি পালো। বাৰ্ধক্যৰ হাতত জীৱনৰ এই কৰুণ দৃশ্য চাবলৈ মোৰ ইচ্ছা নাই, সাহস নাই, মানসিক প্ৰস্তুতি নাই।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১২ )

দেউতাকৰ দুখৰ অৱসান ঘটিবলৈ দিলীপে দেউতাকৰ মৃত্যু কামনা কৰে — "সমগ্ৰ জগত সুখ নিদ্ৰাত নিমগ্ন থকাৰ সময়ত কেৱল মোৰ দেউতাইহে নিদ্ৰাহীন ৰাতিৰ ভয়ঙ্কৰ অন্ধকাৰত প্ৰাণদণ্ডত দণ্ডীত আচামীৰ দৰে সম্পূৰ্ণ অকলশৰে মৃত্যুৰ কাৰণে প্ৰতীক্ষা কৰি থাকিব, তেতিয়া মই আকুলভাবে প্ৰাৰ্থনা কৰোঁ যে আজিৰ ৰাতিটোৰেই যেন দেউতাৰ জীৱনত শেষ ৰাতি হয়।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১৪)

মানুহৰ বৃদ্ধকালৰ যন্ত্ৰণাময় জীৱন দিলীপে মানি ল'বলৈ টান পায়। সেয়ে তেওঁ দেউতাকৰ যন্ত্ৰণাময় জীৱনৰ অৱসান ঘটি মৃত্যুৰ কামনা কৰে। তেওঁ অনুভৱ কৰে — "জীৱন আৰু মৃত্যুৰ মধ্যৱৰ্ত্তী প্ৰায়ান্ধকাৰন'-মেন্‌ছ লেণ্ডত

বাস কৰা বুঢ়াবোৰ বাৰু এই কথা জানে নে যে তেওঁলোকৰ প্ৰাণাদিক পুত্ৰ কণ্যায়ো এসময়ত তেওঁলোকৰ মৃত্যু কামনা কৰিবলৈ আৰম্ভ কৰে? (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২১ )

শেষত দিলীপে প্ৰকৃতিৰ নিয়ম মানি ল'বলৈ বাধ্য হয়। তেওঁ ভাবে— "ময়ো এদিন বুঢ়া হ'ম— দিলীপে মনে মনে ভাবিলে— ময়ো সেই ন'-মেন্‌ছ লেণ্ডৰ পৰম নিঃসঙ্গতাৰ মাজত অপেক্ষা কৰি ৰ'ম মৃত্যুৰ কাৰণে। সেই সময়ত যদি কেনেবাকৈ মোৰ মনত পৰে যে মোৰ পুত্ৰ-কণ্যা আৰু আত্মীয়স্বজনে অধীৰ হৈ অপেক্ষা কৰিছে মোৰ মৃত্যুৰ কাৰণে, মই মৰিলেই সকলো ৰক্ষা পৰে—"

(প্ৰাগুক্ত গ্ৰন্থ, পৃ.২১ )

দিলীপৰ মনত বাৰ্ধক্যৰ কণ্টকময় জীৱনৰ প্ৰতি খেদ দূৰ হয়। তেওঁ দেউতাকৰ মৃত্যুৰ সময়লৈকে কাৰো প্ৰতি খেদ নৰখাকৈ বিদায় দিয়াৰ কথা ভাবিলে—"পৃথিৱীৰ পৰা চিৰ বিদায় ল'বৰ সময়ত দেউতাকে কেতিয়াও মনত এই অভিমান লৈ যাব নালাগিব যে যিখন পৃথিৱীক তেওঁ পৰম আবেগ আৰু ব্যাকুলতাৰে ভাল পাইছিল, সেই পৃথিৱীয়ে তেওঁক আবৰ্জনাৰ নিচিনাকৈ দলিয়াই পেলাব পাৰিলেই ৰক্ষা পৰে। (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২১ )

দিলীপৰ অন্তঃদ্বন্দ্ব উপন্যাসিকে সুন্দৰভাবে উপস্থাপন কৰিছে। তেওঁ প্ৰকৃতিৰ লগত প্ৰকৃতিৰ সকলো বস্তু মিলি অনন্তধাৰা প্ৰৱাহিত হৈ থকা বুলি অনুভৱ কৰে — "মৃত্যুৰ পিছত মাটিত মিলি যোৱাটো কেতিয়াও জীৱনৰ চিৰ সমাপ্তি নহয়। জীৱন আকৌ জাগি উঠিব মাটিৰ বুকুৰ পৰা, নৱ নৱ ৰূপান্তকৰ মাজেদি চিৰ প্ৰৱাহিত হৈ থাকিব জীৱনৰ অনন্তধাৰা।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৭৩ )

দিলীপে আনহাতে প্ৰকৃতিত মিলি যোৱাটো জীৱনৰ চিৰসমাপ্তি নহয় বুলি ভাবিও আকৌ নতুনকৈ চিন্তা কৰিছে— "মই মৰিব খোজোঁ — দিলীপে নিজকে ক'লে— কাৰণ মৃত্যু আছে বুলিয়েই জীৱন ইমান সুন্দৰ আৰু প্ৰাৰ্থনীয়; কিন্তু মই মৰিব নোখোজোঁ, কাৰণ মোৰ মাজত মূৰ্ত হৈ উঠা চৈতন্যৰ চিৰবিলুপ্তি মই কেতিয়াও নিবিচাৰোঁ। কোন জ্ঞানৰ আলোকত মোৰ এই চিৰন্তন দ্বন্দ্বৰ নিৰসন হ'ব?"

(প্ৰাগুক্ত গ্ৰন্থ, পৃ.৭৪-৭৫ )

দিলীপে দেউতাকক নগৰলৈ লৈ আহিছে। দিলীপে মানুহৰ বাৰ্ধক্য অৱস্থা মানি লৈছে। বাৰ্ধক্যৰ অসহনীয় অৱস্থাৰ মাজেৰেও মানুহে যাতে শান্তিৰে মৃত্যু লাভ কৰিব পাৰে তাৰ বাবে মৃত্যুপথৰ যাত্ৰীবোৰক সেই অনুভৱ প্ৰদান কৰিবলৈ সুবিধা দিব লাগে বুলি দিলীপে অনুভৱ কৰিছে। সেয়ে দেউতাকক তেনেদৰে ৰাখিবলৈ ঘৈণীয়েক সাবিত্ৰীক অনুৰোধ কৰিছে—"দেউতাৰ বাৰ্ধক্যই মোক জীৱন সম্পৰ্কে বহু কথা নতুনকৈ ভাবিবলৈ বাধ্য কৰিছে। মই এতিয়া ভাবিছো যে জীয়াই থকা মানুহবোৰে মৰাবোৰক এনেভাবে পৃথিৱীৰ পৰা বিদায় দিয়া উচিত যেন—তেওঁলোকৰ কোনেও এই পৃথিৱীখনক এখন নৰক বা এই জীৱনটোক এটা অভিশাপ বুলি ভাবি পৃথিৱীৰ পৰা শেষ মেলানি মাগিব লগা নহয়। তেতিয়াহে জীৱিতসকলৰ কাৰণেও জীৱনটো অৰ্থপূৰ্ণ হৈ থাকিব।" (১১৫-১১৬ পৃ.)

উপন্যাসিকে দিলীপৰ চৰিত্ৰটোৰ জৰিয়তে জীৱন সম্পৰ্কে মানুহৰ অন্তৰৰ ভাব চিন্তাক ৰূপায়িত কৰিছে — "মানুহ আহিব আৰু যাব কিন্তু যিটো বস্তু অনন্তকাল অজৰ অমৰ হৈ থাকিব সেইটো হ'ল এই সুন্দৰ ভুবন আৰু ৰহস্যময় জীৱনৰ প্ৰতি মানুহৰ সুগভীৰ প্ৰেম। সেই প্ৰেমৰ মাজতেই তুমি চিৰকাল জীয়াই থাকিবা। (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১২৬ )

দিলীপৰ দেউতাক উপন্যাসখনৰ আন এটা উল্লেখযোগ্য চৰিত্ৰ। এই চৰিত্ৰটোৰ জৰিয়তে মানৱ জীৱনৰ বৃদ্ধকালৰ বাস্তৱচিত্ৰ ৰূপ দিছে। নতুন প্ৰজন্ম আৰু পুৰণি প্ৰজন্মৰ মাজত সংঘাত, গাঁও আৰু নগৰৰ মানুহৰ মানসিকতাৰ বৈপৰীত্য, বৃদ্ধকালৰ অনুভৱ আদি চৰিত্ৰটোক অৱলম্বন কৰি উপস্থাপন কৰিছে।

দিলীপে দেউতাকক নগৰলৈ লৈ যাবলৈ ইচ্ছা কৰাত দেউতাকে নতুন পৰিৱেশৰ প্ৰতি অনীহা প্ৰকাশ কৰিছে। তেওঁৰ মতে বৃদ্ধকালৰ যন্ত্ৰণা সহ্য কৰিব পাৰিব কিন্তু তেওঁৰ পৰিচিত ঠাইখনৰ বিচ্ছেদ সহ্য কৰিব নোৱাৰে—"যিবোৰ মানুহ আৰু যিবোৰ পশু পক্ষী আৰু গছ লতাৰ মাজতে মই জীৱনটো কটালো, যিখন ঠাইৰ বেলি ওলোৱা আৰু মাৰ যোৱা চাই চাই মই অভ্যস্ত হ'লো — সেইখন ঠাইতে মোৰ চিনাকি দৃশ্যবোৰ চাই চাই আৰু চিনাকি মাত কথাবোৰ শুনি শুনিয়ে মই শেষবাৰলৈ চকু মুদিব খোজোঁ। কোনো অচিনাকি ঠাইলৈ গৈ মই পৃথিৱীৰ পৰা শেষ বিদায় ল'ব নোখোজোঁ। বাৰ্ধক্যৰ যন্ত্ৰণা সহ্য কৰিবলৈ মোৰ শক্তি আছে; কিন্তু জীৱনৰ এই গধূলি পৰত তিৰাশী বছৰৰ চিনাকি গাঁওখন আৰু ঘৰখনৰ পৰা বিচ্ছেদ সহ্য কৰিবলৈ মোৰ শক্তি নাই।"

(প্ৰাগুক্ত গ্ৰন্থ, পৃ.৫৯)

অনিচ্ছা স্বত্বেও দিলীপৰ লগত দেউতাক নগৰলৈ

আহে। নতুন ঠাইখনত মৰমেৰে আৱৰি ৰখা নাতি বোৱাৰীৰ মাজত তেওঁ শান্তি নাপাই। গাঁৱৰ মানুহখিনিৰ দৰে নিভাঁজ মৰম তেওঁলোকৰ মাজত বিচাৰি ফুৰে। তেওঁ বিচাৰে প্ৰাণৰ স্পৰ্শ আৰু বাৰ্ধক্যৰ শূণ্যতা দূৰ কৰিব পৰা সঙ্গ-সুধা।

নগৰৰ মানুহৰ মানসিকতাও দিলীপৰ দেউতাকৰ মাধ্যমেৰে উপন্যাসিকে উপস্থাপন কৰিছে। বাৰ্ধক্য সম্পৰ্কে নগৰৰ মানুহৰ চিন্তাধাৰাত তেওঁ শংকিত হয়। নগৰৰ আধুনিক মানুহৰ বাবে "বাৰ্ধক্য যেন আধুনিক মানুহৰ চকুত এটি অপৰাধ।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৮৮ ) এই ভাৱধাৰা সম্পৰ্কে জ্ঞাত হৈ দিলীপৰ দেউতাকৰ মনটোত এটি অপৰাধবোধে আমনি কৰিবলৈ ধৰিলে তেওঁ গাঁওখনলৈ, ঘৰখনলৈ ওলটি যাবলৈ হাহাকাৰ কৰে। নগৰৰ কৃত্ৰিমতাৰ পৰা আঁতৰি গাঁৱত আপোন জ্ঞান কৰা সকলৰ মৰম চেনেহৰ মাজত আৱদ্ধ হৈ থাকিব বিচাৰিছে।

দিলীপৰ দেউতাকৰ মানসিক অন্তঃদ্বন্দ্ব উপন্যাসখনত সুন্দৰকৈ প্ৰকাশ কৰিছে। তেওঁ ভাবে—"এজন মৃত্যু পথযাত্ৰী অতি বৃদ্ধ মানুহ যে তেওঁলোকৰ ওপৰত আমৰণ বোজা হ'বলৈ আহিছে সেই কথা জানি বাৰু বোৱাৰীয়েকে কি ভাবিছে? কথাষাৰ মনলৈ অহাৰ লগে লগেই এটা ভীষণ অস্বস্তিত দিলীপৰ দেউতাকৰ মনটো ধৰফৰাই উঠে।"

(প্ৰাগুক্ত গ্ৰন্থ, পৃ.৯১)

দিলীপৰ দেউতাকক পুতেকৰ ঘৰৰ সুখ সুবিধাই সন্তোষ দিব পৰা নাই। তেওঁৰ আপোন ঠাইখনৰ স্মৃতিয়ে আমনি কৰিছে তাঁলৈ যাবলৈ উদ্বাউল হৈছে — "পুতেকৰ ঘৰৰ বিপুল আৰামৰ জীৱনো কিবা এটা বিশেষ বস্তুৰ অভাৱত তেওঁৰ কাৰণে বিবৰ্ণ আৰু নিৰানন্দ হৈ উঠিছে।" — তেওঁ ছাটি ফুটি কৰি মৰিছে, তেওঁৰ ঘৰৰ আলিবাটৰ সিপাৰৰ এজাৰ গছকেইজোপা চাবলৈ, বোৱাল গছজোপাৰ ডালত বহি নাচি থকা ফেচুলুকা চৰাই কেইজনী চাবলৈ, গধূলিৰ পৰত গৰুৰ হেম্বেলনি শুনিবলৈ, তেওঁৰ মৰমৰ মেকুৰীজনীক আদৰ কৰিবলৈ, গাঁৱৰ মানুহৰ হুঁটা মাত-কথাবোৰ শুনিবলৈ, গধূলিৰ স্নিগ্ধ অন্ধকাৰত আকাশৰ তৰাবোৰৰ অনন্ত নীৰৱতাৰ ভাগ ল'বলৈ।"

(প্ৰাগুক্ত গ্ৰন্থ, পৃ.৯৩ )

অৱশেষত নিজৰ আপোন ঘৰখনলৈ যাবলৈ আশা কৰি কৰিয়েই দিলীপৰ দেউতাকৰ মৃত্যু হয়। এনেদৰে দিলীপৰ দেউতাকৰ জৰিয়তে বৃদ্ধকালৰ স্বৰূপ চিত্ৰিত কৰিছে।

দিলীপৰ পত্নী সাবিত্ৰীয়ে উপন্যাসখনৰ কাহিনী বিকাশত সহায় কৰিছে। তেওঁক উপন্যাসখনৰ আৰম্ভণিতেই উপস্থাপন কৰিছে — দিলীপৰ দেউতাকক শুশ্ৰূষা কৰাত সাবিত্ৰীয়ে অৱহেলা কৰা নাই। দিলীপৰ কথাত তেওঁৰ উগ্ৰতা আৰু অসন্তুষ্টি প্ৰকাশ পাইছে — "তোমাৰ দেউতাৰাক সুখত ৰাখিবৰ কাৰণে মানুহে কৰিব পৰা কোনো কামেই আমি কৰিবলৈ বাকী ৰখা নাই - আজিকালিৰ কোনো চহৰীয়া শিক্ষিতা বোৱাৰীয়ে সিমানখিনি নকৰে।"

(প্ৰাগুক্ত গ্ৰন্থ, পৃ.৭৬)

কুনাল আৰু অদিতিৰ চৰিত্ৰৰ জৰিয়তে দিলীপৰ দেউতাকৰ চৰিত্ৰটোৰ বিকাশত সহায় কৰিছে আৰু নৱপ্ৰজন্মৰ বৃদ্ধলোকৰ প্ৰতি থকা মানসিকতাক উপস্থাপন কৰিছে — দিলীপৰ বন্ধু চন্দ্ৰৰ দেউতাকৰ বৃদ্ধ অৱস্থাৰ যন্ত্ৰণা দেখি কুনালে এনেদৰে ক'বলৈ সংকোচ কৰা নাই — 'মানুহ ইমান বয়সলৈকে জীয়াই থকা উচিত নহয়। নিজেও খুব কষ্ট পায়, আনকো দিয়ে। (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২০)

কাৰ্তিক বসু চৰিত্ৰটোৰ জৰিয়তে বৃদ্ধকালৰ শাৰীৰিক যন্ত্ৰণাক সহজভাবে ল'ব নোৱাৰা এজন ব্যক্তিৰ মানসিকতা উপস্থাপন কৰিছে। তেওঁ বৃদ্ধ দেউতাকৰ শাৰীৰিক যন্ত্ৰণাই পীড়া কৰা অৱস্থা চাবলৈ সাহস কৰিব নোৱাৰে। তাৰ বাবে তেওঁ অপৰাধবোধ কৰে — "মই যে দেউতাক মৃত্যু শৰ্য্যাত চাবলৈ যোৱা নাছিলোঁ যাব পৰা নাছিলোঁ তাৰ কাৰণে এটা ভীষণ অপৰাধবোধ-পাপৰ্বোধ বুলি ক'লৈহে বোধহয় বেছি শুদ্ধ হ'ব — মোৰ মনত স্থায়ীভাবে বাঁহ বান্ধিবলৈ ধৰিছিল।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১১)

চন্দ্ৰ চৰিত্ৰটোৰ জৰিয়তেও বাৰ্ধক্যক সহজভাবে নলৈ অপৰাধবোধত ভোগা ব্যক্তিৰ স্বৰূপ চিত্ৰিত কৰিছে। তেওঁ বৃদ্ধকালৰ যন্ত্ৰণাত ভোগা দেউতাকৰ শুশ্ৰূষা কৰি মাজে মাজে বিৰক্ত হৈছে — "বৃদ্ধ দেউতাক শুশ্ৰূষা কৰিব লগা হোৱাৰ কাৰণে মাজে মাজে মই প্ৰচণ্ড অপৰাধবোধ অনুভৱ কৰোঁ। (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২০)

কালিৰাম পণ্ডিত চৰিত্ৰটোৰ জৰিয়তে নিঃস্বাৰ্থ সমাজকৰ্মী হিচাপে চিত্ৰিত কৰিছে। যিয়ে আনৰ দুখৰ সমভাগী হৈ দেহেকেহে সহায় কৰাত ব্ৰতী হয়। এই

চৰিত্ৰটোৱে সমাজৰ এচাম মানুহক প্ৰতিনিধিত্ব কৰিছে যাৰ মাজত মৰম চেনেহৰ অভাৱ নাই। সকলোৱে মৰমত নিঃস্বাৰ্থভাবে বান্ধ খাই থাকিব পাৰে। যাৰ কাষলৈ বৃদ্ধকালৰ নিঃসঙ্গতাও আহিবলৈ সুবিধা নাপায়—তেওঁৰ মুখেৰে এইদৰে উপস্থাপন কৰিছে—"দুল; মই এতিয়া সত্তৰৰ দেওনাত ভৰি দিছোঁ। বুঢ়া হৈছোঁ কিন্তু বুঢ়া হ'বলৈ মোৰ ভয় লগা নাই। পো-বোৱাৰীৰ শ্ৰদ্ধা-ভক্তি আৰু সেৱা শুশ্ৰূষাই মোৰ জীৱনটো ভৰাই ৰাখিছে।" বলোৰাম ঠিকাদাৰ চৰিত্ৰটোৰ জৰিয়তে উচ্চ আকাংক্ষাত ব্যস্ত থকা সন্তানৰ পিতৃৰ বৃদ্ধকালৰ নিঃসঙ্গতাবোধৰ ছবি চিত্ৰিত কৰিছে — "অভাৱ বুলিবলৈ ঠিকাদাৰৰ একোৱেই নাই, তাতে পুতেকহঁতেও মাহে শ-শ টকা পঠাই থাকে। কিন্তু বুঢ়া বয়সত মানুহৰ যিটো বস্তুৰ আটাইতকৈ দৰকাৰ সেইটোৱেই তেওঁলোকৰ আটাইতকৈ ডাঙৰ অভাৱ। 'দেউতা কেনে আছে' বা 'দেউতা আজি কি খাবলৈ মন গৈছে' বুলি সুধিবলৈ কাষত এটা পুতেক নাই। গা-মূৰ বেয়া লাগিলে চেনেহৰ মাত এষাৰ দিবলৈ কাষত এজনী বোৱাৰী নাই, — "মুঠতে মৰিশালী যেন নিৰ্জন ঘৰখনত মৃত্যুৰ কাৰণে বাট চাই থকাৰ বাহিৰে তেওঁলোকৰ আৰু কৰিবলৈ আন একো কাম নাই।"

(প্ৰাগুক্ত গ্ৰন্থ, পৃ.৫৭ )

মথুৰাপণ্ডিত চৰিত্ৰটোৰ জৰিয়তে বাৰ্ধক্যৰ পীড়াত স্মৃতি শক্তি হেৰুওৱা মানুহৰ জীৱনৰ বাস্তৱ ছবি চিত্ৰিত কৰিছে। ডাঃ শৰ্মা চৰিত্ৰটোৰ মাধ্যমেৰে উপস্থাপন কৰিছে মানুহ যে প্ৰকৃতিৰ দাস আৰু প্ৰকৃতিৰ বিধান যে মানুহে চলিবলৈ বাধ্য। "মানুহ যিমানেই বুদ্ধিমান নহওক কিয় - প্ৰকৃতিৰ চিৰন্তন আৰু ৰহস্যময় প্ৰজ্ঞাৰ তুলনাত মানুহৰ মেধা অতি তুচ্ছ আৰু নগণ্য। জীৱনৰ অৰ্থ আৰু মহত্ব উপলব্ধি কৰিবলৈ হ'লে আমি প্ৰকৃতিৰ বিধান মানি চলিব লাগিব।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১১৪)

'সূৰ্য' নামৰ চৰিত্ৰটোৰ জৰিয়তেও সমাজহিতৈষী ব্যক্তিৰ স্বৰূপ চিত্ৰিত কৰিছে। এই চৰিত্ৰসমূহৰ উপৰিও উপন্যাসৰ কাহিনীৰ বিকাশ লাভ কৰাত সহায় কৰিছে বৰবাইদেউ, টুনিৰাম, দিলীপৰ সম্বন্ধীয় ভতিজা, তৰবৰী আদি চৰিত্ৰসমূহে।

উপন্যাসখনৰ মূল বিষয় হিচাপে স্থান পাইছে মানুহৰ বাৰ্ধক্যই সৃষ্টি কৰা শাৰীৰিক মানসিক জটিলতা। এই বিষয়টোৱে প্ৰধান স্থান পোৱাৰ লগতে আন আন আনুষংগিক বিষয়েও উপন্যাসখনত স্থান পাইছে তলত সেই সম্পৰ্কে আলোচনা কৰা হ'ল —

**বৃদ্ধকালৰ স্বৰূপ চিত্ৰণ ঃ**

উপন্যাসখনত মানুহৰ বৃদ্ধকালৰ শাৰীৰিক মানসিক অৱস্থাৰ স্বৰূপ প্ৰতিফলিত কৰিছে। দিলীপৰ দেউতাকৰ বৃদ্ধকালক প্ৰধান্য দি আন কেইবাজনো ব্যক্তিৰ বৃদ্ধকালৰ অৱস্থা চিত্ৰিত কৰিছে।বৃদ্ধকালত শাৰীৰিক দুৰ্বলতাৰ বাবে নিজে একো কাম কৰিব নোৱাৰা অৱস্থাৰ সৃষ্টি হয়। তেওঁলোকে বিচাৰে মৰমৰ মাত এষাৰ আৰু আনৰ পৰা গুৰুত্ব। মানুহৰ সঙ্গত থাকি অতীত ৰোমন্থন কৰি আনন্দ লাভ কৰে। কিন্তু কৰ্মব্যস্ত মানুহৰ মাজত বৃদ্ধলোকক সময় দিবলৈ আহৰি নাথাকে। সেয়ে বৃদ্ধকালছোৱাত বহু ব্যক্তি নিঃসঙ্গতাই লগৰী হৈ পৰে। 'অস্তৰাগ' উপন্যাসখনত বৃদ্ধকালৰ এনে অৱস্থাকে ৰূপ দিছে দিলীপৰ দেউতাক, মথুৰাপণ্ডিত, কাৰ্তিক বসুৰ দেউতাক, চন্দ্ৰৰ দেউতাক আদি চৰিত্ৰৰ মাজেৰে।

বৃদ্ধকালৰ শাৰীৰিক অৱয়বৰ সলনিৰ বাস্তৱ চিত্ৰ উপস্থাপনত কৰিছে এনেদৰে—"দিলীপে আগবাঢ়ি গৈ দেউতাকৰ বিছনাৰ কাষত থিয় দিলেগৈ আৰু তেওঁৰ মুখৰ ফালে কিছু সময় চাই থাকিল। মুখৰ যিখিনি ঠাইত চকু থকাৰ কথা তাত দুটা ডাঙৰ গাঁত হৈছে। চকু দুটা ইমান দলৈ বহি গৈছে যে তাক যেন আৰু দেখাই নাযায়। গাল দুখনো বহি গৈ দুটা ডাঙৰ গাঁত হৈছে। সোলা মুখখনে সামান্য মেল খাই থাকি গোটেই মুখখনকে এনে এটা অসহায় দুৰ্বল ৰূপ দিছে —" (৫২ পৃ.)

বৃদ্ধ বয়সত শাৰীৰিক দুৰ্বলতাৰ বাবে মানুহে নিজে একো কাম কৰিব নোৱাৰা হয় শাৰীৰিক অসুস্থতাৰ এই চিত্ৰ এনেদৰে বৰ্ণনা কৰিছে — "এটা উৎকট দুৰ্গন্ধ আহি দিলীপৰ নাকত লাগিল। দিলীপে দুয়োখন হাতেৰে দুইপাত দুৱাৰ ঠেলা মাৰি দিয়াৰ লগে লগে দেখিলে—নিজৰ বিষ্ঠাত লেটি লৈ দেউতাক বিছনাত অৰ্ধচেতন অৱস্থাত পৰি আছে আৰু তেওঁ সম্পূৰ্ণ নগ্ন। (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১০৮ )

মথুৰা পণ্ডিতৰ বৃদ্ধ অৱস্থাৰ বৰ্ণনা এনেদৰে দিছে — মানুহজনৰ দুই চকুৰ কোণত ফেচকুৰি জমা হৈছে ; গালত জমা হোৱা থপ্‌থপীয়া মেদবোৰ মৌ-বিছনীৰ দৰে ওলমি পৰিছে ; তলৰ ওঠখন ওলমি মুখখন সামান্য মেল খাই

পৰিছে আৰু মেলা মুখৰ ফাঁকেদি লেলাউটি ওলাই আহি দুই কোৰাৰিয়েদি বাগৰি পৰিছে। (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১০৫) বৃদ্ধকালৰ মানুহৰ মানসিকতাকো উপ্যনাসখনত চিত্ৰিত কৰিছে। বৃদ্ধবয়সত মানুহে নিজৰ চৌপাশৰ পৰিৱেশ সলনি হোৱাৰ আশা নকৰে। যিটো পৰিৱেশত অভ্যস্ত হৈ পৰে সেই পৰিৱেশটোৱেই তেওঁলোকৰ কাম্য। দিলীপৰ দেউতাকে আপোন ঘৰখন আৰু চৌপাশৰ পৰিৱেশ এৰি বৃদ্ধ বয়সত দিলীপৰ লগত নতুন পৰিৱেশলৈ যাবলৈ অমান্তি হৈছে—“উপজিবৰে পৰা আজি এই তিৰাশী বছৰ বয়সলৈকে যিখন ঠাইত যিবোৰ মানুহ আৰু যিবোৰ পশু-পক্ষী আৰু গছ লতাৰ মাজতে মই জীৱনটো কটালো যিখন ঠাইৰ বেলি ওলোৱা আৰু মাৰ যোৱা চাই চাই মই অভ্যস্ত হ'লো—সেইখন ঠাইতে মোৰ চিনাকি দৃশ্যবোৰ চাই চাই আৰু চিনাকি মাত কথাবোৰ শুনি শুনিয়ে মই শেষবাৰলৈ চকু মুদিব খোজোঁ। কোনো অচিনাকি ঠাইলৈ গৈ মই পৃথিৱীৰ পৰা শেষ বিদায় ল'ব নোখোজোঁ। বাৰ্ধক্যৰ যন্ত্ৰণা সহ্য কৰিবলৈ মোৰ শক্তি আছে; কিন্তু জীৱনৰ এই গধূলি পৰত তিৰাশী বছৰৰ চিনাকী গাঁওখন আৰু ঘৰখনৰ পৰা বিচ্ছেদ সহ্য কৰিবলৈ মোৰ শক্তি নাই।” (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৫৯ ) বৃদ্ধকালৰ অনুভৱ উপন্যাসখনত সুন্দৰ উপস্থাপন কৰিছে। বৃদ্ধ বয়সত নতুন পৰিৱেশত থকাৰ প্ৰতি অনিচ্ছাৰ কথা প্ৰকাশ কৰিছে। দিলীপৰ দেউতাকে নিজৰ স্মৃতি বিজড়িত ঠাইখনলৈ উভতি যাবলৈ ব্যাকুল হৈ পৰিছে—‘যিবোৰ সুখ আনন্দৰ লগত তেওঁ গোটেই জীৱন ধৰি অভ্যস্ত। শিক্ষিত পো-বোৱাৰী আৰু অতি মাৰ্জিত নাতি-নাতিনীৰ লগত জুখি মাখি ভদ্ৰ ভাষাৰে কথা পাতি পাতি তেওঁৰ প্ৰাণ কণ্ঠাগত হ'বৰ উপক্ৰম হৈছে—তেওঁৰ প্ৰাণটোৱে হাহাকাৰ কৰি মৰিছে, গাঁৱৰ সহজ-সৰল চহা মানুহবোৰে কথাই কথাই নানা দিহা-পটন্তৰ দি হুঁতা মাতেৰে কোৱা কথাবোৰ শুনিবলৈ—তেওঁৰ প্ৰাণ ব্যাকুল হৈ উঠিছে গাঁৱৰ গধূলিৰ কোমল নীৰৱতাৰ মধুৰ বাণী শুনিবলৈ। বিছনাত বহি শুই কেৱল কিতাপ পঢ়ি-পঢ়ি, কিংবা নিজৰ লগত কথা পাতি পাতি তেওঁৰ ভীষণ আমনি লাগিছে। তেওঁ এক বিপুল তৃষ্ণা অনুভৱ কৰিছে তেওঁৰ গাঁৱৰ ঘৰত পুৰা-গধূলি তেওঁৰ ওচৰলৈ অহা মানুহবোৰৰ লগত সুখ-দুখৰ কথা পাতি সিহঁতৰ তুচ্ছ দীনহীন জীৱনৰ হাঁহি কান্দোনৰ অংশ ল'বলৈ। (৯২ পৃ.)

বৃদ্ধলোকৰ নিঃসঙ্গতাৰ ছবিও উফন্যাসখনত সুন্দৰকৈ চিত্ৰিত কৰিছে। মানুহৰ উচ্চকাংখা আৰু নিজক প্ৰতিষ্ঠাৰ প্ৰচেষ্টাত সময়ৰ অভাৱত, আত্মীয় স্বজনৰ মাজত ব্যৱধান আহি পৰে। সন্তানে বৃদ্ধ পিতৃ-মাতৃক সময় দিব নোৱাৰাত সেইসকল লোকে নিঃসঙ্গতাৰ বলী হ'ব লগা হয়। এই নিঃসঙ্গতাৰ ছবিও উপন্যাসখনত চিত্ৰিত কৰিছে — বলোৰাম ঠিকাদাৰৰ ঘৰৰ পৰিৱেশৰ বৰ্ণনাৰ জৰিয়তে বৃদ্ধকালৰ নিঃসঙ্গতাবোধৰ চিত্ৰ ৰূপায়ণ কৰিছে — “একালৰ বৃন্দাবন একালত পৰে চন—ঠিক তেনেকুৱা। অভাৱ বুলিবলৈ ঠিকাদাৰৰ একোৱেই নাই, তাতে পুতেকহঁতেও মাহে শ, শ টকা পঠাই থাকে। কিন্তু বুঢ়া বয়সত মানুহৰ যিটো বস্তুৰ আটাইতকৈ দৰকাৰ সেইটোৱেই তেওঁলোকৰ আটাইতকৈ অভাৱ। ‘দেউতা কেনে আছে' বা দেউতা আজি কি খাবলৈ মন গৈছে' বুলি সুধিবলৈ কাষত এটা পুতেক নাই; গা-মূৰ বেয়া লাগিলে চেনেহৰ মাত এষাৰ দিবলৈ কাষত এজনী বোৱাৰী নাই; তেওঁলোকৰ শেষৰ দিনকেইটা সাৰ্থক কৰি তুলিবলৈ নাতি-নাতিনীৰ হাঁহি-কান্দোন আৰু নাচন বাগনৰ শব্দ নাই, মুঠতে মৰিশালি যেন নিৰ্জন ঘৰখনত মৃত্যুৰ কাৰণে বাট চাই থকাৰ বাহিৰে তেওঁলোকৰ আৰু কৰিবলৈ আন একো কাম নাই।” (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৫৭)

বৃদ্ধলোকৰ প্ৰতি নৱপ্ৰজন্মৰ চিন্তাধাৰাৰ প্ৰতিফলন আৰু প্ৰজন্মৰ সংঘাত উপন্যাসখনৰ মাজেৰে নতুন আৰু পুৰণি প্ৰজন্মৰ মনস্তত্বৰ প্ৰতিফলন ঘটিছে। নৱপ্ৰজন্মৰ চিন্তাধাৰাৰ লগতে বৃদ্ধসকলৰ চিন্তাধাৰাৰ অমিলৰ বাবেই অন্তঃদ্বন্দ্বৰ সন্মুখীন হয়। দিলীপৰ দেউতাকৰ জৰিয়তে উপন্যাসখনত নতুন আৰু পুৰণি প্ৰজন্মৰ মাজত সংঘাত চিত্ৰিত কৰিছে। নৱপ্ৰজন্মৰ দৃষ্টিত বৃদ্ধলোকসকলৰ প্ৰতি থকা ধাৰণা এনেদৰে চিত্ৰিত কৰিছে — চন্দ্ৰৰ দেউতাকৰ বৃদ্ধকালৰ শাৰীৰিক অসুস্থতা দেখিব কুণালে এনেদৰে ক'বলৈ সংকোচ কৰা নাই— “বুঢ়াজনৰ পৰা চন্দ্ৰ খুৱাহঁতৰ গোটেই মানুহ ঘৰৰে বৰ কষ্ট হৈছে। কেচুঁৱাৰ নিচিনাকৈ গোটেই দিনটো তেওঁক নানাৰকমৰ সেৱা-শুশ্ৰূষা কৰি থাকিব লগা হয়। বুঢ়াজন মৰিলেই যেন মানুহঘৰ ৰক্ষা পৰে। তেওঁলোকে যদি সঁচাকৈয়ে তেনেকৈ ভাবিছে তেন্তে তাৰ কাৰণে তেওঁলোকক অকনো দোষ দিব নোৱাৰি। মানুহ ইমান বুঢ়া বয়সলৈকে জীয়াই থকা উচিত নহয়। নিজেও খুব কষ্ট পায়, আনকো কষ্ট দিয়ে।” (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২০)

দিলীপৰ দেউতাকৰ চিন্তাধাৰা দেখি কুনালে কৈছে— "ককাদেউতাৰ আচল প্ৰব্লেম হৈছে জেনেৰেশ্যন গেপ।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৭৭)

দিলীপৰ দেউতাকৰ জৰিয়তেও প্ৰজন্মৰ সংঘাত প্ৰতিফলিত কৰিছে। দিলীপৰ দেউতাকৰ মতে নৱ প্ৰজন্মই জানিব লগা কথা হ'ল পুৰণি সাহিত্য, ঐতিহ্যৰ কথা। কিন্তু নিজৰ সভ্যতা সংস্কৃতিৰ প্ৰতি অজ্ঞ নৱপ্ৰজন্মক দেখি দিলীপৰ দেউতাক আচৰিত হয়—তেওঁ সেয়ে কুনালক কৈছে — "তোমালোকৰ লগত কথা পাতি এই কেইদিনতে মই ভালকৈ বুজি পাইছো যে তোমালোকে ইংলণ্ডৰ বিষয়ে ইংৰাজ ল'ৰা-ছোৱালীতকৈ বা ৰাছিয়াৰ বিষয়ে ৰাছিয়ান ল'ৰা-ছোৱালীতকৈ বেছি কথা জানা ; কিন্তু নিজৰ দেশৰ বিষয়ে একো কথাই নাজানো। সেই কাৰণেহে মই মাজে মাজে তোমোলোকক কওঁ যে তোমালোকে যি ভাষাত কথা কোৱা সেই ভাষা মই বুজিবলৈ টান পাওঁ। (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৮০)

নৱ প্ৰজন্মৰ পুৰণি প্ৰজন্মৰ প্ৰতি আত্মীয়তাৰ উপলব্ধি আৰু প্ৰাণৰ পৰশ কম। এই কথা এনেদৰে চিত্ৰিত কৰিছে — "সিহঁতৰ চকুত দিলীপৰ দেউতাক পৃথিৱীৰ যিকোনো এজন বুঢ়া মানুহ মাত্ৰ। তাৰ বেছি একো নহয়। দিলীপৰ নিৰ্দেশ মানি সিহঁতে ককাদেউতাকক সঙ্গ দিবলৈকো চেষ্টা কৰিব। কিন্তু এই গোটেইবোৰৰ মাজত অনুপস্থিত থাকিব সেই আচল বস্তুটো—প্ৰাণৰ পৰশ—যিটো বস্তুৰেই এতিয়া দিলীপৰ দেউতাকৰ প্ৰয়োজন আটাইতকৈ বেছি।"

(প্ৰাগুক্ত গ্ৰন্থ, পৃ.৬২)

**গ্ৰাম্য জীৱন ধাৰাৰ চিত্ৰণ ঃ**

উপন্যাসখনৰ মাজেৰে গ্ৰাম্য সমাজৰ লগতে প্ৰকৃতিৰ নৈসৰ্গিক চিত্ৰও চিত্ৰিত কৰিছে—গাঁৱৰ মানুহৰ সহজ-সৰল জীৱন যাত্ৰা। য'ত দেখা যায় আনৰ দুখ-কষ্টৰ সমভাগী হোৱা লোক। তেনে লোকৰ প্ৰতিনিধি হিচাপে চিত্ৰিত কৰিছে কালীৰাম পণ্ডিত। দিলীপৰ দেউতাকক তেওঁ নিঃস্বাৰ্থভাবে দিনে ৰাতিয়ে শুশ্ৰূষা কৰিছে। দিলীপৰ ভতিজা ল'ৰাটোৰে কৈছে—"পণ্ডিতে ককাদেউতাৰ ভৰি-পঠানত কঠ এখনত বহি কলমটিয়াব লাগিছে। ককাদেউতাক পৰ দি গোটেই ৰাতিটো তেওঁ উজাগৰে থাকে, সেই কাৰণে দিনৰ ভাগত তেওঁ এনেকৈয়ে টোপনিখিনি পূৰাই লয়।" (২৩ পৃ.)

গ্ৰামীণ জীৱনৰ চিকিৎসা ব্যৱস্থাৰ ছবিখনো উপন্যাসখনত উপস্থাপন কৰিছে—"নামত যদিও এখন চৰকাৰী হাস্পতাল আছিল, কিন্তু বছৰটোৰ বাৰ মাহৰ ভিতৰত দহমাহেই তাত কোনো ডাক্তৰ নাছিল— গাঁৱলীয়া মানুহে আধুনিক ডাক্তৰী চিকিৎসা ল'ব নুখুজিছিল। কাৰোবাৰ কিবা টান বেমাৰ হ'লেই মানুহে প্ৰথমে ঢাপলি মেলিছিল বামুণ-গণক কিংবা মঙলতীৰ ওচৰলৈ। সকামে-নিকামে ফল দিয়া নেদেখিলেহে মানুহে গাঁৱলীয়া বেজ জ্ঞানীৰ ওচৰ চাপিছিল। তেওঁলোকে কেৱল ভাগ্যক ধিয়াই ৰোগীৰ বিছনাৰ কাষত বহি পাল পাতি পাতি পৰ দিছিল।"

(প্ৰাগুক্ত গ্ৰন্থ, পৃ.৩৭)

উপন্যাসখনত গাঁৱৰ প্ৰাকৃতিক পৰিৱেশৰ বৰ্ণনা এনেদৰে চিত্ৰিত কৰিছিল— "বেলি ডুব যোৱাৰ লগে লগেই চাৰিওফালৰ হাবি-বননিৰ মাজৰ পৰা অসংখ্য বিচিত্ৰ কীট-পতঙ্গই সমস্বৰে চিঞৰিবলৈ আৰম্ভ কৰি ৰাতিৰ পৃথিৱীখনৰ ওপৰত সিহঁতৰ আধিপত্য ঘোষণা কৰে ; বাৰীৰ পিছফালৰ বাঁহনিত শিয়ালবোৰে একেলগে হোৱা দি উঠে। শেষবাৰলৈ পথাৰ এৰাৰ আগতে গাইগৰুবোৰে ডাঙৰ ডাঙৰকৈ হেম্বেলিয়াই পোৱালীবোৰক মাতে; নামঘৰত কোনোবাই দবা কোবাই মানুহবোৰকো যেন আন এখন জগতলৈ মাতে। আকাশত এটা দুটাকৈ তৰা ওলাবলৈ ধৰে ; গোটেই গাঁওখনৰ ঘৰে ঘৰে কৰ্মশ্ৰান্ত মানুহবোৰৰ ঘৰৰ পিৰালিত বা চোতালত বহি কৃতজ্ঞচিত্তে গধূলিৰ এই শান্তিখিনি উপভোগ কৰে।"

(প্ৰাগুক্ত গ্ৰন্থ, পৃ.৮৩)

গ্ৰাম্য সমাজৰ কৰ্মময় দৈনন্দিন জীৱনৰ ছবিও সুন্দৰভাবে উপস্থাপন কৰিছে। দিলীপে নগৰলৈ উভতি যোৱাৰ আগদিনা গাঁওখন চাবলৈ গৈ দেখা দৃশ্যবোৰৰ বৰ্ণনাৰ মাজেৰে গ্ৰাম্য সমাজৰ কৰ্মময় জীৱনৰ ছবি এনেদৰে চিত্ৰিত কৰিছে— "ফাগুণ মাহৰ পুৱাৰ উজ্বল সোণালী ৰ'দত গোটেই গাঁওখন জলমল কৰিছে। কাৰোবাৰ গোহালিত ঘৰৰ জীয়ৰী বা বোৱাৰীয়ে গাখীৰ খীৰাইছে। ছয়-সাত বছৰীয়া ছোৱালীকেইজনী মানে বোকোচাত কেঁচুৱা বান্ধি এঘৰৰ পদূলিত থিয় হৈ কিবা এটা গহীন বিধৰ আলোচনাত মগ্ন হৈ পৰিছে। বাটৰ কাষৰ ৰাজহুৱা পকা নাদত কেইবাগৰাকী তিৰোতাই কেহেলি-কেন্দেলি কৰি কাপোৰ ধুইছে। এঘৰৰ বাৰীত বোৱাৰী এজনীয়ে এড়ি পলুক খুৱাবৰ কাৰণে এৰাপাত বুটলিছে। আন এঘৰত

আকৌ ঘৰৰ বুঢ়ীগৰাকীয়ে হাতত খৰাহি এটা লৈ বনশাক বুটলি ফুৰিছে। বাটৰ সিপাৰৰ খাৰৈত জাবৰ পেলাবলৈ আহি বোৱাৰী এজনীয়ে দিলীপক দেখি ওৰণিখন টানি ঠাইতে বহি পৰিছে। দুঘৰমানত বোৱাৰী-জীয়ৰী মিলি বিহুৰ গামোচাৰ কাৰণে তাঁত বাটি কৰিবলৈ আৰম্ভ কৰিছে।" (৬৮ পৃ.)

গ্ৰাম্য জীৱন ধাৰাত মানুহৰ মাজত থকা নিভাঁজ প্ৰেমৰ ছবিও উপন্যাসখনত প্ৰকাশ পাইছে। যি প্ৰেমৰ সুখ ধন ঐশ্বৰ্যইও দিব নোৱাৰে— দিলীপৰ দেউতাকে অন্ধকাৰ বাৰাণ্ডাখনত অক'লে অক'লে বহু সময় বহি থকা স্বত্বেও দিলীপৰ পত্নী বা পুত্ৰ কোনেও তেওঁক এবাৰো ভিতৰলৈ মাতিবলৈ প্ৰয়োজনবোধ নকৰা দেখি দিলীপৰ দেউতাকৰ বাৰে বাৰে নিজৰ ঘৰখনলৈ গাঁওখনলৈ মনত পৰে য'ত পোৱা যায় প্ৰাণৰ পৰশ সঙ্গ সুখ— "তেওঁৰ অভিমান হৈছিল এই বুলি ভাবি যে আবেলিৰে পৰা সাঁজ লাগি ভগাৰ পৰলৈকে তেওঁ শিলৰ মূৰ্ত্তিৰ দৰে একেথৰে অন্ধকাৰ বাৰান্দাত বহি থকা দেখিও কোনেও তেওঁক এবাৰো ভিতৰলৈ মাতিবৰ প্ৰয়োজন অনুভৱ কৰা নাই। বাৰে বাৰে তেওঁৰ নিজৰ ঘৰখনলৈ মনত পৰিছিল। লগুৱা-লিগিৰাবোৰৰ লগত তেওঁৰ তেজৰ সম্পৰ্ক নহ'লে কি হ'ব, কিন্তু প্ৰাণৰ সম্পৰ্ক ইমান গভীৰ হৈ উঠিছিল যে তেওঁক বাহিৰত এনেকৈ অকলশৰে বহি থকা দেখিলে কানুৰ মাকে ইমানপৰে এশবাৰমান তেওঁক ভিতৰলৈ যাবলৈ বুলি ধমক দিলেহেঁতেন বা ৰবিলালে ওচৰতে বহি লৈ লাগ বান্ধ নোহোৱা বাৰে ভচহু কথা কৈ তেওঁক সঙ্গ দিবলৈ চেষ্টা কৰিলেহেঁতেন। কিন্তু নিজৰ পো-বোৱাৰীৰ ঘৰলৈ আহি তেওঁৰ এনেহে অৱস্থা হৈছে যে তেওঁ আছে নে নাই কাৰো খবৰেই নাই। ঘড়ীৰ কাটা ধৰি ইয়াত তেওঁ গা-ধোৱাৰ সময়ত গৰম পানী পায়, খোৱাৰ সময়ত খাবলৈ পায়, বেমাৰত শয্যাশায়ী হৈ থাকিলে নিপুণ শুশ্ৰূষাও পায় অৰ্থাৎ হাস্পাতালৰ পেয়িং ওৱাৰ্ডত কিংবা এটা ব্যয়বহুল নাছিংহোমত পাব পৰা সকলো সুবিধা আৰু পৰিচৰ্যাই ইয়াত পোৱা যায়। পোৱা নাযায় কেৱল প্ৰাণৰ স্পৰ্শ, বাৰ্ধক্যৰ শূণ্যতা দূৰ কৰিব পৰা সঙ্গ-সুধা। (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৮১)

গাঁৱৰ সমাজত মানুহৰ মাজত আত্মীয়তাৰ সম্পৰ্ক বেছি, সকলোৱে সকলোৰে সুখ-দুখৰ সমভাগী। বৃদ্ধাৱস্থাৰ নিঃসঙ্গতাই গ্ৰাম্য সমাজত পীড়া কৰিব নোৱাৰে — কালীৰাম পণ্ডিতৰ বক্তব্যৰে এই চিত্ৰ ফুটি উঠিছে— "মোৰ যেতিয়া মৰিবৰ সময় আহিব, তেতিয়া মই পো-বোৱাৰী, নাতি-নাতিনী আৰু গাঁৱৰ মানুহৰ মৰম-চেনেহৰ মাজত শেষ বাৰলৈ চকু মুদিম। মোৰ পিতা, মোৰ ককা, মোৰ আজোককা, মোৰ আজোককাৰ আজোককা পুৰুষৰ পিছত পুৰুষ ধৰি আমাৰ গাঁৱলীয়া খেতিয়ক সমাজৰ সকলোৱেই এনেকৈয়ে জীৱন কটাইছিল আৰু এনেকৈয়ে মৰিছিল।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৫৪ পৃ.)

**সমাজৰ পৰিবৰ্ত্তিত ৰূপৰ চিত্ৰণ ঃ**

সময়ৰ লগে লগে সমাজ এখনলৈও পৰিবৰ্ত্তন আহে। সেই পৰিবৰ্ত্তিত ৰূপৰ ছবিও উপন্যাসখনৰ মাজেৰে চিত্ৰিত কৰিছে। যিমানেই জনগণ শিক্ষিত হয় উচ্চাকাংক্ষা বাঢ়ি যায়। ফলত আত্মনিৰ্ভৰশীল হ'বলৈ কৰা প্ৰচেষ্টাত ব্ৰতী হওঁতে আত্মীয় স্বজনৰ লগত দূৰত্ব কমি যায়। গ্ৰাম্য জীৱনৰ পৰা আঁতৰি গৈ নগৰত প্ৰতিষ্ঠিত হোৱাৰ হেপাহেও সমাজখনলৈ পৰিবৰ্তন আনে। এই পৰিবৰ্তনৰ ফলত মানুহৰ মাজত সম্পৰ্কৰ দূৰত্ব বাঢ়ি যায়। আন্তৰিক সম্বন্ধৰ অভাৱ পৰিলক্ষিত হয়। এই আন্তৰিক সম্বন্ধৰ সংশয়ৰ ছবি কালিৰাম পণ্ডিতৰ মুখেৰে উপন্যাসিকে এনেদৰে উপস্থাপন কৰিছে— মোৰ যেতিয়া মৰিবৰ সময় আহিব, তেতিয়া মই পো-বোৱাৰী নাতি-নাতিনী আৰু গাঁৱৰ মানুহৰ মৰমচেনেহৰ মাজত শেষ বাৰলৈ চকু মুদিম। কিন্তু মোৰ ল'ৰাহঁতে ঠিক তেনেকৈয়ে জীৱনটো শেষ কৰিবলৈ পাবনে নাপাব সেই কথা মই আৰু আজি খাটাংকৈ নাজানো।"

(প্ৰাগুক্ত গ্ৰন্থ, পৃ.৫৪)

নগৰমুখী যাত্ৰাৰ প্ৰতিচ্ছবি আৰু জনমানসৰ চিন্তাধাৰাৰ অৱলোকন উপন্যাসখনত উপস্থাপিত কৰিছে। গাঁৱৰ জনগণে উচ্চ শিক্ষা লাভ কৰি নগৰত সংস্থাপিত হোৱাৰ প্ৰয়াস কৰে। যিসকলে সেই প্ৰচেষ্টাত সফল হ'ব নোৱাৰে তেওঁলোক জীৱনক লৈ সন্তুষ্ট নহয়। জনমানসৰ এই পৰিবৰ্ত্তিত চিন্তাধাৰা এনেদৰে উপস্থাপন কৰিছে— "আজিকালি গাঁৱৰো বেছিভাগ মানুহৰ ল'ৰাই উচ্চশিক্ষা লাভ কৰি চহৰবাসী হৈছে ; কোনোবা হয়তো কেৰাণী-মহৰী, কোনোবা হাকিম-মুনচুপ, ডাক্তৰ-উকীল ইত্যাদি। যি সেইবোৰ একো হ'ব পৰা নাই সিও হয়তো পান দোকান এখন দিয়েই বা কাৰোবাৰ ঘৰত লগুৱা হৈয়েই চহৰবাসী হৈছে ; তথাপি কাৰো গাঁৱত থাকিবলৈ মন নাই। টিকা

চেলাই পথাৰত হাল বাবলৈ আৰু কোনেও নিবিচাৰে। সকলোৱে গাঁৱৰ পৰা চহৰলৈ পলাব খোজে। যিবোৰ নিৰুপায় হৈ গাঁৱতে থাকিবলৈ বাধ্য হৈছে। সিহঁতৰ মনত অকণো সুখ নাই, আনন্দ নাই। সিহঁতৰ নিজৰ মনতো সুখ নাই, মাক-বাপেকৰ মনতো সুখ নাই। জীৱনৰ প্ৰতিযোগিতাত হাৰি যোৱাৰ অপমানত সিহঁতে সদায় তলমূৰ কৈ থাকে। সিহঁতৰ যিবোৰ ভাই-ককাই বা বন্ধু-বান্ধৱে ধোবাই ধোৱা কাপোৰ পিন্ধি বছৰত বিহুৱে সংক্ৰান্তিয়ে এবাৰ বা দুবাৰ গাঁৱৰ ঘৰলৈ আহে, সিহঁতক দেখি গাঁৱলীয়া কেইটা ঈষাত জ্বলি পুৰি মৰে।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৫৫)

গ্ৰাম্যজীৱন আৰু নগৰীয়া জীৱনৰ সম্পৰ্কৰ প্ৰতিচ্ছবি উপন্যাসখনত প্ৰতিফলিত কৰিছে। দিলীপৰ দেউতাকে অনুভৱ কৰে নগৰত যেন গাঁৱৰ মানুহৰ দৰে আত্মীয়তাৰ অভাৱ। নিঃসঙ্গতাই আমনি কৰে—"পুতেকৰ ঘৰত থাকি তেওঁৰ অকণো ভাল লগা নাই। নিজৰ পো-বোৱাৰী আৰু নাতি-নাতিনীৰ লগত থাকিও তেওঁ এনে এক বিপুল শূণ্যতা আৰু নিঃসঙ্গতা অনুভৱ কৰিছে—যি ধৰণৰ শূণ্যতা আৰু নিঃসঙ্গতা তেওঁ গাঁৱৰ নিজৰ ঘৰত লগুৱা-লিগিৰীবোৰৰ মাজত থাকিও অনুভৱ কৰা নাছিল। বোৱাৰীয়েকে ঘড়ীৰ কাটা চাই নিৰ্দ্দিষ্ট সময়ত চাহ-ভাতৰ যোগান ধৰে আৰু দিনটোত দুবাৰকৈ নিৰ্দ্দিষ্ট সময়ত তেওঁৰ সুবিধা-অসুবিধাৰ খবৰ লয় ; কুণাল আৰু অদিতিয়ে সদায় আবেলি পৰত খন্তেক সময় তেওঁৰ ওচৰত বহেহি আৰু কথা পাতিবলৈ অপ্ৰাণ চেষ্টা কৰে। সিহঁতৰ কথা বাৰ্তা আৰু আচৰণ ভাবিব নোৱৰা ধৰণে মাৰ্জ্জিত। গাঁৱলীয়া মানুহৰ অনভ্যস্ত কাণত অভিনয় যেনেই লাগি যায়। — সিহঁতৰ সেই তুহিন-শীতল ভদ্ৰতাৰ অন্তৰালত ঔচিত্যবোধ যিমান প্ৰবল তাৰ তুলনাত মমত্ববোধ প্ৰায় শূণ্য বুলিয়ে ক'ব পাৰি।"

(প্ৰাগুক্ত গ্ৰন্থ, পৃ.৮৭)

"বাৰ্ধক্য যেন আধুনিক মানুহৰ চকুত এটা অপৰাধ।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৮৫) নগৰৰ মানুহে ঘৰত বুঢ়া শাহু-শহুৰ থাকিলেও ছোৱালী বিয়া নিদিয়ে— এনে আত্মীয়তাৰ অভাৱ থকা নগৰীয়া জীৱনৰ চিত্ৰ এনেদৰে প্ৰকাশ কৰিছে—"আজিকালিৰ আধুনিকা ছোৱালীয়ে শাহু-শহুৰ নোহোৱা নিজঞ্জাল ঘৰ এখনহে পছন্দ কৰে। সেই কাৰণে ছোৱালীৰ মাক-বাপেকেও পৰাপক্ষত বুঢ়া মাক-বাপেক নথকা বা থাকিলেও মাক-বাপেকৰ পৰা আঁতৰি বেলেগে ঘৰ পাতি থকা ল'ৰালৈহে ছোৱালী দিবলৈ ইচ্ছা কৰে।"

(*প্ৰাগুক্ত গ্ৰন্থ*, পৃ.৯০ )

কিন্তু গ্ৰাম্য সমাজত আত্মীয়তাৰ পৰশত সকলোৱে সকলোৰে সুখ-দুখৰ সমভাগী। বৃদ্ধকালৰ নিঃসঙ্গতাই গ্ৰাম্য পৰিৱেশত থকা ব্যক্তিক স্পৰ্শই কৰিব নোৱাৰে। কালীৰাম পণ্ডিতে গাঁৱত থাকি সেই নিঃসঙ্গতা উপলব্ধি কৰিব লগা হোৱা নাই। তেওঁ অকলশৰীয়া অনুভৱ কৰিবলৈ সুবিধাই নাপায়। পো-বোৱাৰী নাতি-নাতিনীৰ মৰমৰ আবেশত তেওঁ ধন্য। সেয়ে পণ্ডিতে কৈছে—"দুল, মই এতিয়া সত্তৰৰ দেওনাত ভৰি দিছোঁ। বুঢ়া হৈছোঁ। কিন্তু বুঢ়া হ'বলৈ মোৰ ভয় লগা নাই। পো-বোৱাৰীৰ শ্ৰদ্ধাভক্তি আৰু সেৱা শুশ্ৰূষাই মোৰ জীৱনটো ভৰাই ৰাখিছে। পুৱা শৰ্য্যা ত্যাগ কৰাৰ লগে লগে বোৱাৰীয়ে বা গাভৰু নাতিনীজনীয়ে মুখ ধুবলৈ লোটা-গামোচা যতনাই দিয়ে—জাৰৰ দিনত চোতালত বহি যেতিয়া মিঠা ৰ'দ গাত লওঁ, নাতি-নাতিনীবোৰে মোৰ গায়ে-মূৰে বান্দৰ বগোৱা দিয়ে। গা ধুই নাম প্ৰসঙ্গ কৰি যেতিয়া জলপান খাবলৈ বহো, নাতি-নাতিনীবোৰে মোৰ চাৰিওফালে পৰুৱাৰ দৰে লমা বান্ধে। — জাৰৰ দিনত জুহালৰ গুৰিত বহি নাতি-নাতিনীবোৰক ৰামায়ণ মহাভাৰতৰ কাহিনী কৈ শুনাওঁ বা সিহঁতৰ জেউৰ ভাঙোঁ। দিনটো কেনেকৈ পাৰ হৈ যায় মই ক'বই নোৱাৰোঁ। — বুঢ়া হৈ অহাৰ পৰা লগে দেখিছো যে গোটেই গাঁওখনৰ মানুহেই মোৰ নিজৰ ল'ৰা-ছোৱালীৰ নিচিনা হৈ পৰিছে।" (প্ৰাগুক্ত গ্ৰন্থ,৫৩-৫৪ পৃ.)

**মানুহৰ মনৰ অন্তঃদ্বন্দ্বৰ বাস্তৱ প্ৰতিফলন ঃ**

উপন্যাসখনত দিলীপ চৰিত্ৰটোৰ জৰিয়তে মানুহৰ মনত চলি থকা অন্তঃদ্বন্দ্বৰ সুন্দৰ ভাৱে প্ৰতিফলিত কৰিছে। দিলীপে দেউতাকৰ অসুখ বুলি লিখা টেলিগ্ৰামখন পাই এফালে স্বস্তি আৰু আনফালে হতাশ অনুভৱ কৰিছে। স্বস্তি অনুভৱ কৰিছিল দেউতাক এতিয়াও জীয়াই আছে বুলি আৰু হতাশ হৈছিল শৰ্যাগত যন্ত্ৰণাই পীড়া কৰা দেউতাকৰ মৃত্যু নোহোৱা বাবে। দিলীপে আশা কৰিছিল মৃত্যুৰ দ্বাৰা দেউতাকৰ যন্ত্ৰণাময় জীৱনৰ অৱসান ঘটক—"মৃত্যুৱে যেন ইমানতে বাৰ্ধক্যৰ এই চৰম যন্ত্ৰণা আৰু অৱমাননাৰ পৰা দেউতাকক ৰক্ষা কৰে। অতি সোনকালেই এখন টেলিগ্ৰামে যেন তেওঁলৈ দেউতাকৰ মৃত্যুৰ বাতৰি কঢ়িয়াই আনে।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৪-৫) দিলীপে

দেউতাকৰ যন্ত্ৰণাময় বাৰ্ধক্য চাব বিচৰা নাই। "বাৰ্ধক্যৰ হাতত জীৱনৰ কৰুণ আৰু অপমানজনক পৰাজয়ৰ দৃশ্য চাবলৈ মোৰ ইচ্ছা নাই, সাহস নাই, মানসিক প্ৰস্তুতি নাই।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৭) সেয়ে দেউতাকৰ শাৰীৰিক কষ্টৰ অৱসান ঘটাব বাবে মৃত্যু কামনা কৰিছে। এনেদৰে ভাবি দিলীপে অপৰাধ কৰিছে বুলি ভাবে— "এটা গোপন অপৰাধবোধে দিলীপক দংশন কৰিবলৈ ধৰিলে।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১৪) দিলীপৰ দেউতাকৰ জৰিয়তেও মানুহৰ মাজত চলি থকা অন্তঃদ্বন্দ্ব উপস্থাপন কৰিছে। দিলীপৰ দেউতাকে পুত্ৰ বোৱাৰী নাতিৰ মাজত থাকিও নিজকে অকলশৰীয়া অনুভৱ কৰিছে। "পুতেকৰ ঘৰৰ বিপুল আৰামৰ জীৱনো কিবা এটা বিশেষ বস্তুৰ অভাৱত তেওঁৰ কাৰণে বিবৰ্ণ আৰু নিৰানন্দ হৈ উঠিছে। — পৰম কামনাৰ বস্তুবোৰ হ'ল গাঁৱলীয়া প্ৰকৃতিৰ সেই তুচ্ছ নগণ্য দৃশ্যবোৰ আৰু গাঁৱৰ সহজ-সৰল মানুহবোৰ যিবোৰৰ লগত জীৱনৰ সুদীৰ্ঘ তিৰাশীটা বছৰ ধৰি তেওঁৰ প্ৰাণৰ নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল। সেইদিনা প্ৰায় গোটেই ৰাতি তেওঁৰ টোপনি নাহিল। জীৱনৰ গধূলি পৰত পৃথিৱীৰ পৰা চিৰবিদায়ৰ মুহূৰ্ত্তত, সকলো মানুহেই কি মোৰ নিচিনাকৈ অনুভৱ কৰে?" — এনেদৰে দিলীপৰ দেউতাকৰ মনৰ মাজত চলি থকা দ্বন্দ্ব উপস্থাপন কৰিছে।

**প্ৰকৃতিবাদী ভাবধাৰা প্ৰকাশ ঃ**

অস্তৰাগ উপন্যাসখনত প্ৰকৃতিবাদী ভাবধাৰা প্ৰকাশ পাইছে। উপন্যাসখনৰ প্ৰধান বিষয়বস্তু মানুহৰ বৃদ্ধকাল। বৃদ্ধকালৰ শাৰীৰিক, মানসিক যন্ত্ৰণা প্ৰধান বিষয় হিচাপে স্থান পাইছে। উপন্যাসখনৰ প্ৰধান চৰিত্ৰ দিলীপে দেউতাকৰ বৃদ্ধ অৱস্থাক সহজভাৱে ল'ব পৰা নাছিল। দেউতাকৰ এই যন্ত্ৰণাৰ পৰা মুক্তি পাবৰ বাবে তেওঁ দেউতাকৰ মৃত্যু কামনা কৰিছিল। দিলীপৰ মনৰ এই অন্তঃদ্বন্দ্ব, সংশয়ৰ পৰা উপশম পাবৰ বাবে তেওঁৰ বন্ধু উকীল কাৰ্তিক বসু, চন্দ্ৰ আৰু ডাঃ শৰ্মাৰ লগত হোৱা মত বিনিময়ৰ জৰিয়তে তেওঁ শেষত বুজি পায় মানুহৰ জীৱন পৰিক্ৰমাৰ স্বৰূপ। দিলীপৰ মনত উদয় হোৱা সেই দৃষ্টিভংগীৰ মাজেৰেই উপন্যাসখনত প্ৰকৃতিবাদী দৃষ্টিভংগীৰ প্ৰতিফলন ঘটিছে।

প্ৰকৃতিবাদৰ জন্ম হৈছিল ফ্ৰান্সত। "অষ্টাদশ শতিকাৰ ফৰাচী এমিলজোলা আছিল এই মতবাদৰ প্ৰভাৱশালী প্ৰবক্তা আৰু এই মতবাদ সাহিত্যত প্ৰয়োগ কৰোতা।" *(২৩ পৃ. সাহিত্যবাদ বৈচিত্ৰ)* এমিলজোলাই তেওঁৰ উপন্যাসত প্ৰকৃতিবাদী লক্ষণ প্ৰকাশ কৰে। "প্ৰকৃতিবাদে বিশ্বাস কৰে যে প্ৰকৃতি জীৱন তথা বিশ্বজগত যিদৰে নিজস্ব নিয়মৰ দ্বাৰা নিয়ন্ত্ৰিত মানুহৰ জীৱনো তাৰ সামাজিক পটভূমি, পৰিৱেশ আৰু অৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত।" *(২৩ পৃ. সাহিত্যবাদ বৈচিত্ৰ)* "মানুহৰ উৎপত্তি প্ৰকৃতিৰ পৰা আৰু প্ৰকৃতিয়েই তেওঁৰ সকলো নিৰ্ধাৰণ কৰে; তেৰো প্ৰকৃতিৰেই এটা অংশ বা অংগ— এনে বিশ্বাসতেই সাহিত্যৰ এই আন্দোলনক জোলাই প্ৰকৃতিক আখ্যা দিছিল।" *(২৯ পৃ. উপন্যাস আৰু অসমীয়া উপন্যাস)* "সত্যক হুবহু ৰূপত প্ৰতিফলিত কৰা প্ৰকৃতিবাদীসকলৰেই ধৰ্ম" *(১৩৭ পৃ. উপন্যাস আৰু অসমীয়া উপন্যাস)*

'অস্তৰাগ' উপন্যাসখনত প্ৰকৃতিবাদৰ এই বৈশিষ্ট্যসমূহ প্ৰতিফলিত হৈছে। উপন্যাসখনত দিলীপৰ দেউতাকৰ বাৰ্ধক্যৰ শাৰীৰিক অক্ষমতাক এনেদৰে হুবহু ৰূপত প্ৰতিফলিত কৰিছে—"কেইবাদিনো ধৰি তেওঁৰ অবিৰামভাৱে জ্বৰ। খোৱাত তেওঁৰ ইমান অৰুচি হৈছে যে একেৰাহে তিনিদিন ধৰি বোলে তেওঁৰ পেটলৈ খুদকণ এটাও যোৱা নাই। অত্যাধিক দুৰ্বলতাৰ কাৰণে তেওঁ আনকি চকু দুটাও মেলিব নোৱাৰে। শৌচ কেইবাদিনো ধৰি বন্ধ, কিন্তু অৰ্ধচেতন অৱস্থাত তেওঁ মাজে মাজে প্ৰস্ৰাৱ কৰে। তেওঁৰ নাকত প্ৰথমেই আহি লাগিলহি প্ৰস্ৰাৱৰ গোন্ধটো— যিটো গোন্ধ এবছৰৰ আগতেই তেওঁ পাই গৈছিল। দিলীপৰ মনত এনেহে ভাব হ'ল যেন এবছৰ ধৰি দেউতাকে নিজৰ প্ৰস্ৰাৱতেই লেটি লৈ আছে।" মানুহৰ উৎপত্তি প্ৰকৃতিৰ পৰা আৰু প্ৰকৃতিয়েই তেওঁৰ সকলো নিৰ্ধাৰণ কৰে। তেৰো প্ৰকৃতিৰে এটি অংশ বা অংগ বুলি প্ৰকৃতিবাদৰ এই বৈশিষ্ট্যটো উপন্যাসনত পৰিলক্ষিত হৈছে—"অনন্তকাল ধৰি প্ৰকৃতিৰ জীৱনলৈ বসন্ত বাৰে বাৰে আহিব, কিন্তু তেওঁৰ, নিজৰ জীৱনৰ যি বসন্ত ইতিমধ্যেই পাৰ হৈ গ'ল সি আৰু কোনোদিনেই ঘূৰি নাহে। কিন্তু ... হঠাৎ কিবা এটা ভাবি দিলীপে চাৰিওফালে আকৌ এবাৰ চকু ফুৰাই চালে ... কিন্তু মই কিয় ভাবিছো যে মোৰ জীৱনলৈ আৰু কোনো বসন্ত ঘূৰি নাহিব? মৰণৰ পিছত মোৰ দেহটো মাটিৰ লগত সমুলি মিহলি হৈ যাব হয়, কিন্তু সিটো চিৰকাল মাটি হৈ নাথাকে, পৃথিৱীৰ গৰ্ভৰ পৰা মই এদিন আকৌ ওলাই আহিম এডাল ঘাঁহ হৈ, এটা ফৰিং হৈ, এপাহ কপৌফুল হৈ, এখন নৈ হৈ — ঋতুচক্ৰৰ অন্তহীন আৱৰ্তনৰ মাজেদি ময়ো

অনন্তকাল ধৰি অংশ লৈ থাকিম প্ৰকৃতিৰ বিচিত্ৰ জীৱন লীলাত।" (বৰগোহাঞি, হোমেন, *অস্তৰাগ*, পৃ.৭২-৭৩) প্ৰকৃতিৰ নিয়ম মতেই যে পৃথিৱীত মানুহ, জীৱ-জন্তু সকলো পৰিচালিত দিলীপৰ দেউতাকৰ অনুভৱৰ মাজেৰে এনেদৰে উপস্থাপিত কৰিছে—"যেয়ে যি নামেৰেই নামাতক কিয় এই বিশ্বভুৱন যে এক পৰম শক্তিৰ বহিঃপ্ৰকাশ মাত্ৰ সেই বিষয়ে মোৰ মনত কোনো সন্দেহ নাই—সেই শক্তিক পিতা বুলি বা ত্ৰাতা বুলি স্মৰণ কৰাৰ বা প্ৰাৰ্থনা কৰাৰ কোনো অৰ্থ নাই, তুমি প্ৰাৰ্থনা কৰা বা নকৰা, সেই শক্তিয়ে আপোন ইচ্ছামতে কাম কৰি যাব।" (প্ৰাগুক্ত গ্ৰন্থ,পৃ. ৯৬) ডাঃ শৰ্মাই দিলীপক কোৱা কথাৰ জৰিয়তেও উপন্যাসখনত প্ৰকৃতিবাদৰ প্ৰতিফলন ঘটিছে— "মানুহ যিমানেই বুদ্ধিমান নহওক কিয়—প্ৰকৃতিৰ চিৰন্তন আৰু ৰহস্যময় প্ৰজ্ঞাৰ তুলনাত মানুহৰ মেধা অতি তুচ্ছ আৰু নগণ্য। জীৱনৰ অৰ্থ আৰু মহত্ব উপলব্ধি কৰিবলৈ হ'লে আমি প্ৰকৃতিৰ বিধান মানি চলিব লাগিব।" (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১১৪)

এনেদৰে উপন্যাসখনত মানুহৰ বাৰ্ধক্যৰ বাস্তৱতাই উপন্যাসখনত কৰুণ ভাবৰ সৃষ্টি কৰিছে। উপন্যাসখন পঢ়ি উঠি পাঠকৰ মনলৈ নিজৰ বৃদ্ধকালৰ জটিলতাৰ প্ৰতি ভাব নহাকৈ নাথাকে। উপন্যাসখনৰ মাজেৰে প্ৰতিফলিত ভাবধাৰাই, সুন্দৰ উপস্থাপনেৰে 'অস্তৰাগ' উপন্যাসখনে এখন শ্ৰেষ্ঠ উপন্যাসৰ স্থান লাভ কৰিছে। ❑

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


দাস, অমল চন্দ্ৰ (সম্পা.) ঃ অসমীয়া উপন্যাস পৰিক্ৰমা, বনলতা, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, মে' ২০১২

বৰগোহাঞি, হোমেন, ঃ অস্তৰাগ, প্ৰকাশক অৰুণ পুৰকায়স্থ, শ্ৰীভূমি পাবলিচিং,কোম্পানী,মহাত্মা গান্ধী ৰ'ড দ্বিতীয় সংস্কৰণ- এপ্ৰিল, ১৯৮৯

দাস, দুলাল চন্দ্ৰ (সম্পা.) ঃহোমেন বৰগোহাঞিৰ সাহিত্য আৰু সাধনা, সম্প্ৰীতি, গুৱাগাটী-১৪

শৰ্মা, গোবিন্দ প্ৰসাদ ঃ উপন্যাস আৰু অসমীয়া উপন্যাস, প্ৰকাশক ঃ অনন্ত হাজৰিকা, বনলতা, পাণবজাৰ, গুৱাহাটী-১

বৰা, জয়ন্ত কুমাৰ ঃহোমেন বৰগোহাঞিৰ উপন্যাসৰ শিল্প বৈভৱ, প্ৰকাশক, অসম পাবলিচিং কোম্পানী, কলেজ হোষ্টেল ৰোড, পাণবজাৰ, গুৱাহাটী-৭৮১০০১

লাগাচু নিবেদিতা (সম্পা). ঃ হোমেন বৰগোহাঞি সাহিত্য আৰু সান্নিধ্য প্ৰকাশক ঃ পূৰ্বাঞ্চল প্ৰকাশ হাতীবৰুৱা মৌচুমী

নাথ, ভনিতাঃ (সম্পা) আধুনিক অসমীয়া উপন্যাস, প্ৰকাশক ঃ পূৰ্বায়ন প্ৰকাশন, প্ৰথম প্ৰকাশ, চেপ্তেম্বৰ, ২০২৫

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945

Peer Reviewed Journal
[UGC-CARE Listed]

# অসমীয়া স্থানচ্যুতিকেন্দ্ৰিক উপন্যাসত প্ৰতিফলিত মানসিক আঘাত (ট্ৰমা) ৰ চিত্ৰণ ঃ এক অধ্যয়ন



**প্ৰীতম দুৱৰা**

গৱেষক, অসমীয়া বিভাগ
কটন বিশ্ববিদ্যালয়
পাণবজাৰ, গুৱাহাটী-৭৮১০০১
৮৬৩৮৫০৭৭২৭
preetamduarah22@gmail.com



**ড° অম্বেশ্বৰ গগৈ**

সহযোগী অধ্যাপক, অসমীয়া বিভাগ
কটন বিশ্ববিদ্যালয়
পাণবজাৰ, গুৱাহাটী-৭৮১০০১
৭০০২৯১২৫৪২
ambeswar@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

প্ৰস্তাৱিত গৱেষণাপত্ৰখনিত অসমীয়া স্থানচ্যুতিকেন্দ্ৰিক উপন্যাসত প্ৰতিফলিত মানসিক আঘাত (ট্ৰমা) ৰ এক বিশ্লেষণাত্মক অধ্যয়নৰ প্ৰয়াস কৰা হৈছে। অতীজৰে পৰা ৰাজনৈতিক অস্থিৰতা, অৰ্থনৈতিক বিপৰ্যয়, সামাজিক বিৱৰ্তন তথা প্ৰাকৃতিক দুৰ্যোগৰ দৰে বিবিধ কাৰকৰ ফলশ্ৰুতিত মানুহে ধাৰাবাহিকভাৱে স্বভূমিৰ পৰা আন ঠাইলৈ প্ৰব্ৰজন কৰি আহিছে। এনেদৰে মূল শিপাৰ পৰা বিচ্ছিন্ন হোৱা লোকসকলে নতুন ভৌগোলিক তথা সামাজিক-সাংস্কৃতিক পৰিৱেশৰ সৈতে অভিযোজন কৰাৰ প্ৰক্ৰিয়াত পৰিচয়ৰ সংকট, সাংস্কৃতিক সংঘাত, আৰ্থিক অনিশ্চয়তা আৰু বিচ্ছেদবেদনাৰ দৰে জটিল সমস্যাৰ মুখামুখি হয়। স্মৃতি আৰু বাস্তৱৰ এই দ্বান্দ্বিকতাই স্থানচ্যুত ব্যক্তিসকলৰ মানসপটত এক গভীৰ প্ৰভাৱ পেলাবলৈ সক্ষম হয়, যিয়ে পৰৱৰ্তী সময়ত এক দুৰ্বিসহ মানসিক আঘাত বা ট্ৰমাৰ সৃষ্টি কৰে। স্থানচ্যুত লোকসকলৰ এই যন্ত্ৰণাময় জীৱনৰ অভিজ্ঞতা সাহিত্যৰ বিভিন্ন বিধাসমূহৰ জৰিয়তে প্ৰকাশ হোৱা দেখিবলৈ পোৱা গৈছে। অসমীয়া সাহিত্যত, বিশেষকৈ উপন্যাসত এই স্থানচ্যুতিৰ ফলস্বৰূপে সন্মুখীন হোৱা ট্ৰমা বিষয়ক কেন্দ্ৰ কৰি বিভিন্নজন ঔপন্যাসিকে সৃষ্টিশীল ৰূপত উপন্যাস ৰচনা কৰি উলিয়াইছে। এই গৱেষণা পত্ৰখনিত নিৰ্বাচিত তিনিখন উপন্যাস ক্ৰমে -- ড. দীপক কুমাৰ বৰকাকতীৰ ‘উপত্যকাৰ পৰা উপত্যকালৈ’ (২০০২), ৰুদ্ৰাণী শৰ্মাৰ ‘কাঁহিবুনৰ মালিতা’ (২০১৭) আৰু অৰূপা পটঙ্গীয়া কলিতাৰ ‘জছনাৰ ঝিটাছ’ (২০২২)ৰ জৰিয়তে উক্ত বিষয়টিৰ আলোচনা আগবঢ়োৱা হৈছে।

**বীজ শব্দ ঃ**

স্থানচ্যুতি, ট্ৰমা, মাতৃভূমিৰ স্মৃতি, পৰিচয় সংকট, বিচ্ছেদ, উপন্যাস।

**অধ্যয়নৰ গুৰুত্ব ঃ**

মানৱ সভ্যতাৰ ইতিহাসত স্থানচ্যুতি (Displacement) এক মৰ্মন্তুদ আৰু বহুমাত্ৰিক পৰিঘটনা, যাৰ গৱেষণাধৰ্মী অধ্যয়নৰ অপৰিহাৰ্য গুৰুত্ব আছে। স্থানচ্যুতিকেন্দ্ৰিক অভিজ্ঞতাই কেৱল সমাজ বা ইতিহাসকেই প্ৰভাৱিত নকৰে, বৰঞ্চ ই ব্যক্তিমানসত এক চিৰস্থায়ী মনো-আঘাত বা ট্ৰমা (Trauma) ৰ সৃষ্টি কৰে। ৰাজনৈতিক উৎপীড়ন, নৃগোষ্ঠীয় সংঘাত অথবা উন্নয়নমূলক প্ৰকল্পৰ দৰে কাৰকৰ ফলত যেতিয়া মানুহে নিজৰ গৃহভূমি ত্যাগ কৰিবলৈ বাধ্য হয়, তেতিয়া তেওঁলোকৰ অন্তঃজগতত যি যন্ত্ৰণাদায়ক স্মৃতি আৰু অস্তিত্ব সংকট ৰ উন্মেষ ঘটে, তাক সূক্ষ্মভাৱে বিশ্লেষণ কৰাৰ প্ৰাসংগিকতা আছে।

অন্যহাতে সাহিত্যৰ দাপোণত প্ৰতিফলিত হোৱা এই স্থানচ্যুত লোকসকলৰ আখ্যানসমূহে সমাজৰ প্ৰান্তীয় শ্ৰেণীৰ সেই নিগূঢ় দৃষ্টিভংগীক প্ৰশ্ৰয় দিয়ে, যিয়ে

মূলসুঁতিৰ ইতিহাসত প্ৰায়ে ঠাই পাবলৈ অসমৰ্থ হয়। যিহেতু নিৰ্বাচিত উপন্যাসকেইখনৰ কেন্দ্ৰীয় বিষয়বস্তুত আছে এনে দুৰ্ভগীয়া লোকসকলৰ জীৱন-যন্ত্ৰণা আৰু তেওঁলোকৰ মানসপটত অংকিত অবিস্মৰণীয় ট্ৰমা, সেয়েহে সামাজিক বৈষম্য, শোষণ আৰু প্ৰতাৰণাৰ প্ৰকৃত স্বৰূপ উন্মোচনৰ স্বাৰ্থত এই উপন্যাসকেইখনৰ আধাৰত স্থানচ্যুতি আৰু ট্ৰমা বিষয়ক আলোচনাৰ গুৰুত্ব অপৰিসীম।

**অধ্যয়নৰ উদ্দেশ্য ঃ**

"অসমীয়া স্থানচ্যুতিকেন্দ্ৰিক উপন্যাসত প্ৰতিফলিত মানসিক আঘাত (ট্ৰমা) ৰ চিত্ৰণ ঃ এক অধ্যয়ন" শীৰ্ষক গৱেষণা পত্ৰখনিৰ উদ্দেশ্য হ'ল --

(১) স্থানচ্যুতিৰ প্ৰসংগ অসমীয়া উপন্যাসত কিদৰে প্ৰতিফলিত হৈছে বিচাৰ কৰা।

(২) স্থানচ্যুতিৰ ফলত সন্মুখীন হোৱা ট্ৰমাৰ সম্পৰ্কে অসমীয়া উপন্যাসৰ জৰিয়তে বিচাৰ-বিশ্লেষণ কৰা।

(৩) ট্ৰমাৰ দ্বাৰা আলোচ্য উপন্যাসকেইখনৰ চৰিত্ৰসমূহ কিদৰে প্ৰভাৱিত হৈছে সেই বিষয়ে আলোচনা কৰা।

**অধ্যয়নৰ পৰিসৰ ঃ**

উক্ত গৱেষণা পত্ৰখনিত অধ্যয়নৰ পৰিসৰ হিচাপে স্থানচ্যুতি (Displacement) আৰু ট্ৰমা (Trauma) -- দুয়োটা বিষয়কে সামৰি লোৱা হৈছে। ইয়াৰ লগতে এই বিষয় দুটিৰ প্ৰায়োগিক দিশৰ ক্ষেত্ৰত সাহিত্যৰ এক জনপ্ৰিয় বিধা উপন্যাসক সামৰি লোৱা হৈছে। এই অধ্যয়নৰ পৰিসৰে নিজ পৰিসীমাৰ ভিতৰত আৱদ্ধ কৰা নিৰ্বাচিত উপন্যাসকেইখন হ'ল - ড° দীপক কুমাৰ বৰকাকতীৰ 'উপত্যকাৰ পৰা উপত্যকালৈ' (২০০২), ৰুদ্ৰাণী শৰ্মাৰ 'কাঁহিবুনৰ মালিতা' (২০১৭) আৰু অৰূপা পটঙ্গীয়া কলিতাৰ 'জছনাৰ ঝিটাছ' (২০২২)।

**অধ্যয়নৰ পদ্ধতি ঃ**

এই গৱেষণাত মূলত বৰ্ণনামূলক আৰু বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। বৰ্ণনামূলক পদ্ধতিৰ মাধ্যমেৰে গৱেষণাৰ বিষয়বস্তু আৰু সংগৃহীত তথ্যসমূহ সুস্পষ্টভাৱে উপস্থাপন কৰা হৈছে। বিশ্লেষণাত্মক পদ্ধতিৰ সহায়ত বিভিন্ন তত্ত্ব আৰু দৃষ্টিভংগীৰ বিশ্লেষণ কৰি নিজস্ব সিদ্ধান্তত উপনীত হ'বলৈ চেষ্টা কৰা হৈছে।

গৱেষণাৰ সময়ত তথ্য উদ্ধৃতি আৰু উল্লেখৰ ক্ষেত্ৰত (MLA Handbook (9th edition)- ৰ নিয়ম মানি চলা হৈছে।

**তথ্য আহৰণৰ উৎস ঃ**

গৱেষণা কৰ্মটিত মুখ্য আৰু গৌণ দুয়ো প্ৰকাৰৰ তথ্য ব্যৱহাৰ কৰা হৈছে। মুখ্য উৎসকেন্দ্ৰিক সমল হ'ল আলোচনালৈ অনা নিৰ্বাচিত উপন্যাসকেইখন। আনহাতে গৌণ সমল হিচাপে মূল বিষয়ৰ লগত জড়িত প্ৰাসংগিক গ্ৰন্থ, আলোচনী, প্ৰবন্ধ আৰু গৱেষণা পত্ৰিকাৰ সহায় লোৱা হৈছে।

**মূল আলোচনা ঃ**

সাম্প্ৰতিক সময়ৰ এটি গুৰুত্বপূৰ্ণ অধ্যয়নৰ ক্ষেত্ৰ হৈছে 'ট্ৰমা' বিষয়ক অধ্যয়ন। ট্ৰমা হৈছে এক ভীতিজনক বা যন্ত্ৰণাসংকুল অভিজ্ঞতাৰ ফলত ব্যক্তিবিশেষে সন্মুখীন হোৱা এক গভীৰ শাৰীৰিক-মানসিক অস্থিৰতা। ইয়াৰ দ্বাৰা ব্যক্তিবিশেষে নিজৰ অস্তিত্ববোধ, আৱেগ আৰু মনস্তাত্ত্বিক স্থিতিৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাবলৈ বাধ্য হয়। এনে অৱস্থাই ব্যক্তিৰ আভ্যন্তৰীণ আত্মোপলব্ধি, সংবেদন আৰু অভিজ্ঞতাৰ পূৰ্ণ অৰ্থবোধক প্ৰভাৱিত কৰি মনস্তাত্ত্বিক সংকোচন আৰু অস্তিত্বজনিত আতংকৰ সৃষ্টি কৰে। ইয়াৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Trauma'। ইংৰাজী 'Trauma' শব্দটিৰ পৰিভাষা হিচাপে অসমীয়া ভাষাত 'মানসিক আঘাত' শব্দটিৰ ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে দৈনন্দিন জীৱনৰ প্ৰায়োগিক পৰিসৰত 'ট্ৰমা' শব্দটো অত্যন্ত স্বাচ্ছন্দ্য আৰু মুক্তভাৱে ব্যৱহৃত হোৱা পৰিলক্ষিত হয়। 'ট্ৰমা' শব্দটি গ্ৰীক ভাষাৰ পৰা উদ্ভৱ হৈছে, যাৰ অৰ্থ হ'ল 'আঘাত' বা 'ক্ষত'। প্ৰথমাৱস্থাত, ট্ৰমা শব্দটো শাৰীৰিক আঘাতৰ বৰ্ণনাৰ ক্ষেত্ৰত ব্যৱহৃত হৈছিল।১৮৬০ দশকলৈকে ইয়াৰ ব্যৱহাৰ মূলতঃ চিকিৎসাশাস্ত্ৰ আৰু শাৰীৰিক প্ৰেক্ষাপটতে সীমাবদ্ধ আছিল। পৰৱৰ্তী সময়ত অৰ্থাৎ ১৮৬৬ চনত লণ্ডনৰ ইউনিভাৰ্ছিটি কলেজ অৱ হস্পিটেলৰ শল্যচিকিৎসা বিভাগৰ অধ্যাপক জন এৰিক এৰিক্সনে (John Eric Erichsen) প্ৰথমবাৰৰ বাবে 'ট্ৰমা' শব্দটিক বৈজ্ঞানিক পৰিসৰত ব্যৱহাৰ কৰে (Bourke 2)। ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আৰম্ভণিত ই শাৰীৰিক ক্ষেত্ৰৰ সীমাৰেখা অতিক্ৰম কৰি মানসিক তথা মনোবৈজ্ঞানিক আঘাতৰ ক্ষেত্ৰলৈ বিস্তৃতি লাভ কৰে।

স্নায়ুবিজ্ঞানী জিন মাৰ্টিন চাৰকটে (Jean Martin Charcot) ট্ৰমাৰ সম্পৰ্কে আধুনিক মনোবৈজ্ঞানিক চিন্তাধাৰাৰে এক ঐতিহাসিক দিশ উন্মোচিত কৰে। তেওঁ পোনপ্ৰথমবাৰৰ বাবে মানসিক বিকাৰৰ ক্ষেত্ৰত ট্ৰমাৰ ভূমিকা সুনিৰ্দিষ্টভাৱে ব্যাখ্যা কৰি দেখুৱায়। তেওঁৰ মতে

এই মানসিক বিকাৰ কোনো কল্পনাপ্ৰসূত বিকলন নহয়, বৰঞ্চ স্নায়ু ব্যৱস্থাৰ ওপৰত ট্ৰমাজনিত অভিজ্ঞতাৰ গভীৰ প্ৰভাৱৰ এক জৈৱ-মানসিক ফলাফল। তেখেতৰ অমৰকৃতি 'Lectures on the Diseases of the Nervous System' (১৮৮৫)ত তেওঁ 'Traumatic Hysteria' ৰ স্নায়ুবৈজ্ঞানিক গঠন আৰু মানসিক লক্ষণসমূহৰ পৰস্পৰ সম্পৰ্ক বিশ্লেষণ কৰি দেখুৱাইছে। তেওঁ কৈছে, "Hysteria is not an imaginary malady; it is a functional disorder produced by a shock upon the nervour system" (Charcot 278)। ইয়াৰ দ্বাৰা তেওঁ হিষ্টেৰিয়াক ট্ৰমাৰ ফলত উদ্ভূত স্নায়ু কাৰ্যবিকৃতি (Neuropathological Dysfunction) হিচাপে সংজ্ঞায়িত কৰিছে। চাৰকৰ্টৰ এই চিন্তাধাৰা পৰৱৰ্তী সময়ত মনোবিশ্লেষণাত্মক তত্ত্বৰ ভিত্তি হিচাপে পৰিগণিত হয়। চাৰকৰ্টৰ পৰৱৰ্তী সময়ত তেওঁৰ শিষ্য পিয়েৰ জেনেটে (Pierre Janet) ট্ৰমা-মনোবিজ্ঞান বিষয়ক ক্ষেত্ৰখনত বিস্তৃতভাৱে আলোচনা আগবঢ়ায়। তেখেতে ব্যক্তিত্ব গঠন আৰু আচৰণৰ ধাৰাত ট্ৰমাজনিত অভিজ্ঞতাৰ গভীৰ প্ৰভাৱ সম্পৰ্কে বিশ্লেষণ কৰে। তেওঁ ট্ৰমাৰ ফলত উদ্ভূত স্মৃতিসমূহক অনমনীয় (Inflexible) তথা অপৰিবৰ্তনীয় (Immutable) ৰূপে অভিহিত কৰি উল্লেখ কৰে যে এইধৰণৰ স্মৃতি সাধাৰণ স্মৃতিৰ পৰা সম্পূৰ্ণ ভিন্ন। তেওঁ কৈছে,"Traumatic memories are rigid, automatic and inaccessible to conscious will." (Janet 361)। ইয়াৰ লগতে তেওঁ উল্লেখ কৰিছে যে ব্যক্তিয়ে নিজৰ ইচ্ছাশক্তিৰ দ্বাৰা জীৱনৰ ঘটনাসমূহৰ সাধাৰণ স্মৃতি পুনৰ উদ্ধাৰ বা পুনঃস্মৰণ কৰিবলৈ সক্ষম হয় আৰু এইবোৰ স্মৃতিয়ে ব্যক্তিত্বৰ গঠন বা মানসিক সুষমাত কোনো স্থায়ী অভিঘাত সৃষ্টি নকৰে, কিন্তু ট্ৰমাজনিত স্মৃতিসমূহ স্বতঃস্ফূৰ্তভাৱে উদ্ভূত হয় আৰু এইবিলাক মানসিক পৃষ্ঠৰ গভীৰ স্তৰত স্থায়ীভাৱে প্ৰতিষ্ঠিত হয়।

ট্ৰমাৰ মানসিক প্ৰভাৱ আৰু স্বভাৱ বিশ্লেষণৰ ক্ষেত্ৰত গভীৰ আৰু পদ্ধতিগত অধ্যয়ন আগবঢ়োৱা অন্য এজন প্ৰতিষ্ঠিত মনোবিজ্ঞানী হৈছে ছিগমুণ্ড ফ্ৰয়েড (Sigmund Freud)। তেখেতৰ ১৮৯৫ চনত জ'চেফ ব্ৰেউৰাৰৰ (Joseph Breuer) সৈতে যৌথভাৱে প্ৰকাশিত 'Studies on Hysteria' গ্ৰন্থখনত প্ৰকাশ কৰিছে যে হিষ্টেৰিকেল লক্ষণসমূহ প্ৰায় সেই অভিজ্ঞতাৰ পৰা উদ্ভৱ হয় যিবোৰ ৰোগীয়ে সম্পুৰ্ণভাৱে চেতনাত একীভূত কৰিব নোৱাৰে। তেওঁ গ্ৰন্থখনত এনেদৰে উল্লেখ কৰি কৈছে, "Hysterical symptoms are always derived from a traumatic experience which is not fully integrated into consciousness." অৰ্থাৎ ট্ৰমাজনিত স্মৃতি ব্যক্তিবিশেষে নিজৰ ইচ্ছাৰে নিয়ন্ত্ৰণ কৰিব নোৱাৰে, এইবোৰ স্বয়ংক্ৰিয়ভাৱে উপস্থিত হয় (Freud, Breuer)। ই চেতনাৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়, যাৰ ফলত ই মানসিক চাপ আৰু সমস্যাৰ কাৰণ হিচাপে ধৰা দিয়ে। ফ্ৰয়েডে তেখেতৰ দ্বাৰা ৰচিত অন্য এখন গ্ৰন্থ 'Beyond the Pleasure Principle' (১৯২৪)ত কৈছে, "Traumatic experiences may leave a residue which resists the pleasure principle, manifesting as repetition compulsion." (Freud 13)। অৰ্থাৎ তেওঁ ক'ব বিচাৰিছে যে ট্ৰমাজনিত অভিজ্ঞতাই মানুহৰ মনত গভীৰভাৱে থিতাপি লৈ থাকে। এনে স্মৃতি বা অভিজ্ঞতাই মানুহক সচেতনভাৱে সুখী হোৱাত বাধা প্ৰদান কৰে। ফলত মানুহে অনিচ্ছাৰে এক দুখজনক বা যন্ত্ৰণাদায়ক অভিজ্ঞতাৰ বাৰম্বাৰ মুখামুখি হ'ব লগা হয়, যাক ফ্ৰয়েডে 'পুনৰাবৃত্তিমূলক প্ৰবৃত্তি' (Repetition Compulsion) বুলি অভিহিত কৰিছে।

মনোবিজ্ঞানৰ দৰে সমাজতাত্ত্বিক অধ্যয়নৰ ক্ষেত্ৰখনতো ট্ৰমা এক গুৰুত্বপূৰ্ণ বিশ্লেষণৰ বিষয় হিচাপে বিবেচিত হৈছে। বিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰ পৰা সমাজতাত্ত্বিকসকলে এই ধাৰণাটোক মানসিক ক্ষেত্ৰৰ পৰা সামূহিক আৰু সাংস্কৃতিক পৰিসৰত বিস্তাৰিত কৰে। সমাজতাত্ত্বিকসকলৰ দৃষ্টিকোণত ট্ৰমা হৈছে এক সামূহিক আৰু সাংস্কৃতিক প্ৰক্ৰিয়া, যিয়ে ব্যক্তি আৰু সমাজ দুয়োকে গভীৰভাৱে প্ৰভাৱিত কৰে। ই মানসিক বেদনা, সামাজিক গঠন আৰু সাংস্কৃতিক স্মৃতিৰ মাজত এক আন্তঃসম্পৰ্ক স্থাপন কৰে। এই দৃষ্টিভংগী অনুযায়ী ট্ৰমা কেৱল ব্যক্তিগত মনোবৃত্তি নহয়। ই এক সামাজিক নিমাৰ্ণৰ পৰিঘটনা, যিয়ে মানুহৰ পৰিচয়, ইতিহাস আৰু মূল্যবোধৰ স্বৰূপ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কাই এৰিকচনে (Kai Erikon) তেখেতৰ 'Everything in its path: Destruction of Community in the Buffalo Creek Flood' (১৯৭৬) গ্ৰন্থখনত প্ৰথমবাৰৰ বাবে 'সামূহিক ট্ৰমা' (Collective Truma) ৰ ধাৰণা উপস্থাপন কৰে। তেওঁ কৈছে, "Collective trauma is a blow to the basic issues of social life that damage the bonds attaching people together." (Erikon 153)। অৰ্থাৎ ট্ৰমা হৈছে সামাজিক জীৱনৰ মূল গঠনক আঘাত কৰা এক গভীৰ অভিঘাত, যিয়ে মানুহৰ মাজৰ

সামাজিক বন্ধন ধ্বংস কৰে। এই দৃষ্টিকোণত ট্ৰমা কেৱল ব্যক্তিগত মানসিক আঘাত নহয়, ই এক সমাজৰ সজীৱ গঠনৰ ভাঙনি ৰূপ। কেথী কাৰুথে (Cathy Caruth) তেখেতৰ 'Unclaimed Experience : Trauma, Narrative and History' গ্ৰন্থখনত সাহিত্যিক আৰু সাংস্কৃতিক তত্ত্বৰ দৃষ্টিৰে ট্ৰমাক বিশ্লেষণ কৰিছে। তেওঁৰ মতে ট্ৰমা এনে এক অভিজ্ঞতা, যিয়ে চেতনা আৰু স্মৃতিৰ সীমা অতিক্ৰম কৰে আৰু ইতিহাস, ভাষা আৰু সমাজত পুনৰাবৃত্তি ৰূপে প্ৰতিফলিত হয় (Caruth 91)। অন্যহাতে পোলেণ্ডৰ বিখ্যাত সমাজবিজ্ঞানী পিঅ'টৰ ষ্টম্পকাই (Piotr Sztompka) তেখেতৰ 'European Journal of Social Theory' নামৰ পত্ৰিকাখনত প্ৰকাশিত 'Cultural Truma : The Other face of Social Change' নামৰ প্ৰবন্ধটিত দ্ৰুত সামাজিক পৰিবৰ্তনে মানসিক আৰু সাংস্কৃতিক অস্থিৰতা আনে আৰু সেই আঘাতেই সমাজত একধৰণৰ সাংস্কৃতিক ট্ৰমা সৃষ্টি কৰে বুলি মত পোষণ কৰিছে (Sztompka)।

ট্ৰমা অৰ্থাৎ মানসিক আঘাত মানুহৰ জীৱনত সংঘটিত ভয়ংকৰ, অসহায়তাপূৰ্ণ বা নিয়ন্ত্ৰণহীন অভিজ্ঞতাৰ ফলত সৃষ্টি হয়। এইধৰণৰ অভিজ্ঞতাই ব্যক্তিৰ মানসিক স্থিতি, আচৰণ, অনুভূতি আৰু চিন্তাশক্তিত গভীৰ প্ৰভাৱ পেলায়। ফলস্বৰূপে ব্যক্তিবিশেষৰ মানসিক গাঁথনি (Psychi Structure) ক্ৰমে বিশৃংখল হৈ পৰে। যাৰ বাবে তেওঁ নিজৰ দৈনন্দিন জীৱনৰ ব্যৱস্থাপনা তথা সামাজিক, পাৰিবাৰিক আৰু ব্যক্তিগত দায়িত্বসমূহ সম্পাদন কৰিবলৈ প্ৰয়োজন হোৱা মানসিক স্থিতি আৰু মনোবল হেৰুৱাই পেলায়। সংঘটিত কোনো ঘটনাৰ প্ৰকৃতি, তীব্ৰতা আৰু অৱধি অনুসৰি ট্ৰমাজনিত কাৰকসমূহক বিভিন্ন শ্ৰেণীত ভাগ কৰিব পৰা যায়। 'The Diagnostic and Statistical Manual of Mental Disorders' (DSM-IV) ৰ সংশোধিত পাঠত সম্ভাব্য ট্ৰমাজনিত ঘটনাসমূহৰ এক সুস্পষ্ট তালিকা প্ৰস্তুত কৰা হৈছে। আমেৰিকান চাইকিয়াট্ৰিক এচ'চিয়েচনৰ (American Psychiatric Association) মতে, যেতিয়া কোনো ব্যক্তিয়ে বাস্তৱ বা সম্ভাব্য মৃত্যু, গম্ভীৰ শাৰীৰিক আঘাত, নিজৰ বা অন্যজনৰ দেহৰ ৰক্ষাৰ ওপৰত ভাবুকি অনুভৱ কৰে তেতিয়া ট্ৰমাৰ উৎপন্ন হয় ('DSM-IV-TR')। DSM-IV সংস্কৰণে ট্ৰমাক এক বহিৰাগত ঘটনা হিচাপে বিবেচনা কৰিছে। কিন্তু তাৰ পৰৱৰ্তী সংস্কৰণ অৰ্থাৎ DSM-V ত ট্ৰমাৰ মানসিক আৰু সামাজিক পৰিসৰ অধিক বিস্তৃত ৰূপত সংজ্ঞায়িত কৰা হয়। DSM-V ত 'PTSD' (Post Traumatic Stress Disorder) অৰ্থাৎ ট্ৰমা উত্তেজনাজনিত মানসিক ৰোগক 'Trauma and Stressor Related Disorder' নামৰ এক নতুন শ্ৰেণীত স্থান দিয়া হয়। ইয়াত ট্ৰমাৰ সংজ্ঞা অধিক বিস্তৃত কৰি 'Criterion A' ত চাৰিধৰণে উল্লেখ কৰা হয় --

(১) ট্ৰমাজনিত ঘটনাৰ প্ৰত্যক্ষ অভিজ্ঞতা।

(২) অন্যজনৰ ওপৰত সংঘটিত ঘটনাৰ প্ৰত্যক্ষ কৰা।

(৩) ঘনিষ্ঠ ব্যক্তিৰ ওপৰত হোৱা ট্ৰমাজনিত ঘটনাৰ সম্পৰ্কে জ্ঞাত হৈ লাভ কৰা মানসিক আঘাত।

(৪) কোনো ঘটনাৰ পুনৰাবৃত্তিৰ ফলত সৃষ্টি হোৱা ট্ৰমা।

এই অনুসৰি ট্ৰমাৰ চিনাক্তকৰণৰ বাবে মানসিক প্ৰতিক্ৰিয়া বাধ্যতামূলক নহয়, বৰঞ্চ বাস্তৱ বা সম্ভাব্য ঘটনাও ইয়াৰ মূল কাৰক হ'ব পাৰে। পৰৱৰ্তী সংস্কৰণ 'DSM-V-TR' (২০২২)ত এই সংজ্ঞাটো অধিক স্পষ্টীকৰণৰ সৈতে পুনৰায় প্ৰকাশ কৰা হয়। এই সংস্কৰণৰ মতে, "Trauma means death, threatened death, actual or threatened serious injury, or actual or threatened sexual violence"(American Phychiatric Association, 2022,326)। তাৰোপৰি এই সংস্কৰণত উল্লেখ কৰা হৈছে যে শিশুৰ ক্ষেত্ৰত অভিভাৱকৰ নিৰ্যাতন, গৃহহিংসাৰ সাক্ষীকৰণ, যৌন হিংসা, অৱহেলা আদি ট্ৰমাৰ মূল কাৰক। অন্যহাতে ইলেক্ট্ৰনিক মাধ্যম, টেলিভিজন বা চলচিত্ৰৰ মাধ্যমে দেখা ভয়ংকৰ দৃশ্য ট্ৰমা সৃষ্টিৰ প্ৰধান কাৰক হিটাপে গণ্য কৰা হৈছে। সেইদৰে 'চাইকগাইডছ ডট কম' (Psychguides.com) এ ট্ৰমাৰ মূল কাৰক হিচাপে প্ৰাকৃতিক দুৰ্যোগ, প্ৰবাস বা স্থানচ্যুতি, আত্মীয়জনৰ মৃত্যু, গুৰুত্বৰ আঘাত নাইবা ৰোগ, যৌন নিৰ্যাতন, ধৰ্ষণ, ঘৰুৱা হিংসা, হিংসাত্মক আচৰণৰ সাক্ষী আদি বিষয়সমূহৰ কথা উল্লেখ কৰিছে ('Some common source')।

সাম্প্ৰতিক সময়ত স্থানচ্যুতি আৰু ট্ৰমা -- দুয়োটা বিষয়ে অন্যান্য ক্ষেত্ৰসমূহৰ লগতে সাহিত্য ক্ষেত্ৰখনতো বিশেষ স্থান পাবলৈ সক্ষম হৈছে। বিশেষকৈ উদ্বাস্তু সাহিত্য (Refugee Literature), ডায়াস্পোৰিক সাহিত্য (Diasporic Literature) আৰু দলিত তথা আদিবাসী সাহিত্যত এই বিষয়দ্বয়ৰ এক গভীৰ আৰু বহুমুখী উপস্থাপন পৰিলক্ষিত হয়। এই সাহিত্যিক ধাৰাসমূহে স্থানচ্যুতিৰ ফলত উদ্ভৱ হোৱা মানসিক বিখণ্ডিতকৰণক অতিশয়

সংবেদনশীলতাৰে চিত্ৰায়িত কৰিছে। আচলতে সাহিত্যই ট্ৰমাক কেৱল কোনো ব্যক্তিবিশেষৰ ব্যক্তিগত আৱেগিক যন্ত্ৰণা হিচাপে সীমাবদ্ধ কৰি নাৰাখি, ইয়াক এক সামূহিক সামাজিক-ঐতিহাসিক অভিজ্ঞতা (Socio-historical Experience) হিচাপে চিহ্নিত কৰে। যিবোৰ ঐতিহাসিক পৰিঘটনাই (যেনে - দেশ বিভাজন, গোষ্ঠীগত সংঘাত বা ৰাজনৈতিক নিৰ্যাতন) একোটা বিশাল জনসমষ্টিক নিজৰ শিপাৰ পৰা বিচ্ছিন্ন হ'বলৈ বাধ্য কৰায়, সেই ঐতিহাসিক সত্যসমূহ সাহিত্যৰ পৃষ্ঠাত ট্ৰমাৰ একো একোটা দস্তাবেজ হৈ প্ৰতিফলিত হোৱা দেখা যায়। গল্প, উপন্যাস আৰু কাহিনী আদিৰ আধাৰত সৃষ্ট স্থানচ্যুত চৰিত্ৰসমূহৰ মাধ্যমেৰে সাহিত্যিকে পাঠকক ট্ৰমাৰ সেই নিৰ্মম গভীৰতাৰ সৈতে পৰিচয় কৰায় দিয়ে, য'ত ঘৰ হেৰুওৱাৰ বেদনা আৰু নতুন পৰিৱেশত নিজক প্ৰতিষ্ঠা কৰাৰ অস্তিত্ববাদী সংগ্ৰাম একাকাৰ হৈ পৰে। এই চৰিত্ৰসমূহে বহন কৰা স্মৃতিৰ বোজা (Burden of Memory) আৰু পৰিচয়ৰ সংকট (Identity Crisis) আধুনিক সাহিত্যৰ এক অপৰিহাৰ্য অংগ হৈ পৰিছে।

ভাৰতীয় সাহিত্যৰ ক্ষেত্ৰখনলৈ মন কৰিলে দেখা যায় যে ভাৰতৰ উপনিৱেশিক অতীত, ১৯৪৭ চনৰ দেশবিভাজন, প্ৰবাসী জীৱন আৰু আধুনিক উন্নয়ন প্ৰকল্প আদি বিষয়বোৰৰ যোগেদি স্থানচ্যুতিয়ে ভাৰতীয় সাহিত্যত কেন্দ্ৰীয় স্থানেৰে নিজকে উপস্থাপন কৰিবলৈ সক্ষম হৈছে। দেশবিভাজনৰ ফলশ্ৰুতিত ঘটা স্থানচ্যুতিৰ যন্ত্ৰণা মাণ্টোৰৰ 'টোবাটেক সিং' আৰু ভীশন সাহিনীৰ 'তমশ' ত স্পষ্টকৈ প্ৰকাশ পাইছে। সেইদৰে উন্নয়নমূলক প্ৰকল্পৰ ফলত ঘটা স্থানচ্যুতি বা আদিবাসীসকলৰ পৰিচয় সংকটৰ জীৱনগাঁথা মহাশ্বেতা দেৱীৰ 'দ্ৰৌপদী', 'পাল্থেৰ টিগাৰ' ত প্ৰতিফলিত হৈছে। বিদেশত বসবাস কৰা ভাৰতীয়মূলৰ প্ৰবাসী সাহিত্যিক ঝুম্পা লাহড়ী, চিত্ৰা বেনাৰ্জী, দিবা কৰণী, অনীতা দেশাই আদি লেখকসকলৰ ৰচনাত স্থানচ্যুতিৰ ফলত সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহৰ লগতে মানসিক আঘাতৰ চিত্ৰণ সুন্দৰভাৱে প্ৰকাশ লাভ কৰা দেখিবলৈ পোৱা গৈছে।

উত্তৰ-পূব ভাৰতত অৱস্থিত অসম ভৌগোলিক দিশৰ পৰা কেইবাখনো বিদেশী ৰাষ্ট্ৰৰ সৈতে সংযুক্ত হৈ আছে যদিও প্ৰাক্ স্বাধীনতা আৰু স্বাধীনোত্তৰ কালৰ অসমীয়া উপন্যাস সাহিত্যত এই স্থানচ্যুতি প্ৰসংগৰ প্ৰত্যক্ষ উপস্থাপন দেখিবলৈ পোৱা যায়। দেবেন্দ্ৰনাথ আচাৰ্যৰ 'জঙ্গম', উমাকান্ত শৰ্মাৰ 'এজাক মানুহ এখন অৰণ্য', অৰুণ শৰ্মাৰ 'আৰ্শীবাদৰ ৰং', দীপক কুমাৰ বৰকাকতীৰ 'উপত্যকাৰ পৰা উপত্যকালৈ', 'উদ্ভাসিত উপকূল', ৰীতা চৌধুৰীৰ 'মাকাম', অৰূপা পটঙ্গীয়া কলিতাৰ 'ফেলানী', 'জছনাৰ ঝিটাছ', নন্দিতা দেৱীৰ 'বঙল বহুদূৰ', ৰুদ্ৰাণী শৰ্মাৰ 'কাঁহিবুনৰ মালিতা' আদি উপন্যাসত স্থানচ্যুতিৰ লগতে ইয়াৰ ফলত সন্মুখীন হোৱা ট্ৰমাৰ আংশিক প্ৰভাৱ পৰিলক্ষিত হয়। ইয়াৰে নিৰ্বাচিত তিনিখন উপন্যাসক কেন্দ্ৰ কৰি উক্ত বিষয়টি অসমীয়া উপন্যাসত কেনেদৰে প্ৰতিফলিত হৈছে তলত আলোচনা কৰা হৈছে।

দীপক কুমাৰ বৰকাকতীৰ দ্বাৰা ৰচিত 'উপত্যকাৰ পৰা উপত্যকালৈ' নামৰ উপন্যাসখনত স্থানচ্যুতিৰ প্ৰসংগ দেখিবলৈ পোৱা গৈছে। উপন্যাসখনত দেশবিভাজনৰ পৰিণতিত পূৰ্ব-পাকিস্তান অৰ্থাৎ বাংলাদেশৰ পৰা অসমলৈ স্থানান্তৰিত বঙালী সম্প্ৰদায়ৰ লোকসকলৰ ঐতিহাসিক প্ৰব্ৰজন আৰু তাৰ ফলত তেওঁলোকৰ মানসিক জগতত সৃষ্টি হোৱা অস্তিত্বৰ সংকট তথা গভীৰ মনস্তাত্ত্বিক অভিঘাতৰ এক বাস্তৱধৰ্মী ছবি দাঙি ধৰা হৈছে। মাতৃভূমি ত্যাগ কৰি অসমৰ বদৰপুৰ, হাফলং, লামডিং, নগাঁও আদি বিভিন্ন ঠাইত আশ্ৰয় গ্ৰহণ কৰা এই ছিন্নমূল মানুহখিনিৰ জীৱন যন্ত্ৰণা, শৰণাৰ্থী শিবিৰৰ বিভীষিকাময় অভিজ্ঞতা, আত্মীয়-স্বজনৰ পৰা হোৱা বিচ্ছেদৰ বেদনা তথা পৰৱৰ্তী পৰ্যায়ত নতুন পৰিৱেশত সন্মুখীন হোৱা চৰম আৰ্থিক বিপৰ্যয় আৰু অস্তিত্ব ৰক্ষাৰ দুৰ্বাৰ প্ৰত্যাহ্বানৰ চিত্ৰায়নেই হৈছে উপন্যাসখনৰ মূল উপজীব্য। উপন্যাসখনত কালকিশোৰ, শৈল্যবালা, কালিবুঢ়ী, ৰাধাৰাণী, নিৰঞ্জন আদি চৰিত্ৰসমূহ সেই ছিন্নমূল জনসমষ্টিৰ একো একোটা সজীৱ প্ৰতিনিধি, যিয়ে নিজ প্ৰাণৰক্ষাৰ তাগিদাত মাতৃভূমিৰ মোহ ত্যাগ কৰি স্থানচ্যুতিৰ মৰ্মান্তিক যন্ত্ৰণাক আকোঁৱালি ল'বলৈ বাধ্য হৈছে।

মানসিক অভিঘাত বা ট্ৰমা সৃষ্টিৰ নেপথ্যত হিংসাত্মক পৰিৱেশ বা সাম্প্ৰদায়িক সংঘৰ্ষই এক অন্যতম নিৰ্ণায়ক কাৰক হিচাপে ক্ৰিয়া কৰে। এনে দুৰ্বিসহ পৰিস্থিতিয়ে ব্যক্তিক নিজৰ আদিভূমিৰ পৰা বিচ্যুত বা স্থানান্তৰিত হ'বলৈ বাধ্য কৰি এক মৰ্মান্তিক মনস্তাত্ত্বিক যন্ত্ৰণাৰ সৃষ্টি কৰে। এই হিংসাত্মক পৰিঘটনাসমূহে কেৱল ব্যক্তিবিশেষকে নহয়, বৰঞ্চ একো একোটা সামাজিক গোষ্ঠীক অনিৰ্দিষ্ট বিভীষিকাৰ গ্ৰাসলৈ ঠেলি দিয়ে। নিৰন্তৰ বিপন্নতাৰ আশংকাই ভুক্তভোগীৰ মনত যি তীব্ৰ নিৰাপত্তাহীনতাৰ জন্ম দিয়ে, তাৰ ফলত তেওঁলোকৰ পৰিচিত চৌপাশৰ পৰিৱেশটোৱেই এক অসুৰক্ষিত আৰু বৈৰী স্থানলৈ ৰূপান্তৰিত হয়। মনোবিজ্ঞানী লেনোৰ টেৰে (Lenore

Terr) তেখেতৰ 'Too Scared to Cry: Psychic Trauma in Childhood' গ্ৰন্থত উল্লেখ কৰিছে যে, ট্ৰমা হ'ল কোনো এক আকস্মিক, অপ্ৰত্যাশিত আৰু অতিশয় তীব্ৰ আৱেগিক পৰিঘটনাৰ পৰিণতিত মানসপটত সৃষ্টি হোৱা এক প্ৰচণ্ড জোকাৰণি, যিয়ে ব্যক্তিৰ নিৰাপত্তাৰ ধাৰণাটোক সমূলি ধূলিস্যাৎ কৰি তেওঁক এক অনিশ্চিত আৰু ভীতিগ্ৰস্ত অৱস্থালৈ নিক্ষেপ কৰে (Terr 8)। উপন্যাসখনত ট্ৰমাৰ এই দিশটো অত্যন্ত মৰ্মস্পৰ্শী ৰূপত প্ৰতিফলিত হৈছে। ভাৰত স্বাধীনতাৰ সন্ধিক্ষণত ছিলেটৰ অন্তৰ্ভুক্তি সন্দৰ্ভত অনুষ্ঠিত গণভোটৰ পৰিণতিত অঞ্চলটো পাকিস্তানৰ অন্তৰ্ভুক্ত হোৱাত সেই ঠাইত বসবাস কৰা ভাৰতৰ সমৰ্থকসকলৰ মাজত তীব্ৰ অনিশ্চয়তা আৰু অস্থিৰতাই দেখা দিয়ে। বিশেষকৈ একাংশ মুছলমানলোকৰ উগ্ৰ সাম্প্ৰদায়িক আচৰণে কুলাউৰা, আমিৰগঞ্জ, ব্ৰহ্মপালী আদি অঞ্চলত যুগ যুগ ধৰি বসবাস কৰি অহা হিন্দুধৰ্মী লোকসকলৰ মনত গভীৰ নিৰাপত্তাহীনতা আৰু আতংকৰ সৃষ্টি কৰে। ফলস্বৰূপে, জন্মভূমিৰ প্ৰতি থকা নিবিড় টান আৰু আত্মৰক্ষাৰ তাগিদাৰ মাজত সৃষ্টি হোৱা এক দ্বান্দ্বিক অৱস্থাই তেওঁলোকক মানসিক যন্ত্ৰণাৰ চৰম সীমালৈ লৈ যায়। উপন্যাসখনৰ মুখ্য চৰিত্ৰ কালিকিশোৰ জৰিয়তে এই দিশটো স্পষ্ট হৈ উঠিছে --

"কালিকিশোৰে বাগৰ সলালে। তথাপি তেওঁৰ টোপনি নাহিল। বাৰে বাৰে দিনটোৰ কথাবোৰ তেওঁৰ মনত পৰিবলৈ ধৰিলে। মানুহবোৰে গাঁও এৰি যোৱাৰ কথা চিন্তা কৰাৰ কথা তেওঁৰ মনত বাৰে বাৰে ঘূৰ্ণিপাক খাবলৈ ধৰিলে.."(বৰকাকতী, ৫৮)।

ট্ৰমাজনিত স্মৃতিৰ পুনঃপৌনিক আৱৰ্তন এজন ব্যক্তিৰ বাবে অত্যন্ত যন্ত্ৰণাদায়ক অভিজ্ঞতা। চিকিৎসাবিজ্ঞানৰ পৰিভাষাত ইয়াক 'ইন্ট্ৰুছিভ থট্‌ছ' (Intrusive Thoughts) বা 'ফ্লেছবেক' (Flashback) হিচাপে চিহ্নিত কৰা হৈছে। কোনো ভয়াৱহ বা মৰ্মান্তিক দুৰ্ঘটনাৰ সন্মুখীন হ'লে মানৱ মগজুত ইয়াৰ এক স্থায়ী আৰু গভীৰ ক্ষতৰ সৃষ্টি হয়। এনে ঘটনাৰ দৃশ্যৰাজীয়ে ভুক্তভোগীৰ মানসপটত অহৰহ ক্ৰিয়া কৰি থকাৰ ফলত তেওঁলোকে বৰ্তমানৰ বাস্তৱিক পৰিস্থিতিৰ সৈতে নিজকে একাত্ম কৰিবলৈ অসমৰ্থ হয়। অতীতৰ বিষাদময় স্মৃতিৰ ৰোমন্থনে তেওঁলোকক এক চৰম হতাশাগ্ৰস্ততাৰ দিশলৈ ঠেলি দিয়ে, যাৰ পৰিণতিত বিভীষিকাময় দুঃস্বপ্ন আৰু অনিদ্ৰাৰ দৰে মনোব্যাধিয়ে গা কৰি উঠে।প্ৰখ্যাত মনস্তাত্ত্বিকবিদ কেথি কাৰুথে (Cathy Caruth) তেওঁৰ 'Unclaimed Experience : Trauma, Narrative and History' শীৰ্ষক গ্ৰন্থত ট্ৰমাক এক 'বিলম্বিত অভিজ্ঞতা' (Belated Experience) হিচাপে আখ্যা দিছে। তেওঁৰ কৈছে যে ট্ৰমা এনে এক মানসিক অৱস্থা য'ত এটা ভয়াৱহ ঘটনা ঘটাৰ মুহূৰ্তত মনৰ দ্বাৰা তাক সম্পূৰ্ণভাৱে ধাৰণ কৰিব পৰা নাযায়, যাৰ পৰিণতিত ই পৰৱৰ্তী সময়ত নিয়ন্ত্ৰণহীনভাৱে মনলৈ ঘূৰি আহে (Caruth 4)। উপন্যাসখনৰ বিভিন্ন অধ্যায়ত ট্ৰমাৰ এই জটিল দিশটো অত্যন্ত নিপুণভাৱে ঔপন্যাসিকে তুলি ধৰিছে। কলিকতাৰ 'গ্ৰেট কিলিঙ' আৰু তাৰ প্ৰভাৱত সংঘটিত হোৱা নোৱাখালীৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ পটভূমিত উপন্যাসখনৰ বিভিন্ন চৰিত্ৰ কালিকিশোৰ, শৈল্যবালা, কল্যাণী আৰু সুবীৰৰ জীৱনত মানসিক আঘাতে কেনেদৰে গভীৰ সাঁচ বহুৱাবলৈ সক্ষম হৈছে সেয়া অতি মন কৰিবলগীয়া। এনে ভয়ংকৰ পৰিৱেশত তেওঁলোকে নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে যদিও নিজৰ ভাতৃ তথা স্বামী শ্যামকিশোৰৰ নৃশংস হত্যাৰ প্ৰত্যক্ষদৰ্শী হোৱাৰ হেতু তেওঁলোকৰ চেতনাত সেই ঘটনাই এক স্থায়ী মানসিক আঘাত হিচাপে স্থিতি লোৱা দেখিবলৈ পোৱা গৈছে। দেশ বিভাজনৰ সময়ত ছিলেটক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত কালিকিশোৰৰ মনত পূৰ্বতে নোৱাখালীত ঘটা সেই বিভীষিকাময় দিনবোৰৰ বিষাদ স্মৃতিয়ে কাতৰ কৰি তুলিছে -

"যোৱা নিশা দক্ষিণৰ দিগবলয়ত দেখা জুইৰ ৰঙচুৱা আভাই কালিকিশোৰক নোৱাখালীৰ উত্তৰ অঞ্চলৰ এই ভয়াবহতাৰ কথাই মনত পেলাই দিছিল। পাটীত পৰাৰ পাছতো তেওঁৰ টোপনি অহা নাছিল। কাষত শুই থকা শৈল্যবালাক তেওঁ এই কথাৰ একো আভাস দিয়া নাছিল" (বৰকাকতী, ০৬)।

সেইদৰে অসমলৈ স্থানান্তৰিত হোৱাৰ পাছত অসমত সংঘটিত ভাষা আন্দোলনক কেন্দ্ৰ কৰি ঘটা হিংসাত্মক পৰিৱেশৰ মাজত ভতিজা সুবীৰ কলেজৰ পৰা ঘৰলৈ উভতি অহাত পলম হোৱা কাৰ্যই কালিকিশোৰৰ মনত পুনৰ সেই নোৱাখালীৰ ধ্বংসাত্মক স্মৃতিয়ে আছন্ন কৰি তোলা উপন্যাসখনত দেখিবলৈ পোৱা গৈছে --

"কালিকিশোৰৰ মনত পৰিল - সুবীৰে পাঁচবছৰ বয়সতেই নোৱাখালীৰ দাংগাৰ সময়ত তেওঁৰ কোঁচত

উঠিয়েই জুই-ছাই আৰু মানুহৰ চিঞৰ-বাখৰৰ মাজে মাজে শ্ৰীৰামপুৰৰ গাঁৱৰ মাজেৰে পলাইছিল। সি চাৰিওফালে অবাক হৈ চাইছিল”(বৰকাকতী, ২০৭)। কালিকিশোৰৰ দৰেই পত্নী শৈল্যবালা চৰিত্ৰটিৰ জৰিয়তে ট্ৰমাৰ এই বিলম্বিত প্ৰতিক্ৰিয়া উপন্যাসখনত প্ৰকাশ পোৱা দেখিবলৈ পোৱা গৈছে। বিশেষকৈ অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ উত্তাল সময়ছোৱাত তেওঁলোকৰ ঘৰৰ চোতালত এজন অচিনাকি আঘাতপ্ৰাপ্ত মুছলমান সম্প্ৰদায়ৰ ব্যক্তিক প্ৰত্যক্ষ কৰাৰ লগে লগে শৈল্যবালাৰ মনত তাহানিৰ নোৱাখালীৰ সেই দুবিৰ্ষ কালখণ্ডই পুনৰ সজীৱ ৰূপত ধৰা দিছে -

“শৈল্যবালাই কল্যাণীলৈ চাই চাই নোৱাখালীৰ দাংগাৰ কথাৰ ভাবি আছিল। সেই সময়ত শৈল্যবালা আছিল ন-বোৱাৰী। তেওঁলোক শ্ৰীৰামপুৰৰ শ্যামকিশোৰৰ ঘৰত ফুৰিবলৈ গৈয়েই দাংগাৰ সন্মুখীন হৈছিল। তেওঁৰ মনত পৰিল কেনেকৈ দীঘল দাড়িৰ বুঢ়া মুছলমান মানুহটোৱে ডেকা পুতেকহঁত উলটি অহাৰ আগতে তেওঁলোকক বোৰ্খা পিন্ধাই ছাই আৰু জুইৰ মাজে মাজে পলুৱাই নি ৰে’লত তুলি পঠাইছিল” (বৰকাকতী, ২৮১)।

বলপূৰ্বক বা অনিচ্ছাকৃত স্থানচ্যুতিৰ ফলত আত্মীয়-স্বজনৰ পৰা হোৱা বিচ্ছেদে ব্যক্তিবিশেষৰ মানসপটত এক গভীৰ মানসিক আঘাতৰ সৃষ্টি কৰে। প্ৰখ্যাত মনোবিজ্ঞানী ভিক্টৰ ফ্ৰাঙ্কলে (Viktor Frankl) তেওঁৰ কালজয়ী গ্ৰন্থ 'Man's Search for Meaning' ত নাজী কনচেণ্ট্ৰেচন কেম্পৰ বিভীষিকাময় অভিজ্ঞতাৰ আধাৰত এই মানসিক সংকটৰ দিশটো গভীৰভাৱে বিশ্লেষণ কৰিছে। ফ্ৰাঙ্কলৰ মতে, আত্মীয়ৰ পৰা বিচ্ছেদ হোৱা ব্যক্তিয়ে ভৱিষ্যতৰ প্ৰতি আস্থা হেৰুৱাই পেলায় আৰু ইয়াৰ ফলত তেওঁৰ আধ্যাত্মিক তথা মানসিক স্থিৰতা বিপৰ্যস্ত হৈ এক চৰম মানসিক অৱক্ষয়ৰ সূত্ৰপাত ঘটে (Frankl 81)। আলোচ্য উপন্যাসখনতো এই বিষয়টি অত্যন্ত সংবেদনশীলতাৰে প্ৰকাশ পাইছে। কুলাউৰাৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হৈ জন্মভূমি ত্যাগ কৰা হিন্দুধৰ্মী বাঙালী লোকসকলে অসম অভিমুখে কৰা যাত্ৰাপথত যি দুৰ্বিষহ আৰু বিপদসংকুল পৰিস্থিতিৰ সন্মুখীন হৈছিল, সেই ঘটনা তেওঁলোকৰ বাবে আছিল চৰম যন্ত্ৰণাদায়ক। এনে সংকটকালত নিজৰ অতি আপোনজনৰ পৰা বিচ্ছিন্ন হোৱা ঘটনাই তেওঁলোকৰ মানসিক জগতত গভীৰ ক্ষতৰ সৃষ্টি কৰিছিল। উপন্যাসখনৰ কালীবুঢ়ী চৰিত্ৰটি এনে এক মানসিক বিসংগতি বা ট্ৰমাৰ বলি হোৱা এক কৰুণ প্ৰতিচ্ছবি। একাংশ মুছলমান সম্প্ৰদায়লোকৰ নৃশংস অত্যাচাৰত সৰ্বস্ব হেৰুৱাই জীৱন ৰক্ষাৰ তাগিদাত মাতৃভূমি ত্যাগ কৰি নিৰাপদ স্থানলৈ যাত্ৰা কৰোঁতে যাত্ৰাপথত প্ৰথমে কন্যা মায়া আৰু পৰৱৰ্তী সময়ত পুত্ৰ প্ৰমথৰ পৰা বিচ্ছিন্ন হোৱা ঘটনাই বুঢ়ীৰ মনত অপূৰণীয় বিচ্ছেদৰ বেদনা সৃষ্টি কৰে। আত্মীয়ৰ এই আকস্মিক বিচ্ছেদে তেওঁৰ জীয়াই থকাৰ আদিম প্ৰবৃত্তি আৰু আশা নিৰ্বাপিত কৰাৰ লগতে পুত্ৰ-কন্যাৰ স্মৃতিয়ে তেওঁক প্ৰতিটো মুহূৰ্ততে এক মৰ্মভেদী মানসিক যন্ত্ৰণাৰ চক্ৰবেহুত আৱদ্ধ কৰি ৰখা পৰিলক্ষিত হৈছে -

“কেম্পৰ মাজত মাছ দেখি শৈল্যবালাৰ দুচকু জিলিকি উঠিল। কালিদাসী বুঢ়ীয়ে মাছ বাচিবলৈ লৈ গ’ল। কিন্তু তাইৰ মাছ বাচোতে মায়া আৰু প্ৰমথলৈ মনত পৰি চকুলো ববলৈ ধৰিলে” (বৰকাকতী, ১০২)।

তদুপৰি উপন্যাসখনৰ প্ৰধান চৰিত্ৰ কালিকিশোৰৰ জৰিয়তে আত্মীয়ৰ পৰা হোৱা বিচ্ছেদৰ ফলত সৃষ্টি হোৱা মানসিক ট্ৰমাৰ এক ব্যঞ্জনাময় চিত্ৰ প্ৰকাশ পাইছে। নিজৰ আজন্ম পৰিচিত জন্মভূমি ত্যাগ কৰি অসমৰ কৰিমগঞ্জ, পিংচৰা আৰু কঠিয়াতলি আদি ভিন্ন প্ৰান্তত নিজকে আৰ্থিকভাৱে প্ৰতিষ্ঠিত কৰিবলৈ কৰা সংগ্ৰামৰ মাজতো কালিকিশোৰে কুলাউৰাত এৰি থৈ অহা পৈতৃক গৃহ আৰু খুৰাক চৰিত্ৰচন্দ্ৰৰ স্মৃতি মনৰ পৰা মচি পেলাব পৰা নাই। কুলাউৰাৰ স্মৃতিয়ে তেওঁক অহৰহ খেদি ফুৰে; সেয়েহে ক’ৰবাত কুলাউৰাৰ প্ৰসংগ উত্থাপন হ’লে বা নিজ জন্মভূমিৰ কোনো শৰণাৰ্থী লোকৰ সৈতে সাক্ষাৎ হ’লে তেওঁ আবেগিক হৈ পৰে আৰু অতি ব্যাকুলতাৰে আত্মীয় তথা জন্মভূমিৰ বাতৰি লবলৈ চেষ্টা কৰে। বিশেষকৈ উপন্যাসখনত কালিকিশোৰ আৰু হৰিবিলাসৰ মাজত হোৱা কথোপকথনৰ সময়ত প্ৰকাশ পোৱা কালিকিশোৰৰ মানসিক স্থিতি আৰু বিষণ্ণতাই তেওঁৰ অন্তৰৰ গভীৰত থকা মাতৃভূমি বিচ্ছেদৰ যন্ত্ৰণাটোক স্পষ্ট কৰি তোলে -

“কালিকিশোৰৰ চাৎকৰে কুলাউৰাৰ কথা মনত পৰিল। কুলাউৰাৰ আহল-বহল ঘৰ, চোতাল, চৌহদ, ঠাকুৰ-ঝি পুখুৰী তিৰোতা মানুহৰ বাবে পিছ-চোতাল আৰু পুখুৰী, চৌহদৰ চজিনাগছ, দূৰৰ আমবাগান আৰু বাঁহনি, সেউজীয়া গছ-গছনিৰ মাজেৰে লুংলুঙীয়া বাট-পথ, শিঙিনালা আৰু সাগৰসদৃশ আকালুকী হাৱৰ আৰু তাত ভাহিথকা নাও। এটা শান্ত-শীতল শিহৰণ যেন

কালিকিশোৰৰ মূৰৰ পৰা ভৰিলৈকে পাৰ হৈ গ'ল। এয়াই জনমভূমি, এয়াই জনমভূমিৰ স্মৃতি”(বৰকাকতী, ১৪৬)।

বিশিষ্ট মনোবিজ্ঞানৰ গৱেষক মিল্লাৰ (Miller) আৰু ৰাস্মুচেনে (Rasmussen) শৰণাৰ্থীসকলৰ মানসিক স্বাস্থ্যৰ ওপৰত চলোৱা অধ্যয়নৰ আধাৰত ৰচিত 'The Mental Health of Refugees : Ecological and Cultural Perspectives' শীৰ্ষক প্ৰবন্ধটিত স্থানচ্যুত লোকসকলে সন্মুখীন হোৱা মনস্তাত্ত্বিক আঘাতৰ (Trauma) কাৰকসমূহৰ এক তথ্যসমৃদ্ধ বিশ্লেষণ আগবঢ়াইছে। তেওঁলোকৰ মতে, আশ্ৰয় শিবিৰৰ অভাৱৰ-অনাটন আৰু দুৰ্বিষহ পৰিৱেশে শৰণাৰ্থীসকলৰ মনত গভীৰ মানসিক বিকৃতিৰ সৃষ্টি কৰে। গৱেষকদ্বয়ে যুক্তি দৰ্শাইছে যে এজন শৰণাৰ্থী বা স্থানচ্যুত ব্যক্তি কেৱল অতীতৰ যন্ত্ৰণাদায়ক অভিজ্ঞতাৰ দ্বাৰাই আক্ৰান্ত নহয়, বৰঞ্চ আশ্ৰয় শিবিৰৰ বৰ্তমান জীৱনত যি খাদ্যৰ নাটনি বা অনিদ্ৰাৰ দৰে দৈনন্দিন মানসিক চাপৰ সন্মুখীন হয়, সেইবোৰেহে তেওঁলোকৰ মানসিক স্বাস্থ্যৰ অধিকতৰ অৱনতি ঘটায় (Mollica 11)। আলোচ্য উপন্যাসখনত এই তাত্ত্বিক দিশটোৰ এক বলিষ্ঠ প্ৰতিফলন ঘটা পৰিলক্ষিত হয়। এক স্বচ্ছল তথা সম্ভ্ৰান্ত পৰিয়ালত জন্মগ্ৰহণ কৰা কালিকিশোৰে যেতিয়া সৰ্বস্ব ত্যাগ কৰি অসমৰ কৰিমগঞ্জৰ শৰণাৰ্থী শিবিৰত আশ্ৰয় ল'বলগীয়া হয়, তেতিয়া তেওঁৰ জীৱনলৈ এক চৰম বিপৰ্যয় নামি আহে। শিবিৰৰ সেই অমানুষিক পৰিৱেশত খাদ্যৰ তীব্ৰ সংকট আৰু শোৱাৰ অনুপযুক্তস্থানে তেওঁৰ স্বাভাৱিক নিদ্ৰা হৰণ কৰাৰ লগতে এক অসহনীয় মানসিক চাপৰ সৃষ্টি কৰে। পূৰ্বৰ আঢ্যৱন্ত জীৱনৰ বিপৰীতে শিবিৰৰ এই নিদাৰুণ অভাৱবোৰে কালিকিশোৰৰ মনস্তত্ত্বত যি যন্ত্ৰণাদায়ক ট্ৰমাৰ সৃষ্টি কৰিছে, সেয়া ঔপন্যাসিকে এনেদৰে দাঙি ধৰিছে -

“ ভাত-দাইল আৰু ভাজিৰ অনুষ্টুপীয়া আহাৰত কালিকিশোৰৰ পেট নভৰিল। দুৰ্ঘোৰ টোপনিত শুই পৰা শ্ৰান্ত-ক্লান্ত শাৰী শাৰী মানুহবোৰৰ মাজত কালিকিশোৰ বহুসময় চকুমেলি পৰি থাকিল। সৰুৰে পৰা আহল-বহল পালেঙত শোৱা কালিকিশোৰে মাটিত পৰা পাতল বিছনাখনত আন মানুহৰ মাজত থেপাথেপিকৈ বাগৰি বাতাৱৰণটো মানসিকভাৱে গ্ৰহণ কৰিবলৈ চেষ্টা কৰিলে। ৰাধাৰাণীৰ কথাও মনত পৰিল। তাইৰ বিৰাগ ভাবৰ কাৰণ কালিকিশোৰে বুজি উঠিল। তথাপি ৰাধাৰাণীৰ পুত্ৰহাৰা কাহিনীত যাত্ৰাত প্ৰত্যক্ষ হোৱা অভিজ্ঞতাৰ পাছত কোনো বৈচিত্ৰ্য দেখা নাপালে”(বৰকাকতী, ৯৯)।

অৰুপা পটঙ্গীয়া কলিতাৰ ‘জছনাৰ ঝিটাছ’ উপন্যাসখনতো সমধৰ্মী বিষয়বস্তুৱে প্ৰত্যক্ষভাৱে প্ৰকাশ পাইছে। উপন্যাসখনৰ পটভূমি হৈছে প্ৰাক্ স্বাধীনতাকালৰ সময়ছোৱা। বৃটিছ চৰকাৰে অসমৰ চাহ-বাগিচালৈ শ্ৰমিক হিচাপে ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অনা আদিবাসী লোকসকলৰ স্থানচ্যুত জীৱনৰ কৰুণগাঁথা এই উপন্যাসখনৰ মূল বিষয়বস্তুত সন্নিৱিষ্ট হৈছে। উপৰোক্ত উপন্যাসকেইখনৰ দৰেই ‘জছনাৰ ঝিটাছ’ তো স্থানচ্যুতি বিষয়ৰ লগত জড়িত ভালেমানকেইটা দিশ প্ৰতিফলিত হোৱা দেখা যায়। উপন্যাসখনৰ আৰম্ভণিতে বগা চাহাবৰ শোষণ, প্ৰকৃতিৰ তাণ্ডৱলীলা যেনে বানপানী, খৰাং, দুৰ্ভিক্ষ আদি এশ এবুৰি সমস্যাৰে জৰ্জৰিত এই আদিবাসী শ্ৰমিক লোকসকলে একোটা সুচল জীৱনৰ আশাত নিজ জন্মভূমি এৰি অসমলৈ স্থানান্তৰিত হোৱা দেখিবলৈ পোৱা গৈছে। ষ্টুৱাৰ্ট হল (Stuart Hall) এ তেখেতৰ ‘Cultural Identity and Diaspora’ শীষক প্ৰবন্ধটিত  প্ৰবাসীৰ সম্পৰ্কে ধাৰণা দিবলৈ গৈ স্থানচ্যুতিৰ বিষয়ে আলোচনা আগবঢ়াইছে। তেঁওৰ মতে প্ৰবাসী অৱস্থা বা স্থানচ্যুতি হৈছে বহুমুখী সামাজিক আৰু ঐতিহাসিক প্ৰতিক্ৰিয়াৰ ফলশ্ৰুতি। ই বিশেষকৈ দাসত্ব,উপনিবেশিক শাসন আৰু বিশ্বায়নৰ দৰে ঘটনাৰ সৈতে জড়িত। এই প্ৰতিক্ৰিয়াসমূহে মানুহক নিজৰ স্বভূমি ত্যাগ কৰি উন্নত জীৱন আৰু সুযোগৰ সন্ধানত অন্য ঠাইলৈ স্থানান্তৰিত হ'বলৈ প্ৰেৰণা দিয়ে (Rutherford 235)। উপন্যাসখনৰ প্ৰধান নাৰী চৰিত্ৰ দুৰ্গীৰ মনৰ জৰিয়তে এই দিশটো ফুটি উঠিছে -

“আৰকাঠিয়াৰ কথাবোৰে তাইৰ চকুৰ আগলৈ আনি দিয়া জলমলিয়া সপোনটোহে তাইৰ বুকুত খেৰ কুটা গোটাই বাহ লৈ আছে। এখন শাক-পাচলি লগাব পৰা সৰু বাৰীৰে সৈতে এখন ঘৰ, সপ্তাহে সপ্তাহে পোৱা বাগানৰ ৰেচন, কেঁচা টকা, বেমাৰ হ'লে ঔষধ, চাহ-বাগানৰ সুখ-শান্তিৰে ভৰা কাম। মানুহকনো আৰু কি লাগিছে? ... (কলিতা ১৭)।

স্থানচ্যুতিৰ ফলশ্ৰুতিত নিজ জন্মভূমি ত্যাগ কৰি অচিন পৰিৱেশত আশ্ৰয় লোৱা প্ৰব্ৰজিতলোকসকলে নতুন ঠাইত নানা যাতনাময় অভিজ্ঞতাৰ মুখামুখি হ'ব লগা হয়। বিশেষকৈ শোষণ-নিষ্পেষণ, মাতৃভূমিৰ স্মৃতি, আত্মীয়-স্বজনৰ পৰা বিচ্ছিন্নতা আৰু অস্তিত্ব সংকট আদি সমস্যাসমূহে তেওঁলোকৰ মনস্তাত্ত্বিক জগতখনত এক বিৰূপ ক্ৰিয়া কৰা পৰিলক্ষিত হয়। ‘জছনাৰ ঝিটাছ’

উপন্যাসখনত চৰিত্ৰসমূহৰ মানসিক ঘাত-প্ৰতিঘাতৰ জৰিয়তে এই দিশসমূহ স্পষ্টভাৱে প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা গৈছে। উপন্যাসখনত ছোটনাগপুৰৰ পৰা অসমৰ চাহ বাগিচালৈ আমদানিকৃত শ্ৰমিকসকলৰ কষ্টকৰ যাত্ৰাৰ চিত্ৰ স্পষ্টকৈ প্ৰকট হৈ উঠিছে। জাহাজৰ ষ্টিমাৰৰ ওপৰত অমানৱীয়ভাৱে নূন্যতম সুবিধা প্ৰদান নকৰাকৈ কঢ়িয়াই অনা সেই শ্ৰমজীৱী লোকসকলৰ ওপৰত চৰ্দাৰসকলে অবাধ স্বাধীনতা প্ৰদৰ্শন কৰি শোষণ- অত্যাচাৰ কৰাৰ লগতে মহিলাসকলৰ ওপৰত যৌন উৎপীড়ন চলাইছিল। অস্বাস্থ্যকৰ পৰিৱেশত হাইজা, কলেৰা আদি বেমাৰ হৈ মৃত্যু হোৱা লোকক জাহাজৰ পৰা পানীত পেলাই দিয়া হৈছিল। আনকি মুমূৰ্ষু অৱস্থাত থকা ৰোগীক জাহাজৰ পৰা নদীৰ কাষৰ হাবিত এৰি অহা হৈছিল। জাহাজত অহা সহযাত্ৰীসকলৰ এনে দুৰ্দশা প্ৰত্যক্ষ কৰিও বাকীসকল যাত্ৰীয়ে মৌনতাৰে সেইবোৰ প্ৰত্যক্ষ কৰিছিল। সেইদৰে নৌকাযাত্ৰাৰ অন্তত নিজ গন্তব্য স্থান আঠাৰিঘাট চাহ বাগিচাত উপস্থিত হোৱাৰ পাছতো বগাচাহাবৰ শোষণৰ পৰা হাত হাৰিব পৰা নাছিল। বগা চাহাবৰ ঔপনিৱেশিক শোষণ আৰু পশুসদৃশ শ্ৰমৰ হেঁচাত তেওঁলোকৰ জীৱন কোঙা হৈ পৰিছিল। বগাচাহাবৰ এনে অত্যাচাৰৰ বিৰোধিতা নকৰি নিৰন্তৰভাৱে সহ্য কৰাৰ ফলত সেই ঘটনাই তেওঁলোকৰ মানসপটত বিশেষ ক্ৰিয়া কৰিবলৈ সক্ষম হৈছিল। উপন্যাসখনত ঔপনিৱেশিক শোষণৰ এই নগ্ন স্বৰূপটো দশৰথৰ মৃত্যুৰ প্ৰসংগৰে স্পষ্ট হৈ উঠিছে। বগাচাহাবৰ নিৰ্মম চাবুকৰ আঘাতত দশৰথৰ যি কৰুণ মৃত্যু ঘটিল, সেই ঘটনাই উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ দুৰ্গীৰ মনোজগতত এক গভীৰ জোকাৰণিৰ সৃষ্টি কৰিলে। এনে পাশৱিক অত্যাচাৰ প্ৰত্যক্ষ কৰিও দুৰ্গীয়ে সেয়া অন্তৰৰ নিভৃত কোণত দমিত কৰি ৰাখিবলৈ বাধ্য হৈছিল, যাৰ ফলত এক তীব্ৰ মানসিক অস্থিৰতাই তাইক আচ্ছন্ন কৰি পেলাইছিল। দশৰথৰ মৃত্যুৰ সেই বিভীষিকাময় স্মৃতিয়ে দুৰ্গীক বাৰে বাৰে বিচলিত আৰু অশান্ত কৰি তুলিছিল। তাইৰ অন্তৰত পুঞ্জীভূত হৈ থকা এই অব্যক্ত বেদনা আৰু নিৰৱ ক্ষোভক ঔপন্যাসিকাই লোকসংগীতৰ মাজেৰে এনেদৰে উপস্থাপন কৰি দেখুৱাইছে -

"...দুৰ্গীয়ে মিঠা ৰজনজনাই যোৱা মাতটোৰে গাই উঠিল। গান গাইছিল নে তাই কান্দিছিলহু গানেই গাইছিল, এইবোৰ গান আৰু কান্দোনৰ মাজতনো কি বেলেগটো আছে? বুকুখন পাতলাবলৈকে এই গানবোৰ সিহঁতে মুখে মুখে ৰচি পেলাইছিল, তাকে শিকি লৈছিল দুৰ্গীয়ে।

'বড় চায়েবেৰ বড় ঘঁড়া
ছট চায়েবেৰ ছট ঘঁড়া
চাবুক মাৰে জড়া জড়া।

হাড়িয়াৰ নিচাতকৈয়ো বেছিকৈ ধৰে তাইক গান আৰু নাচৰ নিচাই। তাই নতুনকৈ শিকি লোৱা গানটো গাইছিল আৰু নাচিছিল" (কলিতা, ৬৮)।

আকস্মিকভাৱে সংঘটিত কোনো দুৰ্যোগে মানুহৰ মনস্তত্ত্বত এক সুদূৰপ্ৰসাৰী তথা নেতিবাচক প্ৰভাৱ পেলায়। যিহেতু এনে অনাকাংক্ষিত পৰিস্থিতিৰ মুখামুখি হ'বলৈ ব্যক্তিৰ কোনো পূৰ্ব-মানসিক প্ৰস্তুতি নাথাকে, সেয়েহে মানুহৰ মস্তিস্কই এই তাৎক্ষণিক আঘাতক যথোচিতভাৱে বিশ্লেষণ কৰিবলৈ অসমৰ্থ হয়। এই সন্দৰ্ভত বিখ্যাত মনোবিজ্ঞানী জুজিথ হাৰমান (Judith Herman) এ তেওঁৰ কালজয়ী গ্ৰন্থ "Trauma and Recovery" ত উল্লেখ কৰিছে, Traumatic events are overwhelming, precisely because they undermine the determinate sense of self-protection and control. অৰ্থাৎ, ট্ৰমাজনিত ঘটনাসমূহ ইমানেই প্ৰবল যে ই ব্যক্তিৰ আত্মৰক্ষা আৰু নিয়ন্ত্ৰণৰ সুনিশ্চিত ধাৰণাটোক নিঃশেষ কৰি পেলায় (Herman 33)। এনে সন্ধিক্ষণত নিজৰ লগতে আপোনজনৰ সুৰক্ষা নিশ্চিত কৰিব নোৱাৰাৰ যি চৰম অসহায়তা, সি ব্যক্তিৰ মনত এক স্থায়ী অনিৰাপত্তাৰ আৱহ সৃষ্টি কৰে। এই মানসিক অৱস্থাৰ ফলত ব্যক্তিগৰাকী প্ৰায়েই সেই ভয়াৱহ স্মৃতিৰ ৰোমন্থন বা দুঃস্বপ্নৰ চিকাৰ হয়। ট্ৰমা বিশেষজ্ঞ বেছেল ভ্যান ডাৰ কোল্ক (Bessel van der Kolk) ৰ মতে, এনে পৰিস্থিতিত মগজুৱে অতীতৰ আঘাতক বৰ্তমান বুলি অনুভৱ কৰে। তেওঁৰ মতে, "Trauma results in a fundamental reorganization of the way mind and brain manage perceptions. It changes not only how we think and what we think about, but also our very capacity to think." অৰ্থাৎ, ট্ৰমাই মগজুৰ ধাৰণা গ্ৰহণ কৰা পদ্ধতিটোকে সলনি কৰি দিয়ে। ই কেৱল আমাৰ চিন্তাই নহয়, বৰঞ্চ চিন্তা কৰাৰ সামৰ্থ্যকো প্ৰভাৱিত কৰে (Kolk 21)। ইয়াৰ পৰিণতিত ব্যক্তিগৰাকী এক ধৰণৰ অতি-সজাগতা (Hypervigilance) ৰ চিকাৰ হয়, যিয়ে তেওঁৰ মনস্তাত্ত্বিক চাপ বৃদ্ধি কৰি মানসিক সুস্থিৰতা বিঘ্নিত কৰে। উপন্যাসখনত দচাৰু চৰিত্ৰটিৰ জৰিয়তে এই দিশটো স্পষ্টভাৱে প্ৰকাশ পাইছে। চৰম দৰিদ্ৰতাৰ কৱলৰ পৰা

পৰিত্ৰাণ পাবলৈ নিজ জন্মভূমি পৰিত্যাগ কৰি 'সোণৰ অসম' লৈ স্থানান্তৰিত হোৱা দচাৰুৱে চাহ বাগিচাত কৰ্মৰত অৱস্থাত এক অনাকাংক্ষিত সন্ধিক্ষণৰ মুখামুখি হয়। বৃটিছ পৰিচালক পেৰিটন চাহাবক এক বিষধৰ সৰ্পৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ গৈ দচাৰুৱে অনিচ্ছাসত্ত্বেও সেই সৰ্পটোক নিধন কৰিবলৈ বাধ্য হয়। পৰম্পৰাগতভাৱে দেৱতা জ্ঞান কৰা সৰ্পক নিজ হাতেৰে হত্যা কৰা এই ঘটনাই দচাৰুৰ মনস্তত্ত্বত এক গভীৰ অপৰাধবোধ আৰু আৱেগিক বিসংগতিৰ সৃষ্টি কৰে। ধৰ্মীয় বিশ্বাস অনুসৰি পত্নী দুৰ্গী আৰু অন্যান্য শ্ৰমিকসকলৰ সহযোগত প্ৰায়শ্চিতমূলক পূজা-অৰ্চনাৰ আশ্ৰয় লৈছিল যদিও এই ঘটনাই তেওঁৰ অন্তৰ্নিহিত সত্তাত এক সুস্থিৰ মানসিক ট্ৰমাৰ সাঁচ বহুৱায়। ইয়াৰ পৰিণতিত দচাৰুৰ স্বাভাৱিক জীৱনশৈলী ব্যাহত হয় আৰু তেওঁ ক্ৰমান্বয়ে বিসংগতিপূৰ্ণ আচৰণ কৰিবলৈ ধৰে। এই বিভীষিকাময় পৰিৱেশৰ পৰা মুক্তিৰ বাবে তেওঁৰ মনত নিজ গৃহভূমিলৈ প্ৰত্যাৱৰ্তনৰ এক তীব্ৰ নষ্টালজিক ব্যাকুলতা জাগ্ৰত হয়। উপন্যাসখনৰ বিভিন্ন অধ্যায়ত দচাৰুৰ এই মানসিক বিপৰ্যয়ৰ মৰ্মস্পৰ্শী ছবি ঔপন্যাসিকে এনেদৰে প্ৰকাশ কৰিছে -

"দচাৰুৰ এই কথাবোৰলৈ একেবাৰে মন-কাণ নাই। দেওতা সাপক গুৰুৱে দিয়া মন্ত্ৰপূত কাড়েৰে মৰাৰ পাছৰে পৰা কি যে হ'ল মানুহটোৰহে তাৰ বাগানৰ পৰা একেবাৰে মন উঠি গৈছে। দুৰ্গীক সদায়ে কৈ থাকে সি তাৰ জন্মপোৱা ৰঙা মাটিৰ দেশখনলৈ ঘূৰি যাব। তাত সি গৈ আকৌ তীৰখেল খেলিবগৈ। তাত কোনেও তাক তীৰ মাৰিবৰ বাবে বন্দুক, চাবুক নেদেখুৱায়। সি তীৰ-ধনুক লৈ আকৌ জংঘললৈ যাব। তাৰ বাপ-দাদাৰ মাটিত ভুট্টা চাস কৰিবগৈ। একবেলা এক মুঠ খাই সিহঁত জীয়াই থাকিব। সিহঁতৰ নিজৰ দেশত ল'ৰা আৰু ছোৱালী হ'ব। পাত তোলা আৰু কোদাল পাৰা নহ'ব। সি দুৰ্গীৰ পেটত চাহাবৰ গোলামৰ জন্ম নিদিয়ে। সি দুৰ্গীক লৈ এদিন বাগিচাৰ পৰা পলাব.." (কলিতা ১৪৫)।

"..দুৰ্গী বহি পৰিলগৈ তাইৰ বেজেৰুৱা মুখৰ তীৰন্দাজ মৰদৰ কাষত। দুৰ্গীয়ে জানে তাৰ মন এতিয়া এখন শালবনত। সি কান্ধত ধনুক-তীৰ লৈ শালবনত ঘূৰি-ফুৰিছে। হয়তো এটা বন মুৰ্গীৰ চোপ লৈছে। সি চাগৈ শালগছ এজোপাত নিশানা বান্ধি মাটি ৰঙৰ ডেকা এজাকক তীৰ চলাবলৈ শিকাইছে। চাৰিওকাষৰ বৰা চাহাবক কেন্দ্ৰ কৰি ঘটি থকা কাজ-কাৰবাৰবোৰলৈ তাৰ একো মন-কাণ নাই। সি চিলমিল টোপনিত পৰিছে। এনেকৈয়ে থাকে দুৰ্গীৰ তীৰন্দাজ। এই শোবে,এই সাৰ পায়। সি যেন এটা সপোনতহে থাকে" (কলিতা, ১৪৮)

আত্মীয়ৰ সৈতে বিচ্ছেদ অথবা মৃত্যুৱে মানুহৰ মনস্তত্ত্বত এক গভীৰ আৰু অপৰিমেয় মানসিক আঘাতৰ সৃষ্টি কৰে। যেতিয়া কোনো ব্যক্তিয়ে নিজৰ আপোনজনৰ আকস্মিক বিয়োগৰ বাতৰি লাভ কৰে অথবা সেই শোকাবহ দৃশ্যৰ প্ৰত্যক্ষদৰ্শী হয়, তেতিয়া তেওঁৰ মানসিক জগতখনত এক প্ৰচণ্ড জোকাৰণিৰ সৃষ্টি হয়। এনে আৱেগিক বিপৰ্যয়ৰ ফলত ব্যক্তিজনৰ স্বাভাৱিক আচৰণত বিসঙ্গতিয়ে দেখা দিয়ে। তেনে ব্যক্তি চৰম বিৰক্তি, অনিদ্ৰা আৰু দুঃস্বপ্নৰ দৰে মানসিক চিকাৰৰ সন্মুখীন হ'বলগীয়া হয়। বিখ্যাত মনোবিজ্ঞানী জন বাউলবীয়ে (John Bowlby) তেওঁৰ কালজয়ী গ্ৰন্থ 'Attachment and Loss' (Vol 3,1980) ত উল্লেখ কৰিছে যে প্ৰিয়জন হেৰুৱাটো মানৱ জীৱনৰ আটাইতকৈ মৰ্মান্তিক অভিজ্ঞতাৰ ভিতৰত অন্যতম। তেওঁৰ মতে, এই বিচ্ছেদ কেৱল শোকৰ মাজতে আৱদ্ধ হৈ নাথাকে, বৰঞ্চ ই মানুহৰ মনত তীব্ৰ অস্তিত্বমূলক উদ্বেগ (Anxiety) আৰু ক্ৰোধৰো (Anger) উদয় ঘটায় (Bowlby 445)। আলোচ্য উপন্যাসখনতো এই বিষয়টি দুৰ্গী চৰিত্ৰটিৰ জৰিয়তে স্পষ্টভাৱে প্ৰকাশ হোৱা দেখিবলৈ পোৱা গৈছে। ছোটনাগপুৰৰ পৰা স্বামী দচাৰুৰ সৈতে এক নিৰাপদ আৰু নিশ্চিত ভৱিষ্যতৰ স্বপ্ন বুকুত বান্ধি দুৰ্গীয়ে অসমৰ চাহ বাগিচালৈ প্ৰব্ৰজন কৰিছিল। আঠাৰিঘাট চাহ বাগিচাত ঔপনিৱেশিক শাসকৰ চৰম শোষণ আৰু নিৰ্যাতনৰ মাজত দিন অতিবাহিত কৰিবলগীয়া হোৱা দুৰ্গীৰ জীৱনলৈ চৰম বিপৰ্যয় নামি আহে, যেতিয়া স্বামী দচাৰুৰ মনস্তাত্ত্বিক যন্ত্ৰণাৰ ফলত অকাল মৃত্যু ঘটে। দচাৰুৰ এই আকস্মিক বিয়োগে দুৰ্গীক এক দুৰ্বিষহ নিসংগতাবোধ আৰু মানসিক ৰিক্ততাৰ মাজলৈ ঠেলি দিয়ে, যাৰ ফলত তেওঁ নিজৰ স্বাভাৱিক জীৱনশৈলী হেৰুৱাই এক ধৰণৰ উন্মাদসদৃশ অৱস্থাত উপনীত হয়। উপন্যাসখনত দুৰ্গীৰ মনৰ অৱস্থা ঔপন্যাসিকে এনেদৰে দাঙি ধৰিছে -

"...মাজে মাজে দুৰ্গীৰ উশাহ বন্ধ হৈ যাব যেন লাগে... সপোনতে তাই পাত টুকাই, ফেক্টৰিত কয়লা আৰু ধূলিৰ মাজত পাত বাছে। প্ৰায়ে তাই চাহ গছৰ পাহিবোৰৰ মাজত, সেই তীৰন্দাজ ডেকাৰ ছবিৰে সজাই লোৱা নীচ লাইনৰ ছয় নম্বৰ গলিৰ তিনি নম্বৰ কামৰাৰ পিৰালিত বহি গান

গাই থাকে। সাৰ পাই উঠি তাই সদায়ে ভয় লগাকৈ গোঙাই থাকে, বহু সময়লৈকে ভৰিৰ কঁপনি কমি নাযায়। কৰাল মাৰে জিভা, ডিঙি শুকাই যায়। সাৰ পাই তাই বহু সময় 'আপনা কামৰা'ত বহি থাকে। কেতিয়াবা কান্দে, কেতিয়াবা আঙুলি ফুটাই, কেতিয়াবা নিজৰ চুলিয়ে আজোৰে " (কলিতা ২৩৩)।

উপন্যাসখনৰ পৰৱৰ্তী পৰ্যায়ত দেখা যায় যে তীব্ৰ আৰ্থিক অনাটন আৰু নিৰাশ্ৰয়ী অৱস্থাৰ পৰা পৰিত্ৰাণ বিচাৰি দুৰ্গীয়ে চাহ বাগিচাৰ পৰিচালক ফ্ৰেজাৰৰ ৰক্ষিতা হিচাপে জীৱন অতিবাহিত কৰিবলৈ বাধ্য হয় আৰু তিনিটা সন্তানৰ মাতৃ হয়। কিন্তু হাইজা মহামাৰীত আক্ৰান্ত হৈ পুত্ৰ কুশৰ বিয়োগে তেওঁৰ অন্তৰ্নিহিত মাতৃসত্তাত পুনৰ এক মৰ্মন্তুদ আৱেগিক আঘাত সানে -

" ...দুৰ্গী মেমৰ হাততে কুশৰ দুৰ্বল মাতটো নিস্তব্ধ হৈ গৈছিল। সি গাঁতত সোমোৱা চকুৰে তাইলৈ একেথৰে চাই আছিল, এবাৰ বৰ সৰু মাতেৰে মাতিবলৈ চেষ্টা কৰিছিল- মাথু তাইৰ হাততে ল'ৰাটো নোহোৱা হৈ গৈছিল। দুৰ্গীৰ বুকুৰ পৰা উজাই আহিছিল এটা কান্দোন। দুৰ্গীয়ে কান্ধত এটা স্পৰ্শ অনুভৱ কৰিছিল। লব পাছফালে থিয় দি আছে। তাৰ মুখখন শেঁতা পৰি গৈছে, চকুৰ পৰা পানী পৰিছে। দুৰ্গীয়ে তাইৰ গহীন বৰকৈ কথা-বতৰা নোকোৱা ল'ৰাটোক সাবটি ধৰিছিল " (কলিতা ৩২৩)।

স্থানচ্যুত লোকসকলক মাতৃভূমিৰ স্মৃতিয়ে গভীৰভাৱে জুৰুলা কৰে। কাৰণ এই স্মৃতি তেওঁলোকৰ অস্তিত্ব আৰু পৰিচয়ৰ মূল আধাৰ। স্থানচ্যুতিৰ পিছত এই স্মৃতি কেতিয়াবা নষ্টালজিয়া ৰূপে থিয় দিয়ে, যিয়ে তেওঁলোকক মানসিকভাৱে অতীতলৈ টানি নিয়ে আৰু বৰ্তমানৰ বাস্তৱতাৰ সৈতে দূৰত্ব সৃষ্টি কৰে। বহু সময়ত এনে স্মৃতিয়ে তেওঁলোকক নতুন ঠাইৰ সৈতে সম্পূৰ্ণ ৰূপত মিলি যোৱাৰ ক্ষেত্ৰত বাধা সৃষ্টি কৰে। ছালমান ৰাছদী (Salman Rushdie) এ তেখেতৰ 'Imaginary Homelands : Essays and Criticism' নামৰ গ্ৰন্থখনত কৈছে যে নিৰ্বাসিত বা প্ৰব্ৰজিত লোকসকল অনবৰতে মাতৃভূমিৰ স্মৃতিৰে সিক্ত হৈ থাকে। তেওঁলোকে অতীতলৈ উভতি যাবলৈ চেষ্টা কৰে যদিও সেই অতীত বাস্তৱ হ'ব নোৱাৰে।তেওঁৰ মতে ই মানুহৰ মনত গঢ় লৈ উঠা কল্পনাৰ দেশ (Rushdie 10)। উক্ত উপন্যাসখনৰ কেইবাটাও অধ্যায়ত এই মাতৃভূমিৰ স্মৃতিয়ে চৰিত্ৰসমূহক কাতৰ কৰা পৰিলক্ষিত হৈছে -

"দুৰ্গীৰ স্পষ্ট মনত আছে। চোট্টি মেলাৰ আদিবাসী মানুহৰ তীৰ খেলা সেই অঞ্চলত বিখ্যাত। ....তীৰ খেলত বাধা নাই। দচাৰু তীৰন্দাজৰ সেইদিনা সাজেই বেলেগ আছিল। পিন্ধিছিল হালধীয়া ধুতী। ....চুলিত আছিল গুঁজি লোৱা কাঠৰ ফণী। সেইদিনা দচাৰু যেন হৈ পৰিছিল সাক্ষাৎ মাৰং বুৰু। ....দচাৰুৱে সঁচাকৈয়ে তীৰেৰে সী পেলাইছিল লক্ষ্য কৰি আঁৰি থোৱা মাছৰ ছবিখনৰ চকুৰ মণিটো। দুৰ্গী আনন্দত জঁপিয়ায় পাগলী হৈ গৈছিল। সেইদিনা ৰাতিয়ে দচাৰুৰ বাপেকে তাক বিয়াৰ কথা কৈছিল। তাৰ এসপ্তাহৰ পাছতে দুৰ্গীৰ বিয়া হৈছিল" (কলিতা ৭৩)।

স্থানচ্যুত লোকসকলে সন্মুখীন হোৱা এটা গভীৰ সমস্যা হ'ল পৰিচয় সংকট। একে সময়তে দুটা পৃথক সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ মাজত নিজকে আগুৱাই নিয়াৰ ফলশ্ৰুতিত তেওঁলোকে পৰিচয় সংকটত ভোগে। হোমি কে ভাভাই 'The Location of Culture' গ্ৰন্থখনত কৈছে, "In the processes of cultural translation, the hybrid identity of the diasporic subject is never fixed but constantly negotiated between the demands of historical memory and the imperatives of social adaptation" অৰ্থাৎ প্ৰবাসী বা স্থানচ্যুত লোকসকলৰ পৰিচয় সদায় এক মধ্যস্থ অৱস্থাত থাকে। য'ত তেওঁলোকৰ মাতৃভূমিৰ ঐতিহাসিক স্মৃতি আৰু নতুন ঠাইৰ সামাজিক-সাংস্কৃতিক উপাদানসমূহ মিশ্ৰিত হৈ পৰিচয় গঠন কৰে, তেনে পৰিচয় একমুখী বা স্থিৰ নহয়। তেওঁলোকে নিজৰ মাতৃভূমি আৰু নতুন ভূমিৰ বিভিন্ন পৰিস্থিতিৰ মাজত সামঞ্জস্যতা বজাই ৰাখিবলৈ চেষ্টা কৰে (Bhabha 2)। উপন্যাসখনতো এই পৰিচয় সংকট বিষয়টোৰ উত্থাপন হোৱা দেখিবলৈ পোৱা গৈছে। আঠাৰিঘাট চাহ-বাগিচাৰ কুলী হিচাপে দিন পাৰ কৰা দুৰ্গীয়ে স্বামী দচাৰুৰ মৃত্যুৰ পিছত বগা চাহাব ফ্ৰেজাৰৰ ৰক্ষিতা হিচাপে পৰৱৰ্তী জীৱন অতিবাহিত কৰে। ফ্ৰেজাৰৰ তিনিটাকৈ সন্তানৰ মাতৃ হৈও দুৰ্গীয়ে সেই বগাচাহাবৰ সমাজখনত স্থান পাবলৈ সক্ষম নহ'ল। অন্যহাতে দুৰ্গীয়ে অসমীয়া সংস্কৃতিক সম্পূৰ্ণভাৱে গ্ৰহণ কৰি লৈছে যদিও বগাচাহাবৰ ৰক্ষিতা তথা বাগানৰ কুলী হোৱাৰ বাবে পৰম্পৰাগত অসমীয়া সমাজখমত স্থান পাবলৈ অসক্ষম হৈছে। আৰু অৱশেষত নিজ কুলী সমাজখনৰ পৰাও তাই বহিষ্কৃত হ'ব লগা হৈছে -

"দুৰ্গীৰ মনলৈ এটা কোনোদিনে নহা প্ৰশ্ন আহিল।

তাই কাৰ মানুহ? কোন তাই? তাই সেই ৰঙামাটিৰ দেশখনৰ মানুহ? ....তাই তীৰন্দাজ দচাৰুৰ ঘৈণী আছিল। তাই এদিন ৰাতি বৰা বঙলাৰ চিৰিটোৱে সেই কোঠাটোলৈ সোমাই গ'ল। ....ল'ৰা এহালৰ মাক হ'ল। তাই বৰুৱানীৰ আদব-কায়দা নিজৰ কৰি ল'লে। তাই বৰুৱানীৰ দৰে থাপনাৰ আগত কীৰ্তন পঢ়ে, বৰুৱানীৰ দৰে কাপোৰ পিন্ধে। ....চাহাবে কৈ গৈছে তাই বগা চাহাবৰ ফালৰ মানুহ। চাহাবৰ বিচনাৰ তিৰোতা। তাই এতিয়া দুৰ্গীমেম "(কলিতা, পৃ.২৭৬)।

সেইদৰে ৰুদ্ৰাণী শৰ্মাৰ 'কাঁহি বুনৰ মালিতা' উপন্যাসখনত ঊনবিংশ শতিকাৰ শেষভাগৰ পৰা অসমলৈ স্থানচ্যুতি ঘটা বংগমূলীয় মুছলমানসকলৰ দুখ-ব্যাথাৰে ভৰা জীৱনৰ ছবি চিত্ৰিত হৈছে। উপন্যাসখনত দেশ বিভাজন, অসম আন্দোলন আদি ৰাজনৈতিক সমস্যাৰ সমান্তৰালভাৱে স্থানচ্যুত বংগীয়মূলৰ মুছলমানসকলৰ সংঘাতপূৰ্ণ জীৱন, আত্মপৰিচয়ৰ সংকট, থলুৱা সমাজ-সংস্কৃতিৰ সৈতে সম্প্ৰীতি আদি অনেক দিশসমূহ প্ৰকাশ পাইছে। দেশ বিভাজনৰ পূৰ্বৰ কালছোৱাত পূৰ্ববংগৰ পৰা অসমলৈ প্ৰব্ৰজন কৰা এটি মুছলমান পৰিয়ালৰ ধাৰাবাহিকভাৱে তিনিটা প্ৰজন্মৰ জীৱন-সংগ্ৰামৰ আখ্যান এই উপন্যাসখনত জীৱন্ত ৰূপত প্ৰতিফলিত হৈছে। মানৱ সভ্যতাৰ অগ্ৰগতি আৰু জন-প্ৰব্ৰজনৰ ধাৰা একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি; তথাপি অনিয়ন্ত্ৰিত প্ৰব্ৰজনে বহুক্ষেত্ৰত এখন ৰাষ্ট্ৰৰ অৰ্থনৈতিক ভূ-খণ্ড আৰু ৰাজনৈতিক স্থিতিত অনাকাংক্ষিত জটিলতাৰ সূত্ৰপাত কৰে। বিংশ শতিকাৰ দ্বিতীয় দশকৰ পৰা অসমলৈ ধাবমান হোৱা এই অবিৰত প্ৰব্ৰজনৰ সোঁতে অসমীয়া সমাজ-জীৱনলৈ গভীৰ অস্তিত্বৰ সংকট তথা বিপৰ্যয় নমাই আনিছিল। বিশেষকৈ ১৯০৫ চনৰ বংগ-ভংগৰ পৰৱৰ্তী সময়ছোৱাত এই প্ৰব্ৰজনৰ গতি অধিক প্ৰবল হৈ উঠে। এনে এক প্ৰব্ৰজিত পৰিয়ালৰ জীৱন-বৃত্তক কেন্দ্ৰ কৰিয়েই উপন্যাসখনৰ কাহিনী-বিন্যাস গঢ় লৈ উঠিছে। উক্ত উপন্যাসখনত তিনিধৰণে মানসিক অভিঘাতৰ ধাৰণা প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা গৈছে। প্ৰথমতে, অনিচ্ছাকৃতভাৱে হোৱা স্থানচ্যুতিৰ ফলত ব্যক্তিৰ মানসত সৃষ্টি হোৱা গভীৰ আৱেগিক প্ৰতিক্ৰিয়া। দ্বিতীয়তে, নিজ মাতৃভূমিৰ স্মৃতি তথা আত্মীয়-স্বজনৰ পৰা হোৱা বিচ্ছেদজনিত যন্ত্ৰণা আৰু তৃতীয়তে, নতুন ভৌগোলিক পৰিৱেশত স্থানচ্যুতলোকে সন্মুখীন হোৱা পৰিচয় সংকটৰ ফলত উদ্ভূত মানসিক দ্বন্দ্ব।

বিংশ শতিকাৰ দ্বিতীয় দশকত অবিভক্ত বংগদেশত দেখা দিয়া তিনিটাকৈ দুৰ্ভিক্ষৰ ফলত সাধাৰণ মুছলমান শ্ৰেণীলোকসকল আৰ্থিক সংকটত ভোগে। উপন্যাসখনৰ প্ৰাৰম্ভিক পৰ্যায়তে ঔপন্যাসিকে বছিৰ নামৰ চৰিত্ৰটিৰ জৰিয়তে সেই সময়ৰ আৰ্থ-সামাজিক সংকটৰ এক মৰ্মভেদী তথা বাস্তৱধৰ্মী চিত্ৰ নিপুণতাৰে অংকন কৰিছে -

চকুৰ পতা জাপ খাই যায়। প্ৰথমটো দুৰ্ভিক্ষত ৰমিজৰ ককাক বছিৰ মিঞাৰ বাপেক মৰিছিল। পিছৰটোত খুৱাকহঁতৰ পৰিয়ালৰ তিনিজন। তৃতীয়টোত বছিৰে কাচিম আৰু নাজিম - তাৰ প্ৰথম আৰু দ্বিতীয় সন্তান দুটাক হেৰুৱাবলগীয়া হৈছিল। কান্দিবলৈও শক্তি নাছিল সিহঁতৰ। তৃতীয়টো দুৰ্ভিক্ষত সি নিঃস্ব হৈ পৰিল। সন্তান হেৰুৱালেই, ভূমিও হেৰুৱালে। পেটৰ ভোকত থাকি ভৱিষ্যতৰ কথা কি ভাবিব? সেই ভৱিষ্যত সি জমিদাৰৰ হাতত বন্ধকত থ'লে। তেতিয়ালৈকে ল'ৰা দুটা আছিল। ভাবিছিল- ইহঁত দুটা ডাঙৰ হৈ জমিদাৰৰ খেতিত কাম কৰি মাটি বন্ধকৰ পৰা মোকলাব। পিছে কোনোফালে বাট নোলোৱা হ'ল। বেছিভাগৰে অৱস্থা একেই..." (শৰ্মা, ১২)।

এনে চৰম আৰ্থিক বিপৰ্যয়ৰ কবলৰ পৰা ৰক্ষাৰ্থে এই পূৰ্ববংগীয় মানুহখিনিয়ে জীৱন ধাৰণৰ এক নতুন পথৰ সন্ধামত অসমলৈ স্থানান্তৰিত হ'বলৈ বাধ্য হয়। উপন্যাসখনত তাৰ বৰ্ণনা এনেদৰে দাঙি ধৰিছে -

"মৈমনসিংহৰ নাগৰপুৰৰ ওচৰতে আছিল পাইছানা নামৰ বছিৰ মিঞাৰ গাঁওখন। ভোক, মৃত্যু আৰু দুৰ্ভিক্ষই নিজৰ ঠাই বুলি থকা হেঁপাহ কমাই আনিছিল। দৃঢ় হৈ পৰিছিল বছিৰ। ভেটিৰ মাটিকণহে আছে মাত্ৰ। তাৰ মোহতে ভিক্ষাৰ পাত্ৰ লৈ ঘূৰি ফুৰিবনে সি? সৰু-সুৰা কাপোৰ-কানি লাম-লাকটুকেইটা বান্ধি-কুছি টোপোলা কৰি লৈ গুচি আহিছিল সেই ঠাই এৰি। ওচমান আৰু জালালৰ পৰিয়ালো আহিছিল একেলগে" (শৰ্মা, ১৪)।

স্থানচ্যুতসকলে নিজ মাতৃভূমিৰ স্মৃতি সদায় মনত লৈ ফুৰে। এনে স্মৃতিয়ে কেতিয়াবা তেঁওলোকৰ অন্তৰত বেদনাৰ সৃষ্টি কৰে। এডৱাৰ্ড চাইদৰ মতে, "নিৰ্বাসন বা স্থানচ্যুতি হ'ল এজন ব্যক্তি বা একোটা গোট আৰু তেওঁলোকৰ জন্মভূমিৰ মাজত সৃষ্টি হোৱা এক অপূৰণীয় বিচ্ছেদ। এই বিচ্ছেদৰ পৰা সৃষ্টি হোৱা বিষাদ কেতিয়াও সম্পূৰ্ণৰূপে নিৰাময় কৰিব নোৱাৰি" (Said 173)। উপন্যাসখনৰ বিভিন্ন ঠাইত এই মাতৃভূমি বিচ্ছেদৰ স্মৃতিয়ে চৰিত্ৰসমূহক প্ৰভাৱিত কৰা দেখিবলৈ পোৱা যায়। বছিৰ মিঞাই নিজ মাতৃভূমিত এৰি থৈ অহা পৰিয়ালৰ লোকসকলৰ

প্ৰসংগত এই দিশটো স্পষ্টভাৱে প্ৰকাশ পাইছে -

"নিজৰ ঠাই এৰি আহিছে। বুকুত বল থাকিলেও উজাই অহাৰ সময়ত নাওৰ বঠাৰ চপ চপ তাৰ বুকুৰ ধপ্‌ধপ্ শব্দৰ লগত একাকাৰ হৈ পৰিছিল। বান্ধোন ছিঙি আহিছিল সিহঁত। ককায়েক নজু মিএগ্ৰাৰ পৰিয়ালটো তাতেই আছে। খুৰাকহঁতৰ ঘৰখন আছে। গাঁও আছে। সমাজ আছে। পাহিবিবিক নিকাহ কৰাই আনিছিল কাষৰ গাঁওখনৰ পৰা। মিটিম কুটুম অঙহী-বঙহী সকলো আছে তাত" (শৰ্মা, ১৯)।

আত্মপৰিচয় সংকট স্থানচ্যুত লোকসকলৰ প্ৰধান সমস্যা। এনে সমস্যাই তেওঁলোকৰ মনোজগতত এক গভীৰ প্ৰভাৱ পেলায়। উপন্যাসখনতো এই বিষয়টো স্পষ্ট ৰূপত ধৰা দিছে। দেশ বিভাজনৰ পূৰ্বে জীৱিকাৰ সন্ধানত অসমলৈ অহা পূৰ্ববংগৰ মুছলমান লোকসকলে থলুৱা ভাষা-সংস্কৃতিক আঁকোৱালি লোৱা দেখিবলৈ পোৱা গৈছে। কিন্তু পূৰ্ববংগই বাংলাদেশ নামে সুকীয়া দেশৰূপে পৰিচয় লাভ কৰাৰ পিছত অবৈধভাৱে অহা অন্য লোকসকলৰ সৈতে এই মানুহখিনিৰ পৰিচয় একাকাৰ কৰি পেলোৱাৰ ফলত তেওঁলোকে পৰিচয় সন্দৰ্ভত নানা সমস্যাৰ সন্মুখীন হ'ব লগা হয় আৰু ই তেওঁলোকক মানসিকভাৱে প্ৰভাৱ পেলায়। উপন্যাসখনত, এই দিশটো ভাৰত-পাকিস্তানৰ বিভাজনৰ প্ৰসংগত স্পষ্টভাৱে প্ৰকাশ পাইছে -

" পিছে কথাবোৰ যে জটিল সেই কথা বুজিবলৈ তাৰ বাকী নাথাকিল। সভা হোৱাৰ দুদিন পিছতে গৈছিল সি ভৰ মেধিৰ ঘৰলৈ। মেধিৰ গাঁৱৰ কেবাজনো লোকে তাক সুধিছিল।

- তহঁতে এতিয়া কি কৰিবি? পাকিস্তানলৈ যাবি নে কি কৰিবি?

- ভাচানিয়ে কি মন্ত্ৰণা দিলে তহঁতক? তহঁত য'ৰ পৰা আহিছিলি সেয়াতো পাকিস্তান হ'ল। এতিয়া তালৈ যাবিনে?

- তহঁতৰ নিজৰ দেশ হ'ল। নিজৰ দেশলৈ গুচি যাবি। বিৰৰ্ণ হৈ পৰিল মাধু। ইফালে মিটিং পতা নেতাসকলে কয় পাকিস্তান সিহঁতৰ সপোনৰ দেশ। ইফালে ইয়াৰ মানুবোৰে কয় ইয়াৰ পৰা যোৱাৰ কথা..." (শৰ্মা ৫৯)।

**সিদ্ধান্ত ঃ**

"অসমীয়া স্থানচ্যুতিকেন্দ্ৰিক উপন্যাসত মানসিক আঘাত (ট্ৰমা)ৰ চিত্ৰণ ঃ এক অধ্যয়ন" শীৰ্ষক বিষয়টিৰ অধ্যয়নৰ অন্তত আমি তলত উল্লেখ কৰা সিদ্ধান্তসমূহত উপনীত হ'ব পাৰোঁ ---

(ক) নিৰ্বাচিত উপন্যাসকেইখনত স্থানচ্যুতি বিষয়টোৰ স্পষ্ট প্ৰকাশ লক্ষ্য কৰা যায়। আটাইকেইখন উপন্যাসতে স্থানচ্যুতিৰ প্ৰধান কাৰণ হিচাপে ৰাজনৈতিক অস্থিৰতা আৰু অৰ্থনৈতিক বিপৰ্যয়-- এই দুয়োটা দিশে প্ৰাধান্য লাভ কৰা দেখিবলৈ পোৱা গৈছে। *'জহনাৰ ঝিটাছ'* উপন্যাসত চৰিত্ৰসমূহে দৰিদ্ৰতাৰ কবলৰ পৰা মুক্তি পোৱাৰ সন্ধানত নিজ মাতৃভূমিৰ পৰা স্থানচ্যুত হোৱা মৰ্মস্পৰ্শী চিত্ৰ অংকিত হৈছে। *'কাঁহিবুনৰ মালিতা'* উপন্যাসখনত অৰ্থনৈতিক দৈন্য আৰু দেশ বিভাজনৰ দৰে জটিল ৰাজনৈতিক পৰিণতিয়ে স্থানচ্যুতিৰ পটভূমি ৰচনা কৰা দেখিবলৈ পোৱা গৈছে। *'উপত্যকাৰ পৰা উপত্যকালৈ'* শীৰ্ষক উপন্যাসখনিত দেশ বিভাজনৰ ফলশ্ৰুতিত সংঘটিত হোৱা হিংসাত্মক ঘটনাই স্থানচ্যুতিৰ মুখ্য কাৰণ হিচাপে ধৰা দিছে।

(খ) আলোচ্য আটাইকেইখন উপন্যাসকেইখনতে স্থানচ্যুতিৰ ফলত ছিন্নমূল মানুহে সন্মুখীন হোৱা ট্ৰমা বিষয়টিয়ে স্পষ্ট ৰূপত ধৰা দিছে। স্থানচ্যুতিৰ ফলস্বৰূপে আত্মীয়-স্বজনৰ পৰা হোৱা বিচ্ছেদ, গৃহভূমিৰ স্মৃতি, ধাত্ৰীভূমিত সন্মুখীন হোৱা আৰ্থিক-সামাজিক বিপৰ্যয়, আত্ম পৰিচয় সংকট আদি বিষয়সমূহে চৰিত্ৰসমূহৰ মানসিক জগতখনত বিশেষভাৱে প্ৰভাৱ পেলোৱা দেখিবলৈ পোৱা গৈছে। ❑


**তথ্যসূত্ৰ ঃ**

১) Bourke,Joanna . Sexual Violence, Bodily Pain, and Trauma : A History, Theory Cult Soc. Author manuscript, 2012 May 1, p.2, web: Retrieved on 2 Mon, March 2026, 10:00pm<http:// www.ncbi.nlm.nih.gov/pmc/articles/ PMC4001210/

২) Charcot,Jean Martin . Lectures on the Diseases of the Nervous System. Paris A.Delahaya, 1885

৩) Janet,Pierre.Psychological Automastism.Felix Alcan,Paris, 1889

৪) Freud,Sigmund.Breuer, Joseph.Studies on Hysteria.Discus Books,1966

৫) Freud,Sigmund.Beyond the Pleasure Principle.Liverright,Newyork,1924

৬) Erikon,Kai.Everything in its path: Destruction of Community in the Buffalo Creek Flood.Simon&Schuster,1976

৭) Caruth, Cathy.Unclaimed Experience : Trauma, Narrative and History.John Hopkins University Press, 1996

৮) Sztompka,Piotr.'Cultural Truma : The Other face of Social Change'.European Journal of Social Theory.Delanty,Gerard [Ed], Vol 3,Nov,2000. web: Retrieved on 3 Tue, March 2026, 02:34pm<http: //doi.org/10.1177/136843100003004004
৯) DSM-IV-TR provides a list of potentially traumatic events, including combat, sexual and physical assault, robbery, being kidnapped, being taken hostage, terrorist attacks, torture, disasters, severe automobile accidents, and life-threatening illness, as well as witnessing death or serious injury by violent assault, accidents, war, or disaster.-'What is Trauma', p.3,Sagepub, web: Retrieved on 3 Tue March 2026, 02:38 pm<https://www.sagepub.com/sites/default/files/upm-binaries/11559_Chapter_1.pdf
১০) American Psychiatric Association. (2022)."Diagnostic and statistical manual of mental disor-ders (5th ed., text rev.).web: Retrieved on 3 Tue March 2026, 02:58 pm"https://doi.org/10.1176/appi.books.978089042578
১১) Some common sources of trauma include: Rape, Domestic violence, Natural disasters, Severe -illness or injury, The death of a loved one, Witnessing an act of violence. -'Trauma Symp-toms, Causes and Effects', Psychguides, n. pag., web: Retrieved on 3 Tue,March 2026 <https://www.psychguides.com/trauma/
১২) Terr,Lenore.Too Scared to Cry: Psychic Trauma in Childhood.Harper&Row,1990
১৩) বৰকাকতী, ড° দীপক কুমাৰ. উপত্যকাৰ পৰা উপত্যকালৈ. জ্যোতি প্ৰকাশন,২০১৬
১৪) Caruth,Cathy.Unclaimed Experience : Trauma, Narrative and History.John Hopkins University Press, 1996
১৫) বৰকাকতী, ড° দীপক কুমাৰ. উপত্যকাৰ পৰা উপত্যকালৈ. জ্যোতি প্ৰকাশন,২০১৬
১৬) তদেৱ
১৭) তদেৱ
১৮) Frankl, Viktor.Man's Search for Meaning. Beacon Press, 1959
১৯) বৰকাকতী, ড° দীপক কুমাৰ. উপত্যকাৰ পৰা উপত্যকালৈ. জ্যোতি প্ৰকাশন,২০১৬
২০) তদেৱ
২১) Miller. Rasmussen. 'The Mental Health of Refugees : Ecological and Cultural Perspectives'.Psychological Bulletin. Mollica,Richard F. [Ed] Vol 136, 2010
২২) বৰকাকতী, ড° দীপক কুমাৰ. উপত্যকাৰ পৰা উপত্যকালৈ. জ্যোতি প্ৰকাশন,২০১৬
২৩) Hall,Stuart.Cultural Identity and Diaspora'. Identity:Community, Culture, Difference.Eds.Jonathan Rutherford, Lawrence & Wishart, 1990
২৪) কলিতা, অৰূপা পটঙ্গীয়া. জছ্নাৰ ঝিটাছ. চন্দ্ৰ প্ৰকাশ, ২০২২
২৫) তদেৱ
২৬) Herman,Judith.Trauma and Recovery.Basic Books,1992
২৭) Kolk, Bessel Van Der.The Body Keeps the Score:Brain,Mind and Body in the Healing of Trauma.Viking Press, 2014
২৮) কলিতা,অৰূপা পটঙ্গীয়া. জছ্নাৰ ঝিটাছ. চন্দ্ৰ প্ৰকাশ, ২০২২
২৯) তদেৱ
৩০) Bowlby, John.Attachment and Loss. Basic Books,1980
৩১) কলিতা,অৰূপা পটঙ্গীয়া. জছ্নাৰ ঝিটাছ. চন্দ্ৰ প্ৰকাশ, ২০২২
৩২) তদেৱ
৩৩) Rushdie,Salman.Imaginary Homelands : Essays and Criticism.Granta Books,London,1991
৩৪) কলিতা,অৰূপা পটঙ্গীয়া. জছ্নাৰ ঝিটাছ. চন্দ্ৰ প্ৰকাশ, ২০২২
৩৫) Bhabha, Homi K.The Loction of Culture, Routledge, London, 1994
৩৬) কলিতা, অৰূপা পটঙ্গীয়া. জছ্নাৰ ঝিটাছ. চন্দ্ৰ প্ৰকাশ, ২০২২
৩৭) শৰ্মা,ৰুদ্ৰাণী. কাঁহিবুনৰ মালিতা, পূৰ্বায়ণ প্ৰকাশ,২০১৭
৩৮) তদেৱ
৩৯) Said,Edward..Reflections on Exile and Other Essays.Harvard University Press, 2000
৪০) শৰ্মা, ৰুদ্ৰাণী. কাঁহিবুনৰ মালিতা, পূৰ্বায়ণ প্ৰকাশ, ২০১৭
৪১) তদেৱ

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945

Peer Reviewed Journal
[UGC-CARE Listed]

# অসমীয়া-বঙালীৰ সম্পৰ্কসূত্ৰ আৰু সন্তোষ কুমাৰ কৰ্মকাৰৰ উপন্যাস ‘শিপাৰ সন্ধানত’



**শিল্পী শৰ্মা**

গৱেষক, অসমীয়া বিভাগ
কটন বিশ্ববিদ্যালয়, গুৱাহাটী-০১
(সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
বি.পি. চলিহা কলেজ, নগৰবেৰা)
৭৩৯৯১৩৯৭২৩
shilpisharma81569@gmail.com



**ড° লুটফা হানুম ছেলিমা বেগম**

অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক
অসমীয়া বিভাগ
কটন বিশ্ববিদ্যালয়, গুৱাহাটী-০১
৮৮৭৬৫২১৬১৭
lutfahsbegum@gmail.com

**সাৰাংশ ঃ**

অসমত অসমীয়া আৰু বঙালীৰ পাৰস্পৰিক সম্পৰ্ক আৰু বিদ্বেষৰ বিষয়টো ঔপনিৱেশিক সময়ৰে পৰা এটা চৰ্চিত বিষয়। ঐতিহাসিক দৃষ্টিকোণেৰে এই সম্পৰ্কত বৰ্তমানলৈ ভালেমান অধ্যয়ন হৈছে। কিন্তু সাহিত্যৰ মাজত এই বিষয়টোৱে কিদৰে ঠাই পাইছে সেই সম্পৰ্কত বৰ্তমানেও অধ্যয়নৰ যথেষ্ট থল আছে। বিশেষকৈ অসমত বাস কৰা এজন বঙালী লোকে প্ৰব্ৰজনকাৰীৰ পৰিচয় বহন কৰি গোটেই বিষয়টোক কিদৰে চায় সেই সম্পৰ্কে বিচাৰ কৰি চোৱা প্ৰয়োজন আছে। সন্তোষ কুমাৰ কৰ্মকাৰৰ **শিপাৰ সন্ধানত** উপন্যাসখনত দেশ বিভাজনৰ পিছত সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হৈ পূৱ পাকিস্তানৰ পৰা অসমত প্ৰৱেশ কৰা এটা পৰিয়ালৰে গোটেই জীৱন মনৰ মাজত কঢ়িয়াই ফুৰা নিৰাপত্তাহীনতাৰ অনুভৱ আৰু অসম আন্দোলনৰ সময়ত সন্মুখীন হোৱা অপ্ৰীতিকৰ পৰিস্থিতিৰ আভাস পোৱা যায়। অসমত বাস কৰা প্ৰব্ৰজনকাৰী বঙালী শ্ৰেণীটোৱে অনুভৱ কৰা নিৰাপত্তাহীনতা, অস্তিত্ব আৰু আত্ম পৰিচয়ৰ সংকট আদি দিশবোৰ উপন্যাসখনৰ মাজেৰে অতি সূক্ষ্ম ৰূপত প্ৰকাশ পাইছে। প্ৰব্ৰজনকাৰী সমাজখনৰ এজন ভিতৰুৱা সদস্য হিচাপে ঔপন্যাসিকৰ বৰ্ণনাত উল্লিখিত দিশবোৰ অতি স্পষ্ট আৰু শক্তিশালী।

**বীজ শব্দ ঃ**

অসমীয়া, বঙালী, প্ৰব্ৰজন, পৰিচয়, অস্তিত্ব, নিৰাপত্তাহীনতা, জাতীয়তাবাদ, বিদ্বেষ ইত্যাদি।

**অৱতৰণিকা ঃ**

অসমৰ নৃতাত্ত্বিক ইতিহাস প্ৰব্ৰজনৰ ইতিহাস। অষ্ট্ৰলয়ড, মংগোলয়ড, ভূমধ্যসাগৰীয়, নৰ্ডিক আদি বিভিন্ন নৃগোষ্ঠী বিভিন্ন সময়ত অসমলৈ প্ৰব্ৰজন কৰি আহি পাৰস্পৰিক শক্তি প্ৰয়োগৰ দ্বাৰা কেতিয়াবা এটা নৃগোষ্ঠীয়ে আনটো নৃগোষ্ঠীক বিতাড়িত কৰিছে আৰু কেতিয়াবা সহ-অৱস্থানেৰে অসমভূমিত বসবাস কৰিছে। এনে প্ৰাগৈতিহাসিক প্ৰব্ৰজনৰ উপৰি ঐতিহাসিক কালতো বিভিন্ন জাতি-গোষ্ঠী অসমলৈ আহিছে। কিন্তু ঔপনিৱেশিক কালৰ গণ প্ৰব্ৰজনৰ প্ৰতি অসমৰ স্থানীয় মানৱবৰ্গই প্ৰথমবাৰলৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ লয়। ঔপনিৱেশিক কালত ভাৰতৰ বিভিন্ন ঠাইৰ পৰা হোৱা গণ প্ৰব্ৰজনৰ ভিতৰত বংগৰ বাংলাভাষীসকলো অন্যতম আছিল। অসমৰ প্ৰশাসনিক কাম-কাজ, স্কুলৰ শিক্ষকতা, ৰে’লৱে-ডাক বিভাগৰ কাম আদিৰ বাবে ব্ৰিটিছে কলিকতাৰ পৰা বঙালী লোকসকলক অসমলৈ আনিছিল। পিছত ধান-মৰাপাট আদি খেতিৰ বাবে পূৰ্ববংগীয় বাংলাভাষী মুছলমানসকলকো অসমলৈ অনা হৈছিল। দেশ বিভাজনৰ পৰৱৰ্তী সময়ত আৰু বাংলাদেশৰ স্বাধীনতা আন্দোলনৰ

সময়ছোৱাত সাম্প্ৰদায়িক সংঘৰ্ষৰ সন্মুখীন হৈ পূৱ পাকিস্তানৰ পৰা বহু বঙালী লোক অসমত আহি আশ্ৰয় লৈছিল। তদুপৰি ব্ৰহ্মদেশত ব্যৱসায়-বাণিজ্যসূত্ৰে বাস কৰা প্ৰবাসী বঙালী লোকসকলো দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত বাৰ্মীজ জাতীয়তাবাদী লোকৰ বিদ্বেষ আৰু যুদ্ধৰ ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হৈ অসমত আশ্ৰয় গ্ৰহণ কৰিছিল। এনেদৰে বিভিন্ন সময়ত অসমলৈ অহা বঙালীসকলৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে অসমীয়াই নিজৰ অস্তিত্ব বিপন্ন হোৱা বুলি অনুভৱ কৰিবলৈ লৈছিল। ফলশ্ৰুতিত অসমত সময়ে সময়ে বঙালী বিদ্বেষ আৰু আন্দোলনৰ সৃষ্টি হৈছিল। বিগত তিনিটা শতিকা ধৰি অসমৰ সমাজ-ৰাজনীতিক বিপুলভাৱে প্ৰভাৱিত কৰা এই বিষয়টোক লৈ গল্প-উপন্যাস আদি সৃষ্টিশীল সাহিত্যও ৰচনা হৈ আহিছে। প্ৰদত্ত গৱেষণা পত্ৰত সন্তোষ কুমাৰ কৰ্মকাৰৰ **শিপাৰ সন্ধানত** উপন্যাসখনত অসমত বাস কৰা বঙালীসকলৰ নিৰাপত্তাহীনতা, পৰিচয় আৰু অস্তিত্বৰ সংকট আদি বিভিন্ন দিশমূহ কিদৰে প্ৰতিফলিত হৈছে সেই সম্পৰ্কে বিস্তৃত আৰু পুংখানুপংখ অধ্যয়ন কৰা হৈছে।

**পদ্ধতি আৰু পৰিসৰ ঃ**

শ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা লৈছে। ঠাই বিশেষে বৰ্ণনাত্মক পদ্ধতিকো এই গৱেষণাৰ বাবে গ্ৰহণ কৰা হৈছে।

প্ৰদত্ত গৱেষণা পত্ৰত অসমীয়া-বঙালীৰ সম্পৰ্ক বিচাৰ কৰোঁতে মূলতঃ সন্তোষ কুমাৰ কৰ্মকাৰৰ নিৰ্বাচিত উপন্যাসখনত প্ৰতিফলিত দৃষ্টিভংগীৰহে বিশ্লেষণ কৰা হৈছে। অসমত অসমীয়া-বঙালীৰ সম্পৰ্ক আৰু বিৰোধৰ বিষয়টো যথেষ্ট বিস্তৃত যদিও ইয়াত ঐতিহাসিক প্ৰসংগ বিস্তাৰিত ৰূপত তুলি ধৰা হোৱা নাই। অসমত বাস কৰা এজন বঙালী লোকৰ মানসিক জগতখনহে নিৰ্বাচিত উপন্যাসখনৰ আধাৰত পোহৰলৈ আনিবলৈ যত্ন কৰা হৈছে।

**অসমীয়া - বঙালীৰ সম্পৰ্কসূত্ৰ ঃ**

ঔপনিৱেশিক শাসনে অসমক বহিঃবিশ্বৰ সৈতে সম্পৰ্কিত কৰাৰ ক্ষেত্ৰত এক নতুন গতিৰ সৃষ্টি কৰিছিল। আহোম শাসনৰ কালতেই অসমলৈ কোচবিহাৰ, নৱদ্বীপ আদি ঠাইৰ পৰা পূজা-পাতলৰ সৈতে জড়িত ব্ৰাহ্মণ লোকসকলৰ আগমন হৈছিল। কিন্তু ঔপনিৱেশিক শাসনৰ সময়ত অসমলৈ হোৱা প্ৰব্ৰজনে বিশেষ মোৰ লয়। ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অসমলৈ অহা লোকসকলৰ ভিতৰত বঙালী লোকসকলো আছিল। পোনপ্ৰথমে ব্ৰিটিছে শাসন কাৰ্য চলাবলৈ কেৰাণী-মহৰী আদি কামৰ বাবে কলিকতাৰ পৰা বহুসংখ্যক বঙালী লোক অসমলৈ আনিছিল। পিছলৈ প্ৰশাসনিক ক্ষেত্ৰখনৰ বিভিন্ন পদবীৰ বাবে অনা পশ্চিমবংগৰ বঙালীসকলৰ উপৰিও ধান-মৰাপাটৰ খেতিৰ বাবে পূৰ্ববংগীয় বাংলাভাষী মুছলমানসকলক অসমলৈ অনা হৈছিল। এই প্ৰব্ৰজনৰ গতিধাৰা পৰৱৰ্তী শতিকাটোতো অব্যাহত আছিল। প্ৰসূন বৰ্মনে তেওঁৰ **অসম উপত্যকাত বঙালী প্ৰীতিৰ বীজ অংকুৰণ** গ্ৰন্থখনত উনবিংশ শতিকাত অসমলৈ অহা বঙালী লোকসকলৰ চাৰিটা শ্ৰেণীৰ কথা উল্লেখ কৰিছে—

(১) চাহ বাগিচাৰ প্ৰশাসনিক কাম-কাজত অহা লোকসকল
(২) ৰে'লৱে, ডাক, টেলিগ্ৰাফ, জল পৰিবহন আদি বিভাগত কাম কৰিবলৈ অহা বিষয়াসকল
(৩) শিক্ষক, চিকিৎসক, মুক্তিয়াৰ, আইনজীৱি আদি শ্ৰেণী
(৪) বিভিন্ন ব্যৱসায়সূত্ৰে অহা লোকসকল (বৰ্মন, ১৬)

১৮৩৬-১৮৭৩ চনৰ মাজৰ সময়ছোৱাত অসমৰ স্কুল-আদালতৰ পৰা অসমীয়া ভাষা আঁতৰাই বাংলা ভাষা প্ৰচলন কৰাৰ সময়ছোৱাত ইয়াৰ অন্তৰালৰ কাৰণ কলিকতীয়া বঙালীসকলৰ উচতনি বুলি যি মিথৰ প্ৰচলন হৈছিল তাৰ বাবেই প্ৰথমবাৰলৈ অসমীয়া মানুহৰ মাজত বঙালী বিদ্বেষী ভাৱৰ জন্ম হৈছিল। আনহাতে ইয়াৰ বিপৰীত ছবি এখনো দেখিবলৈ পোৱা গৈছিল। সেই সময়ত উচ্চশিক্ষাৰ ক্ষেত্ৰখনৰ বাবে অসমীয়া শিক্ষিত চাম কলিকতীয়া সমাজখনৰ সৈতে জড়িত হৈ পৰিছিল। অসমীয়া আঢ্যৱন্ত আৰু মধ্যবিত্ত শ্ৰেণীৰ মুষ্টিমেয় লোকে সেই সময়ত কলিকতাত উচ্চশিক্ষা ল'বলৈ গৈছিল। সেইসকলৰ মাজত অসমীয়া ভাষা-সাহিত্যক লৈ সচেতনতা জাগ্ৰত হোৱা পৰিলক্ষিত হ'লেও তেওঁলোকৰে আন এচামৰ মাজত বঙলা প্ৰীতিও দেখা পোৱা গৈছিল। প্ৰাক্-অৰুণোদয় যুগৰ পৰা জোনাকী যুগলৈ হলিৰাম ঢেকিয়াল ফুকন, যজ্ঞৰাম ফুকন, আনন্দৰাম ঢেকিয়াল ফুকন, লক্ষ্মীনাথ বেজবৰুৱা আদিয়ে প্ৰথম অৱস্থাত বাংলা ভাষাত সাহিত্য চৰ্চা কৰা সম্পৰ্কে জনা যায়। সেই সময়ছোৱাত অসমীয়া শিক্ষিতচামে বাংলা সাহিত্যৰ সৈতে নিকট সম্পৰ্ক ৰাখিছিল— "অসমৰ সম্ভ্ৰান্ত লোকসকল যেনেদৰে বঙলা সংবাদপত্ৰৰ গ্ৰাহক হৈছিল বংগদেশৰ কোনো জিলাতে তেনে দেখা নগৈছিল বুলি কোৱা হৈছে। আকৌ কলিকতাৰ বঙলা কাকতৰ সম্পাদকসকললৈ বঙালী মানুহৰ তুলনাত অসমীয়া মানুহৰ পৰা যোৱা চিঠিৰ সংখ্যা আছিল তুলনামূলকভাৱে বহু বেছি" (ভট্টাচাৰ্য্য, ৪৬)। আনহাতে

অসমীয়া নিৰক্ষৰ চহা মানুহখিনিৰ জাতীয় আৰু ভাষিক চেতনা প্ৰকৃত অৰ্থত সেই সময়ত গঢ়ি উঠিছিল বুলিব নোৱাৰি। ঔপনিৱেশিক শক্তিৰ বিৰুদ্ধে মাজে মধ্যে গঢ়ি উঠা সৰু-ডাঙৰ আন্দোলনবোৰৰ উদ্দেশ্য আছিল পৰাধীনতাৰ পৰা মুক্ত হোৱা। স্বাধীনতাৰ সপোন লাহে লাহে পূৰ্ণতাৰ পথলৈ অগ্ৰসৰ হোৱাত অসমীয়া মানুহৰ মনত জাতীয়তাবাদী চেতনাই লাহে লাহে ঠাই অধিকাৰ কৰিবলৈ ধৰে। এই চেতনাৰে আগুৱাই যোৱাৰ ক্ষেত্ৰত অসমীয়াসকলে প্ৰথমেই মুখামুখি হয় অসমত বাস কৰা বঙালীসকলৰ সৈতে। অসমীয়া জাতিৰ সৈতে প্ৰতিদ্বন্দিতামূলক অৱস্থানত থিয় হ'ব পৰাকৈ সেই সময়ছোৱাত বঙালীসকলকেই অসমীয়াই প্ৰত্যক্ষ কৰিছিল। অসমলৈ হোৱা প্ৰব্ৰজনৰ বিভিন্ন মানৱবৰ্গৰ তুলনাত বঙালীসকলেই আছিল সংখ্যাত সৰহ আৰু ভাষিক-সাহিত্যিক, সাংস্কৃতিক-অৰ্থনৈতিকভাৱে শক্তিশালী। সেইদৰে মধ্যবিত্ত বঙালীসকলৰ নিজৰ ভাষা-সাহিত্যক লৈ থকা আত্মৰভিতা অসমীয়াসকলে আৰম্ভণিৰে পৰা প্ৰত্যক্ষ কৰিছিল। অসমীয়া-বঙালীৰ মাজত এনে বিৰোধমূলক ভাৱাক্ৰান্ত পৰিৱেশ এটাৰ সূচনা হ'লেও সকলো সময়তে যে পৰস্পৰ পৰস্পৰৰ বৈৰীয়েই হৈ আছে তেনে নহয়। আৰম্ভণিৰে পৰা সাধাৰণ শ্ৰেণীৰ মাজত পাৰস্পৰিক সহযোগিতাও পৰিলক্ষিত হৈছিল। সেইদৰে বহু বংগমূলীয় লোকে অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰখনত অভূতপূৰ্ব বৰঙণি যোগাইছে।

**সন্তোষ কুমাৰ কৰ্মকাৰৰ উপন্যাস শিপাৰ সন্ধানত ঃ**

অসমীয়া-বঙালীৰ মাজৰ এনে তিক্ত-মধুৰ সম্পৰ্কক লৈয়ে একাধাৰে শিশু সাহিত্যিক, অনুবাদক, ঔপন্যাসিক সন্তোষ কুমাৰ কৰ্মকাৰ (১৯৫৩-২০২১)ৰ **শিপাৰ সন্ধানত** উপন্যাসখন ৰচিত হৈছে। তদুপৰি ৮০ৰ দশকৰ বিদেশী বিতাড়ন আন্দোলন আৰু ইয়াৰ পৃষ্ঠভূমিত অসমত বাস কৰা আন আন জাতি-জনগোষ্ঠীৰ পৰিচয়ৰ সংকট আৰু শিপা সন্ধানৰ ইতিহাসো উপন্যাসখনৰ মূল বিষয়। উপন্যাসখনত ঔপন্যাসিকগৰাকীৰ আত্মজৈৱনিক উপাদানো নিহিত থকা যেন বোধ হয়। ঔপন্যাসিকগৰাকীয়ে বৰপেটাৰ পৰা উজনি অসমৰ শিৱসাগৰ জিলাত অধ্যাপনা কৰিবলৈ গৈ এজন পূৰ্ববংগীয় মূলৰ বঙালী হিচাপে সন্মুখীন হোৱা বিভিন্ন অভিজ্ঞতাৰ ছাঁ উপন্যাসখনৰ অমল চৰিত্ৰটোৰ মাজত বিচাৰি পোৱা যায়। দেশ বিভাজনৰ পৰৱৰ্তী সময়ত পূব পাকিস্তান (বৰ্তমানৰ বাংলাদেশ)ৰ পৰা সাম্প্ৰদায়িক সংঘৰ্ষৰ সন্মুখীন হৈ অমলৰ পিতৃপুৰুষ ধৰ্মৰক্ষাৰ স্বাৰ্থত অসমত আশ্ৰয় লৈছিলহি। ব্যৱসায়ৰ পাতনি মেলি অসমত পৰিয়ালটোৱে আৰ্থিকভাৱে এটা সন্তোষজনক অৱস্থাৰ মাজত জীৱন নিৰ্বাহ কৰিলেও অমলৰ দেউতাকে আশা কৰিছিল যাতে অমলে বেংকৰ চাকৰি কৰি পশ্চিমবংগলৈ বদলি লৈ তাতেই পৰিয়ালটো স্থায়ীভাৱে থিতাপি লোৱাৰ চেষ্টা কৰে। কিন্তু দেউতাকৰ আশাত চেঁচাপানী ঢালি অমলে শিৱসাগৰৰ এখন কলেজত অধ্যাপনা কৰিবলৈ যায়। কোচবিহাৰত থকা মাকৰ বাল্যকালৰ বান্ধৱীৰ ছোৱালী স্বাতীলেখাৰ সৈতে বিয়াত বহি অমলে শিৱসাগৰত সংসাৰ আৰম্ভ কৰিলেও প্ৰসৱজনিত কাৰণত স্বাতীলেখাই কোচবিহাৰৰ মাকৰ ঘৰত প্ৰাণ হেৰুৱায়। সিহঁতৰ প্ৰেমৰ চিনস্বৰূপে অমলৰ বাবে এৰি যায় পুত্ৰ সন্তান বাবুক। মৃত্যুৰ পিছত অমলে স্বাতীলেখাৰ নিথৰ মুখখন চোৱাৰ বাবে সাহস কৰিব নোৱাৰিলে আৰু সদ্যজাত পুত্ৰৰ মুখখনো নোচোৱাকৈ কোচবিহাৰৰ পৰা উভতি আহে। স্বাতীলেখাৰ অনিচ্ছা সত্বেও মাকৰ লগত কোচবিহাৰলৈ পঠিয়াই দিয়াৰ বাবে অমলে মনে মনে নিজেই দোষবোধত ভুগিছিল। শেষত দুবছৰৰ ব্যৱধানত অমল কোচবিহাৰলৈ নিজৰ পুত্ৰক চাবলৈ আহে আৰু সহকৰ্মী স্মৃতিৰেখাৰ সৈতে গঢ় লৈ উঠা মানসিক সম্পৰ্কটোক সামাজিক স্বীকৃতিৰে সাকাৰ ৰূপ দিয়াৰো সিদ্ধান্ত গ্ৰহণ কৰে।

উপন্যাসখনত অমলৰ ব্যক্তিগত জীৱন কাহিনীৰ ফাঁকে ফাঁকে এজন বাংলাভাষী লোক হিচাপে অসমৰ সমাজ জীৱনত আত্ম প্ৰতিষ্ঠাৰ কঠোৰ সংগ্ৰাম আৰু ভিন্ন অভিজ্ঞতাৰ দিশটোক ঔপন্যাসিকগৰাকীয়ে অতি গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। লগতে বৃহত্তৰ অসমীয়া জাতি গঠনৰ বিশ্লেষণ কৰি ইয়াৰ ভাঙোনমুখী পশ্চাদপ্ৰসাৰণৰ গতিধাৰাকো উদঙাই দেখুওৱা হৈছে। অসমীয়াসকলৰ জাতীয়তাবাদী চেতনাৰ মাজতে যে অসমীয়া জাতি ভাঙোনৰ মূলসূত্ৰ প্ৰোথিত হৈ আছিল সেই বিষয়টোকো ঔপন্যাসিকগৰাকীয়ে নিৰপেক্ষ দৃষ্টিভংগীৰে আৰু অতি যুক্তিনিষ্ঠভাৱে বিশ্লেষণ কৰি দেখুৱাইছে।

**নিৰাপত্তাহীনতা, অস্তিত্বৰ সংকট আৰু আত্ম পৰিচয়ৰ প্ৰসংগ ঃ**

উপন্যাসখনত অমলৰ পিতৃপুৰুষ ১৯৫২ চনতে পূৱ পাকিস্তানৰ পৰা সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হৈ সম্পূৰ্ণ আইনী অনুজ্ঞাৰে অসমত প্ৰৱেশ কৰিছিল। কিন্তু অসমত বাস কৰা সুদীৰ্ঘ কালৰ পিছতো অমলৰ পিতৃয়ে মানসিকভাৱে নিৰাপদ অনুভৱ কৰা নাই। ইয়াৰ বাবে অমলে দেউতাকক দোষাৰোপ কৰিলেও অসমৰ মাটিত ব্যৱসায়-বাণিজ্যৰে প্ৰতিষ্ঠিত কোনো স্থায়ী বঙালীয়েই যে নিজকে সম্পূৰ্ণ নিৰাপদ অনুভৱ কৰিব নোৱাৰে সেইকথা অমলে শিৱসাগৰলৈ যোৱাৰ পিছত বুজি উঠিছে। আনকি পিতৃয়ে নিৰাপত্তাহীনতাত ভোগা কথাটোক অমূলক বুলি প্ৰথম অৱস্থাত ভবা অমল সেই একে নিৰাপত্তাহীনতাৰ সন্মুখীন হৈছে শিৱসাগৰত থকা কালত, বিশেষকৈ ভায়েক সুবিমলক নিজৰ লগত ৰাখি পঢ়াবলৈ নিয়াৰ পিছত— "...দেউতা পূৰ্ব পাকিস্তানৰপৰা অসমলৈ আহিছিল সংকটমুক্ত হৈ জীয়াই থাকিবৰ বাবে। অসমত বসবাস কৰিবলৈ লৈ আৰ্থিকভাৱে মোটামুটি স্বচ্ছল হৈও দেউতা সেই সংকটৰ পৰা মুক্ত হ'ব নোৱাৰিলে। তাৰ বাবে দেউতাক বেয়া পাওঁ, গালি পাৰোঁ। কিন্তু মই নিজেও ইয়াৰ পৰা সম্পূৰ্ণভাৱে মুক্ত হ'ব পৰা নাই। সেয়েহে মোৰ মনতো আশংকাৰ সৃষ্টি হ'ল, সুবিমলক লৈ গৈছোঁ— শিৱসাগৰত তাৰ কিবা বিপদ হ'ব নেকি? যদি তেনেকুৱা কিবা হয়, মই তাক ৰক্ষা কৰিব পাৰিমনে?" (কৰ্মকাৰ, ৪৬)

প্ৰব্ৰজনকাৰী লোকৰ এনে নিৰাপত্তাহীনতাৰ অন্তৰালতো কিছুমান কাৰকে ক্ৰিয়া কৰে। প্ৰব্ৰজনৰ সময়ত বা ইয়াৰ পূৰ্বতে সন্মুখীন হোৱা পৰিস্থিতিৰ বাবে একধৰণৰ মানসিক অভিঘাত (trauma) মনত সঞ্চিত হৈ থাকিলেও নতুন ঠাইখনৰ স্বাভাৱিক পৰিৱেশ-পৰিস্থিতিত এই অভিঘাত ধীৰে ধাৰে পাতলি আহিবলৈ ধৰে। কিন্তু নতুন ঠাইখনত বৈষম্য আৰু সংঘৰ্ষজনিত পৰিৱেশৰ সঘন সন্মুখীন হ'লে এনে মানসিক অভিঘাতৰ পৰিমাণ বাঢ়ি যায় আৰু ইয়াৰ প্ৰভাৱ স্মৃতিত অধিক জীৱন্ত হৈ থাকে। ফলস্বৰূপে নিৰাপত্তাহীনতা, অস্থিৰতা, আত্ম বা গোষ্ঠীগত পৰিচয় সংকট আদি ভাৱে প্ৰব্ৰজনকাৰীৰ মনত মানসিক চাপৰ সৃষ্টি কৰে। প্ৰজন্মৰ ব্যৱধানত এনে চাপ কম-বেছি আৰু ভিন্ন স্বৰূপৰ হ'ব পাৰে। উপন্যাসখনত অমলৰ দেউতাক, শিৱসাগৰৰ ব্যৱসায়ী বিহাৰীলাল আদিৰ দৰে চৰিত্ৰৰ ক্ষেত্ৰত নিৰাপত্তাহীনতা, পৰিচয় সংকট আদিৰ বোধ অতি তীব্ৰ। অৱশ্যে ইয়াৰ কাৰণ অমূলক নহয়। ৬০ চনৰ ভাষা আন্দোলন, ৭২ৰ মাধ্যম আন্দোলন, ৮০ ৰ দশকৰ বিদেশী বিতাড়ন আন্দোলনৰ দৰে ঘটনাই অমলৰ পিতৃ বা বিহালীলালৰ দৰে বঙালী লোকক নিজৰ ইতিহাস পাহৰিবলৈ দিয়া নাই। সেয়েহে সকলো সময়তে তেওঁলোকে মনত কঢ়িয়াই ফুৰিছে নিৰাপত্তাহীনতাৰ অনুভৱ আৰু চ্ছিন্নমূল হোৱাৰ মানসিক যন্ত্ৰণা। ইয়াৰ বাবেই তেওঁলোক অসমীয়াসকলৰ প্ৰতি ক্ষোভিত— "নিজৰ ধৰ্ম-সংস্কাৰ ৰক্ষা কৰি নিৰাপদে থাকিম বুলি মাইগ্ৰেছ্ন লৈ চৈধ্য পুৰুষ থকা ভেটি-মাটি এৰি পাকিস্তানৰ পৰা হিন্দুস্তানৰ এই অসমলৈ আহিলোঁ। উনৈছ্শ বাৱনৰপৰা উনৈছ্শ সাতসত্তৰ— পঁচিছ বছৰ অসমত থাকি বুজিব পাৰিলোঁ, এই অসমখন আমাৰ নিচিনা হতভাগ্য বাঙালীহঁতৰ বাবে নহয়। ইয়াৰ মানুহে আমাক নিজৰ মানুহ বুলি নাভাবে। সিহঁতে আমাক 'বঙাল' বুলি গালি পাৰে। কিবা কথাত বেয়া পালেই 'বঙালে অসমখন খালে' বুলি কয়। অসমত থাকিলে তই নিজকে বাঙালী বুলি পৰিচয় দিব নোৱাৰ, অসমীয়াই কৰা অন্যায়ৰ প্ৰতিবাদ কৰিব নোৱাৰ, মূৰ দাঙি সিহঁতৰ লগত কথা ক'ব নোৱাৰ। অসমত থাকিলে আমি অসমীয়াৰ মাৰ খাই থাকিব লাগিব। অসমীয়াৰ দাস হৈ থাকিব লাগিব।" (কৰ্মকাৰ, ৫)

অসমীয়া আৰু বঙালীৰ মাজত থকা পাৰস্পৰিক বিদ্বেষৰ কাৰণসমূহ উপন্যাসখনত বস্তুনিষ্ঠভাৱে ফঁহিয়াই দেখুওৱা হৈছে। ৰসাস্বাদনত ব্যাঘাত নজন্মোৱাকৈ উপন্যাসৰ বৰ্ণনাৰ মাজত এনেধৰণৰ নিৰস আৰু গম্ভীৰ বিষয় এটাক প্ৰকাশ কৰিব পৰাটো ঔপন্যাসিকগৰাকীৰ বিশেষ দক্ষতা। ঔপন্যাসিকগৰাকী বংগমূলীয় হ'লেও অসমীয়াৰ প্ৰতি আক্ৰমণাত্মক আৰু পক্ষপাতদুষ্ট দৃষ্টিভংগী উপন্যাসখনৰ কোনো ঠাইতে পৰিলক্ষিত হোৱা নাই। অসমীয়া-বঙালীৰ পাৰস্পৰিক বিদ্বেষৰ কাৰণসমূহৰ কথা উল্লেখ কৰোঁতে বঙালীসকলৰ প্ৰতি অসমীয়াৰ বিদ্বেষৰ কাৰণো যে অমূলক নহয় সেইকথাও যুক্তিপূৰ্ণভাৱে উপন্যাসখনত তুলি ধৰা হৈছে। অসমীয়া-বঙালীৰ তিক্ত সম্পৰ্কৰ অন্তৰালৰ পাঁচটা কাৰণ উপন্যাসখনত দেখুওৱা হৈছে—

(১) ঔপনিৱেশিক শাসনত প্ৰশাসনৰ কামত অহা বঙালীসকলৰ নিৰংকুশ প্ৰভাৱে অসমীয়াৰ মনত বঙালী বিদ্বেষী ভাৱৰ জন্ম দিছিল।

(২)১৮৩৬-৭৩ চনলৈ অসমীয়াৰ সলনি অসমৰ স্কুল আদালতৰ ভাষা বাংলা হোৱাটো অসমীয়াসকলে বঙালী

বিষয়া-আমোলাৰ পৰামৰ্শত হোৱা বুলি ভাবিছিল।

(৩) বংগৰ আটাইতকৈ অনুন্নত জিলা শ্ৰীহট্টক অসমৰ সৈতে সংযোগ কৰাৰ ফলত অসমৰ ৰাজহৰ অধিক অংশ ধন শ্ৰীহট্টৰ উন্নয়নৰ বাবে ব্যয় হোৱাটোক লৈ অসমীয়াসকল অসন্তুষ্ট হৈছিল আৰু শ্ৰীহট্টক অসমৰ কেঞ্চাৰ বুলি গণ্য কৰিবলৈ লৈছিল।

(৪) দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত অহা ব্ৰহ্মদেশৰ প্ৰবাসী বঙালী শৰণাৰ্থী আৰু দেশ বিভাজনৰ সময়ত পূৰ পাকিস্তানৰ পৰা অহা বঙালী শৰণাৰ্থীয়ে অসমত বঙালীৰ সংখ্যা অধিক বৃদ্ধি কৰে। তদুপৰি এই বঙালীসকলে ব্যৱসায়-বাণিজ্য আদি সকলো ক্ষেত্ৰতে অৰ্থনৈতিকভাৱে প্ৰতিষ্ঠা লাভ কৰাৰ বাবে তেওঁলোকৰ প্ৰতি লাহে লাহে অসমীয়া মানুহ ঈৰ্ষান্বিত হ'বলৈ লয়।

(৫) নিজৰ ভাষা-সাহিত্যক লৈ বঙালীসকলৰ মাত্ৰাধিক আত্মৰম্ভিতা আৰু অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি থকা অনীহাৰ বাবেই অসমীয়াসকলে বঙালীসকলক আপোন বুলি ভাৱিব নোৱাৰে। (কৰ্মকাৰ, ১১৮-১১৯)

অসমীয়া আৰু বঙালী উভয়ৰে মনত আত্ম পৰিচয় আৰু অস্তিত্বৰ প্ৰতি থকা শংকাৰ বাবেই দৰাচলতে পৰস্পৰৰ মাজৰ বিদ্বেষ দীৰ্ঘকালীন। অৱশ্যে অমল, সুবিমলহঁতৰ প্ৰজন্মটোৰ গোটেই বিষয়টোক লৈ চিন্তা আৰু প্ৰতিক্ৰিয়া বেলেগ। অসমত সন্মুখীন হোৱা অপ্ৰীতিকৰ পৰিৱেশটোক অমলহঁতৰ প্ৰজন্মটোৱে পলায়ন কৰিব নোৱাৰা বাস্তৱ সত্য বুলি গ্ৰহণ কৰিছে আৰু তাৰ মুখামুখি হোৱাৰ বাবে নিজকে সাহসী কৰি তুলিছে। সাময়িকভাৱে নিৰাপত্তাহীনতাত ভুগিলেও বিৰূপ পৰিস্থিতিত সৈতে থিয় দি এই প্ৰজন্মই সমাধান সূত্ৰ বিচাৰিছে। অসমৰ দৰে ঠাইত নিজৰ শিপা মজবুত কৰাৰ বাবে কৰ্মৰ বাহিৰে যে আন কোনো উপায় নাই সেইকথা অমলৰ প্ৰজন্মটোৱে বুজি উঠিছে। সেয়েহে শিৱসাগৰত বিভিন্ন সময়ত, বিশেষকৈ অসম আন্দোলনৰ সময়ত বৈষম্যৰ সন্মুখীন হোৱা অমলে নিজৰ অস্তিত্ব প্ৰতিষ্ঠাৰ বাবে কৰ্মক আশ্ৰয় হিচাপে গ্ৰহণ কৰিছে— "স্বাতী, জন্ম মোৰ অসমত। কিন্তু ইমান বছৰ পাছতো ইয়াত আমাৰ অধিকাৰবোৰ বিন্যস্ত হোৱা নাই। বিন্যস্ত হোৱা নাই মানে আমিয়েই আমাৰ অধিকাৰবোৰ সাব্যস্ত কৰিব পৰা নাই। কিয় পৰা নাই এইটো লৈ বহুত ভাবিলোঁ। ভাবি ভাবি মোৰ কি ধাৰণা হ'ল জানা— ইয়াত থাকিবলৈ হ'লে, মানুহ হিচাপে নূন্যতম সন্মান লৈ জীয়াই থাকিবলৈ হ'লে আমি কাম কৰিব লাগিব। কৰ্মেৰে যোগ্যতা প্ৰমাণ কৰি নিজৰ অধিকাৰ সাব্যস্ত কৰিব লাগিব। কৰ্মৰ জৰিয়তেহে আমি আমাৰ ৰুটটো দৃঢ় কৰিব লাগিব।" (কৰ্মকাৰ, ১৮৩)

উপন্যাসখনত দেৱব্ৰত বেজবৰুৱাৰ দৰে চৰিত্ৰ নতুন চিন্তা-ধাৰাৰ দ্যোতক। দেৱব্ৰতে জাতীয়তাৰ ক্ষুদ্ৰ সীমাক অতিক্ৰমি গোলকীয় পৰিচয়ক গ্ৰহণ কৰিব খোজে সম্পূৰ্ণ নতুন দৃষ্টিভংগীৰে। বিজ্ঞান-প্ৰযুক্তিৰ যুগটোত ক্ষুদ্ৰ পৰিসীমাৰ ভিতৰত কোনো জাতিয়ে নিজকে আবদ্ধ নাৰাখি প্ৰসাৰিত মনোভাৱেৰে সকলোকে গ্ৰহণ কৰাৰ কথা দেৱব্ৰত চৰিত্ৰটোৱে কৈছে। উপন্যাসখনৰ অনীল শইকীয়া, আমিনূৰ ইছলাম হাজৰিকা, স্মৃতিৰেখা বৰগোহাঁইৰ দৰে চৰিত্ৰই ক্ষুদ্ৰ জাতীয়তাবাদী চিন্তাৰ বিপৰীতে থিয় দিছে। এনেবোৰ চৰিত্ৰই অসম আন্দোলনৰ প্ৰতি সমৰ্থন আগ নবঢ়োৱাৰ বাবে অসমীয়া মানুহখিনিৰ বিৰোধমূলক ব্যৱহাৰৰো সন্মুখীন হ'বলগীয়া হৈছে।

**অসম আন্দোলন আৰু স্বাধীন অসমৰ প্ৰংসগ ঃ**

অসম আন্দোলনৰ সময়ছোৱাত বংগমূলীয় বাবেই অমলৰ দৰে অসমৰ বঙালী লোক অসমীয়াৰ বিদ্বেষৰ সন্মুখীন হৈছে। আনকি একেখন মহাবিদ্যালয়ত অধ্যাপনা কৰা সহকৰ্মীয়েই অমলৰ বিৰুদ্ধে বিদেশী বুলি গোচৰ তৰিছে। আন্দোলন এটা জাতিৰ জাতীয় ভেটি সুদৃঢ় কৰাৰ ভিত্তি হ'ব নোৱাৰে। অসম আন্দোলনৰ নেতৃত্ব বহনকাৰী বা সমৰ্থনকাৰী অসমীয়া ডেকাসকলৰ ভুলনীতিয়ে দৰাচলতে অসমীয়া জাতীয় অস্তিত্ব মজবুত কৰাৰ সলনি অসমীয়া জাতি গঠনক অধিক শিথিলহে কৰি তুলিলে। ক্ষুদ্ৰ জাতীয়তাবাদী চেতনাক্ৰান্ত ডেকাসকল আক্ৰোশী হৈ পৰাৰ লগে লগে ঔপনিৱেশিক কালৰে পৰা অসমত বাস কৰিবলৈ লোৱা প্ৰব্ৰজনকাৰীসকল অধিক সন্ত্ৰস্ত হৈ পৰে। বৈষম্যমূলক পৰিস্থিতিৰ মুখামুখি হৈ ইতিমধ্যে অসমীয়া ভাষা-সংস্কৃতিৰ ভিতৰচৰালৈ আগবঢ়োৱা তেওঁলোকৰ খোজ পশ্চাৎগামী হ'বলৈ ধৰে আৰু অসমীয়া জাতি জাতি গঠন প্ৰক্ৰিয়াত জাহ যোৱাৰ সম্ভাৱনীয়তাক বহুলাংশে হ্ৰাস কৰে। তদুপৰি অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ ঐতিহাসিক সত্যক আওকাণ কৰি অসমীয়াকৰণেৰে সকলোকে সামৰি ল'বলৈ যোৱাৰ ফলত জনজাতীয় লোকসকলে নিজৰ ভাষা-সংস্কৃতি আৰু জাতীয় অস্তিত্বক লৈ শংকিত হৈ পৰে। সেয়েহে অসমীয়া ডেকাসকলৰ আৰ্হিৰে জনজাতীয় লোকসকলেও ভূমিৰ অধিকাৰৰ আন্দোলন আৰু পৰৱৰ্তী সময়ত পৃথক ৰাজ্যৰ দাবী তুলিবলৈ লয়— "অসমীয়া জাতিৰ অস্তিত্ব সংকটাপন্ন— এই আশংকাৰপৰা গঢ় লৈ উঠা বিদেশী বিতাড়ন আন্দোলন দেখি অসমৰ আন আন জনজাতিসকল নিজৰ জাতিৰ অধিকাৰ আৰু সুৰক্ষাৰ বিষয়ে

সচেতন হৈ পৰিছে। এতিয়া জনজাতিসকলে নিজকে অসমীয়া জাতিৰ অংশ বুলি নাভাৱে।” (কৰ্মকাৰ, ১১৮)

বিদেশী বিতাড়ন বা স্বাধীন ৰাষ্ট্ৰ গঠন অসমৰ বাবে যে একেবাৰে ভিত্তিহীন কথা সেইকথা ঔপন্যাসিকে অনীল শইকীয়া চৰিত্ৰটোৰ মাধ্যমেৰে প্ৰকাশ কৰিছে। স্বাধীন ৰাষ্ট্ৰ গঠনৰ বাবে একাংশ অসমীয়া ডেকাই যি আত্মঘাতী সশস্ত্ৰ সংগ্ৰামত নামি নিৰীহ অসমীয়া লোকৰ জীৱনৰ স্বাভাৱিক ছন্দ হৰণ কৰিছিল তাৰ সমালোচনাও উপন্যাসখনত যুক্তিনিষ্ঠতাৰে আগবঢ়োৱা হৈছে। অসমত থকা আন আন জাতি-জনগোষ্ঠীৰ লোকক বাদ দি যে অসমীয়া মানুহ স্বয়ংসম্পূৰ্ণ নহয় সেই কথা অনীল শইকীয়াৰ দৰে চৰিত্ৰই উপলব্ধি কৰিছে— “মানে এটা জাতি স্বয়ংসম্পূৰ্ণ হ'বলৈ হ'লে সমাজ জীৱনৰ সকলো পেছাত নিজৰ সম্প্ৰদায়ৰ মানুহ থাকিব লাগে। মুচি-মেটৰ, ধোবা-নাপিত, ঠেলা-ৰিক্সা চলোৱা, কমাৰ-কুমাৰ, শ্ৰমিক-কৃষক, কেৰাণী-মহৰীৰ পৰা দেশৰ প্ৰতিৰক্ষাৰ বাবে চিপাহী-চন্তৰী, ট'প-এক্সজিকিউটিভৰ লগতে পাণ্ডিত্য থকা শিক্ষক, অধ্যাপক, সাহিত্যিক-দাৰ্শনিক, ৰাজনৈতিক-অৰ্থনীতিবিদ...সকলো। কিন্তু অসমীয়াই মুচি-মেটৰৰ কাম কৰেনে? অসমীয়াৰ ভিতৰত কেইজন ধোবা-নাপিত? কেইজন অসমীয়াই ঠেলা বা ৰিক্সা চলায়? বজাৰ-ঘাটত যে সৰু সৰু ব্যৱসায় কৰা... আলু-পিয়াজৰ বেপাৰী, হাঁহ-কুকুৰাৰ বেপাৰী, কচাই, মুচি-মেটৰ...সিহঁতৰ ভিতৰত কেইটা অসমীয়া? তদুপৰি কৃষি উৎপাদনৰ ক্ষেত্ৰত চাহবাগানৰ শ্ৰমিক, ধান-মৰাপাট উৎপাদনৰ ক্ষেত্ৰত পূৰ্ব বংগীয় মূলৰ মুছলমানৰ বাহিৰে বেলেগ জাতি-গোষ্ঠীৰ কথা ভাবিব পাৰেনে? এওঁলোকক বাদ দি অসমীয়া জাতিটো চলিব পাৰিবনে?” (কৰ্মকাৰ, ৯১)

**উপসংহাৰ ঃ**

শিপাৰ সন্ধানত উপন্যাসখনত অসমীয়া-বঙালীৰ সম্পৰ্কটো যুক্তিৰ ভেটিত অতি নিৰহ নিপানীকৈ ঔপন্যাসিকগৰাকীয়ে বিচাৰ কৰি দেখুৱাইছে। ঐতিহাসিক আৰু ৰাজনৈতিক দিশৰ পৰা এই বিষয়টোৰ অধ্যয়ন নতুন নহ'লেও সাহিত্য বিচাৰৰ মাপকাঠিৰে বিচাৰ কৰাৰ পৰম্পৰা কিছু নতুন। পাশ্চাত্যৰ প্ৰব্ৰজন অধ্যয়নৰ ক্ষেত্ৰখনত সাহিত্যৰ মাজত ইয়াৰ অনুসন্ধান জনপ্ৰিয় হৈ উঠে বিংশ শতিকাৰ আশীৰ দশকৰ ফালে। সাহিত্যত প্ৰব্ৰজনৰ বহু অলিখিত কাহিনী, প্ৰব্ৰজনকাৰীৰ মানসিক জগতখনৰ অনালোকিত খবৰ সঞ্চিত হৈ থাকে। সেয়েহে প্ৰব্ৰজনৰ প্ৰকৃত স্বৰূপ উদ্ঘাটনত সাহিত্য এক বিশেষ সমল। কৰ্মকাৰৰ উপন্যাসখনৰ পৰাও অসমীয়া-বঙালীৰ তিক্ত-মধুৰ সম্পৰ্কৰ বহু দিশ অমল চৰিত্ৰৰ মনৰ চকুৰে আৱিষ্কাৰ কৰিব পৰা গ'ল। বিশেষকৈ অসমত বাস কৰা বঙালীসকলৰ মানসিক স্থিতি, সমাজ জীৱনৰ বিভিন্ন স্তৰত বিভিন্ন ধৰণে সন্মুখীন হোৱা অনাকাংক্ষিত পৰিস্থিতি, 'অন্য' অনুভৱে সৃষ্টি কৰা মানসিক সংকোচন ইত্যাদি বিভিন্ন দিশ উপন্যাসখনৰ অধ্যয়নৰ যোগেদি পোহৰলৈ আহিছে। ❑

**প্ৰসংগ উৎস ঃ**

১) বৰ্মন, প্ৰসূন। *অসম উপত্যকাত বঙালী ঃ প্ৰীতিৰ বীজ অংকুৰণ*। অসম পাবলিচিং কোম্পানী। গুৱাহাটী। ডিচেম্বৰ, ২০১৮। পৃ. ১৬
২) ভট্টাচাৰ্য্য, সতীশ চন্দ্ৰ। *অৰুণোদয় যুগৰ সাহিত্য ঃ অসমীয়া সমাজ-সংস্কৃতি*। নতুন অসম। গুৱাহাটী। প্ৰথম প্ৰকাশ। নৱেম্বৰ, ২০০১। পৃ. ৪৬
৩) কৰ্মকাৰ, সন্তোষ কুমাৰ। *শিপাৰ সন্ধানত*। অসম পাবলিচিং কোম্পানী। গুৱাহাটী। প্ৰথম প্ৰকাশ। নৱেম্বৰ, ২০১৬। পৃ. ৪৬
৪) উল্লিখিত, পৃ. ৫
৫) উল্লিখিত, পৃ. ১১৮-১১৯
৬) উল্লিখিত, পৃ. ১৮৩
৭) উল্লিখিত, পৃ. ১১৮
৮) উল্লিখিত, পৃ. ৯১

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

কৰ্মকাৰ, সন্তোষ কুমাৰ। *শিপাৰ সন্ধানত*। অসম পাবলিচিং কোম্পানী। গুৱাহাটী। প্ৰথম প্ৰকাশ। নৱেম্বৰ, ২০১৬
বৰ্মন, প্ৰসূন। *অসম উপত্যকাত বঙালী ঃ প্ৰীতিৰ বীজ অংকুৰণ*। অসম পাবলিচিং কোম্পানী। গুৱাহাটী। ডিচেম্বৰ, ২০১৮
বিশ্বাস, সুকুমাৰ। *আসামে ভাষা আন্দোলন ও বাঙালি প্ৰসঙ্গ ঃ ১৯৪৭-১৯৬১*। পাৰুল প্ৰকাশনী প্ৰাইভেট লিমিটেড। কলকাতা। দ্বিতীয় পুনৰ্মুদ্ৰণ। ২০২৪।
ভট্টাচাৰ্য্য, সতীশ চন্দ্ৰ। *অৰুণোদয় যুগৰ সাহিত্য ঃ অসমীয়া সমাজ-সংস্কৃতি*। নতুন অসম। গুৱাহাটী। প্ৰথম প্ৰকাশ, নৱেম্বৰ, ২০০১
মহন্ত, প্ৰফুল্ল। *অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস*। পূৰ্বাঞ্চল প্ৰকাশ। গুৱাহাটী। চতুৰ্থ সংস্কৰণ। জানুৱাৰী, ২০২১
Abouddahab, Redouance & Sibbhan Brownlie. Editors. *Figures of Migrant : The Roles of Literature and The Arts in Representing Migration*. Routledge, Taylor and Francies Group. New York and London. First Published. 2022.
Frank, Soren. Migration and Literature : Gunter Grass, Milan Kundera, Salman Rushdie and Jan Kjaerstad. New York, Palgrave Macmillan. 2008.

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945



# শংকৰদেৱ আৰু গোপাল আতাৰ সাঁচিপতীয়া নাট্য পুথিৰ আংগিক বিচাৰ



মমী দত্ত

গৱেষক, অসমীয়া বিভাগ
মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়
মাজুলী-৭৮৫১০৪ (অসম)
৬০০০০৪৩৭০৬
momidutta556@gmail.com



ড° উৎপল নাৰায়ণ গোস্বামী

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়
মাজুলী-৭৮৫১০৪ (অসম)
৯৮৫৪৮১১৬৩৮
utpalngoswami123@gmail.com

**সাৰাংশ ঃ**

শংকৰদেৱ আৰু গোপাল আতাৰ দ্বাৰা ৰচিত নাটসমূহে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি আৰু অসমীয়া জাতিৰ ইতিহাস সমৃদ্ধ কৰি আহিছে। লগতে আংগিকগত দিশ যেনে- ৰস, ছন্দ, অলংকাৰ আদিৰ প্ৰয়োগৰ ফলত বৃদ্ধি পোৱা নাটসমূহৰ সাহিত্যিক সৌন্দৰ্যৰ বাবেও সাহিত্যৰ ইতিহাসত নাটসমূহে সুকীয়া পৰিচয় লাভ কৰিছে। শংকৰদেৱ আৰু গোপাল আতাৰ নাটসমূহৰ ভাষা আছিল প্ৰাচীন অসমীয়া। এই নাটসমূহ পুৰণি পুথিসমূহৰ লিপি আছিল কাইথেলী, গড়গঞা আৰু লহকৰী। পাছৰ পৰ্যায়ত বিভিন্ন সময়ত ভিন্নজন অনুলিপিকাৰ বা নকলকাৰৰ সহায়ত এই পুথিসমূহৰ প্ৰতিলিপি কৰা হৈছিল আৰু লাহে লাহে নাটৰ পুথিসমূহৰ ছপা ৰূপৰ প্ৰচাৰ হ'ল। পুথিসমূহৰ প্ৰতিলিপি কৰাৰ সময়ত দৃষ্টিগত, মনোগত, অজ্ঞতাবশঃত আদি বিভিন্ন কাৰণত পুথিসমূহত বৰ্ণবিন্যাসগত বহুবোৰ ভুল সোমাই পৰিল। যাৰ ফলত সাঁচিপতীয়া পুথিৰ পৰা হুবহু ছপা কৰা পুথিসমূহতো বৰ্তমানেও বৰ্ণবিন্যাসৰ সমস্যা দেখা যায়, যিয়ে বহু ক্ষেত্ৰত অন্তৰ্নিহিত শব্দৰ বিপৰীতে পাঠকক বা গৱেষকক বিমোৰত পেলাই। গতিকে আলোচ্য গৱেষণা পত্ৰখনিত শংকৰদেৱ আৰু গোপাল আতাৰ সাঁচিপতীয়া নাটৰ পুথিৰ আংগিক বিচাৰ মূলৰ কাষ ছপা পুথিসমূহৰ জৰিয়তে আগবঢ়োৱা হ'ব।

**বীজ শব্দ ঃ**

ৰস, অলংকাৰ, ছন্দ, সাঁচিপাতৰ পুথি, লিপি আদি।

**০.০ অৱতৰণিকা ঃ**

আমি বৰ্তমানে অধ্যয়ন কৰি থকা আধুনিক ছপা ৰূপৰ মূল হ'ল প্ৰাচীন পাণ্ডুলিপিসমূহ। এই পাণ্ডুলিপিৰ সহায়তেই আমি শংকৰদেৱ, গোপাল আতা আদিৰ ৰচনাৰাজিসমূহ বৰ্তমানে অধ্যয়ন কৰিব পাৰিছোঁ। শংকৰদেৱ আৰু গোপাল আতাই মূলতঃ সাঁচিপাততেই সাহিত্য ৰচনা কৰিছিল। সেই সাহিত্যসমূহ আছিল ৰস, ছন্দ, অলংকাৰ আদিৰ দৰে আংগিকেৰে সমৃদ্ধ। সাঁচিপতীয়া পুথিৰ পৰা ক্ৰমবিৱৰ্তনৰ মাজেৰে বহু বছৰ অতিক্ৰম কৰি ভাষাটোৱে বৰ্তমানৰ ৰূপ পৰিগ্ৰহণ কৰাৰ পাছতেই আংগিকৰ ব্যৱহাৰ লাহে লাহে কমি আহিল। যিয়েই নহওক শংকৰদেৱ আৰু গোপাল আতাৰ নাটত আংগিকৰ প্ৰয়োগ কেনেদৰে হৈছিল সেই বিষয়ক আলোচনাই আমাৰ আলোচনা পত্ৰখনিৰ মূল বিচাৰ্য বিষয়।

**০.১ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

আলোচ্য গৱেষণা পত্ৰখনিত শংকৰদেৱ আৰু গোপাল আতাৰ নাটত আংগিকৰ আলোচনাক গুৰুত্ব প্ৰদান কৰা হ'ব।

**০.২ অধ্যয়নৰ পদ্ধতি ঃ**

গৱেষণা পত্ৰখনিত অধ্যয়নৰ পদ্ধতি হিচাপে বিশ্লেষণাত্মক পদ্ধতিৰ ব্যৱহাৰ কৰা হ'ব।

**০.৩ অধ্যয়নৰ পৰিসৰ ঃ**

গৱেষণা পত্ৰখনিত অধ্যয়নৰ পৰিসৰত শংকৰদেৱ আৰু গোপাল আতাৰ সাঁচিপতীয়া নাটৰ পুথিৰ আংগিক দিশৰ বিষয়ে অধ্যয়ন কৰা হ'ব।

**২.০ সাহিত্যৰ আংগিক ঃ**

সাহিত্যত আংগিক দিশ মানে সেইসমূহ, যিয়েই সাহিত্যকৰ্মৰ বাহ্যিক ৰূপ, প্ৰকাশভংগী আৰু গঠন শৈলীত প্ৰভাৱ বিস্তাৰ কৰে। ইয়াৰ অন্তৰ্গত উপাদানসমূহৰ ভিতৰত ভাষা, ছন্দ, অলংকাৰ, ৰস, প্ৰতীক, চিত্ৰকল্প, প্লট, বৰ্ণনাৰীতি আদি। প্ৰত্যেক সাহিত্যতে বিষয়বস্তু হ'ল আত্মা আৰু আংগিক হ'ল সাহিত্যৰ দেহ সদৃশ। যাৰ সুপ্ৰয়োগৰ ফলত সাহিত্য অধিক আকৰ্ষনীয় আৰু নান্দনিক হৈ পৰে। সাহিত্যৰ আংগিকসমূহৰ ভিতৰত শব্দ চয়ন, বাক্য গাঁথনি আৰু বৰ্ণনাৰীতিক ভাষা আৰু শৈলীৰ ভিতৰত ধৰা হয়। ধ্বনি আৰু লয়ৰ সুষম বিন্যাসৰ বাবে ছন্দ আৰু তাল, ভাষাৰ সৌন্দৰ্য বৃদ্ধিৰ বাবে উপমা, ৰূপক আদিৰ ব্যৱহাৰ, কাহিনীৰ বিকাশৰ বাবে গঠনশৈলী আৰু ভিন্ন ভাৱৰ প্ৰকাশৰ বাবে প্ৰকাশভংগীক ধৰা হয়।

**৩.০ শংকৰদেৱ আৰু গোপাল আতাৰ সাঁচিপতীয়া নাটৰ পুথিৰ আংগিক বিচাৰ ঃ**

সাহিত্যৰ আংগিকসমূহৰ ভিতৰত শংকৰদেৱ আৰু গোপাল আতাৰ নাটত ৰস, ছন্দ আৰু অলংকাৰৰ সৰ্বাধিক ব্যৱহাৰ দেখা যায়।

শংকৰদেৱৰ নাটত নৱৰসৰ প্ৰয়োগ-বিশ্বনাথ কবিৰাজৰ মতে 'বাক্যং ৰসাত্মকং কাব্যম' সংস্কৃত অলংকাৰ শাস্ত্ৰত উল্লিখিত শৃঙ্গাৰ, কৰুণ, বীৰ, হাস্য, অদ্ভুত, বীভৎস, ৰৌদ্ৰ, ভয়ানক আৰু শান্ত ন বিধ ৰসৰ প্ৰায়বোৰেই শংকৰদেৱ আৰু গোপাল আতাৰ নাটত সমাহাৰ ঘটিছে যদিও ইয়াত ভক্তি ৰসৰহে প্ৰাধান্যতা বেছি।

**বীৰ ৰস ঃ** শংকৰদেৱৰ অংকীয়া নাটবোৰৰ মাজত বীৰ ৰসৰ প্ৰয়োগো দেখা যায়। 'ৰুক্মিণী-হৰণ' নাটত ৰুক্মিণীক পলুৱাই অনাৰ পাছত শ্ৰীকৃষ্ণৰ লগত আন আন ৰজা সকলৰ যুদ্ধ, ৰুক্মী আৰু কৃষ্ণৰ মাজত হোৱা যুদ্ধৰ বৰ্ণনাত বীৰ ৰসৰ উদ্ৰেক ঘটিছে। যেনে -

'হাতে শৰ ধনু ধৰি সৱ ধাৱে।
কম্পিত মেদনী এ পদ ঘাৱে'।

ৰামৰ সংলাপত প্ৰকাশ পোৱা বীৰ ৰস - 'আহে প্ৰাণপ্ৰিয়ে, হামাক আগু ওহি ৰাজাসৱ কোন পতঙ্গ, জৈচে সিহংক আগে ক্ষুদ্ৰ হৰিণ। ইহা জানি ভয়, শোক চাড়হ। দেখহ পাপী ৰাজাসৱক জৈচে শৃগালক এই খনে খেদাৱব'।

'ৰুক্মিণী হৰণ' নাটকখনত শ্ৰীকৃষ্ণ আৰু ৰুক্মীৰ মাজত হোৱা কাজিয়াখনক মাজেদিও বীৰ বসৰ উদ্ৰেক ঘটিছে। যেনে-

'হাতে মুঠি ধৰি ৰুক্মী কুমাৰ।
কৃষ্ণক হৃদয়ে কয়ল প্ৰহাৰ।।
তাহে প্ৰহাৰে হাসি যদুনাথে।
ধৰল কেশে কেশৰ ৰাম হাতে।।
ঘন্টা লাড়িঘাৰ কৰয় মোড়।
ৰুক্মীৰ হৃদয়ে মাৰল গোড়'।।

'পাৰিজাত হৰণ' নাটকত কৃষ্ণৰ লগত নৰকাসুৰ আৰু ইন্দ্ৰৰ মাজত হোৱা যুদ্ধৰ বৰ্ণনাত বীৰ ৰসৰ উদ্ৰেক ঘটিছে। উদাহৰণ স্বৰূপে - নৰকাসুৰ আৰু শ্ৰীকৃষ্ণৰ মাজত হোৱা যুদ্ধৰ বৰ্ণনাত বীৰ ৰসৰ প্ৰকাশ ঘটিছে।

পাৰিজাত হৰণ নাটত কৃষ্ণ আৰু ইন্দ্ৰৰ মাজত হোৱা যুদ্ধৰ বৰ্ণনাৰ মাজেৰেও বীৰ ৰসৰ প্ৰকাশ ঘটিছে। যেনে-

'কৰু শৰ সত্বৰ মুৰাৰী।
দেখি তাহেক হৰি কৰে
শাৰঙ্গ ধৰি ছেদি বাণগণ
হৰলি চেতন ইন্দ্ৰক হৃদয়'।

'ৰামবিজয় ' নাটত ৰামে বিভিন্ন অসুৰ ৰাক্ষসী তাড়কা, মাৰীচ, সুবাহু আদিক বধ কৰা আৰু সীতাৰ সয়ম্বৰত ৰজাসকলৰ লগত যুদ্ধ কৰি পৰাস্ত কৰা আদি এইবোৰত বীৰ ৰসৰ প্ৰকাশ ঘটিছে। যেনে-

'বুলিয়ে নিৰ্ভয়ে যোৰল বাণ।
তাড়কা হৃদয়ে কৰু সন্ধান।।
পড়ল পিশাচী তেজি আটাস।
বজ্ৰপাতে জৈচে লোক তৰাস।'

আনহাতে, সীতাৰ স্বয়ম্বৰত ৰজাসকলক পৰাস্ত কৰি ৰামে হৰ-ধনু ভঙ্গ কৰা সময়ত আৰু পৰশুৰামৰ দৰ্পচূৰ্ণ কৰা সময়ত বীৰ ৰস প্ৰকাশ পাইছে।

**শৃঙ্গাৰ ৰস ঃ** 'ৰামবিজয়' নাটৰ মূল কাহিনীৰ অংশত থকা ভটিমা দুটিৰ জৰিয়তে। ৰাম আৰু সীতাৰ ৰূপ-গুণৰ বৰ্ণনা কৰোতে শৃঙ্গাৰ ৰস প্ৰকাশিত হৈছে। তদুপৰি, ৰাম-সীতাৰ মিলন আৰু বিবাহ কাৰ্যত শৃঙ্গাৰ ৰসৰ উদ্ৰেক ঘটিছে। 'ৰামবিজয়' নাটকতো শৃংগাৰ ৰসৰ প্ৰয়োগ দেখা যায়। শংকৰদেৱে ৰাম সীতাৰ ৰূপ বৰ্ণনা, সীতাই ৰামক দেখা আৰু ৰাম সীতাৰ মিলনৰ বৰ্ণনা কৰোঁতে এই ৰসৰ সুন্দৰ প্ৰয়োগ ঘটিছে-ৰাম লক্ষ্মৈণ ঋষি বিশ্বামিত্ৰৰ সৈতে মিথিলালৈ যাওঁতে সীতাৰ ৰূপ লাৱণ্যৰ কথা শুনি ৰামৰ মন যে চঞ্চল হৈ পৰিছিল এই কথা বুজাবলৈ নাটখনত

ব্যৱহাৰ কৰা গীতটোৰ জৰিয়তে শৃংগাৰ ৰসৰ উদ্ৰেক ঘটিছে। যেনে -

'শুনিয়ে ৰমণীক কাহিনী মিলল মোহ মুৰাৰি।
ভাৱ ভিন্নভীত ভেলি কিঞ্চিত চিত্ত মদন বিগাৰি।।'

সীতাৰ সয়ম্বৰত উপস্থিত হোৱা ৰামৰ ৰূপ লাৱণ্যৰ বিষয়ে সখী কনকাৱতীৰ মুখৰ পৰা সীতাই শুনাৰ লগে লগে সীতাৰ মনত কেনেধৰণৰ ভাৱ অনুভূতি জাগি উঠিছিল তাৰ বৰ্ণনা কৰিবলৈ ব্যৱহাৰ কৰা গীতটোৰ জৰিয়তেও শৃংগাৰ ৰস প্ৰকাশ পাইছে। যেনে-

'স্বামীক চৰণ চিত্ত থিৰ চিন্তিয়ে, নয়না মুদি ৰহু মাই।
প্ৰেম পৰশৰস ৰাজনন্দিনী জেছে মানস অমিয়া ঝুৰাই।।'

নাটখনত ৰাম সীতাৰ মিলনৰ যি বৰ্ণনা দিয়া হৈছে তাৰ মাজেৰেও শৃংগাৰ ৰসৰ উদ্ৰেক ঘটিছে। যেনে-

'পয়োধৰ ধৰিয়ে অধৰ মধু বঞ্চল লোচন মুদি ৰহু মাই।
কৰত সুৰত মণ্ড-মাতঙ্গ-গামিনী কামিনী যামিনী যাই'।।

'ৰুক্মিণী-হৰণ' নাটকত কুণ্ডিল নগৰৰ পৰা দ্বাৰকালৈ অহা সুৰভি ভাটৰ মুখেৰে শ্ৰীকৃষ্ণই ৰুক্মিণীৰ ৰূপ-গুণৰ কথা শুনা, সেইদৰে কৃষ্ণৰ বাৰ্তা লৈ যোৱা হৰিদাস নামৰ ভাটৰ পৰা ৰুক্মিণীয়ে শ্ৰীকৃষ্ণৰ ৰূপ-গুণৰ কথা শুনাৰ পাছত তেওঁলোকৰ মনৰ অৱস্থা, শ্ৰীকৃষ্ণ-ৰুক্মিণীৰ মিলনৰ কথা উল্লেখ কৰোঁতে শৃংগাৰ ৰসৰ উদ্ৰেক হৈছে।

উদাহৰণস্বৰূপে- 'শ্ৰীকৃষ্ণই ভাটৰ মুখৰ পৰা ৰুক্মিণীৰ ৰূপ লাৱণ্যৰ কথা শুনি মনৰ যি অৱস্থা হৈছিল তাৰ চিত্ৰ ফুটাই তুলিবলৈ ব্যৱহাৰ কৰা গীতটোৰ মাজেৰে শৃংগাৰ ৰসৰ প্ৰকাশ পাইছে'। যেনে-

'প্ৰিয়াকেৰি কাহিনী শুনিয়ে মুৰাৰি।
বিৰহে দহনু চিত্ত আকুল
কিঞ্চিত মানস মদন বিদাৰি'।।

ভাটৰ মুখৰ পৰা শ্ৰীকৃষ্ণৰ ৰূপ লাৱণ্যৰ কথা শুনি ৰুক্মণীৰ মনত কেনেধৰণৰ প্ৰতিক্ৰিয়া হৈছিল সেই কথা বৰ্ণনা কৰোঁতেও শৃংগাৰ ৰসৰ উদ্ৰেক হৈছে — 'তদনন্তৰ ৰুক্মিণী ভিক্ষুক মুখে কথা শুনিএ মোহিত হুয়া শ্ৰীকৃষ্ণক স্বামী ভাৱে বৰল। কৃষ্ণক হৃদয়ে ধৰল। কৃষ্ণক চৰণ চিন্তি মাত্ৰ সৰ্ব্বথা ৰহল। আন চিন্তা সব ছোড়ল'।

'ৰুক্মিণী-হৰণ' নাটত ৰুক্মিণী আৰু কৃষ্ণৰ মিলনৰ কথা বৰ্ণনা কৰোঁতে শৃংগাৰ ৰসৰ উদ্ভৱ হৈছে বুলিব পাৰি-

'ঘন ঘন নয়ন পঙ্কজ মুহ হেৰি হেৰি কৰত কানু কেলি।
আলিঙ্গ অঙ্গ অনঙ্গ ৰঙ্গ ৰসিক ৰমণীক ভুজ মেলি'।।

**ৰৌদ্ৰৰস ঃ** ৰৌদ্ৰ ৰসৰ মূল ভাৱ হৈছে ক্ৰোধ। 'ৰামবিজয়' নাটত সীতাৰ স্বয়ম্বৰ সভাত উপস্থিত থকা ৰজাসকলৰ তৰ্জণ-গৰ্জণত আৰু ক্ৰোধান্বিত পৰশুৰামৰ আগমনত ৰৌদ্ৰ ৰসৰ প্ৰকাশ ঘটিছে। 'পৰশুৰাম মহা কোপে দণ্ড খৰল। বিশ্বামিত্ৰ দণ্ড ধৰি ধাৱল দোহাৰ দণ্ড প্ৰহাৰক চোটে চুৰ ভেল। তদনন্তৰ চৰড়ি ধৰিয়ে যুদ্ধ কয়ল। 'ৰামবিজয় নাট' 'ৰুক্মিণী-হৰণ' নাটত শ্ৰী কৃষ্ণই ৰুক্মিণীক পলুৱাই লৈ যাওঁতে ৰুক্মী আৰু ৰজাসকলে কৰা তৰ্জন গৰ্জনত ৰৌদ্ৰ ৰসৰ উদ্ৰেক ঘটিছে।' যেনে-

'কোপে নৃপসৰ কামোৰে বাহু।
চান্দক জৈচে খেদি জাই ৰাহু'।।

'পাৰিজাত হৰণ' নাটকত নৰকাৰসুৰ আৰু ইন্দ্ৰই শ্ৰীকৃষ্ণৰ প্ৰতি কৰা তৰ্জন গৰ্জনত ৰৌদ্ৰ ৰসৰ উদ্ৰেক ঘটিছে। উদাহৰণস্বৰূপে-

'জানল আৱল মাধৱ ধাই।
গৰজে দানৱ জুদ্ধক লাই'।।
সমৰক লাগি বজাৱয় ঢোল।
ধৰ ধৰ মাৰ মাৰ কৰে কহু ৰোল'।।

'ৰামবিজয়' নাটত ৰামে হৰধনু ভঙাৰ পাছত ৰজাসকলে কৰা তৰ্জন গৰ্জন আৰু পৰশুৰামৰ ক্ৰোধত ৰৌদ্ৰ ৰসৰ প্ৰকাশ পাইছে। যেনে-

'বাহু কাণ্ড খাণ্ডা উৰি হাত।
দশন কামুৰি ঝঙ্কাৰয় মাথ।।
দৰপে কৰয় মাৰ ধৰ ৰোল।
আৱল ৰাজ সভাকেৰি কোল'।।

'আয়ে ৰেণুসীক পুত্ৰ। মেৰা গুৰুক ধনুভঙ্গ কয় তোহো কাহে জাৱ।পৰশুৰামৰ কথা তোহো জানয়ে নাহি। হামু একবিংশতি বাৰ ভুমি ভ্ৰমিয়ে ক্ষত্ৰিয়ৰ মুণ্ড মাৰলো। সে শোণিতে কুঠাৰ মলিন ভেল। আঃ আজু তোহাক স্কন্ধ ৰুধিবে নিকা কৰো'।

**ভয়ানক ৰস ঃ** 'ৰামবিজয়' নাটত ৰাক্ষসবোৰৰ আগমনত ভয়ানক ৰসৰ উদ্ৰেক ঘটিছে। যেনে -

'পেখিয়ে ধুম মাৰীচ সুবাহু।
চান্দ গিলিতে জৈচে আয়ল ৰাহু।।
ত্ৰাশে কৌশিক কহয় আৰাৰে।
পেখু পেখু দোহো ৰাক্ষস আৰে।।

ৰাম-লক্ষ্মণ সহিতে বিশ্বামিত্ৰ আশ্ৰমলৈ যাওঁতে বাটত তাৰকাই বাট ভেটিছিল আৰু তেতিয়া ঋষি বিশ্বামিত্ৰৰ মনত উদ্ৰেক হোৱা ভয়ৰ উমান পোৱা যায় পয়াৰটিৰ জৰিয়তে। যেনে-

'আশ্ৰম যাইতে ঋষিক উচাট।
পেখিয়ে তাড়কা বেড়ল বাট।।

মিলিল ভক্ষ্য পিশাচিনী হাসে।
কাম্পে কৌশিক পড়িয়ে তৰাসে।।'

তদুপৰি, ঋষি বিশ্বামিত্ৰই ৰাক্ষস বধৰ বাবে ৰজা দশৰথৰ ওচৰত ৰাম- লখ্যৈণ বিচাৰোঁতে পুত্ৰৰ কথা চিন্তা কৰি দশৰথৰ মনত যি ভয়ৰ উদ্ৰেক ঘটিছে, তাৰ দ্বাৰাও ভয়ানক ৰস প্ৰকাশিত হৈছে। শংকৰদেৱৰ 'পাৰিজাত হৰণ' আৰু 'ৰুক্মিণী হৰণ' নাটকত ভয়ানক ৰসৰ প্ৰয়োগ দেখা নাযায়।

**অদ্ভুত ৰস ঃ** সীতাৰ স্বয়ম্বৰ দৃশ্যত আন ৰজাসকলে দাঙিব নোৱাৰা ধনুখন ৰামে দাঙি ধৰি গুণ লগোৱা আৰু ধনুখন দ্বিখণ্ডিত হোৱা দৃশ্যাংশত অদ্ভুত ৰস প্ৰকাশিত হৈছে।

**হাস্য ৰস ঃ** হাস্য ৰসৰ মূল ভাৱ হৈছে হাস। ৰামবিজয় নাটত সীতাৰ স্বয়ম্বৰ সভাত ৰজাসকলৰ বীভৎস ভাৱনা দেখি সীতাৰ সখীসকলে গোৰ, ঠেলা মাৰি পঠিয়াইছে আৰু হাস্য ৰসৰ উদ্ৰেক ঘটিছে। যেনে- 'ঐচন কামে মত্ত হুয়া ৰাজাসৱ নানাবিধ বীভৎস ভাৱনা কৰয়। পেখি সীতাক সখী কনকাৱতী, মদনমঞ্জৰী, চন্দ্ৰাৱতী, সূৰ্য্যপ্ৰভা কাহু ৰাজাক গোড় মাৰি ভৰচয়, কাহুক হাতে ঠেঙ্গনা মাৰয়, কাহুক গলে বস্ত্ৰ বান্ধিয়ে দুই তিনি সখীয়ে ঘসাৰে, সে সব দুখকো নগণয়। তথাপি নৃপকুমাৰীক কাতৰ কয় থিক'।

তদুপৰি, ৰাম-সীতাৰ বিবাহৰ দৃশ্যত সীতাৰ ভূৱন-মোহন ৰূপ দেখি ঋষি বিশ্বামিত্ৰ কাম ভাৱত আতুৰ হৈ মূৰ্চ্ছিত হোৱা ঘটনাই হাস্য ৰসৰ সৃষ্টি কৰিছে। যেনে- মুখ চন্দ্ৰিকা কৰিতে সীতাক ভুবনমোহন ৰূপ নিৰেখি ঋষি কামে আতুৰ ভেলহ হাতক শ্ৰুৱশ্ৰুত খসি পৰল। শৰিৰ কম্পি মুৰুচি পৰল। তাহে পেখি শিষ্য গালৰে প্ৰবোধ বোলল। গালৰ বোল - হে গুৰু, তোহাৰ কোন বেৰহাৰ স্বস্থ হৰ স্বস্থ হৰ'। পৰশুৰাম আৰু বিশ্বামিত্ৰ মাজৰ যুদ্ধ আদিৰ মাজেৰে হাস্য ৰসৰ প্ৰকাশ ঘটিছে — 'তদনন্তৰ বাহুযুদ্ধ কয়ল। দোহো দোহোক ধৰিয়ে পৰি বাগৰয়। দোহো ঋষিৰ পৰিধান চৰ্ম্ম খসি পৰল'।

**কৰুণ ৰস ঃ** 'ৰুক্মিণী-হৰণক্ষ নাটকত ৰুক্মিণীৰ বিলাপত কৰুণ ৰসৰ প্ৰকাশ ঘটিছে। যেনে-

'ঘন ঘন মুৰুচি পৰয় বৰ নাৰী।
ফোকাৰয় শ্বাস নয়নে ঝুৰে বাৰি'।।
'কেশৱ এ হামাকেৰি ৰাখহু প্ৰাণ।
নিজ কিঙ্কৰীক জীৱন দেহু দান।।
পৰম পুৰুষ কেশৱ বিনে বিফল জনম মোই।
মিলল মৰণ কৃষ্ণ চৰণ দৰশন নাহি হোই।। '

'পাৰিজাত হৰণ' নাটকত নৰকাসুৰৰ মৃত্যুৰ পিছত মাকে কৃষ্ণৰ ওচৰলৈ আহি যি বিলাপ অনুৰোধ কৰিছে তাৰ মাজেৰে কৰুণ ৰসৰ উদ্ৰেক হৈছে। যেনে- হে স্বামী কৃষ্ণ, কোটি ব্ৰহ্মাণ্ডৰ পৰম পুৰুষ পুৰুযোত্তম তুহু জগতক গুৰু। তোহোক দ্ৰোহ কৰিয়ে পাপী পুত্ৰ নৰক নিজ পাপে নাশ গেল। তাহে পুত্ৰ ওহি ভগদত্ত নাতিক তোহাৰি পাৱে সমৰ্পল। তাহেক ৰক্ষা কৰহ। হামাৰ সন্ততি ৰহোক। তোহাৰি চৰণ- পঙ্কজে কাতৰকয় অভয় প্ৰসাদ মাগো গোসাঞি'।

**বীভৎস ৰস ঃ** সীতাৰ স্বয়ম্বৰ দৃশ্যত সমবেত হোৱা ৰজাসকলৰ আচৰণত বীক্ষৎস ৰসৰ উদ্ৰেক ঘটিছে। 'ঐচন কামে মত্ত হুৱা ৰাজাসৱ নানা বিধ বীভৎস ভাৱনা কৰয়'।

'ৰুক্মিণী-হৰণ' নাটত ৰুক্মিণীৰ সয়ম্বৰত গোটখোৱা ৰজাসকলৰ আচৰণটো বীভৎস ৰসৰ প্ৰকাশ ঘটিছে।

**শংকৰদেৱৰ নাটত অলংকাৰ প্ৰয়োগ ঃ**

**অনুপ্ৰাস ঃ**

নাটখনৰ আৰম্ভণিৰ নান্দী গীতত আছে
"জয় জয় জগজিৰ ৰাম।
কয়লো পৰি পৰনাম।।" (ৰামবিজয়)
"জয় জয় জদুকুল কমল প্ৰকাশক নাশক কংসক প্ৰাণ।
জয় জয় জগতক ভকতক ভিতি নিতি কৰু নিৰজাণ।।"
(কালিয়দমন)

"আনন্দ সিন্দু সাধুজন বন্ধু
মধুৰ মুৰুতি মুৰ নাশি।
বিৰিন্দা বিপিন বিহাৰ বিশাৰদ
সাৰদ ইন্দু পৰকাসি।।" (কেলিগোপাল)

"শ্যা ৰুচিৰ চিৰ পিত পৰকাস।
পঙ্কজ নয়ন বয়নে মন্দ হাস।।" (ৰামবিজয়)

**ৰূপক ঃ**

"দসন ওতিম নৱ মোতিম পান্তি"
"পঙ্কজ নয়ন বয়ন মন্দহাস" (ৰামবিজয়)

**উপমা ঃ**

"পেখিয়ে ধুম্ৰ মাৰিচ সুবাহু।
চান্দ গিলিতে জচ আৱল ৰাহু।।" (ৰামবিজয়)

**বৃত্তানুপ্ৰাস ঃ**

"স্বামিক মাথে মালা পৰিধাই।
কৰু পৰনাম পাৱে পৰি মাই।।" (ৰামবিজয়)

**ঝুনা ঃ**

"কেহো বোলে হামু গোপিনী নাথ।
মৰ্দ্দয় কালিকচড়িয়া মাথ।।" (কেলিগোপাল)

**উপমা ঃ**

"শ্যাম মুৰুতি পিত অম্বৰ লাসা।
নয়ন পঙ্কজ জৌতি ইসত হাসা।।" (কেলিগোপাল)

**শংকৰদেৱৰ নাটৰ ছন্দ ঃ**

**দুলড়ী ঃ**

"বংশি স্বান শুনি আসিয়া গোপিনী
কাহেৰি হেৰব মুখ।
কমল নয়ন নিৰেখিয়া কোনে
হৰব হামাৰি দুখ।।"
"সুকৰ ৰুপে হিৰন্য বিদাৰি
দেৱ ভয় কয় ত্ৰান।।
সোহি হৰি তেৰি কৰতু নিত্য
মুকুতি মঙ্গল বিধান।।" (কেলিগোপাল)

**পদ ছন্দ ঃ**

"কাল কালিক মাথে চৰি ভিৰি
পিৰি কৃড়ি কানু নাচে ৰে।
মৃদঙ্গ দিমি দিমি নাদ দুন্দুভি
সিদ্ধসবে গাৱে কাচেৰে।।"

**পয়াৰ ছন্দ ঃ**

"নমো নমো অনন্ত সকতি নাৰায়ণ।
কাৰণৰো কাৰণ তুমিহে অকাৰণ।।
নাহি আদি অন্ত মধ্য পৰিপূৰ্ণ যাৰ।
পুৰ্নানন্দ দেৱ হেৰা কৰো নমস্কাৰ।।"

**কুসুমমালা ছন্দ ঃ**

"ত্ৰাহি ত্ৰাহি হেৰ প্ৰাণ নাৰায়ণ।
হৰায়ী এ বাপ সৰণে পশিলো।।"

**গোপালদেৱৰ নাটৰ আংগিক বিচাৰ ঃ**

শংকৰোত্তৰ যুগৰ নাট্যকাৰসকলৰ ভিতৰত গোপালদেৱ আছিল অন্যতম। গোপালদেৱৰ দ্বাৰা ৰচিত নাটসমূহত আংগিকগত দিশ বুলিলে মূলতঃ ৰস, ছন্দ আৰু অলংকাৰৰ ব্যৱহাৰ দেখা যায়।

**শৃংগাৰ ৰস ঃ** গোপালদেৱৰ উদ্ভৱ-যান নাটখনত বিপ্ৰলম্ভ শৃংগাৰ ৰসৰ প্ৰয়োগ দেখা যায়। উদ্ধৱৰ মুখেদি শ্ৰীকৃষ্ণ মথুৰাৰ পৰা গকুললৈ প্ৰত্যাৱৰ্তন নকৰা বুলি জানিব পাৰি গোপীসকল ইমানেই বিহ্বল হৈ পৰিছে যে বিৰহ যন্ত্ৰণাত তেওঁলোক অচেতন হৈ পৰিছে। কৃষ্ণ বিৰহত তেওঁলোকে আনকি আহাৰ, নিদ্ৰা, বসন, ভূষণো পৰিত্যাগ কৰিছে। যেনে-

'কৃষ্ণক শোকে দুখ সাগৰ সজল,
এক দিবাস বৰিষা সমযাবত,
বসন ভুষণ বিলাস সব চাৰণ,
গোপীসব নিশি নিদ্ৰানাহি কৰয়,
দিবসে দিশসব প্ৰসন্ন নাহি।' (সাঁচিপতীয়া পুথিৰ পৰা)

**ৰৌদ্ৰ ৰস ঃ** ক্ৰোধ স্থায়ী ভাৱৰ পৰা যি ৰসৰ সৃষ্টি হয় সেয়াই ৰৌদ্ৰ ৰস। জন্ম-যাত্ৰা নাটত দৈৱকীৰ অষ্টম পুত্ৰই কংসৰ প্ৰাণ লব বুলি আকাশবাণী হোৱাত তেতিয়া ক্ৰোধৰ বশবৰ্তী হৈ কংসই দৈৱকীক মাৰিব খোজোতে গোপালদেৱৰ জন্মযাত্ৰা নাটকত ৰৌদ্ৰ ৰসৰ সমাবেশ ঘটিছে।

**ভয়ানক ৰস ঃ** জন্মযাত্ৰা নাটত দৈৱকীৰ অষ্টম পুত্ৰই প্ৰাণ ল'ব বুলি জানি কংসৰ অন্তৰত যি অৱস্থাৰ সৃষ্টি হৈছে সেয়াই ভয়ানক ৰস ৰূপে ধৰা দিছে।

**কৰুণ ৰস ঃ** জন্ম-যাত্ৰা কংসৰ ভাগিন হত্যা আৰু শেষত কন্যা সন্তানটিৰ হত্যাৰ সময়ত দৈৱকীৰ কাতৰ সংলাপে পাঠকৰ অন্তৰত কৰুণ ৰসৰ সঞ্চাৰ হৈছে। যেনে-

'হামাৰ ছয় পুত্ৰ মাৰল, সোহি তাপে তাপিত হুয়াছি এহি কন্যা হামাক দান কৰহ'।

উদ্ভৱযান নাটতো কৰুণ ৰসৰ সমাৱেশ ঘটিছে। কৃষ্ণ বিচ্ছেদত যশোদা আৰু গোপ- গোপীসকলৰ মনৰ যি অৱস্থা নাট্যকাৰে বৰ্ণনা সেয়াই নাটখনত কৰুণ ৰসৰ সৃষ্টি কৰিছে। ইয়াৰ বাহিৰেও উদ্ভৱযান নাটৰ পয়াৰসমূহেও কৰুণ ৰসৰ সৃষ্টি কৰিছে।

**হাস্য ৰস ঃ** গোপালদেৱৰ 'নন্দোৎসৱক্স নাটত গৰ্গ ঋষিৰ চৰিত্ৰৰ মাজেৰে নাট্যকাৰে হাস্য ৰসৰ সৃষ্টি কৰিছে। যেনে-

'আৱত গৰ্গ পুৰোহিত ৰঙ্গে।
হাতহি পুস্তক বসুৰা সঙ্গে।।
ধৌত দশন বসন ধৌত গাৱে।
কৰে ধৰি মালা হৰি গুণ গাৱে'।

**জন্মযাত্ৰা নাটৰ অলংকাৰ ঃ**

**অনুপ্ৰাস ঃ**

"দাম দাম হুম হুম দুন্দুভি বাজে।
আৱত দানৱ ৰাজ সমাজে।।"
উৎপ্ৰেক্ষা-"সুন্দৰি পদ্মিনি নাৰিগন চলে

উৰুলি মঙ্গল হৰি ৰোলে।
কিঙ্কিনি কঙ্কন নুপুৰ ঝনকে
বয়ন চান্দ উজোৰে।।”

**জন্মযাত্ৰা নাটৰ ছন্দ ঃ**

**ছবি ছন্দ ঃ**

“গগনে গৰজে ঘন কোলে লৈয়া নাৰায়ণ
চলে বসুদেৱ ধীৰে ধীৰে।
দেখিয়া সহস্ৰানন ভিজে প্ৰভু নাৰায়ণ
ফনায়ে ধৰিলা চত্ৰ সিৰে।।”

**ঝুনা ঃ**

“আৰত বিধি মুনিগন সঙ্গে।
চৌভিতি বেদ উচাৰয় ৰঙ্গে।।”

**দুলড়ী ঃ**

“সখিসৰ সঙ্গে চললি দৈৱকি
বিবাহ মন্দিৰ মাজে।
হংসৰ গমনি কৃষ্ণ নয়নি
পেখি সসধৰ লাজে।।”

নৱৰসৰ ভিতৰত কৰুণ, ৰৌদ্ৰ, ভয়ানক, হাস্য আৰু শৃংসাৰ ৰস গোপালদেৱৰ নাটকেইখনত দেখা গৈছে। শংকৰোত্তৰ যুগৰ আনসকল লেখকৰ দৰেই গোপাল আতাৰো নাট্যাৱলীৰ মুখ্য উদ্দেশ্য আছিল কৃষ্ণ ভক্তি প্ৰচাৰ। সেয়েহে তেখেতৰ নাটসমূহৰ মূল ৰস হিচাপে ভক্তিৰসকেই ধৰা হয়। অসমীয়া বৈষ্ণৱ সাহিত্যত ৰস আৰু ভক্তি ৰস এই দুয়োটা শব্দৰে ব্যৱহাৰ পৰিলক্ষিত হয় যদিও অসমীয়া বৈষ্ণৱ কবিসকলে ভক্তিক স্বতন্ত্ৰ ৰস হিচাপে স্বীকাৰ কৰা নাছিল।

**উপসংহাৰ ঃ**

শংকৰদেৱ আৰু গোপাল আতাৰ সাঁচিপতীয়া নাটৰ আংগিক দিশসমূহৰ ভিতৰত অন্যতম হিচাপে সৰ্বাধিক প্ৰয়োগ হোৱা দেখা গ'ল ৰস , ছন্দ আৰু অলংকাৰ। যিহেতু শংকৰদেৱৰ বা শংকৰী যুগৰ সাহিত্যৰ প্ৰভাৱতেই শংকৰোত্তৰ যুগৰ সাহিত্যসমূহ ৰচিত হৈছিল, সেয়ে শংকৰদেৱৰ লগত গোপাল আতাৰ নাটৰ আংগিক দিশসমূহৰ সাদৃশ্য দেখা পোৱা যায়। বৰ্তমান নাটসমূহত সাহিত্যৰ আংগিকগত দিশসমূহৰ ব্যৱহাৰ কমি আহিল যদিও প্ৰাচীন নাটসমূহ অধিক সৌন্দৰ্যশালী হৈ উঠিছিল এইসমূহ দিশৰ প্ৰয়োভৰৰ বাবেই। সেয়ে হয়তো পাচীন নাটসমূহে সাহিত্যৰ ইতিহাসত বৰ্তমানেও এক সুকীয়া পৰিচয় বহন কৰি আহিছে। ❑


**গ্ৰন্থপঞ্জী ঃ**

**(সাঁচিপতীয়া)**

কেলিগোপাল নাট ঃ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, MS. NO-৮৩৮, মুঠ ফলক ২২ টা
কেলিগোপাল নাট ঃ আঁহতগুৰি সত্ৰ, মুঠ ফলক ৮ টা
জন্মযাত্ৰা নাট ঃ গুৱাহাটী বিশ্ববিদ্যালয়, মুঠ ফলক ১০ টা
জন্মযাত্ৰা নাট ঃ প্ৰাচীন চামগুৰি সত্ৰ, মুঠ ফলক ৭ টা
ৰামবিজয় নাট ঃ প্ৰাচীন চামগুৰি সত্ৰ, ১৮২২ খ্ৰীষ্টাব্দ, মুঠ ফলক ৮ টা
ৰামবিজয় নাট ঃ নৰৈ চিপহা সত্ৰ, ১৭২৯ শক মুঠ ফলক ১০ টা
কালিয়দমন নাট ঃ প্ৰাচীন চামগুৰি সত্ৰ, মুঠ ফলক ৮ টা
ৰুক্মিণী-হৰণ নাট ঃ উত্তৰ কমলাবাৰী সত্ৰ, মুঠ ফলক ২৪ টা
পাৰিজাত হৰণ নাট ঃ উত্তৰ কমলাবাৰী সত্ৰ, মুঠ ফলক ২৮ টা

**(ছপা)**

শৰ্মা, তীৰ্থনাথ ঃ সাহিত্য-বিদ্যা পৰিক্ৰমা, বাণী প্ৰকাশ, গুৱাহাটী, ফেব্ৰুৱাৰী, ২০১৪
শৰ্মা, মুকুন্দ মাধৱ ঃ ধ্বনি আৰু ৰসতত্ত্ব, বাণী প্ৰকাশ, গুৱাহাটী, আগষ্ট, ২০০৬
ঠাকুৰীয়া, ৰামমল ঃ সাহিত্য বিচাৰ, বীণা লাইব্ৰেৰী, গুৱাহাটী, জানুৱাৰী, ২০১৮
শাস্ত্ৰী, মনোৰঞ্জন ঃ সাহিত্য দৰ্শন, চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী, ২০০৯
শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ, ২০১৮


**বি.দ্ৰ. ঃ** সকলো আলোচনা সাঁচিপতীয়া পুথিৰ আধাৰত কৰা হৈছে। কিন্তু উদাহৰণসমূহ পাঠকৰ বোধগম্য হোৱাকৈ আধুনিক ৰূপত ৰখা হৈছে।

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945
Peer Reviewed Journal
[UGC-CARE Listed]

# বিকাশ বৰুৱাৰ ব্যংগ সাহিত্য চটপ ঃ এটি চমু আলোচনা



**ডিম্পী দাস**
গৱেষক, অসমীয়া বিভাগ
কটন বিশ্ববিদ্যালয়, গুৱাহাটী-০১
(সহকাৰী অধ্যাপক
দমদমা মহাবিদ্যালয়)
৮৮৭৬৯৭০৯৮১
dasdimpi535@gmail.com



**ড° কল্পনা শৰ্মা কলিতা**
অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক
অসমীয়া বিভাগ, কটন বিশ্ববিদ্যালয়
গুৱাহাটী-৭৮১০০১
৭৫৭৮৯৩৯৮৯০
kalpana.sarma2@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

অসমীয়া ব্যংগ সাহিত্যৰ নতুন যি স্তৰ সেই স্তৰটো কুৰি শতিকাৰ সপ্তম-অষ্টম দশকত আৰম্ভ হৈ বৰ্তমানলৈ চলি থকা দেখিবলৈ পোৱা গৈছে। অসমীয়া ব্যংগ সাহিত্যৰ সাম্প্ৰতিক সময়ৰ যিসকল ব্যংগ ৰচনাকাৰ আছে সেই সকলৰ ভিতৰত আমি বিকাশ বৰুৱাৰ নাম ল'ব পাৰোঁ। তেওঁৰ ব্যংগ ৰচনাসমূহৰ ভিতৰত উল্লেখযোগ্য ব্যংগ ৰচনাসমূহ হ'ল ধাৰাম, ধুপুচ, চটপ, গাধাৰশিলা, অন্ধ ৰজাৰ বন্ধ প্ৰদেশ, যি কম মিছা কম, শালমইনা, টু থাউজেণ্ড, শ্ৰীমতি কিং কং, অসমীয়া সাহিত্যত বিকাশ বৰুৱা আৰু ব্যংগ, সন্ধিয়াৰ ফুলকবি, ছাগলীৰ হাঁহি, নাচ অসমীয়া নাচ, প্ৰজ্ঞাসুন্দৰী আদি। এই ৰচনাসমূহৰ জৰিয়তে বিকাশ বৰুৱাই সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি ভিন্ন দিশৰ কেৰোণসমূহক তুলি ধৰিবলৈ সক্ষম হৈছে। তেওঁৰ চটপ নামৰ গ্ৰন্থখনে সমাজ জীৱনৰ নানা দিশক সুন্দৰকৈ তুলি ধৰিবলৈ সক্ষম হৈছে। আমাৰ আলোচনাটিত বিকাশ বৰুৱাই কিদৰে তেওঁৰ চটপ গ্ৰন্থখনৰ জৰিয়তে সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক পটভূমিক ব্যংগ আকাৰে তুলি ধৰিছে সেই সম্পৰ্কে আলোচনা কৰা হ'ব। আলোচনাটোত বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হ'ব।

বীজশব্দ ঃ

ব্যংগ সাহিত্য, চটপ, সমাজ।

**০.১ অৱতৰণিকা ঃ**

সাধাৰণতে ব্যংগ সাহিত্যৰ আভিধানিক অৰ্থ হৈছে বিদ্ৰূপ। ব্যংগ সাহিত্য হৈছে এনে এক প্ৰকাৰৰ সাহিত্য যি সাহিত্যৰ জৰিয়তে সমাজ-সংস্কাৰৰ পোষকতা কৰা যায়। ব্যংগৰ ইংৰাজী প্ৰতিশব্দ হৈছে Satire। এই Satire শব্দটো আহিছে লেটিন ভাষাৰ Satura শব্দটিৰ পৰা। সাধাৰণতে সমাজত চলি থকা দুৰ্নীতি, অন্যায়-অবিচাৰ, কু-সংস্কাৰ আদিক প্ৰতিহত কৰিবলৈ ব্যংগতকৈ উৎকৃষ্ট সাহিত্য আৰু অইন একো হ'ব নোৱাৰে। মৌখিক সাহিত্যৰ সময়ৰ পৰাই হাস্য-ব্যংগৰ ধাৰা লাহে-লাহে বিকাশমুখী যাত্ৰাত অৱতীৰ্ণ হৈছিল যদিও পৰৱৰ্তী সময়তহে ই পূৰ্ণ ৰূপ লাভ কৰিবলৈ সক্ষম হয়। প্ৰকৃততে হাস্য-ব্যংগ হৈছে এটা আনটোৰ পৰিপূৰক। ব্যংগ সাহিত্যত ব্যংগৰ মাত্ৰাৰ আধিক্য থাকিলেও ইয়াত হাস্যৰসৰ গুৰুত্বও নুই কৰিব নোৱাৰি। প্ৰাক্শংকৰী যুগৰ সাহিত্য, শংকৰী যুগৰ সাহিত্য, পাঁচালী কবি আদি লোকসকলৰ ৰচনাতো হাস্যৰসৰ মাত্ৰা দেখিবলৈ পোৱা যায়। আকৌ আধুনিক অসমীয়া সাহিত্যত পোনপ্ৰথমে বুদ্ধিদীপ্ত হাস্যৰসৰ অৱতাৰণা কৰা দেখা যায়। হেমচন্দ্ৰ বৰুৱাৰ *কানীয়াৰ কীৰ্তন* নামৰ ৰচনাখনত পোনপ্ৰথমে বুদ্ধিদীপ্ত হাস্যৰসৰ অৱতাৰণা কৰা দেখিবলৈ পোৱা যায়। আকৌ ইয়াৰ পিছত লম্বোদৰ বৰাৰ *সদানন্দৰ কলাঘুমটি*তো ব্যংগ সাহিত্যৰ সোৱাদ পোৱা পৰিলক্ষিত হয়। ইয়াৰ পিছত গুণাভিৰাম বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ

গোহাঞিবৰুৱা আদি লেখকসকলৰ ৰচনাত হাস্য-ব্যংগৰ পয়োভৰ দেখিবলৈ পোৱা যায়। আকৌ ইয়াৰ পিছত শ্ৰী মধুসূদন, প্ৰেমনাৰায়ণ দত্ত, তিলক হাজৰিকা, কীৰ্তিনাথ হাজৰিকা, লীলা গগৈ, ভদ্ৰ বৰা আদি লোকসকলৰ নাম ল'ব পাৰি। সাম্প্ৰতিক সময়ত বিকাশ বৰুৱা, ভৃংগেশ্বৰ শৰ্মা, পুণ্য শইকীয়া, জ্যোতিদেৱ গোস্বামী, ভাস্কৰ খাৰঘৰীয়া, সমুদ্ৰগুপ্ত কাশ্যপ, প্ৰশান্ত ৰাজগুৰু, নাজমা মুখাৰ্জী, ৰীণা দেৱী, সৌমিত্ৰ যোগী, অৰবিন্দ ৰাজখোৱা আদি লোকসকলে ব্যংগ সাহিত্য ৰচনা কৰা পৰিলক্ষিত হৈছে।

সাম্প্ৰতিক সময় হৈছে তথ্য প্ৰযুক্তিৰ সময়। আজিৰ সমাজে তথ্য প্ৰযুক্তি অবিহনে আগবাঢ়িব নোৱাৰে। ৰাজনৈতিক সচেতনতা আগতকৈ মানুহৰ ভালেখিনি বাঢ়িছে। ৰাজনৈতিক ব্যক্তিয়ে দেশৰ কাৰণে কৰা প্ৰতিটো ভাল-বেয়া কৰ্মৰ হিচাপ আজিৰ তাৰিখত প্ৰায় সকলো সচেতন মানুহে ৰাখিবলৈ চেষ্টা কৰে। ইণ্টাৰনেটৰ প্ৰভাৱ ইমানেই বহুল হৈছে যে আজিকালি কোনো ধৰণৰ কথাই গোপন হৈ থকা নাই। ইণ্টাৰনেটৰ বহুল প্ৰভাৱে মানুহৰ মাজৰ দূৰত্ব ক্ৰমান্বয়ে কমাই আনিছে। মানুহে জনপ্ৰিয়তাৰ দৌৰত এনেদৰে পংগু হৈ গৈছে যে মানুহে ইয়াৰ খাতিৰত তললৈ নামিবলৈও কুণ্ঠাবোধ নকৰে। গতিকে সাম্প্ৰতিক সময়ত এনেবোৰ ঘটনা, দিশে মানুহৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে। এই দিশবোৰক কেন্দ্ৰ কৰিয়েই সাম্প্ৰতিক সময়ৰ ভিন্ন ব্যংগ ৰচকসকলৰ সৃষ্টিৰাজি গঢ় লৈ উঠিছে। তেনে এগৰাকী সাম্প্ৰতিক সময়ৰ উল্লেখযোগ্য ব্যংগ ৰচক হৈছে বিকাশ বৰুৱা। বিকাশ বৰুৱাই সমাজত চলি থকা ভিন্ন আঁসোৱাহসমূহক কেতিয়াবা তীব্ৰ আৰু কেতিয়াবা মৃদু ভাষাৰে সমালোচনা কৰা পৰিলক্ষিত হৈছে। সামাজিক-সাংস্কৃতিক-ৰাজনৈতিক আদি ভিন্ন আঁসোৱাহসমূহ তেওঁৰ ৰচনাৰ মাজেৰে পৰিলক্ষিত হৈছে। তেওঁ তেওঁৰ ব্যংগ লেখনিৰ মাজেৰে পাঠকৰ মনলৈ হাঁহিৰ খোৰাক যোগোৱাৰ লগতে চিন্তা কৰিবলৈও বাধ্য কৰায়। মানুহে কিদৰে নিজৰ ব্যক্তিগত স্বাৰ্থৰ বাবে বৃহৎ স্বাৰ্থকো জলাঞ্জলি দিব পাৰে তাক লেখকে সুন্দৰকৈ ফঁহিয়াই দেখুৱাবলৈ সক্ষম হৈছে। অসমৰ হাস্য-ব্যংগ ধাৰাটোক সুন্দৰকৈ আগুৱাই নিবলৈ সক্ষম হোৱা কৃপাবৰ নামেৰে পৰিচিত, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ আজোনাতি ৰূপেৰে পৰিচিত ডাঃ বিকাশ বৰুৱাইও অসমীয়া হাস্য-ব্যংগ ধাৰাটোক সুন্দৰকৈ আগুৱাই নিবলৈ সক্ষম হোৱা দেখা গৈছে। তেখেতৰ ব্যংগ গ্ৰন্থসমূহৰ ভিতৰত ধাৰাম, ধুপুচ, চটপ, গাধাৰশিলা, অন্ধ ৰজাৰ বন্ধ প্ৰদেশ, যি কম মিছা কম, শালমইনা, টু থাউজেণ্ড, শ্ৰীমতি কিং কং, অসমীয়া সাহিত্যত বিকাশ বৰুৱা আৰু ব্যংগ, সন্ধিয়াৰ ফুলকবি, ছাগলীৰ হাঁহি, নাচ অসমীয়া নাচ, প্ৰজ্ঞাসুন্দৰী আদি।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

বিকাশ বৰুৱাৰ ব্যংগ সাহিত্য চটপ ঃ এটি চমু আলোচনা শীৰ্ষক গৱেষণা পত্ৰখনিৰ মুখ্য উদ্দেশ্যই হৈছে বিকাশ বৰুৱাৰ চটপ নামৰ গ্ৰন্থখনৰ আলোচনা কৰা। এই গ্ৰন্থখনৰ জৰিয়তে কিদৰে তেওঁ ব্যংগৰ জৰিয়তে সমাজ এখনৰ কেৰোণসমূহক তুলি ধৰিছে তাক উদঙাই দিয়াটোৱেই ইয়াৰ মুখ্য উদ্দেশ্য। বিশেষকৈ সমাজত থকা বেমেজালিবোৰক লেখকে কিদৰে উলিয়াই আনিছে সেই সম্পৰ্কে আলোচনা কৰাই হৈছে গৱেষণা পত্ৰখনিৰ মূল উদ্দেশ্য।

**০.৩ অধ্যয়নৰ গুৰুত্ব ঃ**

বৰ্তমান সমাজ জীৱনত যিবোৰ দোষ-ত্ৰুটি চলি আছে সেইসমূহক পোনপটীয়াকৈ নিৰ্মূল কৰা ইমান সহজসাধ্য নহয়। গতিকে এনে কেৰোণসমূহক তুলি ধৰিবলৈ ব্যংগক এক উপযুক্ত মাধ্যম হিচাপে ধৰিব পাৰি। আমাৰ আলোচনাৰ অন্তৰ্গত বিকাশ বৰুৱাৰ ৰচনাৰ ব্যংগ সাহিত্যসমূহলৈ মন কৰিলে দেখা যায় যে তেওঁৰ ব্যংগ সাহিত্যই অসমীয়া ব্যংগ জগতখনক চহকী কৰি তুলিছে। চটপৰ জৰিয়তে তেওঁ যিদৰে সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক ব্যংগসমূহক সুন্দৰকৈ তুলি ধৰিছে সেই অৰ্থত এই গৱেষণা পত্ৰখনৰ যথেষ্ট গুৰুত্ব আছে বুলি ক'ব পাৰি।

**১.০ সামাজিক ব্যংগ ঃ**

বিকাশ বৰুৱাৰ দ্বাৰা ৰচিত এখন অন্যতম গ্ৰন্থ হৈছে *চটপ* (২০০১)। *চটপ*ৰ অন্তৰ্গত এটি অন্যতম ৰচনা হৈছে *এনেখন মৰমৰ দেশ*। এই ৰচনাখনত সামাজিক ব্যংগ কৰি কোৱা হৈছে যে কোনো এটা কামৰ সময়ত কামটো প্ৰায় অসম্ভৱ যেন লাগে আৰু যিয়ে কাম কৰে তেওঁলোকে আমাক পৰিস্কাৰকৈ বুজাই দিয়ে যে কাম কোনোপধ্যেই সম্ভৱ নহয়। কিন্তু লেফাফাৰ ভিতৰত কিবা অলপ দিলেই

কামৰ  লগতে অতিথি আপ্যায়ন কৰাও দেখা যায়। এনে লোকসকলৰ কথা উল্লেখ কৰি লেখকে এই প্ৰকৃতিৰ লোকক তীব্ৰ সমালোচনা কৰা পৰিলক্ষিত হৈছে।

চটপৰ অন্তৰ্গত অন্য এটি ৰচনা হৈছে *সুখৰ সন্ধান*। এই ৰচনাখনত সামাজিক ব্যংগৰ অন্তৰ্গত ভিন্ন দিশসমূহ অৱলোকন কৰা হৈছে। সমাজত এনে এচাম মানুহ আছে যিয়ে ভালদৰে পঢ়া-শুনা কৰি ভালদৰে চাকৰি-বাকৰি কৰি সাধাৰণভাৱে চলি আছে। কিন্তু অন্য এচামে সৰুৰ পৰাই দগাবাজ হৈ, সকলো বেয়া কামত সিদ্ধহস্ত হৈ দুৰ্নীতিৰে অগাধ সম্পত্তিৰ পাহাৰ গঢ়া পৰিলক্ষিত হয়। এনে লোকসকলে সমাজত আগস্থান লোৱাৰ চেষ্টা কৰা পৰিলক্ষিত হয়। এই লোকসকলক লেখকে তীব্ৰভাষাৰে সমালোচনা কৰিছে।

*চটপৰ* অন্তৰ্গত অন্য এখন ৰচনা হৈছে *সিদ্ধিলাভ*। *সিদ্ধিলাভ*ত দেখুওৱা হৈছে কিদৰে বঁটা-বাহন পাবলৈ মানুহে কিমান তললৈ নামিব পাৰে। আকৌ যিয়ে বঁটা প্ৰদান কৰে তাক তেল-তুল মাৰি বঁটা লোৱা কাৰ্যকো লেখকে তীব্ৰভাষাৰে গৰিহণা দিয়া পৰিলক্ষিত হৈছে।

বিকাশ বৰুৱাৰ অন্য এখন ৰচনা হৈছে *ব'লক দৰ্খাস্ত দিওঁগৈ*। এই ৰচনাখনত ভিন্ন বিভাগ সম্পৰ্কীয় কথাবোৰ ব্যক্ত কৰা হৈছে। লেখকে সমাজৰ এনে এচাম লোকৰ কথা ব্যক্ত কৰিছে যিয়ে সেৱাবিধি সংক্ৰান্তত কোনো কৰ্ম ভালকৈ সম্পাদন নকৰে। অলিয়ে-গলিয়ে নাৰ্চিং হোম খোলা, বিল বনোৱা, ইঞ্জিনিয়াৰে ঘৰ-দুৱাৰ নিৰ্মাণ নকৰি কলম আৰু কাগজতে ইয়াৰ সীমাবদ্ধ থকা, ঠিকাদাৰে পইচা হজম কৰা আদি কাৰ্যবোৰ লেখকে ব্যংগ কৰা পৰিলক্ষিত হৈছে।

বৰুৱাৰ অন্য এখন ৰচনা হৈছে *টেক ইট ইজি উৰ্বশী*। এই ৰচনাখনত সমাজকেন্দ্ৰিক নানান ব্যংগ পৰিলক্ষিত হৈছে। ৰচনাখনত দেখুৱাই দিয়া হৈছে কিদৰে মানুহে নিজৰ ব্যক্তিত্ব খৰ্ব কৰি নিজেই আনৰ ওচৰত বিক্ৰী হৈ যায়। সেয়ে লেখকে উল্লেখ কৰিছে—

যিকোনো মানুহেই যাকে তাকে কিনি ল'ব পাৰে। অলপমান পইচাতেই ডাক্তৰ, ইঞ্জিনিয়াৰ, নেতা, মন্ত্ৰী, বৰ-বৰ আমোলা, বিষয়া... চব বিক্ৰী হৈ যায়। (বৰুৱা, পৃ. ৫৩)

সমাজত কিদৰে দুৰ্নীতি বিয়পি পৰিছে সেই সম্পৰ্কেও লেখকে ব্যংগ ভাৱ পোষণ কৰিছে। এচামে কিদৰে ফাংচনৰ নামত, বিহু সন্মিলনখনৰ নামত অন্য লোকৰ টকা হৰলুকি কৰে সেইসকল লোককো লেখকে ব্যংগ কৰা পৰিলক্ষিত হৈছে। কম পইচাৰে কাম কৰি এচামে কিদৰে কোটি কোটি টকাৰ বিল বনায় সেই সম্পৰ্কতো লেখকে ব্যংগবাণ নিক্ষেপ কৰি সমাজৰ ফোপোলা স্বৰূপ উদঙাই দিছে।

*চটপ*নামৰ গ্ৰন্থখনৰ অন্য এটি ৰচনা হৈছে *চিঃ*। ইয়াত লেখকে উল্লেখ কৰিছে কিদৰে একাংশ বিষয়া কৰ্মচাৰীয়ে অনবৰতে কিবা নহয় কিবা খাবলৈ বিচাৰি থাকে। লেখকে এনে লোকক পুখুৰীৰ পানী কমি যোৱা দিনত অক্সিজেন বিচাৰি মাছবোৰে ওপৰলৈ আহি 'কাপ কাপ' কৰাৰ লগত তুলনা কৰা হৈছে।

বিকাশ বৰুৱাৰ অন্য এখন সামাজিক ব্যংগ সম্পৰ্কীয় ৰচনা *কাৰডিয়াক ষ্টন্*। আমাৰ সমাজত এনে কিছুমান মানুহ আছে য'ত অজস্ৰ সা-সম্পত্তি থাকিলেও অনবৰতে নাই-নাই বা লাখ টকা ধাৰ আছে বুলি মন্তব্য প্ৰদান কৰে। এনে এচাম মানুহৰ চৰিত্ৰৰ কথা লেখকে উদঙাই দিয়া পৰিলক্ষিত হৈছে। বিকাশ বৰুৱাৰ অন্য এখন ৰচনা হৈছে *তুমিনো নাহাঁহা কিয়?*। এই ৰচনাখনত বৰ্তমানৰ শিক্ষা ব্যৱস্থা সম্পৰ্কত তীব্ৰ ব্যংগভাৱ কৰা পৰিলক্ষিত হৈছে। শিক্ষাৰ সলনি ছাত্ৰ-ছাত্ৰীয়ে পঢ়াশালিত এখনেই কিতাপ পোৱাটো অতি হাস্যকৰ আৰু দুখলগা কথা। লেখকে সেই সময়ৰ ৰচনাৰ মাজত সামাজিক দিশটোক পুতৌ লগাকৈ ব্যংগ কৰিছে।

বিকাশ বৰুৱাৰ অন্য এখন সামাজিক ব্যংগ সম্পৰ্কীয় ৰচনা *এনেখন আমাৰ দেশ*। এই ৰচনাখনত নামটোৰ জৰিয়তেই ব্যংগ প্ৰকাশ কৰা হৈছে। আজিকালি লাইট নাযায় আহে হে বুলি লেখকে ব্যংগ প্ৰকাশ কৰা দেখিবলৈ পোৱা গৈছে। আকৌ এই লাইন মন্ত্ৰীৰ পুতেকৰ বিয়া, খোৱা বস্তুৰ গোন্ধ, কাৰোবাৰ ঘৰত বিয়া পাতিলেহে আহে বুলি লেখকে ব্যংগৰ জৰিয়তে তীব্ৰ সমালোচনা কৰা পৰিলক্ষিত হৈছে।

বিকাশ বৰুৱাৰ অন্য এখন ৰচনা হৈছে *কাঠ আলু*। ঘৰুৱা উৎপাদন সম্পৰ্কত লেখকে ইয়াত ব্যংগ কৰা পৰিলক্ষিত হৈছে। লেখকে ঘৰুৱা উৎপাদন সম্পৰ্কত ব্যংগ প্ৰকাশ কৰি উল্লেখ কৰিছে যে—

কোনোবা এটা বিভাগলৈ উন্নয়নৰ নামৰ অহা টকাখিনি ৰাস্তাই-বজাৰে, পথাৰে-সমাৰে গেলিপছি নষ্ট হ'বলৈ নিদি জেপে-তেপে ঘৰে-ঘৰে ভাগ কৰি লোৱাটোৱেই হৈছে ঘৰুৱা উৎপাদন। (বৰুৱা, পৃ. ১৬৩)

ইয়াতেই ৰাইজৰ প্ৰতি দায়িত্বৰ মনোভাৱ পোষণ নকৰি ৰাইজৰ টকা নিজৰ জেপত সুমুৱাই যি দুৰ্নীতি কৰি অহা হৈছে তাক লেখকে ব্যংগ প্ৰকাশ কৰিছে আৰু তীব্ৰ সমালোচনা কৰা পৰিলক্ষিত হৈছে।

**২.০ ৰাজনৈতিক ব্যংগ ঃ**

বিকাশ বৰুৱাৰ *চটপ* নামৰ গ্ৰন্থখনত আমি যেনেদৰে সামাজিক ব্যংগসমূহ দেখিবলৈ পাইছো ঠিক তেনেদৰে ইয়াত ৰাজনৈতিক ব্যংগসমূহো পৰিলক্ষিত হয়। *এনেখন মৰমৰ দেশত* ৰাজনৈতিক ব্যংগ দেখিবলৈ পোৱা যায়। লেখকে ৰাজনৈতিক লোকৰ কথা ব্যংগ কৰি কৈছে যে সাধাৰণ লোকে নিজৰ সৰ্বস্ব ত্যাগ কৰি হ'লেও নেতাৰ বাবে স্বৰ্গীয় সুখৰ যোগান ধৰা পৰিলক্ষিত হয়।

বিকাশ বৰুৱাৰ ৰাজনীতিমূলক অন্য এখন ৰচনা হৈছে *জয় হিন্দ*। এই ৰচনাখনত ব্যংগাত্মকভাৱেৰে উল্লেখ কৰা হৈছে যে কিদৰে গণ-প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰিবলৈ কোনো ধৰণৰ নীতি-নিয়মৰ প্ৰয়োজন নাই। শিক্ষা-দীক্ষা, জ্ঞান, বুদ্ধি, পাণ্ডিত্য, ডিগ্ৰী আদি একো বস্তুৰে প্ৰয়োজন নহয় বুলি লেখকে ৰাজনৈতিক ব্যৱস্থাটোক ব্যংগ কৰা পৰিলক্ষিত হৈছে। আকৌ সামান্য চাকৰিৰ বাবেও ইন্টাৰভিউ পাচ নকৰিলেই নহয়। এনে কাৰু-কাৰ্যক লেখকে তীব্ৰভাৱে ব্যংগ কৰা পৰিলক্ষিত হৈছে।

বিকাশ বৰুৱাৰ চটপৰ অন্তৰ্গত অন্য এখন ৰাজনৈতিকমূলক ব্যংগ ৰচনা হৈছে *ব'লক দৰ্খাস্ত দিওঁগৈ*। এই ৰচনাখনত দেখুওৱাই দিয়া হৈছে কিদৰে নিৰ্বাচনৰ সময়ত ঘন্টা ধৰি ভাষণ আৰু প্ৰতিশ্ৰুতি প্ৰদান কৰা হয় কিন্তু নিৰ্বাচন পাৰ হোৱাৰ পিছত সেইয়া ফুটুকাৰ ফেনলৈ ৰূপান্তৰিত হয়।

বিকাশ বৰুৱাৰ অন্য এখন ৰচনা হৈছে *টেক ইট ইজি উৰ্বশী*। এই ৰচনাখনত দেশত চলি থকা অসমতাৰ কথা কোৱা হৈছে। আমাৰ দেশত এনেকুৱা কিছুমান লোক আছে যিয়ে ভালদৰে খাবলৈ-পিন্ধিবলৈ নাপায় আকৌ এনে কিছুমান লোকো আছে যিয়ে হেলিকপ্টাৰ পৰ্যন্ত কিনিবলৈ কুণ্ঠাবোধ নকৰে। আকৌ ভাষণ দিবলৈ পেণ্ডেল তৰি লাখ-লাখ টকা খৰচ কৰিবলৈও কুণ্ঠাবোধ নকৰে। এনে লোকসকলক লেখকে ব্যংগ কৰা পৰিলক্ষিত হৈছে।

বিকাশ বৰুৱাই ৰচনা কৰা অন্য এখন ৰাজনৈতিক গুণসম্পন্ন ব্যংগাত্মক ৰচনা হৈছে *টিংখোপ*। এই ৰচনাখনত আগৰ দিনৰ মন্ত্ৰী বিষয়া আদিৰ লগত বৰ্তমানৰ দিনৰ মন্ত্ৰী-বিষয়াসকলক তুলনা কৰা হৈছে। আজিকালি স্বয়ং গাদীত বহা লোকেও কিদৰে সকলো কৰায়ত্ত কৰি নিজৰ অধীনলৈ আনে তাক লেখকে ব্যংগাত্মক ভাৱেৰে উল্লেখ কৰিছে।

বিকাশ বৰুৱাৰ অন্য এখন ৰচনা হৈছে *এড্‌ভান্স প্ৰেতাত্মা*। লেখকে ইয়াত উল্লেখ কৰিছে কিদৰে ভোটবেংক গঢ়িবলৈ এচামে শত্ৰু-মিত্ৰ সকলোৰে হাতে-ভৰিয়ে ধৰিবলৈ কুণ্ঠাবোধ নকৰে।

তেওঁৰ অন্য এখন ৰাজনৈতিকমূলক ব্যংগাত্মক ৰচনা হৈছে *হেপী নিউ ইয়েৰ টু লালুক সেনা*। এই ৰচনাখনত ৰাজনৈতিক ব্যক্তিৰ কিছু স্বভাৱক তীব্ৰ সমালোচনা কৰা দেখা গৈছে।

বিকাশ বৰুৱাৰ অন্য এখন ৰচনা হৈছে *চটপ*। ইংৰাজে আমাক এটা সময়ত শাসন কৰিছিল। সেই ইংৰাজ এতিয়া গ'ল যদিও লেখকে উল্লেখ কৰিছে কিদৰে নিজৰ দেশৰ লোকৰ চাবুকৰ কোব খোৱাতকৈ বিদেশী লোকৰ চাবুক খোৱাই ভাল। লেখকে উল্লেখ কৰিছে কিদৰে নিৰ্বাচন আহিলে ৰাজনৈতিক লোকসকলে সাধাৰণ জনতাক প্ৰতিশ্ৰুতি দি পিঠিত চাবুকেৰে কোবায়। তাতকৈ বিদেশী লোকে কোবোৱায় ভাল বুলি কৈ লেখকে ব্যংগ প্ৰকাশ কৰিছে।

**৩.০ সাংস্কৃতিক ব্যংগ ঃ**

বিকাশ বৰুৱাৰ *চটপ* নামৰ গ্ৰন্থখনত সাংস্কৃতিক ব্যংগ দেখিবলৈ পোৱা যায়। তেওঁৰ ৰচনা *এনেখন মৰমৰ দেশত* সাংস্কৃতিক ব্যংগ দেখিবলৈ পোৱা যায়। লেখকে ইয়াত উল্লেখ কৰিছে যে ইয়াৰ মানুহবোৰে বাৰটা মাহত তেৰটামানকৈ ডাঙৰ-ডাঙৰ উৎসৱ পালন কৰে। ঘৰত যদি কেতিয়াবা খাবও নাপায় তেতিয়াও নিজৰ ফুৰ্তিটো ঠিকেই ৰখা পৰিলক্ষিত হয়। এনে লোকসকলক লেখকে ব্যংগ কৰা পৰিলক্ষিত হৈছে। আকৌ পূজা-অৰ্চনাত লাখ-লাখ, কোটি-কোটি টকা ব্যয় কৰা কথাও তেওঁ উল্লেখ কৰা পৰিলক্ষিত হৈছে। আকৌ ভোগালী বিহুৰ নামত চোৰ কৰাৰ নামত আনৰ বস্তু খান্দি-উঘালি নষ্ট কৰি থৈ যোৱা দিশটোক তেওঁ সমালোচনা কৰা পৰিলক্ষিত হয়।

বিকাশ বৰুৱাৰ সাংস্কৃতিক গুণসম্পন্ন অন্য এখন ৰচনা হৈছে *মাজনিশাৰ সপোন*। বিহুৰ নামত কিদৰে ব'হাগ পাৰ হৈ জেঠ পায়গৈ আৰু কেতিয়াবা শাওনলৈ বিহু অনুষ্ঠান পাতি থাকে সেই সম্পৰ্কে লেখকে ব্যংগ প্ৰকাশ কৰা

পৰিলক্ষিত হৈছে। কিছুমানে প্ৰি-বিহু উদ্‌যাপন কৰি মুঠ চাৰিমাহমান বিহু পাতোতে বিহুৰ মৰ্যাদা কিদৰে হ্ৰাস পায় সেই সম্পৰ্কে ব্যংগ কৰা পৰিলক্ষিত হৈছে। আকৌ কিছুমানে বিহু মানেই কেৱল চান্দাকহে বুজা পৰিলক্ষিত হয়। আকৌ কিছুমানে ৰেডিমেড পিঠাৰে বিহু উদ্‌যাপন কৰা দেখিবলৈ পোৱা যায়।

**৪.০ সামৰণি ঃ**

আধুনিক অসমীয়া ব্যংগ সাহিত্য আৰু সাম্প্ৰতিক অসমীয়া ব্যংগ সাহিত্যৰ অন্যতম হোতাস্বৰূপ বিকাশ বৰুৱাই তেওঁৰ ৰচনাসমূহৰ যোগেদি সমাজৰ ভিন্ন আঁসোৱাহসমূহ দূৰ কৰিছে। এই আঁসোৱাহসমূহৰ ভিতৰত সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আদিয়েই প্ৰধান। বৰুৱাই তেওঁৰ ব্যংগ ৰচনাসমূহৰ যোগেদি কেতিয়াবা মৃদু আৰু কেতিয়াবা তীব্ৰভাৱে আক্ৰমণ কৰা পৰিলক্ষিত হৈছে। সামাজিক আঁসোৱাহ, ৰাজনৈতিক সংকট, সাংস্কৃতিক দুৰৱস্থা তেওঁ ব্যংগসমূহৰ মাজেৰে তুলি ধৰা পৰিলক্ষিত হৈছে। তেওঁৰ চটপ নামৰ ব্যংগ গ্ৰন্থখনেও সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক ব্যংগক তুলি ধৰিবলৈ সক্ষম হৈছে। অন্য এক অৰ্থত সাম্প্ৰতিক সময়ৰ এক উল্লেখযোগ্য ব্যংগ ৰচক হিচাপে বিকাশ বৰুৱাৰ অৱিহণাক নুই কৰিব নোৱাৰি। ❑

**গ্ৰন্থপঞ্জী ঃ**

বৰুৱা, বিকাশ, চটপ, প্ৰথম প্ৰকাশ, গুৱাহাটী, বনলতা, ২০০১, মুদ্ৰিত।
বৰুৱা, দিপ্তী, দত্ত, ৰন্টু, অসমীয়া হাস্য-ব্যংগ সাহিত্যৰ ৰূপৰেখা, প্ৰথম প্ৰকাশ, গুৱাহাটী, পূৰ্বাঞ্চল প্ৰকাশ, ২০২৪, মুদ্ৰিত।
বৰা, ভদ্ৰ, কলিতা, দাসো, তেৰটা দশকৰ অসমীয়া ৰম্য ৰচনা, প্ৰথম প্ৰকাশ, অসম সাহিত্য সভা, ২০১৭, মুদ্ৰিত।
হাজৰিকা, নিৰঞ্জন, ব্যঙ্গ আৰু ব্যঙ্গ, প্ৰথম প্ৰকাশ, বনলতা, ২০১১, মুদ্ৰিত।

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945

Peer Reviewed Journal
[UGC-CARE Listed]

# ধ্ৰুৱজ্যোতি বৰাৰ উপন্যাস ‘আজাৰ’ৰ ইতিহাসনির্ভৰতা



**সমীৰ শংকৰ দত্ত**
গৱেষক, অসমীয়া বিভাগ
কটন বিশ্ববিদ্যালয়, গুৱাহাটী-০১
৮২৫৩৯৪৭৪৪৯
sameershankard@gmail.com



**ড° কল্পনা শৰ্মা কলিতা**
অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক
অসমীয়া বিভাগ, কটন বিশ্ববিদ্যালয়
গুৱাহাটী-০১
৭৫৭৮৯৩৯৮৯০
kalpana.sarma2@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

অসমীয়া উপন্যাস সাহিত্যত ধ্ৰুৱজ্যোতি বৰা এটা উল্লেখযোগ্য নাম। বলিষ্ঠ কথনভংগী, স্বকীয় কাহিনীকথনৰ শৈলী, প্ৰখৰ ইতিহাসচেতনা আৰু ইয়াৰ সম্পৰীক্ষাত্মক প্ৰয়োগেৰে তেওঁ কেইবাখনো সাৰ্থক অসমীয়া উপন্যাস ৰচনা কৰিছে। সংখ্যাৰ লেখেৰে বৰাৰ উপন্যাসৰ সংখ্যা ২৭ খন। যোৱা শতিকাৰ আশীৰ দশকৰ পৰা উপন্যাস লিখিবলৈ আৰম্ভ কৰা বৰাই বৰ্তমানেও সক্ৰিয়ভাৱে উপন্যাস ৰচনা কৰি আছে। বিভিন্ন বিষয়ৰ উপন্যাস ৰচনা কৰিলেও এই কথা সহজেই অনুমেয় যে ধ্ৰুৱজ্যোতি বৰাৰ প্ৰিয় বিষয় হৈছে অসমৰ সামাজিক-ৰাজনৈতিক ইতিহাস। *সহস্ৰ হেমন্তৰ তৃষাগ্নি, দধিচীৰ অস্থি* আৰু *কৰ্ণ*ৰ বাহিৰে আন গোটেইকেইখন উপন্যাসৰেই পটভূমি অসমৰ ইতিহাস। ধ্ৰুৱজ্যোতি বৰাৰ উপন্যাসত ইতিহাসে প্ৰাণ পাই উঠে সৰ্বসাধাৰণ মানুহৰ জীৱদ্দশাৰ বৰ্ণনাৰে। *কৰ্ণ* উপন্যাসখন এটা মহাকাব্যিক চৰিত্ৰৰ কাল্পনিক পুনৰ নিৰ্মাণ হোৱাৰ বিপৰীতে তেওঁৰ আন সকলোবোৰ উপন্যাস ইতিহাসআশ্ৰিত। ইয়াৰ ভিতৰত বিজু বাউৰী (বৈষ্ণৱ)ৰ জীৱন আধাৰিত *স্বৰ্গাদপি* আৰু ফ্ৰান্সৰ নাৰীবাদী লেখিকা ক্ল’ৰা ক্ৰিষ্টানৰ জীৱন আধাৰিত উপন্যাস *সহস্ৰ হেমন্তৰ তৃষাগ্নি* দুটা ঐতিহাসিক চৰিত্ৰক লৈ ৰচিত হৈছে আৰু আন উপন্যাসসমূহত ইতিহাসে মাথোঁ পৃষ্ঠভূমি তৈয়াৰ কৰি দিছে আৰু এই পৃষ্ঠভূমিতে সমাজৰ সৰ্বসাধাৰণ লোকৰ প্ৰতিনিধিমূলক চৰিত্ৰৰ ক্ৰিয়া প্ৰতিক্ৰিয়াৰে ঔপন্যাসিকে কাহিনীসমূহ বৰ্ণনা কৰিছে।

এই গৱেষণা পত্ৰখনি ধ্ৰুৱজ্যোতি বৰাৰ দ্বাৰা ৰচিত আৰু একবিংশ শতিকাৰ অসমীয়া উপন্যাস সাহিত্যৰ এখন অন্যতম লেখত ল’বলগীয়া উপন্যাস *আজাৰ*ৰ কথাবস্তুৰ ইতিহাসনিৰ্ভৰতাৰ বিষয়তো বিশ্লেষণাত্মক দৃষ্টিভংগীৰে প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰাৰ উদ্দেশ্যে নিৰ্বাচন কৰা হৈছে।

**বীজ শব্দ ঃ**

ইতিহাস, মহামাৰী, উপন্যাস, ইতিহাসআশ্ৰিত, মোৱামৰীয়া বিদ্ৰোহ, আকাল, আজাৰ, মান।

**প্ৰস্তাৱনা ঃ**

**অধ্যয়নৰ বিষয়বস্তু আৰু পৰিসৰ ঃ**

একবিংশ শতিকাৰ বৰ্তমানলৈ ৰচিত উপন্যাসসমূহৰ ভিতৰত *আজাৰ* এখন লেখত ল’বলগীয়া উপন্যাস। উপন্যাসত বৰ্ণিত কাহিনী, ওঠৰ শতিকাৰ মাজভাগৰ পৰা বিংশ শতিকাৰ মাজভাগলৈকে অসম ইতিহাসত ঘটিত ঘটনাৰাজিৰ সমান্তৰালকৈ বৰ্ণিত হৈছে। উপন্যাসৰ কাহিনীয়ে মূলত তিনিটা প্ৰজন্মক সামৰি লৈছে যদিও কাহিনীৰ এটা মূল চৰিত্ৰ বুঢ়াদেউতাৰ অতীত স্মৰণৰ মাজেৰে তেওঁলোকৰ পৰিয়ালকেন্দ্ৰিক কিংবদন্তীৰ নায়ক ঘিনাই ডকাইতৰ চৰিত্ৰ আৰু কাহিনীৰ বৰ্ণনাই উপন্যাসখনৰ কাহিনী পাঁচটা প্ৰজন্মলৈ সম্প্ৰসাৰিত কৰিছে। ইতিহাসৰ চিত্ৰণ ধ্ৰুৱজ্যোতি বৰাৰ উপন্যাসৰ

এটা অন্যতম বৈশিষ্ট্য। *আজাৰ* উপন্যাসতো ইতিহাস চিত্ৰিত হৈছে, কিন্তু পোনপটীয়াকৈ এই উপন্যাসখনক ঐতিহাসিক উপন্যাস আখ্যা দিব পৰা নাযায়। এই কথা ঔপন্যাসিকে নিজেই স্বীকাৰ কৰিছে। তেওঁৰ ভাষাৰেই জেৰ টানি ক'ব পাৰি, কাল্পনিক চৰিত্ৰৰ সহায়েৰে এই উপন্যাসখনত মাথো এছোৱা সময়ক তুলি ধৰা হৈছে। সেই সময়ত সংঘটিত কিছুমান সঁচা ঘটনা যেনে মোৱামৰীয়া বিদ্ৰোহ, বাৰে বাৰে হোৱা কলাজ্বৰ মহামাৰী আৰু মানুহৰ জীৱনত ইয়াৰ প্ৰভাৱ, দ্বিতীয় বিশ্বযুদ্ধ, আকাল, আধুনিক চিকিৎসা বিজ্ঞান, ভাৰতবৰ্ষৰ স্বাধীনতা লাভ আৰু দেশ বিভাজন আদি এই উপন্যাসখনৰ প্ৰেক্ষাপট আৰু পটভূমি। আমাৰ গৱেষণা পত্ৰত এই উপন্যাসত বৰ্ণিত ঘটনাৰাজিৰ ইতিহাসনিৰ্ভৰতাৰ বিষয়লৈ দৃষ্টিপাত কৰা হ'ব।

**অধ্যয়নৰ গুৰুত্ব ঃ**

উপন্যাস সাহিত্যৰ এটা অতি জনপ্ৰিয় আৰু গুৰুত্বপূৰ্ণ অংগ। উপন্যাসৰ আয়তন গল্প বা কবিতাতকৈ বেছি বাবেই কল্পনাশ্ৰয়ী সাহিত্য (fiction) ৰ ভিতৰত উপন্যাসতেই ইতিহাস আৰু সমাজ আটাইতকৈ বেছিকৈ খুটি-নাটি সহ প্ৰতিফলিত হয়। একবিংশ শতিকাৰ অসমীয়া ঔপন্যাসিকসকলৰ মাজত ধ্ৰুৱজ্যোতি বৰা এজন নাম ল'বলগীয়া ঔপন্যাসিক। *কথা ৰত্নাকৰ, কালান্তৰৰ গদ্য, অৰ্থ, লোহা, যান্ত্ৰিক, বৰ্ণবোধ, আৰণ্যক, স্বৰ্গাদপি, ছেলফি, ভোক, সহস্ৰ হেমন্তৰ তৃযাগ্নি, টোপনিত খোজকঢ়া মানুহৰ সপোন* আদি উপন্যাসৰ স্ৰষ্টা ধ্ৰুৱজ্যোতি বৰাৰ উপন্যাসত অসমৰ সমাজ ইতিহাসৰ কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়ে ঠাই পাইছে। এইজন ঔপন্যাসিকৰে *আজাৰ* , অসমৰ ওপৰেদি বাগৰি যোৱা জটিল সময় এছোৱাত সৰ্বসাধাৰণ জনতাৰ জীৱনৰ উত্থান-পতনৰ সাৰ্থক চিত্ৰায়ণ কৰিছে। এক কথাত ক'ব পাৰি *আজাৰ* সৰ্বসাধাৰণ মানুহৰ ইতিহাস। সেয়ে ইয়াত কোনো ঐতিহাসিক চৰিত্ৰ নাথাকিলেও প্ৰত্যেকটো চৰিত্ৰই ইতিহাসৰ সেই সময়ছোৱাৰ সৰ্বসাধাৰণ নামহীন মানুহৰ প্ৰতিনিধি হৈ ধৰা দিছে। *আজাৰ* উপন্যাসখনৰ ইতিহাসনিৰ্ভৰতাৰ অধ্যয়নে সমাজ ইতিহাসৰ বিভিন্ন দিশত আলোকপাত কৰাৰ সম্ভাৱনীয়তাত এই বিষয়টিৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা উপলব্ধি কৰা হৈছে।

**অধ্যয়নৰ উদ্দেশ্য ঃ**

*ধ্ৰুৱজ্যোতি বৰাৰ উপন্যাস 'আজাৰ'ৰ ইতিহাসনিৰ্ভৰতা* শীৰ্ষক পত্ৰখনৰ মুখ্য উদ্দেশ্য হৈছে *আজাৰ* উপন্যাসৰ কথাবস্তুৰ ধাৰণাৰে এক বিশ্লেষণাত্মক অধ্যয়ন কৰা। লগতে উপন্যাসখনত প্ৰতিফলিত ইতিহাস আৰু উপন্যাসৰ কথাবস্তুৰ আন্তঃসম্পৰ্কক চালি-জাৰি চোৱা।

**পদ্ধতি ঃ**

*ধ্ৰুৱজ্যোতি বৰাৰ উপন্যাস 'আজাৰ'ৰ ইতিহাসনিৰ্ভৰতা* শীৰ্ষক পত্ৰত বৰ্ণনামূলক আৰু বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰা হ'ব।

**_আজাৰ_ ৰ ইতিহাসনিৰ্ভৰতা আৰু কাহিনীত ইতিহাসৰ প্ৰতিফলন ঃ**

"আজাৰ ঐতিহাসিক উপন্যাস নহয়। ই বাস্তৱৰ পৰিপ্ৰেক্ষিতত সম্পূৰ্ণ এক কাল্পনিক লিখনি। অসমত হোৱা ক'লাজ্বৰ মহামাৰী যিহেতু এটা বিশেষ কালৰ ঐতিহাসিক ঘটনা, গতিকে সেই অৰ্থত ই সময় আৰু ইতিহাসক প্ৰতিফলিত কৰিছে" (দত্ত, আজাৰ, পৃ. ৬৬৯)।*আজাৰ* ঐতিহাসিক উপন্যাসৰ শাৰীত নপৰে। উপন্যাসখনত কোনো ঐতিহাসিক চৰিত্ৰই প্ৰত্যক্ষ ৰূপত নাই। ঐতিহাসিক কেতবোৰ ঘটনাই উপন্যাসখনৰ পটভূমি আৰু প্ৰেক্ষাপটহে গঢ়ি দিছে মাথোন। কিন্তু আজাৰৰ প্ৰত্যেকটো চৰিত্ৰই সেই সময়চোৱাৰ প্ৰতিনিধিত্বমূলক চৰিত্ৰ। *আজাৰ* কোনো ঐতিহাসিক চৰিত্ৰৰ ওপৰত নিৰ্ভৰশীল নহয়, এককথাত ক'ব পাৰি *আজাৰ*, সমাজৰ সাধাৰণ মানুহশ্ৰেণীৰ কাল্পনিক ইতিহাস। কল্পনাশ্ৰয়ী উপন্যাস হ'লেও আজাৰে ইয়াৰ কথাবস্তুক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ইতিহাসৰ ওপৰত নিৰ্ভৰশীল। এই উপন্যাসত ইতিহাসৰ পটভূমিত ঔপন্যাসিকে সাধাৰণ মানুহৰ জীৱনৰ উত্থান-পতন, সংঘৰ্ষ, ক্ষমতাৰ অৰিয়াঅৰি, নতুন পৰিস্থিতিৰ প্ৰতি প্ৰতিক্ৰিয়া, মানৱীয় সম্পৰ্কৰ জটিলতা, সাংস্কৃতিক আৰু সামাজিক পৰিৱৰ্তনক উপন্যাসখনৰ নেৰেটিভ হিচাপে নিৰ্মাণ কৰিছে। আজাৰৰ আটাইতকৈ মনকৰিবলগীয়া বৈশিষ্ট্য হৈছে যে ঔপন্যাসিকে ইয়াত বিচাৰক বা নৈতিকতাৰ দ্বাৰপালৰ ভূমিকাত অৱতীৰ্ণ নোহোৱাকৈয়ে পৰম্পৰাগত ইতিহাসত উপেক্ষিত হৈ থকা নিম্নবৰ্গৰ দুখ-দুৰ্দশা আৰু জীৱনসংঘৰ্ষৰ চিত্ৰায়ণ কৰা হৈছে। ধ্ৰুৱজ্যোতি বৰাৰ উপন্যাসৰ এইটো এটা অন্যতম বৈশিষ্ট্য। *স্বৰ্গাদপি* আৰু *সহস্ৰ হেমন্তৰ তৃযাগ্নি*ৰ বাহিৰে গোটেইকেইখন উপন্যাসতে মূল ভূমিকাত এই সৰ্বসাধাৰণ লোকসকলৰ জীৱনকেই তেওঁ অৱতীৰ্ণ কৰাইছে। উল্লেখযোগ্য যে *স্বৰ্গাদপি* স্বাধীনতা যুঁজাৰু 'বিজু বাউৰী'ৰ জীৱন আধাৰিত আৰু *সহস্ৰ হেমন্তৰ তৃযাগ্নি* হৈছে ফ্ৰান্সৰ শ্ৰমিক আন্দোলনৰ নেত্ৰী, লেখিকা ফ্ল'ৰা ত্ৰিষ্টানৰ জীৱন কাহিনীৰ ভেটিত সৃষ্ট উপন্যাস। দুটা ঐতিহাসিক

চৰিত্ৰৰ জীৱনক লৈ ৰচিত উপন্যাস যদিও এই দুখন উপন্যাসৰ কাহিনীটো সৰ্বসাধাৰণৰ জীৱন সংঘৰ্ষ চিত্ৰিত হৈছে। অকলশৰীয়া মানুহৰ বা মানুহৰ সামাজিক কাম-কাজে ইতিহাসক যি গতি দিয়ে তেওঁ সেই গতিকেই ঐতিহাসিক পটভূমিত কাল্পনিক চৰিত্ৰৰ দ্বাৰাই কাৰ্যকলাপৰ মাজেৰে উপন্যাসত ফুটাই তোলে। 'ইতিহাস' ধ্ৰুৱজ্যোতি বৰাৰ উপন্যাসৰ এৰাব নোৱাৰা অনুষংগ। যি তেওঁৰ উপন্যাস *লোহা, আৰণ্যক, কথা ৰত্নাকৰ, চীনাযুদ্ধৰ মালিতা, কালান্তৰৰ গদ্য, অৰ্থ, তেজৰ আন্ধাৰ, টোপনিত খোজকঢ়া মানুহৰ সপোন, আজাৰ* আদি সকলোতেই পৰিস্ফুট হৈছে। *আজাৰ* ৰ কাহিনীয়ে প্ৰায় ডেৰশটা বছৰ সামৰি লৈছে। তিনিটা প্ৰজন্মৰ কাহিনীৰে ৰচিত ছশ (৬০০) পৃষ্ঠাতকৈও অধিক কলেৱৰৰ *আজাৰে* ইতিহাসৰ মূল তিনিটা প্ৰসংগ চুইছে। মোৱামৰীয়া বিদ্ৰোহৰ শেষভাগ, প্ৰাক্ স্বাধীনতা কালৰ আকাল আৰু মহামাৰী, আৰু ভাৰতৰ স্বাধীনতা লাভ। ইয়াৰ বাহিৰেও এই কালছোৱাৰ সমাজ সংস্কৃতিত ক্ৰিয়া কৰি থকা নানা সাংস্কৃতিক উপাদান, ক্ষমতাকেন্দ্ৰিক বিভিন্ন সামাজিক ব্যৱস্থা, ধৰ্ম আৰু ৰাজনীতিৰ কেতবোৰ বিষয়, সামাজিক আচাৰ-কুসংস্কাৰ, চিকিৎসা বিজ্ঞানৰ বিশেষকৈ কলাজ্বৰ মহামাৰী বিষয়ক নানা চিন্তা-চৰ্চা, গৱেষণা আৰু এই মহামাৰী ৰোধ কৰিবলৈ লোৱা নানা পদক্ষেপৰ উল্লেখেও উপন্যাসখনৰ ইতিহাসনিৰ্ভৰতা স্পষ্ট কৰি তুলিছে। *আজাৰ* ত পোনপটীয়াকৈ কোনো ঐতিহাসিক কাহিনী বা চৰিত্ৰৰ বৰ্ণনা নাই যদিও গোটেই উপন্যাসখনেই ইতিহাসৰ দ্বাৰা প্ৰভাৱিত হৈছে।

**মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ অসম আক্ৰমণৰ পটভূমিত *আজাৰ* ৰ কথাবস্তু ঃ**

অসম ইতিহাসৰ এচোৱা গুৰুত্বপূৰ্ণ আৰু ঘটনাবহুল সময় হৈছে মোৱামৰীয়া বিদ্ৰোহৰ সময়খিনি। ১৭৬৯ চনৰ পৰা ১৮০৫ মানলৈকে এৰা ধৰাকৈ চলা এই বিদ্ৰোহে সুদীৰ্ঘ আহোম ৰাজত্বৰ ভেটি থৰক বৰক কৰি পেলাইছিল। আপাত দৃষ্টিত এই বিদ্ৰোহ মায়ামৰা সত্ৰৰ মৰাণ শিচসকল আৰু আহোম ৰাজন্যবৰ্গৰ মাজত হোৱা সংঘৰ্ষ যেন লাগিলেও এই বিদ্ৰোহত মাথো মৰাণ, মটকসকলেই নহয় সেইসময়ৰ আহোম ৰাজ্যৰ অন্তৰ্গত প্ৰায় সকলো জাতি জনজাতিৰ লোকেই অংশগ্ৰহণ কৰিছিল, আনকি স্বৰ্গদেউ ৰুদ্ৰসিংহৰ পুত্ৰ মোহনমালা কোঁৱৰক নেতা সাজি যুদ্ধ কৰিবলৈ যোৱা দ্ৰোহীয়াসকলৰ মাজত আহোম প্ৰজাও আছিল। মোৱামৰীয়া বিদ্ৰোহত হোৱা এই ব্যাপক অংশগ্ৰহণে ইয়াক সাধাৰণ কৃষক, নিগৃহীত প্ৰজাৰ বিদ্ৰোহলৈ ৰূপান্তৰিত কৰি তুলিলে। এই বিদ্ৰোহে অসমৰ ৰাজনৈতিক চিত্ৰপটৰ দ্ৰুত সালসলনি ঘটোৱাৰ লগতে সাধাৰণ জনজীৱনলৈও ব্যাপক পৰিৱৰ্তন লৈ আনে। এই বিদ্ৰোহৰ পৰিপ্ৰেক্ষিতত সাধাৰণ জনতাৰ জীৱনলৈ নামি আহিছিল অভাৱ, অনিশ্চয়তা, মৃত্যুভয়। বিদ্ৰোহত অংশগ্ৰহণ কৰা অথবা নকৰা সকলো লোকেই এই বিদ্ৰোহৰ দ্বাৰা প্ৰভাৱিত হৈছিল। ধ্ৰুৱজ্যোতি বৰাই সাহিত্যিক জীৱনৰ আৰম্ভণিৰ পৰাই ইতিহাস চৰ্চাক গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছিল। ১৯৮৩ চনতে তেওঁৰ মোৱামৰীয়া গণ অভ্যুত্থান, অসমৰ সমাজ বিকাশৰ ইতিহাস নামেৰে দুটা খণ্ডৰ এখন কিতাপ প্ৰকাশ পাইছিল। তদুপৰি তেওঁৰ বিখ্যাত উপন্যাস *লোহা* ত মোৱামৰীয়া বিদ্ৰোহৰ উল্লেখ আছে। শেহতীয়াভাৱে ১৯২২ চনত তেওঁৰ *কৃষক বিদ্ৰোহী সৈনিক ৰাজন* নামৰ এইবিষয়ক এখন বৃহৎ কলেৱৰৰ কিতাপ প্ৰকাশ পাইছে। এই কথা স্পষ্ট যে ঔপন্যাসিক গৰাকী আহোম ইতিহাসৰ এই সময়চোৱাৰ প্ৰতি অতি আগ্ৰহী। ধ্ৰুৱজ্যোতি বৰাই বিশ্বাস কৰে যে "ইতিহাস সৃষ্টি কৰে জনগণে। জনগণেই হ'ল ইতিহাসৰ মূল চালিকাশক্তি" (মোৱামৰীয়া গণ অভ্যুত্থান পৃ.১)।

এই ধাৰণাৰে পুষ্ট হৈয়েই তেওঁ উপন্যাসসমূহ ৰচনা কৰিছে। *আজাৰ* ও তাৰ ব্যতিক্ৰম নহয়। *আজাৰ* ত চৰিত্ৰসমূহ পোনপটীয়াকৈ এই বিদ্ৰোহৰ অংশ হৈ পৰা নাই তথাপি তেওঁলোকৰ জীৱনৰ দিক্‌নিৰ্ণয় বহুলাংশে এই বিদ্ৰোহ সৃষ্ট পৰিবেশ আৰু পৰিস্থিতিয়েই। ঔপন্যাসিকৰ ভাষাতেই ক'ব পাৰি— "এইবোৰ আমাৰ যুঁজ বাগৰ নহয়।..........আমি সিহঁতৰ লগত থাকিম আৰু নাথাকোঁও, লগে ভাগে যাম আৰু নাযাওঁ" (আজাৰ, পৃ. ১১০)।

উপন্যাসখনৰ পঞ্চম অধ্যায়ত ইয়াৰ অন্যতম মুখ্য চৰিত্ৰ ঘিনাইৰ আবিৰ্ভাৱ মনকৰিবলগীয়া— ঘিনাইৰ যিদিনা জন্ম হৈছিল "সেইদিনা বোলে ৰাজধানী ৰংপুৰত মোৱামৰীয়া বিদ্ৰোহী প্ৰজাবোৰে লক্ষ্মীসিংহক পাটৰ পৰা আঁতৰ কৰিছিল" (আজাৰ, পৃ. ৫৪)। অৰ্থাৎ ঘিনাইৰ জন্মলগ্নৰ দৈবতে ইতিহাসৰ এচোৱা সময় কাকতালীয়ভাৱে সংযোজিত হৈ পৰিছে। যেনেকৈ ছলমান ৰুশ্বদীৰ Midnight's Children ত। "I was born in Doctor Narlikar's Nursing Home on August 15th, 1947. And the time? ....." (Midnight's Children, p.1). ভাৰতে স্বাধীনতা লাভ কৰা বিশেষ দিনটোতে আৰু ইয়েই উপন্যাসখনৰ চলিম চিনাইৰ জীৱনলৈ এক বিশেষত্ব আনি দিয়ে। ঠিক তেনেকৈয়ে অসম ইতিহাসৰ মোৱামৰীয়া

বিদ্ৰোহৰ এই গুৰুত্বপূৰ্ণ দিনটোতে জন্ম হোৱা ঘিনাইৰ মাজেৰে ঔপন্যাসিকে এই সময়চোৱা চিত্ৰায়ণ কৰিব বিচাৰিছে যে সেয়া স্পষ্ট হৈ পৰিছে।

*আজাৰ* ত তথ্যৰ পয়োভৰেৰে ইতিহাস ৰচনা কৰাৰ প্ৰচেষ্টা নাই বৰং সৰ্বসাধাৰণ মানুহৰ ইতিহাসে ঢুকি নোপোৱা জীৱনৰ বৰ্ণনাৰে ঔপন্যাসিকে উপন্যাসখনৰ কথাবস্তু সজাইছে। তেওঁৰ সাহিত্যিক দৰ্শনৰে তেওঁ এই সৰ্বসাধাৰণকেই মুখ্য ভূমিকাত অৱতীৰ্ণ কৰাইছে আৰু ইতিহাস আৰু পাঠৰ মাজত এটা সুসন্তুলন বজাই ৰাখি দুয়োটাকে সম্পৰ্কিত কৰিছে। উপন্যাসৰ পাতত এইদৰেই তেওঁ ইতিহাসত 'নীৰৱ আৰু Passive দৰ্শক'ৰ ভূমিকাত থকা সাধাৰণ মানুহক 'সৰৱ আৰু Active participant'ৰ ভূমিকাত অৱতীৰ্ণ কৰাইছে। বদলি হৈ থকা পৰিবেশ পৰিস্থিতিৰ উমান দিবলৈ আৰু এই বদলিয়ে প্ৰভাৱিত কৰা সৰ্বসাধাৰণৰ জীৱনৰ গতিক চিত্ৰায়িত কৰিবলৈ *আজাৰ* ত কথোপকথনৰ মাজেৰে বা কেতিয়াবা বৰ্ণনাৰে তথ্য দিয়া হৈছে। উদাহৰণস্বৰূপে, "মৰিল সেই অসুৰটো মৰিল।....বৰ আই গোসাঁনীয়ে তাক নিলে। প্ৰথম আই গোসাঁনীয়ে নিলে জীয়েকজনীক তাৰ পাছত বাপেকক" (আজাৰ, পৃ. ৫৬)। "ঘিনাইৰ চৈধ্য বছৰ হৈছে, দেশৰ প্ৰজাহঁতৰ এবাহে আকৌ ৰজা মাৰিবলৈ দা দাঙিলে" (আজাৰ, পৃ. ৭২)। "সিহঁতে গড়গাঁও নগৰ মাৰি আহি ৰাজধানী ৰংপুৰো মাৰিলেহি। কিন্তু সিহঁতে ৰজাটোক মাৰিব নোৱাৰিলে।...দ্ৰোহীয়াহঁতক ৰজাঘৰে বেয়াকৈ হৰুৱালে অ', সোপাকে নগৰৰ পৰা খেদিলে, সোপাই গাঁৱলৈ পলাল, ঘৰে ঘৰে ভাগিল আৰু ৰজাই এতিয়া বোলে হুলিয়া জাৰি কৰিছে বোলে দ্ৰোহীয়াহঁতক সেয়ে য'তে পায় ধৰি সপুত্ৰ-বান্ধৱে মাৰিব" (আজাৰ, পৃ. ৭৩)। এইধৰণৰ উল্লেখসমূহৰ বাহিৰেও বিদ্ৰোহ দমন কৰিবলৈ মগলু ঘৌৰাচোৱাৰী (মণিপুৰী সৈন্য)ৰ সহায় লোৱা, বিদ্ৰোহৰ শেষত দেৰগাঁৱত বিদ্ৰোহীৰ দ্বাৰা নিজৰ মানুহৰেই অনিষ্ট সাধন, গাঁও উচন আদিৰ উল্লেখ আছে। তদুপৰি বুৰঞ্জীত সামান্য মাত্ৰ উল্লেখ থকা নঙঠা নামৰ বৈৰাগী এটাক ঔপন্যাসিকে আকৰ্ষণীয় চৰিত্ৰলৈ ৰূপান্তৰিত কৰিছে যি এদল টোকন লোৱা বৰতীয়াক লগত লৈ গাঁৱে গাঁৱে মানুহ মাৰি ফুৰিছিল। এই চৰিত্ৰটো এক অৰাজক পৰিৱেশত অৱধাৰিতভাৱে জন্ম পোৱা সশস্ত্ৰ ধৰ্মীয় নেতাৰ স্বয়ম্ভু চৰ্দাৰৰে প্ৰতিনিধিস্বৰূপ। ইতিহাসত একপ্ৰকাৰ উহ্য হৈ থকা এনেবোৰ চৰিত্ৰ উপন্যাসত প্ৰাণৱন্ত হৈ উঠে। এইক্ষেত্ৰত নতুন ইতিহাসবাদী চিন্তাধাৰাৰে প্ৰতিফলন ঘটে আৰু উপন্যাসৰ পাঠেও ইতিহাসৰ তথ্য দিব পৰাকৈ, ইতিহাসৰ পুনৰ্নিৰ্মাণ কৰিব পৰাকৈ শক্তিশালী হৈ উঠে। অৰ্থাৎ খণ্ডিত ইতিহাসৰ মাজৰ সুৰুঙাবোৰ মৰাৰ সুবিধাকণ উলিয়াই দিয়ে আৰু সেয়েই আন ঐতিহাসিক উৎস আৰু সমলৰ সমমৰ্যাদা লাভ কৰে।

মোৱামৰীয়া বিদ্ৰোহৰ পাছতে মানৰ অসম আক্ৰমণৰ বিষয়েও উপন্যাসখনত সামান্য উল্লেখ আছে। অস্থিৰ ৰাজনৈতিক পৰিৱেশত অসমত ক্ষমতাৰ অৰিয়াঅৰিত মানসকলে বদন বৰফুকনৰ আমন্ত্ৰণত প্ৰথমবাৰ অসম আক্ৰমণ কৰে। এই আক্ৰমণে জনজীৱনত আন এক বিভীষিকা আৰু ত্ৰাসৰ সৃষ্টি কৰে। তিনিবাৰকৈ হোৱা এই আক্ৰমণে অসমৰ জনগাঁথনি সম্পূৰ্ণৰূপে সলাই পেলাইছিল। দুৰণিবটীয়া কিছু ঠাইত কিছু লোকে এই ভয়ানক অত্যাচাৰৰ পৰা ৰক্ষা পৰিছিল কিন্তু তেওঁলোকে ঘৰ-বাৰী ত্যাগ কৰি দূৰ দুৰ্গম ঠাইলৈ প্ৰাণৰ দায়ত ঢাপলি মেলিবলগীয়া হৈছিল। উপন্যাসখনত ইয়াৰ বৰ্ণনা আছে এনেধৰণে, "মানতৰা সোমাইছে যেতিয়া কেতিয়া আহি এইখণ্ড পাইহি কোৱা টান। আটায়ে সাজু হ'ব লাগে। ল'ৰা-তিৰোতা পাহাৰৰ দাঁতিলৈ পঠিয়াব লাগিব।"

(আজাৰ, পৃ. ২০৪)।

এই ৰাজনৈতিক ঘটনাসমূহৰ উপৰিও উপন্যাসখনে সাংস্কৃতিক ইতিহাসৰো নানান কথাৰে কাহিনীটো আৰু জীৱন্ত আৰু ইতিহাসৰ ওচৰ চপাই লৈ গৈছে। উদাহৰণস্বৰূপে ঘিনাইয়ে লৈ যোৱা গৰুহালেৰে হাল বাই মাটি বোকা কৰি শালি ধানৰ খেতি কৰিবলৈ ভৈয়ামৰ মানুহখিনিয়ে পাহাৰীয়া কাৰবি মানুহবোৰক শিকাইছে, বিভিন্ন ঠাইত ভূত-প্ৰেত আৰু অশৰীৰী আত্মাৰ উল্লেখ, কাৰবি সংস্কৃতিৰ চাংঘৰ, ইৰলাং আবাদ, ডেকাচাঙ, এঢলীয়া মাটিত কৰা খেতি, গছবনৰ পৰা তৈয়াৰ কৰা ঔষধ আদিৰ কথা উপন্যাসখনত বৰ্ণনা কৰিছে।

**আজাৰত মহামাৰীৰ চিত্ৰায়ণ ঃ**

মহামাৰীক বিষয় হিচাপে লৈ বিশ্বসাহিত্যত বহুকেইখন কালোত্তীৰ্ণ উপন্যাস ৰচনা কৰা হৈছে। ফৰাচী দাৰ্শনিক আলবেয়াৰ কেমুৰ *প্লেগ* আৰু পৰ্তুগীজ ঔপন্যাসিক হ'জে চাৰামাগৰ *ব্লাইণ্ডনেছ*, গ্ৰেবিয়েল গ্ৰাচিয়া মাৰ্কেজৰ *লাভ ইন দ্য টাইম অৱ কলেৰা* এই উপন্যাসসমূহৰ মাজত অন্যতম। অসমীয়া ভাষাত মহামাৰীক বিষয়বস্তু হিচাপে উপস্থাপন কৰা এইখনেই প্ৰথম আৰু বৰ্তমানলৈকে একমাত্ৰ উপন্যাস। ১৮৭৫ চনৰ পৰা গাৰোপাহাৰ আৰু লাহে লাহে অসমৰ বহু ঠাইত বিয়পি পৰি পাছৰ দুটা দশক (১৯০৩-০৪ লৈকে)

অসমত সংহাৰী ৰূপ লোৱা ক'লাজ্বৰ বা কালা-আজাৰ মহামাৰী যাক পোনতে অসম জ্বৰ বা আছাম ফিভাৰ বুলিও অভিহিত কৰা হৈছিল। এই মহামাৰীকেই এজন মেডিকেলৰ ছাত্ৰ আৰু পাছলৈ চিকিৎসক হোৱা উপন্যাসখনৰ এটা মুখ্য চৰিত্ৰ মণিময়ৰ মাজেৰে লেখকে উন্মোচন কৰিছে। ইতিহাসৰ এই সময়ছোৱাৰ বৰ বিশদ তথ্য পোৱা নাযায়। ঔপন্যাসিকে অতি কষ্টৰে তেওঁ লাভ কৰা সামান্য তথ্যৰ ভেটিতেই কাহিনীটো নিৰ্মাণ কৰিছে। এককথাত ই ইতিহাসৰ পুনৰ্নিৰ্মাণেই। তদুপৰি এই মহামাৰী *আজাৰ*ক তেওঁ এক প্ৰতীক হিচাপে উপস্থাপন কৰিছে আৰু সেয়ে কৈছে, "আজাৰ মানে কেৱল এটা বেমাৰ নহয়, ই সমগ্ৰ তদানীন্তন সমাজ ব্যৱস্থাৰ 'আজাৰো', এই বোধ মোৰ জাগিছিল আৰু উপন্যাসখনত মোৰ সমগ্ৰ সীমাবদ্ধতাৰে মই তাকেই প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰিছোঁ" (আজাৰ, পৃ. ৫)।

চিকিৎসা শাস্ত্ৰ পঢ়িবলৈ যোৱা মণিময়ক মাকে চিঠিৰে তাৰ সৰু কালৰ স্মৃতিৰ জেৰ টানি তাৰ কৰ্তব্যৰ কথা সোঁৱৰাই দিছে। "কাহানিও নেদেখা, নাম নুশুনা বেমাৰ এটাই মহামাৰী হৈ প্ৰজাক সংহাৰ কৰিলে বহু গাঁও উছন হ'ল। বহু এলেকা মৰিশালি হ'ল। ...এতিয়াও তুঁহজুইৰ দৰে আজাৰটো উমি উমি জ্বলি আছে। ঠায়ে ঠায়ে আকৌ ওলায়। তুমি কলিকতালৈ গ'লা যেতিয়া এই বেমাৰটোৰ বিষয়ে সকলো কথা খৰচি মাৰি শিকি আহিবা যাতে ইয়াত মানুহক চিকিৎসা কৰি ভাল কৰি তুলিব পাৰা... ।"

(আজাৰ, পৃ. ২২৮)।

মণিময়ৰ অনুসন্ধানৰ মাজেৰেই তাৰপৰা এই মহামাৰীৰ এন্ধাৰ সময়খিনি উপন্যাসখনত স্পষ্ট হৈ উঠিছে। "শ শ মানুহ মৰিছিল। যিবোৰ কিছুদিন জীয়াই আছিল সেইবোৰো জীৱন্ত নৰকংকালৰ দৰে হৈ পৰিছিল। খৰিকাৰ দৰে হাত ভৰি, বিশাল চেলেৰ দৰে পেট। পেটৰ ভিতৰত প্লীহাটো ডাঙৰ হৈ পৰিছিল। মানুহবোৰ জুয়ে পোৰাৰ দৰে ক'লা হৈ পৰিছিল। ইফালে সিফালে গছৰ তলত মানুহবোৰ পৰি থাকিছিল" (আজাৰ, পৃ. ২৩০)।

মণিময়ে লাইব্ৰেৰীত বিভিন্ন কিতাপ জাৰ্নেল আদি অধ্যয়ন কৰি পোৱা তথ্যবোৰে উপন্যাসখনত ঠাই পাইছে। যেনে ছাৰ্জন কেপ্তেইন ৰ'জাছৰ গৱেষণাৰ কথা, মেলেৰিয়াৰ বাবে প্লাজ'মডিয়াম ভাইভেক্স'ৰ আৱিষ্কাৰৰ কথা, ব্ৰিটিছ চাহাবসকলে এই বেমাৰত বাগানৰ গিৰমিটীয়া কুলীসকলৰ মৃত্যুত ব্যৱসায়িক লোকচানৰ আশংকা কৰি উদ্বিগ্ন হোৱাৰ কথা, ক'ৰনটাইন বা সামাজিক যোগাযোগৰ ৰাগী থকা পৰিয়ালক আঁতৰাই ৰখাৰ ব্যৱস্থা লোৱাৰ কথা, কলিকতাৰ কালিঘাট, বৰ্ধমান আদি ঠাইত হোৱা ক'লাজ্বৰৰ উল্লেখ। উপেন্দ্ৰনাথ ব্ৰহ্মচাৰীৰ দ্বাৰা ক'লাজ্বৰৰ প্ৰতিষেধক বেজীৰ আৱিষ্কাৰ আৰু ব্ৰহ্মচাৰীৰ জীৱনৰ কিছু অভ্যাসো উপন্যাসখনৰ কথাবস্তুৰে সামৰি লৈছে। এইসকলোবোৰ তথ্যৰ উল্লেখেও উপন্যাসখন ভাৰাক্ৰান্ত কৰি পেলোৱা নাই কাৰণ উপন্যাসখনৰ সকলো স্তৰতে মূল ভূমিকাত বা Protagonist হিচাপে সৰ্বসাধাৰণ মানুহৰ জীৱনকেই ৰখা হৈছে। তদুপৰি ইণ্ডিয়ান মেডিকেল চাৰ্ভিছ, ইউৰোপীয় আৰ্হিৰ চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ আৰম্ভণি কালৰ কিছু কথা আৰু স্বয়ং উপেন্দ্ৰনাথ ব্ৰহ্মচাৰীৰ মুখেৰে ক'লাজ্বৰৰ লক্ষণসমূহৰ বৰ্ণনা কৰাই আৰু মহামাৰী ৰোধ কৰাৰ চেষ্টা সমূহো বৰ্ণনা কৰি ঔপন্যাসিকে ৰাজনৈতিক উত্থান পতনৰ বৰ্ণনাৰে ভৰপূৰ ইতিহাসৰ মাজত উহ্য হৈ পৰা ভাৰতীয় চিকিৎসা বিজ্ঞানৰ এই সময়চোৱা পোহৰাই তুলিছে। তদুপৰি ঔপনিবেশ চৰকাৰৰ এই মহামাৰীৰ প্ৰতি গ্ৰহণ কৰা স্থিতিত যে মানৱীয়তাতকৈ ব্যৱসায়িক লাভ লোকচানৰ হিচাপহে বেছি আছিল তাকো ঔপন্যাসিকে কাহিনীৰ মাজেৰে স্পষ্ট কৰি তুলিছে।

ঔপন্যাসিকে আগকথাতে এই কথা স্পষ্ট কৰি দিছিল যে এই আজাৰ আমাৰ সমাজ ব্যৱস্থাৰো *আজাৰ*। ম'হৰ খুটিত গৰুৱাৰ লগত সংসাৰ কৰি থকা বৰআইক পুৰি মৰা আৰু জীয়েক সৰুআইক যাঠীৰে হানি ডাইনীৰ সন্দেহত হত্যা কৰাৰ ঘটনাই এই কথাৰ প্ৰমাণ কৰিছে। বেমাৰ আজাৰৰ বা আন কিবা অমংগলৰ কাৰণ হিচাবে কোনো মানুহক ডাইনী সজোৱাটো পৃথিৱীৰ প্ৰায় সকলো প্ৰান্তৰৰ মানুহৰে দস্তুৰ। ইতিহাসৰ পাতত বিশেষকৈ ইউৰোপীয় ইতিহাস এনে উদাহৰণেৰে ভৰি আছে। জোৱান অৱ আৰ্ককো ডাইনী আখ্যা দিয়েই পুৰি মৰা হৈছিল। সময় আৰু দুৰ্যোগৰ সুবিধা লৈ আনক ডাইনী সজাই স্বাৰ্থ সিদ্ধি কৰাটোও সমাজৰ জটিল চৰিত্ৰৰে এটা বৈশিষ্ট্য। উপন্যাসৰ 'আহিনী'ৰ কাহিনীটোৱেই তাৰ উদাহৰণ।

ক'লাজ্বৰ মহামাৰী তিনিবাৰকৈ হৈছিল। প্ৰথমবাৰৰ বেমাৰ লক্ষণবোৰতকৈ পাছত দুবাৰ লক্ষণবোৰ অলপ বেলেগ হ'ল। প্ৰথমে ৰোগীবোৰ জ্বৰ হোৱাৰ কেইদিনমানৰ পাছতে মৰিছিল, পাছলৈ ইমান সোনকালে নমৰিছিল। প্ৰথম মহামাৰী প্ৰায় বিশবছৰ ধৰি চলিছিল তাৰে প্ৰথম দহবছৰতকৈ পাছৰ দহবছৰ ইয়াৰ সংহাৰীৰূপটো কিছু কমিছিল। দ্বিতীয়বাৰৰ মহামাৰী প্ৰায় পাঁচবছৰ কাল থাকিল আৰু কেইবাখনো নতুন ঠাইত ই দেখা দিছিল। তৃতীয়বাৰ পুৰণা

ক্ৰণিক কেছবোৰ পুনৰ ওলাল আৰু নতুন কেছো ওলাল, কিন্তু 'তেতিয়ালৈ ক'লাজ্বৰৰ বেজী ওলাল।' উপন্যাসখন চিকিৎসাবিজ্ঞানৰ ছাত্ৰ আৰু পাছলৈ চিকিৎসক মণিময়ৰ অনুসন্ধান আৰু ক'লাজ্বৰ নিৰাময়ৰ যুঁজত সক্ৰিয় অংশগ্ৰহণৰ দ্বাৰা ঔপন্যাসিকে মহামাৰীটোৰ ইতিহাস আৰু অসমত ইয়াৰ প্ৰভাৱক সম্পূৰ্ণ মানৱীয় দৃষ্টিভংগীৰে চিত্ৰায়িত কৰিছে। ক'লাজ্বৰৰ ইতিহাস বুলি কওঁতে ব্ৰিটিছ মেডিকেল জাৰ্ণেলত পোৱা তথ্যৰ পৰা উপেন্দ্ৰনাথ ব্ৰহ্মচাৰীৰ প্ৰতিষেধক উদ্ভাৱন, ক'লাজ্বৰ বিয়পোৱা পতংগ 'ফ্লেবটমাচ আৰ্জেণ্টিপাই' বা 'ছেণ্ড ফ্লাই' আৱিষ্কাৰ, ক'লাজ্বৰ বিয়পি পৰা অঞ্চলবোৰত বেজীৰ নাটনি, ব্ৰিটিছ বিষয়াসকলৰ মাথোঁ চাহবাগানৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি বেজী বিতৰণ আদি কথা উপন্যাসখনৰ কাহিনীৰ অগ্ৰগতিৰ লগে লগে পাঠকে লাভ কৰিছে। এই ইতিহাসৰ বাহিৰেও পৰম্পৰাগত ইতিহাসত সাধাৰণতে লিপিবদ্ধ নোহোৱা কিছু কথা অৰ্থাৎ সাধাৰণ লোকৰ এই মহামাৰী প্ৰতি যি দৃষ্টিভংগী আৰু ইয়াৰ প্ৰতিকাৰৰ বাবে তেওঁলোকে লোৱা চিকিৎসাশাস্ত্ৰৰ ভিতৰৰ আৰু বাহিৰৰ কামবোৰ যেনে গাঁও বা চুবুৰী একোটাক আন বসতিৰ পৰা সম্পূৰ্ণ নিলগাই দিয়া, এই বেমাৰৰ বাবে 'আজাৰ ফুকুৰা ডাইনী'ক পুৰি মৰা, মচুৰ ডাইল বিলাহী আৰু বৰালি মাছ খোৱাৰ হুতাশৰ কথা আদিয়ে উপন্যাসখনত ঠাই পাইছে।

***আজাৰ*ত ব্ৰিটিছ ঔপনিবেশকাল আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতিফলন ঃ**

*আজাৰ*ত ঠাই পোৱা তৃতীয় গুৰুত্বপূৰ্ণ ঐতিহাসিক সময় আৰু ঘটনা হৈছে ব্ৰিটিছৰ শাসনৰ সময়ছোৱা আৰু ভাৰতবৰ্ষৰ স্বাধীনতা লাভ। ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ ক্ষণতেই এক প্ৰচুৰ আশাবাদেৰে উপন্যাসখন শেষ হৈছে। ইতিহাসৰ ঘটনাসমূহে উপন্যাসখনৰ কাহিনীৰ চৰিত্ৰসমূহক পোনপটীয়াকৈ প্ৰভাৱিত নকৰিলেও তেওঁলোকৰ প্ৰত্যেকটো কাৰ্যকলাপৰ বাবে এক পৰিবেশ তৈয়াৰ কৰি দিছে। মাজে মাজে একেবাৰে সৰুকৈ উল্লেখ হোৱা ঐতিহাসিক চৰিত্ৰসমূহে পোনে পোনে উপন্যাসৰ কোনো চৰিত্ৰৰ মুখামুখি হোৱা নাই, ব্যতিক্ৰম মাথোঁ উপেন্দ্ৰনাথ ব্ৰহ্মচাৰীৰ মণিময় আৰু নীলদ্ৰীৰ সৈতে সাক্ষাৎ, তদুপৰি এঠাইত হৰনাথ দাৰোগাই বুঢ়াদেউতাৰ পূৰ্বপুৰুষক মৌজা চমজোৱাৰ উল্লেখ আছে আৰু ঘিনাই পুৰুযে মণিৰাম দেৱানৰ হৈ কাম কৰাৰ প্ৰস্তুতি চলোৱাৰ ইংগিত পোৱা যায়। ঔপন্যাসিকে ইতিহাসৰ তথ্যসমূহ মূল কাহিনীৰ সমান্তৰালকৈ বৰ কৌশলগতভাৱে উপন্যাসখনত গাঁঠি গৈছে যি উপন্যাসখনৰ ঘটনাৱলীৰ কালনিৰ্ণয় পাঠকৰ বাবে সুচল হৈ পৰিছে।

মোৱামৰীয়া বিদ্ৰোহ দমনত কোম্পানীৰ সামৰিক শক্তিৰ ভূমিকা, ইয়াণ্ডাবু সন্ধিৰ পাছত হোৱা গোমধৰ কোঁৱৰৰ দ্ৰোহ, পুৰন্দৰ সিংহক পঞ্চাছ হাজাৰ টকা কৰৰ বিনিময়ত লালবন্দীকৈ উজনি অসমৰ ৰজা পতা, মতিবৰ বৰসেনাপতিক মটক এলেকা দিয়া, মণিৰামৰ দ্ৰোহ, ভাৰতৰ স্বাধীনতা আন্দোলন, মহাত্মা গান্ধীৰ অসহযোগ আন্দোলন, ইংৰাজৰ কানিৰ বেপাৰ, চাহ বাগিছা পতা, অসমত খ্ৰীষ্টধৰ্মৰ প্ৰভাৱ, স্বদেশী আন্দোলন, বংগ ভংগ, দেশ বিভাজনৰ পৰত গোপীনাথ বৰদলৈ, চৈয়দ চাদুল্লাৰ ভূমিকা, পাকিস্তানৰ জন্ম আৰু সদৌ শেষত স্বাধীনতা লাভৰ কথাই উপন্যাসখনত ঠাই পাইছে যদিও এই ঘটনাসমূহ বৰ্ণনা কৰা ঔপন্যাসিকৰ উদ্দেশ্য মুঠেও নহয়। এই ঘটনাবোৰৰ মাজে মাজে আগবাঢ়ি গৈ থকা আজাৰৰ মহামাৰীক লৈ মণিময়ে কৰা যুঁজখন আৰু এই মহামাৰীৰ লগতে পৰাধীনতাৰ বন্ধনত আৰু ন কৈ জাগ্ৰত হৈ অহা স্বাভিমান আৰু আত্মসচেতনতাৰে সৰ্বসাধাৰণ মানুহৰ নতুন সময়ৰ প্ৰেক্ষাপটত যি প্ৰতিক্ৰিয়া তাক প্ৰকাশ কৰাহে ঔপন্যাসিকৰ উদ্দেশ্য হৈ পৰিছে। আগতে উল্লেখ কৰি অহা ঘটনাবোৰৰ বাহিৰেও দ্বিতীয় মহাসমৰৰ কথাও উপন্যাসখনত আছে। সেয়ে দেখা যায় পৰম্পৰাগত ইতিহাসৰ যিবোৰ ঘটনাই উপন্যাসৰ চৰিত্ৰসমূহৰ জীৱন প্ৰভাৱিত কৰিছে সেই সকলো মূল কথাৰে উল্লেখ ঔপন্যাসিকে কৰিছে যদিও উপন্যাসখন ইতিহাসৰ নীৰস ধাৰাভাষ্য হৈ পৰা নাই। বৰং এই ঘটনাসমূহৰ প্ৰতিক্ৰিয়া সৰ্বসাধাৰণৰ জীৱনে যি বিমূৰ্ত্ত ইতিহাস গঢ়ি তুলিছে সেই ইতিহাসক তেওঁ মূৰ্ত্ত কৰি তুলিছে। ঠিক তেনেদৰেই দ্বিতীয় মহাসমৰৰ আৰম্ভণিৰ বৰ্ণনা কৰি যাজক চাহাবে মণিময়ক কৈছে, "সিদিনা জাৰ্মানীয়ে ৰাইনলেণ্ডৰ নিৰস্ত্ৰীকৃত অঞ্চলটো সামৰিকভাৱে দখল কৰি লৈছিল, যুদ্ধ লগাতো খাটাং হৈ পৰিছিল। প্ৰথম মহাসমৰৰ অন্ত পেলোৱা ভাৰ্ছাই চুক্তিৰ কফিনত যেন সেইদিনা শেষ গজালটো মৰা হৈছিল" (আজাৰ, পৃ. ৫৭৩)।

এই মহাসমৰে পোনপটীয়াকৈ উপন্যাসখনৰ কাহিনীত প্ৰভাৱ পেলোৱা নাই যদিও বুঢ়াদেউতাই কোৱাৰ দৰে "...কিন্তু শিয়াল-কুকুৰে মৰা গৰুৰ ছাল টনাদি সিহঁতে আমাকো টানিব নহয়। আমাৰ দেশৰ পৰা মানুহ তুলি নিব, ৰণুৱা, বনুৱা, কুলী কৰি দেশখনৰ বয়বস্তু লৈ যাব। কাপোৰ, নিমখ

এইবোৰলৈ আকৌ টান পৰিব। কাঢ়িও নিব। ধান চাউল এইবোৰো কোৰোক কৰি নিব চাই থাকিব। তুমি কোৱাৰ দৰে বগাহঁতৰ মাজত সিহঁতৰ দেশত আকৌ যদি যুদ্ধ লাগে তেনে আমাৰহে অৱস্থা বেয়া হ'ব" (আজাৰ, পৃ. ৫২১)। সৰ্বসাধাৰণক যুদ্ধই এনেদৰেই প্ৰভাৱিত কৰে।

দ্বিতীয় মহাসমৰত পোনপটীয়া অংশগ্ৰহণৰ পৰা সৌভাগ্যক্ৰমে ভাৰত ৰক্ষা পৰিল যদিও ইয়াৰ প্ৰস্তুতি ভালদৰেই হৈছিল। "গোলাঘাটতো যুদ্ধৰ তোড়-জোড় ভালদৰে চলিছিল। গোলাঘাটৰ পৰা আৰম্ভ কৰি দেৰগাঁও, যোৰহাট ৰৰৈয়লৈকে এই বিশাল অঞ্চলজুৰি ঠায়ে ঠায়ে সেনাৰ ছাউনী পতা হৈছিল..." (আজাৰ, পৃ. ৬০৩)। দ্বিতীয় মহাসমৰ অন্ত পৰাত ভাৰতো স্বাধীনতা লাভৰ দিশে আগবাঢ়িল আৰু ধৰ্মৰ নামত দেশ দ্বিখণ্ডিত হৈ দেশৰ বিভিন্ন ঠাই বিশেষকৈ বংগ আৰু পঞ্জাৱত হাজাৰ হাজাৰ লোক সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হোৱাৰ পাছত দেশে স্বাধীনতা লাভ কৰিলে। "ক'ত থাকিল, ক'ত আছে হিন্দু মুছলমানক দুভাগ কৰা, দুখন সুকীয়া দেশক জন্ম দিয়া সেই সীমাৰেখাডাল?" (আজাৰ, পৃ. ৬৪৪)।

ইমানৰ পাছতো স্বাধীনতাই সৰ্বসাধাৰণ মানুহক আলোড়িত কৰি তুলিছিল, সেইসকল সৰ্বসাধাৰণ মানুহ যিসকলে দেশে স্বাধীনতা লাভ কৰোতে নাম প্ৰসংগ কৰে, মহাত্মা গান্ধীৰ মৃত্যুৰ শোকতো দিনে ৰাতিয়ে খোৱা-বোৱা এৰি নাম প্ৰসংগ কৰিছে, সেইসকল মানুহৰ ইতিহাসত নামোল্লেখ নাই। এক নতুন আশা, এক নতুন স্বপ্নৰ বতৰা দি গৈছিল এই স্বাধীনতাই। উপন্যাসখনৰ অন্যতম মুখ্য চৰিত্ৰ জয়হৰি বুঢ়াদেউতাৰ এই স্বাধীনতাৰ দিনাই এটা সপোনৰ মাজতে মৃত্যু হৈছে আৰু তেওঁৰ নাতি মণিময়ে বিলাতলৈ যোৱাৰ সলনি ডিব্ৰুগড়ৰ আসাম মেডিকেল কলেজত গৈ কাম কৰাৰ কথা চিন্তা কৰিছে। এই দুয়োটা কথাই গুৰুত্বপূৰ্ণ।

**উপসংহাৰঃ**

আহোম সাম্ৰাজ্যৰ অৱক্ষয়ৰ প্ৰাৰম্ভণি কালৰ পৰা ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰালৈকে প্ৰায় দুশটা বছৰ সাঙুৰি লোৱা *আজাৰ*ক এখন মহাকাব্যিক উপন্যাসৰ মৰ্যাদা দিব পৰা যায়। মহাকাব্যিক উপন্যাসৰ দৰেই ইয়াত মূল কাহিনীটোৰ সুঁতিত বহু সৰু সৰু কাহিনী আহি লগ লাগিছেহি। তাৰোপৰি প্ৰত্যক্ষ আৰু মূল চৰিত্ৰকেইটাৰ বাহিৰেও উপন্যাসখনত নানান সৰু বৰ আৰু বৈচিত্ৰ্যময় চৰিত্ৰৰ সমাবেশ ঘটিছে। উপন্যাসখনৰ মনকৰিবলগীয়া কথাটো হ'ল যে ইয়াৰ কাহিনীভাগ আৰম্ভ হৈছে মোৱামৰীয়া বিদ্ৰোহীয়ে লক্ষ্মীসিংহ পাটৰ পৰা নমোৱাৰ দিনা আৰু শেষ হৈছে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ দিনা। দুয়োটা দিনৰে ঐতিহাসিক গুৰুত্ব আছে। এই দীঘলীয়া সময়ছোৱাত সংঘটিত বিভিন্ন ঘটনা মূল ঘটনাৰ সৈতে সাঙুৰ খাই উপন্যাসৰ কথাবস্তুৰ ৰূপ দিছে। ঔপন্যাসিকে বিভিন্ন দৃষ্টিকোণৰ পৰা এই ঘটনাসমূহত পোহৰ পেলাইছে যদিও তেওঁৰ মূল দৃষ্টিকোণ হৈছে সৰ্বসাধাৰণৰ দৃষ্টিকোণ। সেইবাবেই পৰম্পৰাগত বুৰঞ্জী মাথোঁ মোৱামৰীয়া সত্ৰৰ শিচ সকলৰ বা মৰাণ মটকৰ দ্ৰোহ হিচাপে আখ্যা দিয়া মোৱামৰীয়া বিদ্ৰোহক তেওঁ গণ-অভ্যুত্থান আখ্যা দিছে। এই বৃহৎ উপন্যাসখন ইতিহাসনিৰ্ভৰতাৰ প্ৰসংগটোক এই গৱেষণা পত্ৰত কিঞ্চিত আভাস দিবলৈ চেষ্টা কৰা হৈছে। ❑


**মুখ্য উৎস ঃ**

বৰা, ধ্ৰুৱজ্যোতি। *আজাৰ*। নৰ্থ-ইষ্ট ফাউণ্ডেশ্যন, গুৱাহাটী, ২০১৭।

**গৌণ উৎস ঃ**

বৰা, ধ্ৰুৱজ্যোতি। *মোৱামৰীয়া গণ অভ্যুত্থান*। বনলতা, গুৱাহাটী, ১৯৮৩।

বৰা, ধ্ৰুৱজ্যোতি। *কৃষক বিদ্ৰোহী সৈনিক ৰাজন*। বনলতা, গুৱাহাটী, ২০১২।

বৰা, অভিজিৎ। *ড° ধ্ৰুৱজ্যোতি বৰাৰ আজাৰ এক পাঠব্যাখ্যা*। পূৰ্বায়ণ প্ৰকাশন, গুৱাহাটী, ২০২২।

শৰ্মা, দেৱব্ৰত। *মোৱামৰীয়া মহাবিদ্ৰোহ ঃ এক ত্ৰি-মাত্ৰিক গণ-অভ্যুত্থান*। একলব্য প্ৰকাশন, গুৱাহাটী, ২০১৮।

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945

Peer Reviewed Journal
[UGC-CARE Listed]

# সাংবাদিক জীৱনৰ অভিজ্ঞতা আৰু ঐতিহাসিক তথ্যৰ দলিল ৰূপে সতীশ চন্দ্ৰ কাকতীৰ স্মৃতি বিচিত্ৰা



**ৰিম্পী ৰাণী দত্ত**

গৱেষক, অসমীয়া বিভাগ
জগন্নাথ বৰুৱা বিশ্ববিদ্যালয় (স্বায়ত্তশাসিত)
যোৰহাট-৭৮৫০০১ (অসম)
৮১৩৬০০২৫০৮
rimpidutta98@gmail.com



**ড° বিদিশা বুঢ়াগোহাঁই**

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
জগন্নাথ বৰুৱা বিশ্ববিদ্যালয় (স্বায়ত্তশাসিত)
যোৰহাট-৭৮৫০০১ (অসম)
৬০০০৪০১০৪২

**সংক্ষিপ্তসাৰ ঃ**

অসমীয়া জাতীয় জীৱনত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হোৱা সাংবাদিকসকলৰ তালিকাৰ অন্যতম সতীশ চন্দ্ৰ কাকতী। সতীশ চন্দ্ৰ কাকতী ইংৰাজী দৈনিক 'আছাম ট্ৰিবিউন' কাকতৰ লগত এক দশকৰ ওপৰকাল জড়িত থাকি ১৯৬৫ চনত কাকতখনৰ সম্পাদনাৰ পূৰ্ণভাৰ গ্ৰহণ কৰি সাংবাদিকতাৰ উল্লেখযোগ্য বছৰবিলাক সফলতাৰে অতিবাহিত কৰে। আনহাতে 'অসমবাণী' কাকতৰ তেওঁ প্ৰথম সম্পাদক আছিল। কাকতীয়ে সমাজৰ বিভিন্ন ধৰণৰ কাম- কাজত জড়িত হৈ সাংগঠনিক কৃতিত্ব আৰু পৰিচালনাৰ দক্ষতা প্ৰদৰ্শন কৰিছিল যদিও সাংবাদিকতা তেওঁৰ জীৱনৰ ঘাই ব্ৰত আছিল। তেওঁৰ সাংবাদিক জীৱনত সান্নিধ্য লাভ কৰা ব্যক্তিসকলৰ পৰা পোৱা অভিজ্ঞতা আৰু আৰু বিদেশ ভ্ৰমন স্মৃতিৰে *স্মৃতি বিচিত্ৰা* (১৯৯২) গ্ৰন্থখনত বিৰৰণী আগবঢ়াইছে। সাংবাদিক জীৱনৰ অভিজ্ঞতাৰ লগতে গ্ৰন্থখনত অসম, ভাৰত তথা বিশ্বৰ প্ৰেক্ষাপটৰ বিভিন্ন ঐতিহাসিক ঘটনাই প্ৰকাশ লাভ কৰিছে।

প্ৰস্তাৱিত আলোচনাৰ বিষয় *সাংবাদিক জীৱনৰ অভিজ্ঞতা আৰু ঐতিহাসিক তথ্যৰ দলিল ৰূপে সতীশ চন্দ্ৰ কাকতীৰ স্মৃতি বিচিত্ৰা* শীৰ্ষক আলোচনাত সতীশ চন্দ্ৰ কাকতীৰ আত্মজীৱনীমূলক গ্ৰন্থখনত প্ৰতিফলিত তেওঁৰ সাংবাদিক জীৱনৰ অভিজ্ঞতা আৰু ঐতিহাসিক ঘটনাৱলীৰ এক আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব।

**বীজ শব্দ ঃ**

আত্মজীৱনী, সাংবাদিকতা, অভিজ্ঞতা, সমাজ-জীৱন।

**অৱতৰণিকা ঃ**

আত্মজীৱনীমূলক সাহিত্যই ব্যক্তিগত অভিজ্ঞতা আৰু সামূহিক ইতিহাসৰ মাজত এখন সেতু হিচাপে কাম কৰে। আত্মজীৱনীমূলক সাহিত্যৰ অৰ্ন্তগত স্মৃতিলেখা, ডায়েৰী আৰু ব্যক্তিগত ৰচনাৰ জৰিয়তে লেখকসকলে কেৱল নিজৰ বাস্তৱতাই নহয়, তেওঁলোকক গঢ় দিয়া সামজিক, সাংস্কৃতিক আৰু ঐতিহাসিক প্ৰসংগসমূহকো ধৰি ৰাখে। প্ৰতিটো জীৱনে এটা কাহিনী ধৰি ৰাখে আৰু আত্মজীৱনীমূলক সাহিত্যই এই জীৱিত অভিজ্ঞতাবোৰক কালজয়ী আখ্যানলৈ ৰূপান্তৰিত কৰে। শব্দ শক্তিৰ জৰিয়তে লেখকসকলে নিজৰ আনন্দ, সংগ্ৰাম আৰু পৰিচয়ক অমৰ কৰি তোলে। এনে সাহিত্যই লেখকসকলক গভীৰ স্তৰত পাঠকৰ সৈতে সংযোগ স্থাপন কৰাৰ লগতে নিজৰ ব্যক্তিগত যাত্ৰাসমূহ ভাগ-বতৰা কৰিবলৈ প্ৰেৰণা দিয়ে। আত্মজীৱনীমূলক সাহিত্যই কেৱল ব্যক্তিগত আখ্যানকেই নথিভুক্ত নকৰে, ই ঐতিহাসিক আৰু সামাজিক প্ৰেক্ষাপটৰ প্ৰতিফলন হিচাপেও কাম কৰে।

সাংবাদিকসকলে নিজৰ জীৱনটো তথ্য সংগ্ৰহ, তথ্যৰ প্ৰতিবেদন, সত্য উন্মোচন আদিৰ বাবে উৎসৰ্গা কৰে। কিন্তু যেতিয়া তেওঁলোকে নিজৰ জীৱনক প্ৰাধান্য দি আত্মজীৱনীমূলক সাহিত্যৰ এটা শাখা স্মৃতিলেখাসমূহ ৰচনা কৰে, তেতিয়া তেওঁলোকৰ ৰচনাত ব্যক্তিগত অভিজ্ঞতা আৰু পেছাদাৰী দুয়োটা দিশৰে প্ৰতিফলন হয যদিও ব্যক্তিগত জীৱনটো কেতিয়াবা গৌণ হোৱা পৰিলক্ষিত হয়। এই আখ্যানসমূহে ব্যক্তিগত পক্ষপাতিত্ব আৰু সমাজৰ হেঁচাসমূহৰ মাজেৰে সত্যৰ প্ৰতিবেদন দিয়াৰ লগে লগে প্ৰত্যাহ্বান, দুৰ্বলতা আৰু দায়িত্বসমূহ উন্মোচন কৰে। উদাহৰণস্বৰূপে, এখন সাংবাদিকৰ স্মৃতিলেখাত এজন সাংবাদিকে কেনেকৈ নিজৰ জীৱন কাহিনী গঢ়ি তোলে, ব্যক্তিগত স্মৃতি আৰু পেছাদাৰী অভিজ্ঞতাৰ মাজত ভাৰসাম্য ৰক্ষা কৰে সেই সম্পৰ্কে বৰ্ণনা কৰা হয়। তেওঁলোকৰ আত্মজীৱনীমূলক ৰচনাসমূহ অধ্যয়নৰ জৰিয়তে এই আখ্যানসমূহে সাহিত্য আৰু সংবাদ মাধ্যম দুয়োটা ক্ষেত্ৰতে কেনেদৰে অৰিহণা যোগায় তাক বিচাৰ কৰা হয়।

সতীশ চন্দ্ৰ কাকতীয়ে সাংবাদিক জীৱনত সান্নিধ্য লাভ কৰা ব্যক্তিসকলৰ পৰা পোৱা অভিজ্ঞতা আৰু আৰু বিদেশ ভ্ৰমন স্মৃতিৰে *স্মৃতি বিচিত্ৰা* (১৯৯২) নামৰ স্মৃতিলেখাখনত আখ্যানমূলক বিৱৰণী আগবঢ়াইছে। প্ৰস্তাৱিত আলোচনাৰ বিষয় সাংবাদিক জীৱনৰ অভিজ্ঞতা আৰু ঐতিহাসিক তথ্যৰ দলিল ৰূপে সতীশ চন্দ্ৰ কাকতীৰ *স্মৃতি বিচিত্ৰা* শীৰ্ষক আলোচনাত সতীশ চন্দ্ৰ কাকতীৰ স্মৃতিলেখা *স্মৃতি বিচিত্ৰাত* প্ৰতিফলিত লেখকৰ সাংবাদিক জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ লগতে গ্ৰন্থখনত প্ৰকাশিত বিভিন্ন ঐতিহাসিক ঘটনা-পৰিঘটনাৰ এক আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব।

**আত্মজীৱনীমূলক সাহিত্যৰ স্বৰূপ আৰু শাখা-প্ৰশাখাসমূহ ঃ**

আত্মজীৱনী আৰু আত্মজীৱনীমূলক ৰচনা হৈছে ব্যক্তিগত আখ্যানৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰচনা কৰা উল্লেখযোগ্য সাহিত্যিক ৰূপ, যিয়ে ব্যক্তিৰ জীৱন, পৰিচয় আৰু ঐতিহাসিক প্ৰসংগৰ অৰ্ন্তদৃষ্টি প্ৰদান কৰে। উভয় প্ৰকাৰৰ সাহিত্যতে ব্যক্তিগত ব্যাখ্যা, পক্ষপাতিত্ব আৰু নিৰ্বাচিত স্মৃতিশক্তি থাকে। দুয়োটা ৰূপেই ৰাস্তৱ জীৱনৰ অভিজ্ঞতাৰ পৰা আহৰণ কৰিলেও ইয়াৰ গঠন, উদ্দেশ্য আৰু সাহিত্যিক দৃষ্টিভংগীৰ পাৰ্থক্য আছে। আত্মজীৱনী হৈছে নিজৰ জীৱনৰ স্ব-লিখিত বিৱৰণ, যেতিয়া লেখকে নিজৰ জীৱন সম্পৰ্কে নিজে প্ৰথম পুৰুষত বিৱৰণ দিয়ে, তেনে সাহিত্যই আত্মজীৱনী। সাধাৰণতে কালক্ৰম অনুসৰি উপস্থাপন কৰা হয়। ইয়াত লেখকৰ অভিজ্ঞতা, সংগ্ৰাম, কৃতিত্ব আৰু প্ৰতিফলনৰ বিৱৰণ দিয়া থাকে। লেখকৰ যাত্ৰাৰ প্ৰত্যক্ষ আৰু ব্যক্তিগত দৃষ্টিভংগী প্ৰদান কৰে। আত্মজীৱনীৰ লক্ষ্য হৈছে বাস্তৱিকতা সঠিকতা আৰু ই প্ৰায়ে ঐতিহাসিক বা প্ৰেৰণাদায়ক গ্ৰন্থ হিচাপে কাম কৰে। আত্মজীৱনীত কেৱল ব্যক্তিজনকেই নহয়, সেইসময়ৰ সামগ্ৰিক ছবিখন তুলি ধৰা হয়। উদাহৰণ স্বৰূপে- লক্ষ্মীনাথ বেজবৰুৱাৰ *মোৰ জীৱন সোঁৱৰণ*। আনহাতে আত্মজীৱনীমূলক সাহিত্য হৈছে লেখকৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা অনুপ্ৰাণিত যিকোনো সাহিত্য ৰচনাক সামৰি লোৱা এক বহল শ্ৰেণী। আনুষ্ঠানিক আত্মজীৱনীৰ দৰে এই ৰচনাসমূহে বাস্তৱিক পৰিঘটনাক কাল্পনিক উপাদানৰ সৈতে মিহলাই দিয়ে। এই শিতানত আত্মজীৱনীমূলক উপন্যাস, স্মৃতিলেখা, ব্যক্তিগত ৰচনা আদি অন্তভূক্ত কৰা হৈছে। উদাহৰণস্বৰূপে—সাংবাদিক ধ্ৰুৱজ্যোতি বৰুৱাৰ আত্মজীৱনীমূলক উপন্যাস *আকাশ বিহীন*। য'ত তেওঁৰ জীৱনৰ কথাখিনিকে উপন্যাস ৰূপত তুলি ধৰিছে। আত্মজীৱনী আৰু আত্মজীৱনীমূলক সাহিত্যৰ মাজত যদি আমি পাৰ্থক্যৰ বিচাৰ কৰোঁ তেতিয়া এনেধৰণৰ কিছুমান পাৰ্থক্য পৰিলক্ষিত হয়। গাৰ্থনিক দিশৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে—আত্মজীৱনীত কালক্ৰমিক, বাস্তৱিক দৃষ্টিভংগী অনুসৰণ কৰা হয়, আনহাতে আত্মজীৱনীমূলক সাহিত্যই আখ্যান গঠনত সৃষ্টিশীল স্বাধীনতাৰ অনুমতি দিয়ে। আত্মজীৱনীত বাস্তৱিক সঠিকতাত গুৰুত্ব দিয়া হয়, আনহাতে আত্মজীৱনীমূলক সাহিত্যত বাস্তৱ আৰু কাল্পনিক উপাদান মিহলি হ'ব পাৰে। উদ্দেশ্যৰ দিশৰ পৰা চালে, আত্মজীৱনীত প্ৰায়ে ঐতিহাসিক, ৰাজনৈতিক বা প্ৰেৰণাদায়ক উদ্দেশ্যে জীৱন যাত্ৰাৰ বৰ্ণনা কৰা হয়, আনহাতে আত্মজীৱনীমূলক সাহিত্যই কলাত্মক প্ৰকাশ আৰু বিষয়ভিত্তিক গভীৰতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব পাৰে। দুয়োবিধ সাহিত্যই সাহিত্যত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, যাৰ ফলত লেখকসকলে পৰিচয়, স্মৃতি আৰু ব্যক্তিগত সত্যক অনন্যভাৱে অন্বেষন কৰিব পাৰে। এইসমূহৰ তাৎপৰ্য নিহিত হৈ আছে ব্যক্তিগত অভিজ্ঞতাক সাৰ্বজনীন বিষয়বস্তুৰ সৈতে সংযোগ কৰাৰ ক্ষমতাত, যাৰ ফলত এই সাহিত্য সমূহত ঐতিহাসিক নথিপত্ৰ আৰু কলাত্মক প্ৰকাশ দুয়োটা হিচাপে মূল্যৱান হৈ পৰে। স্মৃতিলেখা, জীৱনস্মৃতি, দিনলিপি বা ডায়েৰী, আত্মজীৱনীমূলক উপন্যাস, আত্মজীৱনীমূলক প্ৰবন্ধ আদি আত্মজীৱনীমূলক সাহিত্যৰ বিভিন্ন ৰূপ আছে।

যি লেখকৰ ব্যক্তিগত অভিজ্ঞতা, চিন্তা-ভাৱনা, স্মৃতি আৰু জীৱনক প্ৰকাশ কৰে। তত্ত্বগত ভাৱে স্মৃতিলেখা আত্মজীৱনীৰ পৰা বেলেগ। *স্মৃতিলেখাত লেখকৰ সত্তাৰ বিকাশতকৈ লেখকে ৰাজহুৱা জীৱনক প্ৰাধান্য দি অতীতত এৰি থৈ অহা বিভিন্ন ঘটনা বা লগ পোৱা মানুহৰ স্মৰণতহে বেছি গুৰুত্ব দিয়ে।*[১] মূলতঃ স্মৃতিলেখা হৈছে লেখকে নিজৰ জীৱনত অনুভৱ কৰা ঘটনা, অভিজ্ঞতা আৰু স্মৃতিসমূহক ব্যক্তিগত দৃষ্টিভংগীৰে সাহিত্যিক ৰূপত উপস্থাপন কৰা এক গদ্য সাহিত্যৰ ৰূপ। লেখক সকলে তেওঁলোকৰ জীৱনক প্ৰভাৱিত কৰা বিশেষ এছোৱা সময়, বিশেষ অভিজ্ঞতা, বিশেষ ঘটনা-পৰিঘটনাৰ লিখিত বৰ্ণনাৰে স্মৃতিলেখা ৰচনা কৰে। উদাহৰণস্বৰূপে, এজন সাংবাদিকে তেওঁৰ সাংবাদিক জীৱনৰ বিভিন্ন অভিজ্ঞতাক সামৰি স্মৃতিলেখা ৰচনা কৰিছে। এইক্ষেত্ৰত আমি লক্ষীনাথ ফুকনৰ *মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ*, হোমেন বৰগোহাঞিৰ *মোৰ সাংবাদিক জীৱন*, তিলক হাজৰিকাৰ *আবেলিৰ ছাঁ* আদি সাংবাদিকৰ স্মৃতিলেখাৰ নাম উল্লেখ কৰিব পাৰোঁ। আমাৰ আলোচনাৰ বাবে নিৰ্বাচিত সতীশ চন্দ্ৰ কাকতীৰ *স্মৃতি বিচিত্ৰা* এখন সাংবাদিকৰ স্মৃতিলেখা।

**সতীশ চন্দ্ৰ কাকতীৰ জীৱন আৰু সাহিত্যিকৃতি ঃ**

অসমীয়া সাহিত্য আৰু সংবাদ উভয় ক্ষেত্ৰতে অৱদান আগৱঢ়োৱা সতীশ চন্দ্ৰ কাকতী এটি জনপ্ৰিয় নাম। সাহিত্য জগতলৈ তেওঁৰ বিশিষ্ট বৰঙণিৰ স্বীকৃতি হিচাপে অসম চৰকাৰে সাহিত্যিক পেঞ্চন আৰু স্বাধীনতা সংগ্ৰামত তেওঁৰ অৱদানৰ বাবে ভাৰত চৰকাৰে তাম্ৰ-পত্ৰ আৰু পেঞ্চন আগবঢ়াইছিল। ১৯৯১ চনত ভাৰত চৰকাৰে পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰিছিল।

১৯১৪ চনত নলবাৰী জিলাৰ উলাবড়ী গাঁৱত সতীশ চন্দ্ৰ কাকতীৰ জন্ম হৈছিল। তেওঁ পেচাত এগৰাকী সাংবাদিক আৰু সাহিত্যিক। পিতৃৰ নাম বকলো ৰাম কাকতি আৰু মাতৃৰ নাম প্ৰিয়া কাকতি। ১৯২২ চনত উলাবড়ী প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা শেষ কৰে। তাৰ পিছত বৰখলা এম.ই., কমাৰকুছি এম.ভি, নলবাৰী গৰ্ডন এইচ ই স্কুল আৰু পিছত কামৰূপ অকাডেমীৰ পৰা আৰু ১৯৩৬ চনত কটন কলেজৰ পৰা বি. এ ডিগ্ৰী লাভ কৰে। প্ৰথমে গংগাপুখুৰী হাইস্কুল আৰু পিছত কামৰূপ অকাডেমীত শিক্ষকতা কৰি চাকৰি জীৱনৰ পাতনি মেলিছিল। শিক্ষকতাৰ সমসাময়িকভাৱে তেওঁ 'আনন্দ বাজাৰ পত্ৰিকা' আৰু 'হিন্দুস্থান ষ্টেণ্ডাৰ্ড' কাকতৰ গুৱাহাটীৰ সংবাদদাতা হিচাপে কাম কৰিবলৈ লৈছিল। ১৯৩৭ৰ পৰা ১৯৪৭ চনলৈকে তেওঁ গুৱাহাটীৰ পি.টি আইৰ বাতৰি যোগনীয়াৰ আছিল। ১৯৪৭ ৰ পৰা ১৯৫১ চনলৈ গোপীনাথ বৰদলৈৰ ইচ্ছা অনুযায়ী তথ্য আৰু জনসংযোগ বিভাগৰ সহকাৰী সঞ্চালক হিচাপে কামত ভৰ্তি হৈছিল। চৰকাৰী চাকৰি এৰি ১৯৫১ চনৰ নৱেম্বৰ মাহত আছাম ট্ৰিবিউন কাকতৰ সহকাৰী সম্পাদক ৰূপে যোগদান কৰি ১৯৬৩ চনৰ পৰা সম্পাদনাৰ দায়িত্ব লয়। ১৯৫৪ চনত অসমবাণী কাকতৰো সম্পাদকৰ দায়িত্ব লৈ ১৯৮০ চনৰ অৱসৰ গ্ৰহণ কৰে। কাকতিয়ে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি জনসাধাৰণলৈ নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই থৈ গৈছে। তেওঁ জড়িত থকা অনুষ্ঠানসমূহ হৈছে— ১৯৫৪ ৰপৰা ১৯৫৬ চনলৈ অসম ৰাজ্যিক কংগ্ৰেছ কমিটীৰ সদস্য, ১৯৫৮ চনত ভাৰতীয় কংগ্ৰেছৰ গুৱাহাটীত বহা অধিবেশনৰ প্ৰচাৰ সমিতিৰ চেয়াৰমেন, অসম ৰাজ্যিক পৰিকল্পনা বোৰ্ডৰ সদস্য, সৰ্বভাৰতীয় বাতৰি কাকত সম্পাদক মণ্ডলী কনফাৰেন্সৰ উপ-সভাপতি, ভাৰত চৰকাৰৰ চাহ বোৰ্ডৰ সদস্য, সদৌ অসম মিনিচিপালেটি বোৰ্ডৰ চেয়াৰমেন, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগৰ প্ৰবক্তা, পাবলিচিটি বোৰ্ডৰ সদস্য, অসম পে' কমিচনৰ সদস্য, অসম চৰকাৰৰ মুক্তিযোদ্ধা উপদেষ্টা বোৰ্ডৰ সদস্য, অসম মাদক দ্ৰব্য নিবাৰণী পৰিষদৰ অধ্যক্ষ।[২]

**সাহিত্যৰাজি ঃ**

অসমীয়া সাহিত্য জগতলৈ সতীশ চন্দ্ৰ কাকতিয়ে ৫ খন অসমীয়া গ্ৰন্থ, ৩খন ইংৰাজী গ্ৰন্থ আগবঢ়াইছে। গ্ৰন্থসমূহ হৈছে—

**অসমীয়া গ্ৰন্থ ঃ**

(১) *স্মৃতি-বিচিত্ৰা* (স্মৃতিলেখা, ১৯৯২)
(২) *হিট্‌লাৰ-মুছোলিনী* (জীৱনী গ্ৰন্থ, ১৯৩৮)
(৩) *জীৱনীমালা* (জীৱনী গ্ৰন্থ, ১৯৪০)
(৪) *জৱাহৰলাল নেহৰু আৰু ছোভিয়েট ৰুচিয়া* (সমাজ আৰু ৰাজনীতিবিষয়ক গ্ৰন্থ, ১৯৭৬)
(৫) *মহৰ্ষি টলষ্টয় আৰু মহাত্মা গান্ধী* ( ১৯৭৯)

**ইংৰাজী গ্ৰন্থঃ**

(১) *Discovery of Assam,* (১৯৫৮)
(২) *From Pandav Nagar To Jawahar Nagar,* (১৯৭৬)
(৩) *Problems of North East,* (১৯৯৬)

এইসমূহ গ্ৰন্থৰ বাহিৰেও কাকতীয়ে চাৰিশৰো অধিক

উচ্চ পর্যায়ৰ প্ৰবন্ধ ৰচনা কৰিছিল। বিশেষকৈ 'আসাম ট্ৰিবিউন' কাকতৰ সম্পাদকৰ পদৰ পৰা অৱসৰ লোৱাৰ পাছত প্ৰবন্ধসমূহ লিখিছিল। তেওঁৰ ইয়াৰে বহুসংখ্যক প্ৰবন্ধ 'দ্য ষ্টেটচ্‌মেন', 'দ্য টেলিগ্ৰাফ', 'আসাম ট্ৰিবিউন', 'প্ৰকাশ' আদি বিভিন্ন আলোচনী আৰু অসমীয়া বাতৰিকাকতত প্ৰকাশ পাইছিল।

***স্মৃতি-বিচিত্ৰা* গ্ৰন্থখনৰ বিষয়বস্তু ঃ**

সতীশ চন্দ্ৰ কাকতীয়ে আত্মজীৱনৰ বিভিন্ন দিশৰ বৰ্ণনা আত্মজীৱনীমূলক লেখাসমূহত বৰ্ণনা কৰিছে। তাৰ ভিতৰত *স্মৃতি-বিচিত্ৰা* পুথি আকাৰে ৰচনা কৰা আত্মজীৱনীমূলক ৰচনা। *স্মৃতি-বিচিত্ৰা* সতীশ চন্দ্ৰ কাকতীৰ এখন সাংবাদিক জীৱনৰ স্মৃতিলেখা। গ্ৰন্থখনত লেখকৰ একাষাৰত তেওঁ লিখিছে— "*স্মৃতি বিচিত্ৰা* আত্মজীৱনীমূলক গ্ৰন্থ নহয়। জীৱনৰ পৰা পঞ্চাছ বছৰৰো অধিক কাল মই সাংবাদিকতাৰ লগত নিৰৱিচিন্নভাৱে জড়িত আছিলোঁ আৰু মোৰ কৰ্মক্ষেত্ৰৰ কৰ্মই একাধিকবাৰ বিদেশ ভ্ৰমণ কৰিবলৈও সুযোগ আনি দিছিল। সাংবাদিক জগতত খোজ কাঢ়োতেও বহু নেতৃত্বস্থানীয় আৰু স্বনামধন্য ব্যক্তিৰ লগত মোৰ যোগাযোগ আৰু বন্ধুত্বও গঢ়ি উঠিছিল। সেইসকল ব্যক্তিৰ সান্নিধ্যৰপৰা পোৱা অভিজ্ঞতা আৰু বিদেশ ভ্ৰমণৰ স্মৃতিৰেই মোৰ এই *স্মৃতি-বিচিত্ৰা*।"

১৯৯২ চনত সাহিত্য প্ৰকাশৰ পৰা প্ৰকাশিত সতীশ চন্দ্ৰ কাকতীৰ *স্মৃতি-বিচিত্ৰা* অসমীয়া ভাষাত ৰচিত সাংবাদিকৰ তৃতীয়খন স্মৃতিলেখা। অৰ্থাৎ, লক্ষ্মীনাথ ফুকনৰ ১৯৬২ প্ৰকাশিত *মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ* আৰু ১৯৮৯ প্ৰকাশিত হোমেন বৰগোহাঞিৰ *মোৰ সাংবাদিক জীৱন*ৰ পিছতেই এইখন স্মৃতিলেখাক স্থান দিব পাৰি।

স্মৃতিলেখাখনত লেখকে ৭৫ বছৰীয়া জীৱনৰ বিভিন্ন অভিজ্ঞতা সামৰি ৰচনা কৰিছে। লগতে ৪১ বছৰ নিয়োজিত হৈ থকা সাংবাদিক জীৱনৰ বিভিন্ন তিতা-মিঠা স্মৰণীয় ঘটনাৰে গ্ৰন্থখন সমৃদ্ধ। বিশেষতঃ ১৯৩৪ চনত প্ৰথমবাৰৰ বাবে গান্ধীক দৰ্শন, অসমক কুখ্যাত কানিংহাম চাৰ্কুলাৰ বলবৎ হোৱাত শিক্ষা জগতত তথা ছাত্ৰ-সমাজৰ প্ৰত্যাহ্বান, ১৯৩০ চনত চাৰ্কুলাৰক্ৰমে স্কুল ত্যাগ কৰি স্বাধীনতা সংগ্ৰামত জড়িত হোৱা আৰু ভলন্টিয়াৰ হৈ গাঁৱে গাঁৱে Liberty, Equality আৰু Fraternityৰ বাণী প্ৰচাৰ কৰা, কানি ভাঙৰ বিৰুদ্ধে প্ৰচাৰ, ১৯৩০ চনত গুৱাহাটীৰ ফাঁচী বজাৰত বিদেশী কাপোৰৰ দোকানৰ সন্মুখত পিকেটিং কৰাৰ দোষত কাৰাবৰণ কৰা, জেলত খাদ্যৰ অত্যন্ত নিম্নগামী হোৱাৰ প্ৰতিবাদৰূপে আমৰণ অনশন কৰা, দৈনিক ইংৰাজী কাকত 'হিন্দুস্থান ষ্টেণ্ডাৰ্ড'ৰ গুৱাহাটীৰ সাংবাদদাতা হিচাপে কামত নিয়োগ, ১৯৩৬ চনত বি-এ পৰীক্ষাত উৰ্ত্তীণ হৈ গংগাপুখুৰী হাইস্কুলত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰ কামত যোগদান, ১৯৩৭ চনত কলিকতাৰ পৰা প্ৰকাশিত 'দ্য হিন্দু ষ্টেণ্ডাৰ্ড'ৰ গুৱাহাটীৰ সাংবাদিক হিচাপে যোগদান, গোপীনাথ বৰদলৈৰ কথামতে অসম চৰকাৰৰ প্ৰচাৰ বিভাগৰ সহকাৰী অধীক্ষক হিচাপে যোগদান, ১৯৫১ চনত চৰকাৰী চাকৰি এৰি দি 'আছাম ট্ৰিবিউন'ৰ সহকাৰী সম্পাদকৰ কামত যোগদান, মিজোৰামৰ বিদ্ৰোহ, ১৯৬৪ চনত 'আছাম ট্ৰিবিউন'ৰ সম্পাদক হিচাপে যোগদান, বিট্ৰিছ চৰকাৰৰ আমন্ত্ৰনক্ৰমে ব্ৰিটেইন ভ্ৰমণ, মাৰ্কিন যুক্তৰাষ্ট্ৰৰ আৰু জাৰ্মানী ভ্ৰমণ, 'অসমবাণী'ৰ সম্পাদকৰূপে সংবাদকৰ্ম, অসম বিভাজন আদিৰ নিখুঁতভাৱে স্মৃতিলেখাখনত বিবৃত হৈছে।

*স্মৃতি-বিচিত্ৰা* গ্ৰন্থখন কিতাপ আকাৰেৰে প্ৰকাশ হোৱাৰ পূৰ্বে হোমেন বৰগোহাঞিয়ে সম্পাদনা কৰা আলোচনী 'সূত্ৰধাৰ'ত চোৱা-চোৱাকৈ প্ৰকাশ পাইছিল। *স্মৃতি-বিচিত্ৰা*ৰ ৰচনাৰ বিষয়ে লেখকে বৰ্ণনা দিছে এনেদৰে- "মোৰ স্মৃতি বিচিত্ৰা বৰ্ণনা কৰোঁতে পাৰ্যমানে স্মৃতিৰ সচাঁ বিৱৰণ দিবলৈ চেষ্টা কৰিছোঁ। এনে সাৱধানতা লোৱা সত্ত্বেও অ'ত-ত'ত দিন-বাৰ আৰু আন ধৰণৰ ভুল সোমাইছে আৰু মোৰ নিজৰ অসাৱধানতাবশতঃ। *উল্লেখ কৰা উচিত হ'ব যে মই কোনো ডায়েৰী ৰখা নাছিলোঁ। বোধহয় আমাৰ অসমীয়া সমাজত কম সংখ্যক লোকৰহে ডায়েৰী ৰখাৰ অভ্যাস আছে। কিন্তু বাতৰি কাকতৰ টুকুৰা আৰু মোৰ মনত লগা গ্ৰন্থ সংগ্ৰহ কৰোঁ আৰু তাক সযত্নে ৰাখোঁ, যিখিনি মোৰ স্মৃতিলেখাৰ সমল"।*[৩]

লেখকে এই স্মৃতিলেখা লিখাৰ প্ৰেৰণা লাভ সম্পৰ্কে বৰ্ণনা কৰিছে এনেদৰে-"মই মোৰ স্মৃতিকথা লিখি বছৰেল হ'বলৈ মৰসাহ কৰা নাই। অৱশ্যে মহৎ লোকৰ জীৱনী পঢ়ি তেনে ব্যক্তিৰ জীৱনী লিখিবলৈ মই কলেজৰ ছাত্ৰ জীৱনৰ পৰা চেষ্টা কৰি আহিছোঁ। তথাপি একাধিক শুভাকাংক্ষী বন্ধুৰ অনুৰোধ স্বত্বেও আজিলৈ মোৰ স্মৃতিকথা লিখাত আগবাঢ়িবলৈ মৰসাহ হোৱা নাছিল, কিন্তু এনে এজন বন্ধুৰ পৰা মই স্মৃতিলেখাৰ বাবে উৎসাহ পাইছোঁ যে এই কাম হাতত লবলৈ সাহ কৰিছোঁ। *বন্ধুজন অসমীয়া সাহিত্যৰ এজন লব্ধপ্ৰতিষ্ঠ লেখক আৰু নিৰ্ভীক সাংবাদিক মোৰ ভাতৃসদৃশ হোমেন বৰগোহাঞি। এওঁৰ অনুৰোধক্ৰমে মোৰ*

*স্মৃতিৰ কেইটামান বিক্ষিপ্ত ঘটনা নিবেদন কৰিবলৈ ওলোইছোঁ। ইয়াত কিঞ্চিৎমানো ৰহণ নাই বুলি ভাবোঁ। দিন-বাৰৰ ক'ৰবাত অলপ হেৰফেৰ হ'ব পাৰে।"*[৪]

**ঐতিহাসিক তথ্যৰ দলিল ৰূপে স্মৃতি বিচিত্ৰা ঃ**

সতীশ চন্দ্ৰ কাকতীৰ স্মৃতি-বিচিত্ৰা লেখকৰ সাংবাদিকতা জীৱনৰ বৰ্ণনাৰ লগতে বিভিন্ন ঐতিহাসিক ঘটনা-পৰিঘটনাৰে সমৃদ্ধ। বিশেষকৈ গ্ৰন্থখনত লেখক ছাত্ৰৱস্থাত থাকোঁতে স্বাধীনতা সংক্ৰান্তত আৰু সাংবাদিকতা বৃত্তিত জড়িত হোৱাৰ পাছত লাভ কৰা বিভিন্ন ঐতিহাসিক অভিজ্ঞতাৰ স্মৃতিচাৰণ কৰি পুথিখনত বৰ্ণনা কৰিছে।

গ্ৰন্থখনত বহুকেইটা প্ৰসংগত স্বাধীনতাৰ আন্দোলনৰ বিষয়ে প্ৰকাশ পাইছে। ১৯২১ চনৰ জুন নে জুলাই মাহত লেখক প্ৰাইমেৰী স্কুলৰ ছাত্ৰ হৈ থাকোঁতে এদিন 'হিন্দু-মুছলমান একে মায়েৰ সন্তান', 'মহাত্মা গান্ধী কি জয়', 'ভাৰত মাতা কি জয়' আদি স্বৰাজৰ ধ্বনি দি দহ-বাৰজন আদহীয়া মানুহ আহি লেখকৰ গাঁৱত সোমাইছিল। সেয়া আছিল লেখকৰ ভাৰতৰ স্বাধীনতাৰ প্ৰসংগত বাল্যকালৰ স্মৃতি।

গ্ৰন্থখনত ১৯২৬ চনৰ ডিচেম্বৰ মাহৰ ২৬ আৰু ২৭ তাৰিখে গুৱাহাটীৰ পাণ্ডুত অৱস্থিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৪১ সংখ্যক বাৰ্ষিক অধিবেশনৰ প্ৰসংগ বৰ্ণনা আছে। অধিৱেশনলৈ আলি ভাতৃদ্বয় মহম্মদ আলি আৰু চৌকত আলি অহাৰ লগতে অধিৱেশনৰ সভাপতিত্ব কৰিছিল এস. শ্ৰীনিবাস আয়েংগাৰে। হেজাৰ-বিজাৰ লোকৰণ্য হোৱা এই অভিৰেশনত হেৰাই যাব বুলিয়েই লেখক আৰু তেওঁৰ সমনীয়াসকলক সেই অনুষ্ঠানলৈ নিনিয়াৰ বিষয়ে গ্ৰন্থখনত বৰ্ণনা কৰিছে।

১৯৩৪ চনত মহাত্মা গান্ধীৰ তৃতীয়বাৰৰ অসম ভ্ৰমণৰ বৰ্ণনা পুথিখনত আছে। এইসময়ছোৱাতে লেখকে গান্ধীজীক গুবাহাটীৰ পাণবজাৰস্থিত হৰেকৃষ্ণ দাসৰ বাসভৱনত পোন প্ৰথমবাৰৰ বাবে লগ পাইছিল।লেখকে গান্দীজীৰ দৰ্শন লাভ কৰি তেওঁৰ ভৰি চুই সেৱা কৰিছিল যদিও গান্ধীজীয়ে এই কাম ভাল পচন্দ কৰা নাছিল। গ্ৰন্থখনত ১৯২৭ চনৰ ডিচেম্বৰ মাহত গুৱাহাটীত লতাশিল ফিল্ডত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ বছেৰেকীয়া অধিৱেশনৰ প্ৰসংগ উল্লেখ আছে। কানিংহাম চাৰ্কুলাৰ, অৰ্থাৎ, স্কুল-কলেজৰ ছাত্ৰসকলক স্বাধীনতা আন্দোলনৰ পৰা আঁতৰাই ৰাখিবলৈ বিট্ৰিছ চৰকাৰে জাৰি কৰা নিৰ্দেশনাৰ বিষয়ে উল্লেখ আছে। এই নিৰ্দেশনা জাৰি কৰাৰ পিছত লেখকে স্কুল এৰি সহপাঠীৰ সৈতে গুৱাহাটীৰ লক্ষ্মীধৰ বৰাৰ ঘৰৰ ভলন্টিয়াৰৰ অতিথিশালাত আৰু পৰৱৰ্তী সময়ত নবীনচন্দ্ৰ বৰদলৈৰ বাসভৱনৰ ওচৰৰ বিজয় চন্দ্ৰ ভাগৱতীৰ নামৰ খেৰীঘৰকেইটাত ভাৰাত ভলন্টিয়াৰ কেম্পত আছিল। অৱশ্যে তেওঁলোকে দিনতহে ভলন্টিয়াৰ কেম্পত আছিল, ৰাতি পুলিচে ভলন্টিয়াৰহঁতক ঘেৰাও কৰাৰ ভয়ত ওচৰৰ পৰিয়ালৰ ঘৰবোৰত ৰখাৰ ব্যৱস্থা কৰিৰিছিল। লেখক আৰু সমনীয়াবোৰে ভলন্টিয়াৰৰ তত্বাবধানত গাঁৱে গাঁৱে কংগ্ৰেছৰ কাৰ্যক্ৰম প্ৰচাৰ কৰিছিল। লগতে কামৰূপত কানি ভাঙৰ বিৰুদ্ধে দোকানসমূহৰ আগত পিকেটিং কৰিছিল।

১৯২১ চনৰ অসহযোগ আন্দোলনৰ বৰ্ণনা গ্ৰন্থখনত আছে। আন্দোলনৰ সময়ত পুলিচে আন্দোলনকাৰীক অমানুষিক অত্যাচাৰ কৰাত এই বিষয়ৰ তদন্তৰ বাবে গান্ধীয়ে ১৯২২ চনত ৰাজেন্দ্ৰ প্ৰসাদ আৰু মদনমোহন মালৱীয়ক পঠোৱাৰ বিষয়ে উল্লেখ আছে। এই আন্দোলনত দক্ষিণ কামৰূপৰ বহু বড়ো জনগোষ্ঠীৰ লোকে আন্দোলনৰ যোগদান কৰিছিল, সেই ঠাইৰ সংগঠকৰ কাম কৰিছিল তৰুণৰাম ফুকন আৰু গোপীনাথ বৰদলৈয়ে।

১৯৩০ চনত মহাত্মা গান্ধী অসমলৈ আহোতে তৰুণ ৰাম ফুকনৰ বাস গৃহত বিদেশী বস্ত্ৰ বৰ্জনৰ কথা বৰ্ণনা কৰিছে— *"সিদিনা আমি ফুকন ডাঙৰীয়াক দেখা কৰি যিটো ঘৰত কথা পাতিছিলোঁ, সেই ঘৰটোতেই ১৯২১ চনৰ আগষ্ট মাহত প্ৰথমবাৰৰ কাৰণে মহাত্মা গান্ধী অসমলৈ আহোতে গান্ধীজী আছিল আৰু তাৰ সমুখৰ বহল চৌহদত বিলাতী কাপোৰৰ প্ৰকাণ্ড দ'ম এটা দাহন কৰা হৈছিল। তাৰ বহ্নিশিখা তিনিদিনলৈ জ্বলি আছিল, তাৰ মানে অসমত মুক্তি আন্দোলনৰ পাতনি মেলা হৈছিল দেশভক্তৰ বাহিৰৰ সৰুঘৰ আৰু চৌহদত"।*[৫]

এই অসহযোগ আন্দোলনৰ অংশস্বৰূপে, বিদেশী কাপোৰৰ বৰ্জন কাৰ্যসূচীয়ে গুৱাহাটীত বিযেশ ৰূপ ধাৰণ লৈছিল। গুৱাহাটীৰ অন্যতম বাণিজ্যিক অঞ্চল ফাঁচী বজাৰৰ ছাত্ৰনেতা, স্বেচ্ছাসেৱক আৰু সাধাৰণ নাগৰিকে পিকেটিং কৰাৰ বিষয়ে গ্ৰন্থখনত বৰ্ণনা কৰিছে। গুৱাহাটীৰ ফাঁচী বজাৰৰ দোকানৰ সন্মুখত পিকেটিং কৰি লেখকে তিনিমাহ কাৰাদণ্ড ভুগিছিল।

সতীশ চন্দ্ৰ কাকতীয়ে কলিকতাত থাকোঁতে ঘটা এটা বিশ্ববিখ্যাত ঘটনাৰ বিষয়ে গ্ৰন্থখনৰ বৰ্ণনা কৰিছে। ইংলেণ্ডৰ ৰজা অষ্টম এডৱাৰ্ডে প্ৰেমৰ বাবে ১৯৩৬ চনত ৰাজ সিংহাসন পৰিত্যাগ কৰিবলৈয়ো কুণ্ঠাবোধ কৰা নাছিল। ই আধুনিক বিট্ৰিছ ইতিহাসৰ আটাইতকৈ ডাঙৰ ৰাজনৈতিক

আৰু সাংস্কৃতিক ঘটনা। ৰজাই সাধাৰণ শ্ৰেণীৰ ছিম্ছন নামৰ সমবয়স্কা নাৰীৰ প্ৰেমত পৰি বিবাহপাশত প্ৰতিশ্ৰুতিবদ্ধ হৈছিল, অথচ ধৰ্ম আৰু ৰাজতন্ত্ৰৰ বিধি অনুসৰি কোনো বিট্ৰিছ ৰজা তথা বংশধৰে সাধাৰণ শ্ৰেণীৰ মানুহৰ লগত বিয়া কৰোৱাতো নিষিদ্ধ আছিল আৰু এডৱাৰ্ডৰ এই সিদ্ধান্তই বিট্ৰেইনত এটা অভাবনীয় ৰাজনৈতিক সংকটৰ সৃষ্টি হৈছিল। এই ঘটনাৰ বাতৰিটো বাতৰি কলিকতাৰ 'ষ্টেটছমেন' কাকতে সদায় সন্ধিয়া ষ্টেটছমেন হাউছৰ সন্মুখত বিজুলী চালিত যন্ত্ৰৰ দ্বাৰা প্ৰদৰ্শন কৰিছিল।

গ্ৰন্থখনত ১৯৪৬ চনৰ ৯ জানুৱাৰীত চতুৰ্থবাৰৰ বাবে মহাত্মা গান্ধী অসমলৈ অহাৰ বিষয়ে বৰ্ণনা আছে। ১৬ মে'ৰ বিট্ৰিছ মন্ত্ৰীসভাৰ প্ৰস্তাৱৰ যোগেদি বিট্ৰিছ চৰকাৰে ভাৰতবাসীৰ হাতত ক্ষমতাৰ হস্তান্তৰ কাৰণে প্ৰস্তাৱ উত্থাপন কৰিছিল। এই প্ৰস্তাৱ ব্ৰিটিছ মন্ত্ৰীসভাৰ প্ৰস্তাৱ তথা ক্ৰিপ্‌ট প্ৰস্তাৱ বুলি জনাজাত, যি প্ৰস্তাৱৰ যোগেদি ব্ৰিটিছ চৰকাৰে 'ক', 'খ' আৰু 'গ' নামৰ গ্ৰুপিং ব্যৱহাৰেৰে ভাৰতবৰ্ষক কাৰ্যতঃ বিভাজন কৰিবলৈ মনস্থ কৰিছিল। এই ব্যৱস্থাৰ আছিল ব্ৰিটিছ চৰকাৰে ভাৰতক স্বাধীনতা দিয়াৰ আগতে দেশখনক তিনিটা অংশত বিভাজন কৰাৰ এক পৰিকল্পনা। ইয়াৰ উদ্দেশ্য আছিল হিন্দু-মুছলমানৰ মাজত মতভেদ সমাধান কৰা আৰু উভয়কে সমান সুযোগ দিয়াৰ ব্যৱস্থা হ'ব। ইয়াৰ জৰিয়তে ব্ৰিটিছসকলে ভাৰতক বিভাজন নকৰি একেলগে ৰাখিবলৈ চেষ্টা কৰিছিল। মুছলীম লীগে এই ব্যৱস্থা ভাল নোপোৱাৰ কাৰণ পাকিস্তান গঠনৰ বাবে ই সুবিধাজনক নাছিল। এই প্ৰস্তাৱ অসমৰ পক্ষে এটা ষড়যন্ত্ৰমূলক ব্যৱস্থা আছিল। পিছে এই ব্যৱস্থা সফল হোৱা নাছিল। হিন্দু-মুছলমানৰ মাজত মতভেদ বাঢ়ি অহাৰ ফলত শেষত ১৯৪৭ চনত ভাৰত বিভাজন ঘটিল।

গ্ৰন্থখনত অসম আৰু পাকিস্তানৰ সীমান্ত সংক্ৰান্ত সমস্যাত মুছলিম লীগৰ ভূমিকা সম্পৰ্কে উল্লেখ আছে। ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত আৰু ঠিক ভাৰত বিভাজনৰ পিছত গাৰো পাহাৰ আৰু পূব পাকিস্তানৰ ৰংপুৰ সীমান্তৱৰ্তী অঞ্চলত সৃষ্টি হোৱা উত্তেজনাৰ সৃষ্টি হৈছিল। মুছলিম লীগৰ অসম শাখাৰ সভাপতি নেতা মৌলানা আব্দুল হামিদ ভাসানীয়ে ৰংপুৰৰ মুছলমানসকলক গাৰো পাহাৰত সোমাবলৈ উৎসাহ দিয়াৰ লগতে পাকিস্থানত অসমক অৰ্ন্তভুক্ত কৰিবলৈ আন্দোলন আৰম্ভ কৰিছিল। ১৯৩৮-৩৯ চনৰ ভিতৰত অসম কংগ্ৰেছ চৰকাৰৰ অধীনত থকাৰ সময়ত মুছলিম লীগৰ সভাপতি মৌলানা আব্দুল হামিদ ভাছানীৰ নেতৃত্বত মুছলিম লীগে ট্ৰাইবেল ব্লক(সংৰক্ষিত জনজাতীয় ভূমি) ভংগ কৰি সেই ব্লকবোৰত পমুৱা মুছলমানক বহুৱাবলৈ প্ৰয়াস কৰিছিল। কংগ্ৰেছ চৰকাৰে মুছলিম লীগৰ এই কাৰ্যক অসমত মুছলিম লীগৰ প্ৰভাৱ সম্প্ৰসাৰণৰ ৰাজনৈতিক প্ৰয়াস বুলি বুজি পাইছিল। অসমৰ প্ৰধানমন্ত্ৰী (মুখ্যমন্ত্ৰী)গোপীনাথ বৰদলৈয়ে এনে কাৰ্যৰ বাবে ভাসানীক গেপ্তাৰ কৰি আইন-শৃংখলা বজাই ৰখাৰ লগতে জনজাতীয় অঞ্চল সুৰক্ষাৰ বাবে পদক্ষেপ লৈছিল।

১৯৬৫ চনত অসমৰ পৰা পৰা পাৱৰ্ত্য জিলাকেইখন বিচিন্ন কৰাৰ প্ৰচেষ্টাই অসমৰ ভিতৰত এক গুৰুত্বপূৰ্ণ ৰাজনৈতিক আৰু সামাজিক আন্দোলনৰ সূচনা কৰিছিল। ১৯৬৬ চনত মিজোনেশ্যনেল ফ্ৰন্ট (Mizo National Front-MNF) নামৰ সংগঠনে ভাৰত চৰকাৰৰ বিৰুদ্ধে এটা সশস্ত্ৰ বিদ্ৰোহ আৰম্ভ কৰিছিল। এই বিদ্ৰোহৰ মূল কাৰণ আছিল Mizo National Front ৰ নেতৃত্বত হোৱা অসন্তোষ আৰু দাবীসমূহ। মিজোৰাম অঞ্চলত উন্নয়ন আৰু প্ৰসাশনৰ ক্ষেত্ৰত অৱহেলা হোৱা বুলি স্থানীয় লোকে অনুভৱ কৰিছিল। বিশেষকৈ ১৯৫৯ চনৰ মাউতাম দুৰ্ভিক্ষৰ সময়ত চৰকাৰৰ সহায় যথেষ্ট নহ'ল বুলি স্থানীয় লোকে অনুভৱ কৰিছিল, যাৰ ফলত ক্ষোভ বাঢ়ি গৈছিল। ইয়াৰ উপৰিও, কিছুমান মিজো লোকে ভাৰতৰ পৰা পৃথক হৈ নিজস্ব দেশ গঢ়াৰ দাবী তুলিছিল। এই সকলোবোৰ কাৰণ মিলি ১৯৬৬ চনত মিজো বিদ্ৰোহ আৰম্ভ হৈছিল আৰু ১৯৮৭ চনত মিজোৰামৰ গঠন হয়।

গ্ৰন্থখনত ১৯৬২ চনৰ চীন-ভাৰতৰ যুদ্ধৰ বিষয়ে বৰ্ণনা আছে। এই আক্ৰমণৰ ফলত অসমত সৃষ্টি হোৱা সন্ত্ৰাসৰ পৰিস্থিতিৰ বিষয়ে বৰ্ণনা কৰিছে। এই আক্ৰমণৰ ফলস্বৰূপে নেফা তথা বৰ্তমানৰ অৰুণাচল প্ৰদেশৰ কেইবাশ মানুহ আহি গুৱাহাটীস্থিত কলেজিয়েট স্কুলত আশ্ৰয় লৈছিলহি। প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৰ নিৰ্দেশক্ৰমে ১৯৬২ চনৰ ১১ নৱেম্বৰৰ দিনা পুৱা ভাগত নতুন দিল্লীৰ পৰা বিশেষ বিমানযোগে পাঁচজন কেন্দ্ৰীয় নেতা — লালবাহাদুৰ শাস্ত্ৰী, ইন্দিৰা গান্ধী, কেশৱদেও মালব্য, অতুল্য ঘোষ আৰু বিজু পাটনায়ক গুৱাহাটীত উপস্থিত হৈছিলহি। চীন চৰকাৰে একপক্ষীয়ভাৱে তেওঁলোকৰ সৈন্য অপসাৰণ কৰাত ২০ নৱেম্বৰত পৰিস্থিতিৰ শাম কাটে।

এনেদৰে গ্ৰন্থখন অসম, ভাৰতবৰ্ষ তথা বিশ্বৰ বিভিন্ন ঐতিহাসিক ঘটনা-পৰিঘটনাৰে সমৃদ্ধ। গ্ৰন্থখনত প্ৰকাশিত

ঐতিহাসিক তথ্য সম্পৰ্কে সাংবাদিক ৰাধিকামোহন গোস্বামীয়ে উল্লেখ কৰা মতে '*স্মৃতি-বিচিত্ৰা* অসমীয়া আঠৈ কুৰিৰ ওপৰৰ আত্মজীৱনীমূলক গ্ৰন্থবিলাকৰ ভিতৰত এক ভিন্নধৰ্মী উল্লেখযোগ্য আত্মজীৱনী। কাকতীৰ সুদীৰ্ঘ সক্ৰিয় সামাজিক জীৱনৰ পাতনিৰে পৰা পূৰ্ণাংগ পৰ্যায়লৈকে বিচিত্ৰ ধৰণৰ অভিজ্ঞতাই তেওঁৰ জ্ঞানান্বেষণৰ পৰিপুষ্টি সাধন কৰাৰ লগতে অসমৰ ৰাজনৈতিক, সামজিক, সাংস্কৃতিক জীৱনৰ বিশেষকৈ ৰাজনৈতিক ইতিহাসৰ গুৰুত্বপূৰ্ণ তথ্য *স্মৃতি-বিচিত্ৰাই* বহন কৰাত এইখন এক মূল্যৱান সামাজিক দস্তাবেজ ৰূপেই স্বীকৃতি হ'বৰ যোগ্য। কাকতীৰ স্মৃতি-বিচিত্ৰা দৰাচলতে অসমৰ এগৰাকী দিক্‌পাল স্বৰূপ সাংবাদিকৰ হ বল পৰিসৰৰ এক জীৱনবৃত্ত কিম্বা আত্মজীৱনী—*যি সাংবাদিকৰ জীৱনৰ দৰেই ৰোমাঞ্চ আৰু চেলেঞ্জেৰে পৰিপূৰ্ণ হৈ ৰসাল আৰু বৈশিষ্ট্যপূৰ্ণ নিশ্চয়'*।[৬]

**সাংবাদিক জীৱনৰ অভিজ্ঞতাৰ প্ৰতিফলন ঃ**

গ্ৰন্থখনত লেখকে তেওঁৰ একচল্লিশ সাংবাদিক জীৱনত লাভ কৰা বিভিন্ন অভিজ্ঞতাৰ লগতে লেখকে সাংবাদিকতা বৃত্তিত জড়িত থকা সময়ৰ সমসাময়িক সংবাদ জগতৰ বিভিন্ন তথ্য প্ৰকাশ কৰিছে। লেখকে 'হিন্দুস্থান ষ্টেণ্ডাৰ্ড', 'দ্য ষ্টেটছমেন', 'আনন্দ বাজাৰ পত্ৰিকা', 'দ্য আসাম ট্ৰিবিউন', 'অসমবাণী' কাকতৰ লগত নিয়োজিত হৈ সাংবাদিক হিচাপে আত্ম প্ৰতিষ্ঠা লাভ কৰি অসম, ভাৰতবৰ্ষৰ আৰু বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ সংবাদ মাধ্যমৰ অভিজ্ঞতা লাভ কৰিছে।

গ্ৰন্থখনত লেখকৰ নিজা সাংবাদিক জীৱনৰ অভিজ্ঞতা বৰ্ণনা কৰাৰ লগতে সমসাময়িক আন আন সাংবাদিক সকলৰ বিষয়েও বৰ্ণনা কৰিছে। উদাহৰণস্বৰূপে— দেৱকান্ত বৰুৱা, সুৰেশচন্দ্ৰ ভট্টাচাৰ্য, লক্ষ্মীনাথ ফুকন, অম্বিকাগিৰী ৰায়চৌধুৰী, আক্ৰাম হুছেইন, হৰেন্দ্ৰ নাথ বৰুৱা, তিলক হাজৰিকা,নিৰোদ চৌধুৰী, মনিকা বৰুৱা আদি সাংবাদিক বিষয়েও উল্লেখ কৰাৰ লগতে প্ৰসংগক্ৰমে চমুকৈ আলোচনা কৰিছে।

সতীশ চন্দ্ৰ কাকতীৰ *স্মৃতি বিচিত্ৰা* ত ভাৰতত স্বাধীনতা পূৰ্বৱতী আৰু পৰৱৰ্তী সাংবাদিকতাৰ বিষয়ে কিছু তথ্য উল্লেখ কৰিছে। তেওঁ উল্লেখ কৰা মতে স্বাধীনতাৰ পূৰ্বে সমগ্ৰ ভাৰতবৰ্ষতে 'সাংবাদিকতা' বুলি কোনো বৃত্তি নাছিল। ব্ৰিটিছ মালিকীস্বত্বত পৰিচালিত লক্ষ্ণৌৰ 'দ্য পায়োনিয়াৰ', 'বম্বেৰ টাইমছ অৰ ইণ্ডিয়া', 'মাদ্ৰাছাৰ দ্য মেইল', কলিকতাৰ 'দ্য ষ্টেটছমেন' আদিৰ বাহিৰে ভাৰতৰ আন আন সংবাদ পত্ৰবোৰ সম্পূৰ্ণভাৱে জাতীয়তাবাদী আদৰ্শৰ আছিল, দেশৰ স্বাধীনতাকেই এইসমূহ বাতৰি কাকতে লক্ষ্য হিচাপে গ্ৰহণ কৰিছিল। কাকতসমূহৰ স্বত্বাধিকাৰী আৰু কৰ্মী উভয়ে সাংবাদিকতাক বৃত্তি হিচাপে নলৈ মিছন বুলি গ্ৰহণ কৰিছিল। ভাৰতৰ স্বাধীনতা পৰৱৰ্তী কালছোৱাত ভাৰতত সংবাদিকতা আৰু সংবাদপত্ৰ পৰিচালনা মিছনৰ পৰিৱৰ্তে এটা সন্মানজনক বৃত্তিলৈ পৰিণত হৈছেআৰু দেশৰ গণতন্ত্ৰ আৰু সামাজিক জীৱনত ইয়াৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে।

গ্ৰন্থখনত খনত লেখকে এটা প্ৰসংগত বিট্ৰেইনৰ সংবাদ জগতখনৰ চিত্ৰণ দাঙি ধৰিছে। তেওঁ বৰ্ণনা কৰা মতে ব্ৰিটেইনৰ জনসাধাৰণৰ খুব বাতৰিকাকত পঢ়াৰ অভ্যাস আছে। মানুহবোৰে বাটে-ঘাটে, ট্ৰেইন, বাছ, মাটিৰ তলেৰে যোৱা ৰে'ল, হোটেল, ৰেষ্টুৰাঁ সকলোতে বাতৰিকাকত বা আলোচনী পঢ়িছিল। বিট্ৰেইনত বাতৰিকাকতৰ সংখ্যা আৰু চাৰ্কুলেচন বেছি হোৱাৰ মুখ্য কাৰণ হৈছে শিক্ষিতৰ হাৰ শতকৰা এশজন হোৱাৰ উপৰি, এটা পৰিয়ালৰ প্ৰত্যেকজন ব্যক্তিয়ে নিজৰ অভিৰুচি মতে এখন বাতৰি কাকত বা আলোচনী লয়। লেখকে ১৯৫৯ চনত ব্ৰিটেইন ভ্ৰমণৰ বাবে যাওঁতে ১৫০ খন মান দৈনিক আৰু দেওবৰীয়া বাতৰিকাকত আছিল। তাৰ ভিতৰত ১৬ খন কাকত একমাত্ৰ লণ্ডন চহৰত প্ৰকাশ হোৱাৰ লগতে সন্ধিয়া তিনিখন আৰু দেওবাৰে এঘাৰখন বাতৰিকাকত প্ৰকাশ হয়। তাৰ উপৰি বিভিন্ন বিষয়ৰ যেনে খেলা-ধূলা, সংস্কৃতি, মহিলা আনকি ধৰ্মবিষয়কে ধৰি উন্নত ধৰণৰ ১৩০০ খন সাপ্তাহিক ইংৰাজী ভাষাৰ কাকত আছিল। ভাৰতৰ আৰু বিলাতৰ বাতৰি কাকতৰ মাজত পাৰ্থক্য উল্লেখ কৰি লেখক কয় যে—সেইসমূহ ঠাইত বাতৰি পৰিৱেশনত ভাৰতৰ সৈতে বিশেষ পাৰ্থক্য পৰিলক্ষিত হৈছিল। 'টাইম্‌ছ', 'গাৰ্ডিয়ান', 'অব্‌জাৰভাৰ', 'ডেইলী টেলিগ্ৰাফ', 'ডেইলী মেইল' নামৰ বাতৰিকাকতখনৰ বাহিৰে তাৰ বেছিভাগ বাতৰি কাকতে চাঞ্চল্যকৰ বাতৰি প্ৰকাশ কৰে। সংবাদসমূহ সাধাৰণ পঢ়ুৱৈয়ে আমোদ পোৱাকৈ প্ৰস্তুত কৰিছিল। বিবাহ-বিচ্ছেদ, চুৰি ডকাইতি, আত্মহত্যা, ৰাজনৈতিক কেতবোৰ বাতৰি সাধাৰণ পঢ়ুৱৈৰ চকুত লগাকৈ পৰিৱেশন কৰে। গ্ৰন্থখনত ৱাশ্বিংটনস্থিত নেশ্যনেল প্ৰেছ ক্লাবত ১৯৬০

চনলৈকে মহিলা সাংবাদিকৰ প্ৰৱেশত বাধা থকা বিষয়টো অসমৰ বৰপেটা সত্ৰত নাৰীৰ প্ৰৱেশ নিষেধৰ লগত তুলনা কৰিছে।

গ্ৰন্থখনত বিভিন্ন প্ৰসংগত জনসাধাৰণৰ আগত তথ্য প্ৰকাশ কৰাৰ ফলত সংবাদকৰ্মীৰ জীৱন ৰক্ষাৰ সংকট সম্পৰ্কে প্ৰকাশ পাইছে। ১৯৬৫ চনত অসমৰ পাৰ্বত্য জিলাকেইখনৰ বিভাজনৰ বাবে হোৱা আন্দোলনত 'দি আছাম ট্ৰিবিউন' কাকতখনে আন্দোলনৰ বিৰুদ্ধে জনমত গঠন কৰিছিল। এই কৰ্মৰ বাবে লেখকলৈ চিঠিৰ জৰিয়তে লেখকক প্ৰাণ নাশৰ ভাবুকি দিছিল। ঠিক সেইদৰে মিজোৰাম বিদ্ৰোহৰ সময়ত লেখকলৈ প্ৰাণনাশৰ ভাবুকি দি বেনামী চিঠি আহিছিল।

**উপসংহাৰ ঃ**

*স্মৃতি-বিচিত্ৰা গ্ৰন্থখন* অসমীয়া সাহিত্যৰ প্ৰসিদ্ধ আত্মজীৱনীমূলক গ্ৰন্থসমূহৰ আন্যতম। এই গ্ৰন্থখনত লেখকে নিজৰ সাংবাদিৰ জীৱনৰ তিতা-মিঠা অভিজ্ঞতা আৰু সংবাদিক জীৱনত বিভিন্নজনৰ পৰা লাভ কৰা অভিজ্ঞতাক সামৰি গ্ৰন্থখন ৰচনা কৰিছে। কিন্তু সমগ্ৰ গ্ৰন্থখন অধ্যয়নৰ অন্তত আমি সিদ্ধান্তত উপনীত হৈছো যে— স্মৃতি-বিচিত্ৰা সতীশ চন্দ্ৰ কাকতীৰ এখন স্মৃতিলেখা। কিয়নো স্মৃতিলেখাখনত লেখকৰ সমগ্ৰৰে জীৱনৰ বিপৰীতে সাংবাদিক জীৱনৰ সময়ছোৱাই অধিক গুৰুত্ব লাভ কৰিছে। আত্মজীৱনীৰ এটা সমগোত্ৰীয় শাখা স্মৃতিলেখাৰ কেইবাটাও বিশেষত্ব গ্ৰন্থখনত ফুটি উঠিছে। স্মৃতি-বিচিত্ৰা অসমৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক জীৱনৰ বিশেষকৈ ৰাজনৈতিক ইতিহাসৰ তথ্যৰে সমৃদ্ধ এখন মূল্যৱান সামাজিক দস্তাবেজ ৰূপে স্বীকৃত হ'বৰ যোগ্য গ্ৰন্থ। ❑

**প্ৰসংগ সূত্ৰ ঃ**

১। দেৱভূষণ বৰা, *নিৰ্বচন সাহিত্য পাঠৰ আলোচনা*, পৃ.৪৫
২। সমীন কলিতা, *উত্তৰ পূৰ্বাঞ্চলৰ দুশগৰাকী জেষ্ঠ সাংবাদিক*, পৃ.৫
৩। দিলীপ কুমাৰ কাকতী, *সতীশ চন্দ্ৰ কাকতী ৰচনাৱলী*, পৃ.৫১
৪। *উল্লিখিত*,পৃ.৩২
৫। *উল্লিখিত*, পৃ.৩৫
৬। *উল্লিখিত*, পৃ.১৫

**গ্ৰন্থ পঞ্জী ঃ**

**অসমীয়া**

**মূল গ্ৰন্থঃ**

কাকতি, দিলীপ কুমাৰ ঃ *সতীশ চন্দ্ৰ কাকতী ৰচনাৱলী*, কথা, গুৱাহাটী, প্ৰথম, ২০১২

**সহায়ক গ্ৰন্থঃ**

কলিতা, সমীনঃ *উত্তৰ পূৰ্বাঞ্চলৰ দুশগৰাকী জেষ্ঠ সাংবাদিক*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, প্ৰথম, জুলাই,
দাস, অমল চন্দ্ৰঃ *অসমীয়া জীৱনী আৰু আত্মজীৱনী অধ্যয়ন*, পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী, মাৰ্চ, ২০১৮
বৰা, দেৱভূষণ ঃ *নিৰ্বচন সাহিত্য পাঠৰ আলোচনা*, বান্ধৱ, দ্বিতীয়, ডিচেম্বৰ, ২০২৩
মৰাণ, মন্টু ঃ *ভাষা সাহিত্য সংস্কৃতিত এভুমুকি*, সোণালী জয়ন্তী উদ্‌যাপন সমিতি, ন-তালপাৰ প্ৰাথমিক বিদ্যালয়, প্ৰথম, জানুৱাৰী, ২০২১
শৰ্মা, গোবিন্দ প্ৰসাদ ঃ *জীৱনী আৰু আত্মজীৱনী, অসমীয়াত আৰু পাশ্চাত্যত*, বলনতা, গুৱাহাটী, ফেব্ৰুৱাৰী, ২০১৯

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945

Peer Reviewed Journal
[UGC-CARE Listed]

# মিচিং ভাষা চৰ্চা ঃ এটি আলোচনা



**ড° ৰিন্‌চিন্ বৰুৱা**

প্ৰকল্প সহযোগী
আইআইটি, গুৱাহাটী-৭৮১০৩৯
৭০০২২০৪০০৬
rincinboruah@gmail.com



**ড° দিলীপ ৰাজবংশী**

সহযোগী অধ্যাপক, অসমীয়া বিভাগ
কটন বিশ্ববিদ্যালয়, গুৱাহাটী-৭৮১০০১
৯৪৩৫০৯৪৬৬৩
drajbangshi1987@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

ভাষা জাতি একোটাৰ পৰিচয়। ভাষাই একোটা জাতিৰ ধৰ্ম, সাহিত্য, সংস্কৃতি আদি সকলোবোৰ উপাদানৰ প্ৰতিনিধিত্ব কৰে। একোটা ভাষাক পূৰ্ণপৰ্যায়ত সুৰক্ষিত কৰি ৰাখিবৰ বাবে সেই নিৰ্দিষ্ট ভাষাটো কওঁতা লোকৰ সংখ্যা অধিক হোৱাৰ লগতে সেই ভাষাত ভাষা-সাহিত্যৰ চৰ্চাও সমানে অব্যাহত থাকিব লাগে। এই দৃষ্টিকোণৰ পৰা চালে অসমৰ মিচিং সম্প্ৰদায়ৰ ভাষা আৰু সাহিত্যপ্ৰেমী লেখকসকলৰ সহযোগত বৰ্তমান মিচিং ভাষা কিছুপৰিমাণে হ'লেও উন্নতিৰ শিখৰত ধাৱমান হোৱা দেখিবলৈ পোৱা গৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ অধিকাংশ জনজাতীয় ভাষাই লিপিহীন হোৱাৰ হেতু এই ভাষাসমূহৰ চৰ্চা তথা সংৰক্ষিত কৰি ৰখাৰ ক্ষেত্ৰত কিছু সমস্যাৰ সন্মুখীন হয়। এনে ভাষাসমূহ নিৰ্দিষ্ট সম্প্ৰদায়সমূহৰ মাজত কথিত ৰূপতহে ব্যৱহাৰ হৈ থাকে। মিচিং ভাষাৰো নিজা লিপি নাই। বৰ্তমান এওঁলোকে ৰোমান লিপিকে নিজস্ব লিপি হিচাপে গ্ৰহণ কৰিছে যদিও কিছুসংখ্যক মিচিং লেখকে এতিয়াও অসমীয়া লিপিৰেই ভাষা-সাহিত্যৰ চৰ্চা কৰি অহা দেখিবলৈ পোৱা গৈছে। এওঁলোকে মিচিং আৰু অসমীয়া উভয় ভাষাতে নিজস্ব ভাষা-সাহিত্যৰ চৰ্চা অব্যহত ৰাখিছে। মিচিং ভাষা চৰ্চাৰ ক্ষেত্ৰত খ্ৰীষ্টিয়ান মিছনেৰীসকলেও যথেষ্ট অৱদান আগবঢ়াই থৈ গৈছে। এওঁলোকৰ পৰৱৰ্তী কালত নাহেন্দ্ৰ পাদুন, টাবু টাইদৰ দৰে মিচিং সমাজৰ পুৰূধা ব্যক্তিসকলৰ প্ৰচেষ্টাতেই মিচিং ভাষাই অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে। এই দুজন ব্যক্তিৰ উদ্যোগতেই ১৯৬৮ চনত মিচিং ভাষাৰ চিন্তা-চৰ্চাৰ উদ্দেশ্যে 'গুৱাহাটী মিচিং কৌবাং' নামেৰে এটি সংগঠন আনুষ্ঠানিকভাৱে সংগঠিত হয়। এওঁলোকে ভাষাটোৰ উন্নতিৰ স্বাৰ্থত লোৱা অগ্ৰণী ভূমিকাৰ ফলশ্ৰুতিতেই পৰৱৰ্তী পৰ্যায়ত ১৯৭২ চনত শিৱসাগৰৰ দিচাংমুখত 'মিচিং আগম কৌবাং' নামেৰে মিচিং সাহিত্য সভাৰ সৃষ্টি হয়। এই মিচিং আগম কৌবাঙেই আছিল মিচিং ভাষা সাহিত্য চৰ্চাৰ মূল কেন্দ্ৰস্বৰূপ। মিচিং আগম কৌবাং তথা মিচিং সাহিত্য সভা গঠিত হোৱাৰ পিছৰ পৰাই মিচিং ভাষাপ্ৰেমী আৰু সাহিত্যপ্ৰেমী লোকসকলে মিচিং ভাষা, সমাজ-সংস্কৃতি, লোকসাহিত্য আদি বিভিন্ন বিষয়ক পুথি প্ৰণয়ন কৰি মিচিং ভাষা-সাহিত্যৰ চৰ্চা অব্যাহত ৰাখিছে। খ্ৰীষ্টিয়ান মিছনেৰীসকলেও ৰোমান লিপিতেই মিচিং ভাষা-সম্পৰ্কীয় কেইবাখনো মূল্যবান গ্ৰন্থ লিখি মিচিং ভাষালৈ বিশেষ অৱদান আগবঢ়াই থৈ গৈছে। এই আলোচনাত প্ৰধানকৈ মিচিং ভাষাৰ চৰ্চা আৰু মিচিং ভাষাৰ ব্যাকৰণ, অভিধান, শব্দভাণ্ডাৰ বিষয়ক পুথি-পাজিসমূহৰ বিষয় উপস্থাপন কৰা হ'ব।

***বীজ শব্দ ঃ***

মিচিং ভাষা, ব্যাকৰণ, অভিধান, শব্দভাণ্ডাৰ বিষয়ক পুথি।

**০.০০ অৱতৰণিকা ঃ**

বিভিন্ন ভাষা-ভাষী লোকৰ সমাগমস্থলী অসম ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ এখন অন্যতম ৰাজ্য। অসমত বহু পূৰ্বৰে পৰা বসবাস কৰি অহা থলুৱা বিভিন্ন জতি-জনগোষ্ঠীৰ বৈচিত্ৰময় ভাষা, কৃষ্টি-সংস্কৃতিয়ে অসমৰ বাৰেৰহণীয়া সংস্কৃতিৰ পৰিচয় দিয়ে। ইতিহাসে ঢুকি নোপোৱা কালতে অসমৰ ভৈয়াম অঞ্চললৈ প্ৰব্ৰজন কৰা মিচিংসকল অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ ভিতৰত অন্যতম। মিচিং ভাষা চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ উত্তৰ-অসম ঠালৰ অৰ্ন্তগত এক উল্লেখযোগ্য ভাষা। স্বকীয় ভাষা-সাংস্কৃতিক পৰম্পৰাৰে বৈশিষ্ট্যসম্পন্ন মিচিংসকল অসমৰ দ্বিতীয় বৃহৎ জনজাতীয় গোট। এওঁলোকৰ নিজস্ব ভাষা হৈছে মিচিং(তানী আগম)। মিচিং ভাষাৰ নিজা লিপি নাই বাবে পূৰ্বতে এওঁলোকে অসমীয়া লিপিৰে ব্যৱহাৰ কৰিছিল যদিও পৰৱৰ্তী সময়ত ৰোমান লিপিকে নিজস্ব লিপি হিচাপে গ্ৰহণ কৰিছে। অৱশ্যে অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ ক্ষেত্ৰত এওঁলোকে মিচিং আৰু অসমীয়া উভয় ভাষাই ব্যৱহাৰ কৰি আহিছে।

**০.০১ অধ্যয়নৰ উদ্দেশ্য ঃ**

ভাষা এটাৰ সমৃদ্ধি আৰু বিকাশৰ বাবে সেই নিৰ্দিষ্ট ভাষাটো বৈয়াকৰণিক দিশৰ পৰাও সৰল আৰু সুদৃঢ় হোৱাটো প্ৰয়োজনীয়। ব্যাকৰণ আৰু অভিধান ভাষা এটাৰ মেৰুদণ্ড। এই দুই উপাদানে ভাষাটোৰ ভেটিটো মজবুত কৰি ৰাখে। এই গৱেষণা পত্ৰখনিৰ জৰিয়তে মিচিং ভাষাৰ চৰ্চা তথা এই ভাষাত ৰচিত ব্যাকৰণ, অভিধান, শব্দভাণ্ডাৰ আদিকে ধৰি ভাষা বিষয়ক অন্যান্য পুথিৰ উল্লিখনেৰে বিষয়বস্তুৰ আলোচনা সম্পন্ন কৰাই প্ৰধান উদ্দেশ্য।

**০.০২ অধ্যয়নৰ পদ্ধতি ঃ**

বিষয়টি আলোচনাৰ বাবে বৰ্ণনামূলক পদ্ধতিৰ অৱলম্বন কৰা হৈছে।

**১.০০ মিচিং ভাষাৰ চৰ্চা ঃ**

খ্ৰীষ্টিয়ান মিছনেৰীসকলৰ সময়ৰ পৰাই মিচিং ভাষা বিষয়ত চৰ্চা আৰম্ভ হয়। ঊনৈছ শতিকাৰ পৰা কুৰি শতিকা এই সময়ৰাৰ ভিতৰত বহুকেইজন খ্ৰীষ্টিয়ান মিছনেৰীয়ে মিচিং ভাষা-সাহিত্যৰ চৰ্চা কৰি ভাষাটোলৈ বিশেষ অৱদান আগবঢ়াই থৈ গৈছে। এওঁলোকে ৰোমান লিপিতেই মিচিং ভাষা সম্পৰ্কীয় পুথি প্ৰণয়ন কৰিছিল। এইক্ষেত্ৰত জে.এফ.নীড্হামৰ 'আউটলাইন গ্ৰামাৰ অব্ চায়াং মিৰি লেংগুৱেজ'('Outline Grammar of Shiyang Miri Language' - J.F. Needham-1886), জে. হাবাৰ্ট লৰেইনৰ 'এ ডিক্চ'নেৰী অব্ দ্য আবৰ-মিৰি লেংগুৱেজ'('A Dictionary of the Abor-Miri Language, J.H. Lorrain, 1909) আদি মিচিং ভাষাৰ আপুৰুগীয়া সম্পদ। জৰ্জ হাবাৰ্ট লৰেইনৰ ৰোমান লিপিত লিখা 'Isorke Doyinge' অৰ্থাৎ, ঈশ্বৰৰ কথা আৰু 'Jisuke Doying' অৰ্থাৎ, যীশুৰ কথা- এই দুখন হৈছে মিচিং ভাষাৰ প্ৰথম ছপা পুথি। তাৰোপৰি এচিয়াটিক চ'ছাইটি অব্ বেঙ্গল নামৰ জাৰ্নেলত উইলিয়াম ৰবিন্সন, নাথান ব্ৰাউন, স্মিথ, হাড্চন আদিকে ধৰি কেইবাজনো খ্ৰীষ্টিয়ান মিছনেৰীয়ে মিৰি ভাষা সৰ্ম্পকীয় বিভিন্ন প্ৰৱন্ধ প্ৰকাশ কৰিছিল। উইলিয়াম ৰবিন্সনে ১৮৪৯ চনত জাৰ্নেল অব এচিয়াটিক চ'ছাইটি(খণ্ড১৮ অধ্যায়১)ত 'Mishing Abor Language' নামেৰে এখনি পুথি ৰিপৰ্ট হিচাপে প্ৰকাশ কৰিছিল। এই পত্ৰিকাখনতে জে.টি.ই ডেল্টনৰ 'On the Miris and Abors', উইলিয়াম ৰবিন্সনৰ 'Notes on the Language spoken by the various Tribes Inhabiting the valley of Assam and it's Mountain Confines'আদিকে ধৰি মিছনেৰী আৰু ইংৰাজ প্ৰশাসকসকলৰ কেইবাটাও উল্লেখযোগ্য প্ৰবন্ধ প্ৰকাশ পাইছে। এই প্ৰবন্ধসমূহত মিৰি (মিচিং) ভাষাৰ বৈয়াকৰণিক দিশৰ লগতে শব্দভাণ্ডাৰৰ দিশত অধিক গুৰুত্ব দিছে।[১]

১৯৬৮ চনৰ প্ৰথমছোৱা সময়ত গুৱাহাটী বিশ্ববিদ্যালয় গৱেষক ছাত্ৰ হিচাপে অধ্যয়নৰত নাহেন্দ্ৰ পাদুন আৰু কটন কলেজৰ ইংৰাজী বিষয়ৰ প্ৰৱক্তা টাবুৰাম টাইদে গুৱাহাটীত বসবাস কৰি থকা মিচিং লোকসকলক লৈ এখন সভা অনুষ্ঠিত কৰে। সেইদিনাই টাবুৰাম টাইদৰ সভাপতিত্বত আৰু নাহেন্দ্ৰ পাদুনক সম্পাদক হিচাপে লৈ গুৱাহাটী মিচিং কৌবাং নামেৰে এটি সংঘ গঠিত হয়। এই সংঘই অন্যান্য দিশসমূহৰ লগতে মিচিং ভাষাৰ বাবে উপযুক্ত লিপি গ্ৰহণৰ বাবে চেষ্টা চলাইলছিল। সেই অনুসৰি এওঁলোকৰ প্ৰচেষ্টাতেই মিচিং ভাষাৰ চৰ্চা আৰু বিকাশ সাধনৰ উদ্দেশ্যে ১৯৭২ চনৰ ১৮ এপ্ৰিলত শিৱসাগৰৰ দিচাংমুখত 'মিচিং আগম কৌবাং'(মিচিং সাহিত্য সভা)ৰ গঠন কৰা হয়। এই 'মিচিং আগম কৌবাং' গঠন হোৱাৰ পাছৰ পৰাহে মিচিংসকলে ৰোমান লিপিৰ

ব্যৱহাৰ কৰি ভাষা সাহিত্যৰ চৰ্চা কৰিবলৈ ল'লে। 'মিচিং আগম কৌবাং'ৰ প্ৰধান উদ্দেশ্যসমূহ হৈছে —

(ক) মিচিং ভাষাত বিভিন্ন গ্ৰন্থ সংকলন আৰু প্ৰকাশ কৰা।

(খ) মিচিং লোক সাহিত্যৰ সংগ্ৰহ আৰু প্ৰকাশ কৰা।

(গ) মিচিং ভাষাক নিৰ্দেশনাৰ মাধ্যম আৰু একোটা বিষয় হিচাপে প্ৰৱৰ্তন কৰাৰ বাবে কাৰ্য কৰা।

(ঘ) মিচিং ভাষা-সাহিত্যক প্ৰসাৰিত কৰিব পৰা বিভিন্ন কাৰ্য্যকলাপসমূহৰ মুখপত্ৰ প্ৰস্তুত কৰা।

(ঙ) ৰাজনৈতিক আৰু ধৰ্মীয় বিতৰ্ক তথা সাম্প্ৰদায়িকতাৰ পৰা আঁতৰি মিচিং আগম কৌবাঙক এক ভাষিক, সাহিত্যিক আৰু সাংস্কৃতিক সংঘ হিচাপে প্ৰতিষ্ঠা কৰা।

মিচিং আগম কৌবাঙে মিচিং ভাষাপ্ৰেমী লোকসকলক ভাষা-সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহী কৰি তুলিছিল। মিচিং আগম কৌবাঙৰ প্ৰতিষ্ঠাপক সভাপতি আছিল টাবুৰাম টাইদ আৰু সম্পাদক নাহেন্দ্ৰ পাদুন। মিচিং ভাষা-সাহিত্যক পৰিপুষ্টি প্ৰদান তথা ভাষাটোক সুৰক্ষিত কৰি ৰখাৰ ক্ষেত্ৰত এই অনুষ্ঠানসমূহে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে।

উল্লেখযোগ্য যে, সোণাৰাম পাএাং কটকীয়েই পোনপ্ৰথমে অসমীয়া লিপিৰে 'মিৰি জাতিৰ বুৰঞ্জী' (১৯৩৫) শীৰ্ষক গ্ৰন্থখন লিখিছিল। তাৰোপৰি টাবু টাইদ, নাহেন্দ্ৰ পাদুন, ভৃগুমুনি কাগ্যুম আদিকে ধৰি কেইবাজনো মিচিং লেখকে মিচিং ভাষা বিষয়ক বিভিন্ন পুথি-পাজি ৰচনা কৰিছে। ভাষা একোটাৰ সৰ্বতোপ্ৰকাৰে উন্নতি সাধনৰ বাবে প্ৰণালীৱদ্ধ ব্যাকৰণ আৰু অভিধান ৰচিত হোৱাটো অতিকৈ প্ৰয়োজনীয়। তেনেধৰণৰ মিচিং ভাষা বিষয়ক গ্ৰন্থসমূহ তলত উল্লেখ কৰা হ'ল -

**ক) ব্যাকৰণ বিষয়ক পুথি ঃ**

(১) জে.এফ. নীড্হামৰ 'আউটলাইন গ্ৰামাৰ অব্ চায়াং মিৰি লেংগুৱেজ' (Outline Grammar of Shiyang Miri Language, J.F. Needham-1886) - শদিয়াৰ ওচৰে পাজৰে সিঁচৰিত হৈ থকা চায়াং মিৰিসকলৰ ভাষাৰ ভিত্তিত সমল সংগ্ৰহ কৰা এইখনেই মিচিং ভাষাৰ প্ৰথমখন পূৰ্ণ পৰ্যায়ৰ ব্যাকৰণ। ইয়াত মিচিং ভাষাৰ স্বৰধ্বনি, ব্যঞ্জনধ্বনি, লিংগ, বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া, অব্যয় পদ, কাল আদিৰ বিভিন্ন প্ৰকাৰৰ উদাহৰণসহ আলোচনা আগবঢ়াইছে।

(২) বলৰাম প্ৰসাদ(Bal Ram Prasad)ৰ 'Mising Grammar'(১৯৯১) - এইখনৰ বৈয়াকৰণিক বিশ্লেষণ আৰু প্ৰথম খচৰা প্ৰস্তুতিৰ কাম ১৯৮৫চনতে বলৰাম প্ৰসাদে কৰিছিল। এইখিনি সময়তে তেখেতে মাইচ'ৰত অৱস্থিত 'চেণ্ট্ৰেল ইনষ্টিটিউট অব ইণ্ডিয়ান লেংগুৱেজেছ' প্ৰতিষ্ঠান এৰি যোৱাৰ বাবে আৰু তেখেতৰ আকস্মিক মৃত্যুৰ বাবে উক্ত প্ৰতিষ্ঠানৰ পৰাই গ্ৰন্থখনৰ পাণ্ডুলিপি সংশোধন আৰু সম্পাদনা কৰি উলিয়াইছিল জি. ডেভী প্ৰসাদ শাস্ত্ৰী আৰু পি. টি. আব্ৰাহমে। ব্যাকৰণখনৰ আৰম্ভণিতে মিচিং ভাষা আৰু সমাজৰ পৰিচয়মূলক বিৱৰণ আগবঢ়াইছে। তাৰোপৰি মিচিং ভাষাৰ ধ্বনিতত্ত্ব (Phonology) - শ্ৰেণীবিভাজন, ধ্বনিগত বৈপৰীত্য, ৰূপধ্বনিবিজ্ঞান (Morphophonemics), ৰূপতত্ত্ব (Morphology) - বিশেষ্য, বিশেষণ, বিভক্তি, ক্ৰিয়া, শব্দ গঠন, বাক্য গঠন আৰু বাক্যতত্ত্ব (Syntax) - বাক্যাংশ স্তৰৰ নিৰ্মাণ (Phrase level construction) বাক্যৰ স্তৰ (Sentence Level) আদি বিষয়ত বিস্তৃত ৰূপত আলোচনা আগবঢ়াইছে।

(৩) মনোজ কুমাৰ মিলি আৰু নীলেশ্বৰ পেগুৰ 'Mising Agom Luyir' (১৯৯৪)

(৪) টাবুৰাম টাইদৰ 'An Introduction to Mishing Phonology and Grammar'(২০১৬)

এইকেইখন ব্যাকৰণ পুথিতো মিচিং ভাষাৰ স্বৰধ্বনি, ব্যঞ্জনধ্বনি, বিশেষ্য, বিশেষণ, সৰ্বনাম, অব্যয় আদি পদসমূহ, লিংগ, পুৰুষ, বচন, সম্বন্ধবাচক শব্দ, বাক্য ৰচনা আদিবোৰ বিষয় সন্নিবিষ্ট হৈছে।

**মিচিং ভাষাৰ অভিধান ঃ**

(১) জৰ্জ হাবাৰ্ট লৰেইনৰ 'A Dictionary of Abor-Miri Language'(১৯০৯), Shillong - এইখনেই মিচিং ভাষাৰ প্ৰথম আৰু পূৰ্ণাংগ ৰূপত প্ৰকাশিত ব্যাকৰণ। এই গ্ৰন্থখনৰ আৰম্ভিণিতে আখৰ জোটনি পদ্ধতি (Orthography), শ্ৰতিমধুৰতা (Euphony), চিহ্ন আৰু প্ৰতীক ব্যৱহাৰৰ বিষয়ত বিশ্লেষণাত্মক টোকা (Explanatory Notes on Signs and Symbols) আগবঢ়াই আবৰ-মিৰি শবদসমূহৰ ইংৰাজী অৰ্থ উল্লেখ কৰিছে। তাৰোপৰি শেষৰফালে নিদৰ্শনমূলক বাক্য আৰু টোকা (Illustrative Sentences and Notes) ৰ বিষয়েও

কিছু আলোচনা আগবঢ়াইছে।

(২) টাবুৰাম টাইদৰ 'A Dictionary of Mising Language' (১৯৯৫) - এইখন মিচিং ভাষাৰ প্ৰথম ত্ৰিভাষিক অভিধান।

(৩) টাবুৰাম টাইদৰ দ্বিতীয়খন ত্ৰিভাষিক অভিধান হৈছে - 'Mising Gomphir Kumsung'(A Dictionary of the Mising Language, Mising to Mising, Assamese, English) - এই অভিধানখন আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি অনুষ্ঠান (ABILAC)ৰ পৰা ২০১০ চনত প্ৰকাশিত হৈছে। গ্ৰন্থখনৰ আৰম্ভণিতেই মিচিংসকল আৰু তেওঁলোকৰ ভাষা (Mising and their speech) ঃ মিচিং ভাষা কঁওতাসকল (The speakers), মিৰি (Miri), মিচিং (Mishing), Mising আৰু Mishing, ভাষিক আত্মীয়তা (Linguistic kinship), মিচিঙসকলৰ উপভাষা (Dialects of Mising), মিচিঙৰ লিখিত পৰম্পৰা আৰু ইয়াৰ বৰ্তমান (Written tradition of Mising and its present); মিচিং ভাষাৰ মৌলিক বৈশিষ্ট্যসমূহ (Some basic features of the Mising language) ঃ ধ্বনি (The phonems), ব্যঞ্জনধ্বনি (The consonants), স্বৰধনিসমূহ (The vowels), সুৰ আৰু কণ্ঠধ্বনিৰ উত্থান-অৱনমন (Tone and intonation) আদি বিষয়ত আলোচনা আগবঢ়াই ক্ৰমে মিচিং ভাষাৰ বিভিন্ন শব্দসমূহৰ মিচিং, অসমীয়া আৰু ইংৰাজী অৰ্থ সন্নিৱিষ্ট কৰিছে। মিচিং ভাষাৰ এই শব্দসমূহ উল্লেখ কঁৰোতে অনুসৰ্গ (Affixes), উপসৰ্গ (Prefixex), প্ৰত্যয় (Suffixes), সংখ্যা (Number), লিংগ (Gender), বিশেষ্য (Nouns), সৰ্বনাম (Pronouns), বিশেষণ (Adjectives), ক্ৰিয়া বিশেষণ (Adverbs), ক্ৰিয়া (Verbs), অব্যয় (Conjunction) আদিকে ধৰি ৰূপতাত্ত্বিক গঠনৰো কিছুপৰিমাণে বিশ্লেষণ কৰি দেখুৱাইছে। তাৰোপৰি, মিচিং ভাষাৰ বাক্য (Sentences) ঃ বিশেষ্য আৰু বিশেষণ বাক্যাংশ (The noun phrase and adjective phrase) ক্ৰিয়া বাক্যাংশ (The verb phrase), সৰল বাক্য (Simple sentence), যুগ্ম বা যৌগিক বাক্য (Compound sentence), জটিল বাক্য (Complex sentence) আদিৰ বিষয়তো কিছু আলোচনা আগবঢ়াইছে।

৪) জিৎমল দলেৰ 'The Pronouncing Mising-English-Assamese Dictionary' (২০০৪) মিচিং ভাষাৰ অন্য এখন উল্লেখযোগ্য ত্ৰিভাষিক অভিধান। এই উচ্চাৰণভিত্তিক ত্ৰিভাষিক অভিধানখন পূৰ্বভাৰতী প্ৰকাশনে প্ৰকাশ কৰি উলিয়াইছে। অভিধানখনৰ আৰম্ভিণিতে মিচিং ভাষা সন্দৰ্ভত এটি চমু আলোচনা আগবঢ়াইছে। এই অভিধানখনত মিচিং ভাষাৰ শব্দসমূহ লিখি বন্ধনীৰ ভিতৰত অসমীয়া লিপিতো লিখিছে আৰু প্ৰত্যেকটো শব্দৰে অসমীয়া আৰু ইংৰাজী অৰ্থ সন্নিবিষ্ট কৰিছে।

**মিচিং ভাষা বিষয়ক অন্যান্য গ্ৰন্থ ঃ**

মিচিং ভাষাৰ ব্যাকৰণ আৰু অভিধানসমূহৰ উপৰি মিচিং ভাষা বিষয়ক আন কেইবাখনো গ্ৰন্থ প্ৰকাশিত হৈছে। সেইসমূহৰ ভিতৰত শোণাৰাম মিৰি মহৰিৰ 'মিৰি দুয়ান' (১৯১৫), বিভিষণ পেগুৰ 'মিৰি দুয়ান' (১৯৫৮), টাবুৰাম টাইদৰ 'Mising Agom Ayyin' (১৯৭২), 'মিছিং ভাষাৰ বানান পদ্ধতি'(১৯৮৩), নাহেন্দ্ৰ পাদুনৰ 'মিচিং অসমীয়া পাঠ' (১৯৮১), 'মিচিং ভাষাৰ শিক্ষা' (২০১৬), 'Mising Agom Mimang' (১৯৭৪), 'Mising Gomlam' (১৯৮৭), কমল চন্দ্ৰ পাদুনৰ মিচিং পাঠ (১৯৮৫), পূৰ্বোত্তৰ ভাষা-সমিতিৰ দ্বাৰা সম্পাদিত অসমীয়া মিচিং শব্দকোষ (১৯৮২), ভৱানীকান্ত শৰ্মা সম্পাদিত 'অসমীয়া-মিচিং শব্দকোষ' (১৯৮২), পূৰ্বোত্তৰ ভাষা-সমিতিৰ দ্বাৰা প্ৰস্তুত কৰি উলিওৱা টাবুৰাম টাইদৰ 'মিচিং ভাষাৰ বানান পদ্ধতি' (১৯৮৩), 'মিচিং ভাষাৰ চমু পৰিচয়' (১৯৮৮) আদি উল্লেখযোগ্য। মিচিং ভাষা বিষয়ক এই গ্ৰন্থসমূহত বিশেষকৈ মিচিং ভাষাৰ আভাষ তথা মিচিং স্বৰধ্বনি, ব্যঞ্জনধ্বনিকে ধৰি ধ্বনি পৰিচয়, ধ্বনিবিন্যাস, বাক্যবিন্যাসৰ লগতে বিশেষ্য, বিশেষণ, সৰ্বনাম, অব্যয়, বচন, লিংগ, পুৰুষ, কাৰক, ক্ৰিয়াৰূপ আদিকে ধৰি ৰূপতাত্ত্বিক গঠন সম্পৰ্কেও আলোচনা আগবঢ়াইছে। মিচিং ভাষাৰ শব্দকোষকেইখনত প্ৰধানকৈ মিচিং ভাষাৰ সম্বন্ধবাচক শব্দ, গছ-গছনি, চৰাই-চিৰিকটি, জীৱ-জন্তুৰ নাম বুজোৱা শব্দৰ লগতে সা-সঁজুলি, সাজপোচাক, খাদ্যসামগ্ৰী আদিকে ধৰি বস্তুবাচক শব্দসমূহো সন্নিবিষ্ট কৰিছে।

ইয়াৰ উপৰি পূৰ্বোত্তৰ ভাষা সমিতিৰ দ্বাৰা প্ৰকাশিত ভৃগুমুনি কাগ্যুঙৰ 'মিচিং লুজন'(মিচিং ভাষাৰ লগৰী), মিচিং আগম কেবাঙৰ দ্বাৰা প্ৰকাশিত টাবুৰাম টাইদৰ 'Mising Gomlam-Potin' পুথিও মিচিং ভাষাৰ জ্ঞান

আহৰণৰ ক্ষেত্ৰত এক বিশেষভাৱে উল্লেখযোগ্য পুথি। 'মিচিং লুজন' পুথিখনত মিচিং ভাষাৰ আখৰ চিনাকি কৰি সেই আখৰসমূহেৰে মিচিং শব্দসমূহ লিখি তাৰ অসমীয়া অৰ্থ প্ৰকাশ কৰিছে। তাৰোপৰি মিচিং ভাষাৰ 'আগম' অৰ্থাৎ বাক্যৰ উদাহৰণ দি সেইসমূহৰ অসমীয়া অৰ্থও লিখিছে। শেষৰ ফালে মিচিং ভাষা ব্যৱহাৰ হোৱা চিনৰ চিনাকি কৰিছে। উল্লেখযোগ্য যে এই পুথিখন সম্পূৰ্ণভাৱে অসমীয়া লিপিত লিখা। সেইদৰে ৰোমান লিপিত লিখা 'Mising Gomlam-Potin' পুথিতো মিচিং ভাষাৰ বৰ্ণ পৰিচয়, সঘোষ ধ্বনি, অঘোষ ধ্বনি, ধ্বনিতাত্ত্বিক বৈশিষ্ট্যৰ লগতে ভাষাগত বিভিন্ন দিশ প্ৰকাশ পাইছে।

সেইদৰে তুলেশ্বৰ পেগুৰ 'Gomnan'(Likkep Potinko) নামেৰে মিচিং ভাষাৰ এই পুথিখন( পকেট পুথি) ২০১২ চনত প্ৰকাশ পাইছিল। পুথিখনত মিচিং ভাষাৰ বৰ্ণ পৰিচয়, Mugyar (দীৰ্ঘ স্বৰ), Mugdeng (হ্ৰস্ব স্বৰ) আৰু এইসমূহৰ শব্দৰে উদাহৰণ, মিচিং ভাষাৰ জানিবলগীয়া বিভিন্ন শব্দ, সভা-সমিতিত ব্যৱহৃত শব্দ, বিভিন্ন স্তৰৰ মাটি-কালি সম্পৰ্কীয় শব্দ, শিক্ষাৰ লগত জড়িত শব্দ, পানীৰ বিভিন্ন অৱস্থা( যেনে- Sipung- বৰষুণ জমা হোৱা পানী, Sikur- নিজৰাৰ পানী, Sirung- নাদ বা কুঁৱা,পুখুৰী, Boggo মোহনা, Boglong - নদী দ্বীপ বা মাজুলি) বুজোৱা শব্দ, গণিত সম্পৰ্কীয় শব্দ, মাহৰ নাম, ঋতুৰ নাম, বাৰৰ নাম, কালৰ নাম(বৰ্তমান কাল, অতীত কাল, ভৱিষ্যত কাল), বাদ্যযন্ত্ৰৰ নাম, মিচিং বানান পদ্ধতি, ঋণ শব্দ আদিবোৰ সন্নিবিষ্ট হৈছে। পুথিখনত মিচিং শব্দসমূহ ৰোমান লিপিৰে লিখিছে আৰু তাৰ অৰ্থসমূহ অসমীয়াত লিখিছে।

মিচিং আগম কেবাঙৰ দ্বাৰা প্ৰকাশিত ঘনকান্ত দলেৰ '৩০দিনত মিচিং ভাষা শিকোঁ আহক'(২০২১) পুথিখনো মিচিং ভাষা শিকাৰুসকলৰ বাবে এখন উল্লেখযোগ্য পুথি। ইয়াত মিচিং ভাষাৰ বৰ্ণ পৰিচয় আৰু উচ্চাৰণ, হ্ৰস্ব ধ্বনি আৰু দীৰ্ঘ ধ্বনিৰ উচ্চাৰণ, ব্যঞ্জন ধ্বনিৰ উচ্চাৰণ বৈশিষ্ট্য আদিবোৰ মিচিং ভাষাত ৰোমান লিপি ব্যৱহাৰ কৰি লিখি পুনৰ অসমীয়া লিপিৰেও সেই উচ্চাৰণসমূহ কেনেধৰণৰ হ'ব লিখি দিছে। তাৰোপৰি মিচিং ভাষাৰ আখৰৰ আকৃতি, হ্ৰস্ব আৰু দীৰ্ঘ স্বৰবৰ্ণৰ ব্যৱহাৰৰ কৰি একেধৰণৰ শব্দসমূহৰ ভিন্নৰ্থক ৰূপ বুজোৱা শব্দ, মিচিং ভাষাৰ ধ্বনি বিন্যাস, বানান পদ্ধতিৰ আলোচনা কৰাৰ লগতে সংখ্যাৰ গণনা, টকাৰ হিচাপ, আঙুলি আৰু হাতৰ জোখ-মাখ, বাৰৰ নাম, ঋতুৰ নাম, মাহৰ নাম, পক্ষ( যেনে-শুক্ল পক্ষ-লাদ্‌দীং, পূৰ্ণিমা-কাৰ্‌তাং আদি), দিশৰ নাম, ৰোগ আৰু ঔষধ সম্পৰ্কীয় শব্দ, ইংৰাজী মাহৰ নাম, মিচিং ভাষাত অসমীয়া মাহৰ নাম, জ্যোতিষ্ক মণ্ডল, ৰঙৰ নাম, আত্মীয় স্বজন তথা সম্বন্ধবাচক শব্দ, মানুহৰ অংগ-প্ৰত্যংগৰ নাম, চৰাই-চিৰিকটি, কীট-পতঙ্গ, জীৱ-জন্তুৰ নামকে ধৰি বিভিন্ন শব্দ সন্নিবিষ্ট কৰিছে। বাক্য ব্যৱহাৰৰ ক্ষেত্ৰতো মিচিং ভাষাত সম্ভাষণ, প্ৰশংসা, কৃতজ্ঞতামূলক শব্দ বা বাক্য, বিস্ময়সূচক বাক্য, আদেশসূচক কথা, উপমা, প্ৰবাদ বাক্য আদিৰ লগতে যুৰীয়া শব্দ, শব্দৰ পুনৰোক্তি, সমষ্টিবাচক শব্দ, শব্দ বিভক্তি, লিঙ্গ প্ৰকৰণ, বিপৰীতাৰ্থক শব্দ, পদ আৰু পদসমূহৰ বৈশিষ্ট্য আৰু উদাহৰণ, উক্তি(Speech), বাচ্য, কথোপকথন, মিচিং পৰিভাষা, মিচিং ঋণ শব্দ, ফকৰা-যোজনা, নীতিবচন, সাঁথৰকে ধৰি প্ৰয়োজনীয় সকলোবোৰ দিশেই আলোচনা কৰিছে।

ৰত্নেশ্বৰ মিলিৰ 'মিচিং ভাষা আৰু সংস্কৃতি' (২০১৯) গ্ৰন্থখনতো মিচিং ভাষাৰ ধ্বনিতত্ত্ব, সন্ধি, ৰূপতত্ত্ব আৰু শব্দভাণ্ডাৰকে ধৰি ভাষাতাত্ত্বিক দিশসমূহৰ লগতে সাংস্কৃতিক বিভিন্ন দিশ যেনে মিচিং লোকগীতত প্ৰতিফলিত লোকজীৱন, মিচিং লোকখাদ্য, আপং আৰু 'অ'পব্'ৰ প্ৰস্তুত প্ৰণালী আৰু লোকবিশ্বাস, মিচিং খাদ্য-সংস্কৃতিত নাম্‌চুং, আলিয়াই লৃগাঙত মাংগলিক কাৰ্যৰ প্ৰতিফলন, মিচিংসকলৰ বআগ বিউ, মিচিং লোকসংস্কৃতিত বাঁহ, অইনিঃতমত উপমা অলংকাৰ আদি বিষয়ৰ লগতে 'মিক্‌চিজিলিক' উপন্যাসখনত প্ৰতিফলিত নাৰী জীৱন সম্পৰ্কে আলোচনাৰো সংযোজন কৰিছে।

মিচিং ভাষা বিষয়ক বহুতো গৱেষণাধৰ্মী প্ৰৱন্ধও পোৱা যায়। 'Linguistic of the Tibeto-Burman Area' নামৰ গৱেষণা পত্ৰিকাত টাবুৰাম টাইদৰ 'Verbal suffixes in Mising'(1995-vol. 18, no.1, pp.117-128), A Short note on Mising Phonology(1987- vol.10, no.1, pp.130-137), 'Mising morohophonemics' (1987- vol.10, no.1, pp. 138-146) নামেৰে মিচিং ভাষা বিষয়ক কেইবটাও গৱেষণাধৰ্মী প্ৰৱন্ধ প্ৰকাশ পাইছে। ইণ্টাৰনেটযোগে লাভ কৰা বসন্ত কুমাৰ দলেৰ 'A Sociolinguistic Profile of the Mising Language' নামেৰে গৱেষণাধৰ্মী প্ৰৱন্ধটিতো মিচিং ভাষাৰ সন্দৰ্ভত বিভিন্ন তথ্য সমৃদ্ধ হৈ আছে। বৰ্তমান সময়তো কিছুসংখ্যক

গৱেষকে মিচিং ভাষা সম্বন্ধীয় চৰ্চা অব্যাহত ৰাখিছে। হীমা ৰানী বৰাৰ 'Attitude Among the Mising Speech Community of Assam for Maintenance and Development of the Mising Language in Terms of Bilingualism' নামেৰে এটি প্ৰৱন্ধ 'International Journal of Innovative Technology and Exploring Engineering (IJITEE)' নামেৰে আন্তঃৰাষ্ট্ৰীয় গৱেষণা পত্ৰিকাত প্ৰকাশ পাইছে। গকুল গগৈৰ 'Bilingualism Among the Mising Speech-Community of Assam' বিষয়ক এটি প্ৰৱন্ধ 'Journal of Emerging Technolodgies and Innovatitive Research (JETIR-June-2019 Volume 6, Issue 6) নামৰ গৱেষণা পত্ৰিকাত প্ৰকাশ পাইছে। ৰিজ্বান ৰহ্মান, গোপাল চন্দ্ৰ হাজৰিকা আৰু ডেভিদ কাৰদঙৰ সহযোগিতাত 'Intonnation Pattern Analysis of Phonems in MISING Language' শীৰ্ষক এটি প্ৰবন্ধ 'International Journal of Computer Applications (Volume 150 -No.5, September 2016) নামেৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষণা পত্ৰিকাত প্ৰকাশ পাইছে। নিবেদিতা ফুকনৰ 'Impact of Language Policy on Primary Education of Mising and Tea-Tribes of Assam' শীৰ্যক প্ৰৱন্ধ 'Journal of English Language and Literature' (Vol.6 Issue1, 2019) নামৰ গৱেষণা পত্ৰিকাত প্ৰকাশ পাইছে।

বৰ্তমান গৱেষকসকলৰ দ্বাৰা মিচিং ভাষা বিষয়ক বিভিন্ন গৱেষণা গ্ৰন্থও ৰচিত হৈছে। সেইসমূহৰ ভিতৰত বসন্ত কুমাৰ দলেৰ 'A Morphological Study of the Mising Language' (অপ্ৰকাশিত) , কৈলাশ চন্দ্ৰ তালুকদাৰৰ গৱেষণা গ্ৰন্থ 'The Mishing People and their spoken Language' (অপ্ৰকাশিত, ১৯৯৩) বলোৰাম ভূএগ্ৰাৰ অপ্ৰকাশিত গৱেষণা গ্ৰন্থ 'চামগুৰিয়া মিচিং ঃ এটি ভাষা সামাজিক অধ্যয়ন' (এম.ফিল), উৎপল শইকীয়াৰ অপ্ৰকাশিত গৱেষণা গ্ৰন্থ 'মিচিংসকলৰ কথিত অসমীয়া-এক সমাজ-ভাষাবৈজ্ঞানিক অধ্যয়ন' (২০১৪), গকুল গগৈৰ অপ্ৰকাশিত গৱেষণা গ্ৰন্থ 'অসমৰ মিচিং সম্প্ৰদায়ৰ দ্বিভাষিক স্থিতি ঃ সমাজ-ভাষাবৈজ্ঞানিক অধ্যয়ন' (২০১৭), ৰাজীৱ কুমাৰ দলেৰ গৱেষণা গ্ৰন্থ 'Interlingual Code-Switching as a Sociolinguistic Phenomenon amogst the Mising of the Brahmaputra Valley : A Study.' (২০০৮) (Department of Humanities and Social Sciences,Indian Institute of Technology, Guwahati), যোগেন্দ্ৰ পেগুৰ 'Dialectal Variations in Mising and the Interference of Dominant Languages' (২০১০) ( School of Humanities and Social Sciences, Department of English and Foreign Languages,Tezpur University) আদি উল্লেখযোগ্য।

বৰ্তমান সময়ত মিচিং ভাষাৰ চৰ্চা অব্যাহত ৰাখিবলৈ মিচিং আগম কেবাঙ (মিচিং সাহিত্য সভা)ৰ উদ্যোগত মিচিং ভাষাৰ শিক্ষাদানৰ কৰ্মশালাৰো অনুষ্ঠিত কৰা দেখা গৈছে। তাৰোপৰি মিচিং ভাষা-সংস্কৃতি ৰক্ষাৰ স্বাৰ্থত টাকাম মিচিং পৰিণ কেবাং(টি এম পি কে), মিচিং মিমাগ কৌবাং(এম এম কে) আদি মিচিং দল-সংগঠনসমূহেও বিশেষ ভূমিকা আগবঢ়াইছে।

**২.০০ উপসংহাৰ ঃ**

খ্ৰীষ্টিয়ান মিছনেৰীসকলৰ পৰা আৰম্ভ কৰি মিচিং ভাষা, সমাজ-সাহিত্যপ্ৰেমী লোকসকলৰ প্ৰচেষ্টাত মিচিং ব্যাকৰণ, অভিধান, শব্দভাণ্ডাৰ বিষয়ক বিভিন্ন পুথি প্ৰকাশিত হৈছে। বৰ্তমান সময়ত গৱেষণাধৰ্মী বিভিন্ন প্ৰৱন্ধ, গৱেষণা গ্ৰন্থ আদিৰ জৰিয়তেও মিচিং ভাষা বিষয়ক ন ন দিশৰ উত্থাপন হৈছে। ভাষা একোটাৰ অস্তিত্ব জীয়াই ৰখাৰ ক্ষেত্ৰত সেই নিৰ্দিষ্ট ভাষাটোৰ ব্যৱহাৰ আৰু চৰ্চা বা অধ্যয়ন অটুট ৰাখিব লাগে। সেই দৃষ্টিকোণেৰে চালে, মিচিং ভাষা পূৰ্বতে কেৱল কথিত ৰূপত ব্যৱহাৰ হৈ আছিল। সেই সময়ত লিপিহীন এই ভাষাটোৰ ভাষা-সাহিত্যৰ চৰ্চাৰ ক্ষেত্ৰত আশংকাই দেখা দিছিল। কিন্তু পৰৱৰ্তী সময়ত ১৯৬৮ চনত গুৱাহাটী মিচিং কৌবাঙৰ জন্মৰ পিছত লিপি ব্যৱহাৰৰ ক্ষেত্ৰত মিচিঙসকলে এক পৰীক্ষামূলক আঁচনি প্ৰস্তুত কৰে। এই আঁচনিৰ সফল ৰূপায়নৰ বাবে নাহেন্দ্ৰ পাদুনে নেতৃত্ব লৈছিল আৰু তেওঁৰ নেতৃত্বতেই ১৯৬৯ চনত 'মিচিং ভাষাৰ লিপি ঃ এটি পৰীক্ষামূলক আঁচনি' প্ৰকাশ কৰে। তদুপৰি তেওঁ মিচিং ভাষাত ৰোমান লিপি প্ৰয়োগৰ আৰ্হি স্বৰূপে ১৯৭১ চনত 'Mising Agom Ayyir' পুথি প্ৰস্তুত কৰি উলিয়াই।[১] ১৯৭২ চনত মিচিং ভাষা-সাহিত্যৰ উন্নয়নৰ উদ্দেশ্যে 'মিচিং আগম্ কৌবাং' নামেৰে এটি জাতীয় সংগঠন গঠিত হয়। ১৯৭৮ চনত 'মিচিং আগম্ কৌবাং'ৰ উদ্যোগতেই মিচিং ভাষাৰ বাবে ৰোমান লিপি ব্যৱহাৰৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ পিছৰ পৰাই মিচিং ভাষাত ভাষা-সাহিত্য, সমাজ-সংস্কৃতি বিষয়ক বিভিন্ন পুথি প্ৰকাশ পোৱাৰ লগতে আলোচনী ( '*দকচিৰি*'-*অসমীয়া আৰু মিচিং ভাষাৰ একমাত্ৰ দ্বিভাষিক ই আলোচনী*), বাতৰি কাকত (*মিচিং আগম*

*কীবাঙৰ দ্বাৰা প্ৰকাশিত সৰ্বপ্ৰথম বাতৰি কাকত 'মিমাঙ')* আদিও প্ৰকাশিত হৈছে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা মিচিং ভাষাৰ মাধ্যমেৰে বাতৰিও সম্প্ৰচাৰিত হয়। আনহাতে অসম চৰকাৰে ১৯৮৫ চনতে মিচিং অধ্যুষিত অঞ্চলসমূহত অৱস্থিত প্ৰাথমিক বিদ্যালয়সমূহৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীত মিচিং ভাষাক অতিৰিক্ত বিষয় হিচাপে শিক্ষাদানৰ ব্যৱস্থা কৰিছিল। গতিকে এই সকলোবোৰ দিশ চালি জাৰি চালে মিচিংভাষীসকলে নিজস্ব ভাষাটোক এক স্বতন্ত্ৰ ভাষা হিচাপে গঢ়ি তুলিবলৈ কৰা প্ৰচেষ্টাৰ উমান পোৱা যায়। তাৰোপৰি মিচিং লেখকসকলৰ লগতে অনামিচিং লেখকসকলেও মিচিং ভাষা-সাহিত্যৰ বিভিন্ন দিশত চৰ্চা অব্যহত ৰখা দেখা গৈছে যিটো ভাষাটোৰ সুৰক্ষা আৰু প্ৰসাৰৰ ক্ষেত্ৰত এক ইতিবাচক কাৰক বুলিব পাৰি। ❑

**প্ৰসংগসূচী ঃ**

১। ক. পাদুন, নাহেন্দ্ৰ, মিচিং ভাষাৰ আভাস, পৃ.৩১
খ. কোঁৱৰ, অৰ্পণা, অসমত ভাষাৰ অধ্যয়ন, পৃ.১৭৫
২। কোঁৱৰ, অৰ্পণা, অসমত ভাষাৰ অধ্যয়ন, পৃ.১৭৮

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

**অসমীয়া ঃ**

কাগ্য়ুং, ভৃগুমুনি, মিচিং লুজন' (মিচিং ভাষাৰ লগৰী), পূৰ্বোত্তৰ ভাষা সমিতি, গুৱাহাটী, ১৯৮৯
কুলি, জৱাহৰ জ্যোতি, 'মিচিং সংস্কৃতি'(প্ৰথম আৰু দ্বিতীয় খণ্ড একত্ৰে), কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়, ২০১৫
কোঁৱৰ, অৰ্পণা, 'অসমত ভাষাৰ অধ্যয়ন', অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন যোৰহাট, ২০২০
দলে,ঘনকান্ত, '৩০দিনত মিচিং ভাষা শিকো আহক', মিচিং আগম কেবাং, ধেমাজি, ২০২১
দেৱী, প্ৰণীতা, 'তিব্বত-বৰ্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ অধ্যয়ন', প্ৰতিশ্ৰুতি প্ৰকাশন, গুৱাহাটী, ২০১৬
পেগু, তুলেশ্বৰ, 'Gomnan'('গম্‌নাম'), কুঁহিপাত অফ্‌চেট, নাৰায়ণপুৰ, ২০১২
হোছেইন, ইছমাইল, 'মিচিং সমাজ-ইতিহাস আৰু সংস্কৃতিৰ ঐতিহ্য', জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী, ২০১৫

**ইংৰাজী ঃ**

Lorrain, Herbert, 'A Dictionary of the Abor Miri Language', Mittal Publications, New Delhi, India.
Needham, J.F. 'Outline Grammar of the Shaiyang Miri Language', Assam Secretariat Press, Shillong, 1886
Prasad, Bal Ram, 'Mising Grannar', Central Institute of Indian Languages, Mysore, India, 1991
Taid, Tabu Ram(Editor), 'Mising Gompir Kumsung'(মিচিং শব্দকোষ, A Dictionary of the Mising Language with an introduction to Mising phonology and grammar), Anundoram Borooah Institute of Language, Art & Culture, Guwahati, Assam.

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945

Peer Reviewed Journal
[UGC-CARE Listed]

# চুতীয়া জনগোষ্ঠীৰ দেউকুবেৰ উৎসৱ ঃ এক অধ্যয়ন



**ভৃগুত্তম বৰা**

গৱেষক, অসমীয়া বিভাগ
নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়, খেলমাটি
লখিমপুৰ-৭৮৭০৩১ (অসম)
৮৮৭৬০৪২৯০৮
rs.bhriguttam@nlu.ac.in



**ড° ধীৰাজ পাটৰ**

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়, খেলমাটি
লখিমপুৰ-৭৮৭০৩১ (অসম)
৮৬৩৮২৮০৯৯২
dhirajpatar@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

অসমত বসবাস কৰি থকা জনগোষ্ঠীসমূহৰ ভিতৰত চুতীয়া জনগোষ্ঠীৰ লোকসকল অন্যতম। এই জনগোষ্ঠীৰ লোকসকলৰ এক গৌৰৱোজ্বল ইতিহাস আছে। পুৰণি ভাস্কৰ্য, পুৰাণ-উপপুৰাণ আদিৰপৰা চুতীয়া জনগোষ্ঠীৰ প্ৰাচীন ৰাজ্যৰ অৱস্থিতি, ৰাজকাৰ্য পৰিচালনা, ৰজা-প্ৰজাৰ ভিন্ন তথ্য আহৰণ হয়। পুৰণি মঠ-মন্দিৰ আৰু বৰ্তমান পৰম্পৰাৰ আনুসঙ্গিক হিচাপে শদিয়াৰ ওচৰে-পাজৰে থকা ভীষ্মক নগৰতেই চুতীয়াসকলৰ প্ৰাচীন ৰাজ্যৰ অৱস্থিতি পোৱা যায়। আৰু এইসময়ছোৱা মহাভাৰতৰ সময়ৰ যেন বোধ হয়। অৱশ্যে কোনো ধৰণৰ লিখিত বুৰঞ্জী নথকাৰ ফলত লোকসংস্কৃতি, লোক কাহিনী, পুৰাকথা, কিংবদন্তি আদিৰ মাজৰে জনগোষ্ঠীৰ লোকসকলে ঐতিহ্যক সোঁৱৰি আছে। এই ঐতিহাসিক জনগোষ্ঠীটোৰ মাজত বৰ্তমান সময়ত পৰম্পৰাগতভাৱে পালন কৰা সামাজিক আচাৰ-অনুষ্ঠানৰ দিশ যথেষ্ট। এনেক্ষেত্ৰত জনগোষ্ঠীটোৱে প্ৰতিবছৰে পালন কৰা দেউকুবেৰ উৎসৱ উল্লেখযোগ্য। জনগোষ্ঠীটোৰ লোকসকলে পৰম্পৰাগত সামাজিক ৰীতি-নীতিৰে এই উৎসৱৰ আয়োজন কৰে আৰু এইসমূহত জনগোষ্ঠীটোৰ স্বকীয় দিশসমূহ স্পষ্টকৈ ফুটি উঠে। জনগোষ্ঠীটোৰ মাজত পালন কৰা এই পৰম্পৰাগত লোক অনুষ্ঠানে জনগোষ্ঠীটোৰ ঐতিহ্য অধিক কটকটীয়া কৰি তোলাৰ লগতে সামাজিক বান্ধোন শক্তিশালী কৰি তুলিছে। ইফালে জনগোষ্ঠীটোৰ পৰম্পৰাগত সামাজিক আচাৰ, ৰীতি-নীতিসমূহে জনগোষ্ঠীটোৰ ভেটি অধিক বছৰ জীয়াই ৰখাৰ সম্ভাৱনাই দেখা দিয়ে। সেয়েহে আমাৰ এই অধ্যয়নত দেউকুবেৰ উৎসৱ আয়োজনৰ ভিন্ন দিশসমূহ পোহৰলৈ অনাৰ প্ৰয়াস কৰাৰ লগতে ই ভৱিষ্যত অধ্যয়নতো সহায় আগবঢ়াব বুলি আশা কৰিব পাৰি।

**সূচক শব্দ ঃ**

সমাজ, সংস্কৃতি, পৰম্পৰা, উৎসৱ, দেউকুবেৰ।

**অৱতৰণিকা ঃ**

অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ আবাসভূমি। পুৰণি কালৰেপৰা এই ভূ-খণ্ডত বসতি কৰি থকা চুতীয়া জনগোষ্ঠীৰ লোকসকল অন্যতম আৰু ঐতিহ্যপূৰ্ণ। এই জনগোষ্ঠীৰ লোকসকলে উজনি অসমত ৰাজ্য শাসন কৰাৰ ভিন্ন তথ্য আহৰণ হয়। বিশেষকৈ প্ৰাচীন ভাস্কৰ্য, পুৰাণ-উপপুৰাণ আৰু উজনি অসমত লাভ কৰা পুৰাতাত্ত্বিক সমল ইয়াৰ মূল নিদৰ্শনস্বৰূপ। আনকি মহাভাৰতৰ সময়ছোৱাতো চুতীয়াসকলে উজনি অসমত ৰাজ্য শাসনৰ তথ্য লাভ কৰিব পাৰি। বৰ্তমানৰ শদিয়াৰ ওচৰে-পাজৰে থকা ভীষ্মক নগৰ, ৰুক্মিণী নগৰ, কেঁচাইখাতী মন্দিৰ, বুঢ়া বাবাৰ মন্দিৰ, মালিনী থান আদিবোৰ চুতীয়া জনগোষ্ঠীৰ প্ৰাচীন ৰাজ্য আৰু ৰাজ্য অৱস্থিতিৰ ওচৰ চপা। সেয়েহে এই ঐতিহ্যপূৰ্ণ জনগোষ্ঠীৰ সম্পৰ্কত ভিন্ন গৰাকী গৱেষকৰপৰা তথ্য

আহৰণ হয়। চুতীয়া জনগোষ্ঠী সম্পৰ্কত সৰ্বপ্ৰথম উল্লেখিত নিদৰ্শন হিচাপে ফ্ৰেন্সিচ্ বুকানন হেমিল্টনে ১৮০৭ চনৰপৰা ১৮১৪ চনলৈ কৰা এক সমীক্ষাত গুৰুত্বপূৰ্ণ তথ্য সন্নিবিষ্ট কৰে। তেওঁ An Account of Assam নামৰ অসম সম্পৰ্কীয় বিৱৰণত উল্লেখ কৰা অনুসৰি — *In the parts of East from Koliyabar the tribe next most numerous is called chutiya and is devided into two classes, called Hindu and Ahom. The former have abandoned many of their impure customs, and have received degraded (varna) Brahmans as their spiritual/guides. The latter wallow in their impurity, and adhre to the Deodheings.*[১] চুতীয়া জনগোষ্ঠীৰ লোকসকলৰ বসতিপ্ৰধান ঠাই আৰু তেওঁলোকৰ বসবাসৰ প্ৰণালী সম্পৰ্কতো পৰৱৰ্তীসকলে আলোচনা কৰে। *W.B. Brown অৰ An Outline Grammar of the Deori-Chutiya Language, Spoken in Upper Assam গ্ৰন্থতো চুতীয়া জনগোষ্ঠীৰ*[২] বিষয়ে উল্লেখ কৰিছে।

চুতীয়া জনগোষ্ঠীৰ লোকসকলৰ বসতিপ্ৰধান ঠাই, বসবাস প্ৰাণালী, আচাৰ, ৰীতি-নীতি ইত্যাদিৰ ভিত্তিত বহুতে এই জনগোষ্ঠীক কিৰাত জনগোষ্ঠীৰ লোক বুলি মতপোষণ কৰে। অৱশ্যে পৰৱৰ্তী সময়ত ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক ইত্যাদি কাৰণত জনগোষ্ঠীৰ লোকসকল এঠাইৰপৰা আন ঠাইলৈ প্ৰবজিত হোৱাৰ লগতে হিন্দুকৃত হৈছিল। সৰ্বানন্দ ৰাজকুমাৰে চুতীয়া জনগোষ্ঠীৰ সম্পৰ্কত উল্লেখ কৰা অনুসৰি— *চুতীয়াবিলাক মংগোলীয়ান জাতিৰ পৰা উৎপত্তি হৈছে বুলি কৈছে আৰু চুতীয়াসকলক চাৰিভাগে বিভক্ত কৰিছে। হিন্দু চুতীয়া, আহম চুতীয়া, দেউৰী আৰু বৰাহী।*[৩] এই জনগোষ্ঠীৰ লোকসকলে এসময়ত শক্তিশালী অস্তিত্বৰে ৰাজ্য শাসন কৰিছিল। হিন্দুকৃত হোৱাৰ লগতে পৰৱৰ্তী সামাজিক, ৰাজনৈতিক কাৰণত বৰ্তমানৰ অসমৰ লগতে উত্তৰ-পূবৰ অন্যান্য ঠাইলৈ প্ৰবজিত হৈ বসবাস কৰিবলৈ লয়। এইক্ষেত্ৰত ডম্বৰুধৰ দেউৰীয়ে উল্লেখ কৰা অনুসৰি— *চুতীয়াবিলাক অসমৰ ৰাজবংশীয় কৃষ্টি সম্পন্ন মানুহ। অসমৰ সংস্কৃতিত চুতীয়াৰ অমূল্য অৱদান আছে। পুৰণি কালত চুতীয়া আছিল প্ৰাচুৰ্য, শৌয্য-বীৰ্য্যশালী স্বাধীন জাতি। তেওঁবিলাকৰ সভ্যতাও সম্পূৰ্ণৰূপে চুতীয়া।*[৪] এই জনগোষ্ঠীৰ লোকসকলে খ্ৰীষ্টীয় একাদশ শতিকাৰপৰা যোড়শ শতিকাৰ প্ৰথমাৰ্ধলৈকে নিজা ভাষা-ধৰ্মৰে পশ্চিমে সোৱণশিৰিৰ উপনদী চিচিৰপৰা পূবে ব্ৰহ্মকুণ্ডলৈকে ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। চুতীয়া জনগোষ্ঠীৰ ৰাজ্য প্ৰতিষ্ঠা কৰিছিল বীৰপাল নামৰ ৰজাই। ইয়াৰ পাছত ক্ৰমে— ৰত্নধ্বজপাল, গৌৰীনাৰায়ণ, বিজয়ধ্বজপাল, বিক্ৰমধ্বজ পাল, গৰুড়ধ্বজ পাল, শংখধ্বজ পাল, ময়ুৰধ্বজ পাল, জয়ধ্বজ পাল, কৰ্মধ্বজ পাল আৰু ধৰ্মধ্বজ পালে ৰাজ্য শাসন কৰে। শদিয়া অঞ্চলত ৰাজ্য শাসন কৰোঁতে চুতীয়াসকলৰ ৰাজ্য যথেষ্ট শক্তিশালী আছিল। সেইসময়ত আহোমসকলে বহুবাৰ সংঘৰ্ষ কৰিব বিচাৰিও চুতীয়া ৰাজ্য আক্ৰমণ কৰিবলৈ সাহস গোটাব পৰা নাছিল। পৰৱৰ্তী সময়ছোৱাত আহোম আৰু চুতীয়াসকলৰ মাজত হোৱাত যুদ্ধত চুতীয়া সকল পৰাজিত হোৱাত তেওঁলোকৰ ৰাজ্যৰ অস্তিত্ব ম্লান হৈ পৰে। এই লোকসকলক আহোম ৰাজ্যৰ ভিন্ন পদত নিয়োজিত কৰাৰ লগতে শক্তিশালি হৈ মূৰ দাঙি উঠিব নোৱাৰাকৈ বিভিন্ন ঠাইলৈ পৰ্যবসিত কৰে। এই লোকসকলে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ভৰলী নদীৰ কাষৰীয়া বিস্তীৰ্ণ এলেকাৰ লগতে চতিয়া অঞ্চললৈকে বসতি কৰে। ইফালে চুতীয়া সাম্ৰাজ্যৰ শেষৰজন কোঁৱৰ সাধকনাৰায়ণক পশ্চিম দিশলৈ অৰ্থাৎ বৰ্তমানৰ দৰং অঞ্চলত বসতি কৰিবলৈ দিয়ে। এই ৰাজ পৰিয়ালৰে সদস্যসকলে ব্ৰিটিছ শাসন কালৰ সময়তো ৰাজহুৱা পদবীৰে বসবাস কৰে। তেওঁলোকৰ পৰিয়ালে দৰং জিলাৰ ৰৌতা অঞ্চলৰ কৰ সংগ্ৰহৰ দায়িত্বও লাভ কৰিছিল। বৰ্তমান অসমৰ ভিন্ন ঠাইত গাঁও পাতি বসতি কৰি থকা চুতীয়া জনগোষ্ঠীৰ লোকসকলৰ মাজত পূৰ্বৰ জনগোষ্ঠীয় পৰম্পৰা, সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, বাসস্থান, খাদ্য প্ৰণালী, ঐতিহাসিক চেতনা, নৃগোষ্ঠীয় পৰিচয়ৰ দিশসমূহ বৰ্তমানেও বৰ্তি আছে। সেয়েহে এই অধ্যয়নৰ জৰিয়তে জনগোষ্ঠীটোৰ মাজত পালন কৰা উৎসৱ-পাৰ্বণৰ ভিন্ন দিশসমূহ পোহৰলৈ অনাৰ প্ৰয়াস কৰা হ'ব।

বৰ্তমান অসমৰ বিভিন্ন ঠাইত চুতীয়া জনগোষ্ঠীৰ লোকসকলে গাঁওপাতি বসবাস কৰি আছে। পূৰ্বে উল্লেখ কৰা অনুসৰি বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ, মানৱ আক্ৰমণ, আহোম ৰজাৰ সৈতে হোৱা যুদ্ধ বা আন কাৰণত চুতীয়া জনগোষ্ঠীৰ লোকসকল ভিন্ন অঞ্চললৈ পৰ্যবসিত হৈছিল। বৰ্তমান চুতীয়া জনগোষ্ঠীৰ লোকসকলৰ সমাজ জীৱনৰ ৰীতি-নীতি সম্পূৰ্ণ হিন্দুকৃত হোৱাৰ লগতে অসমীয়াকৰণৰ সমন্বয়ৰে বান্ধ খাই পৰিছে। পৰম্পৰাগত ৰীতি-নীতিসমূহৰ লগতে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সমিল-মিলেৰে

সকলো একত্ৰিত হৈ পৰিছে। তেওঁলোকৰ সামাজিক-সাংস্কৃতিক দিশসমূহৰ মাজত সেয়েহে বৰ অসমৰ বৰ্ণিল সাংস্কৃতিক চেতনা লক্ষণীয় হয়। অসমৰ ঐতিহ্যপূৰ্ণ জনগোষ্ঠী হিচাপে বৃহত্তৰ অঞ্চলৰ ঐতিহাসিক, সামাজিক-সাংস্কৃতিক দিশসমূহৰ ধাৰক হিচাপেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

**পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ**

চুতীয়া জনগোষ্ঠীৰ দেউকুবেৰ উৎসৱৰ বিষয়ে বিভিন্ন গ্ৰন্থ, আলোচনীত কিছু তথ্য পোৱা যায় যদিও প্ৰস্তাৱিত বিষয় সন্দৰ্ভত প্ৰণালীবদ্ধ অধ্যয়ন নহয়। সেয়েহে বিষয়টি চুতীয়া জনগোষ্ঠীৰ লোকসকলৰ সমাজ জীৱনৰ ৰীতি-নীতিৰ আধাৰত আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। বিষয়ৰ লগত সংগতি থকা বহু কেইখন গ্ৰন্থত কিছু তথ্য আহৰণ হয়। পূৰ্বকৃত কৰ্মৰ এই গ্ৰন্থসমূহৰ ভিতৰত— ৰজনীকান্ত বৰদলৈৰ 'ছুটিয়া বুৰঞ্জী' (১৯২৪) চুতীয়া জনগোষ্ঠীৰ বিষয়ে ৰচনা কৰা প্ৰথমখন বুৰঞ্জীমূলক গ্ৰন্থ। গ্ৰন্থখনত বৰদলৈয়ে চুতীয়া জনগোষ্ঠীৰ এটা ঐতিহাসিক পৰিচয় প্ৰদান কৰাৰ সমান্তৰালকৈ এই জনগোষ্ঠীৰ সমাজ জীৱন, পৰম্পৰা, ৰীতি-নীতি আদি দিশবোৰ আলোচনাৰ মাজলৈ আনিছে। প্ৰৱন চন্দ্ৰ শইকীয়াৰ 'দেউৰী-চুতীয়া' (১৯৭৪) অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনত চুতীয়াসকলৰ আদিম বাসস্থান, সমাজ-সংস্কৃতি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদি দিশবোৰ আলোচনা কৰিছে। ভৱানন্দ বুঢ়াগোহাঞিৰ 'শদিয়াৰ বুৰঞ্জী' (১৯৭৪) অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনত বুঢ়াগোহাঞিয়ে চুতীয়া জনগোষ্ঠীৰ পুৰণি ৰাজ্যৰ বৰ্ণনাৰ লগতে শদিয়াৰ চাৰিশাল গোসাঁনীৰ বৰ্ণনা, সামাজিক ৰীতি-নীতি সম্পৰ্কে আলোচনা কৰিছে। Raj Mohan Nath-অৰ'The Background of Assamese Culture' (১৯৪৮) গ্ৰন্থত অসমৰ ইতিহাস, ভাষা-সাহিত্য-সংস্কৃতিৰ আলোচনা হৈছে। সমান্তৰালভাৱে গ্ৰন্থখনত অসমৰ ভাষা সম্প্ৰদায়সমূহৰ লগতে অসমীয়া সংস্কৃতিলৈ আগবঢ়োৱা অৱদানসমূহৰ বিষয়েও আলোচনা কৰিছে। বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'A Cultural History of Assam' (১৯৫১) গ্ৰন্থত অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ভিন্ন দিশ আলোচনা কৰিছে।

ডম্বৰুধৰ নাথৰ সম্পাদিত 'চুতীয়া জাতিৰ বুৰঞ্জী' (২০০৭) গ্ৰন্থখনত চুতীয়া ৰাজ্যৰ গঠন আৰু বিকাশৰ লগতে এক ঐতিহাসিক পটভূমিৰ পৰা বৰ্তমানলৈকে জনগোষ্ঠীটোৰ সামাজিক-সাংস্কৃতিক দিশ, কালৰ সোঁতত জনগোষ্ঠীটোৰ পৰিৱৰ্তন আৰু আলি দোমোজাৰ সকলো দিশ আলোচনা কৰিছে। কোযেশ্বৰ বৰুৱাৰ সংকলিত আৰু সম্পাদিত 'ঐতিহাসিক বিৱৰ্ত্তনত অসমৰ চুতীয়া জনগোষ্ঠী' (২০১১) গ্ৰন্থখনো উল্লেখযোগ্য। বৰুৱাৰ 'লুইতৰ আগৰিৰ অসমীয়া সভ্যতা' (২০০০) গ্ৰন্থখনত প্ৰাচীন অসমৰ বসবাস কৰা জাতি-জনগোষ্ঠীৰ বৰ্ণনাৰ সমান্তৰালকৈ লুইতৰ পাৰৰ নৃগোষ্ঠীয় লোকসকলৰ ভিন্ন দিশ আলোচনা কৰিছে। সূৰ্যকান্ত খনিকৰ দ্বাৰা ৰচিত 'চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি' (প্ৰথম আৰু দ্বিতীয় খণ্ড) (১৯৯১) উল্লেখযোগ্য গ্ৰন্থ। গ্ৰন্থখনত খনিকৰে জনগোষ্ঠীটোৰ ইতিহাস, ঐতিহ্যৰ পৰিচয়, সমাজ-সংস্কৃতি, আচাৰ, ৰীতি-নীতি, উৎসৱ-পাৰ্ৱণৰ দিশ আলোচনা কৰিছে। পূৰেন্দ্ৰ প্ৰসাদ শইকীয়াৰ 'চুতীয়াৰ ইতিহাস আৰু সংস্কৃতি' (২০১১) শীৰ্ষক গ্ৰন্থত চুতীয়াসকলৰ ধৰ্মীয় বিশ্বাস, পৰম্পৰা, উৎসৱ-পাৰ্ৱণৰ বিষয়ে আলোচনা কৰিছে। লোকেশ্বৰ গগৈৰ ৰচিত 'অসমৰ লোক-সংস্কৃতি' (২০১১) গ্ৰন্থখনত অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ বাসবাস প্ৰণালী, পৰম্পৰাগত খাদ্য প্ৰণালী, সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ ইত্যাদি দিশ আলোচনা কৰিছে। Ajit Kumar Boarh-ৰ 'The Chutiyas' (২০২০) গ্ৰন্থত চুতীয়াসকলৰ বংশ পৰিচয়, মধ্যযুগত চুতীয়াসকলৰ ৰাজ শাসন, চুতীয়াসকলৰ স্থাপত্য-ভাস্কৰ্য, পুৰাতাত্ত্বিক সমল, ধৰ্মীয় ৰীতি-নীতি আদি দিশ আলোচিত হৈছে। ললিত চুতীয়াৰ 'চুতীয়া জনগোষ্ঠীৰ চমু পৰিচয়' (২০১৬) গ্ৰন্থত চুতীয়াসকলৰ সমাজ-সংস্কৃতি, বসবাস প্ৰণালীৰ লগতে ভিন্ন দিশসমূহৰ বিষয়ে আলোচনা কৰিছে।

উল্লিখিত গ্ৰন্থৰ উপৰি অসম বুৰঞ্জী আধাৰত ৰচিত বহুকেইখন গ্ৰন্থত নিৰ্বাচিত বিষয় সম্পৰ্কে আলোচনা হৈছে। সূৰ্যকুমাৰ ভূঞাৰ সম্পাদিত 'দেওধাই অসম বুৰঞ্জী' (১৯৯০)ত চুতীয়াসকলৰ জন্ম কথা, চুতীয়া ৰাজ্যৰ শাসনকৰ্তাসকল, চুতীয়া ৰাজ্যৰ বিবিধ খেল পৰম্পৰা দিশৰ তথ্য পোৱা যায়। হিতেশ্বৰ বৰবৰুৱাৰ প্ৰণীত 'আহোমৰ দিন' (২০০৮) গ্ৰন্থত চুতীয়াসকলৰ বিভিন্ন ফৈদ, আহোম-চুতীয়াৰ সম্পৰ্ক দিশ আলোচনা হৈছে। সৰ্বানন্দ ৰাজকুমাৰ প্ৰণীত 'ইতিহাসে সোঁৱৰা ছশটা বছৰ'(২০১৭), প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যৰ সম্পাদিত 'অসমৰ জনজাতি' (১৯৯৯), নগেন শইকীয়াৰ ৰচিত 'অসমীয়া মানুহৰ ইতিহাস' (২০১৩) গ্ৰন্থত চুতীয়া জনগোষ্ঠীৰ আচাৰ, ৰীতি-নীতি পৰম্পৰাগত দিশসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰিছে।

**অধ্যয়নৰ গুৰুত্ব ঃ**

চুতীয়া জনগোষ্ঠীৰ লোকসকল উত্তৰ-পূবৰ বৃহৎ ভূ-খণ্ডৰ প্ৰাচীন জনগোষ্ঠী। সেয়েহে উত্তৰ-পূবৰ সামাজিক-সাংস্কৃতিক জনজীৱনৰ লগত চুতীয়া জনগোষ্ঠীৰ লোকসকলৰ ওতপ্ৰোত সম্পৰ্ক বিৰাজমান। এই জনগোষ্ঠীৰ লোকসকলে পালন কৰা দেউকুবেৰ উৎসৱ আয়োজনৰ ভিন্ন দিশ অধ্যয়নৰ যোগেদি জনগোষ্ঠীটোৰ সামাজিক-সাংস্কৃতিক দিশ পোহৰলৈ অহাৰ সমান্তৰালকৈ অসমীয়া জন জীৱনৰো ভিন্ন দিশ এই অধ্যয়নত পোহৰলৈ আহিব।

**অধ্যয়নৰ উদ্দেশ্য ঃ**

চুতীয়া জনগোষ্ঠীৰ লোকসকল অসম তথা উত্তৰ-পূবৰ বিভিন্ন ঠাইলৈ প্ৰব্ৰজিত হৈ পৰাৰ লগতে তেওঁলোক হিন্দু ধৰ্মও গ্ৰহণ কৰিছিল। এনে দিশৰ ফলত জনগোষ্ঠীটোৰ লোকসকলে স্বকীয় ভাষা-সংস্কৃতিৰে সৈতে সেই স্থানসমূহত পৰিশীলিত ৰূপত সোমাই পৰিছিল। তথাপি চুতীয়া জনগোষ্ঠীৰ বসতিপ্ৰধান লোকসকল বা তেওঁলোক বসতি কৰা গাঁওসমূহত সমাজ-সংস্কৃতিৰ ভিন্ন দিশ, আচাৰ-ৰীতি-নীতি, পৰম্পৰা জড়িত হৈ আছে। সেয়েহে 'চুতীয়া জনগোষ্ঠীৰ দেউকুবেৰ উৎসৱ ঃ এক অধ্যয়ন' শীৰ্ষক অধ্যয়নত সামাজিক ৰীতি-নীতি, আচাৰ ভিন্ন দিশসমূহ পোহৰলৈ অনাৰ প্ৰয়াস কৰা হ'ব। অধ্যয়নৰ কেইটামান প্ৰমেয়—

(ক) চুতীয়া জনগোষ্ঠীৰ লোকসকলৰ মাজত প্ৰচলিত উৎসৱ-পাৰ্বণ আৰু পৰম্পৰা আদি দিশসমূহ পোহৰলৈ আহিব।

(খ) চুতীয়া জনগোষ্ঠী লোকসকলে পালন কৰা দেউকুবেৰ উৎসৱৰ লগত জড়িত সামাজিক ৰীতি-নীতি-আচাৰ বিশ্বাস-পৰম্পৰা, পূৰ্বপুৰুষসকলক কৰা স্মৰণৰ লগত জড়িত সামাজিক বিশ্বাস ইত্যাদি দিশসমূহ এই অধ্যয়নৰ জৰিয়তে ফুটি উঠিব।

**অধ্যয়নৰ ব্যৱধান ঃ**

চুতীয়া জনগোষ্ঠীৰ লোকসকলে পালন কৰা দেউকুবেৰ উৎসৱৰ লগত জড়িত ৰীতি-নীতি, আচাৰ ইত্যাদি দিশ সম্পৰ্কত এতিয়ালৈকে প্ৰণালীবদ্ধ আৰু পদ্ধতিগত অধ্যয়নৰ অভাৱ দেখা গৈছে, সেয়েহে এই অধ্যয়নৰ জৰিয়তে জনগোষ্ঠীটোৰ লগত জড়িত ৰীতি-নীতি, বিশ্বাস, পৰম্পৰা, ভিন্ন প্ৰণালী ইত্যাদি দিশসমূহ এই অধ্যয়নৰ যোগেদি পোহৰলৈ অনাৰ প্ৰয়াস কৰা হৈছে।

**মূল বিষয়ৰ আলোচনা ঃ**

মধ্যযুগৰ বা তাৰ পূৰ্বৰ সময়ছোৱাত চুতীয়া জনগোষ্ঠীৰ লোকসকলে উজনি অসমৰ নদী কাষৰীয়া ওখ ঠাইসমূহত বসবাস কৰিছিল। বসতিপ্ৰধান ঠাইত পৰম্পৰাগত ৰীতি-নীতি আৰু সামাজিক-সাংস্কৃতিক দিশসমূহেৰে চহকী আছিল। তেওঁবিলাকে কুবেৰক উপাস্য দেৱতা হিচাপে গণ্য কৰিছিল। কুবেৰ দেৱতাই চুতীয়াসকলৰ প্ৰথম ৰাজ্য প্ৰতিষ্ঠাতা বীৰবৰক এখন ঢাল, এখন তৰোৱাল আৰু এটা সোণৰ মেকুৰী উপহাৰ হিচাপে দিয়া কথা জন সমাজত প্ৰচলিত। সেয়েহে চুতীয়াসকলে মেকুৰীক আদৰ প্ৰীতি কৰাৰ লগতে প্ৰতিবছৰে প্ৰতীকি ৰূপত হ'লেও কুবেৰ প্ৰদত্ত সম্পত্তিৰ লগতে ঢাল, তৰোৱাল আদিক পূজা-অৰ্চনা কৰি আহিছে।

পূৰ্বতে নদীকেন্দ্ৰিক অঞ্চলত বসবাস কৰিছিল যদিও বৰ্তমান সময়ত সমতলৰ ওখ ঠাইতহে চুতীয়া জনগোষ্ঠীৰ লোকসকলৰ বসতি দেখা যায়। চুতীয়া জনগোষ্ঠীৰ লোকসকলৰ মূলতঃ কৃষিজীৱি। এই জনগোষ্ঠীৰ লোকসকলৰ মাজত আহু, বাও আৰু শালিধানৰ খেতি বহুলভাৱে প্ৰচলিত। মাঘ-ফাগুন মাহত আহু ধানৰ খেতি কৰাৰ সময়ত দ ঠাইসমূহত বাও ধানো একেলগে কৰে। বাও ধানৰ ভিতৰত তুলসী, ঈশগুনি, মেডেল; শালিধানৰ ভিতৰত বিৰিয়াভঙা, বৰ জাহিঙা, সৰু জাহিঙা, পানী মাগুৰী, বৰ ধান, অমনা, প্ৰসাদভোগ, আমপাখি আদি। কৃষিকৰ্মত তেওঁলোক পাৰ্গত। খাদ্য হিচাপে প্ৰয়োজন হোৱা প্ৰায়বোৰ সামগ্ৰী নিজেই প্ৰস্তুত কৰি লয়। আলু, কচু, মাহ-সৰিয়হ, লাউ, জিকা, ভোল, কবি, ভেণ্ডি, কেৰেলা, বেঙেনা ইত্যাদিবোৰৰ খেতি কৰে। ইয়াৰ উপৰিও শাক হিচাপে লাই, লফা, ধনীয়া পালেঙৰ খেতি খৰালি সময়ত কৰে। চুতীয়া লোকসকল কৃষিজীৱি হোৱা বাবে গৰু, ম'হ, ছাগলী, হাঁহ, পাৰ ইত্যাদিবোৰো পালন কৰে। চুতীয়া জনগোষ্ঠীৰ লোকসকলে আমিষ-নিৰামিষ দুই ধৰণৰ খাদ্যই গ্ৰহণ কৰে। চুতীয়াসকলৰ প্ৰধান খাদ্য ভাত। বৰা চাউল, চকোৱা চাউল আদিৰ পৰা পিঠা, মুৰি, আখৈ, সান্দহ, কৰাইগুৰি, কোমল চাউল, ভজা চাউল আদিবোৰ তৈয়াৰ কৰে। মাছ চুতীয়াসকলৰ প্ৰিয়। ইয়াৰ ভিতৰত গৰৈ, কাৱৈ, মাগুৰ, শ'ল, শাল, চেঙা, পুঠি, চেঙেলী মাছ অন্যতম। চুতীয়া সমাজত ঢেঁকিয়া, পুঠি মাছ, ঔটেঙাৰ তৰকাৰী আৰু কাঠ আলু মাটিমাহ, কোমোৰা হাঁহ, কলা কচু বিহ জলকীয়াৰ জ্বলা ভাজি বৰ সমাদৃত। শাক-পাচলিও চুতীয়াসকলৰ প্ৰিয় খাদ্য। নিজৰ ঘৰতে কৰা শাক-পাচলিৰ উপৰিও বনৰীয়া নলটেঙা,

ভেদাইলতা, কলমৌ, ঢেঁকীয়া, মানিমুনি, কচু, ভেকুৰী গুটি, লেহেতী আদিবোৰ খাদ্য হিচাপে গ্ৰহণ কৰে। বিহু আৰু অন্যান্য উৎসৱ-অনষ্ঠানত বৰা চাউল আৰু আন আন সামগ্ৰীৰে ‘সাজ পানীয়’ তৈয়াৰ কৰে। সাজপানীয় চুতীয়াসকলে কলহত ৰাখি তৈয়াৰ কৰা

চুতীয়াসকলে একোখন সমাজ তৈয়াৰ কৰি গাঁও পাতি বাস কৰে। এই সমাজ বৰ আপোন আৰু সমিল-মিলৰ। তেওঁলোকৰ মাজত একক আৰু যৌথ দুইধৰণৰ পৰিয়ালৰ ব্যৱস্থা দেখা যায়। সামাজিক বান্ধোনত বান্ধ খাই থকা চুতীয়াসকলৰ এঘৰত বিপদ হ’লে সকলোৱে সমিল-মিলেৰে সহায় আগবঢ়ায়। ইঘৰ-সিঘৰ মাজত আহ-যাহ আৰু উৎসৱ-পাৰ্বণত জ্যেষ্ঠজনক কৰা সন্মান ইয়াৰ মূল দিশ। উৎসৱসমূহত সকলো একেলগ হোৱাৰ লগতে জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা ভক্তি লক্ষণীয়। তেওঁলোকে পৰম্পৰাগতভাৱে বহুতো ৰীতি-নীতি পুৰণি কালৰপৰা পালন কৰি আহিছে। বিশেষকৈ চুতীয়া জনগোষ্ঠীৰ লোকসকলে পূৰ্বপুৰুষ সকলৰ স্মৃতিত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰি পূৰ্বপুৰুষ সকলৰ স্মৃতি সজীৱ কৰাৰ লগতে পূৰ্বপুৰুষৰ পৰা আশীৰ্বাদ কমনা কৰে। তিনিটা বিহুৰ লগতে ডাঙৰীয়া সকাম, শলিতা লগোৱা, বৰ সবাহ, বৰ সকাম ইত্যাদিবোৰত তেওঁলোকৰ সামাজিক আচাৰ, ৰীতি-নীতি প্ৰতিফলিত হয়।

সামাজিক ৰীতি-নীতিত চুতীয়াসকল যথেষ্ট চহকী। কৃষিৰ লগত জড়িত চুতীয়াসকলৰ মাজত ভিন্ন ৰীতি-নীতি, আচাৰ জড়িত। এই অনুষ্ঠানসমূহৰ ভিতৰত — পানীতোলা সবাহ, বৰসবাহ, ভাতপিঠা দিয়া, ন-খোৱা, গৰখীয়া ভোগ, সদাশিৱ পূজা, ভেকুলী বিয়া আদিবোৰ অন্যতম। এইবোৰৰ উপৰিও বিহু পৰম্পৰা চুতীয়াসকলৰ আড়ম্বৰপূৰ্ণ অনুষ্ঠান। বহাগ বিহু, কাতি বিহু আৰু মাঘৰ বিহুৰ সমান্তৰালকৈ আন উৎসৱসমূহো প্ৰাচীন ৰীতি-নীতিৰে পালন কৰে। চুতীয়া জনগোষ্ঠীৰ লোকসকলৰ প্ৰাণৰ সাংস্কৃতিক উৎসৱ বিহু। তেওঁলোকে তিনিটা বিহু বহাগ বিহু, মাঘ বিহু আৰু কাতি বিহু পালন কৰে। চুতীয়া জনগোষ্ঠীৰ লোকসকলে মাঘ বিহু অন্য দুটা বিহুৰ দৰেই অতি উলহ-মালহেৰে আৰু বিভিন্ন নীতি-নিয়মেৰে উদ্‌যাপন কৰে। পুহ মাহৰ শেষত অৰ্থাৎ পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ সময়ত মাঘ বিহু আয়োজন কৰে। পূৰ্বতে চুতীয়া জনগোষ্ঠীৰ লোকসকলে মাঘ বিহু মাঘৰ প্ৰথম বুধবাৰৰ পৰাহে আৰম্ভ কৰিছিল। বৰ্তমান পুহ আৰু মাঘৰ দোমাহী অৰ্থাৎ সংক্ৰান্তিৰ দিনা পালন কৰে।

অসমৰ প্ৰায় সকলোবোৰ জাতি-জনগোষ্ঠী কৃষিৰ ওপৰত নিৰ্ভৰশীল। অসমৰ লোকসকলে পালন কৰা বিহু উৎসৱসমূহো কৃষি কৰ্মৰ লগতে জড়িত। কৃষিজীৱী লোকসকলে আঘোণ-পুহ মাহতে ধান-মাহ-সৰিহয়ৰ খেতি চপাই শেষ কৰে। হাড়ভঙা পৰিশ্ৰমেৰে পথাৰত কৰা কৃষি কৰ্মৰ সোণগুটি ভঁৰালত সামৰি কৃষকে তৃপ্তিৰ হাঁহি মাৰে। ইফালে অসম নদীমাতৃক দেশ হোৱা হেতু খৰালি কালত মাছ-পুঠি উভৈনদী হৈ পৰে। এই সময়ছোৱাত শস্য-শ্যামলা অসম সকলো ফালৰপৰা নদন-বদন হৈ পৰে। খাদ্যৰ উভৈনদী আৰু অপৰূপা সৌন্দৰ্যৰ প্ৰাচুৰ্যতাৰ বাবেই এই বিহুক ভোগালী বিহু বুলি কয়।

অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ বাসভূমি। চুতীয়া জনগোষ্ঠীৰ লোকসকল ইয়াৰে এটা বুৰঞ্জীপ্ৰসিদ্ধ জনগোষ্ঠী। এই জনগোষ্ঠীৰ এক গৌৰৱোজ্বল ইতিহাস আছে। অৱশ্যে কোনো ধৰণৰ লিখিত বুৰঞ্জী নথকাৰ ফলত লোকসংস্কৃতি, লোক কাহিনী, পুৰাকথা, কিংবদন্তি আদিৰ মাজতে জনগোষ্ঠীৰ লোকসকলে ঐতিহ্যক সোঁৱৰি আছে। এই জনগোষ্ঠীৰ লগত সোণৰ মেকুৰী, সোণৰ হাতীৰ ঐতিহাসিক নিদৰ্শন লুকাই আছে। সোণৰ মেকুৰী কুবেৰ প্ৰদত্ত সম্পত্তি হিচাপে প্ৰচলিত হৈ আহিছে। সেয়েহে এই জনগোষ্ঠীৰ লোকসকলে কুবেৰ প্ৰদত্ত সম্পত্তিক ৰক্ষাকৰ্তা, কষ্ট সহিষ্ণুতা, দৃঢ়তা, আত্মসন্মান জগাই তোলা আদিৰে বন্ধু সদৃশ ভূমিকা গ্ৰহণ কৰে। চুতীয়াসকলে পূৰ্বতে দেৱী মহামায়াক তুষ্ট কৰিবলৈ ভিন্ন পূজা-অৰ্চনা কৰিছিল। শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰত দেৱীক শক্তি পূজাৰ সেৱাৰে উপাসনা কৰিছিল। *দেৱী মহামায়াৰ অন্য এক স্থানীয় ৰূপ হ’ল মহাকলিকা বা কিৰাতনী। এই কিৰাতনী প্ৰদত্ত সোণৰ মেকুৰী আছিল চুতীয়া ৰাজ্যৰ সমৃদ্ধিৰ প্ৰতীক।*[৪]

দেওধাই অসম বৰৰঞ্জীতো এই কথাৰ এক দিশ উল্লেখ আছে। পূৰ্বে চুতীয়া ল’ৰাই ম’হ ৰাখোতে এক দিনা দেৱীয়ে কিৰাতনীৰূপে বনৰ মাজত দেখা দিলে। গৰখীয়াক বোলে, ‘মোক তোৰ শুকুলা ম’হটি দে। তোক মই এক শক্তি দিম। তাৰ প্ৰভাৱে ৰজা হ’বি।’ সি বোলে ‘মই দিব নোৱাৰোঁ।’ দেৱীয়ে বোলে, ‘সাক্ষাতে নোৱাৰ, মনেৰে দে’। পাছে মনেৰে দিলে। হাস্য কৰি দেৱীয়ে বোলে ‘মই মহাকালিকা, কালি প্ৰভাতে তোৰ ঘৰলৈ যি পোহাৰী আহে, যি মাছ দিয়ে, সেই মাছ চৰুত দি ঢাকন দি থবি। পৰশুলৈ চাবি। সেই শক্তিয়েৰে ৰাজখাবি। অন্যক নিদিবি। গুপ্তে বলি-বিধান দি, পূজা কৰি থাকিবি। যি কালত লোকক দিবি সেইবেলা মই তোক এৰিম।’ এই বুলি দেৱী অন্তৰ্ধান হ’ল। পিছে বিস্ময়

মানি ঘৰলৈ আসি আনাক দিনা প্ৰভাতে পোহাৰীৰ মাছ পাই ঢাকন দি থ'লে। *পিছ দিনা চৰুৰ ঢাকন গুচাই চালে - সোণৰ বিড়ালী দুটি পালে, দণ্ড খাটো পালে। ছোট হিন্দুৱানৰ খুন্তৱান ৰজা হ'ল। শদিয়াত সিটো ৰজা অবাক ৰূপে থাকে।*"[৫]

চুতীয়া জনগোষ্ঠীৰ লোকসকলে সেয়েহে পৰম্পৰাগতভাৱে প্ৰতিবছৰে কুবেৰ প্ৰদত্ত সম্পত্তিক পূজা কৰে। এই পৰম্পৰাগত উৎসৱক দেউকুবেৰ উৎসৱ বুলি গণ্য কৰে। প্ৰতিবছৰে ফাগুণ মাহৰ কৃষ্ণ চতুৰ্দশী তিথিত এই উৎসৱ অনুষ্ঠিত কৰে। চুতীয়া জনগোষ্ঠীৰ লোকসকলে বিশ্বাস কৰা অনুসৰি সোণৰ মেকুৰী, ধন-সোণ, মণি-মুকুতা আদি কুবেৰৰ সম্পত্তি হিচাপে লাভ কৰিছিল। সেয়েহে চুতীয়া জনগোষ্ঠীৰ ৰজা-প্ৰজা সকলোৱে কুবেৰৰ সম্পত্তি সোণৰ মেকুৰীক দৈনিক ভক্তি মাৰ্গৰে সেৱা আৰু পূজা অৰ্চনা কৰিছিল। তেওঁলোকে এই সম্পত্তিক সেৱা আৰু পূজা অৰ্চনা কৰিলে মনোবাঞ্ছা পূৰ্ণ হোৱাৰ লগতে একো বিপদ-বিঘিনি নহয় বুলি বিশ্বাস কৰিছিল। সেয়েহে চুতীয়া জনগোষ্ঠীৰ প্ৰাচীন ৰজাসকলে সোণৰ মেকুৰী ৰাজহুৱা স্থানত ৰাইজৰ দৰ্শনৰ ব্যৱস্থা কৰিছিল আৰু প্ৰজাই দৰ্শন কৰি আনন্দ পাইছিল। সমান্তৰালকৈ ৰজা-প্ৰজা উভয়ে সুখ, সমৃদ্ধি আৰু শান্তি কামনা কৰিছিল। এই সম্পদ দৰ্শন কৰি কৃষি কাৰ্যত মঙ্গল হ'ব বুলিও বিশ্বাস কৰিছিল। প্ৰজাসকলেও এই উৎসৱ আয়োজন কৰি পিতৃ-মাতৃ, পৰিয়াল আৰু ৰাজ্যৰ মঙ্গল কামনা কৰিছিল। সেয়েহে এই উৎসৱ চুতীয়া জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগতভাৱে প্ৰতি বছৰে পালন কৰি আহিছে।

চুতীয়া সাম্ৰাজ্যৰ ৰজা নীতিপালৰ সময়ত চুতীয়া আৰু আহোমসকলৰ যুদ্ধ হয়। এই যুদ্ধত ৰজা নীতিপালৰ মৃত্যু হোৱাত ৰাণী সাধনীয়ে সাম্ৰাজ্যৰ দায়িত্ব কান্ধ পাতি লৈছিল। যুদ্ধত ৰাণী সাধনীও আহোম সৈন্যৰ হাতত পৰাজিত হৈছিল। কথিত অনুসৰি সাধনীয়ে পৰাজয়ৰ পিছত আত্মসমৰ্পণ কৰা নাছিল। তেওঁ কুবেৰৰ সম্পত্তি সোণৰ মেকুৰী বুকুত বান্ধি চন্দনগিৰি পৰ্বতৰপৰা জপিয়াই সম্পদৰ পৱিত্ৰতা ৰক্ষা কৰিছিল বুলি জনগোষ্ঠীৰ লোকসকলে বিশ্বাস কৰে। আৰু তেতিয়াৰ পৰাই সোণৰ মেকুৰী চুতীয়া জাতিৰ মাজৰ পৰা নোহোৱা হ'ল বুলিও গণ্য কৰে। সেয়েহে প্ৰাচীন সম্পদক সোঁৱৰি চুতীয়া জনগোষ্ঠীৰ লোকসকলে দেউকুবেৰ উৎসৱ বছৰি পালন কৰি আহিছে।

চুতীয়া জনগোষ্ঠীৰ লোকসকলে দেউকুবেৰ উৎসৱ পকা পন্থাৰে আয়োজন কৰে। দেউকুবেৰ উৎসৱত মূল দেউৰী, দেউৰী (কোনো কোনো ঠাইত 'দোকানী' হিচাপে প্ৰচলিত), ঠাল সিজোৱা এই তিনিজনে মুখ্য ভূমিকা গ্ৰহণ কৰে। মূল দেউৰীৰ আজ্ঞা লৈ দেউৰী বা দোকানীয়ে উৎসৱ গৃহত চেলেং কাপোৰেৰে (তিনিটা খুটি পুতি আৰু কাপোৰ সদৃশ কৰি) এভাগ আসন বা বেদী প্ৰস্তুত কৰে। এই বেদী মাটিৰে সামান্য ওখ কৰি পিঠা গুৰিৰে সজাই তাত গামোচা এখন পাৰি লয়। বেদীৰ আগত খুটি পুতি বান্ধি লোৱা চেলেং কাপোৰখনে বেদীতো আন ঠাইৰপৰা পৃথক কৰাৰ লগতে পৰিষ্কাৰ কৰিও ৰাখে। বেদীৰ কাষতে ঐতিহ্যপূৰ্ণ কুবেৰৰ সম্পদক স্তুতি কৰি ঢাল, তৰোৱাল বা সোণৰ মেকুৰীৰ প্ৰতিকৃতি স্থাপন কৰি আশীৰ্বাদ কামনা কৰে। সাধু ভকতৰ আজ্ঞা গ্ৰহণ কৰি জ্ঞাতি ভকতে ইয়াৰ কাষতে সৰুকৈ আন এখন বেদী প্ৰস্তুত কৰি লয়। কোনো ঠাইত এখন শৰাইত আগলি কলাপাতত তামোল (গুৱা-পান)ৰ লগতে আন নৈবেদ্য আগবঢ়ায়। বহু ঠাইত বেদীত গামোচা এখন পাৰি লৈ তাৰ ওপৰত আগলি কলাপাতত চাৰিখন খনীওৱা তামোল (গুৱা-পান) আৰু মাজত মাননি (কাগজী বা গোটা মুদ্ৰা) আগবঢ়ায় দিয়ে। বেদীৰ ঠিক কাষতে আগলি কলপাতত মূল নৈবদ্য আখৈ, বৰা চাউলৰপৰা প্ৰস্তুত কৰা পিঠা, গোট্ কৰাই (মাটি মাহ, চাউল, তিল), সান্দহ গুৰি আদিৰ লগতে পকা সকামৰ বাবে প্ৰস্তুত কৰা সাজপানীয় কাঁহৰ বাটিত সজাই আসনৰ (বেদী) কাষত আগবঢ়ায়। কাষতে ধূপ-বন্তি প্ৰজ্বলন কৰে।

সাধু আৰু অন্যান্য জ্ঞাতি বা সঙ্গী ভকতসকল উৎসৱ গৃহত আসন লয়। তেখেতসকলে সেৱকীক শাৰি শাৰিকৈ কাষতে বহুৱাই সকলোৰে মংগল কামনাৰে স্তুতি পাঠ কৰে। উৎসৱ গৃহত সাধু ভকতে মূল ভূমিকা গ্ৰহণ কৰে। স্তুতি প্ৰাৰ্থনা সময়ত কোনো জ্ঞাতিৰ কিবা ক'ব লগা বা উঠি যাব লগা হ'লে সাধুৰ আজ্ঞা গ্ৰহণ কৰিহে আগবাঢ়িব পাৰে। এই নীতিৰ বিপৰীতে গ'লে বা কোনো লোক অন্যমনষ্ক হ'লে পূৰ্বপুৰুষসকলে মনত আঘাত পাই বা মনোবাঞ্ছা বিফল হয় বুলি বিশ্বাস কৰে। সাধুৰ আজ্ঞা গ্ৰহণ কৰি জ্ঞাতি বা সাধু ভকতে বন্দনা স্তুতি পাঠ কৰে। জ্ঞাতি বা সাধু ভকতজনক বন্দনা স্তুতি পাঠৰ বাবে পূৰ্বেই নিৰ্দিষ্ট কৰি থোৱা হয়। কোনো ঠাইত গাঁৱৰ বয়োবৃদ্ধ পুৰুষ বা মহিলাক এই কৰ্মৰ বাবেই দায়িত্ব দিয়ে। তেওঁলোকে অনুষ্ঠানৰ দিনা উপবাসে থাকি উপস্থিত ৰাইজক আৰু বেদীত সেৱা জনাই স্তুতি পাঠ কৰে।

*শ্ৰী কৃষ্ণায়, গোপালায়, ৰুক্মিণী বল্লভায় চ বনমালীনে*
*ব্ৰজাঙ্গনানাং হৃদয় হাৰীনে, বিশ্বৰূপায়, চ নমঃ।*
*নমস্তাজং জগৎ কাৰণায়, বংশীবদনায় চ*
*গোবিন্দায় নমো নমঃ।*
*সৰ্ব্বজয় মঙ্গলায়, শুকায় চ কৃষি কৰ্ম্মণঃ*

*প্ৰজ্বলামি পঞ্চ প্ৰদীপমদিং দেউকুবেৰৎসবস্য*
*ক্ষমস্বনঃ সৰ্ব্বাপৰূধং জগদীশ্বৰ কৰুণাময়,*
*ত্বং দেবো হৃদিস্থিতো পৰমেশ্বৰঃ।*[৬]

আকৌ, বন্তিত তেল (চাকিৰ তেল কমিলে) আগবঢ়াই স্তুতি পাঠ কৰে —

এই স্তুতি পাঠ শেষ হোৱা লগে লগে পুনৰ ধূপ-বন্তি জ্বলায়। এই ধূপ-বন্তি প্ৰজ্বলনৰ বাবে পূৰ্বেই সাজু কৰি থয়। মূল বেদীৰপৰা ক্ৰমে পাঁচ ভাগ বন্তি প্ৰজ্বলন কৰে। বন্তি কেইভাগৰ ভিতৰত প্ৰথমভাগ ভগৱান শ্ৰীকৃষ্ণৰ নামত অৰ্পণ কৰে, তাৰ অলপ কাষত তললৈ দ্বিতীয়ভাগ দেউকুবেৰৰ নামত অৰ্পণ কৰে, তৃতীয়ভাগ কুণ্ডিলৰাজ ভীষ্মকৰ নামত অৰ্পণ কৰে, চতুৰ্থভাগ পূৰ্বপুৰুষক স্মৰণ কৰি অৰ্পণ কৰে আৰু পঞ্চমভাগ ৰজা প্ৰজা বা ৰাইজৰ নামত অৰ্পণ কৰে। বন্তি প্ৰজ্বলনৰ পিছত সাধু, জ্ঞাতি ভকত সকলোৱে একেস্বৰে উন্মোচন কৰা স্তুতি পাঠ কৰে—

*নমো নমো ইষ্টদেৱ কুবেৰ ধনপতি*
*তোমাৰ চৰণে কৰো সেৱা শতকোটি।*
*তোমাৰ আদেশে দেৱ খান্দি যজ্ঞস্থলী*
*পালো ঢাল তৰোৱাল সোণাৰু বিড়ালী।*
*ৰাজ্যৰ সম্পদ শ্ৰেষ্ঠ সবাতো অধিক*
*সৌভাগ্য সমৃদ্ধি আৰু জয়ৰ প্ৰতীক।*
*এই দৈব দৰশনে হয় সৰ্ব্ব সিদ্ধি*
*প্ৰজাৰ মঙ্গল হয়, হয় শস্য বৃদ্ধি।*
*সবাৰ কামনা সেয়ে দৈবী দৰশন*
*উন্মুক্ত কৰিলো আজি তাৰ আৱৰণ।*
*মনত আনন্দ লভি চোৱা সৰ্ব্বজনে,*
*হৰিধ্বনি কৰা সবে একচিত্ত মনে।*[৭]

ইয়াৰ পিছত সাধুৰ আজ্ঞা গ্ৰহণ কৰি কুবেৰ প্ৰদত্ত সম্পদৰ প্ৰশস্তি পাঠ কৰে। প্ৰজাৰ মংগল কামনা কৰাৰ লগতে পূৰ্বপুৰুষসকলৰ নাম উচ্চাৰণ কৰি তেওঁলোকৰপৰা আশীৰ্বাদ কামনা কৰি বেদীৰফালে চাই সেৱা কৰে।

দেউকুবেৰ উৎসৱৰ ৰন্ধন প্ৰকৰণৰ দিশ মনকৰিবলগীয়া। সাধু ভকতৰ আজ্ঞা গ্ৰহণ কৰি (অনুসৰি) বলি লোৱাজনে সাধু ভকতসহিতে আন জ্ঞাতি ভকতসকলক সন্মুখত ৰাখি হাঁহ বা পাৰ বধ কৰি ৰন্ধন প্ৰকৰণৰ বাবে আগবাঢ়ে। বলি লোৱাজনে হাঁহ-পাৰ মৰাৰ সময়ত একে হেঁচাতে মাৰিব লাগে। একে হেঁচাতে মাৰিব নোৱাৰিলে মনোকামনা সফল নহয় বুলি বিশ্বাস কৰে। ইয়াৰ পিছত পূৰ্বে নিৰ্দিষ্ট কৰি থোৱা ঠাইত হাঁহ বা পাৰ পাখি গুচাই নিৰ্দিষ্ট জোখত কাটি-বাচি ৰন্ধনৰ সাজু কৰে। ৰন্ধন গৃহত মূল দেউৰীৰ বাদে আন লোকৰ প্ৰৱেশ নিসিদ্ধ। পূৰ্বে যোগাৰ কৰি থোৱা শাক-পাচলিসমূহো উপযুক্ত কাৰি কাটি ৰন্ধনৰ ব্যৱস্থা কৰে। মাংসৰ প্ৰকৰণত কলপচলা, ৰঙলাও, আলু, জালুক আদিৰ ব্যৱহাৰ কৰে। ৰন্ধন কাৰ্য শেষ হ'লে দোকানীয়ে ৰান্ধনিশালৰ পৰা হাঁহৰ মাংসৰ(পৰিৱেশন কৰিব পৰা) ভাজি কলপাতত সমাজৰ মাজলৈ আগবঢ়াই দিয়ে। ইয়াৰ পিছত জ্ঞাতিসকলে পকা সকামৰ বাবে প্ৰস্তুত কৰা সাজ পানীয় কাঁহৰ বাটিত সজাই আসনৰ (বেদী) কাষত আগবঢ়ায়। ৰান্ধনৰ সকলো সামগ্ৰী সাজু হ'লে সাধুৰ আজ্ঞা লৈ দোকানীয়ে সামগ্ৰীসমূহ ভকত সহিতে সকলোকে বিলাই দিয়ে। সাধুক কাঁহৰ বাটিত দোকানী বা উপস্থিত সঙ্গীয়ে সাজপানীয় খুৱাই দিয়াৰ লগতে মূল বাটিৰ সাজ সকলো ভকতলৈ অলপ অলপ আগবঢ়ায়।

প্ৰাচীন ঐতিহ্য ৰক্ষাৰ বাবে প্ৰতিঘৰ চুতীয়া জনগোষ্ঠীৰ লোকে এই উৎসৱত অংশ লয়। অৱশ্যে বৈষ্ণৱ ধৰ্মৰ লোকসকলে এই অনুষ্ঠানৰ লগত জড়িত নহয়। এই অনুষ্ঠানৰ দ্বাৰা চুতীয়া জনগোষ্ঠীৰ লোকসকলে এটা পৰম্পৰাৰ সেঁতুৰে বান্ধ খোৱাৰ লগতে পিতৃ-পুৰুষলৈকো স্মৰণ কৰে।

এই উৎসৱৰ বাবে গাঁৱৰ লোকসকলে পিঠা, আখৈ, কৰাইগুৰি, সান্দহগুৰি, গোট্ কৰাই, বৰা চাউল আদিবোৰ ঘৰতে প্ৰস্তুত কৰি উৎসৱৰ বাবে আগবঢ়ায়। কোনো কোনো গৃহস্থী লোকে হাঁহ-পাৰ মাংস, কোনো গৃহস্থীয়ে শাক-পাচলি ৰঙলাও, কোমোৰা, আলু, জালুক, আদা, নহৰু আদি ৰাইজৰ বাবে আগবঢ়ায়। ইফালে জ্ঞাতি ভকতৰ বাবে প্ৰয়োজনীয় সাজপানীয়ও গৃহস্থীসকলে বৰা চাউলেৰে ঘৰতে নিৰ্মাণ কৰে।

সাধু ভকতৰ আজ্ঞামতে গৃহস্থই যোগাৰ কৰা বৰা চাউল সিজোৱা বা চেৰা দিয়া, পিঠা, আখৈ, কৰাইগুৰি, সান্দহগুৰি, গোট্ কৰাই, মাছৰ ভজা, হাঁহ-কোমোৰা-কলপচলা-ৰঙলাওৰ ভজা দেউৰীয়ে বিতৰণ কৰে। সাধু ভকতৰ আজ্ঞা লৈ দেউৰীয়ে সাজপানীয় কাঁহৰ বাটিত ভগাই দিয়ে। সকলো খাদ্য-সামগ্ৰী বিতৰণ কৰাৰ পিছত জ্ঞাতি সহিতে মূল দেউৰীয়ে আশীৰ্বাদ দিয়ে—

*'ভাল নিজ পূৰ্ণ শংকৰ মাধৱ গোপাল যদুমণি দেউ'।*[৮]

ইয়াৰ পাছত সকলো বহি কলপাতত বৰা চাউলৰ চেৰা দিয়া, ভাজি, হাঁহৰ মাংস ইত্যাদি পৰিশেৱন কৰে। কলহ বা আন মাটিৰ বাচনত গোটোৱা সাজপানীয় জ্ঞাতি ভকত-ভকতনী সকলে ডাঙৰ বাচনত বগা কাপোৰ পাৰি চেকি ভোগৰ বাবে আগবঢ়াই দিয়ে। হালধীয়া বৰণৰ সাজপানীয় মিঠা হোৱাৰ লগতে ভকতৰ মন পুলকিত কৰি তোলে। ভোগ গ্ৰহণৰ পাছত মনৰ আনন্দত সকলোৱে

একগোট হৈ বিহুও নাচে।

দেউকুবেৰ উৎসৱ চুতীয়া জনগোষ্ঠীৰ গাঁও বা অঞ্চলৰ সকলো লোক একগোট হৈ পালন কৰে। বৰ্তমান চুতীয়া জনগোষ্ঠীৰ উন্নয়ন, উত্তৰণ বাবে গঢ় লোৱা সামাজিক-সাংস্কৃতিক দল-সংগঠনসমূহে জাতীয় ঐতিহ্য অটুত ৰখাৰ বাবে ৰাজহুৱাভাৱে প্ৰতিবছৰে এই উৎসৱৰ আয়োজন কৰে। চুতীয়া জনগোষ্ঠীৰ লোকসকলৰ মাজত একতা-প্ৰীতি আৰু ঐতিহ্য ৰক্ষাৰ্থে বিভিন্ন আচাৰ, ৰীতি-নীতি ইয়াত জড়িত হৈ আছে। একেদৰে চুতীয়া জনগোষ্ঠীৰ লোকসকলে এই উৎসৱৰ দৰে বৰ্তমান শলিতা লগোৱা, গৰখীয়া সবাহ, বৰ সবাহ আদি পূৰ্বৰ পৰম্পৰাৰে ৰাজহুৱাকৈ আয়োজন কৰে।

**সিদ্ধান্ত ঃ**

১। ‘চুতীয়া জনগোষ্ঠীৰ দেউকুবেৰ উৎসৱ ঃ এক অধ্যয়ন’ শীৰ্ষক আলোচনা পত্ৰখনত চুতীয়া জনগোষ্ঠীৰ পৰিচয়, জনগোষ্ঠীৰ লোকসকলে বসবাস কৰা প্ৰণালী, সমাজ ব্যৱস্থাৰ ভিন্ন দিশসমূহৰ বিষয়ে তথ্য আহৰণ হয়।

২। দেউকুবেৰ উৎসৱ অধ্যয়নৰ জৰিয়তে জনগোষ্ঠীটোৰ লোকসকলে পৰম্পৰাগতভাৱে পালন কৰা এই উৎসৱৰ লগত জড়িত আচাৰ-ৰীতি-নীতি আদি দিশসমূহ পোহৰলৈ আহে।

**উপসংহাৰ ঃ**

সমাজ আৰু সংস্কৃতি একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। ইফালে সমাজত বসতি কৰা প্ৰতিটো জনগোষ্ঠীৰে পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা আচাৰ-অনুষ্ঠান আৰু উৎসৱ-পাৰ্বণ আছে। এইসমূহ অধ্যয়নৰ জৰিয়তে তেওঁলোকৰ সংস্কৃতিৰ আভাস পাব পাৰি। সময় বাগৰাৰ লগে লগে জনগোষ্ঠীসমূহৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, উৎসৱ-পাৰ্বণসমূহৰ মাজত ৰূপৰ পৰিৱৰ্তন ঘটিছে। কেতিয়াবা এনে পৰিৱৰ্তনৰ মাজতে কিছু বিশিষ্টতা লক্ষ্য হয়। সমান্তৰালভাৱে জনগোষ্ঠীসমূহ বৃহত্তৰ অসমীয়া সংস্কৃতিৰে সমন্বয়ৰ ফলত এইবিলাকৰ প্ৰকৃত ৰূপ কিছুপৰিমাণে হেৰাই গৈছে যদিও তাৰ মূল ৰূপৰ ক্ষেত্ৰত এতিয়াও স্বকীয়তা বৰ্তি আছে। এনেধৰণৰ প্ৰাসংগিক প্ৰসংগৰ ভিত্তিতে চুতীয়া জনগোষ্ঠীৰ লোকসকলৰ মাজত প্ৰচলিত সামাজিক ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আৰু উৎসৱ-পাৰ্বণ সমূহক বিশেষভাৱে ঐতিহ্যৰ প্ৰতীক বুলি গন্য কৰিব পাৰি। এই উৎসৱ-পাৰ্বণ, আচাৰ-অনুষ্ঠানসমূহে শিশুৰ পৰা বৃদ্ধলৈকে সকলোকে আনন্দ আৰু আত্মীয়তাৰ লগতে সমাজৰ একতা, পাৰস্পৰিক প্ৰীতি, সদিচ্ছা আৰু প্ৰাণৰ আবেগ-অনুভূতিৰে জগাই তোলে। এই পাৰিবাৰিক আৰু সামাজিক মূল্যবোধৰ বাবেই দেউকুবেৰ উৎসৱ বৰ্তমানেও চুতীয়া জনগোষ্ঠীৰ মাজত জীৱন্ত ৰূপত চলি আছে। সেয়েহে জনগোষ্ঠীটোৰ সভ্যতা সংস্কৃতিৰ মাজত প্ৰতিফলিত হোৱা বিশিষ্টতাৰ ভিত্তিত এই অধ্যয়নৰ পৰিসৰ আগবাঢ়িছে। এই অধ্যয়নৰ সমলসমূহে জনগোষ্ঠীটোৰ লগত জড়িত আন আন দিশসমূহ অধ্যয়নৰ ক্ষেত্ৰত ভৱিষ্যতে ন ন দিশত সহায় কৰিব। ❑

**প্ৰসংগসূচী আৰু পাদটীকা ঃ**

১। Francis Hamilton, An Account of Assam,১৯৮৭, p.54-55
২। The Deori-Chutiyas are a small and secluded tribe in the Lakhimpur and Sibsagar districts of upper Assam. As the name implies, they are the representatives of the priestly or levite class among the chutiyas. W.B. Brown, An Outline Grammar of the Deori-Chutiya Language,Spoken in Upper Assam,১৮৯৫, Introduction p. i
৩। সৰ্বানন্দ ৰাজকুমাৰ, ইতিহাসে সোঁৱৰা ছশটা বছৰ, ২০১৩, পৃ. ৭১৪-৭১৫
৪। চুতীয়া জাতিৰ বুৰঞ্জী, পৃ-২৯৫
৫। দেওধাই অসম বুৰঞ্জী, পৃ- ২০১
৬। ডম্বৰুধৰ নাথ (সম্পা), *চুতীয়া জাতিৰ বুৰঞ্জী*(২০০৭), চুতীয়াসকলৰ সামাজিক আচাৰ অনুষ্ঠান(প্ৰবন্ধ), ভৱকান্ত চুতীয়া, পৃ. ৩৬৬)
৭। উক্ত গ্ৰন্থ, পৃ. ৩৬৬
৮। সংবাদ, বোধেন বৰা, খলিহামাৰী, বয়স-৭৪

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

নাথ, ডম্বৰুধৰ (সম্পা.)। *চুতীয়া জাতিৰ বুৰঞ্জী*। চুতীয়া জাতিৰ বুৰঞ্জী প্ৰণয়ন সমিতি, ২০০৭। মুদ্ৰিত।
পাদুন, নাহেন্দ্ৰ। *অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি*। গুৱাহাটী ঃ লয়াৰ্ছ বুকষ্টল, ১৯৯৩। মুদ্ৰিত।
বৰবৰুৱা, হিতেশ্বৰ। *আহোমৰ দিন*। গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ২০০৮। মুদ্ৰিত।
———। *লুইতৰ আগাৰিৰ অসমীয়া সভ্যতা*। গহপুৰ ঃ কিৰণ প্ৰকাশ, ২০০০। মুদ্ৰিত।
———। (সং. আৰু সম্পা.)। *ঐতিহাসিক বিৱৰ্তনত অসমৰ চুতীয়া জনগোষ্ঠী*। গহপুৰ ঃ কিৰণ প্ৰকাশ, ২০১১। মুদ্ৰিত।
ভট্টাচাৰ্য, প্ৰমোদচন্দ্ৰ (সম্পা.)। *অসমৰ জনজাতি*। গুৱাহাটী ঃ লয়াৰ্ছ বুকষ্টল, ১৯৯১। মুদ্ৰিত।
———। *অসমৰ লোক উৎসৱ*। গুৱাহাটী ঃ নৱগিৰি। ১৯৯৩। মুদ্ৰিত।
শইকীয়া, পুৰেন্দ্ৰ প্ৰসাদ। *চুতীয়াৰ ইতিহাস আৰু সংস্কৃতি*। ধেমাজি ঃ কিৰণ প্ৰকাশন, ২০১১। মুদ্ৰিত।

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945

Peer Reviewed Journal
[UGC-CARE Listed]

# অসমীয়া আৰু কাৰ্বি সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰ ঃ এক তুলনামূলক অধ্যয়ন



**কিৰণ ৰবিদাস**

**সংক্ষিপ্তসাৰ**

অসম ৰাজ্য বিভিন্ন জাতি-জনজাতিৰ বসতিস্থল। অসমত বসবাস কৰা প্ৰত্যেকটো জাতি-জনজাতিৰে স্বকীয় সংস্কৃতি আছে আৰু তেওঁলোকৰ সাংস্কৃতিক সংমিশ্ৰণত বৃহত্তৰ অসমীয়া সংস্কৃতি গঢ়ি উঠিছে। অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। সেয়ে অসমীয়া সংস্কৃতি গঢ়ি উঠাত বিভিন্ন জনগোষ্ঠীৰ অৱদান অনস্বীকাৰ্য। লোকসংস্কৃতিৰ উপাদানসমূহৰ ভিতৰত লোকাচাৰ অন্যতম। সমাজত অতীতৰে পৰা পৰম্পৰাগতভাৱে চলি অহা ৰীতি-নীতি, বিশ্বাস আদিয়ে হৈছে লোকাচাৰ। অসমীয়া আৰু জনজাতীয় সমাজত লোকাচাৰৰ স্থান অতি গুৰুত্বপূৰ্ণ। অসমীয়া আৰু কাৰ্বি দুয়োখন সমাজত জীৱনবৃত্তৰ লগত বিভিন্ন লোকাচাৰৰ প্ৰচলন আছে। সেইসমূহৰ ভিতৰত জন্মকেন্দ্ৰিক লোকাচাৰ উল্লেখযোগ্য। এগৰাকী নাৰীৰ গৰ্ভত সন্তানে স্থিতি লোৱাৰ পিছত শাৰিৰীক আৰু মানসিকভাৱে সবল কৰিবলৈ দুয়োখন সমাজতে বিভিন্ন লোকাচাৰ পালন কৰে। আমাৰ গৱেষণা পত্ৰখনত অসমীয়া আৰু কাৰ্বি সমাজত প্ৰচলিত জন্মকেন্দ্ৰীক লোকাচাৰৰ সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰ কৰি তুলনামূলক অধ্যয়ন কৰা হ'ব।

**বীজ শব্দ ঃ**

কাৰ্বি, অসমীয়া, সমাজ, লোকাচাৰ, জন্মকেন্দ্ৰিক লোকাচাৰ, লোকবিশ্বাস।

**অৱতৰণিকা**

**০.১ বিষয়ৰ পৰিচয়**

লোকসংস্কৃতিৰ ভাগসমূহৰ ভিতৰত এক গুৰুত্বপূৰ্ণ ভাগ হৈছে লোকাচাৰ। কোনো এখন সমাজত পৰম্পৰাগতভাৱে পালন কৰি অহা কিছুমান বিশেষ ৰীতি-নীতি আৰু ক্ৰিয়াকলাপৰ সমষ্টিকে লোকাচাৰ বোলা হয়। সমাজত প্ৰচলিত বিবিধ আচাৰ-অনুষ্ঠান, উৎসৱ, বিশ্বাস, ধৰ্ম, জন্ম, মৃত্যু, বিবাহৰ লগত জড়িত বিভিন্ন অনুষ্ঠান, খেল ধেমালি, লোক-ঔষধ আদিকো লোকাচাৰ বুলিব পাৰোঁ। লোকাচাৰ সমূহ লোকবিশ্বাসৰ গাত ভেজা দিয়ে সমাজত গঢ়ি উঠিছে আৰু অতীতৰে পৰা জনসমাজত চলি আহিছে। এইসমূহৰ মাজেদি একোটা জাতিৰ স্বকীয় বৈশিষ্ট্যসমূহ প্ৰকাশ হয়।

আদিম অৱস্থাৰ পৰাই মানুহে নজনাক জানিবলৈ বা যিকোনো বিষয়ত জ্ঞান আহৰণ কৰিবলৈ তুলনাৰ সহায় লৈ আহিছে। সাধাৰণতে 'তুলনা' বুলিলে যিকোনো দুটা বিষয়ৰ পাৰস্পৰিক সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ বিচাৰ কৰাকে বুজায়। মানৱ সভ্যতাৰ বিকাশৰ লগে লগে তুলনামূলক পদ্ধতিয়ে সাহিত্য অধ্যয়নৰ এটি গুৰুত্বপূৰ্ণ পদ্ধতি হিচাপে বিবেচিত হয়। তুলনামূলক পদ্ধতিয়ে সাহিত্য, সমাজ, কলা, বিজ্ঞান, ৰাজনীতি, সমাজনীতি আদি সকলো বিষয়ক সামৰি লয় আৰু এই সকলো বিলাক দিশতে তুলনাৰ সহায় লোৱা দেখা যায়।

গৱেষক, অসমীয়া বিভাগ
অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ
কাৰ্বি আংলং, ডিফু (অসম) -৭৮২৪৬২
৮৮৭৬৮০০৭৬০
kiranrobidas180@gmail.com

অসমত বসবাস কৰা জনগোষ্ঠীসমূহৰ ভিতৰত এটি প্ৰাচীন জনগোষ্ঠী হৈছে কাৰ্বি জনগোষ্ঠী। কাৰ্বিসকল স্বকীয় সংস্কৃতিত অতি চহকী। তেওঁলোকৰ সমাজত প্ৰচলিত লোকাচাৰ, লোকবিশ্বাস, উৎসৱ-পাৰ্বণ আদিৰ সুকীয়া বৈশিষ্ট্য বিৰাজমান। অসমৰ বিভিন্ন জনগোষ্ঠীৰ দৰে কাৰ্বি জনগোষ্ঠীৰ সমাজতো জন্ম সম্পৰ্কীয় বিভিন্ন লোকাচাৰৰ প্ৰচলন আছে। কাৰ্বি সংস্কৃতি অসমীয়া সংস্কৃতিৰে এক অংগস্বৰূপ। সেয়ে অসমীয়া আৰু কাৰ্বি দুয়োখন সমাজতে এগৰাকী নাৰীয়ে গৰ্ভধাৰণ কৰাৰ পৰা কেঁচুৱাৰ অন্নপ্ৰাশন পতালৈকে বিভিন্ন লোকাচাৰ পালন কৰে। অসমীয়া আৰু কাৰ্বি সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰৰ তুলনামূলক অধ্যয়নে দুয়োখন সমাজত প্ৰচলিত লোকাচাৰ সমূহৰ সাদৃশ্য-বৈসাদৃশ্যৰ বিভিন্ন দিশৰ উন্মোচন হ'ব।

**০.২ অধ্যয়নৰ উদ্দেশ্য**

'অসমীয়া আৰু কাৰ্বি সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰ ঃ এক তুলনামূলক অধ্যয়ন' শীৰ্ষক অধ্যয়নৰ উদ্দেশ্যসমূহ হৈছে —

(ক) অসমীয়া আৰু কাৰ্বি সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰ সমূহ পোহৰলৈ অনা।

(খ) দুয়োখন সমাজত প্ৰচলিত লোকাচাৰসমূহৰ সাদৃশ্য-বৈসাদৃশ্য বিচাৰ কৰা।

**০.৩ অধ্যয়নৰ পৰিসৰ**

আমাৰ গৱেষণা পত্ৰখনত অসমীয়া আৰু কাৰ্বি সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰৰ পৰিসৰ হিচাপে গৰ্ভধাৰণৰ সময়ত লোৱা যতন সম্পৰ্কীয় লোকাচাৰ, প্ৰসৱকালীন ৰীতি-নীতি, প্ৰসূতিৰ ল'বলগীয়া যতন সম্পৰ্কীয় লোকাচাৰ, নামাকৰণ পৰ্ব, চুলিকটা পৰ্ব, অন্নপ্ৰাশন আদিৰ লগত জড়িত বিভিন্ন লোকাচাৰসমূহৰ তুলনামূলক আলোচনা আগবঢ়োৱা হ'ব।

**০.4 অধ্যয়নৰ পদ্ধতি**

'অসমীয়া আৰু কাৰ্বি সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰ ঃ এক তুলনামূলক অধ্যয়ন' শীৰ্ষক অধ্যয়নৰ বাবে তুলনামূলক আৰু বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হ'ব।

**০.৫ তথ্য আহৰণৰ উৎস**

গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে মুখ্য উৎস হিচাপে ক্ষেত্ৰ অধ্যয়ন আৰু গৌণ উৎস হিচাপে বিষয়ৰ সৈতে সম্পৰ্কযুক্ত গৱেষণা গ্ৰন্থ, গৱেষণামূলক গ্ৰন্থ, প্ৰবন্ধ সংকলন, সম্পাদনা গ্ৰন্থ আৰু আলোচনী আদিৰ সহায় লোৱা হ'ব।

**১.০ অসমীয়া সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰ**

অসমৰ জনসাধাৰণৰ মাজত যুগ যুগ ধৰি পৰম্পৰাগতভাৱে বিভিন্ন লোকাচাৰৰ প্ৰচলন হৈ আহিছে। এই লোকাচাৰসমূহ জন্মৰ পৰা আৰম্ভ কৰি মৃত্যুলৈকে নিবিড়ভাৱে জড়িত হৈ আছে। অসমীয়া সমাজত প্ৰচলিত লোকাচাৰ সমূহৰ ভিতৰত এক গুৰুত্বপূৰ্ণ লোকাচাৰ হৈছে জন্মকেন্দ্ৰিক লোকাচাৰ। এগৰাকী নাৰীৰ গৰ্ভত সন্তানে স্থিতি লোৱাৰ পিছৰে পৰা শাৰিৰীক আৰু মানসিকভাৱে সবল কৰিবলৈ অসমীয়া সমাজত বিভিন্ন লোকাচাৰ পালন কৰে। জন্মকেন্দ্ৰিক লোকাচাৰত নাৰীৰ ভূমিকা গুৰুত্বপূৰ্ণ। সেয়ে জন্মকেন্দ্ৰিক লোকাচাৰক নাৰীকেন্দ্ৰিক লোকাচাৰ বোলা হয়।

অসমীয়া সমাজত এগৰাকী নাৰীৰ গৰ্ভত সন্তানে স্থিতি লোৱাৰ পৰা সন্তান জন্ম হোৱালৈকে বিভিন্ন লোকাচাৰ পালন কৰে। সন্তানে গৰ্ভত স্থিতি লোৱাৰ পিছৰে পৰা পিতৃ-মাতৃয়ে মিছা কথা ক'ব নাপায় আৰু জীৱ-জন্তু হত্যা কৰাৰ পৰা বিৰত থাকে। তদুপৰি পূজাৰ বলি কটা চাব নাপায় আৰু মাছ মাৰি বাচিবলৈ দিয়া নহয়। জীৱ-জন্তু হত্যা কৰিলে পাপৰ ফল আহিবলগীয়া সন্তানৰ গাত পৰে বুলি বিশ্বাস কৰে। গৰ্ভধাৰণৰ সময়ছোৱাত প্ৰসূতি গৰাকীয়ে দুৰাৰোগৰ কথা শুনিব নাপায় আৰু আপচু জীৱ-জন্তু আদি চাব নাপায়। তদুপৰি প্ৰসূতি গৰাকীৰ কোঠাত শিশুৰ ফটো আৰু লাৰুৱা গোপালৰ ফটো আঁৰি থোৱা হয়। এই সময়ছোৱাত প্ৰসূতি গৰাকীয়ে যোৰ মাহত নদী পাৰ হ'ব নাপায় আৰু বিযোৰ মাহত মাতৃ গৃহলৈ অনাৰ নিয়ম আছে।

অসমীয়া সমাজত গৰ্ভধাৰণৰ পাঁচমাহত শুভ দিন বাৰ চাই গৰ্ভৱতী গৰাকীক 'পঞ্চামৃত' খুওৱা হয়। এই অনুষ্ঠানত দৈ, ঘিউ, এৰা গাখীৰ, মৌ আৰু চেনীৰ পঞ্চমৃত আৰু পায়স গৰ্ভৱতী গৰাকীক খুওৱা হয়। গৰ্ভৱতী গৰাকীৰ মাতৃৰ উপস্থিতিত এই অনুষ্ঠান ভাগ সম্পন্ন কৰা হয়। মাতৃৰ লগতে সম্বন্ধীয় পাঁচ গৰাকী আত্মীয়ই পাঁচবাৰ গৰ্ভৱতী গৰাকীক পঞ্চামৃত খুৱায়। এই অনুষ্ঠানৰ পিছতে 'ভাতপিঠা' খুওৱা নিয়ম অসমীয়া সমাজত আছে। সাত মাহত 'সাতমহীয়া সকাম' অনুষ্ঠানত প্ৰসূতি গৰাকীক ভাত পিঠাৰ লগতে দৈ, ঘিউ, গাখীৰ, মৌ, চেনী আৰু মিঠা জাতীয় বস্তু খুওৱা হয়। তদুপৰি প্ৰসূতি গৰাকী ভালে ভালে প্ৰসৱ কৰিবৰ বাবে ন মাহত 'প্ৰসূতি সবাহ' পতা হয়। সবাহত প্ৰসূতি গৰাকীক উদ্দেশ্য কৰি আয়তীসকলে নাম গাই ঘৰৰ সকলোৰে লগতে প্ৰসূতি গৰাকীৰ সুস্বাস্থ্যৰ বাবে প্ৰাৰ্থনা

জনায়। আইসকলে ভোগ, মাহ প্ৰসাদ গ্ৰহণ কৰি প্ৰসূতি গৰাকীৰ ভালে ভালে প্ৰসৱ হ'বৰ বাবে আশীৰ্বাদ দিয়ে।

প্ৰসূতি গৰাকীৰ প্ৰসৱৰ বেদনা আৰম্ভ হোৱাৰ লগে লগে মহিলাসকলে আচুতীয়া কোঠালৈ লৈ যায়। অসমীয়া সমাজত ল'ৰা সন্তান জন্ম হ'লে উৰুলি দিয়া আৰু ছোৱালী সন্তান জন্ম হ'লে বেৰত ঢকিওৱা আৰু ঢেকি দিয়া নিয়ম আছে। ইয়াৰ পিছতে কেচুৰাক বাঁহৰ চেচুৰে নাড়ী কাটি পৰিষ্কাৰ কৰা হয়। সন্তান জন্ম হোৱা পিছৰে পৰা প্ৰসূতি থকা কোঠাত একুৰা জুই জ্বলাই থোৱা নিয়ম আছে। তদুপৰি ভূত-প্ৰেত, অপশক্তি আদিয়ে অনিষ্ট নকৰিবলৈ দুৱাৰৰ ওপৰত ফটা জালৰ টুকুৰা বা জালৰ গুটি আৰু বগৰি গছৰ ডাল আঁৰি দিয়া হয়। প্ৰসূতি গৰাকী আৰু সন্তানক অপশক্তিয়ে অনিষ্ট নকৰিবলৈ মন্ত্ৰপূত ডোল আৰু তাবিজ পৰিধান কৰে। তদুপৰি শোৱা বিচনাৰ তলত বা গাৰুৰ তলত কটাৰী, কাচি আদি লোহা জাতীয় বস্তু থোৱা হয়।

অসমীয়া সমাজত সন্তান প্ৰসৱৰ পিছত প্ৰসূতি গৰাকীৰ খোৱা-বোৱাৰ ক্ষেত্ৰত যত্ন লোৱা হয়। প্ৰসূতি গৰাকীক ভাত আৰু কম তেলযুক্ত দাইল, জালুক, নহৰু, ভেদাইলতা, মানিমুনি, দোৰোণ শাক আদি খাবলৈ দিয়া হয়। সন্তান জন্ম হোৱা তিনি দিনত কচুশাকৰ জোল ৰান্ধি খুওৱা হয়। পাঁচ দিনমানৰ পিছৰ পৰা কুকুৰা, পাৰ মাংসৰ জোল বনাই গৰমে গৰমে খাবলৈ দিয়া হয়। অসমীয়া সমাজত সন্তান প্ৰসৱ হোৱা পাঁচ বা সাত দিনৰ দিনা 'জাল দিয়া' নিয়ম আছে। জাল দিয়া দিনা কচুশাক, জালুক, মাছ আদিৰে প্ৰসূতি গৰাকীক জাল খুওৱা হয়। তদুপৰি সেইদিনা ওচৰ চুবুৰীয়াক মাছ বিলোৱাৰ নিয়ম অসমীয়া সমাজত আছে।

অসমীয়া সমাজত কেচুঁৱাৰ নাড়ী সৰাৰ পিছত কেচুঁৱাক বাহিৰলৈ উলিয়াই সূৰ্যৰ পোহৰ দেখুৱা নিয়ম আছে। ইয়াক 'বাজ দেখুওৱা' বোলা হয়। বাজলৈ উলিওৱা দিনা কেঁচুৱাক বাহিৰত পীৰা এখন পাৰি তাত শুৱাই দিয়া হয়। পীৰাখনৰ কাষত চাকি-ধূপ জ্বলাই এঘটি পানী, এটা শিল, কিতাপ, ফলি, কলম, বহী আদি ৰখা হয়। শিলটো পানীত তিয়াই, জুইত পুৰি পীৰাখনত খুন্দা হয়। এনে কৰিলে কেচুঁৱাটোৱে ডাঙৰ হ'লে জুই আৰু পানীলৈ ভয় নকৰে বুলি বিশ্বাস কৰে। কেচুঁৱাটোৰ আঙুলি লগাই বহীখনত আঁক মাৰিলে ভাগ্য দেৱতাই ভাগ্য লিখে বুলি অসমীয়া সমাজত বিশ্বাস কৰে। সেয়ে বাজ উলিওৱাৰ দিনা কেচুঁৱাটোৰ আঙুলি লগাই বহীত আঁক মৰা হয়। তদুপৰি সন্তান প্ৰসৱৰ সময়ত সহায় কৰা মহিলাসকলক নাড়ী সৰাৰ পিছত এসাঁজ ভাত খুৱাই মান ধৰা পৰম্পৰা আছে।

অসমীয়া সমাজত নৱজাতকৰ কু-দৃষ্টি, বেমাৰ আজাৰৰ পৰা ৰক্ষা কৰিবলৈ বিভিন্ন লোকাচাৰ পালন কৰা হয়। সন্তান প্ৰসৱৰ পিছত ঘৰৰ ভিতৰত বাহিৰৰ পৰা বেয়া বস্তুৱে প্ৰৱেশ নকৰিবলৈ প্ৰসূতি আৰু কেঁচুৱা থকা কোঠালিৰ দোৱাৰখনৰ ওপৰত বগৰী গছৰ ডাল, ৰাঁচ, জাল আৰু জালৰ গুটি আঁৰি থোৱা হয়। কেঁচুৱাৰ ওপৰত কাৰোবাৰ বেয়া দৃষ্টি পৰিলে সৰিয়হৰ লগত জলকীয়া আদি দি মুখ লগা মন্ত্ৰ মাতি মুখ ভঙা হয়। এনে দৰে সন্তানক কু-দৃষ্টি পৰা পৰিত্ৰাণ পাব পাৰি বুলি লোক সমাজে বিশ্বাস কৰে। তদুপৰি সন্তানৰ মুখ লাগিলে বা কু-দৃষ্টি পৰিলে বেজ বা ওজাৰ ওচৰৰ পৰা পানী জৰাই অনাৰ লগতে তাবিজ বা মন্ত্ৰপুত জাপ কেচুঁৱাক পিন্ধোৱা হয়। কেচুঁৱাটোৰ সঘনাই বেমাৰ আজাৰ হৈ থাকিলে বেমাৰ আজাৰৰ পৰা ৰক্ষা কৰিবলৈ অন্য জাতিৰ মানুহক বেছি দিয়া হয়। এনে কৰিলে কেচুঁৱাৰ বেমাৰ-আজাৰ নহয় বুলি অসমীয়া সমাজত বিশ্বাস কৰে।

ভাৰতৰ অন্যান্য ৰাজ্যসমূহৰ লগতে অসমৰ বিভিন্ন জাতি-জনজাতিৰ মাজত কেচুঁৱাৰ নামাকৰণৰ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। আৰ্য হিন্দু সমাজৰ দৰে অসমীয়া সমাজতো এই অনুষ্ঠান পতা হয়। অসমীয়া সমাজত গণকৰ হতুৱাই কেচুঁৱাৰ নামাকৰণ কৰা হয়। নামাকৰণৰ দিনা কেচুঁৱাক গা ধোৱাই নতুন কাপোৰ পিন্ধোৱা হয় আৰু মাকৰ ঘৰৰ মানুহৰ উপস্থিতিত গণকে গণনাৰ কাম আৰম্ভ কৰে। কেচুঁৱাৰ জন্মৰ বাৰ আৰু সময়ৰ ওপৰত ভিত্তি কৰি কেচুঁৱাৰ ভাল-বেয়া, ভৱিষ্যত, বিবাহ, চাকৰি, চাল-চলন আদি ৰাইজক অৱগত কৰে আৰু কোষ্ঠী প্ৰস্তুত কৰে। গণকে ৰাশিৰ আদ্যাক্ষৰ ঠিক কৰি দিয়া পিছতে আত্মীয়সকলে কেচুঁৱাৰ নাম ৰাখে। সাধাৰণতে অসমীয়া সমাজত কেচুঁৱাৰ দুটা নাম ৰখা হয়। এটা গোপন নাম আনটো মানুহে মতা নাম।

অসমীয়া সমাজত কেচুঁৱাৰ জন্মৰ পিছত প্ৰথম চুলি কাটোতে কিছুমান নিৰ্দিষ্ট নীতি-নিয়মৰ মাজেৰে কৰে। কেচুঁৱা জন্ম হোৱা ন দিনৰ দিনা বা বাজ ওলোৱা দিনা কেঁচুৱাৰ চোৱা চুলি খুৱাই দিয়া হয় আৰু বিভিন্ন ধৰণে সংৰক্ষণ কৰি ৰাখে। বাজ ওলোৱাৰ দিনা নাপিত বা ঘৰৰ মানুহৰ দ্বাৰা কেচুঁৱাৰ চুলি কটা হয়।

অসমীয়া সমাজত কেচুঁৱাক প্ৰথম ভাত খোৱা অনুষ্ঠান অৰ্থাৎ অন্নপ্ৰাশন যুগ্ম মাহত অনুষ্ঠিত কৰা হয়। কিছুমানে ছয়

মাহ বা আঠ মাহত কেচুঁৱাৰ অন্নপ্ৰাশন অনুষ্ঠান অনুষ্ঠিত কৰে। অনুষ্ঠানৰ দিনা কেচুঁৱাৰ মোমায়েকে কেচুঁৱাক প্ৰথম ভাত খুওৱাই। এই দিনাৰ পিছৰ পৰাই কেচুঁৱাই অনুষ্ঠানিকভাৱে ভাত, মাছ, মাংস আদি খাব পাৰে। অন্নপাশন অনুষ্ঠানত মোমায়েকে কেচুঁৱাক কাঁহৰ কাঁহী-বাতি, গিলাচ দিয়াৰ লগতে সোণ-ৰূপৰ বস্তু দিয়াৰ নিয়ম আছে।

**২.০ কাৰ্বি সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰ ঃ**

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহৰ দৰে অসমৰ জনজাতীয় সমাজত নাৰীৰ স্থান আৰু মৰ্যদা উচ্চ খাপৰ। *"যি সমাজত অৰ্থনীতিৰ বাঘজৰীডাল পুৰুষৰ হাতত থাকে, তেনে সমাজত পুৰুষেহে প্ৰাধান্য পায়, নাৰীৰ স্থান তেনে সমাজত পুৰুষতকৈ তলত থাকে। আনহাতে যি সমাজত উৎপাদনৰ ক্ষেত্ৰত নাৰীয়ে মুখ্য ভূমিকা লয়, তেনে সমাজত প্ৰাধান্য লাভ কৰে নাৰীয়ে।"*[১] (বৰ্মণ, পৃ-২২০) অসমৰ জনজাতীয় সমাজখনলৈ লক্ষ্য কৰিলে এই কথা স্পষ্টকৈ অনুধাৱন কৰিব পাৰি যে জনজাতীয় সমাজত নাৰীৰ স্থান সদায় উচ্চ। কাৰ্বি সমাজখন আদিতে মাতৃতান্ত্ৰিক আছিল বুলি জনা যায় যদিও বৰ্তমান কাৰ্বি সমাজখন পিতৃতান্ত্ৰিক। অসমীয়া সমাজৰ দৰে কাৰ্বি সমাজখনতো নাৰীক পুৰুষৰ সমানে মৰ্যাদা দিয়া হয়। কাৰ্বিসকলৰ ঘৰখন সুচাৰুৰূপে পৰিচালনা কৰাত নাৰীৰ ভূমিকা গুৰুত্বপূৰ্ণ। তদুপৰি ৰন্ধা-বঢ়াৰ পৰা আৰম্ভ কৰি ঘৰুৱা কাম-কাজ কৰাৰ উপৰিও সন্তান প্ৰতিপালন কৰা, বজাৰ সমাৰ কৰা, গাহৰি-কুকুৰা প্ৰতিপালন কৰা, তাঁত বোৱা, উৎসৱ-পাৰ্বণ আদিত নাৰীয়ে মুখ্য ভূমিকা পালন কৰে।

কাৰ্বি সমাজত এগৰাকী নাৰীৰ গৰ্ভত সন্তানে স্থিতি লোৱাৰ পৰা সন্তান জন্ম হোৱালৈ বিভিন্ন লোকাচাৰ পালন কৰে। এই সময়ছোৱাত প্ৰসূতি গৰাকীয়ে কিছুমান ৰীতি-নীতিৰ মাজেৰে চলিব লাগে। গৰ্ভধাৰণৰ প্ৰথম সময়ছোৱাত প্ৰসূতি গৰাকীক কষ্টকৰ কাম কৰিবলৈ দিয়া নহয়। এই সময়ছোৱাত গধুৰ বস্তু দঙা, খৰি ফলা, উৰালত ধান খুন্দা আদি কাম কৰাৰ পৰা বিৰত থাকে। প্ৰসূতি আৰু সন্তানৰ পিতৃয়ে এই সময়ছোৱাত জীৱ হত্যা, মিছা কথা কোৱা আৰু বেয়া কথা পাতিব নাপায়। এনে ৰীতি-নীতি মানি নচলিলে সন্তানৰ ওপৰত বেয়া প্ৰভাৱ পৰে বুলি বিশ্বাস কৰে। সেয়ে কাৰ্বি সমাজত নাৰীয়ে ৰীতি-নীতি মানি চলে। গৰ্ভধাৰণৰ সময়ছোৱাত প্ৰসূতি গৰাকীয়ে বিচৰা খাদ্য খাবলৈ নাপালে জন্ম হ'বলগীয়া সন্তানটিৰ লেলাউতি ওলায় বুলি কাৰ্বি সমাজে বিশ্বাস কৰে। সেয়ে প্ৰসূতি গৰাকীয়ে খাবলৈ ইচ্ছা কৰা সকলো খাদ্য খাবলৈ দিয়া হয়। গৰ্ভধাৰণৰ তিনি মাহৰ পিছত প্ৰসূতিগৰাকীৰ সুস্বাস্থ্যৰ কামনাৰে 'চ'মাৰজু' পূজা আগবঢ়াই। এই পূজা কাৰ্বিসকলে স্বকীয় ৰীতি-নীতিৰ মাজেৰে এটা ৰঙা কুকুৰা বলি দি পূজা সম্পন্ন কৰে। ছয়-সাতমাহমান হোৱাৰ পিছত হ'বলগা সন্তানটি ল'ৰা নে ছোৱালী হ'ব জানিবৰ বাবে মঙলতীৰ ওচৰত কণীত মঙল চোৱা পৰম্পৰা আছে।

কাৰ্বি সমাজতো প্ৰসৱৰ সময়ত বিভিন্ন লোকাচাৰ পালন কৰে। প্ৰসূতি গৰাকীৰ প্ৰসৱৰ বেদনা আৰম্ভ হোৱাৰ লগে লগে এটা আছুতীয়া কোঠালৈ লৈ যোৱা হয়। কোঠাটোলৈ পুৰুষ আৰু সৰু ল'ৰা-ছোৱালীক সোমাবলৈ দিয়া নহয়। প্ৰসৱৰ সময়ত প্ৰসূতি গৰাকীয়ে কষ্ট পোৱা অনুভৱ কৰিলে বা কষ্ট পাই থাকিলে বেজ বা ওজা, কবিৰাজৰ পৰা পানী জৰাই অনাৰ লগতে জাপ, সৰিয়হ জৰা আনি দিয়ে। তদুপৰি ৰঙা মাইকী কুকুৰা বলি দি 'হাংথু কেফ্লুক' নামৰ পূজা আগবঢ়াই কষ্ট উপশম হ'বলৈ ভগৱানক প্ৰাৰ্থনা জনায়। সন্তান প্ৰসৱ হোৱাৰ লগে লগে মহিলাসকলে কেইফাঁকিমান মন্ত্ৰ উচ্চাৰণ কৰি নৱজাতকক আদৰণি জনায়। মন্ত্ৰফাঁকি এনেধৰণৰ—

*"হে ভগৱান ভূমিষ্ঠ হোৱা সন্তানটি মানৱ শিশুৰে, কোনো জন্তু নহয়। মানুহৰ সৈতে সম্বন্ধ পাতিবলৈহে তেওঁ জন্ম লৈছে।"*[২] (হাঞ্চেপী, পৃ-১৬৯) এনেদৰে মন্ত্ৰফাঁকি গোৱাৰ পিছতে সন্তানটি সম্পূৰ্ণ মানৱ শাৰীলৈ আহে বুলি বিশ্বাস কৰে। ইয়াৰ পিছতে নৱজাতকক বাঁহৰ চেচুৰে নাড়ী কাটি পৰিষ্কাৰ কৰা হয়। কাৰ্বি সমাজত নাই সৰিলে বিভিন্ন ধৰণে সংৰক্ষণ কৰি থয়।

সন্তান জন্ম হোৱাৰ পিছৰে পৰা প্ৰসূতি গৰাকী আৰু নৱজাতক থকা কোঠাত জুই একোৱা জ্বলাই থোৱা হয়। এই অশৌচীয়াৰ সময়ছোৱাত প্ৰসূতি গৰাকীয়ে ঘৰৰ কোনো বস্তু স্পৰ্শ নকৰে। তদুপৰি ঘৰখন অশৌচীয়া হৈ থকা বাবে যিকোনো মাঙ্গলীক অনুষ্ঠান পতাৰ পৰা বিৰত থাকে। কাৰ্বি সমাজত সন্তান জন্ম হোৱাৰ পাঁচ বা সাত দিনত ছেনাফলা গৰৈ মাছত জালুক দি প্ৰসূতি গৰাকীক জাল খুওৱা হয়। সন্তান জন্ম হোৱা কেইদিনমানৰ পিছত বচা বচা শাক-পাচলিৰে আঞ্জা বনাই খুওৱা হয়। তদুপৰি জালুক দিয়া ছেনাফলা গৰৈ মাছৰ জ্বলা তৰকাৰী, অমিতা দিয়া জ্বলা তৰকাৰী, জালুক-কেঁচা হালধি দিয়া জ্বলা তৰকাৰী তেল নিদিয়াকৈ ৰান্ধি খুওৱা হয়। কাৰ্বিসকলে তৰকাৰীত তেল, মচলাৰ ব্যৱহাৰ নকৰে।

কাৰ্বি সমাজত কেচুঁৱাৰ নাই সৰা দিনা বাজলৈ উলিওৱা নিয়ম আছে। বাজ উলিওৱাৰ দিনা ঘৰ-দুৱাৰ সাৰি মচি পৰিষ্কাৰ কৰাৰ লগতে কাপোৰ ধুই তুলসী পানী চটিয়াই ঘৰখন পৱিত্ৰ কৰে। তাৰ পিছত 'ক্লংক থেকাৰ' নামৰ পূজা পাতি অশৌচ খেদে। এই পূজা ভাগ নাপাতিলে কেচুঁৱাটো আজীৱন অপৱিত্ৰ হৈ থাকে আৰু ভগৱানেও ৰক্ষণাবেক্ষণ নিদিয়ে বুলি কাৰ্বিসকলে বিশ্বাস কৰে। তদুপৰি প্ৰসূতি গৰাকীক সন্তান জন্মৰ সময়ত সহায় কৰা মহিলাসকলক ভালদৰে এসাঁজ খুৱাই মান ধৰা হয়।

কাৰ্বিসকলৰ পৰম্পৰা অনুসৰি মঙলতীৰ হতুৱাই মঙল চোৱাই কেচুঁৱাটোৰ পূৰ্বজন্মৰ নামেৰে নামাকৰণ কৰা হয়। ল'ৰা সন্তান জন্ম হ'লে সোঁহাতত আৰু কন্যা সন্তান হ'লে বাওঁহাতত এৰা সূঁতাৰ জৰী বান্ধে। তদুপৰি কেচুঁৱাটো পূৰ্বজনমত বাপেকৰ সৈতে কি সম্পৰ্ক আছিল সেয়া মঙল চোৱাই নিৰ্দ্ধাৰণ কৰা হয়। মঙলৰ মতে বাপেকৰ নাম হ'লে 'প'মেন', ককাকৰ নাম হ'লে 'ফুমেন', বায়েক বা পেহীয়েকৰ নাম হ'লে 'নীমেন' বুলি সম্বোধন কৰে।

কাৰ্বি সমাজত স্বকীয় ৰীতি-নীতিৰে কেচুঁৱাৰ চুলি কটা হয়। কাৰ্বিসকলে কেচুঁৱাৰ চুৰা চুলি খুৰাবৰ বাবে এটা নিৰ্দিষ্ট দিন বাৰ ঠিক কৰে। পৰম্পৰাগত নিয়ম অনুসৰি মোমায়েকেহে কেচুঁৱাৰ চুৰা চুলি কাটিব লাগে। চুলি কটা পৰ্বৰ দিনটোলৈ কেচুঁৱাৰ মোমায়েকক হৰলাং আৰু তমান (জুইত শুকোৱা ছেনাফলা মাছ) আদি মাননি হিচাপে আগবঢ়াই স-সন্মানেৰে নিমন্ত্ৰণ জনায়। নিৰ্দিষ্ট দিনটোত মোমায়েকে উপস্থিত হৈ কেচুঁৱাৰ চুলি কাটে।

**৩.০ অসমীয়া আৰু কাৰ্বি সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰৰ তুলনামূলক অধ্যয়ন ঃ**

অসমীয়া আৰু কাৰ্বি সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰৰ অধ্যয়নৰ পৰা দেখা যায় যে দুয়োখন সমাজত প্ৰচলিত লোকাচাৰসমূহৰ মিল আছে যদিও কেতবোৰ অমিল আছে। সেয়ে দুয়োখন সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰৰ এক তুলনামূলক আলোচনা আগবঢ়োৱা হ'ল—

**সাদৃশ্য —**

- অসমীয়া আৰু কাৰ্বি দুয়োখন সমাজতে নাৰীৰ গৰ্ভত সন্তানে স্থিতি লোৱাৰ পিছত গধুৰ বস্তু দঙা আৰু পেটত কষ্ট পোৱা কাম কৰিবলৈ দিয়া নহয়।
- দুয়োখন সমাজত গৰ্ভৱতী মহিলাগৰাকীয়ে বিচৰা সকলো খাদ্য খাবলৈ দিয়া হয়।
- গৰ্ভৱতী হোৱাৰ পিছত দুয়োখন সমাজতে হ'বলগীয়া সন্তানৰ পিতৃ-মাতৃয়ে মিছা কথা ক'ব নাপায় আৰু জীৱ-জন্তু হত্যা কৰাৰ পৰা বিৰত থাকে।
- প্ৰসৱৰ সময়ত প্ৰসূতি গৰাকীয়ে কষ্ট পাই থাকিলে বেজ বা ওজা, কবিৰাজৰ পৰা পানী জৰাই অনাৰ লগতে জাপ, সৰিয়হ জৰা আনি দিয়া নিয়ম অসমীয়া আৰু কাৰ্বি দুয়োখন সমাজতে আছে।
- দুয়োখন সমাজতে প্ৰসূতি গৰাকীয়ে সন্তান প্ৰসৱ কৰাৰ পিছত খোৱা-বোৱাৰ ক্ষেত্ৰত যত্ন লয়। অসমীয়া আৰু কাৰ্বি দুয়োখন সমাজতে প্ৰসূতি গৰাকীক স্বাস্থ্যৰ উপযোগী খাদ্য খাবলৈ দিয়া হয়।
- অসমীয়া আৰু কাৰ্বি দুয়োখন সমাজতে নৱজাতকক বাঁহৰ চেচুৰে নাড়ী কাটি পৰিষ্কাৰ কৰা হয়।
- প্ৰসৱৰ পিছত দুয়োখন সমাজতে প্ৰসূতি আৰু কেঁচুৱাক অপশক্তিয়ে অনিষ্ট নকৰিবলৈ বিচনাৰ কাষত জুই একুৰা জ্বলাই থোৱা হয়।
- অসমীয়া আৰু কাৰ্বি দুয়োখন সমাজতে সন্তান জন্ম হোৱাৰ পিছত মাক আৰু সন্তানক ভূত-প্ৰেত আদিয়ে অনিষ্ট নকৰিবলৈ মাকৰ গাৰুৰ তলত চুৰি, কটাৰী আদি লোহা জাতীয় সামগ্ৰী থোৱা নিয়ম আছে।
- দুয়োখন সমাজতে সন্তান জন্ম হোৱা কেইদিনমান পিছত প্ৰসূতি গৰাকীক 'জাল খুওৱা' নিয়ম আছে।
- সন্তান জন্ম হোৱা কেইদিনমান পিছত দুয়োখন সমাজতে কেঁচুৱাক বাজলৈ উলিওৱা পৰম্পৰা আছে।
- অসমীয়া আৰু কাৰ্বি দুয়োখন সমাজতে জন্মৰ পিছত অশৌচ চুৱা পালন কৰা হয়। এই অশৌচীয়াৰ সময়ছোৱাত প্ৰসূতি গৰাকীয়ে ঘৰৰ কোনো বস্তু স্পৰ্শ নকৰে। তদুপৰি ঘৰখন অশৌচীয়া হৈ থকা বাবে যিকোনো মাঙ্গলীক অনুষ্ঠান পতাৰ পৰা বিৰত থাকে।
- দুয়োখন সমাজতে সন্তান প্ৰসৱৰ সময়ত সহায় কৰা মহিলাসকলক কেঁচুৱাৰ নাড়ী সৰাৰ পিছত এসাঁজ ভাত খুৱাই মান ধৰা নিয়ম আছে।
- অসমীয়া আৰু কাৰ্বি সমাজত কেঁচুৱাৰ নাড়ী বিভিন্ন ধৰণে সংৰক্ষণ কৰি থোৱা পৰম্পৰা আছে।

**বৈসাদৃশ্য—**

- অসমীয়া সমাজত প্ৰসূতি গৰাকীৰ স্বাস্থ্য আৰু সুস্থ সন্তানৰ বাবে সাতমহীয়া সবাহ পতা নিয়ম আছে। কাৰ্বি সমাজত সাতমহীয়া সবাহ পতা নিয়ম নাই। প্ৰসূতি গৰাকীৰ

সুস্বাস্থ্যৰ কামনাৰে তিনিমাহৰ পিছত 'চ'মাৰজু' নামৰ পূজা এভাগ আগবঢ়াই।

• অসমীয়া সমাজত সন্তান প্ৰসৱ হোৱাৰ লগে লগে ল'ৰা হ'লে উৰুলি দিয়া আৰু ছোৱালী হ'লে বেৰত ঢকিওৱা, ঢেকী দিয়া নিয়ম আছে। এনে নিয়ম কাৰ্বি সমাজত নাই। কাৰ্বি সমাজত সন্তান প্ৰসৱৰ লাগে লগে কাৰ্বি মহিলাসকলে কেইফাঁকিমান মন্ত্ৰ উচ্চাৰণ কৰি নৱজাতকক আদৰণি জনায়।

• অসমীয়া সমাজৰ দৰে কাৰ্বি সমাজত পাঁচ মাহত 'পঞ্চামৃত' খুওৱা পৰম্পৰা নাই।

• কাৰ্বি সমাজত সাত-আঠ মাহত আহিবলগীয়া সন্তানটি ল'ৰা নে ছোৱালী হ'ব সেই সম্পৰ্কে মঙলতীৰ ওচৰত কণীত মঙল চোৱা পৰম্পৰা আছে। অসমীয়া সমাজত এনে নিয়ম নাই।

• অসমীয়া সমাজত প্ৰসূতি আৰু কেঁচুৱাক অপশক্তিয়ে অনিষ্ট নকৰিবলৈ দুৱাৰ মুখত ফটা জালৰ গুটি আঁৰি থয়। কাৰ্বি সমাজত এনে নিয়ম নাই।

• অসমীয়া সমাজত সন্তান প্ৰসৱ হোৱা পাঁচ বা সাত দিনৰ দিনা 'জাল দিয়া' নিয়ম আছে। জাল দিয়া দিনা কচুশাক, জালুক, মাছ আদিৰে প্ৰসূতি গৰাকীক জাল খুওৱা হয়। তদুপৰি সেইদিনা ওচৰ চুবুৰীয়াক মাছ বিলোৱাৰ নিয়ম অসমীয়া সমাজত আছে। অসমীয়া সমাজৰ দৰে কাৰ্বি সমাজতো জাল খুওৱা নিয়ম আছে। যদিও ওচৰ চুবুৰীয়াক মাছ বিলোৱা নিয়ম নাই।

• সন্তান জন্ম হোৱা তিনি দিনত প্ৰসূতিগৰাকীক কচুশাকৰ জোল ৰান্ধি খুওৱা হয়। পাঁচ দিনমানৰ পিছৰ পৰা কুকুৰা, পাৰ মাংসৰ জোল বনাই গৰমে গৰমে খাবলৈ দিয়া হয়। অসমীয়া সমাজৰ দৰে কাৰ্বি সমাজত প্ৰসূতি গৰাকীক কচুশাকৰ জোল ৰান্ধি খুওৱা নিয়ম নাই।

• অসমীয়া সমাজত বাজ উলিওৱাৰ দৰে কাৰ্বিসকলেও বাজ উলিয়াই অশৌচ খেদে যদিও দুয়োখন সমাজতে ৰীতি-নীতিখিনি সম্পূৰ্ণ বেলেগ।

• কেঁচুৱাৰ ওপৰত কাৰোবাৰ বেয়া দৃষ্টি পৰিলে সৰিয়হৰ আৰু জলকীয়াৰে মুখ ভাঙা মন্ত্ৰ মাতি জুইত দি মুখ ভঙা হয়। কাৰ্বি সমাজত এনে নিয়ম নাই।

• অসমীয়া সমাজত কেচুঁৱাৰ সঘনাই বেমাৰ আজাৰ হৈ থাকিলে বেমাৰ আজাৰৰ পৰা ৰক্ষা কৰিবলৈ অন্য জাতিৰ মানুহক বেছি দিয়া হয়। এনে কৰিলে কেচুঁৱাৰ বেমাৰ-আজাৰ নহয় বুলি অসমীয়া সমাজত বিশ্বাস কৰে। কাৰ্বি সমাজত এনে লোকাচাৰৰ প্ৰচলন নাই।

• অসমীয়া সমাজত কেঁচুৱাৰ নামাকৰণ কৰি গণকৰ দ্বাৰা কোষ্ঠী প্ৰস্তুত কৰা নিয়ম আছে। কিন্তু কাৰ্বি সমাজত এনে পৰম্পৰা নাই।

• অসমীয়া সমাজৰ চোৱা চুলি কটা পৰ্বৰ লগত কাৰ্বিসকলৰ চোৱা চুলি কটা ৰীতি-নীতি সম্পূৰ্ণ বেলেগ বেলেগ। অসমীয়া সমাজত বাজলৈ উলিওৱাৰ দিনা নাপিতে চুলি কাটে। কিন্তু কাৰ্বি সমাজত একোটা নিৰ্দিষ্ট দিনত মোমায়েকে চুলি কাটে।

• অসমীয়া সমাজত কেঁচুৱাৰ প্ৰথম ভাত খুওৱা অনুষ্ঠান 'অন্নপ্ৰাশন' অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত কেঁচুৱাৰ মোমায়েকে প্ৰথম অন্ন খুৱাই আৰু কাঁহৰ কাঁহী-বাতি, গিলাচ দিয়াৰ লগতে সোণ-ৰূপৰ বস্তু দিয়াৰ নিয়ম আছে। কিন্তু কাৰ্বিসকলৰ মাজত এই পৰম্পৰা নাই।

• সন্তানৰ মুখ লাগিলে বা কু-দৃষ্টি পৰিলে বেজ বা ওজাৰ ওচৰৰ পৰা পানী জৰাই অনাৰ লগতে তাবিজ বা মন্ত্ৰপূত জাপ কেচুঁৱাক পিন্ধোৱা হয়। কাৰ্বি সমাজত এনেধৰণৰ কোনো লোকাচাৰ নাই। তেওঁলোকে কেঁচুৱাৰ বেমাৰ-আজাৰ হ'লে বা কু-দৃষ্টি পৰিলে মঙ্গলতীৰ ওচৰত মঙ্গল চোৱাই আৰু দায়-দোষ লাগিলে পূজা পাতল কৰে।

**সিদ্ধান্ত ঃ**

'অসমীয়া আৰু কাৰ্বি সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰ ঃ এক অধ্যয়ন' শীৰ্ষক আলোচনাৰ পৰা তলত দিয়া কিছুমান সিদ্ধান্তত উপনীত হ'ব পৰা গ'ল—

(ক) অসমীয়া আৰু কাৰ্বি দুয়োখন সমাজতে জন্মকেন্দ্ৰীক লোকাচাৰত স্বকীয় বৈশিষ্ট্য পৰিলক্ষিত হয়।

(খ) দুয়োখন সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰৰ সাদৃশ্য-বৈসাদৃশ্য আছে।

(গ) অসমীয়া আৰু কাৰ্বি দুয়োখন সমাজতে জন্মকেন্দ্ৰিক লোকাচাৰত ধৰ্মীয় দিশ জড়িত হৈ আছে।

(ঘ) দুয়োখন সমাজতে জন্মকেন্দ্ৰিক লোকাচাৰত নাৰীৰ গুৰুত্ব অধিক।

(ঙ) অসমীয়া আৰু কাৰ্বি সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰৰ লগত বৈজ্ঞানিক আৰু সামাজিক দিশ জড়িত হৈ আছে।

**২.০ উপসংহাৰ ঃ**

'অসমীয়া আৰু কাৰ্বি সমাজত প্ৰচলিত জন্মকেন্দ্ৰিক লোকাচাৰ ঃ এক তুলনামূলক অধ্যয়ন' শীৰ্ষক গৱেষণা

পত্ৰখনৰ বিশ্লেষণৰ পৰা দেখা যায় যে অসমীয়া আৰু কাৰ্বি দুয়োখন সমাজতে এগৰাকী নাৰীয়ে গৰ্ভধাৰণ কৰাৰ পৰা সন্তান জন্ম হোৱালৈকে বিভিন্ন লোকাচাৰ পালন কৰে। প্ৰসূতি গৰাকীৰ লগতে জন্ম হোৱা সন্তানটিক লৈয়ো দুয়োখন সমাজত বিবিধ লোকাচাৰৰ প্ৰচলন আছে। দুয়োখন সমাজতে গৰ্ভধাৰণৰ সময়ত লোৱা যতন সম্পৰ্কীয় লোকাচাৰ, প্ৰসৱকালীন ৰীতি-নীতি, প্ৰসূতিৰ ল'বলগীয়া যতন সম্পৰ্কীয় লোকাচাৰ, কু-দৃষ্টিৰ পৰা ৰক্ষা কৰিবলৈ কৰা লোকাচাৰ, নামাকৰণ পৰ্ব, চুলিকটা পৰ্ব, অন্নপ্ৰাশন আদি পালন কৰে। এই লোকাচাৰ সমূহৰ যোগেদি দুয়োখন সমাজৰ সামাজিক-সাংস্কৃতিক দিশৰ প্ৰকাশ হয়।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সমাজখনৰো পৰিৱৰ্তন হয়। পূৰ্বৰ অসমীয়া আৰু কাৰ্বি সমাজখনৰ তুলনাত বৰ্তমান আধুনিকতাৰ প্ৰভাৱত বহুতো পৰিৱৰ্তন হৈছে। আধুনিক চিকিৎসা বিজ্ঞানৰ প্ৰভাৱত পূৰ্বতে ঘৰত প্ৰসৱ কৰা আৰু প্ৰসৱৰ সময়ত পালন কৰা ৰীতি-নীতি বিলাকো সলনি হৈছে আৰু কিছুমান লুপ্ত হৈছে। তদুপৰি অসমীয়া সংস্কৃতিৰ সৈতে কাৰ্বি সংস্কৃতিৰ পাৰস্পৰিক সমন্বয় হোৱাত কিছুমান কাৰ্বি লোকেও পঞ্চামৃত, অন্নপাশন আদি অনুষ্ঠিত কৰা দেখা যায়। ❑

**প্ৰসংগসূত্ৰ ঃ**

(১) বৰ্মণ. শিৱনাথ। ভাৰতীয় চিন্তা। পৃ-২২০।
(২) হাঞ্চেপী, গীতা। কাৰ্বি সাহিত্য-সংস্কৃতিৰ আভাস। পৃ-১৬৯।

**সহায়িকা গ্ৰন্থপঞ্জী ঃ**

কলিতা, থুনু (সম্পা.)। অসমৰ লোকাচাৰ আৰু লোকবিশ্বাস। সদৌ অসম লেখিকা সমাৰোহ সমিতি, ২০১৪।
দাস, বসন্ত। কাৰ্বি সংস্কৃতিৰ ধাৰা। কাৰ্বি লামেত আচং, ২০০০।
বৰ্মণ, শিৱনাথ। ভাৰতীয় চিন্তা। অসম পাব্লিচিং কোম্পানী, ২০০৩।
ৰাজবংশী, পৰমানন্দ (সম্পা.)। অসমীয়া জাতি আৰু সংস্কৃতি। অসমীয়া বিভাগ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, ২০০৩।
হাঞ্চেপী, গীতা। কাৰ্বি সাহিত্য-সংস্কৃতিৰ আভাস। সম্প্ৰীতি প্ৰকাশন, ২০১৯।
অপ্ৰকাশিত গৱেষণা গ্ৰন্থ বৰা, ৰমেশ। অসমীয়া আৰু বড়ো জনগোষ্ঠীৰ লোকবিশ্বাস আৰু লোকাচাৰ ঃ এটি তুলনামূলক অধ্যয়ন। অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৮।

**তথ্যদাতাৰ নাম ঃ**

(ক) মিলবন টেৰণপী, বয়স-৫০, গৃহিণী, ডকমকা, কাৰ্বি আংলং।
(খ) গোলাপী দেৱী, বয়স-৬০, গৃহিণী, গোলাঘাট।

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945

Peer Reviewed Journal
[UGC-CARE Listed]

# 'অসম সাহিত্য সভা'ৰ মহিলা সভাপতিৰ অভিভাষণত প্ৰতিফলিত জাতীয় চেতনা



ডৰথী শইকীয়া

গৱেষক, অসমীয়া বিভাগ
জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়, যোৰহাট
তৰাজান (অসম)-৭৮৫০০১
৬০০৩৩৯০২৫৩
saikiadorothy6@gmail.com



ড° পাপুমণি হাজৰিকা

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়, যোৰহাট
তৰাজান (অসম)-৭৮৫০০১
৯৮৫৪০৪০২১২
papumonijb@gmail.com

**সাৰাংশ ঃ**

'অসম সাহিত্য সভা' হৈছে ভাষা-সাহিত্য-সংস্কৃতিৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে গঠিত অসমৰ সৰ্ববৃহৎ অৰাজনৈতিক অনুষ্ঠান। ১৯১৭ চনৰ ২৬- ২৭ ডিচেম্বৰত শিৱসাগৰত এই অনুষ্ঠানৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হয়। এই সভাত সভাপতিত্ব কৰিছিল পদ্মনাথ গোহাঞি বৰুৱাই। ১৯১৭ চনত শিৱসাগৰত অনুষ্ঠিত হোৱা 'আসাম এছ'চিয়েচন'ৰ বছৰেকীয়া অধিৱেশনত এখন 'সদৌ অসম সাহিত্য সন্মিলন'ৰ ব্যৱস্থা কৰা হৈছিল। এই সন্মিলনীতেই ২৬ ডিচেম্বৰত 'অসম সাহিত্য সভা' গঠন কৰা হয়। প্ৰথমতে 'আসাম সাহিত্য সভা' হিচাপে ইয়াৰ পঞ্জীয়ন কৰা হৈছিল। ১৯৪৪ চনত নীলমণি ফুকন (বাগ্মীবৰ)ৰ সভাপতিত্বত হোৱা অধিৱেশনত অনুষ্ঠানটিৰ নাম 'অসম সাহিত্য সভা' কৰা হয়। প্ৰতি বছৰে 'অসম সাহিত্য সভা'ৰ বিশেষ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰা হয়। ১৯৯৯ চনৰপৰা সভাপতিৰ কাৰ্যকাল দুবছৰীয়া কৰা হয়। দুবছৰৰ অন্তৰালত সভাই মূল অধিৱেশন অনুষ্ঠিত কৰে। অসমৰ বৌদ্ধিক ক্ষেত্ৰৰ অগ্ৰণী ব্যক্তিসকলক এই মূল সভাৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হয়। অসমৰ সৰ্বাঙ্গীণ দিশক সামৰি এই সভাপতিসকলে অধিৱেশনত একোটা দীঘলীয়া অভিভাষণ প্ৰদান কৰে। অধিৱেশনবোৰত সভাপতিসকলে দেশজাতিৰ লগত জড়িত আৰু সমসাময়িক পৰিস্থিতিৰ লগত জড়িত একোটা তথ্যসমৃদ্ধ অভিভাষণ আগবঢ়ায়। ১৯১৭ চনৰপৰা বৰ্তমান কাললৈকে 'অসম সাহিত্য সভা'ৰ এই সুদীৰ্ঘ পৰিক্ৰমাত কেৱলমাত্ৰ দুগৰাকী মহিলাই সভাপতিৰ পদ অলংকৃত কৰিছে। ১৯৫৪ চনত যোৰহাটত অনুষ্ঠিত অধিৱেশনত সভাপতিত্ব কৰিছিল নলিনীবালা দেৱীয়ে আৰু ১৯৯১ চনত দুধনৈত অনুষ্ঠিত অধিৱেশনত সভাপতিত্ব কৰিছিল নিৰ্মলপ্ৰভা বৰদলৈয়ে। অসমীয়া ভাষা-সাহিত্য জগতত এই দুয়োগৰাকী সাহিত্যিকৰ স্বকীয় অৱদান নিহিত হৈ আছে। 'অসম সাহিত্য সভা'ৰ সভাপতি পদৰপৰা তেওঁলোকে প্ৰদান কৰা অভিভাষণৰ সাহিত্যিক আৰু সামাজিক মূল্য নিশ্চয়কৈ বিশ্লেষণৰ বিষয়। এই আলোচনাপত্ৰৰ জৰিয়তে এই দুগৰাকী সভাপতিৰ অভিভাষণত সন্নিৱিষ্ট প্ৰসংগত জাতীয় চেতনা কি দৰে নিহিত হৈ আছে তাক বিচাৰ কৰিবলৈ প্ৰয়াস কৰা হ'ব।

**বীজ শব্দ ঃ**

অসম সাহিত্য সভা, অভিভাষণ, ভাষা, সাহিত্য, সমাজ, জাতীয়তা।

**০.০ অৱতৰণিকা ঃ**

**০.১ বিষয়ৰ পৰিচয় ঃ**

বিভিন্ন প্ৰেক্ষাপটত অসম আৰু অসমীয়া জাতিয়ে সময়ে সময়ে অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত অৱতীৰ্ণ হ'ব লগা হৈছে। অসমীয়া ভাষা- সাহিত্যৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থতে সমাজ-সাহিত্য-সংস্কৃতিৰ লগত জড়িত অসমৰ অগ্ৰণী লোকসকলৰ প্ৰচেষ্টাত 'অসম

সাহিত্য সভা' নামৰ অনুষ্ঠানটিৰ জন্ম হয়। অসমৰ সৰ্বস্তৰৰ উন্নতি সাধনেই এই সভাৰ উদ্দেশ্য। ১৯১৭ চনৰ ২৬ ডিচেম্বৰত, শিৱসাগৰত পদ্মনাথ গোহাঞি বৰুৱাৰ সভাপতিত্বত সভাৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হয়। ১৯২৪ চনৰ ৫ মে'ত 'আসাম সাহিত্য সভা' নামেৰে সভাক পঞ্জীয়ন কৰে। ১৯৪৪ চনত নীলমণি ফুকন (বাগ্মীবৰ)ৰ সভাপতিত্বত বহা অধিৱেশনত সভাৰ নাম 'অসম সাহিত্য সভা' কৰা হয়। ১৮৮৮ চনত কলিকতাত পঢ়িবলৈ যোৱা প্ৰবাসী অসমীয়া ছাত্ৰসকলৰ মনত উদয় হোৱা ভাষিক সচেতনতাৰ ফলত সৃষ্টি হোৱা 'অ.ভা.উ.সা সভা'ৰ বিকশিত ৰূপেই 'অসম সাহিত্য সভা' বুলি ক'ব পৰা যায়। 'অ.ভা.উ.সা'ৰ পৃষ্ঠভূমি আছিল ভাষিক- সাংস্কৃতিক আৰু সাহিত্যিক চেতনা। যিকোনো এক জনগোষ্ঠীয়ে 'জাতি' হিচাপে স্বীকৃতি পাবলৈ উমৈহতীয়া কিছুমান গুণ আৰু উপাদানৰ প্ৰয়োজন হয়। তাৰ ভিতৰত ঘাই উপাদান হৈছে উমৈহতীয়া 'ভাষা' আৰু 'সাহিত্য'। জাতি হিচাপে স্বীকৃতি প্ৰাপ্ত জনসমূহৰ বাবে সাংস্কৃতিক পৰাধীনতা এক ডাঙৰ অন্তৰায়। অসমীয়া জাতিয়েও ঊনবিংশ শতিকাৰ তৃতীয়-চতুৰ্থ দশকত এনে এক বিপৰ্যয়ৰ সন্মুখীন হৈছিল। ১৮৩৬ চনত অসমৰ স্কুল, আদালতৰপৰা অসমীয়া ভাষাক আঁতৰাই প্ৰশাসনীয় কামৰ সুবিধাৰ বাবে ব্ৰিটিছে চৰকাৰী ভাষা হিচাপে বঙলা ভাষাক প্ৰতিষ্ঠা কৰিছিল। অসমীয়া ভাষাই নিজৰ ঠাইতে চৰকাৰী মৰ্যাদা হেৰুৱাই ভাষা-সাহিত্য বিকাশৰ সামান্য সাম্ভাব্যতাকো হেৰুৱালে। সেই একে সময়তে ১৮৩৬ চনত আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলে খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসমত পদাৰ্পণ কৰিছিল। ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ দুৰ্যোগৰ কথা উপলব্ধি কৰি তেওঁলোকে অসমীয়া ভাষাক চৰকাৰী ভাষা হিচাপে পুনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগভাগ ল'লে। মিছনেৰীসকলৰ সহযোগত সেই সময়ৰ অসমৰ বৌদ্ধিক ক্ষেত্ৰত অগ্ৰণী ব্যক্তি আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আদিয়ে অসমীয়া ভাষাক পুনৰ অসমৰ চৰকাৰী ভাষা হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিলে। ঊনবিংশ শতিকাৰ চতুৰ্থ দশকত অসমৰপৰা একাংশ ছাত্ৰ কলিকতাত উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ গৈছিল। এই ছাত্ৰসকলে সেই সময়ত বংগৰ নৱজাগৰণ আৰু সাহিত্যিক আন্দোলনৰদ্বাৰা প্ৰভাৱান্বিত হৈছিল। বংগৰ নৱজাগৰণে অসমীয়া ছাত্ৰসকলৰ মনতো নিজ মাতৃভাষা আৰু সাহিত্যৰ প্ৰতি সচেতনতা সৃষ্টি কৰিলে। ছাত্ৰসকলৰ মনত উদয় হোৱা এই জাতীয় চেতনাই 'অ.ভা.উ.সা সভা'ৰ দৰে এক অনুষ্ঠানৰ জন্ম দিলে। অসমীয়া ভাষাৰ উন্নতি সাধনেই এই সভাৰ উদ্দেশ্য আছিল। পৰৱৰ্তী পৰ্যায়ত এই অনুষ্ঠানৰ আদৰ্শতেই 'অসম সাহিত্য সভা'ৰ জন্ম হ'ল। অসমীয়া ভাষা- সাহিত্য-সংস্কৃতিৰ সৰ্বাংগীন উন্নতি সাধনেই এই সভাৰ উদ্দেশ্য। সেয়ে এই অনুষ্ঠানক অসমৰ 'জাতীয় অনুষ্ঠান' আখ্যা দিব পাৰি। যিয়ে অসমৰ উমৈহতীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ উন্নতিৰ বাবে জন্মলগ্নৰ পৰাই চেষ্টা কৰি আহিছে। 'অসম সাহিত্য সভা'ই বছৰি ইয়াৰ অধিৱেশন অনুষ্ঠিত কৰি আহিছে। প্ৰত্যেক অধিৱেশনৰ বাবে অসমৰ বৌদ্ধিক ক্ষেত্ৰৰ অগ্ৰণী ব্যক্তিসকলৰ মাজৰ এজনক সভাপতি হিচাপে নিৰ্বাচন কৰা হয়। সভাপতিসকলে অধিৱেশনসমূহত অসমৰ সৰ্বাংগীণ উন্নতি সাধনৰ বাবে এক তথ্যপূৰ্ণ আৰু গুৰুগম্ভীৰ অভিভাষণ আগবঢ়াই।

অসমীয়া ভাষাৰ বিপৰ্যয়ৰ পৰাই অসমত ভাষিক জাতীয় চেতনাৰ উত্থান হৈছিল। ঔপনিৱেশিকতাবাদে সৃষ্টি কৰা ভাষিক আগ্ৰাসনৰ ফলত অসমীয়া ভাষাই নিজ জন্মভূমিতে বিতাৰিত হ'ব লগা ঘটনাই তদানীন্তন অসমৰ শিক্ষিত মধ্যবিত্ত শ্ৰেণীক সজাগ কৰি তুলিছিল। এই সজাগতাই জাতীয় চেতনাৰ জন্ম দিছিল। অসমত প্ৰথম অৱস্থাত ভাষা-সাহিত্যক কেন্দ্ৰ কৰিয়েই জাতীয়তাবাদী চেতনাৰ উত্থান হ'ল। ঔপনিৱেশিক কালত এই জাতীয়চেতনা কেৱল ভাষাক কেন্দ্ৰ কৰিয়ে গঢ় লৈ উঠিছিল। শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে ব্ৰিটিছৰ আনুগত্য স্বীকাৰ কৰিয়েই অসমীয়া ভাষাৰ উন্নতি হোৱাটো কামনা কৰিছিল। জাতীয় চেতনাক সবল ৰূপত আত্মপ্ৰকাশ কৰাত সহায় কৰে বিভিন্ন সংগঠন আৰু অনুষ্ঠান- প্ৰতিষ্ঠানসমূহে। অসমৰ বৌদ্ধিক সমাজৰ মাজত উদয় হোৱা জাতীয় চেতনাৰ পৰাই 'অসম সাহিত্য সভা'ৰ দৰে অনুষ্ঠানৰ জন্ম হয়। এই অনুষ্ঠানৰ নামকৰণৰ পৰাই ইয়াৰ চাৰিত্ৰিক গঠন সম্পৰ্কে ধাৰণা লাভ কৰিব পাৰি। এই অনুষ্ঠান কেৱল 'অসমীয়া'ৰ সাহিত্য সভা নহয়। ই 'অসম'ৰ সাহিত্য সভা। গতিকে বিভিন্ন ভাষিক-সাংস্কৃতিক বৈচিত্ৰ্যৰে গঠিত সমগ্ৰ অসমৰ সামগ্ৰিকতাক ই সামৰি লৈছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ স্বকীয় বৈশিষ্ট্য অটুট ৰাখি সামগ্ৰিক ৰূপত বৃহত্তৰ অসমীয়া ভাষা- সাহিত্যৰ বিকাশ সাধনেই এই অনুষ্ঠানৰ লক্ষ্য আৰু উদ্দেশ্য। সভাপতিসকলে অধিৱেশনত প্ৰদান কৰা অভিভাষণৰ জৰিয়তেও এই কথাই প্ৰতিফলিত হোৱা দেখা যায়।

*'অসম সাহিত্য সভা'ৰ মহিলা সভাপতিৰ অভিভাষণত*

*প্ৰতিফলিত জাতীয় চেতনা* শীৰ্ষক আলোচনা পত্ৰৰ জৰিয়তে নলিনীবালা দেৱী আৰু নিৰ্মলপ্ৰভা বৰদলৈয়ে 'অসম সাহিত্য সভা'ৰ সভাপতি আসনৰপৰা প্ৰদান কৰা অভিভাষণত নিহিত হৈ থকা জাতীয় চেতনাৰ বিষয়ে আলোচনা কৰা হৈছে।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

*'অসম সাহিত্য সভা'ৰ মহিলা সভাপতিৰ অভিভাষণত প্ৰতিফলিত জাতীয় চেতনা* শীৰ্ষক বিষয়টিৰ অধ্যয়নৰ উদ্দেশ্যসমূহ এনেধৰণৰ—

● অভিভাষণসমূহৰ জৰিয়তে অসমীয়া জাতীয়তাবাদৰ স্বৰূপ সম্পৰ্কে ধাৰণা লাভ।

● অভিভাষণসমূহত কিদৰে জাতীয় চেতনা প্ৰতিফলিত হৈছে সেই সম্পৰ্কে আলোচনা কৰা।

● জাতীয় চেতনাৰ ভাব জাগ্ৰত কৰিবলৈ অভিভাষণসমূহে জনোৱা আহ্বান আৰু ইয়াৰ গুৰুত্ব সম্পৰ্কে অৱগত হোৱা

**০.৩ অধ্যয়নৰ গুৰুত্ব ঃ**

'অসম সাহিত্য সভা'ৰ সভাপতিসকলে প্ৰদান কৰা অভিভাষণসমূহ সভাপতিজনৰ জ্ঞান, অভিজ্ঞতা আৰু গৱেষণা আধাৰিত। এই অভিভাষণসমূহত ইতিহাস, সমাজ, ৰাজনীতি, অৰ্থনীতি, ভাষা-সাহিত্যৰ বিকাশৰ সামগ্ৰিক দিশসমূহ নিহিত হৈ থাকে। 'অসম সাহিত্য সভাই' কেনেধৰণৰ প্ৰসংগৰ জৰিয়তে জাতীয় চেতনা জাগ্ৰত কৰিবলৈ চেষ্টা কৰিছিল এই সম্পৰ্কে আলোচনা কৰিবৰ বাবে এই অধ্যয়নৰ গুৰুত্ব লক্ষ্য কৰা যায়।

**০.৪ অধ্যয়নৰ পদ্ধতি ঃ** বিষয় অধ্যয়নৰ পদ্ধতি হিচাপে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**০.৫ তথ্য আহৰণৰ উৎস ঃ**

বিষয় সম্পৰ্কে আলোচনা কৰোঁতে মুখ্য উৎস আৰু গৌণ উৎসৰ সহায় লোৱা হৈছে। নলিনীবালা দেৱী আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ অভিভাষণৰ প্ৰকাশিত ৰূপক মুখ্য উৎস হিচাপে গ্ৰহণ কৰা হৈছে। এই ক্ষেত্ৰত *অসম সাহিত্য সভা বাৰ্ষিকী, ২৩ শ অধিৱেশন যোৰহাট* আৰু *অসম সাহিত্য সভাৰ ভাষণাৱলী পঞ্চম খণ্ড*ক মুখ্য উৎস হিচাপে লোৱা হৈছে। বিষয়ৰ লগত সম্পৰ্কিত বিভিন্ন গ্ৰন্থক গৌণ উৎস হিচাপে গ্ৰহণ কৰা হৈছে।

**০.৬ অধ্যয়নৰ পৰিসৰ ঃ**

বিষয়টো অধ্যয়নৰ পৰিসৰ হিচাপে ১৯৫৪ চনৰ যোৰহাট অধিৱেশনত নলিনীবালা দেৱীয়ে প্ৰদান কৰা অভিভাষণ আৰু ১৯৯১ চনত দুধনৈ অধিৱেশনত নিৰ্মলপ্ৰভা বৰদলৈয়ে প্ৰদান কৰা অভিভাষণৰ বিশ্লেষণ কৰা হ'ব। অভিভাষণ দুটা বিশ্লেষণৰ ক্ষেত্ৰত কেৱল জাতীয়তাবাদৰ প্ৰসংগক অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে।

**১.০ বিষয় বিশ্লেষণ ঃ**

এক নিৰ্দিষ্ট জনসমষ্টিয়ে বসবাস কৰা একোটা অঞ্চলৰ নিৰ্ধাৰিত ভৌগোলিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক পৰিসীমা থাকে। সেই পৰিসীমাৰ ভিতৰত সুসংবদ্ধভাৱে সুৰক্ষিত হৈ জীৱন নিৰ্বাহ কৰিবলৈ তেওঁলোকে কিছুমান উমৈহতীয়া নীতি আৰু কৰ্তব্য পালন কৰে। এই উমৈহতীয়া চিন্তা আৰু কৰ্ম-কাণ্ডৰ যি ধাৰণা তাকেই আঞ্চলিকতাবাদ বুলি ক'ব পাৰি। আঞ্চলিকতাবাদৰ পৰৱৰ্তী পৰ্যায়তে জাতীয়তাবাদৰ উত্থান ঘটে। জাতীয়তাবাদ হৈছে এক বিশেষ আদৰ্শ বা মতবাদ যি ৰাজনৈতিক প্ৰেক্ষাপটত জড়িত হৈ থাকে। কোনো এক জাতি-গোষ্ঠীয়ে উমৈহতীয়া ভাষা, সংস্কৃতি, ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বত্ব উপভোগ কৰিবলৈ গঢ়ি তোলা একতাৰ ভাব বা আদৰ্শই হৈছে জাতীয়তাবাদ। হেমকোষৰ মতে জাতীয়তাবাদৰ অৰ্থ হৈছে—"স্বজাতিৰ প্ৰীতি আৰু জাতীয় চেতনাকেন্দ্ৰিক মত বা দৰ্শন"। জাতি বা জাতীয়চেতনা গঠন হ'বলৈ প্ৰয়োজনীয় দুটা গুৰুত্বপূৰ্ণ উপাদান হৈছে 'ভাষা-সাহিত্য'। এই ভাষা-সাহিত্যক কেন্দ্ৰ কৰিয়েই অসমত প্ৰথম অৱস্থাত জাতীয় চেতনাৰ উত্থান ঘটিছিল।

অসমীয়া জাতীয়তাবাদৰ ধাৰণাৰ আৰম্ভণি আৰু বিকাশ আৰম্ভ হৈছিল ব্ৰিটিছৰ অসম আগমনৰ পাছত অৰ্থাৎ ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধত। অসমৰ এই জাতীয় চেতনা গঢ়ি উঠিছিল ভাষা আৰু সংস্কৃতিৰ পৃথক পৰিচয়ৰ ভেটিত। ব্ৰিটিছ ঔপনিৱেশিকতাবাদে অসমলৈ প্ৰব্ৰজন ঘটোৱা বঙালী লোকসকলৰ ভাষা-সংস্কৃতিয়ে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ ভাবুকি কঢ়িয়াই অনা বুলি কৰা ধাৰণাৰ পৰিপেক্ষিতত‌েই অসমীয়া শিক্ষিত মধ্যবিত্তৰ মনত জাতীয় চেতনাৰ উত্থান হৈছিল। প্ৰশাসনীয় কামৰ সুবিধাৰ বাবে ব্ৰিটিছ ৰাজতন্ত্ৰই অসমীয়া ভাষাৰ পৰিৱৰ্তে অসমত বঙলা ভাষাৰ প্ৰৱৰ্তন কৰিছিল। ব্ৰিটিছৰ আগমনৰ ফলত পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱে অসমৰ সাংস্কৃতিক ক্ষেত্ৰলৈ নতুনত্ব কঢ়িয়াই আনিলে যদিও ভাষিক দিশত অনিশ্চয়তা কঢ়িয়াই আনিলে। বঙলা ভাষাৰ আগ্ৰাসনৰপৰা অসমীয়া ভাষাক ৰক্ষা কৰা আৰু ইয়াৰ স্বকীয়তা বৰ্তাই ৰখাৰ বাবে এচাম চিন্তাশীল ব্যক্তিয়ে নেতৃত্ব প্ৰদান কৰিলে। এই ক্ষেত্ৰত

ভাৰতীয় প্ৰেক্ষাপটত উত্থান ঘটা বিভিন্ন জাতীয়তাবাদী চিন্তাধাৰা, আন্দোলন যেনে— বংগ-ভংগ, স্বদেশী আন্দোলন, অহিংস সংগ্ৰাম আদিয়ে প্ৰভাৱ বিস্তাৰ কৰিলে। বিংশ শতিকাৰ অসমীয়া সাহিত্যৰ পটভূমি নিৰ্মাণ আৰু অসমীয়া ভাষাক কেন্দ্ৰ কৰি গঢ় লৈ উথা জাতীয়তাবাদী চিন্তা উত্থানৰ ক্ষেত্ৰত 'অ.ভা.উ.সা সভা', 'অসম এছোছিয়েচন', 'অসম সাহিত্য সভা'ৰ দৰে অনুষ্ঠানসমূহে প্ৰত্যক্ষ ভূমিকা পালন কৰিলে। *১৮৭৩ চনত* [১] অসমৰ স্কুল, আদালতত অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠা কৰাৰপৰা অসমীয়া সাহিত্যৰ বিকাশৰ যাত্ৰাত এই অনুষ্ঠানসমূহৰ অৱদান উল্লেখযোগ্য। ১৯১৭ চনত গঠন হোৱা 'অসম সাহিত্য সভা'ই প্ৰধানকৈ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ উত্তৰণৰ বাবে আনুষ্ঠানিক নেতৃত্বৰ দায়িত্ব বহন কৰিছে। সভাৰ নিৰ্বাচিত সভাপতিসকলে প্ৰদান কৰা অভিভাষণসমূহত ভাষা-সাহিত্যৰ স্বৰূপ, বিকাশৰ বাবে পৰামৰ্শ, সাহিত্যিক-পাঠকৰ কৰণীয় ইত্যাদি বিভিন্ন দিশৰ উল্লেখ পোৱা যায়। এই অভিভাষণসমূহে জনসাধাৰণৰ মনত জাতীয় চেতনাৰ উত্থান ঘটোৱাৰ ক্ষেত্ৰত অৰিহণা আগবঢ়াইছে। সভাপতিসকলৰ অভিভাষণৰ জৰিয়তে তেওঁলোকৰ জাতীয় চেতনাৰ উমান পোৱা যায়।

নলিনীবালা দেৱী আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ অভিভাষণৰ মাজেদিও এনে জাতীয় চেতনা প্ৰতিফলিত হৈছে। 'ভাষা' হৈছে জাতি আৰু জাতীয়তাৰ মূল উপাদান সেয়ে দুয়োগৰাকী সভাপতিৰ অভিভাষণত অসমীয়া ভাষাৰ অগ্ৰগতিৰ প্ৰতি দৃষ্টি প্ৰদান কৰা হৈছে। জাতীয় চেতনা বা দেশপ্ৰেমৰ লগত সাংস্কৃতিক আৰু ৰাজনৈতিক দিশ নিহিত হৈ থাকে। জন্মভূমিৰ প্ৰতি প্ৰেম-ভালপোৱা, ঐতিহ্য-প্ৰীতি বা অতীত গৌৰৱৰ প্ৰতি সচেতনতা, ভাষিক আৰু সাহিত্যিক বিকাশৰ প্ৰতি সচেতনতা আদিয়েই জাতীয় চেতনাৰ বাহক। দুয়োগৰাকী সভাপতিৰ অভিভাষণত এই সাংস্কৃতিক জাতীয়তাবাদী ভাব প্ৰতিফলিত হৈছে। নলিনীবালা দেৱীয়ে আৰম্ভণিতেই অসমীয়া ভাষাৰ গুণ-গৰিমা উল্লেখ কৰিছে। লগতে অসমৰ ঐতিহ্যৰ সোঁৱৰণ কৰিছে। একেদৰে নিৰ্মলপ্ৰভা বৰদলৈয়েও অসম আৰু অসমীয়া ভাষাক প্ৰণিপাত জনাইছে। ঐতিহ্য প্ৰীতিক জাতীয়তাবাদৰ প্ৰাৰম্ভিক বৈশিষ্ট্য বুলিব পাৰি। দুয়োগৰাকী সভাপতিৰ অভিভাষণত অসম আৰু অসমীয়া ভাষা-সাহিত্যৰ যি গৌৰৱময় ঐতিহ্য সেই ঐতিহ্যক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা পৰিলক্ষিত হয়।

নলিনীবালাদেৱীয়ে অভিভাষণৰ আৰম্ভণিতেই নিজ জন্মভূমিৰ প্ৰতি থকা নিজৰ প্ৰেমক ব্যক্ত কৰিছে— "জনমৰে পৰা ভাল পাওঁ মোৰ চিৰচেনেহী অসমী আইক, ভাল পাওঁ মোৰ অসমৰ আকাশ, বতাহ জোন বেলি তৰা। *ভাল পাওঁ অসমৰ সুৰদি শুৱলা ভাষা।"*[২] নিৰ্মলপ্ৰভা বৰদলৈয়েও *"হে মোৰ চিৰ চেনেহী দেশ আৰু চিৰ চেনেহী ভাষা তোমাক প্ৰথমেই প্ৰণিপাত জনাইছোঁ"*[৩] বুলি দেশ মাতৃক আৰু মাতৃভাষাক শ্ৰদ্ধা জনাই অভিভাষণৰ আৰম্ভণি কৰিছে।

অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্পৰ্কে নিৰ্মলপ্ৰভা বৰদলৈয়ে তেওঁৰ অভিভাষণত বৰ্ণনা কৰিছে। অতীতৰ পৰাই অসমলৈ বিভিন্ন গোষ্ঠীৰ লোকৰ প্ৰব্ৰজন ঘটিছে। সেই সকলোবোৰ গোষ্ঠীৰ ঐক্যসূত্ৰৰে অসম আৰু অসমীয়া জাতি গঠিত হৈছে। তেওঁ কৈছে— *"সেই সকলেই অসমীয়া যাৰ অন্তৰে অসমৰ সুখত হাঁহে, দুখত কান্দে। যি সকলে "এয়ে মোৰ জন্মভূমি, এয়ে মোৰ কৰ্মভূমি, এয়ে মোৰ আই বুলি অসমৰ মাটি সাৱটি লৈছে সেইসকলেই অসমীয়া"*[৪] অসমৰ এই সমন্বয়ৰ ঐক্যক প্ৰেম আৰু সমিলমিলেৰে বৰ্তাই ৰাখিবলৈ নিৰ্মলপ্ৰভা বৰদলৈয়ে আহ্বান জনাইছে। তেওঁ গীতা আৰু বুদ্ধৰ বাণীৰ প্ৰসংগ উত্থাপনেৰে প্ৰেম আৰু মৈত্ৰীৰদ্বাৰা বিশ্বৰ সকলো মানৱেই এক হৈ থাকিব পাৰে বুলি কৈছে। নিৰ্মলপ্ৰভা বৰদলৈয়ে এই সমন্বয়ৰ ঐক্যক এইবুলি স্মৰণ কৰিছে— *"অসমৰ ইতিহাসৰ যাউতি যুগীয়া সমন্বয় তথা ঐক্যৰ সূত্ৰটোক আজি স্মৰণ কৰিব পাৰোঁ এই ভাৱেও - 'সংগচ্ছধ্বং, সংবদধ্বং সংবোমানাংসি জনতাম'— এক হৈ গমন কৰিম, এক হৈ কম, সকলোৰে মনক এক বুলি জানিম।"*[৫] অসমৰ সভ্যতা গঢ় লৈ উঠিছে পূব-পশ্চিম সকলো ফালৰ সমন্বয়ৰ জৰিয়তে। নিজ দেশৰ এই সমন্বয়ৰ প্ৰক্ৰিয়া সম্পৰ্কে আৰু ঐতিহ্যৰ প্ৰতি জ্ঞান থাকিলেহে দেশখনৰ প্ৰতি দেশবাসীৰ মনত জাতীয় চেতনাৰ উদয় হ'ব। অনৈক্যৰ মাজত ঐক্যৰ যি যোগসূত্ৰ সেই সংযোগসূত্ৰক চিনি পালেহে অসমীয়া জাতিৰ স্বকীয়তা বৰ্তি থাকিব।

সভাপতি দুগৰাকীৰ ভাষণত অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি সচেতনতা স্পষ্টৰূপত দেখা পোৱা যায়। অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কীয় সম্পূৰ্ণ তথ্য নিৰ্মলপ্ৰভা বৰদলৈয়ে অভিভাষণত উল্লেখ কৰিছে। বাণীকান্ত কাকতি, সুনীতি কুমাৰ চট্টোপাধ্যায়ে অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে যি মত আগবঢ়াইছে সেই মতসমূহ উল্লেখ কৰি অসমীয়া ভাষাই

স্বতন্ত্ৰ ভাষাৰূপ গ্ৰহণ কৰাৰ সম্পূৰ্ণ তথ্য তেওঁ প্ৰদান কৰিছে। অসমীয়া ভাষাৰ প্ৰাচীনত্ব সম্পৰ্কে ক'বলৈ গৈ তেওঁ সপ্তম শতিকাত অসমলৈ অহা চীনা পৰিব্ৰাজক হিউচেন চাঙৰ টোকাৰ প্ৰসংগ উত্থাপন কৰিছে। হিউৱেন চাঙে তেওঁৰ টোকাত এই ৰাজ্যৰ ভাষা মধ্য ভাৰতৰ ভাষাৰপৰা কিছু পৃথক বুলি উল্লেখ কৰিছিল। ইয়াৰ উপৰি তাম্ৰশাসনসমূহেও অসমীয়া ভাষাৰ প্ৰাচীনতাৰ প্ৰমাণ দিয়ে বুলি তেওঁ কৈছে। আৰ্য্যমূলীয় অসমীয়া ভাষাই বিভিন্ন স্তৰ অতিক্ৰম কৰি প্ৰাকৃত, অপভ্ৰংশ আদি স্তৰৰ পৰা বৰ্তমানৰ ৰূপ পোৱাত আৰ্য্যভিন্ন ভাষা গোষ্ঠীৰ সংশ্ৰৱেও প্ৰভাৱ বিস্তাৰ কৰাৰ কথা তেওঁ উল্লেখ কৰিছে। লগতে কৈছে যে এই কাৰক বা প্ৰভাৱসমূহে অসমীয়া ভাষাৰ স্বকীয়তাক বিলুপ্ত কৰিব পৰা নাই। ভাষাৰ লগতে অসমীয়া সাহিত্যৰ প্ৰাচীনত্ব সম্পৰ্কেও তেওঁ সচেতনতা প্ৰকাশ কৰিছে। চৰ্যাপদসমূহেই অসমীয়া সাহিত্যৰ আদি স্তৰৰ নিদৰ্শন। চৰ্যাপদৰ ভাষাৰ বৈশিষ্ট্যই অসমীয়া ভাষাৰ লগত থকা সাদৃশ্যৰ কথা প্ৰমাণ কৰে। নিৰ্মলপ্ৰভা বৰদলৈয়ে এই মতৰ সমৰ্থন কৰি কৈছে— *"কামৰূপ নামটোৰেই তান্ত্ৰিক নাম বুলি মই ক'ব খোজো। সপ্তম অষ্টম শতিকা মানৰ পৰাই কামৰূপে তন্ত্ৰ প্ৰধান ক্ষেত্ৰৰূপে বিশেষ প্ৰসিদ্ধি লাভ কৰে। সেয়ে দশম শতিকামানৰ বৌদ্ধ তান্ত্ৰিক সহজযান মাৰ্গৰ এই দোহাসমূহে প্ৰাচীন অসমীয়া সাহিত্যৰ নিদৰ্শন দাঙি ধৰাত আচৰিত হ'বৰ কোনো কাৰণ নাই।"*[৬] প্ৰাক্‌শংকৰী যুগত ৰচিত হোৱা মাধৱ কন্দলীৰ ৰামায়ণৰ অনুবাদ আদিৰ প্ৰসংগ উত্থাপন কৰি তেওঁ অসমীয়া সাহিত্যৰ প্ৰাচীন গৌৰৱৰ সোঁৱৰণ কৰিছে। অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশৰ দৰেই অসমীয়া সাহিত্যৰ বিকাশৰ ধাৰা সম্পৰ্কে তেওঁ পুংখানুপুংখকৈ বৰ্ণনা কৰিছে। ইয়াৰ জৰিয়তে তেওঁৰ নিজ ভাষা-সাহিত্যৰ প্ৰতি শ্ৰদ্ধা, ঐতিহ্য-প্ৰীতিৰ প্ৰমাণ পোৱা যায়। ইয়াৰোপৰি অসমৰ জনগণক ভাষা-সাহিত্যৰ গৌৰৱময় ইতিহাসৰ বিষয়ে সজাগ কৰি দিবলৈও তেওঁ এই অভিভাষণৰ জৰিয়তে যত্ন কৰিছে। এই সম্পৰ্কে তেওঁ নিজেই অভিভাষণত উল্লেখ কৰিছে এইদৰে— *" অসমীয়া ভাষা-সাহিত্য ঐতিহ্যৰ কথা অতি চমুকৈ এই ভাষণত উল্লেখ কৰাৰ কাৰণ এইটোও যে, অসমৰ ৰাজ্যভাষা অসমীয়া গুণগত দিশৰ পৰাই যে হৈছে তাৰ প্ৰমাণ স্পষ্টকৈ দাঙি ধৰা।"*[৭] তেওঁৰ মতে ভাষা এটাই নিজ গুণৰ জৰিয়তেহে মৰ্যাদা লাভ কৰে। আবেগেৰে এটা ভাষাই মৰ্যাদা আহৰণ কৰিব নোৱাৰে। অসমৰ অন্যান্য জনগোষ্ঠীৰ ভাষাকো নিজৰ গুণৰ জৰিয়তে নিজৰ ভাষা-সাহিত্যৰ বিকাশ সাধন কৰিবলৈ তেওঁ আহ্বান জনাইছে। এই ক্ষেত্ৰত অসমীয়া ভাষাই তেওঁলোকৰ ভাষাৰ ওপৰত আগ্ৰাসী মনোভাব পোষণ নকৰে বুলি তেওঁ জনসাধাৰণক সজাগ কৰিব বিচাৰিছে। নলিনীবালা দেৱীয়েও তেওঁৰ অভিভাষণত অসমীয়া ভাষা-সাহিত্যৰ গৌৰৱপূৰ্ণ অতীতৰ কথা উত্থাপন কৰিছে। তেওঁৰ অভিভাষণত ভাৰতবৰ্ষৰ উদাৰ সাম্যবাদী ঋষি সাহিত্যিকসকলে গঢ়ি যোৱা মহৎ সাহিত্যিক সমাজখনৰ ঐতিহ্যৰ কথা উল্লেখ কৰিছে। বৰ্তমানৰ নৱতন্ত্ৰ ৰচনাকাৰী সাহিত্যসেৱীসকলো সেই ঋষিসকলৰ সন্ততিয়ে বুলি তেওঁ উল্লেখ কৰিছে। গতিকে সকলোকে সাহিত্য-সেৱাত ব্ৰতী হৈ দেশমাতৃৰ সেৱা আগবঢ়াবলৈ কৈছে। তেওঁ সাহিত্যিকসকলক সাহিত্য ৰচনাৰ জৰিয়তে দেশ প্ৰেমৰ স্বাক্ষৰ বহন কৰিবলৈ আহ্বান জনাইছে— *" আজি এই মহান যজ্ঞত আমি সকলোৰেই প্ৰতিজ্ঞাৱদ্ধ হৈ আমাৰ এই অপৰূপ প্ৰদেশখনিত সাহিত্য সাধনাৰ যোগেৰে সকলো ভেদ ভাব আঁতৰাই, পৃথিৱীৰ জ্ঞান-সাগৰৰ মণি-মুকুতা আনি সজাইপৰাই নতুন ৰূপত ৰূপ দিবলৈ যত্ন কৰিবলৈ সংঘৱদ্ধ হোৱাই হ'ব আমাৰ মাতৃপূজা।"*[৮] প্ৰাচীন অসমীয়া সাহিত্যৰ ঐতিহ্যৰ ক্ষেত্ৰত তেওঁ শংকৰদেৱৰ অৱদানৰ কথা সোঁৱৰণ কৰিছে— *"অসমীয়া ঋষি শংকৰদেৱে সাধনাৰ আত্মশক্তিৰ বলত অসমক এটি নতুন ৰূপ দি থৈ গৈছে। ঋষিপ্ৰাণৰ মহত্ত্বৰ অনুপ্ৰেৰণাৰে গোটেই অসমত যি বিৰাট সাম্যবাদ প্ৰতিষ্ঠা কৰিলে, মানৱতাৰ ভেটিত ভাষা সংস্কৃতিৰ যি বিজয়-স্তম্ভ স্থাপিত কৰিলে, যি অমৰ অমূল্য বৈষ্ণৱ সাহিত্যৰ শৰাই সজালে, সাহিত্য সংগীত নৃত্য চিত্ৰ সভ্যতা আৰু মানৱীয়তাৰ সু-সংস্কৃত কৰি পৰ্বত-ভৈয়ামক সাঙুৰি একেডালি একতা ডোলেৰে বান্ধি দিলে, সেই সভ্যতা সাহিত্য সংস্কৃতিৰ অমৰ গৌৰৱ লৈ অসমীয়া জাতি আজিও চিৰ-গৌৰৱান্বিত হৈ আছে।"*[৯] নলিনীবালা দেৱীয়ে সাহিত্য সাধনাৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰিছে। সাহিত্যৰ জৰিয়তে পৰ্বত-ভৈয়ামৰ মাজত যোগসূত্ৰ স্থাপন কৰিবলৈ আহ্বান জনাইছে। নিৰ্মলপ্ৰভা বৰদলৈয়েও শংকৰদেৱ-মাধৱদেৱৰ অনুপম সৃষ্টি অংকীয়া নাট, বৰগীত, নামঘোষা, কীৰ্তনঘোষা আদি ৰচনাসমূহত ভাৰতীয় বৈষ্ণৱ দাৰ্শনিকতা আৰু সাম্যবাদৰ আদৰ্শ প্ৰকাশিত হৈছে বুলি উল্লেখ কৰিছে। চৰ্যাপদৰপৰা বৰ্তমানলৈকে অসমীয়া সাহিত্যৰ বিকাশৰ গৌৰৱময় ইতিহাস দুয়োগৰাকী সভাপতিৰ অভিভাষণত প্ৰতিফলিত হৈছে।

মাতৃভাষাৰ উন্নতিৰ বিষয়ে দুয়োগৰাকী সভাপতিৰ অভিভাষণত সচেতনতা পৰিলক্ষিত হয়। মাতৃভাষাৰ সবল ভিত্তিয়েহে জাতিটোৰ অস্তিত্বৰ প্ৰমাণ বহন কৰে। সেয়ে শিক্ষা গ্ৰহণৰ পৰা সাহিত্য সৃষ্টিৰে বিশ্বৰ সমুখত নিজৰ পৰিচয় প্ৰতিষ্ঠা কৰালৈকে মাতৃভাষাৰ উন্নতি আৰু বিকাশত গুৰুত্ব প্ৰদান কৰিছে। নিৰ্মলপ্ৰভা বৰদলৈয়ে শিক্ষাৰ মাধ্যম অসমীয়া হোৱাৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰিছে। ব্যৱসায়িক মনোভাবেৰে গঢ়ি উঠা ইংৰাজী মাধ্যমৰ স্কুলসমূহত ল'ৰা-ছোৱালীক পঢ়োৱাতকৈ অসমীয়া মাধ্যমৰ স্কুলৰ শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ ক্ষেত্ৰত তেওঁ গুৰুত্ব প্ৰদান কৰিছে। তেওঁৰ মতে নিজ মাতৃভাষা ভালকৈ আয়ত্ত কৰিব নোৱাৰিলে অন্য কোনো ভাষাকেই আয়ত্ত কৰিব নোৱাৰি। আনহাতে নলিনীবালা দেৱীয়েও তেওঁৰ অভিভাষণৰ জৰিয়তে কৈছে যে মাতৃভাষাৰ প্ৰতিটো শব্দ আৰু সুৰৰ মাজত জাতিটোৰ জীৱন পৰিচয় লুকাই থাকে। মাতৃভাষাত ৰচনা কৰা সাহিত্যৰ জৰিয়তেহে এটা জাতিয়ে নিজৰ পৰিচয় গঢ়াৰ ক্ষেত্ৰত সফল হ'ব পাৰে।

সাংস্কৃতিক চেতনাই জাতীয় চেতনাৰ ভাবকেই প্ৰতিফলিত কৰে। অভিভাষণত প্ৰতিফলিত গুৰুত্বপূৰ্ণ এক দিশ হৈছে সাংস্কৃতিক চেতনা। নিৰ্মলপ্ৰভা বৰদলৈয়ে তেওঁৰ অভিভাষণখনিত কৈছে যে অসমীয়া সংস্কৃতিৰ স্বকীয় ৰূপে বিভিন্ন কাৰণত স্বকীয়তা হেৰুৱাইছে। অসমীয়া সংস্কৃতিয়ে নিজৰ 'পেটাৰ্ণ' হেৰুৱাই বিজতৰীয়া হৈ পৰিছে বুলি তেওঁ তেতিয়াই সচেতন কৰি দিছিল। তেওঁ কৈছে যে অসমৰ কৃষিজীৱী সমাজ সংস্কৃতিৰ এটা স্তৰ অসমীয়া জীৱনৰ কেন্দ্ৰীয় ধাৰাটোত প্ৰতিফলিত হৈছিল। অসমৰ নাৰীসকলৰ মাজত অসমৰ সাংস্কৃতিক বৈশিষ্ট্য সংৰক্ষিত হৈছিল বুলি তেওঁ মত প্ৰদান কৰিছে। অসমীয়া মানুহৰ কথা-বতৰা, পিন্ধা-উৰা, আচাৰ-নীতি, উৎসৱ-পাৰ্বন সকলোতে অসমীয়াৰ স্বকীয় গুণ বৈশিষ্ট্য নিহিত হৈ আছে যি এতিয়া বিপন্ন অৱস্থালৈ গতি কৰিছে। তেওঁ অসমীয়া জনসাধাৰণক সচেতন কৰিব বিচাৰিছিল তেওঁৰ অভিভাষণৰ জৰিয়তে। অসমীয়াৰ এই সাংস্কৃতিক বৈশিষ্ট্য লুপ পালে অসমীয়া জাতিৰ পৰিচয়ও বিপদাপন্ন হ'ব। তেওঁৰ মতে— *"অসমীয়া ঠাঁচ, অসমীয়া উচ্চাৰণ, অসমীয়া সুৰ, অসমীয়া সাজ, অসমীয়া জুতি, অসমৰ নৃত্য, অসমৰ বাদ্য যদি আমি এৰি পেলাওঁ আমি অসমীয়া হৈ কিহেৰে আৰু ক'ত জীয়াই থাকিমহঁক নিজা সংস্কৃতিৰ উৎকৰ্ষত, গুণগত ধাৰাটোৰ ওপৰতেই এটা জাতিৰ উদগতি নিৰ্ভৰ কৰে।"* ১০

নলিনীবালা দেৱীয়েও বহিঃ ৰাজ্যৰ ধৰ্মীয় আৰু সাংস্কৃতিক আগ্ৰাসনৰ কথা অসমীয়া জনসাধাৰণক সোঁৱৰাই দিছে। ভিন ভিন প্ৰদেশৰ ৰং-ৰূপত ভোল গৈ অসমীয়া জনসাধাৰণে নিজৰ সাতামপুৰুষীয়া ধৰ্ম, সংস্কৃতিক পাহৰি পেলাই আনৰ ধৰ্মীয় অনুষ্ঠানলৈ নিজৰ দান-বিত আগবঢ়াই আনৰ দেশৰহে মংগল সাধিছে বুলি তেওঁ উল্লেখ কৰিছে।

লোক সাহিত্য হৈছে এটা জাতিৰ মৌলিকতাৰ বাহক। অসমৰ লোক সাহিত্যসমূহৰ সংগ্ৰহ সংৰক্ষণ আৰু অধ্যয়নৰ ক্ষেত্ৰত নিৰ্মলপ্ৰভা বৰদলৈয়ে গুৰুত্ব আৰোপ কৰিছে। অসমৰ জনজাতীয় অঞ্চলসমূহৰ মাজত প্ৰচলিত গীত পদ, আখ্যান আদি পদ্ধতিগতভাৱে সংগ্ৰহ কৰি এইবোৰৰ সংৰক্ষণ কৰিবলৈ তেওঁ আহ্বান জনাইছে। শিশুৰ মানসিক বিকাশৰ বাবে উন্নত মানদণ্ডৰ শিশু সাহিত্য ৰচনা কৰাত দুয়োগৰাকী সভাপতিৰ অভিভাষণত গুৰুত্ব প্ৰদান কৰা হৈছে। শিশু আৰু নাৰী স্বতন্ত্ৰতা, নাৰী শিক্ষা আদিৰ জৰিয়তে সুস্থ সামাজিক ব্যৱস্থা স্থাপনৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিছে।

নলিনীবালা দেৱীয়ে তেওঁৰ অভিভাষণৰ জৰিয়তে কিছু ৰাজনৈতিক চেতনাও প্ৰকাশ কৰা দেখা যায়। তেওঁৰ মতে স্বাধীন অসমৰ একতা শক্তি, সমাজৰ উদাৰ দৃষ্টি স্বাধীনতা লাভৰ পূৰ্বতকৈ যেন কিছু শিথিল হৈছে। এই ক্ষেত্ৰত স্বাধীন অসমৰ কল্যাণৰ বাবে তেওঁ মাতৃভাষা আৰু সাহিত্য সাধনাৰ ক্ষেত্ৰত অগ্ৰসৰ হৈ দেশৰ উন্নতি সাধিবলৈ সাহিত্যিকসকলক আহ্বান জনাইছে। সাহিত্যক ৰাজনীতিৰ ভেদনীতিৰপৰা আঁতৰাই ৰাখিবলৈ তেওঁ আহ্বান জনাইছে। পশ্চিম বংগ কংগ্ৰেছৰ ৰাজ্য পুনৰ্গঠন আয়োগৰ প্ৰস্তাৱক তেওঁ সমালোচনা কৰি ইয়াক ভাৰত ঐক্যবাদৰ বিৰুদ্ধবাদী নীতি বুলি মত প্ৰদান কৰিছে। এই নীতিৰ বিচাৰ কৰিবলৈ অসম চৰকাৰৰ ওচৰত দাবী জনাবলৈ 'অসম সাহিত্য সভা'ক তেওঁ আহ্বান জনাইছিল। অসমীয়া ভাষা- সাহিত্যৰ ওপৰত অন্য ৰাজ্যৰ অভিসন্ধিৰ প্ৰতি তেওঁ সবল প্ৰতিবাদ জনাই অসমীয়া জনসাধাৰণকো এই বিষয়ে সচেষ্ট কৰি তুলিছিল। এই ক্ষেত্ৰত অভিভাষণত তেওঁ এইদৰে মত প্ৰদান কৰিছে— *"যি একতাৰদ্ধ অসমে মোগল শক্তিক সোতৰবাৰ ওফৰাই পেলাব পাৰিছিল, যি অসমে পৰাধীনতাৰ যুগতো নিজৰ দক্ষতাৰে ব্ৰিটিছ ষড়যন্ত্ৰ ওফৰাই আত্মপ্ৰতিষ্ঠা কৰিব পাৰিলে, যি অসমে স্বাধীনতাৰ মুক্তি আন্দোলনত আগভাগ ল'ব পাৰিছিল, সেই অতীতৰ বীৰ অসমীয়া জাতিয়ে বিশেষকৈ শিক্ষা-দীক্ষা জ্ঞানত উদীপ্ত স্বাধীন অসমৰ পৰ্ব্বত-ভৈয়ামৰ বিৰাট মিলিত শক্তিয়ে এই আক্ৰমণ কেতিয়াও সহ্য নকৰে।*

*সুপ্ৰাচীন অসমীয়া সাহিত্য-কৃষ্টি ধ্বংস কৰি অসমৰ বুকুত বিদেশীক বৰপীৰা পাৰি বহিবলৈ এৰি নিদিয়ে।”*[১১] ইয়াৰ জৰিয়তে সভাপতিগৰাকীৰ ৰাজনৈতিক চেতনাৰ আভাস পোৱা যায়। তেওঁ পুনৰ কৈছে— *“জনমভূমিৰ আক্ৰমণাত্মক মনোভাবৰ বিৰুদ্ধে যি জাতিয়ে বিৰোধিতা নকৰে সেই জাতি ভীৰু, প্ৰাণহীন।”*[১২] তেওঁ সাহিত্যিকসকলক দেশৰ সকলো সমস্যাৰ বিষয়ে নিজৰ সৃষ্টিৰ জৰিয়তেই কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ আহ্বান জনাইছে। এনেদৰে সাহিত্যৰ জৰিয়তে দেশসেৱা কৰিবলৈ আহ্বান জনাইছে। তেওঁ কৈছে যে লোকতান্ত্ৰিক শাসনৰ সম্পূৰ্ণ সফলতা একমাত্ৰ মাতৃভাষাৰ ওপৰতে নিৰ্ভৰ কৰে। গণতান্ত্ৰিক দেশ এখনৰ মাতৃভাষাৰ উন্নতিৰ দায়িত্ব চৰকাৰে বহন কৰিব লাগে কিন্তু অসমৰ শাসনকৰ্তাসকলে মাতৃভাষাৰ উন্নতিৰ প্ৰতি বৰ বিশেষ মনোযোগ দিয়া নাই বুলি তেওঁ ব্যক্ত কৰিছে। জনজাতীয় সাহিত্যৰ উন্নতিৰ বাবে শিক্ষিত অসমীয়া লোকক জনজাতীয় ভাষা অধ্যয়ন কৰি জনজাতীয় আৰু অসমীয়া ভাষাত সৰু সৰু পুথি লেখি জনজাতীয় অঞ্চলত প্ৰচাৰ কৰিবলৈ আহ্বান জনাইছে। তেওঁ সাহিত্যৰ মাধ্যমেৰেই অসমৰ বহুধা বিভক্ত জাতি-জনগোষ্ঠীৰ লগত সম্পৰ্ক অটুট ৰাখি সকলোকে ঐক্যবদ্ধ হৈ থাকিবলৈ অভিভাষণৰ জৰিয়তে আহ্বান জনাইছে।

জাতীয় চেতনাৰে নিজেই উদ্বোদ্ধ হৈ সভাপতি কেইগৰাকীয়ে অসমৰ জনসাধাৰণৰ মনতো জাতীয় চেতনা জাগ্ৰত কৰিবলৈ জাতীয় চেতনা উদ্ৰেককাৰী কিছুমান আহ্বান জনাইছে। প্ৰাচীন কালত এখন উদাৰ বিচাৰশীল জ্ঞানী সমাজে দেশৰ সমাজ ব্যৱস্থা পৰিচালনাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। বৰ্তমানৰ সাহিত্যসেৱীসকলকো সেই উদাৰ জ্ঞানী- ঋষিসকলৰ সন্তান বুলি কৈ সাহিত্য ৰচনাৰ জৰিয়তে মাতৃভূমিৰ সেৱা কৰিবলৈ নলিনীবালা দেৱীয়ে আহ্বান জনাইছে। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পৰাই ভাৰতৰ আন আন জাতিয়ে নিজ ভাষা-সাহিত্যৰ উন্নতিৰ বাবে ঐকান্তিক প্ৰচেষ্টা হাতত লোৱা বুলি অসমবাসীৰ মনতো সেই দেশ প্ৰেমৰ ভাব জাগ্ৰত কৰিবলৈ চেষ্টা কৰিছে। স্বাধীনতা লাভৰ পিছতো অসমত দেখা দিয়া বিভিন্ন ভাষিক, ৰাজনৈতিক, সাংস্কৃতিক সমস্যা, অন্য জাতিৰ আগ্ৰাসি মনোভাবক প্ৰতিহত কৰি জনমভূমিৰ প্ৰতি আক্ৰমণাত্মক শক্তিৰ বিৰুদ্ধে বিৰোধিতা কৰিবলৈ আহ্বান জনাইছে। লগতে দেশৰ অৱস্থাৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ আহ্বান জনাইছে। নিৰ্মলপ্ৰভা বৰদলৈৰ অভিভাষণতো জাতীয় চেতনা উদ্ৰেক কৰিবলৈ ভাষা-সাহিত্যৰ উন্নতি, বিজ্ঞান মনস্কতাৰ বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। তেওঁলোকৰ অভিভাষণে আধুনিক চিন্তাধাৰাৰ বিকাশ ঘটোৱাৰ লগতে সাহিত্যই সমাজ আৰু দেশৰ বাবে ল'ব লগা ভূমিকাৰ বিষয়ে সচেতনতা সৃষ্টি কৰিছে। নিৰ্মলপ্ৰভা বৰদলৈয়ে নিজৰ অভিভাষণৰ জৰিয়তে সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত আধুনিকতাৰ এক বাট মুকলি কৰিবলৈ অনুপ্ৰাণিত কৰিছে। যাৰ জৰিয়তে নতুন নতুন সাহিত্যিক ধাৰাৰ জৰিয়তে দেশৰ, সমাজৰ নানা দিশৰ উপস্থাপন সম্ভৱ হৈ উঠিব পাৰে। মাতৃভাষাৰ উন্নতিৰ জৰিয়তে বিশ্বায়নৰ যুগত ফেৰ মাৰি নিজৰ জাতীয় পৰিচয় প্ৰতিষ্ঠা কৰিবলৈ এই অভিভাষণসমূহে আহ্বান জনাইছে আৰু পৰৱৰ্তী পৰ্যায়ত ভাষা-সাহিত্যৰ ক্ষেত্ৰখনত ইয়াৰ কাৰ্যকৰীকৰণ ঘটিছে। সেইবাবে সাহিত্য সভাৰ অভিভাষণসমূহক জাতীয় দলিল বুলি অভিহিত কৰিব পাৰি।

**উপসংহাৰ ঃ** দুয়োগৰাকী সভাপতিৰ অভিভাষণৰ জৰিয়তে নিজৰ দেশ, মাতৃভাষা, সাহিত্য-সংস্কৃতিৰ প্ৰতি প্ৰেম, দায়িত্বৰ ভাব স্পষ্টৰূপত প্ৰতিফলিত হোৱা দেখা যায়। নিজ ভাষা-সাহিত্য-সংস্কৃতিৰ ঐতিহ্য সোঁৱৰণৰ জৰিয়তে জনসাধাৰণক সজাগ আৰু সচেতন কৰি তোলাৰ প্ৰচেষ্টা অভিভাষণদুখনিত দেখিবলৈ পোৱা যায়। অসমীয়া জাতি গঠন প্ৰক্ৰিয়া হৈছে সমন্বয়ৰ প্ৰক্ৰিয়া সেই সমন্বয়ক অটুট ৰাখিবলৈ ল'ব লগা ব্যৱস্থাসমূহৰ বিষয়ে দুয়োগৰাকী সভাপতিয়ে উনুকিয়াইছে। ভাষা-সাহিত্যৰ উন্নতিৰ জৰিয়তে নিজৰ জাতীয় পৰিচয় গঢ়ি তুলিবলৈ চৰকাৰ, জনসাধাৰণ সকলোকে আহ্বান জনাইছে। অভিভাষণসমূহক জাতীয় দলিল হিচাপে গণ্য কৰা হয়। অভিভাষণত সভাপতিসকলে নিজৰ অভিজ্ঞতা আৰু জ্ঞানেৰে কিছুমান পৰামৰ্শ আগবঢ়াই গৈছে। যিসমূহ পৰামৰ্শ বাস্তৱ ক্ষেত্ৰত ৰূপায়ণ কৰি দেশ-জাতিৰ উন্নতি সাধিব পাৰি। নলিনীবালা দেৱী আৰু নিৰ্মলপ্ৰভা বৰদলৈ দুয়োগৰাকী স্বকীয় জ্ঞান আৰু কৰ্মেৰে অসমীয়া সাহিত্য জগতত নিজৰ স্থান ৰাখি যাবলৈ সক্ষম হৈছে। তেওঁলোকৰ অভিভাষণৰ জৰিয়তে সভাপতি দুগৰাকীৰ গভীৰ জাতীয় চেতনা প্ৰতিফলিত হোৱা দেখা যায়।

**সিদ্ধান্ত ঃ** *'অসম সাহিত্য সভা'ৰ মহিলা সভাপতিৰ অভিভাষণত প্ৰতিফলিত জাতীয় চেতনা* শীৰ্ষক বিষয়টিৰ আলোচনাৰ শেষত উপনীত হোৱা সিদ্ধান্তসমূহ হৈছে—

● দুয়োটা অভিভাষণত ভাষা-সাহিত্য কেন্দ্ৰিক জাতীয় চেতনা প্ৰতিফলিত হৈছে।

● সাহিত্য ৰচনাৰ জৰিয়তে ভাতৃত্ববোধ, পৰ্বত-ভৈয়ামৰ মাজৰ সমন্বয় স্থাপনত গুৰুত্ব প্ৰদান কৰাৰ লগতে

সাহিত্য ৰচনাৰ জৰিয়তে নিজ দেশৰ

সংস্কৃতিক পৃথিৱীৰ সন্মুখত প্ৰতিষ্ঠা কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে।

● ভাষা-সাহিত্যৰ গৌৰৱোজ্জ্বল ঐতিহ্যৰ সোঁৱৰণ দেখিবলৈ পোৱা যায়।

● অসমৰ প্ৰত্যেক জাতি- জনগোষ্ঠীৰে স্বকীয় ভাষা-সাহিত্যৰ উন্নতিৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা হৈছে।

● অভিভাষণসমূহত সভাপতিসকলে পৰামৰ্শ আগবঢ়োৱা দিশসমূহৰ ভাষা-সাহিত্যৰ ক্ষেত্ৰখনত কাৰ্যকাৰিতা দেখিবলৈ পোৱা যায়। ❑

**প্ৰসংগ সূত্ৰ ঃ**

১। সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ.২৪৮
২। অতুলচন্দ্ৰ হাজৰিকা (সম্পা), অসম সাহিত্য সভা বাৰ্ষিকী ২৩ শ অধিৱেশন যোৰহাট, সভানেত্ৰীৰ অভিভাষণ, পৃ.২৪
৩। সতীশ চন্দ্ৰ চৌধুৰী, প্ৰদীপ ভূঞা (সম্পা), অসম সাহিত্য সভা ভাষণাৱলী পঞ্চম খণ্ড, পৃ.৩৮৪
৪। উল্লিখিত, পৃ.৩৮৪
৫। --- পৃ ৩৮৪
৬। — পৃ. ৩৮৭
৭। --- পৃ.৩৮৮
৮। অতুলচন্দ্ৰ হাজৰিকা (সম্পা), অসম সাহিত্য সভা বাৰ্ষিকী ২৩ শ অধিৱেশন যোৰহাট, সভানেত্ৰীৰ অভিভাষণ, পৃ.৩৪
৯। --- পৃ.৩৪
১০। সতীশ চন্দ্ৰ চৌধুৰী, প্ৰদীপ ভূঞা (সম্পা), অসম সাহিত্য সভা ভাষণাৱলী পঞ্চম খণ্ড, পৃ.৩৯২
১১। অতুলচন্দ্ৰ হাজৰিকা (সম্পা), অসম সাহিত্য সভা বাৰ্ষিকী ২৩ শ অধিৱেশন যোৰহাট, সভানেত্ৰীৰ অভিভাষণ, পৃ.৫৭
১২। --- পৃ. ৬৩

**গ্ৰন্থপঞ্জী ঃ**

চৌধুৰী সতীশ চন্দ্ৰ, প্ৰদীপ ভূঞা (সম্পা), *অসম সাহিত্য সভাৰ ভাষণাৱলী পঞ্চম খণ্ড*, কিৰণ প্ৰকাশন, প্ৰথম প্ৰকাশ, ২০০৮
হাজৰিকা, অতুলচন্দ্ৰ (সম্পা), *অসম সাহিত্য সভা বাৰ্ষিকী প্ৰথম ভাগ ২৩ শ অধিৱেশন*, যোৰহাট, অসম সাহিত্য সভা, প্ৰথম প্ৰকাশ ১৯৫৫
শৰ্মা, সত্যেন্দ্ৰনাথ, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, সৌমাৰ প্ৰকাশ, দশম সংস্কৰণ ২০১৪

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945

Peer Reviewed Journal
[UGC-CARE Listed]

# অসমীয়া পডকাষ্টৰ ভাষাত ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ



**নয়ন চেতিয়া**

গৱেষক, অসমীয়া বিভাগ
জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়, যোৰহাট
তৰাজান (অসম)-৭৮৫০০১
৭০৮৬৩১২৫৩৫
nayanchetia693@gmail.com



**ড°পুষ্পাঞ্জলি হাজৰিকা**

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়, যোৰহাট
তৰাজান (অসম)-৭৮৫০০১
৮৬৩৮৮৬৯২৪০
puspanjali.hazarika30@gmail.com

**সাৰাংশ ঃ**

ভিন্ন ভাষিক, সাংস্কৃতিক অথবা বহুভাষিক কোনো এক যোগাযোগত অংশগ্ৰহণকাৰীসকলে ভিন্ন ভাষাৰ প্ৰয়োগ কৰি ভাষিক প্ৰক্ৰিয়াৰ মাজেৰে কৰা এক পৰিঘটনাই হৈছে ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ। কোনো এক কথোপকথনত দ্বিভাষী বা বহুভাষী বক্তাই স্বাভাৱিকভাৱে এটাতকৈ অধিক ভাষা ব্যৱহাৰ কৰাৰ বাবে, পৰিৱেশ-পৰিস্থিতি অনুসৰি বেলেগ বেলেগ ভাষা প্ৰয়োগ কৰাৰ বাবে, বিষয়ক সহজে বুজিবলৈ এটা ভাষা কওঁতে আন ভাষাৰো প্ৰয়োগ কৰে। প্ৰথম ভাষাৰ মাধ্যমেৰে বক্তব্য প্ৰকাশ কৰিবলৈ অপাৰগ হ'লে বক্তাই যোগাযোগ অধিক ফলপ্ৰসু কৰিবৰ বাবেও এটা ভাষাৰ লগত আন ভাষাৰ সংযোগ কৰে। এনেধৰণৰ ভাষিক প্ৰক্ৰিয়াই হৈছে ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ। এজন বক্তাই বহুভাষিক পৰিৱেশ-পৰিস্থিতিত বা অংশগ্ৰহণকাৰী অনুসৰি বক্তব্য বিষয়ক অধিক স্পষ্ট কৰিবলৈ বিভিন্ন সময়ত নিজৰ বক্তব্যক এটা ভাষাৰ পৰা অন্য ভাষালৈ সংক্ৰমণ কৰে আৰু বহু সময়ত পৰিৱেশ পৰিস্থিতি অনুসৰি বক্তব্য বিষয়ক প্ৰভাৱশালী কৰি তুলিবলৈ অন্য ভাষাৰ শব্দ, সৰ্গ আদিৰ প্ৰয়োগ কৰি ভাষাৰ মিশ্ৰণ কৰে। সাম্প্ৰতিক সময়ত সামাজিক মাধ্যমৰ বহুল প্ৰয়োগৰ পৰিপ্ৰেক্ষিতত অসমীয়া ভাষাৰ ব্যৱহাৰত ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ যথেষ্ট পৰিমাণে হোৱা দেখিবলৈ পোৱা যায়। বিশেষকৈ সামাজিক মাধ্যমসমূহৰ ভিতৰত ফেচবুক, হোৱাট্চ এপ, ইউটিউব আদি নব্য মাধ্যমসমূহত এই ভাষিক প্ৰক্ৰিয়া অধিকৰূপত সংঘটিত হোৱা দেখা যায়। শেহতীয়াকৈ নব্য মাধ্যমসমূহত জনপ্ৰিয় হোৱা এক অনুষ্ঠান হৈছে পডকাষ্ট। বৰ্তমান সময়ত নব্য মাধ্যমসমূহৰ জৰিয়তে অসমীয়া ভাষাৰ মাধ্যমত বিভিন্ন পডকাষ্ট সম্প্ৰচাৰিত হৈ আছে। পডকাষ্টত অংশগ্ৰহণ কৰা বিভিন্ন ব্যক্তিসকলৰ কথোপকথনতো ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ হোৱা পৰিলক্ষিত হয়। এই গৱেষণাত অসমীয়া ভাষাৰ মাধ্যমেৰে প্ৰচাৰিত কেইটামান জনপ্ৰিয় অসমীয়া পডকাষ্টক নিৰ্বাচন কৰি তাৰ পৰা নিৰ্দিষ্ট কিছু বিশিষ্ট ব্যক্তিৰ কথোপকথনক নমুনা হিচাপে লৈ কেনেদৰে অসমীয়া ভাষাৰ পডকাষ্টত ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ হৈছে তাক বিচাৰ কৰা হৈছে।

**মূল শব্দ ঃ**

পডকাষ্ট, অসমীয়া ভাষা, ভাষা-সংক্ৰমণ, ভাষা-মিশ্ৰণ, কথোপকথন।

**০.০ অৱতৰণিকা**

**০.১ বিষয় পৰিচয়**

ভাষা কেৱল যোগাযোগৰেই মাধ্যম নহয়, ই একোখন সমাজ-সংস্কৃতিৰ পৰিচায়ক। বিশ্বায়নৰ পটভূমিত সময়ৰ পৰিৱৰ্তনৰ লগে লগে ভাষাৰ ক্ষেত্ৰতো পৰিৱৰ্তন লক্ষ্য কৰা যায়। বিভিন্ন সময়ত বিভিন্ন সামাজিক-সাংস্কৃতিক-অৰ্থনৈতিক-ৰাজনৈতিক কাৰণত এটা ভাষাৰ লগত আন্য এটা ভাষাৰ সংযোগ ঘটায়। ভাষিক

সংযোগৰ ফলত ভাষা পৰিৱৰ্তনৰ ক্ষেত্ৰত হোৱা এক বিশেষ ভাষিক প্ৰক্ৰিয়া হক্সল ভাষা-সংক্ৰমণ (code switching) আৰু ভাষা-মিশ্ৰণ (code mixing)। দ্বিভাষী বা বহুভাষী বক্তাই যোগাযোগৰ সময়ত এটা ভাষা ব্যৱহাৰৰ সময়ত নিজৰ বক্তব্যক অন্য এটা ভাষাৰ মাধ্যমেৰে প্ৰকাশ কৰা প্ৰক্ৰিয়াই হৈছে ভাষা - সংক্ৰমণ (Code-Switching)। আকৌ বক্তাই যেতিয়া কথোপকথনত এটা ভাষাৰ মাজত আন এটা ভাষাৰ শব্দ, শব্দাংশ বা সৰ্গ মিশ্ৰণৰ ফলত যি ভাষিক প্ৰক্ৰিয়া সংঘটিত হয় তাকে ভাষা-মিশ্ৰণ (Code-Mixing) বোলে। সাম্প্ৰতিক কালত সামাজিক মাধ্যমৰ বিভিন্ন ক্ষেত্ৰত এনে ভাষিক প্ৰক্ৰিয়া সংঘটিত হোৱা দেখা যায়। ইউটিউব, হোৱাটচ এপ, ফেচবুক আদিৰ দৰে নব্য মাধ্যমসমূহত বিভিন্ন ভাষিক পটভূমিৰ ব্যক্তিৰ মাজৰ যোগাযোগত ভাষা পৰিৱৰ্তনৰ দৃষ্টান্ত পোৱা যায়। শেহতীয়াকৈ নব্য মাধ্যমসমূহত সম্প্ৰচাৰিত 'পডকাষ্ট' (Podcast) নামৰ এক মৌখিক যোগাযোগৰ অনুষ্ঠানত কথোপকথনত অংশগ্ৰহণ কৰা ব্যক্তিসকল বা অনুষ্ঠানলৈ আমন্ত্ৰিত অতিথিসকলৰ ভাষাত প্ৰায়ে এনে ভাষিক প্ৰক্ৰিয়া হোৱা পৰিলক্ষিত হয়।

পডকাষ্ট হৈছে একবিংশ শতিকাত সৃষ্টি হোৱা এক বাৰ্তালাপৰ অনুষ্ঠান। য'ত এজন সঞ্চালকে সাহিত্য, সংস্কৃতি, ক্ৰীড়া, ৰাজনীতি আদি বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলক মাতি আনি তেওঁলোকৰ সৈতে মত বিনিময় কৰে। সাধাৰণ অৰ্থত পডকাষ্ট এক মত বিনিময়ৰ মৌখিক অনুষ্ঠ। *"A podcast is a piece of episodical, downloadable or streamable, primarily spoken audio content, distributed via the internet, playable anywhere, at anytime, produced by anyone who so wishes."* [১] অৰ্থাৎ পডকাষ্ট হৈছে ইন্টাৰনেটত উপলব্ধ, ক্ৰমাগতভাৱে প্ৰকাশিত, যিকোনো ব্যক্তিয়ে প্ৰস্তুত কৰিব পৰা, যিকোনো সময়ত আৰু যিকোনো ঠাইতে শুনিব পৰা এক কথোপকথনমূলক শ্ৰাব্য অনুষ্ঠান। পোন প্ৰথমে বৃটিছ সাংবাদিক Ben Hammersley 2004 চনত পডকাষ্ট শব্দটোৰ সৃষ্টি কৰিছিল। পডকাষ্ট মূলত এটা মিশ্ৰিত ইংৰাজী ভাষাৰ শব্দ। পডকাষ্টৰ উপযুক্ত অৰ্থ প্ৰকাশক অসমীয়া পৰিভাষা নথকাৰ বাবেই মূল ইংৰাজী শব্দটোৰ অসমীয়ালৈ লিপ্যন্তৰ কৰি প্ৰয়োগ কৰা হয়। Hammersley এ 'Ipod' আৰু 'Broadcast' এই শব্দ দুটাক সংযোগ কৰি 'Podcast' শব্দটো নতুনকৈ নিৰ্মাণ কৰিছিল। ইয়াৰ অসমীয়া লিপ্যন্তৰ হৈছে 'পডকাষ্ট'। বৰ্তমান সময়ত বিভিন্ন নব্য মাধ্যম যেনে - Spotify, YouTube, Apple Podcast, Google Podcast, over cart আদিৰ যোগদি বিভিন্ন ধৰণৰ পডকাষ্ট সম্প্ৰচাৰিত হৈ আছে। অসমতো শেহতীয়াকৈ অসমীয়া ভাষাৰ মাধ্যমেৰে নানা পডকাষ্ট সম্প্ৰচাৰিত হোৱা দেখা যায়। য'ত অসমৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকল আহি তেওঁলোকৰ মনৰ ভাব প্ৰকাশ কৰে। বৰ্তমান জনপ্ৰিয় হোৱা অসমীয়া পডকাষ্টৰ ভিতৰত ৰেন-মৌ, বাৰ্তালাপ, সত্য, অযান্ত্ৰিক আদি অন্যতম। এই পডকাষ্টসমূহলৈ বিভিন্ন ভাষিক - সাংস্কৃতিক-সামাজিক পৰিৱেশৰ মানুহ আহি বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰিছে। পডকাষ্টত অংশগ্ৰহণ কৰা বিশিষ্ট ব্যক্তিসকল বা পডকাষ্ট সঞ্চালন কৰা ব্যক্তিজনৰ ভাষা প্ৰয়োগৰ ক্ষেত্ৰত এটাতকৈ অধিক ভাষা একে সময়তে ব্যৱহাৰ কৰা দেখা যায়। সেয়ে তেওঁলোকৰ কথোপকথনৰ ভাষাৰ মাজত ভাষা -সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ হোৱা পৰিলক্ষিত হয়। এই অধ্যয়নত অসমীয়া পডকাষ্টৰ ভাষাত হোৱা ভাষা -সংক্ৰমণ আৰু ভাষা-মিশ্ৰণৰ স্বৰূপ সম্পৰ্কে অধ্যয়ন কৰা হৈছে। অসমীয়া পডকাষ্টৰ কথোপকথনত কেনেকৈ ভাষা-সংক্ৰমণ আৰু মিশ্ৰণ হৈছে, কি কাৰকে প্ৰভাৱ পেলাইছে এই দিশবোৰৰ বিষয়ে এই গৱেষণাত বিচাৰ কৰা হৈছে।

**০.২ অধ্যয়ৰ উদ্দেশ্য ঃ**

‘‘অসমীয়া পডকাষ্টৰ ভাষাত ভাষা -সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ’’ শীৰ্ষক বিষয়টি অধ্যয়নৰ উদ্দেশ্য এনেধৰণৰ -

➢ অসমীয়া পডকাষ্টৰ ভাষাত হোৱা ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণৰ স্বৰূপ সম্পৰ্কে অধ্যয়ন কৰা।

➢ অসমীয়া পডকাষ্টৰ ভাষাত ভাষা -সংক্ৰমণ আৰু ভাষা -মিশ্ৰণ সংঘটিত হোৱাৰ কাৰণসমূহ বিচাৰ কৰা।

**০.৩ অধ্যয়নৰ গুৰুত্ব ঃ**

ভাষা হৈছে এটা জাতি, সংস্কৃতি বা এখন সমাজৰ আধাৰ। ভাষাৰ যোগেদিয়েই মানুহে সামাজিক যোগসূত্ৰ স্থাপন কৰে। ভাষাৰ কথিত আৰু লিখিত দুটা ৰূপ পোৱা যায়। ভাষাৰ কথিত ৰূপৰ মাজত ভাষাৰ সমকালীন ৰূপৰ আভাস পোৱা যায়। ভাষাৰ কথিত ৰূপেহে এটা ভাষাক দীৰ্ঘজীৱী কৰি তোলে। সেয়ে ভাষা এটাৰ কথিত ৰূপটোৰ বিষয়ে অধ্যয়ন কৰাতো প্ৰয়োজনীয়। সাম্প্ৰতিক কালত বিশ্বায়নৰ প্ৰভাৱত সমাজ-সংস্কৃতি-ভাষা সকলোতে পৰিৱৰ্তন বিদ্যমান। কথোপকথন বা যোগাযোগৰ ক্ষেত্ৰতো

অংশগ্ৰহণকাৰীয়ে বিষয় আৰু পৰিস্থিতি অনুসৰি এটা ভাষাৰ লগত অন্য এটা ভাষাৰ সংযোগ কৰে। যাৰ ফলত ভাষাটোৰ মূল ৰূপত অন্য ভাষাৰ শব্দ, শব্দাংশ, বাক্যাংশ বা বাক্য সোমাই ভাষাৰ সংক্ৰমণ আৰু মিশ্ৰণ হয়। গতিকে কোনো এক যোগাযোগত হোৱা ভাষিক প্ৰক্ৰিয়াৰ বিষয়ে অধ্যয়ন কৰিলে এনে সংযোগৰ স্বৰূপ আৰু কাৰণ জানিব পৰা যায়। ভাষা প্ৰয়োগত হোৱা এনে ভাষিক প্ৰক্ৰিয়াৰ বিষয়ে ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ তত্ত্বৰ যোগেদি অধ্যয়ন কৰিব পাৰি। সেয়ে ভাষাৰ ক্ষেত্ৰত হোৱা এনে ভাষিক প্ৰক্ৰিয়াৰ অধ্যয়নৰ বাবে ভাষা -সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ সম্পৰ্কে অধ্যয়ন কৰাৰ প্ৰাসংগিকতা আছে। তথ্য-প্ৰযুক্তিৰ বিকাশ আৰু বিশ্বায়নৰ বাবে অসমীয়া ভাষাতো যথেষ্ট পৰিমাণে ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ নব্য মাধ্যমসমূহত ব্যৱহৃত ভাষাৰ মাজত প্ৰচুৰ পৰিমাণে ইংৰাজী আৰু হিন্দী ভাষাৰ শব্দ, সৰ্গ, বাক্য আৰু বাক্যাংশৰ সংক্ৰমণ আৰু মিশ্ৰণ হৈছে। বৰ্তমান সময়ত জনপ্ৰিয় হোৱা পডকাষ্টসমূহৰ ভাষাৰ মাজতো ভাষা-সংক্ৰমণ আৰু মিশ্ৰণ হোৱা দেখা যায়। পডকাষ্টত অংশ লোৱা ব্যক্তিসকলৰ ভাষাৰ কথিত ৰূপৰ মাজত ইংৰাজী, হিন্দী বা আন স্থানীয় উপভাষাৰ সংযোগ মন কৰিবলগীয়া। এনেধৰণৰ ভাষিক সংযোগৰ স্বৰূপ আৰু তাৰ কাৰণ তথা এনে ভাষিক সংযোগৰ ফলত অসমীয়া ভাষাৰ মূল ৰূপত কেনে প্ৰভাৱ পৰিছে তাৰ বিষয়ে অধ্যয়ন কৰাৰ যথেষ্ট গুৰুত্ব আছে। গতিকে এনেধৰণৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি "অসমীয়া পডকাষ্টৰ ভাষাত ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ" শীৰ্ষক বিষয়টো অধ্যয়নৰ বাবে নিৰ্বাচন কৰা হৈছে।

**০.৪ অধ্যয়নৰ পৰিসৰ ঃ**

''অসমীয়া পডকাষ্টৰ ভাষাত ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ'' শীৰ্ষক গৱেষণা কৰ্মৰ বাবে অসমীয়া ভাষাত ইউটিউবৰ মাধ্যমেৰ প্ৰচাৰিত চক্ৰপাণি পৰাশৰ সঞ্চালিত 'বাৰ্তালা প' আৰু আইচেংফা বৰুৱা সঞ্চালিত 'ৰেন-মৌ' শীৰ্ষক পডকাষ্ট দুটাক অধ্যয়নৰ বাবে নিৰ্বাচন কৰা হৈছে। উক্ত পডকাষ্ট দুটাত অংশ লোৱা বিভিন্ন ব্যক্তিৰ ভিতৰত 'ৰেন-মৌ'ত অংশ লোৱা ৰাজনৈতিক নেতা গৌৰৱ গগৈ, ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰন্ধন প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বিজয়ী নয়নজ্যোতি শইকীয়া, সাহিত্যিক-সাংবাদিক মাইনি মহন্ত আৰু বাৰ্তালাপত অংশ লোৱা সংগীত শিল্পী জুবিন গাৰ্গ, সাহিত্যিক ৰঞ্জু হাজৰিকা, ৰাজনৈতিক নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সংগীত শিল্পী তৰালি শৰ্মাৰ কথোপকথন ভাষাক ভাষিক সমল হিচাপে নমুনা লোৱা হৈছে। দুয়োটা পডকাষ্টতে সঞ্চালক আৰু বিশিষ্ট ব্যক্তিসকলৰ মাজৰ কথোপকথনৰ ভাষাত হোৱা ভাষা - সংক্ৰমণ আৰু ভাষা-মিশ্ৰণক আলোচনাৰ পৰিসৰত অন্তৰ্ভুক্ত কৰা হৈছে।

**০.৫ অধ্যয়নৰ পদ্ধতি ঃ**

"অসমীয়া পডকাষ্টৰ ভাষাত ভাষা -সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ" শীৰ্ষক বিষয়টো অধ্যয়নৰ বাবে ৰেন-মৌ আৰু বাৰ্তালাপ নামৰ পডকাষ্ট দুটাৰ ভাষাৰ পৰা নমুনা সংগ্ৰহ কৰি বিশ্লেষণ কৰা হৈছে। প্ৰধানকৈ সমাজভাষাবৈজ্ঞানিক বিশ্লেষণ পদ্ধতি আৰু বৰ্ণনাত্মক বিশ্লেষণ পদ্ধতিৰ সহায় লোৱা হৈছে।

**সমাজভাষাবৈজ্ঞানিক বিশ্লেষণ পদ্ধতি ঃ** সমাজভাষা-বৈজ্ঞানিক পদ্ধতিৰ তত্ত্ব আৰু দৃষ্টিভংগীৰ আধাৰত এই গৱেষণা কৰ্মৰ বাবে সংগৃহীত তথ্যসমূহ বিশ্লেষণ কৰা হৈছে। সমাজভাষাবৈজ্ঞানিক পদ্ধতিৰ বিশেষ দিশ হৈছে ভাষা সংযোগৰ ফলত হোৱা ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ। এই ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণৰ বিষয়ে অধ্যয়ন কৰিবলৈ যাওঁতে সমাজভাষাবৈজ্ঞানিক পদ্ধতিৰ তত্ত্ব আৰু দৃষ্টিভংগীৰ সহায়ত অধ্যয়ন কৰা হৈছে।

**বৰ্ণনাত্মক বিশ্লেষণ পদ্ধতি ঃ**

বৰ্ণনাত্মক বিশ্লেষণ পদ্ধতিৰ অন্তৰ্গত ৰূপতত্ত্ব আৰু শব্দ গঠনৰ দৃষ্টিৰে পডকাষ্টৰ ভাষাত ইংৰাজী বা হিন্দী ভাষাৰ শব্দৰ লগত অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু বহুবচনবাচক প্ৰত্যয় যোগ হৈ কেনেকৈ শব্দগঠন হৈছে সেয়া অধ্যয়ন কৰা হৈছে।

**১.০ অসমীয়া পডকাষ্টৰ ভাষাত ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ ঃ**

বিশ্বায়নৰ প্ৰভাৱত সমাজৰ পৰিৱৰ্তনৰ লগে লগে ভাষাৰ ক্ষেত্ৰতো নানা পৰিৱৰ্তন হোৱা দেখা যায়। বৰ্তমান সময়ত বিভিন্ন ভাষাৰ সংযোগ সাধন হৈ বিশেষ কিছুমান ভাষিক প্ৰক্ৰিয়া সংঘটিত হৈছে। যাৰ ফলত মূল ভাষাৰ ৰূপৰ সাল-সলনি হৈছে। ভিন্ন পৰিৱেশ, ভিন্ন বক্তা আৰু শ্ৰোতা অনুসৰি ভাষা প্ৰয়োগৰ ক্ষেত্ৰত বিভিন্নতা লক্ষণীয়। বিভিন্ন বক্তাই কথোপকথনত একে সময়তে ভিন্ন ভাষাৰ প্ৰয়োগ কৰি ভাষিক সংযোগ কৰিছে। ভাষিক সংযোগৰ ক্ষেত্ৰত ভাষাৰ পৰিৱৰ্তনৰ দুটা অনত্যম ভাষিক প্ৰক্ৰিয়া হৈছে ভাষা-সংক্ৰমণ (Code-Switching) আৰু ভাষা-মিশ্ৰণ (Code-Mixing) *"দ্বিভাষিক বা বহুভাষিক*

*পৰিস্থিতিত সাধাৰণতে ভাষা সঞ্চৰণ লক্ষ্য কৰা যায়। আনহাতে, ভাষিক বা সাংস্কৃতিক যোগাযোগৰ ফলশ্ৰুতিত ভাষা মিশ্ৰণ লক্ষ্য কৰা যায়।"* [২] ভাষা-সংক্ৰমণ বা ভাষা-মিশ্ৰণ এক স্বাভাৱিক ভাষিক প্ৰক্ৰিয়া। মানুহে বিভিন্ন প্ৰয়োজনত একে সময়তে এটা ভাষাৰ পৰা আন ভাষালৈ গতি কৰিব পাৰে বা এটা ভাষাৰ মাজত আন ভাষাৰ মিশ্ৰণ কৰিব পাৰে। বহুভাষী এজন বক্তাই এটা ভাষা ব্যৱহাৰৰ সময়ত যোগাযোগত নিজৰ বক্তব্যক অন্য এটা ভাষা বা উপভাষাৰ মাধ্যমেৰে প্ৰকাশ কৰা প্ৰক্ৰিয়াক ভাষা-সংক্ৰমণ বোলে। কথোপকথনৰ মাজত প্ৰয়োজন অনুসৰি বক্তাই প্ৰথম ভাষাৰ অন্য ভাষালৈ সংক্ৰমণ কৰা প্ৰক্ৰিয়াই হৈছে ভাষা-সংক্ৰমণ। বক্তাই ভিন্ন সময়ত পৰিৱেশ পৰিস্থিতি অনুসৰি প্ৰয়োগ এটা ভাষাৰ পৰা আন ভাষালৈ সংক্ৰমণ কৰে। *''Use of different varieties in different times by single speaker''* [৩] অৰ্থাৎ এজন বক্তাই ভিন্ন সময়ত প্ৰয়োগ কৰা ভাষা ৰূপৰ ভিন্নতাই ভাষা-সংক্ৰমণ। ভাষা- সংক্ৰমণৰ কেইবাটাও ভাগ বা ৰূপ পোৱা যায়।পৰিস্থিতি আৰু বিষয় ক্ষেত্ৰৰ দিশৰ পৰা চালে পৰিস্থিতিগত ভাষা-সংক্ৰমণ আৰু ৰূপকাত্মক ভাষা-সংক্ৰমণ। বিভিন্ন পৰিৱেশ পৰিস্থিতি অনুসৰি বক্তাই এটা ভাষাৰ পৰা আন এটা ভাষালৈ কৰা ভাষা-সংক্ৰমণ হৈছে পৰিস্থিতিগত ভাষা-সংক্ৰমণ আৰু বিষয় অনুসৰি বক্তব্যক স্পষ্ট কৰিবলৈ বা আলোচ্য বিষয় অনুসৰি অৰ্থ প্ৰকাশ কৰিবলৈ আন ভাষাৰ সহায় লয়। অৰ্থাৎ বিষয়ৰ স্পষ্টতাৰ বাবে হোৱা ভাষা-সংক্ৰমণ হৈছে ৰূপকাত্মক ভাষা-সংক্ৰমণ। আনহাতে গঠনগত দিশৰ পৰা ভাষা-সংক্ৰমণক দুটা ভাগত ভগাব পাৰি আন্তঃবাক্যিক ভাষা-সংক্ৰমণ আৰু অৰ্ন্তবাক্যিক ভাষা-সংক্ৰমণ। কোনো এক কথোপকথনত একেলগে দুটা বা ততোধিক ভাষাৰ ব্যৱহাৰ হ'লে তাক আন্তঃবাক্যিক ভাষা-সংক্ৰমণ বোলে আৰু একোটা বাক্যৰ ভিতৰতে বেলেগ বেলেগ ভাষাৰ বাক্যাংশ প্ৰয়োগ হ'লে তাক কোৱা হয় অৰ্ন্তবাক্যিক ভাষা-সংক্ৰমণ।

ভাষা-সংক্ৰমণৰ দৰেই ভাষা-মিশ্ৰণো হ'ল এনে এক ভাষিক প্ৰক্ৰিয়া য'ত কথোপকথনৰ সময়ত বক্তাই এটা ভাষাৰ মাজত অন্য ভাষাৰ ভাষিক উপাদান অন্তৰ্ভুক্ত কৰে। *"ডেভিদ ক্ৰিষ্টেলৰ মতে ভাষা-মিশ্ৰণ হৈছে এনে এক ভাষিক ব্যৱহাৰ য'ত এটা ভাষাত অন্য এটা ভাষাৰ পৰা ভাষিক উপাদান অন্তৰ্ভুক্ত হয়।"* [৪] ভিন্ন ভাষিক পৰিস্থিতিত ভাষা সংযোগৰ ফলত এটা ভাষাৰ মাজত যেতিয়া আন এটা ভাষাৰ শব্দ, সৰ্গ, শব্দাংশ আদি অন্তৰ্ভুক্ত হৈ পৰে ভাষিক সংযোগৰ তেনে প্ৰক্ৰিয়াকে ভাষা-মিশ্ৰণ বোলে। বৰ্তমান সময়ত ভিন্ন ভাষা-ভাষীৰ মাজৰ যোগাযোগত ভাষা-মিশ্ৰণ এক সহজ ভাষিক প্ৰক্ৰিয়া। ভাষা-মিশ্ৰণকো পৰিস্থিতি আৰু বিষয় অনুসৰি পৰিস্থিতিগত ভাষা-মিশ্ৰণ আৰু ৰূপকাত্মক ভাষা-মিশ্ৰণ এই দুটা ভাগত ভগোৱা হয়। ভিন্ন পৰিৱেশ-পৰিস্থিতি অনুসৰি হোৱা ভাষা-মিশ্ৰণেই পৰিস্থিতিগত ভাষা-মিশ্ৰণ আৰু নিৰ্দিষ্ট বিষয়ক কেন্দ্ৰ কৰি হোৱা ভাষা মিশ্ৰণক ৰূপকাত্মক ভাষা-মিশ্ৰণ বোলে। আনহাতে গঠনগত দিশৰ পৰা আন্তঃশাব্দিক আৰু আন্তঃবাক্যিক ভাষা-মিশ্ৰণ। যেতিয়া এটা ভাষাৰ শব্দৰ লগত অন্য ভাষাৰ শব্দ, পৰসৰ্গ সংযোগ হৈ বাক্যত ব্যৱহৃত হয় তেতিয়া তাকে আন্তঃশাব্দিক ভাষা-মিশ্ৰণ বোলে। এটা ভাষাৰ বেলেগ বেলেগ শব্দৰ লগত আন ভাষাৰ নিৰ্দিষ্টতাবাচক সৰ্গ, অনিৰ্দিষ্টতাবাক সৰ্গ, বহুবচনৰ সৰ্গ যোগ হৈ ভাষা মিশ্ৰণ কৰে। আনহাতে যেতিয়া এটা ভাষাৰ শব্দসমূহ আন ভাষাৰ শব্দ বা পৰসৰ্গৰ লগত সংযোগ নোহোৱাকৈ পোনপটীয়াকৈ প্ৰয়োগ হয় তেতিয়া তেনেধৰণৰ মিশ্ৰণক আন্তঃবাক্যিক ভাষা-মিশ্ৰণ বোলে।

বৰ্তমান সময়ত অসমীয়া ভাষাৰ ক্ষেত্ৰতো একে ভাষিক সংযোগ দেখা যায়। বিভিন্ন সময়ত বক্তাই কথোপকথনত বিভিন্ন কাৰণত অসমীয়া ভাষাৰ লগত একাধিক ভাষাৰ সংযোগ কৰি ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ কৰিছে। দ্বিভাষিক বা বহুভাষিক পৰিস্থিতিত এনে ভাষিক প্ৰক্ৰিয়া সহজেই দেখা যায়। পৰিৱেশ পৰিস্থিতি অনুসৰি বক্তাই ভাষাৰ সংক্ৰমণ বা মিশ্ৰণ কৰে। সামাজিক -সাংস্কৃতিক , অৰ্থনৈতিক যোগাযোগ এইবোৰে ভাষাৰ এনে সংযোগত বিশেষ প্ৰভাৱ পেলায়। পৰিৱেশ পৰিস্থিতি সাপেক্ষে যোগাযোগ অধিক শক্তিশালী কৰিবলৈ কোনো কোনো ক্ষেত্ৰত বিষয় অনুসৰি বক্তব্যক স্পষ্ট আৰু প্ৰভাৱশালী ৰূপত প্ৰকাশ কৰিবলৈ ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ কৰে। কেতিয়াবা বিষয়ক সহজে বুজিবৰ বাবেও এনে প্ৰক্ৰিয়া সংঘটিত কৰা দেখা যায়। কথোপকথনত বক্তব্য বিষয়ৰ অৰ্থ প্ৰকাশক উপযুক্ত অসমীয়া শব্দৰ অভাৱৰ বাবেও বহু সময়ত বক্তাই ভাষাৰ সংযোগ কৰে। তদুপৰি বক্তাই দৈনন্দিন জীৱনত শিক্ষা , বাণিজ্য, বিজ্ঞান আদি বিভিন্ন ক্ষেত্ৰত স্বাভাৱিকতেই অসমীয়াৰ মাজত ইংৰাজী ভাষাৰ প্ৰয়োগ কৰে। দেখা যায় বিজ্ঞান-প্ৰযুক্তি,

অৰ্থনীতি, সংবাদ মাধ্যম আদিৰ লগত জড়িত এনে বহু শব্দ আছে যাৰ অসমীয়া পৰিভাষা থাকিলেও উপযুক্ত অৰ্থ বহন কৰিব পৰা, সকলো লোকেই সহজে বুজিব পৰাকৈ মূল ইংৰাজী ৰূপটোহে প্ৰয়োগ কৰাতো যুগুত। সেয়ে তেনে ক্ষেত্ৰতো অসমীয়াৰ পৰা ইংৰাজীলৈ সংক্ৰমণ কৰে বা অসমীয়াৰ মাজত ইংৰাজী ভাষাৰ মিশ্ৰণ কৰে। লগতে বৰ্তমান বেছিভাগ লোকেই দ্বিভাষী হোৱাৰ বাবেও বিভিন্ন সময়ত কথোপকথনত সহজতেই দুয়োটা ভাষাই একেলগে প্ৰয়োগ কৰে। তদুপৰি কেতিয়াবা প্ৰথম ভাষাৰ মাধ্যমেৰে বক্তব্য প্ৰকাশ কৰিবলৈ অক্ষম হ'লে বক্তব্যক শক্তিশালী ৰূপত উপস্থাপন কৰিবলৈ এনেধৰণৰ ভাষিক প্ৰক্ৰিয়া সংঘটিত কৰা পৰিলক্ষিত হয়। সাম্প্ৰতিক কালত সামাজিক মাধ্যমৰ বহুল প্ৰয়োগৰ ফলত ভাষাৰ পৰিৱৰ্তনতো ই যথেষ্ট প্ৰভাৱ পেলাইছে। শেহতীয়াকৈ জনপ্ৰিয় হোৱা একবিংশ শতিকাৰ সৃষ্টি পডকাষ্ট ইয়াৰ উৎকৃষ্ট নিদৰ্শন। পডকাষ্ট হৈছে যোগাযোগৰ এক মৌখিক অনুষ্ঠান। য'ত দুটা পক্ষৰ মাজত বিভিন্ন বিষয় ক্ষেত্ৰ লৈ কথোপকথন কৰা হয় আৰু ইন্টাৰনেটৰ মাধ্যমেৰে সকলোৰে মাজত সেই অনুষ্ঠান প্ৰচাৰ কৰা হয়। অৰ্থাৎ পডকাষ্ট হ'ল ইণ্টাৰনেটত উপলব্ধ যিকোনো সময়তে, যিকোনো ঠাইতে শুনিব পৰা ক্ৰমাগতভাৱে প্ৰকাশিত এক শ্ৰাব্যানুষ্ঠান। য'ত সাহিত্য, সংস্কৃতি , ক্ৰীড়া, ৰাজনীতি, অৰ্থনীতি আদি বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলে অংশ লৈ মত বিনিময় কৰি বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰে। ই এক আলোচনামূলক অনুষ্ঠান। এনে পডকাষ্টসমূহত ভিন্ন ভাষিক, সাংস্কৃতিক পৰিৱেশৰ ব্যক্তিৰ অংশগ্ৰহণ তথা ভিন্ন বিষয় ক্ষেত্ৰৰ প্ৰসংগ আলোচনাৰ পৰিপ্ৰেক্ষিতত ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ হোৱা সহজেই দেখা যায়। অসমীয়া ভাষাৰ মাধ্যমতো এনে বহু পডকাষ্ট সম্প্ৰচাৰিত হৈ আছে য'ত বিভিন্ন সময়ত অংশগ্ৰহণকাৰীসকলৰ কথোপকথনৰ মাজত অসমীয়া ভাষাৰ লগত আন ভাষাৰ ভাষিক উপাদান অন্তৰ্ভুক্ত হৈ ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণৰ দৰে ভাষিক প্ৰক্ৰিয়া সংঘটিত হোৱা পৰিলক্ষিত হৈছে। অসমীয়া পডকাষ্টসমূহৰ ভাষাত হোৱা ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণৰ স্বৰূপ সম্পৰ্কে তলত আলোচনা কৰা হ'ল।

**১.১ অসমীয়া পডকাষ্টৰ ভাষাত ভাষা-সংক্ৰমণ ঃ**

বিশ্বায়নৰ প্ৰেক্ষাপটত অসমৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক দিশৰ লগতে ভাষিক ক্ষেত্ৰখনলৈও পৰিৱৰ্তন আহিছে। অসমীয়া ভাষীসকলে বিভিন্ন ক্ষেত্ৰত পৰিৱেশ -পৰিস্থিতি সাপেক্ষে ইংৰাজী আৰু হিন্দী ভাষালৈ প্ৰায়ে সংক্ৰমণ কৰা পৰিলক্ষিত হয়। বিশেষকৈ সামাজিক মাধ্যমসমূহত এনেধৰণৰ পৰিৱৰ্তন সঘনাই দেখা যায়। অসমীয়া ভাষাত সম্প্ৰচাৰিত বিভিন্ন পডকাষ্টলৈ অহা বিভিন্ন ব্যক্তিৰ ভাষাত ভাষা -সংক্ৰমণ সহজেই পৰিলক্ষিত হয়। পডকাষ্টৰ কথোপকথনত বিষয় বস্তুক অধিক স্পষ্ট কৰিবলৈ বা পৰিস্থিতি-প্ৰসংগ অনুসৰি অসমীয়া ভাষাৰ পৰা আন ভাষালৈ সংক্ৰমণ কৰে। তলত সেই সম্পৰ্কে আলোচনা কৰা হৈছে -

**(ক) অসমীয়া পডকাষ্টৰ ভাষাত পৰিস্থিতি-প্ৰসংগগত ভাষা-সংক্ৰমণ**

পডকাষ্টলৈ অহা বিভিন্ন ব্যক্তিয়ে বিভিন্ন পৰিৱেশ পৰিস্থিতিৰ প্ৰসংগ উল্লেখ কৰোঁতে কেতিয়াবা অসমীয়াৰ পৰা ইংৰাজী আৰু হিন্দী ভাষালৈ সংক্ৰমিত হোৱা দেখা যায়। লগতে ব্যক্তিৰ সামাজিক স্থিতি অনুসৰিও ভাষা-সংক্ৰমণ হোৱা পৰিলক্ষিত হয়। অসমীয়া পডকাষ্টসমূহত হোৱা পৰিস্থিতি-প্ৰসংগগত ভাষা-সংক্ৰমণৰ উদাহৰণ তলত দিয়া হ'ল —

| প্ৰয়োগ | ভাষা | প্ৰসংগ |
|---|---|---|
| ১। হাম গুলাম নেহি হে' | হিন্দী | সদনৰ মজিয়াৰ পৰিৱেশ প্ৰসংগত |
| ২। হোৱাট আৰ্ দি ৰোড মেপ ইন ইয়ৰ হেণ্ড, আপোনালোকৰ পাৰ্টিৰ এই ক্ষেত্ৰত কৰিবলগীয়া কি ? | ইংৰাজী | ভাৰতৰ ৰাজনৈতিক পৰিস্থিতিৰ প্ৰসংগত |
| ৩। ওপচ্ছ্ আই ড্ৰপ মাই টাৰ্ট | ইংৰাজী | অনাকাংক্ষিত পৰিস্থিতিৰ প্ৰসংগত |
| ৪। লোকেশ্যন ওৱাইজ ভেৰি নাইচ | ইংৰাজী | 'চিকাৰ' ছবিখনৰ দৃশ্যগ্ৰহণৰ পৰিৱেশ প্ৰসংগত |
| ৫। মানে এণ্টাৰটেইনমেন্ট লাইনত যেতিয়া মানুহ থাকে। যদি সেইটোৰেই প্ৰফেশ্যন হয় , তেতিয়া হ'লে এইবোৰ পাৰ্ট অফ দ্যা গেম। মানে গ্লেমাৰ ইছ পাৰ্ট অফ দ্যা গেম। | ইংৰাজী | মনোৰঞ্জন জগতৰ পৰিৱেশ প্ৰসংগত |

ওপৰৰ উদাহৰণসমূহৰ পৰা দেখা গৈছে বিভিন্ন প্ৰসংগত পৰিস্থিতি অনুসৰি অসমীয়া ভাষাৰ পৰা ইংৰাজী ভাষালৈ সংক্ৰমণ কৰিছে। উদাহৰণ ১ত গৌৰৱ গগৈয়ে সদনৰ মজিয়াত হোৱা পৰিৱেশ পৰিস্থিতিৰ বৰ্ণনাত হিন্দী ভাষালৈ সংক্ৰমণ কৰিছে। যিহেতু সদনৰ মজিয়াত ৰাষ্ট্ৰ ভাষা হিন্দীতেই বক্তব্য আগবঢ়াব লাগে, সেয়ে সদনৰ পৰিৱেশ প্ৰসংগৰ অৱতাৰণা কৰোঁতে হিন্দীলৈ সংক্ৰমণ কৰিছে। উদাহৰণ - “২” একেটা পডকাষ্টতে নিবন্ধকাৰ ৰাহুল গৌতম শৰ্মাই গৌৰৱ গগৈক তেওঁলোকৰ ৰাজনৈতিক দৃষ্টি, বৰ্তমানৰ ৰাজনৈতিক পৰিস্থিতিৰ তুলনাত কেনে হ'ব তাৰ প্ৰশ্ন কৰোঁতে ইংৰাজী ভাষালৈ সংক্ৰমণ কৰা দেখা গৈছে। যিহেতু ৰাহুল গৌতম এজন উচ্চ শিক্ষিত যুৱক, ইতিহাসৰ ছাত্ৰ। উচ্চ শিক্ষা ইংৰাজী ভাষাৰ মাধ্যমেৰে গ্ৰহণ কৰা হয় লগতে ৰাজনীতি সম্পৰ্কীয় সেই শব্দসমূহ ইংৰাজীৰ পৰা অহা গতিকে ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কত কথা কওঁতে সহজে অসমীয়াৰ পৰা ইংৰাজীলৈ সংক্ৰমণ কৰাতো স্বাভাৱিক। উদাহৰণ - ‘৩’ ত ৰেন-মৌ নামৰ পডকাষ্টতেই ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰন্ধন প্ৰতিযোগিতাত শ্ৰেষ্ঠ খিতাপ অৰ্জন কৰা নয়নজ্যোতি শইকীয়াই প্ৰতিযোগিতাৰ আৰম্ভণি পৰ্যায়ত তেওঁৰ হাতৰ পৰা খাদ্য পৰাৰ পাছত যি পৰিৱেশ হৈছিল, তাৰ পিছত তেওঁ কি কৰিলে তাৰ পৰিস্থিতি বৰ্ণনাত অসমীয়াৰ পৰা ইংৰাজীলৈ সংক্ৰমণ কৰিছে। উদাহৰণ ৪ ত জুবিন গাৰ্গে তেওঁৰ চিকাৰ ছবিখনৰ দৃশ্যগ্ৰহণৰ পৰিৱেশৰ আভাস দিবলৈ যাওঁতে ইংৰাজী বাক্যৰ প্ৰয়োগ কৰিছে। ঠিক সেইদৰে উদাহৰণ-৫ ত তৰালি শৰ্মাই মনোৰঞ্জন জগত বা সাংস্কৃতিক ক্ষেত্ৰখনৰ পৰিস্থিতৰ প্ৰসংগত ইংৰাজী ভাষালৈ সংক্ৰমণ কৰিছে। দেখা যায় যে এনেদৰেই অসমীয়া পডকাষ্টলৈ অহা বিভিন্ন ব্যক্তিসকলে ভিন্ন ভাষিক , শৈক্ষিক, সাংস্কৃতিক পটভূমিৰ হোৱাৰ বাবে বিষয় আৰু পৰিস্থিতি প্ৰসংগক প্ৰভাৱশালী ৰূপত প্ৰকাশ কৰিবলৈ আৰু বহুসময়ত পডকাষ্টলৈ অহা অধিকাংশ লোকেই দ্বিভাষী হোৱাৰ বাবেও স্বাভাৱিকভাৱেই অসমীয়াৰ পৰা ইংৰাজীলৈ সংক্ৰমণ হৈছে।

**(খ) অসমীয়া পডকাষ্টৰ ভাষাত ৰূপকাত্মক ভাষা-সংক্ৰমণ ঃ**

অসমীয়া পডকাষ্টসমূহলৈ অহা বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিসকলৰ সৈতে হোৱা মত বিনিময়ত বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰে। সাহিত্য-সংস্কৃতিৰ পৰা আৰম্ভ কৰি ৰাজনীতি, ক্ৰীড়ালৈকে বিভিন্ন ক্ষেত্ৰৰ নানা ধৰণৰ বিষয় কথোপকথনৰ মাজত উত্থাপন হয়। তেনে পৰিপ্ৰেক্ষিতত বিষয়ক অধিক স্পষ্ট ৰূপত প্ৰকাশ কৰিবলৈ, সকলোৰে বোধগম্য হ'বলৈ মাজে মাজে অসমীয়া ভাষাৰ পৰা ইংৰাজী, হিন্দী ভাষালৈ সংক্ৰমণ কৰা পৰিলক্ষিত হয়। অসমীয়া পডকাষ্টৰ ভাষাত বিষয়বস্তুক কেন্দ্ৰ কৰি হোৱা ভাষা -সংক্ৰমণ ৰ উদাহৰণ তলত দিয়া হ'ল -

**সাংস্কৃতিক ক্ষেত্ৰৰ বিষয় সম্পৰ্কীয় ঃ** অসমীয়া পডকাষ্টলৈ অহা বিভিন্ন ক্ষেত্ৰৰ ভিতৰত সাংস্কৃতিক জগতৰ চলচ্চিত্ৰ , সংগীত, অভিনয় আদি ভিন্ন দিশৰ লগত জড়িত ব্যক্তিসকলৰ ভাষাত ৰূপকাত্মক ভাষা-সংক্ৰমণ দেখা যায়। সাংস্কৃতিক জগতৰ বিভিন্ন দিশ সম্পৰ্কে ক'বলৈ যাওঁতে শিল্পীসকলে অসমীয়াৰ লগতে ইংৰাজী ভাষাৰো প্ৰয়োগ কৰে। যেনে -

১) আৰু লোকেশ্যন ৱাইজ ভেৰি নাইচ

২) আই এম নট দ্যা লাষ্ট ষ্টাৰ। মই সেইটোৰেই কওঁ মোৰ পিছত ওলাব ছাগে কোনোবা।

৩) যদি সেইটোৰেই প্ৰফেশ্যন হয়, তেতিয়াহ'লে এইবোৰ পাৰ্ট অফ দ্যা গেম। মানে গ্লেমাৰ ইজ পাৰ্ট অফ দ্যা গেম।

**ৰাজনীতি বিষয়ক ঃ** অসমীয়া পডকাষ্টত ৰাজনীতিৰ প্ৰসংগও মাজে মাজে উত্থাপন। য'ত বিভিন্ন ধৰণৰ ৰাজনৈতিক দিশ সম্পৰ্কে অংশগ্ৰহণকাৰীসকলে আলোচনা কৰে। আলোচনাৰ প্ৰসংগত বিষয়টো অধিক প্ৰভাৱশালী ৰূপত উপস্থাপন কৰিবলৈ অসমীয়াৰ পৰা ইংৰাজীলৈ সংক্ৰমণ কৰে। যেনে -

১. দেক্স আৰ দ্যা পেনেল অফ জাডজেছ এণ্ড দিছ পিপক্সলচ ক'ৰ্ট ইজ দ্যা বিগেষ্ট ক'ৰ্ট অফ দ্যা লেণ্ড , ইট ইজ বিগাৰ দেন ছুপ্ৰিম ক'ৰ্ট এণ্ড অল দ্যা ভোটাৰচ আৰ দ্যা পেনেল অফ জাডজেছ।

২. আফটাৰ বি.জে.পি ইফ দ্যা কংগ্ৰেছ অৰ ইণ্ডিয়া কমচ ইনটু পাৱাৰ ইয়াত পাছত সেই প্ৰৱণতাটো আন্‌লিছ সৈ থকা যিটো এভিল স্পিৰিত আছে ৰুলাৰশ্বিপৰ মাজত সেইটোক কন্ত্ৰল কৰিবলৈ বা একেবাৰে দিমলিছ কৰিবলৈ হোৱাট আৰ দ্যা এজেণ্ডাজ, হোৱাট ইজ দ্যা ৰোড মেপ ইন ইয়ৰ হেণ্ড, আপোনালোকৰ পাৰ্টিৰ এই ক্ষেত্ৰত ক'বলগীয়া কি।

ওপৰৰ উদাহৰণৰ পৰা দেখা যায় যে প্ৰথম উদাহৰণটোত সৰ্বানন্দ সোণোৱালে ভোটাৰসকলৰ প্ৰসংগত বা ভোটাৰসকলৰ বিষয়ে ক'বলৈ যাওঁতে লগতে ভাৰতৰ ৰাজনীতিত ভোটাৰৰ গুৰুত্ব সম্পৰ্কে আভাস দিয়াৰ ক্ষেত্ৰত অসমীয়াৰ পৰা ইংৰাজীলৈ সংক্ৰমণ কৰিছে। ঠিক সেইদৰে দ্বিতিয় উদাহৰণটোত যাত্ৰা নামৰ পডকাষ্টত গৌৰৱ গগৈক ৰাহুল গৌতম শৰ্মাই এক ৰাজনৈতিক বিষয়ক প্ৰশ্ন কৰোঁতে অসমীয়াৰ পৰা ইংৰাজীলৈ সংক্ৰমণ কৰা দেখা গৈছে।

**খাদ্য বিষয়ক ঃ**

১. ওপচ্ আই ড্ৰপ মাই টাৰ্ট

ওপৰৰ উদাহৰণৰ পৰা দেখা যায় নিৰ্দিষ্ট খাদ্যৰ সম্পৰ্কে কব্লবলৈ যাওঁতে ইংৰাজীৰ প্ৰয়োগ কৰিছে।

**গ) আন্তঃবাক্যিক ভাষা-সংক্ৰমণ**

অসমীয়া পডকাষ্টসমূহত অংশগ্ৰহণকাৰী ব্যক্তিসকলে একেটা কথোপকথনতে পৃথক পৃথক বাক্যত দুটা ভাষা ব্যৱহাৰ কৰিছে। পৰিস্থিতি বা বিষয়ক অধিক বাস্তৱসন্মত কৰিবলৈ, ভাবক অধিক স্পষ্টৰূপত প্ৰকাশ কৰিবলৈ পডকাষ্টসমূহত অংশগ্ৰহণকাৰীসকলে অসমীয়া ভাষাৰ মাজত ইংৰাজী আৰু হিন্দী ভাষাৰ প্ৰয়োগ কৰি আন্তঃ বাক্যিক সংক্ৰমণ কৰা দেখা যায়। উদাহৰণস্বৰূপে -

১.! আৰু লোকেশ্যন ৱাইজ ভেৰি নাইচ , এখন ধুনীয়া এক্সন থ্ৰিলাৰ, সবেই উপভোগ কৰিব পাৰিব।

২.! এভ্ৰি চেকেণ্ড গৈ আছে কিন্তু চক্স ওই আৰ লোজিং চমথিং। ওই আৰ্ নট গেইনিং এনিথিং, ওই আৰ্ লোজিং।

৩. কাইন্দ অফ এক্সপ্ৰেছন অফ হেপিনেছ অফ লাইফ। গতিকে আপুনি য'তেই কাম কৰে তাতেই আনন্দ বুটলিবলৈ চেষ্টা কৰিব লাগে।

৪. অল দ্যা ইউ চুদ বি জুবিলিয়েণ্ট এনাফ টু কমবেট দ্যা চেলেঞ্জেছ অফ লাইফ। জীৱনৰ যিকোনো পৰিস্থিতিৰ লগত মোকাবিলা কৰিবৰ কাৰণে আপুনি সজীৱ, সতেজ, সক্ৰিয় থাকিব লাগিব।

৫. নট লাইক এ ষ্টাৰ। বিকজ আই এম এ ভেৰি কমন হিউমেন বিং। মানে সাধাৰণ মানুহ।

ওপৰৰ উদাহৰণৰ ১ আৰু ২ বাৰ্তালাপ পডকাষ্টৰ কথোপকথনত জুবিন গাৰ্গৰ কথাৰ পৰা লোৱা হৈছে , ৩ আৰু ৪ সৰ্বানন্দ সোনোৱালৰ কথাৰ পৰা লোৱা হৈছে। ঠিক সেইদৰে উদাহৰণ ৫ টো তৰালি শৰ্মাৰ কথাৰ পৰা লোৱা হৈছে। দেখা গৈছে পাচোঁটা উদাহৰণতে বক্তাই একেটা কথোপকথনতে অসমীয়া ভাষাৰ এটা বাক্য কোৱাৰ পাছত ইংৰাজীৰ এটা বাক্য কৈছে বা ইংৰাজীৰ এটা বাক্য কোৱাৰ পাছত পুনৰ অসমীয়াত কৈছে। অৰ্থাৎ তেওঁলোকৰ কথোপকথনত অসমীয়াৰ পৰা ইংৰাজীলৈ সংক্ৰমণ হৈছে। বিষয়ক অধিক স্পষ্ট ৰূপত প্ৰকাশ কৰিবলৈ বা প্ৰসংগটোক সহজ বোধগম্য হ'বৰ বাবেই পডকাষ্টটোত বক্তা কেইজনে অসমীয়া আৰু ইংৰাজী ভাষাৰ সংযোগ কৰি একে ভাব প্ৰকাশ কৰিবলৈ দুয়োটা ভাষাৰে বাক্য প্ৰয়োগ কৰিছে।

**ঘ) অন্তৰ্বাক্যিক ভাষা-সংক্ৰমণ**

অসমীয়া পডকাষ্টৰ ভাষাত অৰ্থাৎ পডকাষ্টত অংশগ্ৰহণ কৰা ব্যক্তিসকলৰ সৈতে হোৱা বাৰ্তালাপত অসমীয়া ভাষাৰ প্ৰয়োগৰ মাজতে ইংৰাজী, হিন্দী ভাষাৰ বাক্যাংশ প্ৰয়োগ হোৱা দেখা যায়। ফলত এটা ভাষাৰ এটা বাক্যৰ ভিতৰতে আন ভাষাৰ বাক্যাংশ সোমাই অৰ্ন্তবাক্যিক ভাষা-সংক্ৰমণ সংঘটিত হৈছে। তলত এনে ভাষিক প্ৰক্ৰিয়াৰ উদাহৰণ দিয়া হ'ল-

১. ঠিক প্ৰশ্ন নহয়, ইট্চ কাইন্দ অফ এ অপিনিয়ন

২. মানে এণ্টাৰটেণ্টমেন্ট লাইনত যেতিয়া মানুহ থাকে। যদি সেইটোৱে প্ৰক্সফেশ্যন হয়, তেতিয়াহ'লে এইবোৰ পাৰ্ট অফ দ্যা গেম।

৩. বুদ্ধই কৈছে যে দু লেছ। আমাৰ সমাজখনে কৈছে কাম কৰা, কাম কৰা , দু ম'ৰ।

৪. সদনৰ মজিয়াত কথাবোৰ খুব অধ্যয়ন কৰি ক'ব লাগে। আমি লুজ টক কৰিব নোৱাৰোঁ।

৫. ইউনিটি ইন ডাইভাৰচিটি চ' সেইটো কাৰণে বেছি ভাল লাগিলে।

৬. মই ভাবোঁ যে টাইম ইজ গড।

৭.! সেইটো ভুল কথা নথিং ইজ লাষ্ট।

৮. তেতিয়া তেওঁ মোক সুধিছে সৰ্বানন্দ ইয়ে তুম কিয়া বল্টে হ'।

ওপৰৰ উদাহৰণৰ পৰা দেখা গৈছে অসমীয়া পডকাষ্টসমূহত অংশ লোৱা ব্যক্তিসকলৰ কথোপকথনৰ ভাষাত অসমীয়াৰ মাজত প্ৰসংগ আৰু বিষয় অনুসৰি ইংৰাজী আৰু হিন্দী ভাষাৰ বাক্যাংশ সোমাই পৰিছে। অৰ্থাৎ কথোপকথন সহজ আৰু স্পষ্ট হ'বলৈ কথাৰ মাজে মাজে ইংৰাজী বাক্যাংশৰ প্ৰয়োগ কৰিছে। কিয়নো পডকাষ্টত অংশ

লোৱা অধিকাংশ ব্যক্তিয়েই দ্বিভাষী গতিকে অসমীয়াৰ পৰা ইংৰাজী অথবা হিন্দীলৈ সংক্ৰমণ কৰাতো স্বাভাৱিক। তথাপি বহু ক্ষেত্ৰত আকৌ উপযুক্ত ভাব প্ৰকাশৰ বাবে বা বিষয়ক অধিক সহজে বোধগম্য কৰি তুলিবৰ বাবেও এনে হোৱা দেখা যায়।

**১.২ অসমীয়া পডকাষ্টৰ ভাষাত ভাষা-মিশ্ৰণ ঃ**

সাম্প্ৰতিক সময়ত অসমীয়া ভাষাৰ ক্ষেত্ৰখনলৈ চালে দেখা যায় অসমীয়া ভাষাৰ মাজত ইংৰাজী আৰু হিন্দী ভাষাৰ শব্দ, সৰ্গৰ বহুল প্ৰয়োগ হৈছে। ব্যক্তিৰ দৈনন্দিন জীৱনৰ পৰিৱেশ, অৰ্থনৈতিক, সামাজিক দিশৰ লগতে শৈক্ষিক আদি দিশেও এই ক্ষেত্ৰত প্ৰভাৱ পেলায়। বিভিন্ন নতুন সামগ্ৰীৰ আমদানিৰ লগে লগে তাৰ লগত জড়িত বহু শব্দ অসমীয়া ভাষাত সোমাই পৰিছে। লগতে শিক্ষা, অৰ্থনীতি, ৰাজনীতি, প্ৰশাসন, বিজ্ঞান-প্ৰযুক্তি আদিৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় যোগাযোগৰ বাবে ইংৰাজী আৰু ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত হিন্দী ভাষাৰ দক্ষতা থকাতো প্ৰয়োজন। সেয়ে এনেবোৰ কাৰণতে অসমীয়া ভাষাত সততে ইংৰাজী আৰু হিন্দী ভাষাৰ মিশ্ৰণ দেখা যায়। বিশ্বায়নৰ যুগত নৱপ্ৰজন্মৰ পৰা আৰম্ভ কৰি শিশুলৈকে সকলোৱে নব্য মাধ্যমত সক্ৰিয় হৈ থাকে আৰু বিভিন্ন প্ৰসংগত অসমীয়া ভাষাৰ মাজত ইংৰাজী, হিন্দী বা উপভাষাৰ শব্দ প্ৰয়োগ কৰি ভাষা-মিশ্ৰণ কৰিছে। অসমীয়া পডকাষ্টসমূহতো বিভিন্ন ভাষিক, সাংস্কৃতিক, শৈক্ষিক পটভূমিৰ ব্যক্তিৰ অংশগ্ৰহণে কথোপকথনৰ সময়ত পৰিস্থিতি সাপেক্ষে বিষয়ক অধিক স্পষ্ট ৰূপত প্ৰকাশ কৰিবলৈ ভাষা মিশ্ৰণ কৰে। তদুপৰি কিছুমান ইংৰাজী শব্দৰ উপযুক্ত অৰ্থ প্ৰকাশক অসমীয়া পৰিভাষা নথকাৰ বাবে বা অসমীয়া পৰিভাষা থাকিলেও সহজে বুজিবলৈও ইংৰাজী বা হিন্দী ভাষাৰ শব্দৰ মিশ্ৰণ কৰা দেখা যায়। অসমীয়া পডকাষ্টৰ ভাষাত হোৱা ভাষা-মিশ্ৰণৰ বিষয়ে তলত উদাহৰণৰ সহায়ত আলোচনা কৰা হ'ল।

**ক) পৰিস্থিতিগত ভাষা-মিশ্ৰণ**

ভিন্ন সামাজিক সাংস্কৃতিক পৰিৱেশ-পৰিস্থিতি অনুযায়ী ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত পাৰ্থক্য পৰিলক্ষিত হয়। ব্যক্তিয়ে কেনে পৰিৱেশত কথা পাতিছে বা কথোপকথনৰ মাজত কি পৰিৱেশ-পৰিস্থিতিৰ বিষয়ে অৱতাৰণা কৰিছে আৰু কথোপকথন কৰা ব্যক্তিৰ মাজত কেনে সম্পৰ্ক এই দিশসমূহৰ বাবেও ভাষা-মিশ্ৰণ হয়। সেয়ে অসমীয়া পডকাষ্টসমূহত অংশ লোৱা ব্যক্তিসকলে বিভিন্ন সময়ত অসমীয়া ভাষাৰ মাজত ইংৰাজী বা হিন্দী ভাষাৰ শব্দৰ প্ৰয়োগ কৰা দেখা যায়। উদাহৰণস্বৰূপে-

| প্ৰয়োগ | ভাষা | প্ৰসংগ |
|---|---|---|
| ১। ভিডিঅ'টি স্কিপ নকৰিব চাই থাকিব। | ইংৰাজী | পডকাষ্টৰ আৰম্ভণিৰ পৰিৱেশত |
| ২। পি.ভি. নাৰ্চিমা ৰাওৰ দিনত ইকনমিক লিবাৰাইজেশ্যন হ'ল, অৰ্থনৈতিক নীতিবোৰ ৰূপায়ণ কৰিলোঁ। যাৰ ফলত বহুত বাহিৰৰ কোম্পানীবোৰ পেপ্সি, ডমিন'জ এইবোৰ সব সেইসময়ত ইণ্ডিয়াত এনট্ৰি কৰিলে। | ইংৰাজী | নাৰ্চিমা ৰাওৰ দিনৰ ভাৰতৰ অৰ্থনৈতিক পৰিৱেশ প্ৰসংগত |
| ৩। তেওঁলোকৰ ওপৰত ৰেগিং হয়। | ইংৰাজী | শিক্ষানুষ্থানৰ পৰিৱেশ প্ৰসংগত |
| ৪। ডেমক্ৰেচি ভিতৰত চৰকাৰ এটা অংশ। | ইংৰাজী | ৰাজনৈতিক পৰিৱেশত |
| ৫। ভাৰতৰ ভিতৰত অন্যতম এগৰাকী শ্ৰেষ্ঠ চেফক ৰেন মৌৰ অতিথি কৰি অনা যাওক। চনি টি.ভি.এ আয়োজন কৰা মাষ্টাৰ চেফ চঞ্চু বৰ্ষৰ বিজয়ী তিনিচুকীয়াৰ নয়নজ্যোতি শইকীয়াক। | ইংৰাজী | পডকাষ্টৰ আৰম্ভণিত অতিথি চিনাকিত |
| ৬। আৰে তই মেডিকেল পঢ়িব লাগিছিল, ঘৰত ফ'ৰ্চ কৰি মেলি ইঞ্জিনিয়াৰিং পঢ়ালে নেকি? | ইংৰাজী | শিক্ষানুষ্ঠানৰ পৰিৱেশ প্ৰসংগত |
| ৭। জাড্‌জ আহিলে দিচটো টেষ্ট কৰিলে খুব ভাল পালে। | ইংৰাজী | ৰন্ধন প্ৰতিযোগিতাৰ পৰিৱেশৰ বৰ্ণনা প্ৰসংগত |
| ৮। মই মানে দিচটো ইমানেই কমপ্লিকেটেড কৰি ললোঁ, পেনিক কৰিছোঁ, কি কৰিম কি নকৰিম। ৰন্ধন প্ৰতিযোগিতাৰ পৰিৱেশৰ বৰ্ণনা প্ৰসংগত | ইংৰাজী | এখন চলচ্চিত্ৰৰ পৰিৱেশ বৰ্ণনাত |

| প্ৰয়োগ | ভাষা | প্ৰসংগ |
|---|---|---|
| ৯। মই এক্সন ভাল পাওঁ চিনেমাত , মোৰ আগৰ দুইখন চিনেমাত যথেষ্ট বেলেগ বেলেগ ধৰণৰ এক্সন কৰিছোঁ। | ইংৰাজী | এখন চলচ্চিত্ৰৰ পৰিৱেশ বৰ্ণনাত |
| ১০। এখন ধুনীয়া এক্সন থিলাৰ , সবেই উপভোগ কৰিব পাৰিব। | ইংৰাজী | এখন চলচ্চিত্ৰৰ পৰিৱেশ বৰ্ণনাত |
| ১১। বাগানৰ মানুহখিনি খুব চিম্পল মানুহ , ধুনীয়াকৈ অকল জীয়াই থাকিব লাগে, ফুৰ্টি অকমাণ, কাম্‌সে মতলব বেলেগ কথা নাই। | হিন্দী | চাহ বাগানৰ পৰিৱেশ উপস্থাপনত |

ওপৰৰ উদাহৰণ '১' আৰু '৫' ত পডকাষ্টৰ আৰম্ভণিৰ পৰিৱেশত সঞ্চালক আইচেংফা বৰুৱাই দৰ্শকক অনুষ্ঠান উপভোগ কৰিবলৈ কোৱাৰ লগতে আমন্ত্ৰিত অতিথি চিনাকি পৰ্বৰ প্ৰসংগত অসমীয়াৰ মাজত ইংৰাজী শব্দৰ প্ৰয়োগ কৰি ভাষা-মিশ্ৰণ কৰিছে। উদাহৰণ '২' ত পি.ভি নাৰ্চিমাৰ প্ৰধান মন্ত্ৰীৰ সময়ৰ অৰ্থনৈতিক পৰিৱেশ- পৰিস্থিতিৰ বৰ্ণনাত সাংসদ গৌৰৱ গগৈয়ে ইংৰাজী ভাষাৰ মিশ্ৰণ কৰিছে। উদাহৰণ '৩' আৰু '৬'ত পডকাষ্টত অংশগ্ৰহণকাৰীয়ে তেওঁলোকৰ শিক্ষানুষ্ঠানৰ পৰিৱেশৰ অৱতাৰণা কৰিবলৈ যাওঁতে ভাষা-মিশ্ৰণ ঘটাইছে। উদাহৰণ '৪'ত ভাৰতৰ ৰাজনৈতিক পৰিৱেশৰ অৱতাৰণা কৰোঁতে গৌৰৱ গগৈয়ে ইংৰাজী শব্দৰ প্ৰয়োগ কৰিছে। উদাহৰণ '৭' আৰু '৮'ত নয়নজ্যোতি শইকীয়াই ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰন্ধন প্ৰতিযোগিতাৰ সময়ৰ পৰিৱেশৰ বৰ্ণনা প্ৰসংগত ইংৰাজী শব্দৰ মিশ্ৰণ ঘটাইছে। ঠিক সেইদৰে উদাহৰণ '৯' আৰু '১০' ত সাংস্কৃতিক ক্ষেত্ৰৰ বিশেষকৈ চলচ্চিত্ৰৰ উদ্যোগৰ লগত সংগতি থকা কিছুমান ইংৰাজী শব্দৰ প্ৰয়োগ কৰিছে। উদাহৰণ '১১'ত জুবিন গাৰ্গে চাহ বাগানৰ পৰিৱেশ, তাৰ মানুহৰ কথাৰ প্ৰসংগত ক্ৰমে হিন্দী ভাষাৰ শব্দৰ মিশ্ৰণ কৰা দেখা যায়। এনেদৰে বিভিন্ন পৰিস্থিতি বুজাবলৈ অংশগ্ৰহণকাৰীয়ে ইংৰাজী বা অন্য ভাষাৰ শব্দৰ মিশ্ৰণ কৰে।

**খ) ৰূপকাত্মক ভাষা-মিশ্ৰণ ঃ**

অসমীয়া পডকাষ্টসমূহত অংশগ্ৰহণকাৰীসকলে উপযুক্ত ভাব প্ৰকাশ কৰিবলৈ বা বিষয় বস্তুক অধিক স্পষ্ট কৰি তুলিবৰ বাবে বহু সময়ত এটা বিষয়ৰ লগত জড়িত ইংৰাজী বা হিন্দী শব্দৰ প্ৰয়োগ কৰা দেখা যায়। বিজ্ঞান, তথ্য-প্ৰযুক্তি, অৰ্থনীতি, সংবাদ জগত, সামাজিক মাধ্যম আদি ক্ষেত্ৰৰ লগত জড়িত বহুতো ইংৰাজী শব্দৰ যথাযথ অৰ্থ বহন কৰিব পৰা অসমীয়া পৰিভাষাৰ অভাৱৰ বাবেও বহুসময়ত পডকাষ্টৰ ভাষাত অংশগ্ৰহণকাৰীয়ে শব্দবোৰৰ মূল ইংৰাজী ৰূপটোকেই অসমীয়ালৈ লিপ্যন্তৰ কৰি প্ৰয়োগ কৰিছে। লগতে অংশগ্ৰহণকাৰীসকল দ্বিভাষী হোৱাৰ বাবেও স্বাভাৱিকতে তেওঁলোকৰ কথোপকথনৰ ভাষাত ইংৰাজী শব্দৰ মিশ্ৰণ হৈছে। অসমীয়া পডকাষ্টসমূহত বিষয় অনুসৰি কেনেকৈ ৰূপকাত্মক ভাষা-মিশ্ৰণ হৈছে সেয়া তলত উদাহৰণৰ সহায়ত আলোচনা কৰা হৈছে -

**সামাজিক মাধ্যম বিষয়ক শব্দ ঃ**

পডকাষ্টসমূহ যিহেতু সামাজিক মাধ্যমৰ যোগেদিয়ে প্ৰচাৰ হয়, সেয়ে স্বাভাৱিকতেই সামাজিক মাধ্যমৰ বিষয়ৰ লগত সংগতি থকা শব্দৰ প্ৰয়োগ হয়। আৰু তেনে বহু ইংৰাজী শব্দৰ মিশ্ৰণ হোৱা দেখা যায়। লগতে অনুষ্ঠানত সামাজিক মাধ্যমৰ লগত জড়িত ব্যক্তিসকলৰ অংশগ্ৰহণৰ ফলতো তেনে ক্ষেত্ৰৰ ব্যক্তিৰ ভাষাত ইংৰাজী শব্দৰ মিশ্ৰণ দেখা যায়। যেনে -

১) ভিডিঅ'টো চাই স্কিপ নকৰিব।

২) মই কিলাৰ মোবাইলফোন বুলি কওঁ। এই কিলাৰ মোবাইলফোনটোৱে পঢ়াৰ অভ্যাসটো কমাই দিছে।

৩) ৯:১৫ৰ বুলেটিনখন পঢ়িব লাগে। মই প্ৰথমতে ভাবিলোঁ নিউজ ৰুমত তাক থৈ যাম। এডিটৰ আছিল। মই বুলেটিনখন লিখিলোঁ।

৪) চেগমেণ্ট আৰম্ভ কৰিছিলে।

৫) তোমালোকৰ পৰ্টেলত

৬) চনি টি.ভিয়ে আয়োজন কৰা মাষ্টাৰ চেফ ২০২৩ বৰ্ষৰ বিজয়ী।

৭) আজি চচিয়েল মিডিয়াত এটা প'ষ্ট দিছিলোঁ। জুবিন দাক কি কি প্ৰশ্ন সুধিব লাগে মোক ইয়াত কমেণ্ট কৰক।

ওপৰৰ উদাহৰণৰ পৰা দেখা গৈছে যে সামাজিক মাধ্যমৰ লগত সংগতি থকা বিষয়ৰ ভিডিঅ', স্কিপ, মোবাইলফোন,বুলেটিন, নিউজ, এডিটৰ, চেগমেণ্ট চনি.টি.ভি , কমেণ্ট আদি ইংৰাজী শব্দসমূহৰ মিশ্ৰণ হৈছে। এই শব্দসমূহ সামাজিক মাধ্যম তথা সংবাদ মাধ্যমৰ ক্ষেত্ৰত প্ৰায়েই প্ৰয়োগ হৈ থাকে। সেয়ে বিষয়ক স্পষ্ট কৰি তুলিবলৈ বক্তাই এনে মিশ্ৰণ কৰে।

**অৰ্থনীতি বিষয়ক শব্দ ঃ**

নিৰ্বাচিত পডকাষ্টসমূহত হোৱা বাৰ্তালাপত অৰ্থনীতি বিষয়ক ভালেমান ইংৰাজী ভাষাৰ শব্দৰ মিশ্ৰণ হোৱা দেখা যায়। উদাহৰণস্বৰূপে—

১) নাৰ্চিমা ৰাওৰ দিনত ইকনমিক লিবাৰাইজেশ্যন হ'ল।

২) বেলেঞ্চ কৰে নিৰপেক্ষ ইনষ্টিটিউশ্যন ইলেকশ্যন কমিছ্ছন, ৰিজাৰ্ভ বেংক অফ ইণ্ডিয়া

ওপৰৰ উদাহৰণৰ পৰা দেখা যায় যে ইকনমিক লিবাৰাইজেশ্যন, ইনষ্টিটিউশ্যন, ৰিজাৰ্ভ বেংক অফ ইণ্ডিয়া আদি অৰ্থনীতিৰ লগত জড়িত শব্দ ইংৰাজী ভাষাৰ পৰা প্ৰয়োগ কৰিছে।

**সাংস্কৃতিক জগতৰ লগত জড়িত শব্দ ঃ**

সাধাৰণতে দেখা সাংস্কৃতিক জগত তথা চলচ্চিত্ৰ উদ্যোগৰ লগত জড়িত ভালেমান ব্যক্তিয়ে পডকাষ্টত অংশ লয় তেওঁলোকৰ কথোপকথনৰ মাজত ইংৰাজী শব্দৰ মিশ্ৰণ প্ৰায়ে দেখা যায়। চলচ্চিত্ৰ জগত বা সাংস্কৃতিক জগত খনৰ লগত জড়িত এনে কিছুমান শব্দ আছে যিবোৰ অসমীয়া পৰিভাষা থকাৰ পাছতো ইংৰাজী শব্দটো প্ৰয়োগ কৰিলেহে সহজে বুজিব পাৰি ।আকৌ এনে কিছু শব্দ আছে যাৰ উপযুক্ত অসমীয়া শব্দৰ অভাৱ। এনেবোৰ কাৰণতে সাংস্কৃতিক জগতৰ লগত জড়িত বহু ইংৰাজী শব্দৰ মিশ্ৰণ হৈছে। যেনে—

১) মইও এণ্টাৰটেইনমেণ্ট ফিল্ডত আছোঁ। এখন ষ্টেজ শ্ব' কৰিলে মানুহে দেফিনেটলি ভাল পাব লাগিব।

২) আজিকালি খালি কেচেটবোৰ দেখোঁ, কেচেট প্লেয়াৰটো নেদেখোঁ

৩) মই এক্সন ভাল পাওঁ চিনেমাত।

৪) আমাৰ প্ৰডিউচাৰৰ নিজৰ ষ্টুডিঅ' আছিল, তাতে এডিটিং কৰিছে , গ্ৰাফিক্স কৰিছে।

৫) দুজনমান ট্ৰেইলাৰত দেখিছোঁ বৃটিছ আছে

৬) মিউজিচিয়ান বা আৰ্টিষ্ট হিচাপে থাকিব বিচাৰোঁ।

৭) জুলুৰ শ্বুটিং সম্পূৰ্ণ হ'ল বুলি ক'লে, এডিটিং চলি আছে বুলি ক'লে।

ওপৰৰ উদাহৰণৰ পৰা দেখা গৈছে সাংস্কৃতিক জগতয় লগত জড়িত বিভিন্ন শব্দ শ্বুটিং, ষ্টেজ শ্ব', এডিটিং, গ্ৰাফিক্স, ট্ৰেইলাৰ, কেছেট , প্ৰডিউচাৰ, এক্সন আদি ইংৰাজী শব্দৰ প্ৰয়োগ কৰিছে। এই শব্দবোৰৰ অসমীয়া পৰিভাষা থাকিলেও সহজে সকলোৰে বোধগম্য হ'বৰ বাবে ইংৰাজীৰ মিশ্ৰণ কৰিছে।

**ৰাজনীতি বিষয়ক শব্দ ঃ**

১) ডেমক্ৰেচি ভিতৰত চৰকাৰ এটা অংশ

২) আমাৰ চৰকাৰৰ দিনত আমি আৰ.টি.আই ওলালোঁ

ওপৰৰ উদাহৰণৰ পৰা দেখা যায় ডেমক্ৰেচি, আৰ.টি.আই. আদি ইংৰাজী শব্দৰ প্ৰয়োগ কৰিছে।

**খাদ্য বিষয়ক শব্দ ঃ**

খাদ্যৰ লগত জড়িত বিভিন্ন ইংৰাজী শব্দ কথোপকথনৰ মাজত প্ৰয়োগ কৰা প্ৰায়ে দেখা যায়। বিভিন্ন খাদ্যৰ নাম, খাদ্যৰ লগত জড়িত আন আন শব্দৰ অসমীয়া পৰিভাষা নথকাৰ বাবে বা পৰিভাষা থকাৰ পাছতো সহজে বুজি পাবলৈ ইংৰাজী শব্দৰ মিশ্ৰণ কৰা পৰিলক্ষিত হৈছে। যেনে—

১) মই সকলোকে ছাজেষ্ট কৰোঁ যে, খুব চিম্পল ৰেচিপি, খুব কম সামগ্ৰীৰে যি বিলাক দিচেছ বনাব পাৰি তেনেকুৱা ৰেচিপিজবিলাক ছাজেষ্ট কৰিম প্ৰথমতে।

২) জাড্জ আহিলে দিচটো টেষ্ট কৰিলে খুব ভাল পালে।

৩) এটা প্ৰপাৰ যিটো মিল বুলি কয়, সুষম খাদ্যত প্ৰপাৰ মেজাৰমেণ্ট বা প'ৰপশ্যন বুলি কয় থাকিব লাগে।

৪) দিচটোৰ টাৰ্টটো এক চাইদ লাগিলে এটা চাইদ হাফ কৰি দিওঁ।

ওপৰৰ উদাহৰণ পৰা দেখা গৈছে যে ৰেচিপি, দিচ, টেষ্ট, টাৰ্ট, মিল আদি বিভিন্ন খাদ্য সম্পৰ্কীয় ইংৰাজী শব্দৰ মিশ্ৰণ হৈছে।

**গ) আন্তঃশাব্দিক ভাষা-মিশ্ৰণ ঃ**

গঠনগত দিশৰ পৰা চালে দেখা যায় অসমীয়া পডকাষ্টসমূহৰ ভাষাত যথেষ্ট পৰিমাণে আন্তঃশাব্দিক ভাষা-মিশ্ৰণ হৈছে। অন্য ভাষাৰ শব্দৰ লগত অসমীয়া ভাষাৰ বিভিন্ন পৰসৰ্গ যোগ কৰি এনে ভাষিক প্ৰক্ৰিয়া সংঘটিত কৰা পৰিলক্ষিত হয়। ইংৰাজী ভাষাৰ শব্দৰ লগত অসমীয়া নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু বহুবচনবাচক প্ৰত্যয়ৰ সংযোগ কৰি অসমীয়া ভাষাত প্ৰয়োগ কৰিছে।

| ইংৰাজী শব্দ | অসমীয়া অনিৰ্দিষ্টাবাচক প্ৰত্যয় | প্ৰয়োগ |
|---|---|---|
| ভিডিঅ’ | টো | ভিডিঅ’টো চাই থাকিব স্কিপ নকৰিব। |
| বুলেটিন | খন | বুলেটিনখন পঢ়িব লাগে |
| দিচ | টো | জাড্জ আহিলে দিচটো টেষ্ট কৰিলে |
| লেপটপ | টো | আপোনাৰ পিতৃৰ দিনতহে লেপটপটো পাইছোঁ। |
| স্কিন | খন | আমাৰ স্কিনখন বা চুলিৰ কাৰণে যিটো নেচাৰেল ফেট লাগে সেইখিনি আমাৰ খাদ্যত খুব প্ৰয়োজন হয় |
| ৰেচিপিজ | বিলাক | খুব কম সামগ্ৰীৰে যিবিলাক দিচ বনাব পাৰি তেনেকুৱা ৰেচিপিজবিলাক ছাজেষ্ট কৰিম প্ৰথমতে |
| দিচ | বিলাক | জাড্জে কি বুলি কমপ্লিমেণ্ট দিলে দিচবিলাকৰ সেইটো গৈ এটা ভি.ডি. ৰূমত গৈ ক’বগৈ লাগে। |

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে অসমীয়া পডকাষ্টৰ ভাষাত ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ দুয়োটাই কম-বেছি পৰিমাণে হৈছে। বিশেষকৈ অসমীয়া ভাষাৰ মাজত ইংৰাজী আৰু হিন্দী ভাষাৰ প্ৰয়োগ দেখা যায়। ইংৰাজী ভাষাৰ প্ৰয়োগেই সৰ্বাধিক। পডকাষ্টত অংশ লোৱা ব্যক্তিসকল বহুভাষী বা দ্বিভাষী হোৱাৰ বাবেও দৈনন্দিন জীৱনত অসমীয়াৰ মাজত ইংৰাজী ভাষাৰ মিশ্ৰণ হোৱাৰ দৰেই পডকাষ্টৰ কথোপকথনতো ভাষিক সংযোগ দেখা যায়। বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিসকলে নিজৰ ক্ষেত্ৰ বা বিভিন্ন পৰিস্থিতি বৰ্ণনাৰ প্ৰসংগত অসমীয়াৰ পৰা ইংৰাজীলৈ সংক্ৰমণ কৰিছে আৰু পৰিস্থিতি অনুসৰি ইংৰাজী ভাষাৰ মিশ্ৰণ কৰিছে। লগতে বাৰ্তালাপৰ মাজত প্ৰসংগক্ৰমে বিভিন্ন বিষয়ক অধিক স্পষ্ট কৰিবলৈ বিষয়ৰ অৰ্থ প্ৰকাশক ভাব অধিক প্ৰভাৱশালী কৰিবলৈ ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ কৰা দেখা গৈছে। লগতে অৰ্থনীতি, চলচ্চিত্ৰ, ৰাজনীতি, খাদ্য আদি বিষয়ৰ কিছুমান শব্দৰ উপযুক্ত অৰ্থ প্ৰকাশক অসমীয়া পৰিভাষা নথকাৰ বাবে এনে ভাষিক সংযোগ হোৱা পৰিলক্ষিত হয়। কেতিয়াবা তেনে শব্দৰ অসমীয়া পৰিভাষা থাকিলেও সহজে বোধগম্য হ’বলৈও ভাষা-সংক্ৰমণ বা ভাষা-মিশ্ৰণ কৰিছে। অসমীয়া পডকাষ্টত ভাষা-সংক্ৰমণৰ তুলনাত ভাষা-মিশ্ৰণ বেছিকৈ সংঘটিত হৈছে। বিশেষকৈ অসমীয়া ভাষাৰ মাজত ইংৰাজী ভাষাৰ প্ৰয়োগেই অধিক।

**২.০ উপসংহাৰ ঃ**

একবিংশ শতিকাত বিজ্ঞান-প্ৰযুক্তিৰ দ্ৰুত বিকাশৰ ফলশ্ৰুতিত অসমৰ সমাজ জীৱনৰ সকলো দিশতেই পৰিৱৰ্তন পৰিলক্ষিত। মানুহৰ জীৱনশৈলীৰ পৰা ভাষালৈকে সকলো ক্ষেত্ৰত বিশ্বায়নৰ প্ৰভাৱ সুস্পষ্ট। অসমীয়াভাষীসকলে কথাৰ মাজে মাজে বিষয় বিচিত্ৰতা তথা পৰিস্থিতি প্ৰসংগ অনুসৰি অন্য ভাষাৰ শব্দ বা বাক্যৰ প্ৰয়োগ কৰা দেখা যায়। ই হৈছে এক ভাষিক যোগাযোগ, যিয়ে ভাষাৰ পৰিৱৰ্তন যথেষ্ট প্ৰভাৱ পেলায়। বিভিন্ন প্ৰয়োজন পূৰাবলৈ বা স্বাভাৱিকতেই মানুহে দৈনন্দিন জীৱনত অসমীয়াৰ মাজত ইংৰাজী, হিন্দী বা আন ভাষাৰ শব্দ, বাক্যৰ সংযোগ কৰি ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ কৰিছে। বৰ্তমান সামাজিক মাধ্যমৰ যুগত ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণৰ দৰে ভাষিক প্ৰক্ৰিয়া একেবাৰেই স্বাভাৱিক , অধিকাংশ মানুহেই সম্পূৰ্ণ অসমীয়া ভাষাত কথোপকথন নকৰি অসমীয়াৰ মাজত আন ভাষাৰ সংক্ৰমণ আৰু মিশ্ৰণ কৰা পৰিলক্ষিত হয়। নব্য মাধ্যমসমূহত জনপ্ৰিয় হোৱা পডকাষ্টসমূহৰ কথোপকথনৰ মাজতো এনে ভাষিক প্ৰক্ৰিয়া সঘনাই দেখা যায়। পডকাষ্টত বিভিন্ন পৰিৱেশ

পৰিস্থিতিৰ বৰ্ণনা কৰিবলৈ যাওঁতে বা বিভিন্ন প্ৰসংগৰ উল্লেখ কৰোঁতে সকলোৱে বুজিব পৰাকৈ ইংৰাজী ভাষাৰ প্ৰয়োগ কৰিছে। কেতিয়াবা পডকাষ্টতত এনে কিছুমান বিষয় উত্থাপন কৰা হয়, তাৰ অৰ্থ প্ৰকাশক উপযুক্ত অসমীয়া শব্দৰ অভাৱৰ বাবেও বিভিন্ন সময়ত ইংৰাজী শব্দটোকেই লিপ্যন্তৰ কৰি অসমীয়া ভাষাত প্ৰয়োগ কৰে।

**২.১ সামগ্ৰিক সিদ্ধান্ত ঃ**

➢ অসমীয়া পডকাষ্টৰ ভাষাত বিভিন্ন পৰিস্থিতি পৰিৱেশৰ বৰ্ণনা প্ৰসংগত ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ হয়।

➢ বিভিন্ন বিষয়ক অধিক স্পষ্ট ৰূপত প্ৰকাশ কৰিবলৈ ইংৰাজী বা হিন্দী আদি আন ভাষালৈ সংক্ৰমণ কৰে বা ভাষাৰ মিশ্ৰণ কৰে।

➢ পডকাষ্টৰ অংশগ্ৰহণকাৰীসকল দ্বিভাষী বা বহুভাষী হোৱাৰ বাবে অসমীয়াৰ মাজত সহজেই আন ভাষাৰ সংযোগ দেখা গৈছে।

➢ বিজ্ঞান, অৰ্থনীতি, ৰাজনীতি, সামাজিক মাধ্যম আদি বিভিন্ন ক্ষেত্ৰৰ লগত সম্পৰ্কিত ইংৰাজী শব্দৰ উপযুক্ত অৰ্থ প্ৰকাশক অসমীয়া শব্দৰ অভাৱ বা অসমীয়া পৰিভাষা থাকিলেও মানুহে সহজে বুজিবৰ বাবে মূল ইংৰাজী শব্দটোকেই প্ৰয়োগ কৰে।

➢ অসমীয়া পডকাষ্টত আন্তঃবাক্যিক ভাষা-সংক্ৰমণ আৰু অৰ্ন্তবাক্যিক ভাষা সংক্ৰমণো হৈছে।

➢ অসমীয়া পডকাষ্টসমূহত বক্তাসকলে ইংৰাজী! হিন্দী ভাষাৰ লগত অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু বহুবচনবাচক প্ৰত্যয়ৰ সংযোগ কৰি আন্তঃশাব্দিক ভাষা-মিশ্ৰণ কৰিছে।

➢ অসমীয়া পডকাষ্টৰ ভাষাত সাধাৰণতে ইংৰাজী ভাষাৰেই অধিক সংক্ৰমণ আৰু মিশ্ৰণ হোৱা পৰিলক্ষিত হৈছে। ❑

**প্ৰসংগ সূত্ৰ ঃ**

১. Jemily, Rime ঃ *Convergence: The Internatinal journal of research into new media technology,*p.9
২. বিশ্বজিৎ, দাস ঃ *সমাজভাষাবিজ্ঞান,* পৃ.৪৬
৩. R.A.Hudson ঃ *Sociolinguistics*,p.51
৪. পুষ্পাঞ্জলি, হাজৰিকা ঃ *একবিংশ শতিকাৰ অসমীয়া আলোচনীৰ ভাষা ঃ ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ,* পৃ.২৮

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

কোঁৱৰ, অৰ্পণা ঃ *ভাষাবিজ্ঞান উপক্ৰমণিকা* , ডিব্ৰুগড় , বনলতা , ২০০৬
কোঁৱৰ, অৰ্পণা ,অনুৰাধা শৰ্মা ঃ *ভাষাবিজ্ঞান পৰিভাষাকোষ,* ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসমীয়া বিভাগ, ২০০৮
দাস, বিশ্বজিৎ ঃ *সমাজ ভাষাবিজ্ঞান* , নগাঁও, অজন্তা প্ৰেছ , ২০১৫
দুৱৰা, সপোন ঃ *ভাষা আৰু সমাজ,* গুৱাহাটী, ষ্টুডেণ্ট ষ্ট'ৰচ্ , ২০০২
শৰ্মা , অনুৰাধা ঃ *সংহতি আৰু অসমীয়া ভাষা* , গুৱাহাটী, ভবানী প্ৰিণ্টাৰ্চ এণ্ড পাব্লিকেশ্যনচ , ২০১২
*- ঃ সমাজ আৰু ভাষা সমাজভাষাবিজ্ঞান পৰিচয়,* গুৱাহাটী, বান্ধৱ, ২০১৬
Hudson.R.A., *Sociolinguistics*,UK,Oxford University Press,1980

**অপ্ৰকাশিত গৱেষণা গ্ৰন্থ ঃ**

হাজৰিকা,পুষ্পাঞ্জলি, ঃ *একবিংশ শতিকাৰ অসমীয়া আলোচনীৰ ভাষা ঃ ভাষা-সংক্ৰমণ আৰু ভাষা-মিশ্ৰণ,* ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসমীয়া বিভাগ, ২০২১

**পত্ৰিকা ঃ**

A.Sarah(ed.) ঃ Jemily, Rime, "What is podcasat? Considering innovations in podcasting through the six-tensions framework,"*Convergence: The Internatinal journal of research into new media technology,*p.1-23,2022

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945

Peer Reviewed Journal
[UGC-CARE Listed]

# নৱকান্ত বৰুৱাৰ উপন্যাসত চিত্ৰিত সমাজ জীৱন
## (‘কপিলীপৰীয়া সাধু’ উপন্যাসৰ বিশেষ উল্লিখনসহ)



**লীমা কলিতা**
গৱেষক, অসমীয়া বিভাগ
কটন বিশ্ববিদ্যালয়
গুৱাহাটী-৭৮১০০১
৮৪৭৩০২০২২৬
limakalita02@gmail.com



**ড° মহেশ্বৰ কলিতা**
প্ৰাধ্যাপক, অসমীয়া বিভাগ
কটন বিশ্ববিদ্যালয়
গুৱাহাটী-৭৮১০০১
৯৮৬৪০৭৫০৯০
kalitasir2020@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

অসমীয়া উপন্যাস সাহিত্যত নৱকান্ত বৰুৱা এক জনপ্ৰিয় নাম। চল্লিশৰ দশকৰ পৰাই সাহিত্য সৃষ্টিত মনোনিৱেশ কৰা নৱকান্ত বৰুৱাৰ ১৯৫৪ চনত প্ৰকাশিত “কপিলীপৰীয়া সাধু” প্ৰথম উপন্যাস। কপিলী নদীক কেন্দ্ৰ কৰি ৰচিত উপন্যাসখন আঞ্চলিক উপন্যাস বুলি গণ্য কৰিব পাৰি। উপন্যাসখনৰ পাতনিত তেওঁ উপন্যাসৰ কাহিনীটোক সাধু অথবা আখ্যান বুলি অভিহিত কৰিছে। কপিলীপাৰৰ লোকজীৱনক কেন্দ্ৰ কৰি ঔপন্যাসিকে বাস্তৱ অভিজ্ঞতাৰ আধাৰত উপন্যাসখনৰ কাহিনীভাগ কাল্পনিকভাৱে সজাই-পৰাই তুলিছে। নগাঁৱৰ কপিলী নৈৰ দুয়োপাৰে প্ৰেম-ভালপোৱা আদিৰে পৰিপূৰ্ণ হোৱা জীৱনৰ কাহিনী উপন্যাসখনত অংকিত হৈছে। আঞ্চলিক উপন্যাসৰ বৈশিষ্ট্যৰাজি ফঁহিয়াই চাই নৱকান্ত বৰুৱাৰ ‘কপিলীপৰীয়া সাধু’ক একে আশাৰে আঞ্চলিক উপন্যাসৰ ধাৰাত স্থান দিব পাৰি। কপিলীপাৰৰ মানুহৰ বহুতো ইতিহাস, ঘটনা, উপ-ঘটনাৰ ৰেঙণি উপন্যাসখনত লিপিবদ্ধ হৈছে। এনেবোৰ কাৰণতেই ইয়াক আঞ্চলিক উপন্যাস হিচাপে চিহ্নিত কৰিব পাৰি। গৱেষণা পত্ৰখনত এই উপন্যাসখনত প্ৰকাশিত সামাজিক চিত্ৰ সম্পৰ্কে বিশ্লেষণ আগবঢ়োৱা হৈছে।

**বীজশব্দ ঃ**

সমাজ, চিত্ৰ, উপন্যাস, কপিলী, নৈ, ঔপন্যাসিক, জীৱন, গ্ৰাম্য।

**প্ৰস্তাৱনা ঃ**

পঞ্চাশৰ দশকত ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰা নৱকান্ত বৰুৱা এগৰাকী শক্তিশালী ঔপন্যাসিক। কপিলীপৰীয়া সাধু উপন্যাসৰ পাছত ক্ৰমাগতভাৱে প্ৰকাশিত তেওঁৰ উপন্যাসবোৰ হ’ল - ককাদেউতাৰ হাড় (১৯৭৩), গড়মা কুঁৱৰী (১৯৮০), মানুহ আটাইবোৰ দ্বীপ (১৯৮০), অপদাৰ্থ (১৯৮১), পটাচাৰ (১৯৮৭), অহিংসাৰ জুই (অসমাপ্ত ৰূপত)। ইয়াৰ ভিতৰত ‘ককাদেউতাৰ হাড়’ উপন্যাসখনৰ বাবে তেওঁ ১৯৭৫ চনত সাহিত্য একাডেমী বঁটা লাভ কৰে। সৰ্বমুঠ ৫খন উপন্যাস ৰচনা কৰা নৱকান্ত বৰুৱাই ১৯৮৪ চনত ‘সীৰলু’ নামৰ এখন অসমীয়া আলোচনী প্ৰকাশ কৰে, যিখনত তেওঁৰ ‘অহিংসাৰ জুই’ উপন্যাসখন অসমাপ্ত ৰূপত প্ৰকাশ হৈছিল। বৰুৱাৰ লেখাবোৰত সেই সময়ৰ সমসাময়িক সমাজৰ চিত্ৰৰ লগতে দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱ দেখা যায়। প্ৰতিখন উপন্যাসতে ঔপন্যাসিক নৱকান্ত বৰুৱাক পাঠকে অনুভৱ কৰিব পাৰে। সমাজ বাস্তৱতাৰ কথা ক’ব গ’লে বৰুৱাই স’ততে এটা দৃষ্টিভংগী আগত ৰাখে। তেওঁ উপন্যাসৰ এইটো এটা বৈশিষ্ট্য। ‘কপিলীপৰীয়া সাধু’ উপন্যাসখন ঘাইকৈ কপিলীপাৰৰ ভুৰাবন্ধা গাঁৱৰ জীৱন-যাত্ৰাৰ এখনি চিত্ৰ কাব্য সুলভ গদ্যৰীতিৰে নৱকান্ত

বৰুৱাই উপন্যাসখনত চিত্ৰিত কৰিছে। 'কপিলীপৰীয়া সাধু' মূলতঃ এখন নদীকেন্দ্ৰীক আঞ্চলিক উপন্যাস, য'ত কপিলী নৈয়ে তাৰ দুয়োপাৰৰ মানুহৰ একো একোটা বিস্তৃত অঞ্চলক প্ৰভাৱিত কৰি ৰাখিছে যুগ যুগ ধৰি।

**বিষয়বস্তুৰ গুৰুত্ব আৰু উদ্দেশ্য ঃ** সমাজৰ দাপোন সাহিত্যত প্ৰকাশিত সামাজিক চিত্ৰসমূহ 'কপিলীপৰীয়া সাধু' উপন্যাসখনত কেনেধৰণে কাহিনী তথা চৰিত্ৰৰ যোগেদি প্ৰকাশিত হৈছে এই বিষয়ে আলোচনা কৰাটোৱেই এই গৱেষণা পত্ৰৰ প্ৰধান উদ্দেশ্য আৰু গুৰুত্ব।

**আলোচনাৰ পৰিসৰ ঃ** নৰকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু' নামৰ উপন্যাসখনক আমাৰ আলোচনাৰ বাবে নিৰ্বাচন কৰি লোৱা হৈছে। আলোচ্য উপন্যাসখনত প্ৰকাশিত সামাজিক চিত্ৰতে বিষয়ৰ পৰিসৰ সীমিত কৰি লোৱা হৈছে।

**গৱেষণা পত্ৰৰ উৎস আৰু পদ্ধতি ঃ** গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে মূলগ্ৰন্থ কপিলীপৰীয়া সাধু' উপন্যাসখনক মুখ্য উৎস হিচাপে লোৱা হৈছে আৰু বিশ্লেষণাত্মক আৰু বৰ্ণনামূলক পদ্ধতিৰ সহায় লোৱা হৈছে।

**মূল আলোচনা ঃ** পশ্চিম নগাঁওৰ মাজেৰে বৈ যোৱা কপিলী নৈক কেন্দ্ৰ কৰি ৰচিত 'কপিলীপৰীয়া সাধু' উপন্যাসখন কপিলীপাৰৰ জীৱন যাত্ৰাক আধাৰস্বৰূপে লৈ ৰচনা কৰা নৰকান্ত বৰুৱাৰ প্ৰথমখন উপন্যাস। উপন্যাসখনত কপিলী নৈয়ে সৃষ্টি কৰা বানপানী, বানপানীয়ে বিধ্বস্ত কৰা কপিলী পাৰৰ মানুহখিনিৰ দুৰ্যোগ, কপিলীক আশ্ৰয় কৰি মানুহখিনিৰ সপোন, প্ৰেম, দুৰ্নীতি আদি বিভিন্ন বিষয় সামৰি লোৱা হৈছে। নগাঁৱৰ কপিলী নৈৰ পাৰৰ কেবাটাও অঞ্চলক পটভূমি হিচাপে লোৱা উপন্যাসখন মূলত এখন আঞ্চলিক উপন্যাস।

উপন্যাসখনত বৰুৱাই নৈ আৰু মানুহৰ সম্পৰ্ক অতি সজীৱ ৰূপত চিত্ৰিত কৰিছে। কপিলীপাৰৰ ঘাইকৈ ভুৰবন্ধা গাঁৱৰ গ্ৰাম্যসমাজ জীৱনৰ এক বাস্ত ৱ চিত্ৰ ঔপন্যাসিকে উপন্যাসখনৰ মাজেৰে অংকন কৰিছে। ৰূপাই আৰু সোণপাহীৰ কাল্পনিক প্ৰণয় কাহিনীৰ সমান্তৰালভাৱে উপন্যাসখনত স্বৰাজ আন্দোলনৰ ছবিয়েও স্থান লাভ কৰিছে।

উপন্যাসখনৰ মূল চৰিত্ৰ ৰূপাই আছিল ভুৰবন্ধা গাঁৱৰ ধীৰ সিঙৰ তোলনীয়া পুতেক। কপিলী নদীৰ প্ৰলয়ংকাৰী বানে বিধ্বস্ত কৰা কপিলীপাৰৰ মানুহখিনিক উদ্ধাৰ কৰাৰ সময়ত ধীৰ সিঙে ঘৰৰ চালত লাগি থকা পানীকেঁচুৰা অৱস্থাত ৰূপাইক লাভ কৰি তুলি-তালি ডাঙৰ দীঘল কৰে। ৰূপাইৰ জন্মৰ এই ৰহস্য সি পিতৃৰ মৃত্যুৰ পিছতহে গম পাই। বেথাৰাম পণ্ডিতৰ স্কুলত পঢ়া শুনা কৰা ৰূপাই পঢ়াত আনবোৰ ছাত্ৰ- ছাত্ৰীতকৈ উন্নত আছিল। ল'ৰালিকালৰ দুষ্টামীৰে এখোপ চৰা ৰূপাইৰ সমনীয়া ভেদৌং, নোমল, কোমল আদিয়ে পঢ়া শুনা নকৰি কপিলীত মাছ মৰা দৃশ্য চাই আনন্দ কৰিছিল। কপিলীখনৰ প্ৰতি ৰূপাইৰো বিশেষ আকৰ্ষণ আছিল। কপিলীৰ সৈতে ৰূপাইৰে নহয় কপিলীপৰীয়া ৰাইজৰ নিবিড় সম্পৰ্ক আছে। নৈখনৰ পাৰত কৃষি কৰি, নৈখনত মাছ মাৰিয়েই এই মানুহখিনিয়ে জীৱন নিৰ্বাহ কৰি আছে। উপন্যাসখনত কপিলীয়ে সৃষ্টি কৰা নৈসৰ্গিক দৃশ্যৰ লগতে ইয়াৰ পাৰৰ মানুহখিনিৰ জীৱন-জীৱিকাৰ চিত্ৰ অংকিত হৈছে। অংকিত হৈছে এনেদৰে— "কপিলীক ভাল পোৱাটো কপিলীপৰীয়া মানুহৰ স্বভাৱেই। আজিৰ নহয়। তাহানিখনৰে পৰা সিহঁতে কপিলীক ভাল পাই আহিছে। ডেকাহঁতে তাত নাও খেলে। ব'হাগৰ প্ৰথম দিনা, লালুং মানুহৰ বিহু আৰম্ভ হয়— গাভৰুহঁতেও ঘূৰি চিঞৰে। কপিলীত ধল আহে। কঠীয়াতলী বুৰ যায়। ভয়ত মানুহৰ টোপনি নহা হয়। খেতিয়কবোৰে পথাৰত খুঁটি পুতি থৈ আহে। এবেগেত এমুঠনকৈ খুঁটি নেদেখা হয়। আকৌ কেইদিনমানৰ ভিতৰতে পানী হঁহকি যায় খাল— ডোঙত মাছ-পুঠি থৈ। পথাৰত পলস পৰে। শালি খেতি ভাল হয়।" (বৰা, প্ৰাণ্জিৎ (সম্পা. নৰকান্ত বৰুৱা ৰচনাৱলী পৃ.৪৫৭)

পঢ়া শুনাত উন্নত ৰূপাইক বাপেক ধীৰ সিঙে বৃত্তি পৰীক্ষাৰ বাবে চহৰৰ দিনবন্ধু উকীলৰ ঘৰত থৈ পঠুৱাইছিল। কিন্তু গ্ৰাম্য চহা জীৱনৰ বিপৰীতে চহৰীয়া জীৱনৰ মানুহৰ কৃত্ৰিম মন, কঠোৰ হৃদয় আদিৰ কবলত বুৰ গৈ ৰূপাইৰ পঢ়া-শুনা নিঃশেষ হ'ল। উকীলৰ ঘৰত ৰূপাইৰ পঢ়া-শুনাৰ সলনি চাকৰ খটাহে হ'ল। দিনবন্ধ উকীলৰ ঘৈনীয়েক আৰু চাকৰ হাৰিয়াৰ মানসিক নিৰ্যাতন, বজাৰ কৰা, খৰি ফলা আদি সকলো কাম ৰূপাইৰ দ্বাৰাই সিহঁতে কৰাইছিল। ফলত সি বৃত্তিটো দূৰৰে কথা কোনো এটা শ্ৰেণীয়ে উত্তীৰ্ণ হ'ব নোৱাৰিলে। ঔপন্যাসিকে উপন্যাসখনত গ্ৰাম্য চহা মনৰ মানুহৰ চিত্ৰ অংকন কৰিছে। তথাকথিত শিক্ষিত সমাজৰ মানুহৰ কলুষিতা, কঠোৰ হৃদয়, সমাজত ভদ্ৰতাৰ মুখাপিন্ধা এচাম মানুহৰ জীৱনৰ চিত্ৰ দিনবন্ধু উকীলৰ পৰিয়ালক প্ৰতিনিধিত্ব কৰি চিত্ৰিত কৰিছে। উপন্যাসখনত বৰ্ণিত "সিনো ফেল নহ'ব কিয়? গোটেই বছৰটো তাৰ এখনো কিতাপ নোহোৱাকৈয়ে গ'ল। পঢ়িবলৈ সময়কে নাপায়। বজাৰ কৰা, খৰি ফলা সকলোবোৰ সিয়েই কৰিব লাগে।

ৰাতি চাকি এটাও নেপায়! হৰিয়া— যি হৰি ককাইৰ মৰমৰ পাৰ নাছিল সেই হৰিয়ায়ো আজিকালি তাক ভাবি দিহে কথা কয়। এদিন হৰিয়ে তাক বজাৰৰ পইচাৰে বিৰি আনিবলৈ ক'লে...... বজাৰলৈ দিয়া টকাটোৰ পাঁচ অনা এপইচা সি উকীলনীক ওভোতাই দিয়ে। বাবুনীয়ে তাক ঠাচ কৰে চৰ এটা মাৰি ক'লে, চুৰাৰ বাচ্চা, ইচকুলেৰ ছেলে হয়ে তুই বিড়ি খাচ্ তাৰ উপৰ আমাৰ বাজাৰেৰ পইচা চুৰি কৰে? বাপেৰ পেয়েছিচ?" (উল্লিখিত গ্ৰন্থ, পৃ. ৪৬৫)

উকীলৰ ঘৰৰ নিৰ্যাতনৰ পৰা হাত সাৰিবৰ বাবে ৰূপাই এটা সময়ত ভলণ্টিয়াৰ দলত সোমায়। এনেদৰে ভলণ্টিয়াৰৰ কামত ঘুৰি ঘুৰি ফুৰোঁতে অন্যান্য আন্দোলনকাৰীৰ লগতে ৰূপাইক পুলিচে জেললৈ লৈ যায়। জেলত ৰূপাই তিলক গোঁসাইক লগ পাই আৰু অহিংসা আন্দোলনত ব্ৰতি হৈ পৰে। উপন্যাসখনত তিলক গোঁসাইক গান্ধীবাদী আদৰ্শৰে সৃষ্টি কৰি পৰৱৰ্তী সময়ত ৰূপাইকো সেই আদৰ্শৰে অনুগামী কৰি চিত্ৰিত কৰি অহিংসা আন্দোলনৰ সজল চিত্ৰ অংকন কৰিছে। অহিংসা আন্দোলনৰ উদ্দেশ্য, প্ৰয়োজনীয়তা, বিলাতী কাপোৰ বৰ্জনৰ কাৰণ, সত্যাগ্ৰহ আদি সকলো কথা ৰূপাইয়ে তিলক গোঁসাইৰ পৰা বুজি উঠি অহিংসা নীতিত বিশ্বাসী হৈ পৰে। জেলৰ পৰা মুক্তি লাভ কৰি সি আপোন গাঁওখনলৈ উভতি যাই গঠনমূলক কাম অৰ্থাৎ দেশৰ উন্নয়ণৰ বাবে সামাজিক কাম-কাজত লিপ্ত হয়। ইয়াৰ দ্বাৰা ঔপন্যাসিকে মহাত্মা গান্ধীৰ আদৰ্শৰ লগতে অহিংসা আন্দোলনে জোকাৰি যোৱা গ্ৰাম্য জীৱনৰ চিত্ৰৰ সুন্দৰ প্ৰতিফলন ঘটাইছে। ইয়াৰ উপৰিও সমাজৰ জাতি-ভেদৰ পাৰ্থক্যহীনতাৰ কথা সুধাংশু বাবুই গুৱাহাটীৰ জেলত ৰূপাইক কোৱা নানা চাহেব, তান্তীয়া টোপ আদিৰ লগতে হিন্দু-মুছলমানৰ মিলৰ কথাৰ পৰা বৰ্ণনা কৰিছে। উপন্যাসখনত স্বৰাজ তথা মহাত্মা গান্ধীৰ কথা বৰ্ণিত "তিলক গোসাঁইৰো শত্ৰু আছে গান্ধী মহাত্মাৰো শত্ৰু আছে নেকি? ইংৰাজ ইংৰাজতো কাৰো শত্ৰু নহয়, সিহঁতে আমাক অধিন কৰি ৰাখিছে কাৰণেহে আমি বেয়া পাওঁ। শত্ৰু হ'লে ইংৰাজ সকলোৰে শত্ৰু। সেই মানুহটোৰো। কিন্তু আমাৰ মানুহ কোনোবায়ো মহাত্মাৰ বিষয়ে এনেকৈ কয় নেকি?" (উল্লিখিত গ্ৰন্থ, পৃ. ৪৭৩)

আন্দোলনে জোকাৰি যোৱা ভুৰবন্ধা গাঁৱৰ পৰিবৰ্তনৰ সময়তেই ৰূপাইয়ে গাঁওখনলৈ উভতি আহি নানান সামাজিক কৰ্মত লিপ্ত হৈ বানে বিধস্ত কৰা মানুইখিনক ৰিলিফৰ বস্তু বিলাবলৈ গৈ সোণপাহীৰ মুখামুখি হয় আৰু তাইৰ প্ৰেমত পৰে। উপন্যাসখনত সোণপাহী আৰু ৰূপাইৰ প্ৰণয়ৰ কাহিনীটো ঔপন্যাসিকে কাল্পনিকতাৰে সুন্দৰভাৱে উপস্থাপন কৰিছে। দুয়োৰে প্ৰেমে গভীৰ ৰূপ লাভ কৰি সোণপাহী অন্তঃসত্বা হয় যদিও পাছলৈ ৰূপাই নিজৰ জন্ম ৰহস্য জানি নিজৰে পৰিচয়হীন অৱস্থা বুলি ভাবি সোণপাহীক বিয়া কৰাবলৈ অস্বীকাৰ কৰে। পৰিণতি স্বৰূপে সোণপাহীয়ে কপিলীৰ বুকুতে আত্মজাহ যায়। উপন্যাসখনত সোণপাহী আৰু ৰূপাইৰ প্ৰেমৰ অসফলতাৰ চিত্ৰ কৰুণতাৰে ঔপন্যাসিকে বৰ্ণনা কৰিছে। কপলীয়েই সিহঁতৰ প্ৰেমৰ উৎপত্তিৰ থল, অন্যহাতে কপিলীয়েই সিহঁতৰ বিচ্ছেদৰো কাৰণ। যাৰ ফলত কপিলীকেই ৰূপায়ে মাতৃ স্বৰূপে গ্ৰহণ কৰিছে। উপন্যাসখনত সোণপাহী আৰু ৰূপাইৰ প্ৰেমৰ চিত্ৰ এনেদৰে বৰ্ণিত— "তাইৰ চুলিত কোনো তেলৰ গোন্ধ নাই। কিন্তু তিৰোতাৰ চুলিৰ স্বাভাৱিক সুগন্ধ এটাই মনটো তাৰ উতলা কৰি দিয়ে...... তাইৰ চুলিৰ অৰণ্যত তাৰ মুখখন লুকাই যায়..... সি অনুভৱ কৰে তাতকৈ ডাঙৰ কিবা এটা শক্তিয়ে তাৰ গোটেই মানুহটো অধিকাৰ কৰি পেলাইছে। বুকুত মুখত কিবা এটা অসহ্য পোৰণি প্ৰত্যেকডাল স্নায়ুৰ যোগাযোগ বিচ্ছিন্ন হৈ অনুভৱ কৰে তাৰ হাতখনে আঁইৰ বাহু দুটা চোৱে..... কান্ধৰ কাষেদি নামি যায়..... বুকুখন কোমল। তাৰ নিশাহৰ তপত বতাহখিনি তাইৰ মুখত লাগে— তাই তাক জোৰেৰে সাৱটি ধৰে, আৰু জোৰে..... তাইৰ গোটেই মানুহজনীৰ স্পৰ্শ সি অনুভৱ কৰে তাৰ গোটেইটো শৰীৰে নিস্তব্ধ উশাহ-নিশাহৰ শব্দৰ বাহিৰে সকলো নীৰৱ। জিলিটোৰো মাত বন্ধ হৈ গ'ল। সি চুমা খালে। চকুত, গালত, ওঁঠত, বুকুত......।" (উল্লিখিত গ্ৰন্থ, পৃ. ৪৮৪)

উপন্যাসখনত সমাজৰ সুবিধাবাদী শ্ৰেণীৰ প্ৰতিনিধিৰূপে সুলভ দোকানীক চিত্ৰিত কৰিছে। উপন্যাসখনৰ এই চৰিত্ৰটো নেতিবাচক চৰিত্ৰ। সুলভ দোকানী স্বাৰ্থপৰ আৰু এজন চতুৰ লোক। নিজৰ স্বাৰ্থৰ বাবে পুলিচৰ হঁতুৱাই সি বসু গোসাঁইৰ দোকান ভাঙি দিয়াৰ লগতে দোকানৰ বাকীৰ বিনিময়ত দুখীয়া শ্ৰেণীৰ মানুহৰ মাটি পৰ্যন্ত কাঢ়ি নিজৰ নামত কৰি লৈছিল। ইয়াৰ দ্বাৰা নিম্ন শ্ৰেণীৰ মানুহক কৰা শোষণৰ চিত্ৰ ঔপন্যাসিকে ডাঙি ধৰিছে। সমাজ জীৱনত প্ৰচলিত অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ চিত্ৰও 'কপিলীপৰীয়া সাধু' উপন্যাসখনত বহুলভাৱে অংকিত হৈছে। উপন্যাসখনত হেমো গাওঁবুঢ়াক অন্ধবিশ্বাসী এটা গাঁৱলীয়া চৰিত্ৰ হিচাপে পোৱা যায়। শোৱাপাটীৰ পৰা

মাজৰাতি অকলে আহি কপিলীৰ পাৰত ৰূপাইক বহি থকা দেখি গাওঁবুঢ়াই ৰূপাইক ভূত-যখিনিয়ে পালে বুলি সন্দেহ কৰি 'ৰাম'ৰাম' বুলি উচ্চাৰিব কৈছে। অন্যহাতে দদাইকে তিতি বুৰি নৈত সাঁতুৰি অহাত গঞা ৰাইজে তেঁওকো ভূতে ধৰা বুলি ভাবিছিল। পিছদিনাৰ পৰা দদায়েকৰ জ্বৰ উঠাত জৰা-ফুকা, জলকীয়া পুৰি ধোঁৱা দিয়া আদি সকলো ভূত যোৱা কৰ্ম কৰিছে। ভূত যোৱাৰ চিন স্বৰূপে বাৰীৰ ৰবাব টেঙাৰ ডাল এটা ভাঙি থকা দৃশ্যও মানুহে প্ৰত্যক্ষ কৰিলে। উপন্যাসখনত বৰুৱাই অন্ধবিশ্বাস, কু-সংস্কাৰ, তন্ত্ৰ-মন্ত্ৰ, জৰা-ফুকা আদিৰ চিত্ৰ অংকণ কৰিছে।

গ্ৰাম্য সমাজ জীৱনত প্ৰচলিত কাহিনী তথা জনশ্ৰুতিৰ বৰ্ণনাও উপন্যাসখনত পোৱা যায়। উদাহৰণস্বৰূপে গায়ন বায়নৰ ঘুলিটোৰ লগত জড়িত কাহিনীটোৰ কথা ক'ব পাৰি। জনশ্ৰুতিমতে গায়ন বায়ন ঘুলিটোত আগতে হেনো জলকোঁৱৰৰ তলাতল ঘৰ আছিল আৰু তাতে কমলা কুঁৱৰী জলকোঁৱৰী হৈ আছে। মানুহৰ কন্যা কমলা কুঁৱৰীয়ে দেশৰ মঙ্গলৰ কাৰণে জলকোঁৱৰৰ লগত বিবাহপাশত আৱদ্ধ হয়। মানুহৰ কন্যা হোৱা হেতুকে কমলা কুঁৱৰীয়ে ছবিৰ মানুহৰ মুখ চাবলৈ আকুল হৈ পৰে। অন্যহাতে আন এটা জনশ্ৰুতিমতে কপিলীপাৰৰ পৰিয়াল সমূহক বানপানীয়ে বিধ্বস্ত কৰিলেও পৰিয়ালবোৰে কপিলীক এৰি ক'লৈকো নাযায়। কিন্তু ৰজা পোৱালী মনচিং এবাৰ উঠি যাব খুজোতে কপিলীয়ে তেওঁৰ হালৰ বলধহাল লৈ যায়। সেই ৰাতিয়েই ভকতধূলি বৈৰাগীক কপিলীয়ে সপোনত দেখালে যে ৰজা পোৱালী ঘৰৰ ল'ৰা যদি কপিলীৰ পাৰৰ পৰা উঠি যায় তেন্তে কপিলীও পিছে পিছে যাব।

**উপসংহাৰ ঃ**

অসমীয়া উপন্যাস সাহিত্যৰ এক অনুপম সৃষ্টি নৰকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু'। গ্ৰাম্য সমাজ জীৱনৰ চিত্ৰ দাঙি ধৰা উপন্যাসখনত সমাজৰ বিভিন্ন চিত্ৰ কপিলী নৈক আধাৰ স্বৰূপে লৈ নৈ পাৰৰ মানুহখিনিৰ জীৱন-জীৱিকাৰ চিত্ৰ, নৈখনে সৃষ্টি কৰা প্ৰাকৃতিক সৌন্দৰ্য, চহৰীয়া সমাজৰ বাস্তৱ চিত্ৰ, ৰাজনৈতিক চিত্ৰ, অন্ধবিশ্বাস, কু-সংস্কাৰে গ্ৰাস কৰা গঞা সমাজৰ চিত্ৰ, জনশ্ৰুতি, প্ৰেম-পৰিণয়, বিচ্ছেদ, শোষণ আদি প্ৰতিফলিত হৈছে। ৰচনাশৈলীৰ ক্ষেত্ৰত উপন্যাসখনত কাব্যিকতা, ভাষাৰ সৰলতা বৰ্ণনাৰ প্ৰাঞ্জলতা লক্ষ্য কৰা যায়। অৱশ্যে উপন্যাসখনত গভীৰ জীৱনবোধৰ অভাৱ দেখা যায়। উপন্যাসখনে পাঠকৰ অন্তৰত নদীভিত্তিক আঞ্চলিক উপন্যাসস্বৰূপে এখন বৰণীয়া উপন্যাস হৈ সদায় জিলিকি ৰ'ব। প্ৰাণজিৎ বৰাৰ সম্পাদনাৰ 'নৰকান্ত বৰুৱা ৰচনাৱলী' (প্ৰথম খণ্ড)ত উপন্যাসখন সন্দৰ্ভত বৰ্ণিত "উপন্যাসখন মাথো ষাঠি পৃষ্ঠাৰ সৰু কলেৱৰৰ এখন উপন্যাস কিন্তু এই সৰু শৰীৰটোতে সোমাই আছে সুদীৰ্ঘ এছোৱা সময়। একেবাৰে নতুন এটা সমাজ ব্যৱস্থাৰ স'তে নিজকে খাপ খুৱাই ল'বলৈ যত্নপৰ অথচ কৃষিভিত্তিক সামন্তীয় গাঁথনিৰ পৰাও সম্পূৰ্ণৰূপে মুক্ত নোহোৱা কপিলীপাৰৰ সমাজ এখনৰ সুদীৰ্ঘ এছোৱা সময় উপন্যাসখনৰ এই নাতিদীৰ্ঘ অৱয়বটোত ঔপন্যাসিকে খাজি খাজি ভৰাই পেলাইছে। উপন্যাসখনত কপিলী হৈছে এই আহোম জয়ন্তীয়াৰ বিবাদকে ধৰি কছাৰীৰ বিপক্ষে আহোমৰ অভিযানত কপিলীপৰীয়া বাৰঘৰ ৰজাৰ সহযোগিতাৰ পৰা ইংৰাজৰ শাসন, কোৰ্ট-কাছাৰীৰ বঙালী উকিল, 'লোকেল বৰ্ড'ৰ আলি-পদূলী, গাঁৱত ৰাইজে পাতি লোৱা স্কুল, দেছুৱালী মাছবেপাৰী, মৈমনচিঙীয়া খেতিয়ক, ইংৰাজৰ বিপক্ষে মহাত্মাৰ স্বদেশী আন্দোলন এই আটাইবোৰৰে সাক্ষী হৈ ৰৈছে কপিলী"। ❑

**অন্ত্যটীকা ঃ**

বৰা, প্ৰাণজিৎ (সম্পা.), নৰকান্ত বৰুৱা ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, পৃ.৪৫৭

উল্লিখিত, পৃ. ৪৬৫

উল্লিখিত, পৃ. ৪৭৩

উল্লিখিত, পৃ. ৪৮৪

**সহায়ক গ্ৰন্থপঞ্জী**

১। শৰ্মা, গোবিন্দ প্ৰসাদ ঃ অসমীয়া উপন্যাস অধ্যয়ন, প্ৰজ্ঞা, মিডিয়াহাইপ পাব্লিকেশ্বন হাউছ নং ২, ২০২৩
২। বৰা, প্ৰাণজিৎ (সম্পা.)ঃ নৰকান্ত বৰুৱা ৰচনাৱলী (প্ৰথম খণ্ড), অসম প্ৰকাশন পৰিষদ, ২০২১
২। বৰুৱা নৰকান্ত ঃ কপিলীপৰীয়া সাধু, লয়াৰ্ছ বুক ষ্টল, ১৯৫৪
৩। বৰগোহাঞি, হোমেন (সম্পা.) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, ষষ্ঠ খণ্ড, আনন্দৰাম বৰুৱা কলা-সংস্কৃতি সন্থা, অসম, ২০১৫
৪। শৰ্মা, গোবিন্দ প্ৰসাদ ঃ উপন্যাস আৰু অসমীয়া উপন্যাস, বনলতা, পাণবজাৰ, ২০২১
৫। ঠাকুৰ, নগেন (সম্পা.) ঃ এশ বছৰৰ অসমীয়া উপন্যাস, জ্যোতি প্ৰকাশন, ২০১৮

RNI NO. ASSBIL/2009/31008 Peer Reviewed Journal
ISSN : 2321-4945 [UGC-CARE Listed]

# শংকৰদেৱৰ সাহিত্যকৃতিত প্ৰতিফলিত উদাৰনৈতিক দৃষ্টিভংগী আৰু বৰ্তমান ইয়াৰ প্ৰাসংগিকতা



অপূৰ্ব নাথ

গৱেষক, অসমীয়া বিভাগ
কটন বিশ্ববিদ্যালয়
গুৱাহাটী-৭৮১০০১
৬০০৩৪৬৫৭১৪
apurbanath108@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

শংকৰদেৱ অসমীয়া জাতীয় জীৱনৰ মহান কাণ্ডাৰী। মধ্যযুগৰ অসমৰ এক জটিল পৰিস্থিতিৰ মাজত জন্মগ্ৰহণ কৰা মহাপুৰুষ শংকৰদেৱে (১৪৪৯-১৫৬৮) এখন নতুন অসমৰ কল্পনা কৰি, নতুন চিন্তাধাৰাৰে ধৰ্মপ্ৰচাৰ কৰিছিল আৰু লগতে অসমীয়া ভাষা-সাহিত্যৰ সৌধ নিৰ্মাণতো গুৰুত্ব দিছিল। প্ৰচলিত সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন কামনা কৰা শংকৰদেৱে বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ঐক্য, সম্প্ৰীতি স্থাপন কৰি বৰ অসমৰ ভেঁটি নিৰ্মাণ কৰিছিল। শংকৰদেৱে প্ৰচাৰ কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰাথমিক লক্ষ্যই আছিল মানুহৰ মনত সোমাই থকা ভেদভাৱ, অসূয়া-অপ্ৰীতি নোহোৱা কৰি শান্তি আৰু প্ৰগতিৰ সমাজ প্ৰতিষ্ঠা কৰা। এনে উদাৰনৈতিক দৃষ্টিভংগী তেখেতে সাহিত্য পাঠত ৰোপণ কৰিছিল। যাৰ বাবে শংকৰদেৱৰ সাহিত্যৰাজিয়ে অসমৰ পৰিসীমা অতিক্ৰম কৰিছিল। তেখেতে ৰচনা কৰা অংকীয়া নাট, কাব্য, তত্ত্বপ্ৰধান গ্ৰন্থ আদি সকলোতে আন দিশবোৰৰ সমান্তৰালভাৱে উদাৰনৈতিক মানৱতাবাদী দৃষ্টিভংগী স্পষ্টৰূপত প্ৰকাশি উঠিছিল। বৰ্তমানৰ প্ৰেক্ষাপটত শংকৰদেৱৰ ধৰ্মীয় দৰ্শনত ফুটি উঠা উদাৰনৈতিক দৃষ্টিভংগীৰ প্ৰাসংগিকতা অধিক। লাহে লাহে অসমীয়া জাতিয়ে ক'ব নোৱাৰাকৈয়ে অসমীয়া সমাজখনৰপৰা আধ্যাত্মিকতা, নৈতিকতা, উদাৰ মানৱতা নোহোৱা হৈ গৈছে। গতিকে, বৰ্তমানৰ অসমীয়া সমাজখনৰ বাবে শংকৰদেৱৰ প্ৰগতিশীল আদৰ্শৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে। আমাৰ এই গৱেষণা পত্ৰখনৰ জৰিয়তে শংকৰদেৱৰ বিশাল সাহিত্যকৃতিত প্ৰতিফলিত হোৱা উদাৰনৈতিক দৃষ্টিভংগী সম্পৰ্কে তথ্যৰ সহায়ত সংক্ষেপে আলোচনা কৰাৰ লগতে বৰ্তমান সময়ত ইয়াৰ প্ৰাসংগিকতা সম্পৰ্কেও অধ্যয়ন কৰা হ'ব।

**বীজ শব্দ ঃ**

শংকৰদেৱ, উদাৰনীতি, আদৰ্শ, প্ৰাসংগিকতা।

**০.০ অৱতৰণিকা ঃ**

**০.১ বিষয়ৰ পৰিচয় ঃ**

অসমীয়া ভাষা, সাহিত্য, সমাজ, কলা-সংস্কৃতিৰ নিৰলস সাধক, ভৱিষ্যত দ্ৰষ্টা শ্ৰীমন্ত শঙ্কৰদেৱ অসমৰ সৰ্বশ্ৰেষ্ঠ ব্যক্তি। বহুমুখী প্ৰতিভাৰ অধিকাৰী , অসাধাৰণ ব্যক্তিত্ব সম্পন্ন এই গৰাকী মহান পুৰুষে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ যি অৰিহণা আগবঢ়াই গৈছে তাৰ তুলনা বিৰল। সাহিত্য, সঙ্গীত, নৃত্য-নাট্য, চিত্ৰ, স্থাপত্য, ভাস্কৰ্য্য আদি সকলো সুকুমাৰ কলাৰ পাৰদৰ্শী ব্যক্তি শঙ্কৰদেৱে সমাজ সংস্কাৰ, সমাজ-সংগঠন আৰু সমাজ পৰিচালনাৰ ক্ষেত্ৰত নানা প্ৰতিকূল পৰিৱেশতো যি দক্ষতা আৰু আৱিষ্কাৰধৰ্মিতা (innovativeness) ৰ পৰিচয় দিছিল সি অতি বিস্ময়জনক। সেয়ে তেওঁৰ সমকালীন, সমধৰ্মী প্ৰতিভাসম্পন্ন গুণগ্ৰাহী পণ্ডিত, শঙ্কৰদেৱৰ প্ৰধান শিষ্য

মাধৱদেৱৰ দ্বাৰা তেওঁ 'সৰ্ব গুণাকৰ, যাকেৰি নাহিকে উপাম' বুলি বন্দিত। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ প্ৰধান হোতা, অক্লান্ত কৰ্মী শঙ্কৰদেৱে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ পুনৰ্নিৰ্মাণ আৰু বিকাশত আত্মোৎসৰ্গ কৰিছিল। বহুজাতিগত সংঘাত, সংঘৰ্ষ, অস্থিৰ ৰাজনৈতিক, অৰ্থনৈতিক, ধৰ্মীয় বিশৃঙ্খল বাতাৱৰণত অতিষ্ঠ, নিষ্পেষিত, নিপীড়িত দাৰিদ্ৰ্যক্লিষ্ট জনগণক তৎকালীন পটভূমিত অৰ্থনৈতিক মুক্তিপথৰ সন্ধানস্বৰূপ সমধৰ্মী আত্মজিজ্ঞাসা আৰু আধ্যাত্মিক মুক্তিৰ প্ৰশস্ত বাট সুন্দৰৰ সাধনাত নিমজ্জিত আৰু অৱগাহন কৰোৱাই নিসংগ দ্বীপৰ দৰে ছেদেলি-ভেদেলি হৈ থকা জনগোষ্ঠীসমূহৰ ঐক্য সংহতিৰ সুদৃঢ় ভেঁটি প্ৰতিষ্ঠিত কৰি এক সুবিশাল সমাজ সংস্কৃতিৰ সুউচ্চ সৌধ নিৰ্মাণ কৰি অসমীয়া জাতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰোৱাইছিল। পঞ্চদশ শতিকাত সমগ্ৰ ভাৰতবৰ্ষতে ভক্তি আন্দোলনৰ উকমুকনি আৰম্ভ হৈছিল। অসমতো ভক্তি আন্দোলনৰ প্ৰভাৱ পৰিছিল আৰু ইয়াৰ গুৰি বঠা ধৰিছিল শংকৰদেৱে নিজেই। অসমীয়া ধৰ্ম সংস্কৃতিৰ সহজ ৰূপদান দি ইয়াক সমাজৰ বৌদ্ধিক বিকাশৰ মাধ্যমৰূপে লৈ সামাজিক শৃংখলা গঠনত শ্ৰীমন্ত শংকৰদেৱে অসমীয়া জাতীয় জীৱনত এক সোণালী যুগৰ পাতনি মেলে। শংকৰদেৱে অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে সাহিত্যক মুখ্য আশ্ৰয় স্বৰূপে গ্ৰহণ কৰিছিল। শংকৰদেৱে একেধাৰে ধৰ্মগুৰু তথা আধ্যাত্মিক কবি, সাহিত্যিক, অভিনেতা, গীতিকাৰ, সুৰকাৰ, বাদক, সংগঠক, শিল্পী, স্থপতিবিদ আৰু চিত্ৰকৰ মনোভাৱৰ পৰিচয়েৰে জনসাধাৰণৰ হিত সাধনাৰ্থে ধৰ্মক কেন্দ্ৰ কৰি নানান অভিজ্ঞতাপ্ৰসূত সাহিত্যৰ সৃষ্টি কৰিছে। শংকৰদেৱে সময় কাল-অৱস্থা অনুসৰি যেনেকুৱা সাহিত্য পন্থাৰ প্ৰয়োজন আছিল; ঠিক তেনে প্ৰয়োজনীয় সাহিত্য সৃষ্টিৰ অভাৱ পূৰণ কৰিছে। তেওঁ সৃষ্টি কৰা সাহিত্যৰ প্ৰতিটো শাখাতে জনসাধাৰণৰ মাজত প্ৰচলিত জাতি-ধৰ্ম, উচ্চ-নীচ আদি ভেদভাৱৰপৰা জনমানসে পৰিত্ৰাণ লাভ কৰাৰ উপায় জনসাধাৰণক প্ৰদান কৰিছে আৰু শংকৰদেৱৰ উদাৰনৈতিক দৃষ্টিভংগীয়ে অসমীয়া সমাজখনক বিশ্বমুখী হোৱাত সহায় কৰিছে। শংকৰদেৱৰ সাহিত্য সম্পৰ্কত সত্যেন্দ্ৰনাথ শৰ্মাৰ ভাষাৰে এনেদৰে ক'ব পাৰি, 'শংকৰদেৱৰ সাহিত্যত জনমানসৰ সুখ-দুখ প্ৰতিফলিত হোৱা নাই সঁচা, কিন্তু জনগণৰ প্ৰতি দৰদেই যে তেওঁক সহজ ভক্তিমাৰ্গ আৰু জনবোধ্য সাহিত্য, সংগীত আৰু অভিনয় কলাৰ সাধনাত ব্ৰতী কৰাইছিল সেই বিষয়ে সন্দেহ নাই।'

**০.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

গৱেষণাৰ যিকোনো বিষয় এটাৰ উদ্দেশ্য হৈছে বিষয়টো নতুন ধৰণে চিন্তা-চৰ্চা কৰা। বিষয় এটাৰ সমালোচকমূলক বিচাৰ আৰু বিশ্লেষণৰ জৰিয়তে আন কোনোৱে আগবঢ়োৱা তথ্যৰ সৈতে নিজে পোৱা তথ্যৰ তুলনামূলক সম্পৰ্ক নিৰ্ণয়েৰে কোনো দিশ আৱিষ্কাৰ কৰাই হ'ল প্ৰতিজন সচেতন গৱেষকৰ লক্ষ্য আৰু উদ্দেশ্য। শ্ৰীমন্ত শঙ্কৰদেৱৰ 'উদাৰনৈতিক দৃষ্টিভংগী' সম্পৰ্কে ইতিমধ্যে যথেষ্ট আলোচনা হৈছে। সেই আলোচনাসমূহৰ মাধ্যমত এই গৱেষণা পত্ৰত আমাৰ প্ৰস্তাৱিত বিষয়টো প্ৰণালীবদ্ধভাৱে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে। তলত আমাৰ গৱেষণা পত্ৰখনৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্যসমূহ দাঙি ধৰা হ'ল ঃ

(ক) প্ৰস্তাৱিত বিষয়টিৰ আলোচনাৰ সুবিধাৰ্থে শংকৰদেৱৰ সাহিত্যকৰ্মৰ চমু পৰিচয় দাঙি ধৰা।

(খ) বিশ্ব ভ্ৰাতৃত্ববোধৰ আদৰ্শৰে উচ্চ-নীচ , জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ধৰ্ম প্ৰচাৰ কৰা শংকৰদেৱৰ

সাহিত্যকৃতিত উদাৰনৈতিক মানৱতাবাদী দৃষ্টিভংগীৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। শংকৰদেৱৰ

এনে উদাৰনৈতিক দৃষ্টিভংগী সম্পৰ্কে তেখেতৰ সাহিত্যৰ আধাৰত তথ্যভিত্তিক আলোচনা

কৰাই হৈছে আমাৰ গৱেষণা পত্ৰখনৰ প্ৰাথমিক উদ্দেশ্য।

(গ) শংকৰদেৱে সাহিত্যৰ মাধ্যমেৰে কিদৰে সাম্য-মৈত্ৰীৰ বাণী প্ৰচাৰ কৰিছিল আৰু বৃহৎ

অসমীয়া জাতি নিৰ্মাণৰ পোষকতা কৰিছিল সেই বিষয়ে অধ্যয়ন কৰাটোও আমাৰ গৱেষণা

কাৰ্যৰ অন্য এক উদ্দেশ্য।

(ঘ) পঞ্চদশ শতিকাৰ শংকৰদেৱৰ সাহিত্যকৃতিত প্ৰতিফলিত প্ৰগতিশীল দৰ্শনৰ প্ৰাসংগিকতা

একৈশ শতিকাৰ সমাজতো বিদ্যমান। এই গৱেষণা পত্ৰখনৰ জৰিয়তে সাম্প্ৰতিক সময়ত

শংকৰদেৱৰ উদাৰনৈতিক দৃষ্টিভংগীৰ প্ৰাসংগিকতা সম্পৰ্কেও অধ্যয়ন কৰা হ'ব।

**০.৩ গৱেষণাৰ গুৰুত্ব ঃ**

উত্তৰ-পূৰ্বাঞ্চলত অৱস্থিত 'অসম' নামৰ ভূখণ্ডত এক জটিল সন্ধিক্ষণত জন্ম গ্ৰহণ কৰি, বৃহত্তৰ অসমৰ জাতি জনগোষ্ঠীৰ প্ৰাণস্পন্দন অনুধাৱন কৰি, সময়োচিত পদক্ষেপ গ্ৰহণ কৰা শ্ৰীমন্ত শংকৰদেৱ ধৰ্ম প্ৰচাৰক, সমাজ সংস্কাৰক হোৱাৰ উপৰিও এগৰাকী যুগোত্তীৰ্ণ সাহিত্যিক। অসমীয়া

সাহিত্যিক সমৃদ্ধিশালী কৰি তোলাত শ্ৰীমন্ত শংকৰদেৱৰ প্ৰভাৱ অসীম আৰু অনন্ত। সাহিত্যৰ মাধ্যমেৰে ধৰ্ম প্ৰচাৰত গুৰুত্ব দিয়া শংকৰদেৱে অসমীয়া সমাজখনক নতুন ৰূপত গঢ়িবলৈ চেষ্টা কৰিছিল। তেখেতে সাহিত্যৰ জৰিয়তে পাঁচশ শতিকাৰো আগতেই অসমীয়া মানুহৰ মনত সৰ্বভাৰতীয় সাৰ্বভৌমত্বৰ চেতনাৰ উন্মেষ ঘটাই গৈছে। সাম্প্ৰতিক বিশ্বত গোলকীয় উষ্ণতা, সাম্প্ৰদায়িক মানসিকতা, বিচ্ছিন্নতাবাদ, মানবীয় চেতনাৰ বিলোপ, নৈতিক মূল্যবোধৰ অৱক্ষয় আদি এশ-এবুৰি সমস্যাই গা-দাঙি উঠাৰ সময়ত শংকৰদেৱৰ চিন্তা আৰু আদৰ্শৰ প্ৰাসংগিকতা প্ৰতিগৰাকী সচেতন নাগৰিকে গভীৰভাৱে উপলব্ধি কৰে। বাণীকান্ত কাকতিয়ে *'শংকৰদেৱৰ আধ্যাত্মিক দান'* শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰা শংকৰদেৱৰ চতুৰংগ দানৰ ভিতৰত এটা হৈছে ঃ সামাজিক শ্ৰেণীভেদ উলংঘা কৰি সমাজৰ পিছ পৰি থকা সকলোকো সমানে অধিকাৰ প্ৰদান। তাৰবাবে "কৰ্মৰ বিভীষিকা আৰু সামাজিক ব্যৱধানৰ কুঁৱলী আঁতৰাই সকলোকে ভয় নোহোৱাকৈ খোজ কাঢ়িবৰ জন্মগত অধিকাৰ মহাপুৰুষে প্ৰদান কৰে।" (বাণীকান্ত ৰচনাৱলী, ০৪) চাৰিওফালে আধুনিক সমাজ জীৱনত হত্যা, হিংসা, লুণ্ঠন, ধৰ্ষণ, জাতিভেদ ইত্যাদিয়ে ছানি ধৰাৰ সময়ত শংকৰদেৱৰ উদাৰনৈতিক দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰাৰ অৱকাশ আহি পৰিছে। এনে দিশবোৰৰ প্ৰতি গুৰুত্ব অনুভৱ কৰিয়েই প্ৰস্তাৱিত বিষয়টোৰ অধ্যয়নত আগবঢ়া হৈছে।

**০.৪ গৱেষণাৰ পৰিসৰ ঃ**

আমাৰ গৱেষণা পত্ৰৰ প্ৰস্তাৱিত বিষয় হৈছে , *"শংকৰদেৱৰ সাহিত্যকৃতিত প্ৰতিফলিত উদাৰনৈতিক দৃষ্টিভংগী আৰু বৰ্তমান ইয়াৰ প্ৰাসংগিকতা।"* আচলতে, নিৰ্দ্ধাৰিত বিষয়টোৰ আলোচনাৰ পৰিসৰ যথেষ্ট বিশাল। কিন্তু, নিৰ্দিষ্ট নিয়মৰ মাজত আবদ্ধ থাকি গবেষণা পত্ৰখন প্ৰস্তুত কৰিবলগা হোৱাৰ বাবে সীমিত পৰিসৰত প্ৰস্তাৱিত বিষয়টোৰ বিশ্লেষণ আগবঢ়াবলৈ যত্ন কৰা হৈছে। আমাৰ গৱেষণা পত্ৰখনত শংকৰদেৱৰ সাহিত্যকৃতিৰ চমু পৰিচয় দাঙি ধৰি তেখেতৰ সৃষ্টিৰাজিত প্ৰতিফলিত উদাৰনৈতিক দৃষ্টিভংগী সম্পৰ্কে আলোচনা কৰা হৈছে। তদুপৰি , বৰ্তমান সময়ত শংকৰদেৱৰ উদাৰনৈতিক দৃষ্টিভংগীৰ প্ৰাসংগিকতা সম্পৰ্কীয় আলোচনাও প্ৰস্তাৱিত গৱেষণা পত্ৰখনৰ পৰিসীমাই সামৰি লৈছে।

**০.৫ তথ্য আহৰণৰ উৎস ঃ**

*"শংকৰদেৱৰ সাহিত্যকৃতিত প্ৰতিফলিত উদাৰনৈতিক দৃষ্টিভংগী আৰু বৰ্তমান ইয়াৰ প্ৰাসংগিকতা"* শীৰ্ষক প্ৰস্তাৱিত বিষয়টোৰ বাবে বিভিন্ন গ্ৰন্থৰপৰা প্ৰয়োজনীয় তথ্য আহৰণ কৰা হৈছে। তথ্য আহৰণৰ উৎসক দুটা প্ৰধান ভাগত বিভক্ত কৰি দেখুৱাব পাৰি ঃ

**(অ) মুখ্য উৎস** (Primary Source) ঃ

এই গৱেষণা কৰ্মত শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যৰাজিক মুখ্য সমল হিচাপে গ্ৰহণ কৰা হৈছে।

**(আ) গৌণ উৎস** ( Secondary Source) ঃ

গৌণ উৎস হিচাপে লক্ষ্মীনাথ বেজবৰুৱা, মহেশ্বৰ নেওগ, বাণীকান্ত কাকতি, শিৱনাথ বৰ্মনৰ শংকৰদেৱ সম্পৰ্কীয় ৰচনাৰাজিক গ্ৰহণ কৰা হৈছে। তদুপৰি, বিশ্ববিদ্যালয়ৰ বিভিন্ন গবেষকৰ গৱেষণা গ্ৰন্থৰো সহায় লোৱা হৈছে।

**০.৬ পূৰ্বকৃত অধ্যয়নৰ পৰিচয় ঃ**

অসম আৰু অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা শংকৰদেৱৰ সাহিত্যকৃতিৰ আলোচনা ইতিমধ্যে যথেষ্ট হৈছে। লক্ষ্মীনাথ বেজবৰুৱাই *শ্ৰীশ্ৰীশঙ্কৰদেৱ, মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ* আদি ৰচনাত শঙ্কৰদেৱৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰিছে। ভক্তিধৰ্মৰ উদ্যোক্তা শংকৰদেৱৰ শিল্পকাৰ ৰূপ, শিল্পদৰ্শন সম্বন্ধে নতুন চিন্তাৰ সঞ্চাৰ কৰা বিংশ শতিকাৰ আন এজন চিন্তানায়ক হৈছে জ্যোতিপ্ৰসাদ আগৰৱালা। একপ্ৰকাৰ ৰোমাণ্টিক ঐতিহ্যানুৰাগ থাকিলেও জ্যোতিপ্ৰসাদে তেওঁক একাধিক ৰচনাত শংকৰদেৱৰ সংস্কৃতিদ্ৰষ্টা, মানৱ প্ৰতিভাৰ পূৰ্ণ প্ৰকাশ ৰূপত অংকন কৰিছে। মহেশ্বৰ নেওগে *শ্ৰীশ্ৰীশঙ্কৰদেৱ* নামৰ গ্ৰন্থত ভিন্ন দিশৰ লগতে শংকৰদেৱৰ প্ৰগতিশীল আদৰ্শৰ বিষয়েও আলোচনা কৰিছে। তদুপৰি, বাণীকান্ত কাকতি, সত্যেন্দ্ৰনাথ শৰ্মা, শিৱনাথ বৰ্মন, হীৰেন গোহাঁই, বাপচন্দ্ৰ মহন্ত, নগেন শইকীয়া আদিয়েও শংকৰদেৱৰ সাহিত্যকৃতিৰ বিষয়ে বিভিন্ন দৃষ্টিকোণেৰপৰা আলোকপাত কৰিছে। উল্লিখিত আলোচনাসমূহৰ সহায়ত প্ৰণালীবদ্ধভাৱে আমাৰ গৱেষণা পত্ৰখনত শংকৰদেৱৰ উদাৰনৈতিক দৃষ্টিভংগীৰ বিষয়ে অধ্যয়ন কৰা হ'ব।

**০.৭ গৱেষণা পদ্ধতি ঃ**

*"শংকৰদেৱৰ সাহিত্যকৃতিত প্ৰতিফলিত উদাৰনৈতিক দৃষ্টিভংগী আৰু বৰ্তমান ইয়াৰ প্ৰাসংগিকতা"* শীৰ্ষক গবেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে মূলতঃ বিশ্লেষণাত্মক (Analytical) পদ্ধতি গ্ৰহণ কৰা হৈছে। অৱশ্যে, মূল পদ্ধতিৰ সহায়ক

হিচাপে ঠাইবিশেষে সমীক্ষাত্মক (Critical) আৰু তুলনাত্মক (Comparative) পদ্ধতিৰো সহায় লোৱা হৈছে।

গবেষণা পত্ৰখনৰ পদ্ধতিগত লিখনৰ বাবে বিশেষকৈ উক্তি দাঙি ধৰোঁতে, তথ্যসূত্ৰ নিৰ্দেশ কৰোঁতে, গ্ৰন্থপঞ্জী সজাওঁতে আৰু লগতে অন্যান্য প্ৰয়োজনত আন্তৰ্জাতিক ভাৱে স্বীকৃত Modern Language Association of Ameria-ই প্ৰকাশ কৰা 'MLA Handbook for Writers of Research Papers'-ৰ অষ্টম সংস্কৰণ (8th edition) ক আৰ্হি হিচাপে গ্ৰহণ কৰা হৈছে। অভিধানৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' অভিধানৰ সহায় লোৱা হৈছে।

**১.০ শংকৰদেৱৰ সাহিত্যকৃতিৰ চমু পৰিচয় ঃ**

বৈষ্ণৱ যুগ অসমীয়া সাহিত্যৰ বুৰঞ্জীত এক গৌৰৱময় অধ্যায়। অনুবাদ গ্ৰন্থ, গীত, নাট, কাব্য, ভটিমা আদি বিভিন্ন বিভাগৰ সাহিত্য সৃষ্টিৰে এই যুগৰ সাহিত্য ভঁৰাল নদন বদন। অসমীয়া সাহিত্যৰ বিস্তৃতিৰ প্ৰতি লক্ষ্য ৰাখি বৈষ্ণৱ যুগটোক অসমীয়া সাহিত্যৰ সোণালী অধ্যায় বুলি কোৱা হয়। অসমীয়া জাতীয় জীৱনৰ ভেঁটি সুদৃঢ় কৰোঁতা নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাৰাজি অসমীয়া জাতীয় ভঁৰালৰ অমূল্য সম্পদ। "অসমৰ সাংস্কৃতিক ক্ষেত্ৰত শঙ্কৰদেৱৰ বহুমুখী দানৰ কথা বাদ দিলেও কেৱল সাহিত্য ক্ষেত্ৰত যি দি গ'ল সেয়েই তেখেতক অমৰত্ব দান কৰাৰ পক্ষে যথেষ্ট।" (শৰ্মা, ১১৯) শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰ আৰু সাহিত্য-চৰ্চা এটা মুদ্ৰাৰ ইপিঠি সিপিঠি স্বৰূপ। তেখেতে নিজৰ ধৰ্ম সম্প্ৰদায়ৰ ধৰ্মমত প্ৰতিষ্ঠা, প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে হাতত কলম তুলি লৈ নানা গ্ৰন্থ প্ৰণয়ন কৰিছিল। তাকে কৰিবলৈ যাওঁতে তেওঁৰ সৃষ্টিশীল কাব্য প্ৰতিভা জাগৃত হৈ বিশাল সাহিত্য সম্ভাৰৰ জন্ম হৈছিল। অসমীয়া সাহিত্যৰ যুগপ্ৰৱৰ্তক শংকৰদেৱে যদিও ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেহে সাহিত্য ৰচনা কৰিছিল, তথাপি শংকৰদেৱৰ সাহিত্যকৃতিৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী আছিল।

ৰচনাৰ বৈশিষ্ট্য অনুযায়ী শংকৰদেৱৰ ৰচনাৰাজিক সত্যেন্দ্ৰনাথ শৰ্মাই *'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত'* নামৰ গ্ৰন্থত ছটা ভাগত বিভক্ত কৰিছে। সেয়া তলত উল্লেখ কৰা হ'ল ঃ

**(অ) কাব্য ঃ**

'হৰিশ্চন্দ্ৰ উপাখ্যান', 'ৰুক্মিণী হৰণকাব্য', 'বলিছলন', 'অমৃত মথন', 'অজামিল উপাখ্যান' আৰু 'কুৰুক্ষেত্ৰ'।

**(আ) ভক্তিতত্ত্ব প্ৰকাশক সংগ্ৰহ ঃ**

'ভক্তি প্ৰদীপ', 'ভক্তি ৰত্নাকৰ' (সংস্কৃত), 'নিমি-নৱসিদ্ধ সংবাদ' আৰু 'অনাদিপাতন'।

**(ই) অনুবাদমূলক ঃ**

'ভাগৱত'ৰ ১ম, ২য়, ৬ষ্ঠ (অজামিল উপাখ্যান মাত্ৰ), ৮ম (বলিছলন, অমৃত মথন), ১০ম, ১১শ, ১২শ

স্কন্ধ আৰু 'উত্তৰাকাণ্ড ৰামায়ণ'।

**(ঈ) অংকীয়া নাট ঃ**

'পত্নীপ্ৰসাদ', 'কালিয়দমন', 'কেলিগোপাল', 'ৰুক্মিণী হৰণ', 'পাৰিজাত হৰণ' আৰু 'ৰাম বিজয়'।

**(উ) গীত ঃ**

বৰগীত, ভটিমা, টোটয় আৰু চপয়।

**(ঊ) নাম প্ৰসংগ ঃ**

'কীৰ্তন' আৰু 'গুণমালা'।

**২.০ শংকৰদেৱৰ উদাৰনৈতিক দৃষ্টিভংগী আৰু বৰ্তমান ইয়াৰ প্ৰাসংগিকতা ঃ**

মধ্যযুগৰ শেষৰফালে সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমখনতো অন্ধবিশ্বাস, কুসংস্কাৰ, জাতিভেদ প্ৰথা ইত্যাদি সামাজিক ব্যাধিবোৰে ছানি ধৰিছিল। সেই সময়তেই জগতগুৰু শংকৰদেৱ (১৪৪৯-১৫৬৮) ৰ আবিৰ্ভাৱ হৈছিল। এইজনা মহান পুৰুষে অসমত পঞ্চদশ শতিকাৰ শেষৰফালে নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৱতাৰণা কৰিছিল। শংকৰদেৱে প্ৰচাৰ কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ মূল বৈশিষ্ট্য হৈছে 'একশৰণ হৰিনাম ধৰ্ম'। যিয়ে 'এক দেৱ এক সেৱ এক বিনে নাই কেৱ' ৰ কথা কয়। অহিংসা, প্ৰেম, দয়া, ক্ষমা আদি মহৎ গুণৰাজিৰ ওপৰত শংকৰদেৱে বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছিল। অৰ্থাৎ, অধঃপতিত, অস্পৃশ্য, তথাকথিত উচ্চ সমাজৰদ্বাৰা উপেক্ষিত পাপী-তাপীক ভক্তি ধৰ্মৰদ্বাৰা ভক্তিৱান কৰাই আছিল শংকৰদেৱৰ ভক্তি ধৰ্মৰ মূল লক্ষ্য। শংকৰদেৱৰ একশৰণ নামধৰ্মই সেই সময়ৰ অসমীয়া সমাজখনলৈ তৎকালীনভাৱে পৰিৱৰ্তন কঢ়িয়াই আনিলে। সমকালীন সামাজিক আৰু সাংস্কৃতিক বাতাবৰণত শংকৰদেৱৰ ধৰ্মই প্ৰভূত প্ৰভাৱ পেলালে। শংকৰদেৱৰ আধ্যাত্মিক আন্দোলনৰ উদ্দেশ্য আছিল মানুহৰ মন তথা চিত্ত বৃত্তিক উচ্চতৰ আৰু বিশালতাৰ ৰূপ দিয়া।

শংকৰদেৱে ধৰ্ম প্ৰচাৰৰ বাবে সাহিত্যক আধাৰ হিচাপে গ্ৰহণ কৰিছিল। তেখেতে নৱ-বৈষ্ণৱ ধৰ্মৰ নীতি আৰু আদৰ্শসমূহ সহজ-সৰলকৈ জনসাধাৰণক বুজাই দিবলৈ সাহিত্য সৃষ্টিত হাত দিছিল। "শংকৰদেৱৰ সাহিত্যিক জীৱন তিনিটা স্তৰত ভাগ কৰিব পাৰি; প্ৰথম বৰদোৱাত বাস কৰা কাল, দ্বিতীয়, গাংমৌ, ধুৱাঁহাট-বেলগুৰি আদি উজনি অসমত

বাস কৰা প্ৰায় কুৰিবছৰৰ অধিক কাল আৰু শেষ নামনিৰ পাটবাউসী আৰু কোচবেহাৰত কটোৱা কাল।" (শৰ্মা, ১২০) মহাপুৰুষ শংকৰদেৱৰ বিপুল সাহিত্যৰাজি মূলতঃ ভাগৱত আধাৰিত। ৬১৮ টা ছন্দত ৰচিত *'হৰিশ্চন্দ্ৰ উপাখ্যান'* শংকৰদেৱৰ প্ৰথম ৰচনা। ইয়াৰ পৰৱৰ্তী সময়ত শংকৰদেৱে *ভক্তি প্ৰদীপ, ৰুক্মিণীহৰণ কাব্য* আদি প্ৰণয়ন কৰে। তেখেতৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ হৈছে *'কীৰ্তন ঘোষা'*। " শংকৰদেৱে একশৰণ ভাগৱতী ধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে সময়ে সময়ে যিবোৰ ঘোষা ৰচনা কৰিছিল, সেইবোৰৰ সংকলিত ৰূপেই হৈছে *কীৰ্তনঘোষা*।" (বৰ্মন, ১৩১)

শংকৰদেৱৰ নাম প্ৰসংগমূলক আন এখন গ্ৰন্থ হৈছে *'গুণমালা'*। লক্ষ্মীনাথ বেজবৰুৱাই 'গুণমালা'ৰ সম্পৰ্কত এনেদৰে কৈছিল, "গুণমালা বাৰ স্কন্ধ ভাগৱতৰ 'পকেট এডিচন'।" এনেদৰে শংকৰদেৱে বিভিন্ন গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছিল। তেখেতৰ সাহিত্যকৃতিত বিভিন্ন দৰ্শন ফুটি উঠাৰ লগতে উদাৰনৈতিক মানৱতাবাদী দৃষ্টিভংগীয়েও মুখ্য ঠাই অধিকাৰ কৰিছে। আমাৰ এই আলোচনাত শংকৰদেৱৰ বিশাল সাহিত্যকৃতিত প্ৰতিফলিত উদাৰনৈতিক দৃষ্টিভংগী সম্পৰ্কে সংক্ষেপে আলোচনা কৰিবলৈ যত্ন কৰা হ'ব।

শংকৰদেৱৰ আবিৰ্ভাৱৰ সময়ছোৱা সকলো ফালৰপৰাই দুঃসময় আছিল। উদাৰতাৰ বিপৰীতে সংকীৰ্ণ চিন্তাধাৰাৰ প্ৰাধান্য আছিল বেছি। অসমৰ বিভিন্ন ভাষা-ভাষী, বিভিন্ন মতাৱলম্বী মানুহৰ মাজত সম্প্ৰীতি, ঐক্য আৰু আধ্যাত্মিক ভাব জগাই তুলিবলৈ অপ্ৰাণ চেষ্টা চলাইছিল আৰু এখন প্ৰগতিশীল মানৱ সমাজ গঢ়াৰ পোষকতা কৰিছিল। মানৱতাবাদী দৰ্শনেৰে শংকৰদেৱে সমাজৰ সকলো স্তৰৰ লোককে হৰিনাম ধৰ্মত দীক্ষিত কৰি এখন বহল সমাজ গঢ়াৰ ব্যৱস্থা কৰিছিল। সমাজৰ প্ৰতিটো স্তৰৰ লোকে হৰিনাম কীৰ্তন কৰিব পাৰে আৰু পৰস্পৰে পৰস্পৰৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱেৰে সমাজত বৰ্তি থাকিব লাগে বুলি শংকৰদেৱে সাহিত্যৰ মাধ্যমেৰে জনতাক কৈছিল ঃ

চণ্ডালে কৰিছে হৰি কীৰ্ত্তন।
বুলি তাক নিন্দে অজ্ঞজন।।
তাক সম্ভাষণ যিজনে কৰে।
আজন্মৰ পুণ্য তেখনে হৰে।।

(কীৰ্ত্তন ঘোষা)

শংকৰদেৱে প্ৰচাৰ কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ দুৱাৰ সকলোৰে বাবে মুকলি আছিল বাবেই তেখেতে গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, মিৰিৰ পৰমানন্দ, মুছলমানৰ চান্দসাই, ব্ৰাহ্মণৰ হৰিদেৱ আৰু ভট্টদেৱ, আহোমৰ নৰহৰি, বনিয়াৰ হৰি দাস, কছাৰীৰ ৰমাই আদিক শৰণ দিছিল আৰু বৰ অসম গঢ়াত অৱতীৰ্ণ হৈছিল। "বৰদোৱা নামঘৰৰ প্ৰথম খুঁটাটো মুছলমান ভকত চান্দসাইৰ দ্বাৰা পোৱা, টেম্বুৱানী জান বান্ধিৱৰ সময়ত প্ৰথম মাটিৰ পাচি কৈৱৰ্ত্ত সম্প্ৰদায়ৰ সতী ৰাধিকা আইৰ দ্বাৰা পেলোৱা, তাঁতী সম্প্ৰদায়ৰ মথুৰাৰাম দাস বুঢ়া আতাক বৰপেটা সত্ৰৰ প্ৰথম জনা সত্ৰাধিকাৰ আসনত বহুৱা আদি কামবোৰ বিভেদ, বৈষম্যতা, জাতিভেদ আৰু অস্পৃশ্যতা আদিৰ বিপৰীতে সাম্য, একতাৰ একোকগছি অক্ষয় বন্তি।" (বৰা সন্দিকৈ, ১২১)

বাঢ়ৈ, মালী, তাঁতী,কমাৰ, কুমাৰ, কঁহাৰ সকলোৰে প্ৰতি থকা শংকৰদেৱৰ উদাৰনৈতিক দৃষ্টিভংগীৰ বাবেই অসমত জাত্যাভিমানৰ ভেদাভেদ কমি আহিল। বিশিষ্ট সাহিত্যিক প্ৰ াদ কুমাৰ বৰুৱাই এই প্ৰসংগত এনেদৰে কৈছিল, "শংকৰদেৱৰ উদাৰনৈতিক প্ৰগতিশীল আদৰ্শই জাত-কুলৰ ভেদাভেদৰ প্ৰাচীৰখন ভাঙি পেলোৱা বাবেই ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসমত জাত্যাভিমানৰ দম্ভ কম।" শংকৰদেৱৰ এই উদাৰনৈতিক দৃষ্টিভংগীৰ বিষয়ে মহাত্মা গান্ধীয়ে মত প্ৰকাশ কৰিছিল এইদৰে, "যি ধৰ্মৰ অৱলম্বন কৰি মই ৰামৰাজ্য কল্পনা কৰিছোঁ তাতোকৈ সুন্দৰ আৰ্হি শংকৰদেৱে অসমবাসীক দি গৈছে। মই কেৱল তাক অনুশীলনহে কৰিছোঁ - মোৰ নতুনত্ব একো নাই।"

শংকৰদেৱে পাঁচশ বছৰৰ আগতেই অসমীয়া মানুহক জাতীয়তাবোধ উপলব্ধি কৰাইছিল। অসমত যুগ যুগ ধৰি বসবাস কৰি অহা থলুৱা জনগোষ্ঠীসমূহৰ প্ৰতি শংকৰদেৱৰ আছিল ইতিবাচক দৃষ্টিভংগী। এই দৃষ্টিভংগীয়ে বৃহত্তৰ অসমীয়া জাতি নিৰ্মাণত সহায় কৰিছে। শংকৰদেৱে অসমৰ পাহাৰ-ভৈয়ামত সিঁচৰতি হৈ থকা জাতি-জনগোষ্ঠী সকলোকে একশৰণ নামধৰ্মৰ দৰ্শনৰ মাজেদি ঐক্য স্থাপন কৰিবলৈ মনে-প্ৰাণে বিচাৰিছিল আৰু সেইবাবে এনেদৰে কৈছিল ঃ

কিৰাত কছাৰী খাচী গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মুলুক ৰজক তুৰুক
কুবাচ ম্লেচ্ছ চণ্ডাল। (ভাগৱত, ২য় স্কন্ধ)

শংকৰদেৱে সাহিত্যত বিভিন্ন প্ৰসংগত জাতিপ্ৰথাৰ বিৰোধিতা কৰিছিল। "সমগ্ৰ ভাৰতৰ ইতিহাসত যিসকল

সমাজ সংস্কাৰক আৰু ধৰ্ম সংস্কাৰকসকলে মহান ত্যাগৰ দ্বাৰা সমাজৰ বৈষম্য দূৰ কৰি এক জাতি ৰূপে সমাজ গঢ়িবলৈ প্ৰয়াস কৰিছিল, সেইসকলৰ ভিতৰত মহাপুৰুষ শংকৰদেৱ আছিল অন্যতম।" (নাথ, ৪১৫)

অস্পৃশ্যতা বৰ্জন কৰি সাম্য উদৰতাপূৰ্ণ সমাজ এখন গঢ়িবলৈ শংকৰদেৱে চেষ্টা কৰিছিল। "অস্পৃশ্যতা বৰ্জন আন্দোলন অভিযান চলাবলৈ মহাত্মা গান্ধী অসমলৈ আহোঁতে অসমত অস্পৃশ্যতাৰ অভিশপ্ত অৱস্থা নেদেখি শংকৰদেৱৰ প্ৰতি শ্ৰদ্ধাশীল হৈ গান্ধীজীয়ে কৈছিল, 'সমগ্ৰ ব্ৰিটিছ সৈন্যবাহিনীয়ে যি কাম হয়তো কৰিব নোৱাৰিলেহেঁতেন, শংকৰদেৱে অকলে সেই কাম সম্পন্ন কৰিলে'।" (মহন্ত, ০৪) শ্ৰীমদ্ভাগৱতত উল্লেখ আছে ঃ

জাতি অন্ত্যজাতি আদি        সবাকো পবিত্ৰ কৰে
সমস্ত প্ৰাণীৰ মনোনীত।
আতি অপ্ৰয়াসে তৰে        সমস্ত পাতকে হৰে
কহিয়ো হেনসে প্ৰায়শ্চিত্ত।।

(শ্ৰীমদ্ভাগৱত,ষষ্ঠ স্কন্ধ,পদ ৫৩২৭)

তদুপৰি, আমাৰ সৰ্বসাধাৰণৰ প্ৰচলিত ধাৰণা অনুসৰি কেৱল ব্ৰাহ্মণসকলেহে হৰিনাম কীৰ্তনত অংশগ্ৰহণ কৰিব পাৰে তথা হৰিনামত ৰস পায়। সৰ্বসাধাৰণৰ ধাৰণা ভ্ৰান্ত বুলি মত প্ৰকাশ কৰি শংকৰদেৱে 'কীৰ্ত্তন ঘোষা'ৰ ১৩০ নং পদত এনেদৰে ক'লে ঃ

কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাক লাগে কিক।।
স্মৰাক মাত্ৰ হৰি দিনে ৰাত।
নবাছে ভকতি জাতি অজাতি।।

(কীৰ্ত্তন ঘোষা, ১৩০ নং পদ)

অহিংসা, বিনয়, দয়া, ত্যাগ, সহিষ্ণুতা আদিৰ প্ৰতি শংকৰদেৱ গভীৰভাৱে আস্থাশীল আছিল। প্ৰতিগৰাকী মানুহকেই সমান চকুৰে চোৱাৰ উপৰি সকলো জীৱ-জন্তুকো সমমৰ্যাদা প্ৰদান কৰিছিল। তেখেতে 'কীৰ্ত্তন ঘোষা'ত লিখিছে ঃ

কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।
সমস্ত প্ৰাণীকে দেখিবা আত্মসম।
উপায় মধ্যত ইটো অতি মুখ্যতম।।

(কীৰ্ত্তন ঘোষা)

শংকৰদেৱে নিজে বিশ্বাস কৰা ধৰ্মটোকে শ্ৰেষ্ঠ বুলি কাহানিও কোৱা নাছিল। বৰং, প্ৰতিটো ধৰ্মীয় সম্প্ৰদায়ৰ লোকক সমানভাৱে চাবলৈ, কাকো হিংসা নকৰিবলৈ আৰু সকলো ধৰ্মৰ প্ৰতি উদাৰ হ'বলৈ 'ভক্তি প্ৰদীপ'ত এনেদৰে কৈছিল ঃ

পৰৰ ধৰ্মক নিহিংসিবা কদাচিত।
কৰিবা ভূতক দায়া সকৰুণ চিত্ত।।

(ভক্তি প্ৰদীপ, ১৪১ নং পদ)

শংকৰদেৱৰ সাহিত্যকৃতিত প্ৰতিফলিত হৈছে মানৱ সেৱাই প্ৰকৃত ধৰ্ম। তেখেতে সেইগৰাকী লোকক পণ্ডিত বুলিছে যিগৰাকীয়ে ব্ৰাহ্মণ-চাণ্ডালৰ কুলৰ পৰিচয় নোসোধে, দাতা আৰু চোৰৰ মাজত কোনো ভেদ নাৰাখে। 'কীৰ্ত্তন ঘোষা'ত এইদৰে আছে ঃ

ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি এক তুল।।
নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাহাকেসে পণ্ডিত বুলিয় সৰ্বজন।।

(কীৰ্ত্তন ঘোষা)

পঞ্চদশ শতিকাৰ অসমীয়া সমাজখনত থকা জাত-পাত, উচ্চ-নীচ ভেদাভেদৰ বিপৰীতে শংকৰদেৱৰ আছিল এক উদাৰ আৰু বিশ্বজনীন মনোভাৱ। শংকৰদেৱৰ উদাৰনৈতিক দৃষ্টিভংগীয়ে এখন জহি যোৱা সমাজক পুনৰুদ্ধাৰ কৰি মানুহৰ মাজতেই সৰগীয় সুখৰ সন্ধান দিছিল। তেখেতে সাহিত্যৰ যোগেদি অসমত এক নতুন আদৰ্শ প্ৰতিষ্ঠা কৰিলে, ছেদেলি ভেদেলি হৈ থকা অসমৰ জনগোষ্ঠীসমূহক সেই আদৰ্শৰ জৰীৰে বান্ধি তেওঁলোকৰ মাজত এক জাতীয় চৈতন্যৰ সঞ্চাৰ কৰিলে। শংকৰদেৱৰ সাহিত্যকৃতিত প্ৰতিফলিত উদাৰনৈতিক দৃষ্টিভংগী কেৱল সেই সময়ৰ বাবেই প্ৰাসংগিক নহয় ,বৰ্তমান সময়তো ইয়াত প্ৰাসংগিকতা তথা গুৰুত্ব আছে। একবিংশ শতিকাৰ পুঁজিবাদী বিশ্বায়নে সমাজ-সংস্কৃতিক একপ্ৰকাৰ গ্ৰাস কৰিছে। সমাজৰপৰা লোপ পাইছে নৈতিকতা, মূল্যবোধ, উদাৰতা, সাম্য-মৈত্ৰী ইত্যাদি, ইত্যাদি। মুঠতে, বৰ্তমান অসমীয়া সমাজখন বিভিন্ন কাৰকৰ হেঁচাত পৰি থান-বান হৈ পৰিছে, জাতীয় চেতনা আৰু ঐক্যত ঘূণে ধৰিছে। সাম্প্ৰদায়িক বিষবাষ্পই সমাজখন এফালৰপৰা নিঃশেষ কৰি আহিছে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো এক হৈ থাকিবলৈ হ'লে শংকৰদেৱৰ আদৰ্শৰ মূল্যায়ন কৰাটো নিতান্তই প্ৰয়োজনীয়। যিমানেই নৱবৈষ্ণৱ জাগৰণৰ সামগ্ৰিক পৰ্যালোচনা আৰু তাৰ বৰ্তমান প্ৰাসংগিকতাৰ মূল্যায়নৰ দৰে আলোচনাত প্ৰবৃত্ত হোৱা যায়, অসমীয়া জাতীয় জীৱন, সংস্কৃতি গঠন আৰু ইয়াৰ বিকাশৰ

ঐতিহাসিক প্ৰক্ৰিয়াত শংকৰদেৱৰ প্ৰভাৱৰ পৰিধি সিমানেই ব্যাপকতৰ হোৱা যেন অনুভূত হয়। শংকৰদেৱৰ মহতীসৃষ্টিৰ দিশত সাৰ্বিক অভিক্ষেপেৰে লক্ষ্মীনাথ বেজবৰুৱাই মন্তব্য কৰিছিল এনেদৰে, “এটা জাতিক সকলোপিনে সৰ্বাংগসুন্দৰ কৰি থিয় কৰিবৰ নিমিত্তে যি যি আৱশ্যক, সকলোবোৰ শংকৰদেৱে দান কৰি থৈ গৈছে।”

### ৩.০ উপসংহাৰ ঃ

সাম্য-মৈত্ৰীৰ ধ্বজাবাহক শংকৰদেৱৰ আদৰ্শ চিৰপ্ৰবহমান। সমাজ সংস্কাৰক শংকৰদেৱৰ কৃতিত্বই সমন্বয়-সংহতিৰ মালা গাঁথি অসমক একতাৰ ডোলেৰে বান্ধি পেলালে। জাতি-উপজাতিৰ ক্ষুদ্ৰ চিন্তা পৰিহাৰ কৰি বিশ্বৰ সকলো লোকক আপোন বুলি আঁকোৱালি ল'বলৈ শিক্ষা দিয়া শংকৰদেৱ সাৰ্বজনীনতাৰ প্ৰতীক। স্পৃশ্য-অস্পৃশ্য, জাতি-জনজাতি , উচ্চ-নীচৰ ভেদাভেদ আঁতৰাই শংকৰদেৱে পৰিচয় দিলে এক মহামানৱতাৰ। গীতেৰে, নাটেৰে, কথাৰে, স্থাপত্য-ভাস্কৰ্য চৰ্চাৰ মাধ্যমেদি নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি মানুহৰ আশা-আকাংক্ষাৰ বিনীত অভিব্যক্তি প্ৰচাৰ কৰিলে। শংকৰদেৱৰ উদাৰনৈতিক মানৱীয় চিন্তাধাৰাৰ বাবেই অসমত সৰু-বৰ সকলো মানুহে মাটিৰ পৃথিৱীতেই থাকি সৰগীয় সুখৰ আনন্দ লভিলে।

ধৰ্মৰ মাজত ধৰ্ম নিৰপেক্ষতা অক্ষুণ্ণ ৰাখি শংকৰদেৱে নৱ-বৈষ্ণৱ ধৰ্মৰ জৰিয়তে সামান্য সমতা বৃদ্ধি কৰিছিল। শংকৰদেৱৰ উদাৰনৈতিক দৃষ্টিভংগী তথা দৰ্শনৰ বিষয়ে আচাৰ্য বিনোৱা ভাবে কৈছিল, “মই বহুতো ধৰ্মৰ বিষয়ে অধ্যয়ন কৰিছোঁ, কিন্তু শংকৰদেৱৰ প্ৰচাৰিত ধৰ্মৰ নিচিনা উদাৰ ধৰ্ম এই পৰ্যন্ত ক'তো পোৱা নাই।” (ভাবে, ৮৮) ❑


**গ্ৰন্থপঞ্জী ঃ**

**অসমীয়া গ্ৰন্থ ঃ**

গোস্বামী, বসন্তকুমাৰ (সম্পা.)। *শংকৰদেৱ- সন্দৰ্শন*। অসম সাহিত্য সভা, যোৰহাট, ১৯৯৮। মুদ্ৰিত।
নেওগ, মহেশ্বৰ। *শ্ৰীশ্ৰীশঙ্কৰদেৱ।* চন্দ্ৰ প্ৰকাশ, ১৯৮৭। মুদ্ৰিত।
নেওগ, মহেশ্বৰ (সম্পা.)। *বাণীকান্ত ৰচনাৱলী।* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৯১। মুদ্ৰিত।
নেওগ, মহেশ্বৰ। *অসমৰ সাংস্কৃতিক ঐতিহ্য*। কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়, ২০০৩। মুদ্ৰিত।
বৰা, মহিম। *চিন্তা বিচিত্ৰা* (প্ৰথম খণ্ড)। অসম প্ৰকাশন পৰিষদ , ১৯৭৫। মুদ্ৰিত।
বৰ্মন, শিৱনাথ। *শ্ৰীমন্ত শঙ্কৰদেৱ ঃ কৃতি আৰু কৃতিত্ব*। চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৮৬। মুদ্ৰিত।
বৰ্মন, শিৱনাথ (সম্পা.)। *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (দ্বিতীয় খণ্ড)। আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, উত্তৰ গুৱাহাটী, তৃতীয় প্ৰকাশ, ২০১৭। মুদ্ৰিত।
মহন্ত, বাপচন্দ্ৰ। *ঐতিহাসিক পটভূমিত মহাপুৰুষ শংকৰদেৱ*। বনলতা, গুৱাহাটী, ১৯৯৯। মুদ্ৰিত।
মহন্ত, প্ৰদীপজ্যোতি। *শংকৰদেৱৰ শিল্পলোক*। পূৰ্বাঞ্চল, গুৱাহাটী, ২০০৭। মুদ্ৰিত।
ৰায়চৌধুৰী, ভূপেন্দ্ৰ। *শ্ৰীমন্ত শঙ্কৰদেৱৰ কৃতিত্বৰ সুৱাস*। ৰেখা প্ৰকাশন, গুৱাহাটী, ১৯৯২। মুদ্ৰিত।
শইকীয়া, নগেন (সম্পা.)। *বেজবৰুৱা ৰচনাৱলী* (দ্বিতীয় খণ্ড)। বনলতা, ডিব্ৰুগড়, ২০১০। মুদ্ৰিত।
শৰ্মা, সত্যেন্দ্ৰনাথ। *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত।* সৌমাৰ প্ৰকাশ, বিহাবাৰী,গুৱাহাটী, ২০১৮। মুদ্ৰিত।

**উদ্ধৃত-কৰ্ম ঃ**

নেওগ, মহেশ্বৰ (সম্পা.)। *বাণীকান্ত ৰচনাৱলী*। অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৯১। মুদ্ৰিত। পৃ. ০৪।
শৰ্মা, সত্যেন্দ্ৰনাথ। *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*। সৌমাৰ প্ৰকাশ, বিহাবাৰী, গুৱাহাটী, ২০১৮। মুদ্ৰিত। পৃ. ১১৯।
শৰ্মা, সত্যেন্দ্ৰনাথ। পূৰ্বোল্লিখিত। পৃ. ১২০।
বৰ্মন, শিৱনাথ (সম্পা.)। *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (দ্বিতীয় খণ্ড)। আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, উত্তৰ গুৱাহাটী, তৃতীয় প্ৰকাশ,২০১৭। মুদ্ৰিত। পৃ. ১৩১।
বৰা সন্দিকৈ, নিবেদিতা (সম্পা.)। *শংকৰী সাহিত্য সংস্কৃতি*। মুদ্ৰিত। পৃ. ১২১।
নাথ, ধ্ৰুৱজ্যোতি (সম্পা.)। *শ্ৰীমন্ত শংকৰদেৱ ঃ সাহিত্য, কলা আৰু দৰ্শন*। পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী, ২০১২। মুদ্ৰিত। পৃ. ৪১৫।
মহন্ত, প্ৰদীপজ্যোতি (সম্পা.)। *শ্ৰীমন্ত শংকৰদেৱ ঃ সমাজ আৰু সংস্কৃতি*। মুদ্ৰিত। পৃ.০৪।
ভাবে, বিনোৱা। *শঙ্কৰ অভিক্ষেপ*। পৃ. ৮৮।

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945

Peer Reviewed Journal
[UGC-CARE Listed]

# য়েছে দৰজে ঠংচিৰ চুটিগল্প 'মৃত্যু' ঃ মাতৃভাষা অৱলুপ্তিৰ মৰ্মন্তুদ চিত্ৰণ



অৰূপ চন্দ্ৰ দাস

**সংক্ষিপ্ত-সাৰ ঃ**

য়েছে দৰজে ঠংচিৰ 'মৃত্যু' নামৰ গল্পটোত অৰুণাচলৰ বুগুনসকলৰ মাতৃভাষাটিৰ অৱলুপ্তিৰ কাহিনী মৰ্মস্পৰ্শী ৰূপত তুলি ধৰিছে। গাঁওখনৰ বুগুনভাষী অন্তিমজন ব্যক্তি ইণ্ডি ফিনয়াৰ মৃত্যুৰ লগে লগে তেওঁৰ মুখৰ ভাষাটোও চিৰদিনৰ বাবে পৃথিৱীৰ পৰা নিচিহ্ন হৈ পৰিছে। কাৰণ সময়ৰ পৰিৱৰ্তন তথা আধুনিকতাৰ গ্ৰাসত পৰি গাঁওখনৰ নতুন প্ৰজন্মটোৱে হিন্দী-ইংৰাজী ভাষাক আদৰি লোৱাৰ সমান্তৰালভাৱে নিজৰ মাতৃভাষাটো ক্ৰমাৎ পাহৰিবলৈ আৰম্ভ কৰিছে। ইণ্ডি ফিনয়াকে ধৰি গাঁওখনৰ একাংশ ব্যক্তিয়ে ভাষাটো উত্তৰ প্ৰজন্মৰ বাবে সুৰক্ষিত কৰি ৰাখি থৈ যাবলৈ আহোপুৰুষাৰ্থ কৰাৰ পাছতো তেওঁলোক বিফল হৈছে। নিজ ভাষাৰ প্ৰতি নতুন প্ৰজন্মৰ অৱহেলা, নীচাত্মিকাবোধ, উদাসীনতাৰ উপৰি অন্যান্য যিবোৰ ভাষিক, সামাজিক, সাংস্কৃতিক, আধিপত্যবাদী কাৰণত 'বুগুন'ৰ দৰে জনজাতীয় ভাষাবোৰ কালৰ বুকুত হেৰাই যোৱাৰ উপক্ৰম হৈছে, সেই আটাইবোৰ দিশ 'মৃত্যু' নামৰ গল্পটোত এটি হৃদয়স্পৰ্শী কাহিনীৰ মাধ্যমেৰে উপস্থাপিত হৈছে। এই আলোচনাত য়েছে দৰজে ঠংচিয়ে এটা জাতিৰ মাতৃভাষা ৰক্ষাৰ প্ৰয়াসৰ অন্তৰালত নিহিত থকা কষ্ট, ত্যাগ অথবা বেদনাৰ লগতে ভাষা এটা হেৰাই যোৱাৰ অন্তৰালৰ কাৰণবোৰ কেনেদৰে উন্মোচন কৰিছে, তাকেই পোহৰলৈ অনাৰ চেষ্টা কৰা হৈছে।

**সূচক শব্দ ঃ**

অৰুণাচল, ইণ্ডি ফিনয়া, বুগুন, ভাষা, মাতৃভাষা, মৃত্যু, উদাসীনতা।

**০.০ অৱতৰণিকা ঃ**

য়েছে দৰজে ঠংচিৰ অধিকাংশ ৰচনাৰ দৰেই 'মৃত্যু' গল্পটোও অৰুণাচলৰ এখন জনজাতীয় সমাজৰ পটভূমিত ৰচিত। কিন্তু এই গল্পটোৰ বিষয়বস্তু অথবা কাহিনী যথাৰ্থতে ব্যতিক্ৰমধৰ্মী। ইয়াত ভাষা এটা পৃথিৱীৰ বুকুৰ পৰা একেবাৰে হেৰাই যোৱা; অৰ্থাৎ ভাষা এটাৰ মৃত্যুৰ কাহিনী কৰুণভাৱে বৰ্ণনা কৰা হৈছে। ২০২০ চনত ৰচিত 'মৃত্যু' গল্পটো ঠংচিৰ *ধাৰ আৰু অন্যান্য গল্প* (২০২১) সংকলনটোৰ অন্তৰ্গত।

'মৃত্যু' গল্পটো হৈছে অৰুণাচলৰ বুগুন ভাষাটি জীয়াই ৰখাৰ হেতু গাঁওখনৰ গাঁওবুঢ়া ইণ্ডি ফিনয়াকে প্ৰমুখ্য কৰি একাংশ সচেতন ব্যক্তিৰ শংকা, উদ্বিগ্নতা আৰু অসন্তুষ্টিৰ লগতে তেওঁলোকৰ আন্তৰিক প্ৰচেষ্টাৰ কাহিনী। তাৰ লগতে নতুন প্ৰজন্মৰ মাতৃভাষা ব্যৱহাৰৰ প্ৰতি অনীহা, অৱহেলা আৰু উদাসীন মনোভাৱৰ কথাও তুলি ধৰা হৈছে। তদুপৰি ভাষা একোটা হেৰাই যোৱাৰ অন্তৰালৰ অন্যান্য

গৱেষক, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়
গুৱাহাটী-৭৮১০১৪
৬৯০০৪৭৮৭৫১
arupchdas470@gmail.com

আনুষংগিক কাৰণবোৰো গল্পকাৰে কাহিনী আৰু চৰিত্ৰৰ মাধ্যমেৰে উন্মোচন কৰিছে। দেখা যায় যে 'মৃত্যু' গল্পটো যদিও অৰুণাচলৰ 'বুগুন' ভাষাক কেন্দ্ৰ কৰি ৰচনা কৰা হৈছে, তথাপি এই গল্পৰ মাধ্যমেৰে প্ৰতিফলিত ভাষিক দুঃৰবস্থাৰ ছবিখন 'বুগুন'ৰ দৰে পৃথিৱীৰ অন্যান্য লুপ্তপ্ৰায় ভাষাবোৰৰ ক্ষেত্ৰতো প্ৰযোজ্য আৰু প্ৰাসংগিক হৈ উঠিছে।

**০.১ অধ্যয়নৰ পৰিসৰ ঃ**

'য়েছে দৰজে ঠংচিৰ চুটিগল্প 'মৃত্যু' ঃ মাতৃভাষা অৱলুপ্তিৰ মৰ্মন্তুদ চিত্ৰণ' শীৰ্ষক এই বিষয়টো অধ্যয়ন কৰোঁতে এই তিনিটা দিশ আলোচনাৰ পৰিসৰলৈ অনা হৈছে—

ক) য়েছে দৰজে ঠংচিৰ 'মৃত্যু' নামৰ গল্পটোত ভাষা এটাৰ 'মৃত্যু'ৰ কাহিনীৰ সমান্তৰালভাৱে ভাষা এটা হেৰাই যোৱাৰ অন্তৰালৰ কাৰকবোৰ কেনেদৰে উন্মোচিত হৈছে, সেই দিশটোত আলোকপাত কৰা হৈছে।

খ) এটা গল্প-বিষয়ক আলোচনা হিচাপে স্বাভাৱিকতেই গল্পটোৰ পটভূমি, কাহিনী, চৰিত্ৰ আদি দিশবোৰ আলোচনাৰ আওতালৈ আনি সাহিত্যিক দৃষ্টিকোণেৰে বিচাৰ কৰা হৈছে।

গ) মূলতঃ মাতৃভাষা এটি সময়ৰ বুকুত চিৰদিনৰ বাবে লোপ পোৱাৰ কাৰুণ্য আৰু মৰ্মস্পৰ্শী অনুভৱ-উপলব্ধিক গল্পকাৰে কিদৰে তুলি ধৰিবলৈ সক্ষম হৈছে, সেই দিশটোত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছে।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

য়েছে দৰজে ঠংচিৰ 'মৃত্যু' গল্পটোৰ পটভূমি, কাহিনী, চৰিত্ৰ আদিৰ আধাৰত ভাষা এটা অৱলুপ্তিৰ কাৰুণ্যৰ লগতে গল্পকাৰে তুলি ধৰা তাৰ আনুষংগিক কাৰণবোৰ উন্মোচন কৰাই হৈছে এই অধ্যয়নৰ মূল উদ্দেশ্য।

**০.৩ অধ্যয়নৰ পদ্ধতি ঃ**

'য়েছে দৰজে ঠংচিৰ চুটিগল্প 'মৃত্যু'ঃ মাতৃভাষা অৱলুপ্তিৰ মৰ্মন্তুদ চিত্ৰণ' শীৰ্ষক এই অধ্যয়নটিত বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**০.৪ অধ্যয়নৰ উৎস ঃ**

'য়েছে দৰজে ঠংচিৰ চুটিগল্প 'মৃত্যু'ঃ মাতৃভাষা অৱলুপ্তিৰ মৰ্মন্তুদ চিত্ৰণ' বিষয়টো অধ্যয়নৰ বাবে মূল গল্পটো মুখ্য উৎস আৰু দুই-এক আনুষংগিক প্ৰবন্ধ গৌণ উৎস হিচাপে ব্যৱহাৰ কৰা হৈছে।

**১.০ বিষয়বস্তুৰ আলোচনা ঃ**

য়েছে দৰজে ঠংচিৰ 'মৃত্যু' গল্পটোৰ আৰম্ভণিতে অৰুণাচলৰ ছিনচুঁঙ নামৰ গাঁওখনৰ গাঁওবুঢ়া ইণ্ডি ফিনয়াৰ পৰিচয় পোৱা যায়। আদিৰ পৰা অন্তলৈ মুখ্য ভূমিকা পালন কৰা এই ব্যক্তি জনেই গল্পটোৰ মুখ্য চৰিত্ৰ। বৃদ্ধ হ'লেও শাৰীৰিকভাৱে সুস্থ তথা অভাৱ-অনাটন নথকা ইণ্ডি ফিনয়া বহু মানুহৰ মৰম-আদৰ- সন্মানেৰে পৰিৱেষ্টিত হৈ থকাৰ পাছতো প্ৰতিমুহূৰ্ততে মনৰ মাজত কঢ়িয়াই লৈ ফুৰিছে এক অব্যক্ত দুঃখ। এই দুঃখ সম্পৰ্কে গল্পকাৰে কৈছে-

"কি সেই দুখ? সেই দুখ হ'ল বুঢ়াই নিজৰ মাতৃভাষা হেৰুৱাৰ দুখ।সেই মাতৃভাষাত কাৰো সৈতে কথা পাতিব নোৱাৰাৰ দুখ। কাৰো মুখৰ পৰা সেই মাতৃভাষাৰ এটা বাক্যও শুনিবলৈ নোপোৱাৰ দুখ।" ( ঠংচি, *ধাৰ আৰু অন্যান্য গল্প*, মৃত্যু, ১৮৩)

নিজৰ মাতৃভাষাত মনৰ ভাব বিনিময় কৰিব নোৱাৰাৰ দুঃখত পিষ্ট শেষৰজন ব্যক্তি হিচাপে জীয়াই থকা ইণ্ডি ফিনয়াক গল্পকাৰে 'প্ৰাক-ঐতিহাসিক প্ৰস্তৰ মূৰ্তি'ৰ সৈতে তুলনা কৰিছে; যাক চাবলৈ দূৰ-দূৰণিৰ পৰা মানুহ আহে আৰু তেওঁৰ ফটো তুলি লৈ যায়। তাৰ পাছতো তেওঁ অকলশৰীয়া এই বাবেই যে, নিজ ভাষাত কথা পাতিবলৈ তেওঁৰ এজনো সংগী নাই। তাৰেই পৰিণতিত ইণ্ডি ফিনয়া হৈ পৰিছে এটি প্ৰস্তৰ মূৰ্তি।

কিন্তু, ইণ্ডি ফিনয়াৰ এনে দুৰ্ভাগ্যজনক পৰিণতি এদিনতে হোৱা নাই। এক পৰ্যায়ক্ৰমিক পৰিৱৰ্তনে তেওঁৰ ভাষাটোক মৃত্যুৰ মুখলৈ ঠেলি দিছে। পৰিৱৰ্তনৰ এই ছবিখন গল্পকাৰ ঠংচিয়ে বিস্তৃত ৰূপত তুলি ধৰিছে, য'ত ভাৰতবৰ্ষৰ স্বাধীনতাৰ পৰৱৰ্তী সময়ৰ পৰা দ্ৰুতভাৱে সলনি হোৱা সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশসমূহ চালিজাৰি চোৱা হৈছে। এই পৰিৱৰ্তনৰ আভাস হিচাপে প্ৰথমেই কৈছে—

" যি এক বৃহৎ এলেকা আগতে জনশূন্যভাৱে পৰি আছিল, যি পাহাৰত এদিন কাচিৎহে কেতিয়াবা মানুহৰ আহ-যাহ হৈছিল, সেই এলেকাত ভাৰতৰ স্বাধীনতাৰ পাছত প্ৰথমতে আলিবাট নিৰ্মাণ কৰা হ'ল ।ইণ্ডি ফিনয়াৰ গাঁওখনৰ কাষেদি।" (১৮৫)

এয়াই পৰিৱৰ্তনৰ দ্ৰুত আৰম্ভণি। তাৰ পাছত ক্ৰমান্বয়ে—

"যাঠি-সত্তৰ দশকৰ কালছোৱাতেই ছিনছুঙ গাঁৱৰ

আশে-পাশে বাহিৰা মানুহেৰে ভৰি থকা এখন ডাঙৰ নগৰ গঢ় লৈ উঠিছিল আৰু তাৰ মাজতে ইণ্ডিহঁতৰ মানুহ হেৰাই গৈছিল। হেৰাই গৈছিল তেওঁলোকৰ সাজ-পাৰ আৰু তাৰ ঠাই লৈছিল আধুনিক সাজ-পাৰেঃ চার্ট, লংপেণ্ট আদিয়ে।" (১৮৭)

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সমাজত এইধৰণৰ ভাষিক-সাংস্কৃতিক পৰিৱৰ্তনো অৱশ্যম্ভাৱী। বিশ্বায়নৰ যুগত দেশী- বিদেশী মানুহৰ সংস্পৰ্শত অথবা বিভিন্ন প্ৰয়োজনত অন্য ভাষা শিকাটোও আৱশ্যক হৈ উঠে। তেনে প্ৰয়োজনৰ বাবেই ইণ্ডিহঁতৰ গাঁৱৰ মানুহবোৰে তেওঁলোকৰ অঞ্চলত খোপনি পোতা হিন্দীভাষী সৈন্য, বনুৱা, ঠিকাদাৰ আদিৰ সৈতে ভাবৰ আদান-প্ৰদান কৰিবৰ হেতু অপৰিহাৰ্যভাৱে হিন্দী ভাষা শিকিব লগা হৈছিল। কিন্তু এই ভাষা শিকন বা ভাষাটো ব্যৱহাৰৰ পৰিসৰ কেৱল প্ৰয়োজনতে যে সীমাবদ্ধ হৈ নাথাকিল, সেই দিশটোহে 'মৃত্যু' গল্পটোত দুৰ্ভাগ্যজনকভাৱে তুলি ধৰা হৈছে।

গুৰুত্বপূৰ্ণ এই যে, গল্পকাৰ ঠংচিয়ে আধুনিকতা অথবা পৰিৱৰ্তিত সময়ে দাবী কৰা প্ৰয়োজনীয়তাক উদাৰ মনে স্বীকাৰ কৰি লৈছে। সমান্তৰালভাৱে নিজস্বতাক পাহৰি পেলোৱা মানুহবোৰৰ আত্মবিস্মৃতি দুঃখলগা ছবিখনো তেওঁ বৰ কঠোৰভাৱেই চিত্ৰিত কৰিছে। বৃদ্ধ ইণ্ডিয়ে হিন্দী ভাষা শিকিব নোৱাৰাৰ বাবে গাঁৱৰ মানুহবোৰে তেওঁক তিৰস্কাৰ কৰিছে। হিন্দী শিকি গৌৰৱত গদগদ হৈ পৰা মানুহবোৰে নিজৰ মাজতো সেই ভাষাত কথা পাতিবলৈ আৰম্ভ কৰিছে। কেৱল সেয়ে নহয়, নিজৰ সন্তানকো সৰুৰে পৰা মাতৃভাষাৰ সলনি হিন্দী ভাষা শিকাইছে আৰু সেই ভাষাত কথা ক'ব পৰা হ'লে আনন্দত দিশহাৰা হৈ পৰিছে। সন্তানে নিজৰ ভাষাটো বুজি নোপোৱাৰ বাবে দুঃখিত হোৱাৰ পৰিৱৰ্তে সেই পিতৃ-মাতৃসকলে গৰ্ববোধ কৰিছে। গাঁৱৰ মানুহবোৰৰ নিজ ভাষাটোৰ প্ৰতি চূড়ান্ত অনীহা প্ৰকাশ পাইছে এনেদৰে—

"আৰু গাঁৱৰ সকলো মানুহে কোৱাকুই কৰিবলৈ আৰম্ভ কৰিছিল 'কি কৰিব আমাৰ বুগুন কথা শিকি? বাহিৰত গ'লেই কোনোও বুজি নাপায়। আমি নিজৰ ভাষাত কথা ক'লে মানুহে হাঁহে।" (১৮৮)

গাঁওবাসী যে নিজৰ ভাষাটোৰ প্ৰতি এধানমানো সচেতন নাছিল সেই কথা সহজেই অনুমান কৰিব পাৰি। কাৰণ সময় বা প্ৰয়োজনৰ দাবীত অন্য ভাষা শিকাটো আদৰণীয় যদিও নিজ ভাষাৰ প্ৰতি নীচাত্মিকাবোধ পুহি ৰাখাটো সঁচা অৰ্থতেই নিন্দনীয়। এয়া অৱশ্যে কেৱল বুগুনভাষীসকলৰ ক্ষেত্ৰতেই প্ৰযোজ্য নহয়; বৰং মানৱজাতিৰ এনে মানসিকতাৰ বাবেই পৃথিৱীৰ বহুতো ভাষা কালৰ বুকুত জাহ গৈছে; যিদৰে ইণ্ডি ফিনয়া আৰু তেওঁৰ প্ৰজন্মটো ক্ৰমান্বয়ে পৃথিৱী এৰি গুচি যোৱাৰ লগে লগে তেওঁলোকৰ মুখৰ ভাষাটোও বিলুপ্ত হোৱাৰ উপক্ৰম হৈছে। এই কথাটোক লৈ ইণ্ডি ফিনয়া শংকিত হৈ পৰিছে।

ভাষা একোটাৰ লগত এটা জাতিৰ অস্তিত্বৰ প্ৰসংগটোও ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। নিজৰ ভাষা আৰু জাতিৰ ভৱিষ্যৎ সম্পৰ্কে সন্ত্ৰস্ত আৰু উদ্বিগ্ন হৈ পৰা ইণ্ডি ফিনয়াই সেইবাবেই গাঁৱৰ মানুহবোৰক সকীয়াই দিছিল-

"তহঁতে বৰ ডাঙৰ ভুল কৰি আছু এনেকৈ আমি লোকৰ ভাষাত কথা কৈ থাকিলে এদিন আমাৰ ভাষা কোৱা মানুহ নাইকিয়া হৈ যাব। ভাষা নাইকিয়া হৈ গ'লে আমাৰ জাতিও এই পৃথিৱীৰ পৰা নাইকিয়া হৈ যাব। কিমান বেয়া কথা হ'ব, কোনোবাই ভাবি চাইছেনে?"(১৮৯)

ইণ্ডি ফিনয়াৰ এই সতৰ্কবাণীৰ মাধ্যমেৰে গল্পকাৰ য়েছে দৰজে ঠংচিয়ে নিজস্বতা পাহৰি যোৱা আধুনিক মানুহক স্বকীয়তা সম্পৰ্কে সচেতন কৰি তুলিছে। তাৰ লগতে হিন্দী, ইংৰাজী আদি ভাষাৰ আগ্ৰাসনৰ পৰা মাতৃভাষা ৰক্ষাৰ্থে অৰুণাচলৰ সেই গাঁওখনত একাংশ সচেতন মানুহৰ দ্বাৰা সভা অনুষ্ঠিত কৰাৰ প্ৰসংগটোও অতি গুৰুত্বসহকাৰে উপস্থাপন কৰিছে, য'ত সমাজৰ জ্যেষ্ঠ প্ৰজন্মৰ ব্যক্তিসকলে অৱলুপ্তিৰ গৰাহলৈ অগ্ৰসৰ হোৱা ভাষাটোৰ ৰক্ষণাবেক্ষণত দিয়াৰ সপক্ষে নিজস্ব শক্তিশালী যুক্তি দাঙি ধৰিছে। কিন্তু এই প্ৰসংগতে গল্পকাৰে পুৰণি প্ৰজন্মটোৰ সৈতে নতুন প্ৰজন্মৰ চিন্তাৰ পাৰ্থক্য, বিৰোধ, দ্বন্দ্ব আদিও যৌক্তিকভাৱে অৱতাৰণা কৰিছে। নিজৰ মানুহৰ মাজত হিন্দী-ইংৰাজীত কথা নাপাতি মাতৃভাষা ব্যৱহাৰৰ পোষকতা কৰা ইণ্ডি ফিনয়াৰ যুক্তি খণ্ডন কৰি এগৰাকী ডেকাই কৈ উঠিছে—

"...আমাৰ ভাষাত কথা পাতিলেও আমি ইংৰাজী আৰু হিন্দী শব্দৰ ব্যৱহাৰ কৰিবই লাগিব। আমাৰ ভাষাত টেলিফোন, বজাৰ, মাৰ্কেট, গাড়ী,চাট, বুট, পেন, কিতাপ আদি শব্দ আছে জানো?" (১৯০)

ডেকাগৰাকীৰ মন্তব্যৰ জৰিয়তে যদিও মাতৃভাষাত

অভাৱ হোৱা বিশেষ কেতবোৰ শব্দৰ উল্লেখ ঘটিছে, আচলতে তাৰ মাজেৰে গাঁওখনলৈ অহা নতুনত্ব আৰু পৰিৱৰ্তনৰ ছবিখনো স্পষ্ট হৈ উঠিছে। ইণ্ডি ফিনয়াই কৈছে—

"কাৰণ আগৰ দিনত আমাৰ মাজত সেইবিলাক বস্তু নাছিল। টেলিফোন, গাড়ী আদিও নাছিল, বজাৰ,মাৰ্কেট আদিও নাছিল। গতিকে আমাৰ ভাষাত সেইবিলাক শব্দ নাই।"(১৯০)

ভাষা-ৰক্ষাৰ হকে অনুষ্ঠিত সভাখনত ব্যক্তিসকলৰ মাজৰ কথোপকথনৰ দ্বাৰা গল্পকাৰে এনেদৰেই ভাষা সম্বন্ধিত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোকপাত কৰিছে। এই কথোপকথন অংশৰ মাধ্যমেৰে কেৱল ভাষা সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ কথাই নহয়, বৰঞ্চ ভাষাৰ পৰিবৰ্তনশীলতা, প্ৰজন্মৰ পৰা প্ৰজন্মলৈ ভাষাৰ গতিশীলতা, প্ৰজন্মভেদে মাতৃভাষাৰ প্ৰতি আত্মীয়তাৰ প্ৰভেদ, সময় তথা সমাজ পৰিবৰ্তনৰ লগে লগে ভাষা এটালৈ আমদানি হোৱা বহিঃভাষাৰ শব্দৰ পয়োভৰ আৰু তাৰেই পৰিণতিত ক্ৰমান্বয়ে ভাষা এটাই স্বকীয়তা হেৰুৱাই পেলোৱা আৰু অৱশেষত মৃত্যুৰ মুখলৈ ধাৱমান হোৱা আদিৰ দৰে স্পৰ্শকাতৰ বিষয় কিছুমান গল্পকাৰ ঠংচিয়ে অৱতাৰণা কৰিছে।

কেৱল সেয়ে নহয়, ভাষা এটা সন্দৰ্ভত বৰ্তি থকা কিছুমান ভ্ৰান্ত ধাৰণাও এই গল্পত উদঙাই দিয়া হৈছে।' বুগুন' ভাষাটো ভাষা নহয়, ই এটা দোৱানহে; এনেধৰণৰ ভুল ধাৰণা এটা প্ৰচলিত হৈ থকাৰ প্ৰসংগেৰে গল্পকাৰে দিল্লী জৱাহৰলাল নেহৰু ইউনিভাৰ্চিটিৰ ভাষা-গৱেষক প্ৰফেছৰজনৰ দ্বাৰা এই কথা স্পষ্ট কৰাইছে যে 'বুগুন' ভাষাটো দোৱান বুলি স্কুলত ভুলকৈ পঢ়োৱা হৈছে। কিতাপতো ভুল কথাহে সন্নিৱিষ্ট হৈ আছে। মৃতপ্ৰায় ভাষা-সম্পৰ্কীয় গৱেষণাৰ উদ্দেশ্যে তেওঁলোকৰ গাঁওলৈ অহা এইগৰাকী প্ৰফেছৰৰ মাধ্যমেৰে গল্পকাৰে কেৱল 'বুগুন' ভাষাটোৰ মৰ্যাদা ৰক্ষা কৰাই নহয়, বৰং সামগ্ৰিকভাৱেও মাতৃভাষা সম্পৰ্কে এক উচ্চ ভাবধাৰা প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। এই চৰিত্ৰটোৰ দ্বাৰা গল্পকাৰ ঠংচিয়ে মাতৃভাষাৰ প্ৰতি মানুহে পুহি ৰখা হীনমন্যতাবোধ দূৰ কৰাৰো প্ৰয়াস কৰিছে।গল্পটোত কোৱা হৈছে—

"মানুহে যি ভাষাত মনৰ ভাব  প্ৰকাশ সম্পূৰ্ণভাবে কৰিব পাৰে সেই ভাষা আনৰ ভাষাৰ তুলনাত দুখীয়া কেতিয়াও হ'ব নোৱাৰে।"(১৯২)

'মৃত্যু' গল্পটোৰ আন এক লক্ষ্যণীয় বৈশিষ্ট্য এয়ে যে, ইয়াত যদিও কেৱল 'বুগুন' ভাষাটোৰ অস্তিত্ব ৰক্ষা-সম্পৰ্কীয় কথাই প্ৰাধান্য পাইছে, তথাপি প্ৰসংগক্ৰমে অন্য ভাষা কেতবোৰলৈ আহি পৰা অশনি সংকটৰ কথাও উনুকিওৱা হৈছে। মাতৃভাষা ৰক্ষাৰ উদ্দেশ্যে অনুষ্ঠিত সভাখনতে উপস্থিত থকা 'পেনজে' বোলা গ্ৰাম-পঞ্চায়ত মেম্বাৰজনে অৰুণাচলৰ অন্য জনজাতিৰ মাজতো হিন্দীৰ প্ৰাধান্যৰ দিশটো আঙুলিয়াই দিছে। একেদৰে 'চোজু' নামৰ আন এগৰাকী সচেতন ব্যক্তিয়েও "দিৰাঙৰ মনপা ল'ৰা-ছোৱালী, ৰূপাৰ চেৰদুকপেন ল'ৰা-ছোৱালী, জামিৰীৰ অঁকা ল'ৰা-ছোৱালী আৰু নাফ্ৰাৰ মিজি ল'ৰা-ছোৱালীয়েও আজিকালি নিজৰ নিজৰ ভাষা ক'ব নোৱাৰা হ'ল(১৯২-১৯৩) বুলি দুঃখ প্ৰকাশ কৰিছে।

সমগ্ৰ অৰুণাচলৰে জনজাতিসমূহৰ মাজত মাতৃভাষাৰ শোচনীয় ৰূপৰ কথা জানিব পাৰি উদ্বিগ্ন হৈ পৰা ইণ্ডি ফিনয়াৰ জৰিয়তে গল্পকাৰে ভাষাৰ এনে দুঃৰৱস্থাৰ প্ৰেক্ষাপটত চৰকাৰৰ ভূমিকা সম্পৰ্কেও  প্ৰশ্ন উত্থাপন কৰাইছে।

এই প্ৰশ্নৰ আধাৰতে অৰুণাচলত হিন্দী ভাষাৰ আধিপত্যৰ অন্যতম মূল কাৰণ হিচাপে এই ৰাজ্যৰ কোনো এটা উমৈহতীয়া ভাষা নথকাৰ দিশটো আঙুলিয়াই দিয়া হৈছে। যাৰ বাবে চৰকাৰী বিষয়াসকলেও ইংৰাজী অথবা হিন্দীতহে কথা-বতৰা পাতে। এই প্ৰসংগৰ আঁত ধৰি অদূৰ ভৱিষ্যতে যে হিন্দীয়েই এই ৰাজ্যৰ সকলো জনজাতিৰ মাতৃভাষা হৈ পৰিব সেই শংকাও ব্যক্ত কৰা হৈছে। ভাষাৰ লগতে সংস্কৃতিও হেৰাই যোৱাৰ পৰিপ্ৰেক্ষিতত এদিন সঁচাকৈ 'বুগুন'অথবা আদি,আপাটানি, নিচি, মনপা আদি  কালৰ বুকুত হেৰাই যাব। এই শংকাত শোকাহত হৈ চোজুৱে অস্বাভাৱিক আচৰণ কৰিবলৈ আৰম্ভ কৰিছে। প্ৰথমাৱস্থাত অট্টহাস্য কৰি পাছলৈ তেওঁ হুকহুকাই কান্দি দিছে। চোজুৰ এই হুঁহা-কন্দাৰ অন্তৰালত নিহিত হৈ আছে এক অবৰ্ণনীয় কৰুণ্য। তেওঁ কৈছে—

"নাকান্দি কি কৰিম ? কান্দিবই লাগিব। যিদিনা আমাৰ ভাষাৰ মৃত্যু হ'ব সেইদিনা কান্দিবলৈ কোনো মানুহ নাথাকিব। হয়তো আমাৰ মাজৰে এজন এই পৃথিৱীত আমাৰ বুগুন ভাষা কোৱা শেষ মানুহ হ'ব আৰু সেই শেষ মানুহজন

মৰিলে কোনো কন্দা মানুহ নাথাকিব। সেই কাৰণেই মোৰ আজিয়ে কান্দি থবৰ মন গৈছে।" (১৯৪)

চুজোৰ এই বেদনাদায়ক উক্তিৰ মাজত নিহিত হৈ আছে নিজৰ আপোন মাতৃৰ মুখৰ ভাষাটো ৰক্ষা কৰিব নোৱাৰাৰ অসহায়বোধ আৰু প্ৰচণ্ড শোক। এই শোকৰ পৰিণতিস্বৰূপেই তেওঁলোকে পাৰ্যমানে ভাষাটো ৰক্ষণাবেক্ষণ দিবৰ বাবে চিন্তা-চৰ্চা কৰিছে। প্ৰত্যেকেই নিজ নিজ ধৰণে উদ্যোগ লৈছে। ঘৰৰ ভিতৰত নিজৰ ভাষাত কথা পতাৰ সংকল্প লোৱাৰ উপৰি স্কুলতো হিন্দী-ইংৰাজীৰ লগতে তৃতীয় ভাষা হিচাপে 'বুগুন' ভাষা পঢ়িবলৈ চৰকাৰক খাটনি ধৰিবলৈ মনস্থ কৰিছে। আনকি 'দাম্বিং' নামৰ শিক্ষকজনে লিপি আৰু কিতাপ নোহোৱা 'বুগুন' ভাষাটোৰ লিপি উদ্ভাৱন কৰাতো মনোনিৱেশ কৰিছে।

বুগুন গাঁৱৰ এইসকল ব্যক্তিৰ মাতৃভাষা ৰক্ষাৰ স্বেচ্ছাই গ্ৰহণ কৰা উদ্যোগ তথা তেওঁলোকৰ ত্যাগ আৰু কষ্টৰ দ্বাৰা গল্পকাৰে সেই একাংশ গাঁওবাসীৰ ভাষা-প্ৰীতি আৰু সচেতনতাৰ ছবিখন আন্তৰিকভাৱে অংকন কৰিছে। কিন্তু তাৰ লগে লগে এই কথাও স্পষ্ট কৰিছে যে সেই এমুঠিমান ব্যক্তিৰ আহোপুৰুষাৰ্থৰ বিপৰীতে অন্য মানুহসকলে নিজ নিজ সংকল্পৰ ক্ষেত্ৰত শিথিল হৈ পৰিছে। সমান্তৰালভাৱে দুৰ্ঘটনাগ্ৰস্ত হৈ দাম্বিঙৰ মৃত্যু আৰু বেমাৰত আক্ৰান্ত হৈ অগা-পিছাকৈ পেনজে আৰু চোজুৰ মৃত্যুৱে ভাষাটো জীয়াই ৰখাৰ শেষ আশাকণতো যেন চেঁচা পানী ঢালিছে। গল্পটোত কোৱা হৈছে—

"কিন্তু ভাষাৰ জানো কেতিয়াবা মৃত্যু হয়? অথচ এতিয়া তাকেই হ'বলৈ গৈ আছে, যি এটা আশাৰ থল আছিল দাম্বিঙৰ মৃত্যুৰ লগে লগে সেই আশাও নিৰ্বাপিত হৈ গ'ল।" (196)

পৰৱৰ্তী সময়ত এজন-দুজনকৈ মাতৃভাষা ক'ব পৰা মানুহৰ মৃত্যুৰ পাছত অৱধাৰিতভাৱে "নিজ বুগুন ভাষা জনা মানুহৰ ভিতৰত জীয়াই থাকিল মাথোঁ ইণ্ডি ফিনয়া।"(১৯৫)

অৱশেষত চুজোৱে কোৱাৰ দৰেই ইণ্ডি ফিনয়া হৈ পৰিল বুগুন ভাষা কোৱা পৃথিৱীৰ শেষৰজন ব্যক্তি। এই শেষৰজন ব্যক্তিজনে শেষ পৰ্যন্ত অকলশৰেই যুঁজ দিছে মাতৃভাষাটো জীয়াই ৰাখিবলৈ। তেওঁ অহৰহ চিন্তা কৰিছে পিছৰ প্ৰজন্মটোক ভাষাটো শিকাবলৈ, কিন্তু তেওঁ বিফল হৈছে। তেওঁৰ চৌপাশৰ মানুহবোৰে তেওঁৰ মুখৰ ভাষাটো বুজিবলৈ অপাৰগ হৈছে। গল্পকাৰে কৈছে—

"এইবিলাক কাৰণত বুঢ়া এটা সময়ত নিশ্চিত হ'ল তেওঁৰ মৃত্যুৰ পাছত বুগুন ভাষাৰ কোনো শব্দ-তৰংগ এই পৃথিৱীত আৰু ভাহি নুঠে।"(১৯৬)

ইমানৰ পাছতো ইণ্ডি ফিনয়া আশাবাদী হৈ ৰৈছে। তেওঁৰ মন-মস্তিষ্কত ক্ৰিয়া কৰি থকা চিন্তা-ভাবনাৰ মাধ্যমেৰে গল্পকাৰ ঠংচিয়ে নিৰাশাৰ মাজতো এধানমান আশাৰ ৰেঙনি দেখুৱাইছে। কাৰণ ইণ্ডি ফিনয়াই ভাবিছে, দাম্বিং, পেনজে আৰু চোজুৰ দৰে কোনোবাই কেতিয়াবা হয়তো মৃত 'বুগুন' ভাষা উদ্ধাৰৰ বাবে আগবাঢ়ি আহিব পাৰে। তেনে এটি আশা লৈয়ে ইণ্ডি ফিনয়াই জীৱনৰ শেষৰ সময়কণ দিন-ৰাতি একাকাৰ কৰি খোৱা-বোৱা পৰিত্যাগ কৰিকোনোবাই আনি দিয়া টেপ- ৰেকৰ্ডাৰ এটাত 'বুগুন'ভাষাটো বাণীবদ্ধ কৰিবলৈ আৰম্ভ কৰি দিছে। এই কাৰ্যকলাপৰ বাবে তেওঁ অন্য মানুহৰ চকুত 'পাগল' হিচাপে পৰিগণিত হৈছে। জীৱনৰ অন্তিম সময়লৈকে সৰ্বস্ব উজাৰি নিজ ভাষাটো জীয়াই ৰখাৰ বাবে অপ্ৰাণ চেষ্টা কৰা ইণ্ডি ফিনয়াৰ এদিন মৃত্যু হৈছে। এই মৃত্যুৰ ছবিখন গল্পকাৰে তুলি ধৰিছে এনেদৰে—"এদিন নাতি-বোৱাৰীয়ে ভাত দিবলৈ গৈ দেখিলে বুঢ়া টেপ ৰেকৰ্ড সাবটি শুই আছে। নাতি- বোৱাৰীয়ে বুঢ়াক জগাবলৈ গৈ দেখিলে বুঢ়া আৰু জীয়াই থকা নাই। টেপ ৰেকৰ্ড সাবটি থাকিয়েই তেওঁ মৃত্যুকো সাবটি লৈছে।" (১৯৭)

এইখিনিতে য়েছে দৰজে ঠংচিৰ 'মৃত্যু' গল্পটোৰ নামকৰণে সাৰ্থকতা লাভ কৰিছে। কাৰণ ইণ্ডি ফিনয়াৰ মৃত্যু মানে কেৱল তেওঁৰ মৃত্যু নহয়; এই মৃত্যু হৈছে এটা ভাষাৰ মৃত্যু। গল্পকাৰে সেয়ে এই মৃত্যুক পৃথিৱীত অহৰহ ঘটি থকা সাধাৰণ মৃত্যু নহয় বুলি মন্তব্য দিছে। তেওঁ কৈছে যে, ইণ্ডি ফিনয়াৰ মৃত্যু মানে পৃথিৱীৰ বুকুৰ পৰা এটা ভাষাৰ মৃত্যু ঘটি নিশ্চিহ্ন হৈ যোৱাৰ মৃত্যু। এই কাৰুণ্যই চূড়ান্ত ৰূপ পৰিগ্ৰহণ কৰিছে তেতিয়া, যেতিয়া গল্পটোৰ একেবাৰে শেষত কোৱা হৈছে যে ইণ্ডি ফিনয়াৰ মৃত্যুৰ পাছত নিয়ম অনুসৰি তেওঁৰ মৃতদেহৰ সৈতে সমাধিস্থ কৰা সকলো বয়-বস্তুৰ সৈতে বুগুন ভাষা বাণীবদ্ধ কৰি থৈ যোৱা টেপ-ৰেকৰ্ডাৰটোও পুতি পেলোৱা হৈছে। তাৰ লগে লগে বুগুন ভাষাৰ শেষ অৱশিষ্টকণো পৃথিৱীৰ বুকুৰ পৰা সমূলঞ্চে নিশ্চিহ্ন হৈ পৰিছে।

যেছে দৰজে ঠংচিৰ 'মৃত্যু' গল্পটোত এনেদৰেই এগৰাকী ব্যক্তিৰ মৃত্যুৰ দ্বাৰা এটা ভাষা শেষ হৈ যোৱাৰ করুণ ছবিখন স্পৰ্শকাতৰভাৱে অংকিত হৈছে; য'ত প্রতিফলিত হৈছে ইণ্ডি ফিনয়া নামৰ বুগুনভাষী অন্তিম ব্যক্তিগৰাকীৰ মাতৃভাষাৰ প্রতি চূড়ান্ত প্রেম আৰু দায়বদ্ধতাৰ এখন মর্মস্পশী তথা অনুপ্ৰেৰণামূলক কাহিনী। সমান্তৰালভাৱে গল্পটোত প্রকাশ পাইছে অন্য এচাম মানুহৰ নিজ ভাষাৰ প্রতি চৰম অৱহেলা তথা নতুন প্রজন্মৰ উদাসীনতা। গল্পকাৰ ঠংচিৰ 'মৃত্যু' গল্পটো এনেদৰেই হৈ পৰিছে ভাষা এটাৰ মৃত্যুৰ অন্তৰালৰ অসংখ্য কাৰক অথবা কাৰণৰ এক স্বচ্ছ প্রতিবিম্ব।

**উপসংহাৰ ঃ**

যেছে দৰজে ঠংচিৰ 'মৃত্যু' গল্পটো যথার্থতে এটি আধুনিক মানুহ আৰু সমাজখনৰ বাবে প্রাসংগিক গল্প। এই গল্পত বর্ণিত মর্মন্তুদ কাহিনীৰ মাজেৰে কেৱল অৰুণাচলৰ বুগুন ভাষাটোৰে নহয়, বৰঞ্চ বুগুনৰ দৰে পৃথিৱীৰ প্রতিটো জনগোষ্ঠী অথবা ক্ষুদ্র জাতিসত্তাৰ ভাষা সংস্কৃতিৰ অস্তিত্বৰ প্ৰতি অহা ভাবুকিৰ পূৰ্বাভাস দাঙি ধৰা হৈছে। গল্পটোৱে মানুহক মাতৃভাষা ৰক্ষণাবেক্ষণৰ প্রতি সচেতন কৰি তোলাৰ লগতে ইণ্ডি ফিনয়া অথবা চোজু ,দাম্বিং, পেনজে আদিৰ দৰে ব্যক্তিসকলৰ ভাষা-প্ৰেম তথা মাতৃভাষাটো জীয়াই ৰখাৰ স্বার্থত তেওঁলোকৰ সদিচ্ছা, উদ্যোগ, ত্যাগ আদিয়ে সকলোকে নিজ নিজ ভাষাৰ মৰ্যদা আৰু গৰিমাৰ অক্ষুন্ন ৰাখিবলৈ উদ্বুদ্ধ কৰিব। একে আষাৰে ক'ব পাৰি যে, কেৱল এটি হৃদয়স্পৰ্শী কাহিনীৰ বাবেই নহয়; বৰং কাহিনীটোৰ মাধ্যমেৰে প্ৰেৰণ কৰা এক গুৰুত্বপূর্ণ বাৰ্তাৰ বাবেও যেছে দৰজে ঠংচিৰ 'মৃত্যু' গল্পটো অসমীয়া সাহিত্যৰ জগতত এটি ব্যতিক্রমী তথা মূল্যৱান গল্প স্বৰূপে চিহ্নিত হৈ ৰ'ব। ❑


**উৎস ঃ**

ঠংচি, যেছে দৰজে। মৃত্যু। *ধাৰ আৰু অন্যান্য গল্প*। গুৱাহাটী ঃ বনলতা, দ্বিতীয় প্রকাশ, ২০২৩। মুদ্রিত।

RNI NO. ASSBIL/2009/31008
ISSN : 2321-4945

Peer Reviewed Journal
[UGC-CARE Listed]

# প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যৰ ভাষা সম্পৰ্কীয় চিন্তা-চৰ্চা ঃ এক বিশ্লেষণাত্মক পৰ্যবেক্ষণ



ঋতুপৰ্ণা শইকীয়া

**বিষয়সাৰ ঃ**

ভাষা হৈছে মানুহৰ ভাৱ প্ৰকাশৰ এক বলিষ্ঠ মাধ্যম। ভাষাৰ সহায়ত মানুহে মনৰ ভাৱ আনৰ আগত প্ৰকাশ কৰিব পাৰে। ভাৰতবৰ্ষত বৈদিক যুগৰে পৰা ঋষি-মুনি সকলে ভাষাৰ বিজ্ঞানসন্মত অধ্যয়ন কৰিছিল। খ্ৰীঃ পূঃ প্ৰায় ২৫ বছৰৰ আগতেই ঋকবেদৰ মুক্ততেই ভাষা সম্পৰ্কীয় চিন্তা-চৰ্চা শুভাৰম্ভ হয়। খ্ৰীঃপূঃ প্ৰায় পঞ্চম শতিকাৰ পাণিনিৰ অষ্টাধ্যায়ী ব্যাকৰণতেই ভাষাৰ বিজ্ঞানসন্মত চিন্তা-চৰ্চাৰ বীজ অংকুৰিত হৈছিল। পাণিনিৰ ব্যাকৰণৰ ৰচনাৰ পাছতেই অন্যান্য বৈয়াকৰণিক কাত্যায়ন, পতঞ্জলি আদিয়ে পাশ্চাত্য ভাষাবিজ্ঞানীসকলৰ ভাষাৰ চিন্তা-চৰ্চাক উজ্জীৱিত কৰি তোলে। এনেদৰেই ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ লগতে উত্তৰ -পূৰ্বাঞ্চলতো ভাষা সম্পৰ্কীয় চিন্তা-চৰ্চাৰ সূচনা হ'বলৈ ধৰে।

মিছনেৰীসকলে ঊনবিংশ শতিকাত অসমত ভাষা-সম্পৰ্কীয় চিন্তা-চৰ্চাৰ আৰম্ভণি ঘটায়। পৰৱৰ্তী সময়ত জৰ্জ আব্ৰাহম গ্ৰীয়াৰ্ছন, দেৱানন্দ ভৰালী, ডিম্বেশ্বৰ নেওগ, বেণীমাধৱ বৰুৱা, কালিৰাম মেধি, বাণীকান্ত উপেন্দ্ৰনাথ গোস্বামী, গোলোকচন্দ্ৰ গোস্বামী, প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য আদিয়ে অসমৰ ভাষাসমূহৰ বিষয়ে বৈজ্ঞানিক দৃষ্টিভংগীৰে আলোচনা-বিলোচনা কৰে। যেনেদৰে গোলোকচন্দ্ৰ গোস্বামীয়ে অসমীয়া ব্যাকৰণৰ সংস্কৰণ আৰু সংশোধন ঘটায় ঠিক তেনেদৰে বড়ো ভাষা বা বড়ো সম্প্ৰদায়ক স্বীকৃতি দিব নোখোজা একাংশ বুদ্ধিজীৱিৰ বিপৰীতে গৈ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যই বড়ো ভাষাক বিশ্বৰ পৰিয়ালত প্ৰতিষ্ঠা কৰিছিল। ভট্টাচাৰ্যই ভাষা সম্পকীয় চিন্তা-চৰ্চাৰে ভাষাচৰ্চাৰ ক্ষেত্ৰখনলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াই থৈ গৈছে। আমাৰ এই আলোচনাত প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যৰ 'A Descriptive Analysis of the Bodo Language' গ্ৰন্থখনত বড়ো ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব সম্পৰ্কে কেনেদৰে আলেচনা কৰা হৈছে সেই বিষয়ে বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে।

এই আলোচনা পত্ৰখনত মূলত ঃ বিশ্লেষণাত্মক পদ্ধতিৰ  সহায় লোৱা হৈছে।

**সূচক শব্দ ঃ**

বড়ো ভাষা, ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব, বৈজ্ঞানিক দৃষ্টিভংগী, জনজাতীয় ভাষা।

গৱেষক, অসমীয়া বিভাগ
অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ
কাৰ্বি আংলং, ডিফু (অসম) -৭৮২৪৬২
৮৪৭১৮২০৭৪২!
rituparnasaikia121@gmail.com

## ০.০ প্ৰস্তাৱনা ঃ

### ০.১ আলোচ্য বিষয়ৰ পৰিচয় ঃ

অসমৰ জনজাতীয় ভাষাৰ গৱেষণাৰে বিদ্যায়তনিক ক্ষেত্ৰত আলোড়নৰ সৃষ্টি কৰা আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন ভাষাবিদ গৰাকী হ'ল, প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য। অসমত ভাষা সম্পৰ্কীয় চিন্তাৰ এক মাইলৰ খুঁটি হ'ল, ১৯৭৭ চনত প্ৰকাশিত ভট্টাচাৰ্যৰ 'A

Descriptive Analysis of the Bodo Language' গ্ৰন্থখন। এইখন ১৯৫৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত দাখিল কৰা গৱেষণা কৰ্মৰ গ্ৰন্থৰূপ। গ্ৰন্থখন পাশ্চাত্যৰ বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ আদৰ্শত প্ৰতিষ্ঠিত। আঠটা অধ্যায়ত বিভক্ত গ্ৰন্থখন বড়ো ভাষাৰ অধ্যয়নৰ আটাইতকৈ গুৰুত্বপূৰ্ণ গ্ৰন্থ। এই গ্ৰন্থখনে বড়ো ভাষাৰ বৈজ্ঞানিক অধ্যয়নৰ বাট মুকলি কৰাই নহয় অসমৰ জনজাতীয় ভাষাবোৰৰ গৱেষণা অধ্যয়নৰ প্ৰতিও গৱেষকসকলক আগ্ৰহী কৰি তুলিলে। ভাষাৰ সাধক প্ৰমোদ ভট্টাচাৰ্যৰ প্ৰকাশিত গ্ৰন্থৰ সংখ্যা সীমিত যদিও অসমৰ লগতে সমগ্ৰ ভাৰতবৰ্ষ তথা বিশ্বৰ বিভিন্ন পত্ৰিকাত তেখেতৰ অনেক প্ৰবন্ধ প্ৰকাশ হৈছে। 'প্ৰতিনিধি ভাষা নিৰন্ধ', 'অসমৰ ভাষা পৰিচয়', 'অসমত ভাষা বৈজ্ঞানিক চৰ্চা', 'Aspect of North East Indian Language', গ্ৰন্থখনত ভাষা বিষয়ক চাব্বিশটা প্ৰবন্ধ সংকলিত হৈছে। ইয়াৰ বেছিভাগ প্ৰবন্ধই জনজাতীয় ভাষা সম্পৰ্কীয়। আনহাতে ভট্টাচাৰ্যই বিভিন্ন ঠাইত কেইবাটাও বক্তৃতা প্ৰদান কৰিছে আৰু বক্তৃতাবোৰেও অসমৰ ভাষা বিজ্ঞানৰ চৰ্চাত সহায় কৰিছে।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

**প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যৰ ভাষা সম্পৰ্কীয় চিন্তা-চৰ্চা ঃ** এক বিশ্লেষণাত্মক পৰ্যবেক্ষণ শীৰ্ষক অধ্যয়নৰ উদ্দেশ্যসমূহ এনেধৰণৰ -

ক) ভাষা চৰ্চাবিদ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যৰ ভাষা চৰ্চাৰ চমু আলোচনা আগবঢ়োৱা ।

খ) ভট্টাচাৰ্যৰ A Descriptive Analysis of the Bodo Language গ্ৰন্থৰ ধ্বনিতাত্ত্বিক বিশ্লেষণ আগবঢ়োৱা।

গ) ভট্টাচাৰ্যৰ নিৰ্বাচিত গ্ৰন্থখনৰ ৰূপতাত্ত্বিক দিশটোৰ আলোচনা আগবঢ়োৱা।

ঘ) A Descriptive Analysis of the Bodo Language গ্ৰন্থৰ বাক্যতাত্ত্বিক দিশটোৰ আলোচনা সামৰা।

ঙ) অসমৰ জনজাতীয় বড়ো ভাষাৰ চৰ্চাৰ ক্ষেত্ৰত ভট্টাচাৰ্যৰ ভাষাতাত্ত্বিক দিশটো পুংখানুংখভাৱে অধ্যয়ন কৰা।

**০.৩ অধ্যয়নৰ গুৰুত্ব ঃ**

ভাষাবিজ্ঞানৰ বিভিন্ন দিশ সম্পৰ্কে বিভিন্ন সময়ত ভিন্ন ধৰণৰ আলোচনা হৈছে যদিও প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যৰ ভাষা সম্পৰ্কীয় বিষয়ক পদ্ধতিগতভাৱে হোৱা নাই। সেয়ে এই আলোচনাৰ যথেষ্ট গুৰুত্ব আছে।

**০.৪ অধ্যয়নৰ পৰিসৰ**

**প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যৰ ভাষা সম্পৰ্কীয় চিন্তা-চৰ্চা ঃ** এক বিশ্লেষণাত্মক পৰ্যবেক্ষণ শীৰ্ষক আলোচনাৰ পৰিসৰে ভট্টাচাৰ্যৰ ভাষা সম্পৰ্কীয় চমু আলোচনাৰ লগতে A Descriptive Analysis of the Bodo Language গ্ৰন্থৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু বাক্যতাত্ত্বিক দিশসমূহৰ আলোচনা সামৰা হৈছে লগতে আলোচনাৰ সুবিধাৰ্তে অনুপ কুমাৰ বৰুৱাৰ অসমৰ ভাষা আৰু লিপিৰ পৰিচয় গ্ৰন্থখনৰ কিছু সহায় লোৱা হৈছে ।

**০.৫ অধ্যয়নৰ পদ্ধতি ঃ**

**প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যৰ ভাষা সম্পৰ্কীয় চিন্তা-চৰ্চা ঃ** এক বিশ্লেষণাত্মক পৰ্যবেক্ষণ শীৰ্ষক বিষয়টো আলোচনাৰ বাবে মূলতঃ বিশ্লেষণাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

**১.০ মূল বিষয়ৰ আলোচনা ঃ**

প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যই ১৯৭৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰকাশ কৰা গৱেষণা গ্ৰন্থখন হৈছে, 'A Descriptive Analysis of the Bodo Language' । এই গৱেষণা গ্ৰন্থখনৰ জৰিয়তে ভট্টাচাৰ্যই বড়ো ভাষাক বিশ্বৰ ভাষা পৰিয়ালত প্ৰতিষ্ঠা কৰিছিল। গৱেষণা গ্ৰন্থখনৰ গুৰু আছিল বাণীকান্ত কাকতি। কাকতিৰ মৃত্যু হোৱাত সুকুমাৰ সেনৰ তত্ত্বাৱধানত গৱেষণা কাৰ্য সম্পন্ন কৰে। গ্ৰন্থখনত ভূমিকাসহ আঠোটা অধ্যায় আছে। Introduction অংশতত তিব্বত-চীনীয় ভাষা পৰিয়াল, বড়ো ভাষাৰ অৱস্থিতি, ভাষিক জনগোষ্ঠী, বড়ো ভাষাৰ উপভাষা, লিপি, সাহিত্য-সংস্কৃতি সম্পৰ্কীয় বিভিন্ন দিশ আলোচনা কৰিছে। ভট্টাচাৰ্যই গ্ৰীয়াৰ্ছন আদিকে ধৰি আগৰ আলোচকসকলৰ মতৰ ভিত্তিত বড়ো ভাষাক চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বতবৰ্মীৰ প্ৰশাখাৰ অসমবৰ্মী শাখাৰ বড়ো- নগা এটি শাখা ভাষা ৰূপে চিহ্নিত কৰিছে। ভট্টাচাৰ্যই বড়ো ভাষাৰ উপভাষাৰ চাৰিটা কথা উল্লেখ কৰিছে -

ক) উত্তৰ পশ্চিম উপভাষা ( অবিভক্ত গোৱালপাৰা আৰু কামৰূপ জিলাৰ উত্তৰাঞ্চল)

খ) দক্ষিণ পশ্চিম উপভাষা (দক্ষিণ গোৱালপাৰা, গাৰোপাহাৰ আৰু দক্ষিণ কামৰূপৰ কিছু অংশ)

গ) উত্তৰ মধ্য অসম উপভাষা (দৰং, উত্তৰ লখিমপুৰ আৰু অৰুণাচলৰ কিছু অংশ)

ঘ) দক্ষিণ অসম উপভাষা (নগাঁও, উত্তৰকাছাৰ আৰু কাৰ্বি আংলং আদি অঞ্চল)।

**১.১ বড়ো ভাষাৰ ধ্বনিতত্ত্ব সম্পৰ্কীয় আলোচনা ঃ**

ভট্টাচাৰ্যই গ্ৰন্থখনৰ প্ৰথম অধ্যায়ত বড়ো ভাষাৰ

ধ্বনিতত্ত্বৰ সকলো দিশ আলোচনা কৰিছে। সেই অনুসৰি বড়ো ভাষাৰ ছটা স্বৰ বৰ্ণৰ কথা উল্লেখ আছে। স্বৰবৰ্ণকেইটা হৈছে, ই, এ, আ, উ, ঔ আৰু অ। (বৰুৱা ৫০) বড়ো ভাষাৰ স্বৰবৰ্ণসমূহ জিভাৰ অৱস্থান আৰু উচ্চতা অনুসৰি তলত দিয়া ধৰণে ভাগ কৰিব পাৰি -

| | প্ৰান্তীয় | কেন্দ্ৰীয় | মূলীয় |
|---|---|---|---|
| উচ্চ | ই | | উ |
| মধ্য | এ | ঔ | অ |
| নিম্ন | | আ | |

ওপৰৰ স্বৰবৰ্ণসমূহ শব্দৰ আদি, মধ্য আৰু অন্ত্য অৱস্থানত প্ৰয়োগ দেখুৱাব পাৰি -

| আদি | মধ্য | অন্ত্য |
|---|---|---|
| । ই । ইংফু (পোক) | গিচিফ (বিচনী) | বি (তাই, সি) |
| ।এ । এম (বিচনা) | চেলা (চেলা) | চে (এক) |
| ।উ। উন (পিদু) | গুমা (ফৰিং) | নু দোখা |
| ।অ। অন (মৰম কৰ) | গন (কাঠি) | ন' (ঘৰ) |
| ।আ। আং (মই) | নাৰ (ঠেল) | না (মাছ) |
| ।ঔ। ঔংখাম (ভাত) | ছৌং (সোধ) | বৌ (টনা) |

বড়ো ভাষাত মুঠ ১৬ টা ব্যঞ্জনবৰ্ণ পোৱা যায়। সেইকেইটা হৈছে, ফ, ব, থ, দ, খ, গ, ম, ন, ঙ, ছ, জ, হ, ল, ৰ, ৱ, য়। (বৰুৱা ৫৩) এই বৰ্ণবিলাকৰ ভিতৰত -প, ভ, ত, ধ, ক - এই পাঁচোটা বৰ্ণ বড়োভাষাৰ ধ্বনি চাৰিত্ৰিক বৈশিষ্ট্যৰ পৰা হোৱা বৰ্ণ নহয় আৰু আন বৰ্ণকেইটাৰ দৰে সকলো শব্দত সাধাৰণভাৱে ব্যৱহাৰ নহয়। ব্যঞ্জনবৰ্ণকেইটাৰ তালিকাকৰণ কৰি দেখুওৱা হ'ল-

| | দৌষ্ঠ্য অঘোষ ঘোষ | দন্তমূলীয় অঘোষ ঘোষ | তালব্য অঘোষ ঘোষ | পশ্চতালব্য অঘোষ ঘোষ | কণ্ঠ্যমূলীয় অঘোষ ঘোষ |
|---|---|---|---|---|---|
| স্পৰ্শ | প ব | ত | দ | ক গ | |
| ধ্বনি | ফ ভ | থ | ধ | খ | |
| অনুনাসিক | ম | | ন | ঙ | |
| প্ৰবাহ | | ছ | জ | | হ |
| পাশ্চিক | | | ল | | |
| লুঠিত | | | ৰ | | |
| অৰ্দ্ধস্বৰ | ৱ | | য় | | |

ভট্টাচাৰ্যই বড়ো ভাষাৰ স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণ কেইটাৰ উপধ্বনি সন্ধি, বিৰাম, অক্ষৰ আদিৰ আলোচনা কৰিছে। তেখেতে বড়ো ভাষাত চাৰিটা সুৰ থকাৰ কথা উল্লেখ কৰিছে। সেইকেইটা হৈছে, উচ্চ , মধ্য, নিম্ন আৰু সাধাৰণ।

**১.২ বড়ো ভাষাৰ ৰূপতত্ত্ব সম্পৰ্কীয় আলোচনা ঃ**

ভট্টাচাৰ্যই নিৰ্বাচিত গ্ৰন্থখনৰ তৃতীয় অধ্যায়ত আধুনিক প্ৰাকৃতিক বিজ্ঞানৰ আধাৰত বড়ো ভাষাৰ ৰূপতত্ত্বৰ আলোচনা কৰিছে। চতুৰ্থ অধ্যায়ত ৰূপতাত্ত্বিক বিশ্লেষণৰ অংশ হিচাপে 'বড়ো ভাষাৰ সব্যয়-অব্যয়, বিভিন্ন পদৰ সৈতে প্ৰত্যয়ৰ প্ৰয়োগ, যেনে কাৰক বিভক্তি, ক্ৰিয়া বিভক্তি, স্বাৰ্থিক প্ৰত্যয়ৰ লগতে সম্বন্ধ নিৰ্দিষ্টতা, শ্ৰেণী নিৰ্দেশক পৰিমাণবাচক, লিংগবাচক, বচনবাচক ইত্যাদি সম্পৰ্কে বিস্তাৰিতভাৱে আলোচনা কৰিছে। বড়ো ভাষাৰ সব্যয় শব্দবোৰক বিশেষ্যসদৃশ আৰু ক্ৰিয়া সদৃশ এই দুই শ্ৰেণীত বিশেষ্য, সৰ্বনাম, সংখ্যাবাচক শব্দ আৰু ক্ৰিয়াসদৃশ শব্দৰ শ্ৰেণীত ক্ৰিয়া, বিশেষণ আৰু ক্ৰিয়া বিশেষণৰ অন্তভূৰ্ক্ত কৰিছে।

কাৰক অনুযায়ী বিভক্তিৰ ব্যৱহাৰ কৰিছে এনেদৰে ,

কৰ্তা কাৰক ঃ- –o, আ, আ

কৰ্ম কাৰক ঃ- –o, আ, আ

কৰণ কাৰক ঃ- জৌং, ছৌং

সম্প্ৰদান কাৰক ঃ - নৌ

সম্বন্ধবাচক কাৰক ঃ- নি, হা, আ

অপাদান কাৰক ঃ- আউ- নিআউ।

আনহাতে বড়ো ভাষাত লিংগৰ পাৰ্থক্য বুজাবলৈ তিনিটা সুকীয়া পদ্ধতি প্ৰয়োগ কৰে। সেইকেইটা হৈছে এনেধৰণৰ -

ক) পুং আৰু স্ত্ৰীভেদে সুকীয়া বিশেষ্য শব্দ প্ৰয়োগ কৰি। যেনে, হোৱা (মতা মানুহ) -হিনজাৱ (মাইকী মানুহ)

খ) লিংগ বুজাব লগা বিশেষ্য শব্দটোৰ আগতে মাওজি, ওমা , বৌৰ্‌য়া , মৌয়, মৌচুৰ, মৌয়দাৰ শব্দ যোগ কৰি পুলিংগ আৰু স্ত্ৰীলিংগ বুজোৱা হয়।

| পুলিংগ | স্ত্ৰীলিংগ |
|---|---|
| মাওজি বোন্দা (বোন্দা) | মাওজি বোন্দি (জাঁই) |
| ওমা বোন্দা (মতা গাহৰি) | ওমা বোন্দি (মাইকী গাহৰি) |

গ) লিংগভেদ কৰিবলৈ বিশেষ্য শব্দৰ পাছত চৌন ; চ্‌ি আঃ ই প্ৰত্যয় যোগ হয় । ইয়াৰে আ-

পুলিংগসূচক আৰু ই- স্ত্ৰীলিংগসূচক।

| পুলিংগ | স্ত্ৰীলিংগ |
|---|---|
| বোন্দা (মতা মেকুৰী) | বোন্দি (মাইকী মেকুৰী) |

**১.৩ বড়ো ভাষাৰ বাক্যতত্ত্ব সম্পৰ্কীয় আলোচনা**

বড়ো ভাষাৰ বাক্যবোৰ তিনিটা ভাগত ভাগ কৰা হৈছে। সেইকেইটা হৈছে , সৰল , মিশ্ৰ আৰু যৌগিক।

সৰল বাক্যৰ উদাহৰণ যেনে -

মানচি আঁং আঁখাম জাদোঁং ( মানুহবোৰে ভাত খাইছে)

মিশ্ৰ বাক্যৰ উদাহৰণ -

জেৰাওমি জায়া মানচিয়া মাআঁনা জানাংগৌ ( য'তে হওঁক মানুহে কাম কৰি খাব লাগে)

যৌগিক বাক্যৰ উদাহৰণ -

ৰাম আৰৌ হৰি চানাইজং বেওথা ( ৰাম আৰু হৰি দুয়োজনে তাত থাকিব)

কাৰ্য অনুসৰি বড়ো ভাষাৰ বাক্যবোৰক তলত দিয়া ধৰণেৰে ভাগ কৰিব পাৰি -

ক) বিশেষণ স্থানীয় - ফ্রি ফ্রি অখা (কিনকিনীয়া বৰষুণ)

খ) ক্রিয়া বিশেষণ স্থানীয় - ব্রা ব্রা মাউ ( জোৰপূৰ্বক কৰ)

গ) সংযোজক অব্যয় - নৌং আৰৌ আং ( তুমি আৰু মই)

ঘ) ভাৱবোধক অব্যয় - হাকাব মা জাখৌ (হায়হু কি হ'ল)

ঙ) প্রশ্নবোধক - বি থাংগৌননা (সি যাব নেকি ? )

চ) সম্বোধনবোধক - আঁই গথ' (হেৰা ল'ৰা)

ছ) জোৰ বুজোৰা - আংনৌ জাদোঁং (ময়েই খাইছোঁ)

জ) পশ্চাৎ শব্দ হিচাপে -আংনি বাহেৰা (মোৰ বাহিৰে)

ঝ) তুলনামূলক - জৌৰ যিষণ ঐৱৰ ফিছা (পিতাৰ দৰে পুত্র)

ঞ) সমিধানবোধক - আঁউ, থাংবয় (হয়, গ'ল)

আনহাতে বড়ো ভাষাত অনুজ্ঞআ, অনুৰোধ, প্রশ্নবোধক, জোৰ বুজোৰা আৰু আশীৰ্বাদসূচক বাক্য পোৱা যায় এনেদৰে -

অনুজ্ঞাত ঃ নৌংথাং (তই যা)

অনুৰোধ ঃ নৌং থাংনৌ না? (তুমি খোৰাচোন)

প্রশ্নবোধক ঃ নৌং থাংথাৰ (তুমি নিশ্চয় যাবা)

আশীৰ্বাদসূচক ঃ নৌংহা মৌজাং জাথোঁং (তোমাৰ মংগল হওক) ।

বড়ো ভাষাৰ বাক্যবোৰক অৰ্থ বা ভাৱ অনুসৰিও ভাগ কৰিব পাৰি এনেদৰে -

ক) ইতিসূচক আৰু

খ) নেতিসূচক

ক) ইতিসূচক বাক্য ঃ- বে জাবায় ( সি খাইছে )

খ) নেতিবাচক বাক্য ঃ- বে জায়াখৈ (সি নাখালে)।

## ২.০ উপসংহাৰ

প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যৰ 'A Descriptive Analysis of the Bodo Language' নামৰ গ্ৰন্থখনত চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তৰ্গত অসম বৰ্মী উপশাখাৰ বড়ো ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্বৰ লগতে বাক্যতাত্ত্বিক দিশটোৰে ভাষাতত্ত্বৰ দৃষ্টিভংগীৰে সুন্দৰৰূপত আলোচনা সামৰিছে। তেখেতে গ্ৰন্থখনত ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব এই আটাইকেইটা দিশ সামৰিছে যদিও বাক্যতত্ত্ব সম্পৰ্কত বৰ বিশেষ পুংখানুপুংখ অধ্যয়ন চকুত নপৰে। তথাপিও এনেধৰণৰ অধ্যয়নে বড়ো ভাষাৰ ভিন্ন দিশৰ ভাষাতাত্ত্বিক অধ্যয়নৰ বাট মুকলি কৰিছে। ❑

**প্রসঙ্গ সূত্র ঃ**

বৰুৱা , অনুপ কুমাৰ । অসমৰ ভাষা আৰু লিপিৰ পৰিচয়। কৌস্তুভ প্ৰকাশন, দ্বিতীয় সংস্কৰণ, ২০১৬ পৃ. ৫০।

উল্লিখিত, পৃ. ৫৩।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

গোস্বামী, গোলোকচন্দ্ৰ। *অসমীয়া বৰ্ণপ্ৰকাশ* । বীণা লাইব্ৰেৰী। প্ৰথম সংস্কৰণ, ১৯৬৯।

গোস্বামী, উপেন্দ্ৰনাথ। *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ* । মণি-মাণিক প্ৰকাশ। প্ৰথম সংস্কৰণ, ১৯৯১।

শৰ্মা , দীপক কুমাৰ। *অসমৰ ভাষা বিজ্ঞানী আৰু ভাষা বিজ্ঞান চৰ্চা* । বনলতা। প্ৰথম সংস্কৰণ, ২০১৭।

ডেকা , খগেশসেন। *ব্যাকৰণ ঃ তত্ত্ব আৰু তাত্ত্বিক* । বান্ধৱ। প্ৰথম সংস্কৰণ, মে, ২০১৭।

মহন্ত, দীপকজ্যোতি। *অসমত ভাষা সম্পৰ্কীয় অধ্যয়নৰ গতি- প্ৰকৃতি* । ন প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন । প্ৰথম সংস্কৰণ, ফেব্ৰুৱাৰী, ২০১৯।

Bhattacharya, Pramod Chandra. *A Descriptive Analysis of the Bodo Lan guage* . Department of Publication , Gauhati University, 1977.

# लेखकों से निवेदन

- द्विभाषी राष्ट्रसेवक में प्रकाशन हेतु पत्रिका की प्रकृति के अनुरूप भाषा, साहित्य, समाज, कला व संस्कृति विषयक लेख आमंत्रित हैं।
- अनूदित रचनाओं के संदर्भ में मूल लेखक की अनुमति/स्वीकृति अनिवार्य है।
- लेखक अपनी रचनाएँ केंद्रीय हिंदी निदेशालय द्वारा स्वीकृत मानक हिंदी यूनिकोड में 13 प्वाइंट में टंकित कराकर पत्रिका के ई-मेल : rastrasewak51@gmail.com पर अथवा स्पष्ट अक्षरों में लिखकर समिति कार्यालय के पते (मंत्री, असम राष्ट्रभाषा प्रचार समिति, रूपनगर, गुवाहाटी-781032, असम) पर भेजें।
- अस्वीकृत रचनाएँ लौटाई नहीं जाएँगी। अत: भेजी गई रचना की प्रति अपने पास अवश्य रखें।
- लेखक अपनी रचना के साथ अपना नाम, पदनाम, मोबाइल नं., ई-मेल, पूरा पता सहित एक पासपोर्ट साइज फोटो अवश्य भेजें।
- शोधपत्र की न्यूनतम शब्द-सीमा 2500 और अधिकतम 3000 होनी चाहिए और सार 150 से 200 शब्दों के भीतर होना चाहिए।
- असमीया भाषा में लिखे गए लेख को पेजमेकर फारमेट में गीतांजलि फंट, 12 प्वांइट में टाइप कराकर भेज सकते हैं।
- शोधपत्र के लेखन में एमएलए शैली का अनुपालन करना होगा।
- शोधपत्र में क्रमश: शीर्षक, सार, प्रस्तावना, उद्देश्य, संसाधन/सामग्री, प्रविधि/पद्धति, क्षेत्र, मूल विषयवस्तु का विश्लेषण, परिणाम/उपलब्धियाँ, निष्कर्ष और उद्धृत कार्य शामिल होंगे।
- शोधपत्र की मौलिकता हेतु रचना के साथ घोषणा-पत्र संलग्न किया जाना आवश्यक है।
- लेखक अपनी तथ्यात्मक सटीकता के लिए पूरी तरह जिम्मेदार हैं।

## द्विभाषी राष्ट्रसेवक का सदस्यता प्र-पत्र

यहाँ से काटिए

नाम : ....................................................

पदनाम : ....................................................

पूरा पता : ....................................................

: ....................................................

ई-मेल : .............................. मोबाइल : ....................

RTGS का विवरण : ....................................................

**सदस्यता शुल्क**

| *व्यक्तिगत* | | *संस्थागत* | |
|---|---|---|---|
| प्रति अंक | : रु. 100/- | प्रति अंक | : रु. 150/- |
| वार्षिक | : रु. 1000/- | वार्षिक | : रु. 1,500/- |
| आजीवन सदस्य | : रु. 10,000/- | | |

निर्धारित शुल्क मनीऑडर/डी.डी. के द्वारा असम राष्ट्रभाषा प्रचार समिति के नाम से समिति कार्यालय के पते पर भेजा जा सकता है। ऑनलाइन शुल्क निम्न विवरण के अनुसार भेजें :-

| | |
|---|---|
| Name of Beneficiary | : Asom Rastrabhasha Prachar Samiti |
| A/c No. | : 551802010004619 |
| Name of Bank & Branch | : Union Bank of India, Hatigaon Chariali, Dispur-781038 |
| IFS Code | : UBIN0555185 |

अधिक जानकारी के लिए संपर्क करें -

डॉ. क्षीरदा कुमार शइकीया, मंत्री, असम राष्ट्रभाषा प्रचार समिति, सेवा मंदिर पथ, रूपनगर, डाक : इंद्रपुर, जिला : कामरूप महानगर, गुवाहाटी-781032 (असम), मो. 9101541380, ई-मेल : rastrasewak51@gmail.com

POSTAL REGISTRATION NO. GH-127/2025-2027 ❖ Date of Publication : 31th March, 2026 ❖ RNI No. ASSBIL/2009/31008

# समिति के कुछ अनमोल प्रकाशन

- ❖ नामघोषा
- ❖ लौहित्य और नीलाचल
- ❖ डाक के वचन
- ❖ दादी की कहानियाँ
- ❖ राह और रोड़े
- ❖ कवच
- ❖ निर्भीक मुक्तियोद्धा
- ❖ प्रागज्योति (हिंदी/असमीया)
- ❖ असमीया साहित्य की रूपरेखा
- ❖ साहित्य समीक्षा
- ❖ आधुनिक असमीया कविता
- ❖ कार्यालयीन हिंदी
- ❖ साहित्य और प्रेम
- ❖ व्यावहारिक आलेखन और टिप्पण
- ❖ राजभाषा एवं राष्ट्रभाषा
- ❖ ध्रुवस्वामिनी
- ❖ लाचित बरफुकन (काव्य)
- ❖ लाचित बरफुकन (नाटक)
- ❖ पूर्वोत्तर भारत के क्रांतिकारी
- ❖ माँ कामाख्या
- ❖ कुतु और सुमन (बाल उपन्यास)
- ❖ महापुरुष शंकरदेव (सचित्र पुस्तिका)
- ❖ भूपेन दा का सुरीला सफर
- ❖ हिंदी-असमीया शब्दकोश
- ❖ शिवसागर (पर्यटकों के लिए)

■ **प्राप्ति स्थान :** पुस्तक बिक्री विभाग ■ **संपर्क :** 9435146092

*संपादकीय कार्यालय :*
प्रधान संपादक, द्विभाषी राष्ट्रसेवक, असम राष्ट्रभाषा प्रचार समिति, सेवा मंदिर पथ, रूपनगर, गुवाहाटी-781032
arpsguwahati.com rastrasewak51@gmail.com 9101541395/9101541380